স্বৰাজোত্তৰ নগাঁও ঃ নিবন্ধমালা

স্বৰাজোত্তৰ নগাঁও ঃ নিবন্ধমালা

মুখ্য সম্পাদক

শিবানন্দ কাকতি

সম্পাদক

জ্যোতির্ময় চক্রবর্তী

স্বাধীনতাব স্বর্ণজয়ন্তী বর্ষ উদ্‌যাপন সমিতি

নগাঁও ঃ অসম

Swarajottar Nagaon : Nibondhamala : A collection of articles on the Post Independent Nagaon. Edited by Sibananda Kakoti and published by Shri Kanak Kachari, Addl. D. C., Nagaon, Secretary, on behalf of Golden Jubilee Year of India's Independence Celebration Committee, Nagaon, Assam.

Price : Rs. 50/- only

প্ৰকাশক ঃ স্বাধীনতাৰ স্বৰ্ণজয়ন্তী বৰ্ষ উদ্‌যাপন সমিতি, নগাঁও ঃ অসমৰ হৈ
কনক কছাৰী, অতিৰিক্ত উপায়ুক্ত, সম্পাদক

প্ৰথম প্ৰকাশ ঃ ১৫ আগষ্ট, ১৯৯৮

প্ৰচ্ছদ ঃ প্ৰণৱ বৰুৱা

মুদ্ৰক ঃ কম্পিউটেক ডি. টি. পি. চেণ্টাৰ
নগাঁও ঃ অসম

মূল্য ঃ ৫০.০০ (পঞ্চাশ) টকা

ভাৰতৰ স্বাধীনতা সংগ্ৰামত অংশ গ্ৰহণকাৰী সকলৰ
প্ৰতি শ্ৰদ্ধাৰে উৎসৰ্গিত

সম্পাদনা সমিতি

সভাপতি	ঃ	থানেশ্বৰ মালাকাৰ, এ.চি.এছ, অতিৰিক্ত উপায়ুক্ত, নগাঁও
মুখ্য সম্পাদক	ঃ	শিবানন্দ কাকতি
সম্পাদক	ঃ	জ্যোতির্ময় চক্ৰৱৰ্তী
আহ্বায়ক	ঃ	বন্তী দেৱী
সদস্য	ঃ	বেণুধৰ কলিতা ড০ নবেন কলিতা ইন্দ্ৰেশ্বৰ গোস্বামী তোষেশ্বৰ শৰ্মা চুলতানা চেলিমা হাজৰিকা নৌচাদ আখতাৰ হাজৰিকা উৎপল দত্ত

সূচী

মুখ্য সম্পাদকৰ একাষাৰ

নিবন্ধাৱলী

মই দেখা স্বাধীনতাৰ পৰৱৰ্ত্তী নগাঁও ১
সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা

স্বৰাজোত্তৰ কালত অসমৰ ৰাজনৈতিক জগতলৈ নগাঁৱৰ অৱদান ৬
কমলেশ্বৰ বৰা

স্বৰাজোত্তৰ নগাঁৱৰ বৌদ্ধিক পৰিমণ্ডল ১৬
অপূৰ্ব শৰ্মা

স্বৰাজোত্তৰ নগাঁৱত বামপন্থী চিন্তাধাৰাৰ বিকাশ ২১
ফনী বৰা

অৰ্থনৈতিক বিৱৰ্ত্তনত নগাঁও জিলা ২৮
বানেশ্বৰ শইকীয়া

সত্ৰানুষ্ঠানৰ প্ৰাসঙ্গিকতা ৮১
ড০ নবেন্ কলিতা

নগাঁও ঃ আধুনিক অসমীয়া সাহিত্যৰ পীঠস্থান ৮৮
প্ৰভাত বৰা

স্বৰাজোত্তৰ কালত নগাঁৱৰ সংবাদ পত্ৰ আৰু আলোচনী ৯৬
উপেন্দ্ৰ বৰকটকী

স্বৰাজোত্তৰ কালত নগাঁৱত উচ্চ শিক্ষাৰ পৰিবেশ আৰু বিকাশ ১০১
প্ৰসন্ন কুমাৰ গোস্বামী

স্বৰাজোত্তৰ কালৰ অসমীয়া সাহিত্যলৈ নগাঁৱৰ অৱদান ১০৭
বেৰ বৰা

স্বৰাজোত্তৰ নগাঁৱত সংগীত চৰ্চাৰ বিকাশ, এটি টোকা ১২৬
বিবেকানন্দ ভট্টাচাৰ্য্য

স্বাধীনতাৰ নগাঁৱৰ নাট্যচৰ্চা ১৪৩
ৰাম কুমাৰ ভট্টাচাৰ্য

স্বাধীনতাৰ নগাঁৱৰ চলচ্চিত্ৰ চিন্তা ১৫০
উৎপল দত্ত

স্বাধীনতাৰ নগাঁও জিলাৰ সামাজিক সাংস্কৃতিক গোষ্ঠীৰ ভূমিকা ১৫৪
নৌচাদ আখতাৰ হাজৰিকা

স্বাধীনতাৰ নগাঁৱৰ ক্ৰীড়া জগত আৰু ইয়াৰ বিকাশ ১৫৯
সহজানন্দ ওজা

স্বাধীনতাৰ কালৰ অবিভক্ত নগাঁও জিলাৰ জন গাঁথনি (১৯৫১-৯১) ১৬৪
ড০ জ্যোতি নাথ চক্ৰৱৰ্তী

স্বাধীনতাৰ কালৰ নগাঁৱত পৰ্যটন উদ্যোগৰ সম্ভাৱনা ১৭২
নীলমণি শৰ্মা

নগাঁও জিলাৰ ভৌগোলিক পৰিবেশ
আৰু পাৰিপাৰ্শ্বিক সমস্যাৰ এটি ৰূপৰেখা ১৭৫
জয়ন্ত শৰ্মা

স্বাধীনতাৰ নগাঁৱৰ দুখন ছবি

'অল ইজ অ'ভাৰ' ১৮৯
মহিম বৰা

কাল সাগৰৰ ঢেউ ১৯৫
প্ৰদীপ শইকীয়া

পৰিশিষ্ট

মুখ্য সম্পাদকৰ একাষাৰ

স্বাধীনতা শব্দটো বৰ ৰোমাঞ্চকৰ। ১৯৪৭ চনৰ ১৪ আগষ্টৰ মাজনিশা সংবিধান সভাৰ (Constituent assembly) মজিয়াৰ পৰা জৱাহৰলাল নেহৰুৱে যেতিয়া দেশবাসীৰ উদ্দেশ্যে " অদৃষ্টৰ নিৰ্দেশ্য লক্ষ্য"ৰ (A tryst with destiny) ভাষণ দি আছিল, সেই সময়ৰ দেশৰ ত্ৰিশ কোটি জনতাৰ অনেকেই এই ভাষণৰ প্ৰকৃত, শব্দগত বা নতুন ভাৰত গঢ়াৰ নেহৰুৰ ইঙ্গিত, এইবোৰ যিমান বুজিছিল তাতোকৈ অনেক পৰিচ্ছন্নভাবে অতি পোণপটিয়াকৈ হৃদয়ঙ্গম কৰিছিল, অনুভৱ কৰিছিল পৰাধীনতাৰ পাছত স্বাধীনতা শব্দৰ অৰ্থ, ৰোমাঞ্চ। মাজ নিশা সাৰ পাই এই সংবাদ শুনিবলৈ কোনো শুই থকা নাছিল। উজাগৰ পৰাধীন নিশাৰ শেষত স্বাধীন প্ৰত্যুষৰ বাবে সকলো যেন সাৰে আছিল।

সাৰে আছিল আৰু অনেক কাৰণত। স্বাধীনতাৰ আনন্দৰ উত্তেজনা, পুৱাৰ ১৫ আগষ্ট উদযাপনৰ নিৰ্দ্ধাৰিত অথবা অনিৰ্দ্ধাৰিত যিকোনো কাৰ্যসূচীত চামিল হোৱাৰ ব্যস্ততা আৰু ইয়াৰ বিপৰীতে অতি কঠোৰ বাস্তৱক সন্মুখত লৈ দুই সীমান্তৰ কেইবা কোটি মানুহো সাৰে আছিল আন এক উত্তেজনা অথবা অনিশ্চয়তাৰ এটা স্বাধীন পুৱাৰ পোহৰলৈ ; খণ্ডিত দেশ, ভাষা আৰু ধৰ্মৰ দুপাৰ সীমনা অথবা দেশান্তৰ হোৱাৰ হৃদয় বিদাৰক বেদনাত ভাৰাক্ৰান্ত হৈ।

স্বাধীনতাৰ এই প্ৰাথমিক অনিশ্চয়তাই আছিল নৱজন্মৰ দ্যোতক। সম্ভৱ অসম্ভৱৰ আশাৰ মাজতে স্বাধীনতাৰ এই অসাধাৰণ অৰ্দ্ধ শতক ইতিমধ্যে পাৰ হৈছে। সদ্য স্বাধীন ভাৰতবৰ্ষৰ প্ৰতি নেহৰুৰ প্ৰতিশ্ৰুতি আছিল " ..... দাৰিদ্ৰতা দূৰীকৰণৰ বাবে আমাৰ দ্ৰুত ভূমিস্বত্ব সংস্কাৰ আৰু ব্যাপক শিল্পায়ণৰ প্ৰয়োজন। ইয়াৰ পৰা প্ৰাপ্ত সম্পদ দেশৰ মানুহৰ মাজত সমভাবে বিতৰিত হ'ব। ইয়াৰ ফলত সকলো দেশবাসীয়েই উপকৃত হ'ব। "To each according to capacity to each according to needs " সমাজবাদী সূত্ৰৰ অনুৰণনৰ আৱৰ্ত্তণিৰ এই দেশ পূৰ্ণগঠনৰ প্ৰক্ৰিয়া আজি এক মিশ্ৰিত অনুভূতিত পৰ্যবসিত। এই অৰ্দ্ধশতিকাত নেহৰুৰ সেই উদ্দেশ্য পূৰণ হৈছে নে নাই তাৰো মন্তব্য নিষ্প্ৰয়োজন। সেয়ে "অদৃষ্টৰ নিৰ্দেশ্য লক্ষ্য" এতিয়া নিজ নিজ অৰ্থত ব্যৱহৃত। কাৰোবাৰ বাবে কেৱল বিধানসভা, লোকসভা, মন্ত্ৰিত্ব অথবা ক্ষমতাৰ পাৰিপাৰ্শ্ব স্থিতিয়েই একমাত্ৰ প্ৰাপ্তি অথবা কাৰোবাৰ বাবে এই প্ৰাপ্তি অহৰহ সংগ্ৰাম। 'সংগ্ৰাম'ৰ শৈলী নিজ নিজ ভাগে ব্যাখ্যায়িত।

তথাপি আমাৰ দেশ স্বাধীন, স্বাধীন আমাৰ দেশ, স্বাধীন আমাৰ নগাঁও। এটা সময়ৰ স্বাধীনতা দিৱসৰ উত্তেজনা- উদযাপনৰ বাবে গাঁৱৰ সকলো মানুহ গোট খাইছিল নামঘৰৰ প্ৰাঙ্গনত অথবা ৰাজহুৱা চাৰিআলিত। স্কুলবোৰত সুন্দৰকৈ ৰাষ্ট্ৰীয় পতাকাৰ তলত ঘূৰণীয়াকৈ বগা ঘেৰ দিছিল, বং বিৰঙৰ ফুলৰে পতাকাৰ তলত বান্ধিছিল, যিমান পাৰি। প্ৰধান শিক্ষকে উত্তোলন কৰা পতাকাই পাহ মেলি চটিয়াই দিয়া ফুলৰ পাহি - চুপহি গোটেই চৌদিশে জুৰি বিয়পি

ঘাগৰি পৰিছিল; স্বাধীনতা দিবস উদযাপিত হৈছিল। আজিৰ প্ৰজন্মৰ অনেকেই গম পোৱা নাছিল, কি হৈছিল ১৯৪৭ চনৰ ১৪ আগষ্টৰ ৰাতি বা ১৫ আগষ্টৰ পুৱা, গোটেই দিনটোতে।

স্বাধীন নগাঁৱৰ প্ৰথম পুৱা আৰম্ভ হৈছিল সঙ্গীতময়তাৰে। চৌপাশ গীতেৰে ভৰি পৰিছিল। নগাঁৱৰ ঘাই ৰাজপথবোৰত, মূল সংযোগস্থল সমূহত, উপচি পৰিছিল কেৱল সঙ্গীত আৰু আনন্দ। আনহাতে সেই সময়বোৰতেই কোনো প্ৰকৃত গান্ধীবাদী অঞ্চলত অনুসূচীত সম্প্ৰদায়ৰ সাধাৰণ লোকক সসন্মানে সভাৰ ওখ আসনত বহুৱাই সমতাৰ সন্মান প্ৰদৰ্শন কৰাৰ বিৰল মানসিকতা প্ৰদৰ্শিত হৈছিল স্বাধীন দেশৰ মুকলি অনুভৱেৰে।

তাৰ পাছৰখিনি বুৰঞ্জী; অৰ্দ্ধশতকৰ বুৰঞ্জী। নগাঁৱৰ সূৰ্য কুমাৰ ভূঞা, বিৰিঞ্চি কুমাৰ বৰুৱা আদিৰ বৰঙণিৰে অসমত বৌদ্ধিক জগত উৰ্বৰ। কিন্তু নগাঁৱৰ আজিৰ সামাজিক, বৌদ্ধিক জগতৰ সামূহিক পৰিক্ৰমা যেন স্থবিৰ, কিছু ব্যক্তিগত। নিজ নিজ ভাবে মাজে মাজে ই বিকশিত আৰু জিলিকনিৰে পোহৰাম্বিত হ'লেও সামগ্ৰিক ভাৱে ইয়াৰ ঐক্যবদ্ধ বিকাশ স্তিমিত। উভয় সংকটত মধ্যবিত্ত। আপোচৰ সংশয় আৰু এৰা-ধৰা বিপ্লৱ, ভোগবাদ, কনজ্যুমাৰিজমত ক্ৰমশঃ নিমজ্জিত আধুনিক জীৱন। সমাজচ্যুত হৈ পৰিছে পৰিয়াল। সমাজ অনুষ্ঠানৰ ক্ৰমশঃ বিলুপ্তি ঘটিছে। ভাই-ভাইৰ মাজত, পিতৃ-মাতৃৰ সৈতে পুত্ৰৰ, স্বামীৰ লগত স্ত্ৰীৰ, বন্ধুৰ লগত বন্ধুৰ দূৰত্ব ক্ৰমশঃ বাঢ়িছে।

মানুহৰ নিঃস্বাৰ্থ সংসৰ্গ, নিৰ্ভেজাল আড্ডা আজি পৰাহত। উদ্দেশ্যহীন পৰস্পৰ সহচৰ্য যে কাৰোবাৰ নিৰ্লোভ কামনা এই ধাৰণাও মানুহৰ লাহে লাহে আতৰি গৈছে। পৰস্পৰ সুখানুভূতিৰ বিনিময়, পৰস্পৰ প্ৰশংসা, ভালপোৱা, সকলোয়েই যেন সংশয় আৰু অবিশ্বাসত ধূমায়িত। প্ৰাণখুলি মাৰিব পৰা হাঁহি অথবা স্বতঃস্ফূৰ্ত অশ্ৰুৰ উৎস ক'ত যেন এতিয়া লুকাই পৰিছে। আধুনিকতাৰ এই অৰ্দ্ধশতাব্দীত প্ৰতিযোগিতাই বিমূঢ় কৰি পেলাইছে জীৱন। শিশুৰে হেৰুৱাই পেলাইছে শৈশৱৰ আনন্দ, কিন্তু জ্ঞান বঢ়া নাই। প্ৰতিযোগিতাৰ 'এন্দুৰ দৌৰ' ত কৈশোৰ যৌৱন নিমজ্জিত। অসহিষ্ণুতাৰ বৰ্দ্ধিত চৌপাশ, মূল্যবোধৰ ক্ৰম অবক্ষয়, মধ্যবিত্ত মাক দেউতাক লাহে লাহে বৃদ্ধাবাসমুখী অথবা আজীৱন কষ্টোপাৰ্জিত বহু কোঠাৰ ঘৰ পহৰাৰত।

তথাপি নিৰ্মল হাঁহি, অকৃত্ৰিম সংগ, শ্ৰদ্ধা অথবা সেৱাৰ গভীৰ মূল্যবোধৰ একোটা ৰূপালী ৰেখা সদায়েই জিলিকি থাকে। এই ৰেখাৰেই পোহাৰাম্বিত জ্যোতিত অপ্ৰাপ্তি বা হতাশা, ক্ৰোধ বা অভিমানৰ উৰ্দ্ধত স্বাধীনতাৰ ৰোমাঞ্চকৰ শব্দৰ ব্যঞ্জনা আৰু বৈভৱ গোটেই সমাজ জুৰি প্ৰসাৰিত হৈ থাকে। এই ৰোমাঞ্চকৰ স্বাধীনতাৰ আজি স্বৰ্ণজয়ন্তী উৎসৱ। একবিংশ শতিকাৰ দুৱাৰদলিৰ এক সুমধুৰ নান্দীউৎসৱ।

শিবানন্দ কাকতি

মুখ্য সম্পাদক

মই দেখা স্বাধীনতাৰ পৰৱৰ্ত্তী নগাঁও

সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা

১৯৪৪ চনৰ আগষ্ট মাহত, ভাৰতে স্বাধীনতা লাভ কৰা কেইবছৰমান আগতে মই যোৰহাট এৰি নগাঁৱলৈ আহোঁ নগাঁও কলেজৰ প্ৰতিষ্ঠাতা অধ্যক্ষ ৰূপে। অধ্যক্ষ পদৰ পৰা অৱসৰ লোৱাৰ পাছতো প্ৰায় ডেৰ কুৰি বছৰ নগাঁও চহৰৰ বাসিন্দা হৈয়ে বৈ গলোঁ। অৱসৰৰ পাছত মই কিয় যোৰহাট বা গুৱাহাটীত নাথাকি নগাঁৱত থাকিবলৈ ভাল পালো? সেই বিষয়ে মোক বহুতেই কেইবছৰ মানলৈ প্ৰশ্ন কৰিছিল। আনকি গুৱাহাটী আকাশবাণী কেন্দ্ৰৰ প্ৰতিনিধি আহিও এই সম্বন্ধে মোৰ সাক্ষাৎকাৰ গ্ৰহণ কৰি প্ৰচাৰ কৰিছিল। এই প্ৰশ্ন বিলাকৰ এটাৰ উত্তৰত মই কৈছিলোঁ, গোটেই অসমখনকে মই নিজৰ ঠাই বুলি ভাবোঁ আৰু নগাঁৱত প্ৰায় পঁচিশ বছৰ কাল শিক্ষা দান কৰি ঠাইখন মোৰ বৰ আপোন-আপোন লাগিছিল। ডিব্ৰুগড় বা যোৰহাটৰ দৰে বিশেষ ধনী বুলি এক শ্ৰেণীৰ মানুহ নাছিল, ইয়াত মধ্যবিত্ত শ্ৰেণীৰ মানুহেই নগৰে-চহৰে সৰহ আৰু বাকীবিলাক দাৰিদ্ৰ সীমা ৰেখাৰ ওচৰে-ওচৰে থকা খেতিয়ক বা তদনুৰূপ মানুহ। গতিকে নগাঁৱৰ নাগৰিক সকলৰ ভিতৰত সাম্যভাৱ আন ঠাইৰ মানুহতকৈ অলপ সৰহ, এই সকলৰ মাজত অবাধ আহ-যাহ আৰু সামাজিক বন্ধন বিশেষ অনুভৱ কৰিবলগীয়া বস্তু। স্বাধীনতা লাভৰ ভালেখিনি পাছলৈকে এই স্বাভাৱিক সাম্যভাৱ সতেজ হৈ আছিল আৰু তাৰ উম সকলোৱে লাভ কৰিছিল। কিন্তু পাছলৈ এনেকুৱা অনুমান হৈছিল যেন নতুন যুগৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক প্ৰভাৱে গম নোপোৱাকৈয়ে সমাজত কিছু প্ৰভাৱ বিস্তাৰ কৰিছিল। এই চৰিত্ৰটি সমগ্ৰ ভাৰতৰে বৰ্তমান চৰিত্ৰ, অকল এটা বা দুটা অঞ্চলৰ নহয়। ভাৰতৰ স্বাধীনতা লাভৰ পিছতো ভালেখিনি বছৰ এগৰাকী গান্ধীবাদী লোক ভাৰতে ধাৰণ কৰিছিল, তেওঁ আছিল ৰাজা গোপালচাৰী। তেওঁৰ জীৱিত অৱস্থাতে ভাৰতৰ বেংক বিলাকৰ জাতীয়কৰণ (Nationalization) হোৱাত তেওঁ এটা অলপ কঠোৰ মন্তব্য দিছিল, অকল বেংকৰ জাতীয়কৰণেই হোৱা নাই ভাৰতীয় মানুহৰ সৰহভাগৰ কৰ্মকুশলতাৰ অভাৱ আৰু অসাধুতাৰো জাতীয়কৰণ হৈছে। ৰাজাজীৰ এই মন্তব্য কম-বেচি ভাৰতৰ বিভিন্ন অঞ্চলৰ পক্ষেও প্ৰয়োগ কৰিব পাৰি।

স্বাধীনতা লাভৰ পাছত কেইবাটাও দশকলৈ আমাৰ সমাজত সাম্প্ৰাদায়িক সংঘৰ্ষ আৰু তাৰ লগৰীয়া হিংসাত্মক ঘটনা আদিয়ে আমাৰ বিভিন্ন সম্প্ৰদায়ৰ মাজত অবিশ্বাস আৰু দুৰ্যোৰ অশান্তিৰ সৃষ্টি কৰিছিল। স্বাধীনতা লাভৰ আগতো দুই-চাৰি বাৰ এনে ঘটনা নঘটাকৈ থকা নাই। এনে মনোভাৱৰ কাৰণ বিচাৰিব লাগিলে কোম্পানীৰ দিনৰ আৰম্ভলৈ যাব লাগিব। আমাৰ দেশত বহুদিনলৈ ইংৰাজী শিক্ষা প্ৰায় প্ৰচলন নোহোৱাৰ কাৰণে চৰকাৰী কাৰ্যালয়, চাহ বাগিচা আদিত অসমীয়া মানুহ একেবাৰে নাছিল বুলিলেই হয়। অসমৰ বাহিৰৰ পৰা বিশেষকৈ বঙ্গদেশৰ মানুহ মাতি আনি কাম বাটি দিব লগা হৈছিল। অসমলৈ বহিৰাগতৰ প্ৰৱেশ আধুনিক

কালত এয়ে প্ৰথম। এই বহিৰাগত সমস্যাটোৱেই আগতে উল্লেখ কৰি অহা অবিশ্বাস আৰু আতঙ্কৰ কাৰণ। এই অমঙ্গলীয়া অবিশ্বাসৰ কাৰণেই স্বাধীনতাৰ পাছৰ কাল ডোখৰত কেইবাবাৰো সাম্প্ৰদায়িক সংঘৰ্ষ আৰু হিংসাত্মক ঘটনা ঘটিবলৈ পালে। সেই মনোভাৱৰ বীজাণু আজিও একেবাৰে নিঃশেষ হোৱা নাই।

অসমলৈ দল বান্ধি ভাৰতৰ ভিতৰত অনাঅসমীয়া মানুহ আহি স্থায়ীভাবে বসতি কৰাৰ প্ৰধান কাৰণ এয়ে আছিল যে অসম উপত্যকাৰ উজনি খণ্ডৰ গোলাঘাটলৈকে এইছোৱা ঠাইৰ বাহিৰে অসমৰ আন বিলাক জিলাত বিশেষকৈ নগাঁৱত জনসংখ্যা কম আছিল আৰু সেই অনুপাতে পতিত বেচৰকাৰী মাটিও আছিল। এইবিলাক ভূখণ্ডই স্বাভাৱিকেই বাহিৰৰ ভূমিহীন লোকক আকৰ্ষণ কৰিছিল। কুৰি শতিকাৰ আৰম্ভৰ কিছু আগৰ পৰাই অসমত চৰকাৰী, বেচৰকাৰী প্ৰতিষ্ঠানত চাকৰি আৰু নানা সৰু সুৰা ব্যৱসায় কৰিবলৈ অহা মানুহৰ বাহিৰেও কেৱল খেতি বাতি কৰা উৎসাহী আৰু শ্ৰমশীল মানুহ যথেষ্ট আছিল। এনে কিছুমান মানুহ বাহিৰৰ পৰা আহিবলৈ উৎসাহিত কৰাতো চৰকাৰেও নীতি হিচাপে গ্ৰহণ কৰিছিল। এনে কাৰণতেই অসম উপত্যকাত বিশেষকৈ নগাঁও জিলাৰ থলুৱা মানুহ বিলাকে অতি পলমকৈ হে বুজিব পাৰিছিল যে তেওঁ বিলাকৰ নিজৰো উদাসীনতা ফলতেই এটা লঘু আদিবাসী হ'ল। সেই সময়ত চৰকাৰৰ ঘৰত অসমীয়া ৰাইজৰ প্ৰতিনিধিত্ব কৰা মানুহ কম আছিল আৰু তেওঁলোকো দুৰ্বল আছিল। বিশেষকৈ সুৰমা উপত্যকাৰ প্ৰতিনিধি সকলহে অসমৰ বহুত বিষয়ত প্ৰভুত্ব কৰিছিল। ব্ৰহ্মপুত্ৰ উপত্যকাৰ অসমীয়া মানুহৰ অসন্তুষ্টি বাঢ়িলেও তাক কামত ৰূপায়িত কৰা বৰ সহজ নাছিল। এইবোৰ নানা কাৰণত অসমত জাতিগত আৰু ভাষাগত সংঘাত বাঢ়ি উঠিছিল আৰু স্বাধীনতা লাভৰ পৰৱৰ্তী দশক বিলাকত এই সংঘৰ্ষ বিলাকে মাজে মাজে অতি অপ্ৰীতিকৰ হৈ প্ৰকাশ পাইছে। কেন্দ্ৰীয় আৰু প্ৰাদেশিক চৰকাৰেও এনে সংঘৰ্ষ কমাই দেশত শান্তি-সম্প্ৰীতি স্থাপনৰ অলপ দুৰ্বল প্ৰয়াস নকৰা নহয়। এই বহিৰাগত বিলাকৰ ভিতৰত এটা বৃহৎ সংখ্যক লোকে নিজকে ন অসমীয়া বুলি কৈ অসমৰ ভাষা গ্ৰহণ কৰি শান্ত মনোবৃত্তিৰ অলপ পৰিচয় দিছিল কিন্তু বহুত স্বাৰ্থপৰ লোক ৰাজনৈতিক আৰু আন আন স্বাৰ্থৰ লোভত শান্তিপ্ৰিয় মানুহবিলাককো হিংসাত্মক হ'বলৈহে পৰোচনা দিছিল। বঙ্গ ভাষা-ভাষী অসমত থকা অনেক মানুহে তেওঁবিলাকে নানা সুবিধা ভোগ কৰাৰ সত্বেও তেওঁবিলাকে সন্তোষ নহৈছিল। স্বাধীনতা লাভৰ পাছত পূৰ্ব বঙ্গৰ পৰা বিশেষকৈ অনেক ভগনীয়া লোক অসমলৈ আহিবলৈ বাধ্য হৈছিল। এই প্ৰবল জনসোঁতে সমস্যা আৰু বঢ়াই দিছিল। অসমৰ ছাত্ৰ আন্দোলনে জন-সংখ্যাৰ এনে আহুকাল গুচাবলৈ অশেষ যত্ন কৰি কিছু পৰিমানে সফল হৈছে কিন্তু মানুহ এতিয়াও সন্তুষ্ট হ'ব পৰা নাই। নগাঁও জিলাত বহিৰাগত সংখ্যা অধিক হোৱাৰ গুণে নগাঁও জিলা সমস্যা-পীড়িত জিলা।

স্বাধীনতা লাভৰ পিছত অসম চৰকাৰৰ মন্ত্ৰী সভাত দুজনমান শক্তিশালী মন্ত্ৰী থকাৰ বাবে গোটেই নগাঁওখন বিশেষকৈ শিক্ষা আৰু যাতায়তৰ বিষয়ত ভালেখিনি আগবাঢ়িব পাৰিছিল। এই সকল মন্ত্ৰীৰ ভিতৰত মতিৰাম বৰাৰ নাম উল্লেখযোগ্য। শিক্ষা বিষয়ত কিছু

আগবঢ়োৱৰ ফলত সৰ্বসাধাৰণ মানুহেও শান্তিকামী নাগৰিক ৰূপে থাকিবলৈ ভাল পোৱা হৈছিল।

এই কালছোৱাত নগাঁৱৰ ৰাজনৈতিক ক্ষেত্ৰত দুজন লোকৰ উদ্ভৱ হৈছিল; এজন উঠি অহা ডেকা সম্প্ৰদায়ৰ লোক নগৰীয়া সমাজত ডাঙৰ দীঘল হোৱা, উচ্চ শিক্ষিত, কবি সাহিত্যিক আৰু নিজকে সাম্যবাদী ৰাজনৈতিক বুলি ঘোষণা কৰি ৰাজনীতিতো হাত দিছিল আৰু অত্যন্ত উচ্চাকাংক্ষীও আছিল। আনজন অলপ বয়সীয়া, অতি আওহতীয়া গাঁৱৰ কৃষকৰ পৰিয়ালত জন্ম হ'লেও বুদ্ধিমন্ত, উচ্চ শিক্ষা লাভ কৰি উকালতি ব্যৱসায়ত আদিৰ পৰাই নাম কৰিছিল। কংগ্ৰেছী ৰাজনৈতিক দলবো মূৰ জিলিকা, উচ্চকাংক্ষীও নোহোৱা নহয়। প্ৰথমজন হ'ল দেৱকান্ত বৰুৱা আৰু দ্বিতীয়জন মতিৰাম বৰা। দুইজনৰে কিন্তু আকাংক্ষাৰ চৰিত্ৰ বেলেগ। প্ৰথমজন অধ্যৱসায় আৰু বুদ্ধিৰ গুণত বৰ চাণ্ডত উঠিছিল যদিও শেষৰ ফাললৈ তেওঁক মানুহে পাহৰিলে। দ্বিতীয়জনে আদিৰ পৰা ৰাজনৈতিক কৰ্মত লাগি থকাৰ বাবে অতি সোনকালে ক্ষমতা লাভ কৰিলে আৰু স্বাধীনতা লাভৰ প্ৰায় লগে লগেই মন্ত্ৰীসভাৰো ক্ষমতাশালী পদবী স্বাভাৱিকেই পাই গ'ল। তেওঁ নিজৰ আৰু আপোন মানুহৰ উন্নতিতকৈ দেশখনৰ উন্নতিত প্ৰথম ঠাই দিছিল, বিশেষকৈ তেওঁৰ নিজৰ জিলাখনৰ কাৰণে। এই জিলাখন সঁচাকৈয়ে বহুত কথাত পিছু পৰি আছিল আৰু বহিৰাগত লোকৰ সংখ্যাধিক্য হোৱাৰ বাবে এই জিলাৰ সমস্যা বিশেষকৈ চিন্তা কৰিবলগা হৈছিল আৰু তেওঁৰ কাৰ্যকৰী বুদ্ধিৰ গুণত জিলাখনৰ চকুত লগা উপকাৰ কৰিব পাৰিছিল। তেওঁৰ বুদ্ধি আৰু কৰ্ম তৎপৰতাৰ কাৰণে নগাঁও মহাবিদ্যালয় অতি শীঘ্ৰে এখন পূৰ্ণাংগ কলেজ হৈ উঠিব পাৰিছিল। শিক্ষাৰ ক্ষেত্ৰত তেওঁ ৰাজনৈতিক হস্তক্ষেপ কৰিব নুখুজিছিল যদিও অকস্মাত কেতিয়াবা হস্তীৰো পাৰ পিছলিছিল। নগাঁৱৰ ভিতৰুৱা ঠাইবিলাকতো কলেজ স্থাপনৰ আদৰ্শই মানুহক উৎসাহিত কৰিছিল আৰু অতি শীঘ্ৰে মজলীয়া স্কুলবিলাক হাইস্কুলৰ শাৰীলৈ উঠিছিল আৰু হাইস্কুল বিলাকবো আগতকৈ ভালেখিনি অগ্ৰগতি হৈছিল। এটা কথা মন কৰিবলগীয়া যে শিক্ষানুষ্ঠান আৰু শিক্ষক সকলৰ চৰকাৰৰ সহায়ত ভালেখিনি উন্নতি হোৱা সত্বেও কেইটিমান ব্যতিক্ৰমৰ বাহিৰে সৰহখিনিতে অৱনতি হোৱা কথাটো সকলোৱে অনুভৱ কৰিছে। আমাৰ অভিভাৱক চৰকাৰ আৰু শিক্ষক-ছাত্ৰ সকলোৱে এই সম্পৰ্কে দকৈ চিন্তা কৰাটো নৈতিক কৰ্তব্য। শিক্ষাই এটা জাতিৰ জীৱনৰ সকলো দিশতে গভীৰ প্ৰভাৱ বিস্তাৰ কৰিব পাৰিব লাগে। কিন্তু সেই প্ৰভাৱ যদি কেৱল ওপৰে ওপৰে মাত্ৰ চুই যায় (tangential) তেন্তে সেই শিক্ষা ফলপ্ৰসূ বুলি ক'ব নোৱাৰি। মতি বৰাৰ কৰ্ম জীৱনৰ পাহৰিব নোৱাৰা আৰু এটা কাম হ'ল বহু কাল বিভক্ত হৈ থকা বৰদোৱাৰ গুৰু সকলক একেলগ কৰি এটা বৃহৎ নামঘৰ সজাই দিয়াতো, মানুহ একপ্ৰকাৰ আচৰিত হৈছিল। বৰদোৱাৰ গোটেই পৰিৱেশেই মতিৰাম বৰাই আকৰ্ষণ কৰিব পৰা অৱস্থালৈ নিলে।

এই কালছোৱাৰ ভিতৰৰে তৃতীয়জন ব্যক্তিৰ কথা ক'ব খুজিছোঁ। শেষত তেওঁৰ কথা কলেও কোনো দিশত তেওঁ কোনো জনতকৈ কম নহয়। তেওঁ হৈছে লোকসেৱক হলধৰ ভূঞা। স্বাধীনতা অহাৰ প্ৰায় ডেৰ-কুৰি বছৰ আগৰ পৰাই দেশৰ এই শুদ্ধ সেৱকজনে তেওঁৰ ৰাজনৈতিক জীৱনৰ শেষলৈকে নগাঁও তথা অসম জাতীয় কংগ্ৰেছৰ একবাকী বিশিষ্ট নেতা

আছিল। প্ৰাদেশিক আইন সভালৈ তেওঁ কেইবাবাৰো প্ৰতিনিধি নিৰ্বাচিত হৈছিল আৰু কংগ্ৰেছ ৰাজনৈতিক দলটোৰ তেওঁ সকলোৰে সম্মানিত নায়ক আছিল কিন্তু শেষলৈ তেওঁৰ ৰাজনৈতিক জীৱনলৈ বিতৃষ্ণা জন্মিল আৰু ৰাজনীতি এৰি তেওঁ সমাজ সেৱালৈ মন দিলে। তেওঁ বহুদিনৰ পৰাই ৰামকৃষ্ণ মিছনৰ আৰ্হিত সমাজসেৱাৰ কাৰণে এটা প্ৰতিষ্ঠান আৰম্ভ কৰিবলৈ সপোন দেখিছিল। ৰাইজ আৰু চৰকাৰৰ অলপ সাহায্য লাভ কৰি তেওঁ 'শংকৰ মিছন' স্থাপন কৰে। অতি সীমিত আৰ্থিক অৱস্থাৰে শংকৰ মিছনে চক্ষু চিকিৎসাৰ কাৰণে কেন্দ্ৰ খুলি দুখীয়া মানুহৰ অশেষ উপকাৰ কৰি গৈছে। অন্ধ ল'ৰা-ছোৱালী, ডেকা-গাভৰুৰ শিক্ষাৰ কাৰণে অনুষ্টুপীয়াকৈ হ'লেও তেওঁ অন্ধজনৰ শিক্ষাৰ প্ৰতিষ্ঠান আৰম্ভ কৰিলে। তদুপৰি কুষ্ঠ ৰোগীৰ কাৰণেও তেওঁ এটা চিকিৎসা কেন্দ্ৰ আৰম্ভ কৰে। অসমত ত্যাগী শিক্ষিত লোকৰ অভাৱৰ কাৰণে এই অনুষ্ঠান বিলাক যিমান আগবাঢ়িব লাগিছিল সিমান আগবাঢ়িব পৰা নাই। বৰ্তমান কালতো শংকৰ মিছনৰ উন্নতিৰ বহল ক্ষেত্ৰ আছে। ৰাম কৃষ্ণ মিছন অসংখ্য শিক্ষিত আৰু ত্যাগী লোকৰ ত্যাগৰ ফল। আমাৰ সমাজত তেনে লোকৰ সংখ্যা অতি কম। লোকসেৱক হলধৰ ভূঞাৰ জীৱনত শংকৰ মিছন অসমীয়া সমাজলৈ এটি উত্তম অৱদান। হলধৰ ভূঞাৰ দৰে এগৰাকী সৰল সাধু আৰু সমাজৰ সম্পূৰ্ণ আশাশুধীয়া সেৱক আজিৰ যুগত দুৰ্লভ।

স্বাধীনতা লাভৰ পৰৱ তী কালছোৱাৰ অসমৰ আন জিলাতকৈ নগাঁৱৰ বুৰঞ্জী বিশেষ ঘটনাপূৰ্ণ। এই জিলাখন বহুতো বহিৰাগতৰ লগত অসমীয়া মানুহৰ মিলনৰ ঠাই। বিবিধ ভাষা-সংস্কৃতি ইয়াত লগ লাগিছে। কাৰ্বি সকলৰো ইয়াত অৱদান আছে আৰু জিলাৰ ভিতৰুৱা তিৱা সকলৰো বৈশিষ্ট্য আছে। এই জিলাত চাহ বাগিচাৰ সংখ্যা অতি কম কিন্তু জিলাখনৰ বহু ঠাইতে মৰাপাটৰ খেতিয়ে মানুহৰ আৰ্থিক উন্নতিত সহায় কৰিছে যদিও থলুৱা মানুহে ইয়াৰ উপকাৰ গ্ৰহণ কৰিব পৰা নাই। মতিৰাম বৰাই নগাঁৱত পশু চিকিৎসা মহাবিদ্যালয় স্থাপন কৰিবলৈ অশেষ চেষ্টা কৰিছিল আৰু এক প্ৰকাৰ আৰম্ভই কৰিছিল কিন্তু অসমৰ বহুসংখ্যক লোকে প্ৰতিবাদ কৰি সেই মহাবিদ্যালয় গুৱাহাটীলৈ নিলে। বৰদোৱা থানৰ সংলগ্ন ভালেখিনি চৰকাৰী মাটি দান কৰাত শংকৰদেৱ গৱেষণা মন্দিৰ স্থাপিত হৈছিল যদিও সেই কাম চকুত লগাকৈ আগবাঢ়িব পৰা নাই। নগাঁৱত এখন চিকিৎসা মহাবিদ্যালয় আৰু এখন কৃষি মহাবিদ্যালয়ৰো প্ৰয়োজন আছে। নগাঁও চহৰত এখন চিত্ৰাংকন বিদ্যালয় এজন ডেকা শিল্পীৰ ত্যাগ আৰু উৎসাহত আগবাঢ়িব পৰা নাই যদিও নগাঁও চহৰত তেনে এখন পূৰ্ণাংগ বিদ্যালয়ৰ অতি প্ৰয়োজন। তদুপৰি এই চহৰত এখন সংগীত মহাবিদ্যালয়ৰো অভাৱ অনুভৱ কৰা যায়। স্বাধীনতা লাভৰ আজি অৰ্দ্ধ শতাব্দীৰ পাছতো নগাঁৱৰ পৌৰসভাৰ কৰ্মৰ অৱনতিহে ঘটিছে বুলি অনেক কৰদাতাই অসন্তুষ্টি প্ৰকাশ কৰে।

বৰ্তমান কালত বাতৰি কাকত ৰাজনৈতিক জীৱনৰ অপৰিহাৰ্য উপাদান। উন্নত দেশত সাংবাদিকতাই এক প্ৰকাৰ শাসনকৰ্তা। আমাৰ দেশত এনে অৱস্থা পাবলৈ বহুত দিন বাট চাব লাগিব। নগাঁৱৰ এগৰাকী ত্যাগী স্বাধীনতা যুঁজাৰু পূৰ্ণ চন্দ্ৰ শৰ্মাই তেখেতৰ সুদীৰ্ঘ ৰাজনৈতিক জীৱনৰ পৰা অৱসৰ লৈ আজি প্ৰায় চল্লিশ বছৰ মান আগতে নিজৰ ছপাশালাৰ পৰা 'গণতন্ত্ৰ'

নামে সাপ্তাহিক বাতৰি কাকত নিজে সম্পাদনা কৰি প্ৰকাশ কৰিবলৈ আৰম্ভ কৰে। এনে ধৰণৰ সৰু-সুৰা আঞ্চলিক কাকত অসমত এইখনেই প্ৰথম বুলিব পাৰি। তেখেতৰ আৰু পাছত কাকত চলাই থকা পুত্ৰৰ মৃত্যুৰ পাছতো তেখেতৰ বোৱাৰীয়েকে অকণো ধাৰা নিচিঙাকৈ সাহসেৰে কাকতখন প্ৰকাশ আৰু প্ৰচাৰ কৰি আছে। এইটো নগাঁওবাসীৰ পক্ষে গৌৰৱৰ কথা বুলি ভাবিব লাগে। মফচলীয়া কাকতৰো যথেষ্ট মূল্য আছে। শৰ্মাদেৱৰ দৰেই আশাশুধীয়াকৈ দেশ মাতৃৰ সেৱা কৰা ভালেকেইজন ত্যাগীপুৰুষ নগাঁৱত আছিল, দুই এজন আজিও জীৱিত আছে। কেইগৰাকীমান ভাগ্যৱন্তলোক স্বাধীনতাৰ পুৰস্কাৰ বিতৰণলৈ জীৱিত হৈ নাথাকিল। ইয়াৰ ভিতৰত পুৰণিগুদামৰ নৰেন্দ্ৰ নাথ হাজৰিকা, বেবেজীয়াৰ পণ্ডিত কনক চন্দ্ৰ শৰ্মা কাব্যতীৰ্থ আদিৰ নাম উল্লেখযোগ্য। কৃতজ্ঞ ৰাইজে আজিও তেওঁলোকৰ অকৃত্ৰিম দেশ সেৱাৰ কথা পাহৰা নাই।

আমি দেশখন উন্নত হৈছে বুলি ভাবোঁহয়, কিন্তু পুৰুষৰত্ন লাহে লাহে কমি যোৱা যেন লাগে। নৱজাগৃতি বা renaissance বুলিলে যিটো অৱস্থা বুজাই তেনে অৱস্থা ভাৰতবৰ্ষত আৰম্ভহে হৈছে বুলি ক'ব লাগিব। সূৰ্য উদয় হ'লে বাজ-ভিতৰ, ঘৰ-বাৰী সকলোতে সমানে পোহৰ পৰে, কেৱল এঠাইত নপৰে। যি দেশলৈ আৰু জাতিলৈ নৱজাগৃতি আহে সেই জাতিৰ জীৱনৰ বিভিন্ন অংশ সমানেই উজ্জ্বল হৈ পৰে, এডোখৰ ঢাক খাই নাথাকে। যুৱগী মানুহৰ সৃষ্টি, বিৰাট অনুষ্ঠান আৰু গুৰি পকৰা মন এই দুটাৰ বাহি নাহে। মোৰ দেশলৈ শুভবুদ্ধি আহক, মোৰ দেশ আৰু জাতিৰ প্ৰকৃত উন্নতি হওক আৰু সমগ্ৰ জগতৰে মঙ্গল হওক। এয়ে আশংসা।❐

(প্ৰস্তুতলেখক- মুকুন্দ প্ৰসাদ বৰঠাকুৰ)

স্বৰাজোত্তৰ কালত অসমৰ ৰাজনৈতিক জগতলৈ নগাঁৱৰ অৱদান

কমলেশ্বৰ বৰা

ইতিহাসৰ গতি চিৰ প্ৰবাহমান। এই ইতিহাস অতি নিৰ্মমো। মানৱ সমাজৰ যাত্ৰাপথত ঘটনাৰ বিন্যাসে নিতে নতুন ৰূপ লয়। শতিকাৰ অভিজ্ঞতাই সভ্যতা আৰু সমাজৰ সামূহিক বাধ্যবাধকতাই নতুন ৰণচাঙিৰে সংঘাতৰ সৃষ্টি কৰে আৰু সমুখ সংগ্ৰামত অগ্নিস্নাত হৈ মানৱ সমাজে নতুন ইতিহাস ৰচনা কৰে। প্ৰবাহ আৰু পৰম্পৰাৰ ফালৰ পৰা ইতিহাসৰ নিৰবচ্ছিন্ন ধাৰাক এটি মুহূৰ্ত্তত বা বিন্দুত বন্দী কৰি ৰাখিব নোৱাৰি।

সসাগৰা পৃথিৱীৰ এটি প্ৰান্তত অৱস্থিত শস্যশ্যামলা ভাৰত ভূমিৰ উত্তৰপূৰ খণ্ড শোভিত কৰা সোণৰ অসমৰ হৃদপিণ্ড ৰূপে জিলিকি আছে নগাঁও জিলা। অসম তথা ভাৰতবৰ্ষৰ ইতিহাসত নগাঁও জিলাৰ অৱদান অতি চমকপ্ৰদ। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ ফলশ্ৰুতি ৰূপে স্বাধীনতা হেৰুৱা আহোম ৰজাই মানৰ বিৰুদ্ধে কৰা এখন শেষ ৰণ কাষৰি গাঁৱৰ সমীপত হৈছিল। জিকি জিকিও শেষত হাৰ মানিব লগা অসমীয়া সেনাৰ চকুলোৰে কলঙৰ পাৰ উপচি পৰিছিল। পাণ জপাদি জাপি বহুতো নিৰীহ মানুহক কাষৰি গাঁৱত জীয়াই জীয়াই পুৰি মৰা মানৰ অত্যাচাৰ চৰম সীমা পাইছিলগৈ। অকালতে মৃত্যুমুখত পতিত হোৱা অভিশপ্ত লোকসকলৰ বিননিয়ে কাষৰি গাঁৱৰ আকাশ ভাৰাক্ৰান্ত কৰি তুলিছিল।

স্বৰাজোত্তৰ কালত নগাঁও জিলাৰ যশস্বী সন্তান সকলৰ দেশ আৰু অসমখন গঢ়াৰ কাৰণে আগবঢ়োৱা অৱদানৰ কথা লেখিবলৈ হ'লে ফুলগুৰিৰ ধেৱাৰ পৰা '৪২ ৰ গণ আন্দোলনলৈকে আৰু পৰৱৰ্ত্তীকালৰ ভাষা আন্দোলন আৰু অসম অস্তিত্ব ৰক্ষা আন্দোলনৰ ছহিদ সকলৰ কথাই প্ৰথমে সোঁৱৰিব লাগিব। জাতিৰ জনক মহাত্মাগান্ধীৰ নেতৃত্বত হাজাৰ বিজাৰ অসমীয়াই স্বাধীনতা আন্দোলনত জপিয়াই পৰি কাৰাবৰণ কৰিছিল আৰু প্ৰাণ বিসৰ্জনো দিছিল। '৪২ ৰ ভাৰত ত্যাগ আন্দোলনত গান্ধীজীয়ে যেতিয়া দীপ্ত কণ্ঠে আহ্বান জনালে ভাৰতবাসীক শেষ আন্দোলনত জপিয়াই পৰি "কৰেংগে ইয়া মৰেংগে"ৰ (do or die) শপত লবলৈ তেতিয়াই নগাঁও জিলাত ভোগেশ্বৰী ফুকননী, তিলক ডেকা, ঠগী সূত, বলো সূত প্ৰমুখ্যে নজন বীৰে প্ৰাণ আহুতি দি প্ৰমাণ কৰিলে যে নগাঁৱৰ দেশপ্ৰেমিক ৰাইজে স্বাধীনতাৰ কাৰণে চৰম ত্যাগ কৰিবলৈ প্ৰস্তুত। এই আন্দোলনত নগাঁও জিলাই অসমৰ ভিতৰতে মুখ্য ভূমিকা লৈছিল। '৪২ৰ আন্দোলনত যেতিয়া সৰ্বভাৰতীয় আৰু প্ৰাদেশিক নেতৃবৃন্দক কাৰাৰুদ্ধ কৰিলে, তেতিয়া জয়প্ৰকাশ নাৰায়ণ, অৰুণ আছফ আলি আদিৰ নেতৃত্বত গোটেই ভাৰতবৰ্ষতে যুৱ নেতৃত্বই

আত্মগোপন কৰি আন্দোলনত আগ ভাগ লৈছিল। ক্ষেত্ৰবিশেষে আন্দোলনে হিংসাত্মক ৰূপো ধাৰণ কৰিছিল। নগাঁৱত এনে আন্দোলনৰ গুৰি ধৰিছিল - মহেন্দ্ৰ নাথ হাজৰিকা, ৰূপৰাম সূত, লক্ষীপ্ৰসাদ গোস্বামী, শৰৎ চন্দ্ৰ গোস্বামী, ভিভিৰাম বৰা, মহদানন্দ গোস্বামী আদিয়ে। পানীখাটিৰ মিলিটেৰী ট্ৰেইন বগৰোৰাটো এনে আন্দোলনৰে ফলশ্ৰুতি।

স্বৰাজ লাভ কৰাৰ আগমুহূৰ্ত্তলৈকে স্বৰাজোত্তৰকালৰ প্ৰথম কেবছৰমান ভাৰতীয় জাতীয় কংগ্ৰেছে ভাৰত, অসম তথা নগাঁও জিলাৰ সমূহ বিপ্লৱী জনতাকে একছত্ৰী নেতৃত্ব দিছিল। বৃটিছৰ বিৰুদ্ধে কৰা সংগ্ৰামত সকলো ৰাজনৈতিক ভাবধাৰাৰ উপদলবিলাক জাতীয় কংগ্ৰেছৰ অন্তৰ্ভূক্ত আছিল। অৱশ্যে '৪২ চনৰ গান্ধীজীৰ নেতৃত্বত চলা স্বাধীনতা আন্দোলনৰ শেষ ৰণখনৰ কমিউনিষ্ট পাৰ্টিয়ে বিৰুদ্ধাচৰণ কৰিছিল। সাম্ৰাজ্যবাদী যুদ্ধখনক কমিউনিষ্ট সকলে কেৱল ৰুছিয়াই মিত্ৰ পক্ষত যোগ দিয়াৰ কাৰণে Peoples war আখ্যা দিয়াত তেওঁলোকক জনগণে দেশদ্ৰোহী আখ্যা দিছিল আৰু তেওঁলোক জনমানসত হেয় হৈছিল। ইয়াৰ প্ৰভাৱ সমসাময়িক ছাত্ৰ আন্দোলনৰ ওপৰতো পৰিছিল। আৰু ছাত্ৰ আন্দোলন দ্বিধাবিভক্ত হৈছিল। অসম ছাত্ৰ ফেদাৰচনে কমিউনিষ্ট সকলৰ দ্বাৰা প্ৰভাৱান্বিত হোৱাত জাতীয়তাবাদী ছাত্ৰ সকলে অসম ছাত্ৰ ইউনিয়ন আৰু পৰৱৰ্ত্তীকালত অসম প্ৰদেশ ছাত্ৰ কংগ্ৰেছ ৰূপে সংগঠিত হৈছিল। অৱশ্যে আৰু এটা তৃতীয় ছাত্ৰ সংগঠনো আছিল আৰু তেওঁলোক বিপ্লৱী কমিউনিষ্ট পাৰ্টীৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। নগাঁৱৰ তেতিয়াৰ ছাত্ৰনেতা ফণী বৰা, চুচেন ভূঞা, কেহোঁৰাম হাজৰিকা, ক্ষুদ্ৰ বৰা, জীৱন লস্কৰ আদিয়ে অসম ছাত্ৰ ফেদাৰেচনৰ কামত আগভাগ লৈছিল আৰু সমগ্ৰ অসমতেই সাংগঠনিক দিশত নেতৃত্ব প্ৰদান কৰিছিল। সেইদৰে বিপ্লৱী কমিউনিষ্ট দলৰ প্ৰভাৱান্বিত ছাত্ৰ সংগঠনত পূৰ্ণ বৰা, বানেশ্বৰ শইকীয়া, ছত্ৰসিং টেৰণ, চামচুল হুদা, অম্বু বৰা আদিয়ে সমগ্ৰ অসমতে গুৱাহাটীৰ নাৰায়ণ দাস, উপেন দাস, উমা শৰ্মা আদিৰ লগ লাগি একাংশ ছাত্ৰক নেতৃত্ব দিছিল। কিন্তু জাতীয়তাবাদী ছাত্ৰ সংগঠন ছাত্ৰ কংগ্ৰেছেহে সমগ্ৰ অসমত গৰিষ্ঠ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ সমৰ্থন লাভ কৰিছিল। ভাৰতৰ স্বাধীনতা আন্দোলনত জাতীয় কংগ্ৰেছক সমৰ্থন জনোৱা ছাত্ৰ সকলে অসীম ত্যাগ স্বীকাৰ কৰিছিল। তেতিয়াৰ নগাঁৱৰ ছাত্ৰ নেতা ৰূপৰাম সূত, শৰৎ গোস্বামী, দেবেন বৰা, পদ্ম হাজৰিকা, নৰেন হাজৰিকা, কিৰণ বৰা, কমলেশ্বৰ বৰাই অসম প্ৰদেশ ছাত্ৰ কংগ্ৰেছৰ সভাপতি বিশ্বদেৱ শৰ্মা, বিশ্ব গোস্বামী, সোনেশ্বৰ কলিতা, উত্তম তহবিলদাৰ, গোলোক ৰাজবংশী, বিজয়চন্দ্ৰ শৰ্মা, অনিল বৰুৱা, বংশী বুঢ়াগোহাঞি, কদ্ৰবৰা আদিৰে লগ লাগি সমগ্ৰ অসমতে এটা অভূতপূৰ্ব ছাত্ৰ আন্দোলন গঢ়ি তুলিছিল। এই সংগঠন কেইটাৰ বিপৰীতে দ্বিজাতি তত্বত বিশ্বাসী মুছলিম ছাত্ৰ ফেডাৰেচনে মইনুল হক চৌধুৰী, নুৰুল হুছেইন, আব্দুল মীৰ, নুৰুল আমিন আদিৰ নেতৃত্বত মুছলিম ছাত্ৰ সকলক পাকিস্তান গঠনৰ আশ্বাসেৰে সম্পূৰ্ণ সাম্প্ৰদায়িক স্থিতি গ্ৰহণ কৰিছিল।

স্বাধীনোত্তৰ কালৰ দুই দশকৰ নগাঁও জিলাৰ ৰাজনৈতিক ইতিহাস ভাৰতীয় জাতীয় কংগ্ৰেছৰ ইতিহাসৰ সমাৰ্থক। অবিসংবাদী সিংহপুৰুষ হলধৰ ভূঞাই ত্যাগৰ আদৰ্শেৰে সকলোকে অনুপ্ৰাণিত কৰিছিল। মহেন্দ্ৰ হাজৰিকা, শৰৎ গোস্বামী, ইছলাম খাঁ, মহম্মদ আবু,

মতিৰাম বৰা, দেৱকান্ত বৰুৱা, আবু চামা, বিমলা বৰা, পূৰ্ণ চন্দ্ৰ শৰ্মা, প্ৰতাপ চন্দ্ৰ শৰ্মা, মহীচন্দ্ৰ বৰা, চন্দ্ৰ বৰকাকতী, নবেন শৰ্ম্মা হাজৰিকা, গনেশ বৰঠাকুৰ, ভিভিৰাম বৰা, মহেন্দ্ৰ বৰুৱা, লীলা কটকী, ৰূপৰাম সূত, লক্ষ্মী প্ৰসাদ গোস্বামী আদি বহুতো নেতৃস্থানীয় ব্যক্তিয়ে উন্নয়নৰ কামত অংশ গ্ৰহণ কৰি দেশখন গঢ়ি তোলাত প্ৰভূত অৰিহণা যোগাইছিল।

যদিও নগাঁৱৰ জনসাধাৰণে স্বাধীনতা আন্দোলনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সমৰ্থনত মাৰ বান্ধি থিয় দিছিল, তথাপিতো মুছলিম লীগৰ নেতা মহম্মদ আলি জীন্নাৰ আৰু অসমৰ চৈয়দ চাদুল্লা, আব্দুল হামিদ ভাচানি আদিয়ে অধিকাংশ মুছলিম জনগনক দ্বিজাতি তত্বৰ বাণীৰে প্ৰভাবিত কৰি পাকিস্তান গঠন কৰি অসমক অন্তৰ্ভূক্ত কৰাৰ পৰিকল্পনা কৰিছিল। মুছলিম লিগৰ নগাঁৱৰ নেতাসকলৰ ভিতৰত মহম্মদ ৰফিক, নুৰুল ইছলাম, মহম্মদ ইদ্ৰিচ, ওচমান আলি সদাগৰ, নুৰুল হুচেইন আদি প্ৰধান আছিল।

১৯৪৬ চনত কলিকতা, নোৱাখালি আদি ঠাইত সাম্প্ৰদায়িক সংঘৰ্ষ মুছলিম লিগেই ঘটাইছিল। মহাত্মা গান্ধীয়ে সাম্প্ৰাদায়িক সংঘৰ্ষ বন্ধ কৰিবলৈ নোৱাখালি ভ্ৰমণ কৰি কলিকতাত অনশন কৰিবলগীয়া হৈছিল।

সংসদী গণতন্ত্ৰ গ্ৰহণ কৰা ভাৰতত ১৯৪৬ চনৰ সাধাৰণ নিৰ্বাচনখন ১৯৩৭ চনৰ ভাৰত আইনমতে অনুষ্ঠিত হৈছিল। ১৯৫২ চনৰ পৰাহে নতুন সংবিধানৰ আধাৰত লোক সভা, ৰাজ্য সভা আৰু বিধান সভা বিলাক নিৰ্বাচন অনুষ্ঠিত হৈছিল। স্বাধীনতাৰ প্ৰাক্ মুহূৰ্তত ১৯৪৬ চনত হোৱা সাধাৰণ নিৰ্ব্বাচনত কংগ্ৰেছ আৰু মুছলিম লিগেই ঘাইকৈ প্ৰতিদ্বন্দিতা কৰিছিল আৰু ১৯৫২ চনলৈকে এই নিৰ্বাচনত নিৰ্বাচিত হোৱা সদস্য সকলেই ৰাইজক প্ৰতিনিধিত্ব কৰিছিল। অসম বিধান সভাৰ নগাঁৱৰ পৰা নিৰ্বাচিত সদস্য সকলৰ ভাৰতীয় জাতীয় কংগ্ৰেছ- হলধৰ ভূঞা, মহীচন্দ্ৰ বৰা, পূৰ্ণ চন্দ্ৰ শৰ্মা, ধীৰসিং দেউৰী। মুছলিম লীগ- মহম্মদ আমীৰুদ্দিন, চেখ ওচমান আলি, সদাগৰ, স্বতন্ত্ৰ- ড০ মহেন্দ্ৰ শইকীয়া (সংৰক্ষিত তপছিলভূক্ত জাতি)।

এইটো লক্ষ্য কৰিবলগীয়া বিষয় যে সেই সময়ত চাহ বাগিছাৰ মালিক সমূহৰ প্ৰতিনিধি ৰূপে কৰ্নেল বেন্দকে ধৰি মুঠ আঠজন বৃটিছ চাহ খেতিয়ক অসম বিধান সভাৰ সভ্য আছিল।

স্বাধীনতাৰ পাচত পৰিস্থিতিৰ সম্পূৰ্ণ সলনি হ'ল। অসমৰ মুছলমান সম্প্ৰদায়ৰ নেতা সকলে পাকিস্তানৰ দাবী পৰিহাৰ কৰি ভাৰতৰ প্ৰতি সম্পূৰ্ণ আনুগত্য প্ৰকাশ কৰি বেচি ভাগেই জাতীয় কংগ্ৰেছত যোগদান কৰিলে। চাৰ মহম্মদ চাদুল্লায়ো কংগ্ৰেছত যোগদান কৰি ভাৰতৰ সংবিধান ৰচনা কৰাৰ ক্ষেত্ৰত আগভাগ লৈছিল।

১৯৪৬ চনৰ পৰা ১৯৫০ চনৰ ৫ আগষ্টত তেখেতৰ মৃত্যুৰ দিনলৈকে গোপীনাথ বৰদলৈ অসমৰ প্ৰিমিয়াৰ বা প্ৰধান মন্ত্ৰী আছিল (মুখ্য মন্ত্ৰী শব্দটো সংবিধান গ্ৰহণ কৰাৰ পাচৰ পৰাহে ব্যৱহাৰ কৰা হৈছিল)। বৰদলৈ ডাঙৰীয়াই মহাত্মা গান্ধীৰ আশীৰ্ব্বাদেৰে বলীয়ান হৈ কেবিনেট মিচনৰ গ্ৰুপিং প্ৰস্তাৱৰ বিৰুদ্ধে যুঁজ দি অসমক বংগ দেশৰ গ্ৰাসৰ পৰা ৰক্ষা কৰিছিল। তাৰ কাৰণে তেখেত চৰ্দাৰ পেটেল, জৱাহৰলাল নেহৰু আৰু মৌলানা কালাম আজাদৰ অপ্ৰিয় ভাজন হৈছিল। গ্ৰুপিংৰ স্বাভাৱিক পৰিণতি পাকিস্তান হ'লহেতেন আৰু অসমক পূৰ পাকিস্তানে

গ্ৰাস কৰিলেহেতেন, যদিহে গোপীনাথ বৰদলৈয়ে এই প্ৰস্তাৱৰ তীব্ৰ বিৰোধিতা নকৰিলেহেতেন।

স্বাধীনতা আন্দোলনৰ সমান্তৰালভাবে হিন্দু মহাসভা আৰু অসমৰ জাতীয় স্বাৰ্থ ৰক্ষাৰ্থে অসম জাতীয় সংৰক্ষিণী সভাৰ দুটা ক্ষীণ ধাৰাও চলি আছিল। বৃন্দাবন গোস্বামী, ৰাধিকা গোস্বামী আদিয়ে হিন্দু মহাসভাৰ আৰু চৰ্দাৰ যোগ সিং ছেত্ৰী আৰু তেওঁৰ সহযোগীসকলে দ্বিতীয়টো ধাৰাৰ পৃষ্ঠপোষকতা কৰিছিল। অম্বিকাগিৰী ৰায় চৌধুৰী, মহেন্দ্ৰ নাথ ডেকা ফুকন, মাধৱ চন্দ্ৰ বেজবৰুৱা, জ্ঞান বৰা আদিয়ে সমগ্ৰ অসমতে খিলঞ্জীয়া স্বাৰ্থ ৰক্ষাৰ কাৰণে যুঁজিছিল। মহম্মদ চাদুল্লা, আব্দুল মতিন চৌধুৰী, আব্দুল হামিদ ভাচানী আদিৰ প্ৰৰোচনাত আৰু বৃটিছ চৰকাৰৰ সাহায্যত ১৯১৯ চন মানৰ পৰা ব্যাপক হাৰত আৰম্ভ হোৱা পূব বঙ্গৰ সংখ্যালঘু সম্প্ৰদায়ৰ লোকে অসমখন ছাটি ধৰিছিল। খিলঞ্জীয়া লোকৰ স্বাৰ্থত আঘাট পৰা এই সৰ্বনশীয়া প্ৰব্ৰজনৰ পৰা জনজাতীয় আৰু অসমীয়াৰ স্বাৰ্থ ৰক্ষাৰ্থে লাইন প্ৰথাৰ প্ৰবৰ্ত্তন কৰিবলৈ গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধিৰ নেতৃত্বত অসম প্ৰদেশ কংগ্ৰেছ যুঁজ দিব লগাত পৰিছিল।

ভাৰতীয় জাতীয় কংগ্ৰেছৰ ছত্ৰছায়াত বিভিন্ন ৰাজনৈতিক আদৰ্শৰে দীক্ষিত সকলোবিলাক উপদলেই স্বাধীনতাৰ ৰণত ব্ৰতী হৈছিল। স্বাধীনতা লাভৰ পাচত কংগ্ৰেছৰ লগত এই দল বিলাকৰ আদৰ্শ ৰূপায়নৰ দ্বন্দ আৰম্ভ হ'ল। মহাত্মা গান্ধীয়ে দলটো ভাঙি দিয়াৰ পোষকতা কৰিছিল যাতে গাঁও পঞ্চায়তক আধাৰ কৰি পঞ্চায়তী ৰাজ গঢ়ি পশ্চিমীয়া আদৰ্শেৰে পুষ্ট দল বিলাকৰ ভাবধাৰাৰ পৰা মুক্ত হৈ দলবিহীন গণতন্ত্ৰ গঢ়ি তুলিব পাৰে। কিন্তু নাথুৰাম গডচেই ১৯৪৮ চনৰ ৩০ জানুৱাৰীত গান্ধীজীক হত্যা কৰাৰ পাচত গান্ধীজীৰ পঞ্চায়ত ৰাজ স্বপ্নৰো লাহে লাহে সমাধি হ'ল।

পশ্চিমীয়া আৰ্হিৰ গণতন্ত্ৰৰ অনুগামী সকলে সমাজবাদক ৰাষ্ট্ৰ শাসনৰ মাধ্যম কৰাৰ মানসেৰে কংগ্ৰেছৰ মাজত অন্তৰ্দ্বন্দৰ সূচনা কৰিলে। ফলশ্ৰুতিত কেবাটাও এনে দলে নেহৰুৰ জাতীয় কংগ্ৰেছৰ বিৰুদ্ধে ৰাজনৈতিক কাৰ্যক্ৰম আৰম্ভ কৰিলে। ১৯৪৮ চনৰ পৰা সক্ৰিয় হোৱা সমাজবাদী দলৰ অসম শাখাত দেৱকান্ত বৰুৱা, ভবেন শইকীয়া, লক্ষ্মী প্ৰসাদ গোস্বামী, থানুৰাম ভূঞা, নৰেন শৰ্মা হাজৰিকা, লক্ষেশ্বৰ হাজৰিকা, লাল মহম্মদ, আবু চামা, মুক্তা গোস্বামী, পদ্ম হাজৰিকা আদিয়ে জয় প্ৰকাশ লোহিয়াৰ নেতৃত্বাধীন সমাজতন্ত্ৰক আদৰ্শ প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰিলে। ট্ৰাইবেল লিগৰ পৰা কাটি আহি পীত সিং কোৱৰেও ১৯৫২ চনত সমাজবাদী দলত যোগ দিলে আৰু ৫২ চনৰ সাধাৰণ নিৰ্বাচনত পৰাজিত হ'ল। ১৯৪৯ চনতে দেৱকান্ত পুনৰ কংগ্ৰেছতে চামিল হৈ লোক সভাৰ নিৰ্বাচনত কংগ্ৰেছৰ প্ৰাৰ্থী ৰূপে জিকি দিল্লী পালেগৈ। সেইবছৰৰ বিধান সভাৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছেই প্ৰায়খিনি আসন দখল কৰিলেই। বিষ্ণুৰাম মেধিৰ নেতৃত্বত চিলঙত কংগ্ৰেছ মন্ত্ৰীসভা গঠিত হ'ল। নগাঁৱৰ পৰা নিৰ্বাচিত সদস্য সকল হ'ল বালিৰাম দাস, বিমলা কান্ত বৰা, লীলাকান্ত বৰা, মহম্মদ ইদ্ৰিচ, মহেন্দ্ৰ নাথ হাজৰিকা, মতিৰাম বৰা, মহম্মদ নৰুল ইছলাম, প্ৰতাপচন্দ্ৰ শৰ্মা, উষা বৰঠাকুৰ। সমাজবাদী দলৰ প্ৰাৰ্থীসকল নিৰ্বাচনত হাৰিলেও নিৰাশ হোৱা নাছিল।

স্বৰাজোত্তৰ অসমৰ উল্লেখযোগ্য ৰাজনৈতিক ঘটনা হ'ল অসমত ৰাজনৈতিক শক্তি হিচাপে মুছলিম লীগৰ সম্পূৰ্ণ বিলুপ্তি আৰু দেৱকান্ত বৰুৱা প্ৰমুখ্যে কিছুলোকৰ সমাজবাদী দল ত্যাগ আৰু কংগ্ৰেছলৈ প্ৰত্যাৱৰ্তন। বিৰল প্ৰতিভাৰ অধিকাৰী দেৱকান্তই অসমৰ কাব্য জগতলৈ ছন্দৰ লালিত্য আৰু ৰোমাণ্টিক ভাৱৰ প্লাৱন আনিলে। সাংবাদিকতাৰ জগততো বিশিষ্ট ভূমিকা পালন কৰা দেৱকান্তই পাচলৈ শিক্ষামন্ত্ৰী, অইল ইণ্ডিয়াৰ অধ্যক্ষ পদ, কেন্দ্ৰীয় মন্ত্ৰী, নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সভাপতিৰ পদ, বিহাৰৰ ৰাজ্যপালৰ পদো শুৱনি কৰিছিল। ডেকা সমাজতন্ত্ৰী দেৱকান্তই স্বাধীনতা পোৱাৰ এবছৰৰ ভিতৰতে দল বাগৰি কংগ্ৰেছলৈ ঘূৰি আহি বিতৰ্কিত ব্যক্তি হৈ পৰিছিল। অসমৰ নিৰ্বাচনী ৰাজনীতিত "আলি-কুলী" তত্বৰ উদ্ভাৱন আৰু প্ৰয়োগ কৰি সংখ্যালঘু সম্প্ৰদায়ক ভোট বেংকলৈ পৰ্যবসিত কৰিছিল। কংগ্ৰেছ সেই সময়ত অন্তৰ্দ্বন্দত ভুগিছিল আৰু মতিৰাম বৰা, দেৱকান্তৰ মাজৰ অপ্ৰীতি-অসূয়াই কংগ্ৰেছৰ আদৰ্শ ক্ষুন্ন কৰাৰ লগতে মতিৰাম বৰা, হলধৰ ভূঞাৰ অন্তৰ্দ্বন্দয়ো প্ৰতিক্ৰিয়া সুদূৰ প্ৰসাৰী কৰি তুলিছিল। এইজনা দেৱকান্তই জৰুৰী অৱস্থাৰ সময়ত ইন্দিৰা গান্ধীক ভাৰত মাতৃৰ সমাৰ্থক কৰি (Indira is India) কুখ্যাতি অৰ্জন কৰিছিল। সি যিয়েই নহওক আপোন প্ৰতিভা আৰু ব্যক্তিত্বৰ এইজনা বিশেষ অধ্যয়নপুষ্ট ৰাজনীতিকে অসম তথা ভাৰতৰ এজন লেখত লবলগীয়া পুৰুষ ৰূপে পৰিগণিত হৈছিল।

নগাঁও জিলাৰ উন্নতিত মতিৰাম বৰাৰ অৱদান অতুলনীয় আছিল। নগাঁও কলেজকে ধৰি বহু কল্যানকামী অনুষ্ঠানৰ গুৰি ধৰোতা মতিৰাম বৰাই পঞ্চাশ আৰু ষাঠিৰ দশকত অসমৰ উন্নয়নত প্ৰভূত অৰিহণা যোগাই গ'ল। আনজন ক্ষণজন্মা পুৰুষ আছিল হলধৰ ভূঞা। কংগ্ৰেছ আৰু দেশৰ কাৰণে ভূঞা ডাঙৰীয়াৰ দৰে নিস্বাৰ্থ সেৱা আগবঢ়োৱা ৰাজনৈতিক ব্যক্তি বিৰল আছিল। পাচলৈ মোহভঙ্গ হৈ কংগ্ৰেছৰ পৰা আঁতৰি গৈ কৃষক মজদুৰ প্ৰজাপাৰ্টি আৰু প্ৰজা চচিয়েলিষ্ট পাৰ্টিত যোগদান কৰা ভূঞা ডাঙৰীয়াৰ সততা আৰু ত্যাগৰ কথা অসমৰ বুৰঞ্জীত সোণালী আখৰেৰে লেখা থাকিব। শঙ্কৰ মিছনৰ গুৰি ধৰি ভূঞা ডাঙৰীয়াই অৰুণাচলকে ধৰি অবিভক্ত অসমলৈ প্ৰচুৰ সেৱা আগবঢ়াইছিল।

পঞ্চাশৰ আগদশকতে আচাৰ্য কৃপালনী আদিয়ে কংগ্ৰেছ ত্যাগ কৰি কৃষক মজদুৰ প্ৰজা পাৰ্টি গঠন কৰি জনসেৱাত ব্ৰতী হয়। আদৰ্শচ্যুত কংগ্ৰেছৰ কাৰ্যক্ৰমত মোহভঙ্গ হৈ বহুতো নেতাই এই নতুন দলত যোগ দিছিল। অসমতো ১৯৫৫ চনত সমাজবাদী আৰু কৃষক মজদুৰ প্ৰজাপাৰ্টি চামিল হৈ প্ৰজা চচিয়েলিষ্ট পাৰ্টিৰ ৰূপ লোৱাত হলধৰ ভূঞা, ধানু ভূঞা, সুৰেন হাজৰিকা, চন্দ্ৰ বৰকাকতী, লক্ষ্মীপ্ৰসাদ গোস্বামী, অতুল গোস্বামী, লক্ষেশ্বৰ হাজৰিকা, লাল মহম্মদ, ভবেন শইকীয়া আদি বহুতেই যোগ দিয়াত ই এটা শক্তিশালী দলত পৰিণত হয়। কিন্তু নিজৰ ভিতৰত বুজাপৰাৰ অভাৱত ১৯৫৭ চনৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছৰ হাতত এওঁলোক বেয়াকৈ পৰাজিত হয়। ১৯৫৭-৬২ চনৰ বিধানসভালৈ নগাঁৱৰ পৰা নিৰ্বাচিত সদস্য সকলৰ নাম আছিল - দেৱকান্ত বৰুৱা, হীৰসিং দেউৰী, লীলাকান্ত বৰা, মহম্মদ ইদ্ৰিছ, মহেন্দ্ৰনাথ হাজৰিকা, মতিৰাম বৰা, নুৰুল ইছলাম, ৰহিমুদ্দিন আহমেদ, ৰামনাথ শৰ্মা আৰু উমা বৰঠাকুৰ। দেৱকান্ত

বৰুৱা প্ৰথমে বিধান সভাৰ অধ্যক্ষ আৰু পাচলৈ শিক্ষামন্ত্ৰী হয়।

১৯৬২ চনৰ চনৰ আক্ৰমণে অসমবাসীক বিপৰ্যস্ত কৰি তোলে। চীন আহি ভালুকপুং গোৱাত আৰু ভাৰতীয় সেনা বাহিনীৰ দুখলগা পৰাজয়ৰ পিচত হাজাৰ হাজাৰ অসমীয়া মানুহ তেজপুৰ আদি ঠাইৰ পৰা ভগনীয়া হৈ নগাঁৱত আশ্ৰয় লয়। নগাঁওবাসী ৰাইজে অক্লান্তভাৱে তেওঁলোকলৈ সেৱা আগবঢ়াইছিল। এনে চূড়ান্ত বিপদৰ সময়ত প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে অসমবাসীৰ প্ৰতি দিয়া বিদায়বাণীৰ অনাৰ্তাৰ বক্তৃতাই অসমৰ জগতে নগাঁওবাসী ৰাইজকো অতিকৈ ক্ষুব্ধ কৰি তোলে। ভাষা আন্দোলনৰ তীব্ৰতায়ো বিমলাপ্ৰসাদ চলিহা মন্ত্ৰী সভাৰ ভেঁটি কঁপাই তুলিছিল। পূৰ্ব পাকিস্তানৰ পৰা চলি থকা অনুপ্ৰবেশ সমস্যা আৰু অসমৰ দুৰ্ব্বল ৰাজনৈতিক নেতৃত্বই এনে অনুপ্ৰবেশ বন্ধ কৰিব নোৱাৰাত সৰ্বসাধাৰণ ৰাইজ অতিষ্ঠ হৈ উঠিছিল। অসমীয়া ভাষা আৰু জাতিৰ অস্তিত্বৰ সন্দেহে ডেকা চামৰ মন ভাৱাক্ৰান্ত কৰি তুলিছিল আৰু এই অসন্তোষৰে দ্বিতীয় উদগীৰণ হৈছিল ১৯৭১ চনত। যদিও '৬২ চনৰ নিৰ্বাচনত চীনা আক্ৰমনে জগাই তোলা জাতীয় প্ৰেমৰ উন্মেষে কংগ্ৰেছক বিধান সভা নিৰ্বাচনত নিৰঙ্কুশ সংখ্যা গৰিষ্ঠতা দিলে আৰু এই জাতীয় চেতনাৰ মানসিকতাৰ বলত দেৱকান্ত বৰুৱা, আবুনাচাৰ মহম্মদ আহিদ, আকিয়া আহমদ, লীলাকান্ত বৰা, মহম্মদ ইদ্ৰিচ, মহেন্দ্ৰ নাথ হাজৰিকা, মতিৰাম বৰা, ৰূপৰাম সূত আৰু শান্তিৰঞ্জন দাসগুপ্ত আদি নিৰ্বাচিত হ'ল; কংগ্ৰেছৰ বিৰুদ্ধে অসন্তুষ্টিৰ মাত্ৰা বাঢ়ি গ'ল। ১৯৬৭ চনৰ নিৰ্বাচনে ৰাইজৰ এই অসন্তুষ্টিৰ কথা ভালদৰে প্ৰকাশ কৰিছিল কেবাজনো কংগ্ৰেছী নেতাক নিৰ্বাচনত পৰাজিত কৰি। কংগ্ৰেছ প্ৰাৰ্থীক পৰাজিত কৰি সমাজবাদী দলৰ অতুল গোস্বামী, জনাব ৰহিমুদ্দিন, চি.পি. আই দলৰ ফণী বৰা, কেহোঁ হাজৰিকা, স্বতন্ত্ৰ প্ৰাৰ্থী হিচাবে মহম্মদ মুচাব্বিৰ আলি, চামচুল হুদা, প্ৰীতসিং কোঁৱৰ আদিয়ে নিৰ্বাচনত জয়লাভ কৰে। কংগ্ৰেছৰ পৰা দেৱকান্ত বৰুৱা, লক্ষ্মীপ্ৰসাদ গোস্বামী, মহেন্দ্ৰনাথ হাজৰিকা, শৰৎ চন্দ্ৰ গোস্বামী, সাধন ৰঞ্জন সৰকাৰ নিৰ্বাচিত হৈছিল।

১৯৭১ চনৰ বাংলাদেশৰ স্বাধীনতাৰ বণত ভাৰতীয় সেনাবাহিনীয়ে পূৰ্ব পাকিস্তানৰ সেনা বাহিনীক সমূলঞ্চে পৰাজিত কৰে। বাংলাদেশক স্বাধীন হয়। ইয়াৰ ফলশ্ৰুতি ৰূপে ইন্দিৰা গান্ধীৰ নেতৃত্বত কংগ্ৰেছে ১৯৭২ চনৰ লোক সভা আৰু বিধান সভা বিজাকৰ নিৰ্বাচনত অপূৰ্ব সফলতা অৰ্জন কৰে। নগাঁও জিলাৰ পৰা নিৰ্বাচিত হোৱা সদস্যসকল হ'ল জগদীশ দাস, আব্দুল কাচেম, গুনেন্দ্ৰ পণ্ডিত, আব্দুল হুচেইন মীৰ, মহম্মদ ইদ্ৰিচ, লীলাকান্ত বৰা, গোলাপ চন্দ্ৰ বৰুৱা, বিষ্ণুপ্ৰসাদ, দেবেন্দ্ৰ নাথ বৰা, পীতসিং কোঁৱৰ, কেহোৰাম হাজৰিকা, ইদ্ৰিচ আলি, ফকিৰ আৰু শান্তি ৰঞ্জন দাসগুপ্ত।

১৯৭১ চনৰ পূৰ্ব পাকিস্তান বিজয়ে ইন্দিৰা গান্ধী আৰু কংগ্ৰেছী নেতৃত্বৰ এচামৰ মনলৈ আত্মতৰিতাৰ ভাব কঢ়িয়াই আনি একনায়কৰ মানসিকতা গঢ়ি তুলিলে। দেৱকান্ত, ওম মেহতা, সিদ্ধাৰ্থ শংকৰ, দীনেশ সিং আদিৰ চাটুবাক্যই ইন্দিৰাগান্ধী আৰু তেওঁৰ পুত্ৰ সঞ্জয় গান্ধীৰ একনায়কত্ববাদৰ মানসিকতা আৰু বৃদ্ধি কৰিলে। এলাহবাদ হাইকৰ্টৰ ৰায়ে ইন্দিৰা গান্ধীৰ নিৰ্বাচন ভ্ৰষ্টাচাৰৰ ভেটিভ নাকচ কৰাত, গণতন্ত্ৰক মধিমূল কৰি দেশত জৰুৰী অৱস্থাৰ প্ৰৱৰ্তন

কৰালে। ৰাষ্ট্ৰপতি আইনত্ম ফকৰুদ্দিন আলি আহমেদেও জৰুৰী ঘোষণা পত্ৰত বিনা বাক্যব্যয়ে চহী কৰিলে। জৰুৰীকালীন অৱস্থাৰ দুয়োটা বছৰতে গণতন্ত্ৰ সম্পূৰ্ণ নিষ্পেষিত হ'ল। ইয়াৰ পাচৰ নিৰ্বাচনত ৰাইজে যোগ্য প্ৰত্যুত্তৰ দিলে কংগ্ৰেছক ক্ষমতা দখলৰ পৰা বঞ্চিত কৰি। কেন্দ্ৰত মোৰাৰজী দেশাইৰ প্ৰধান মন্ত্ৰিত্বত আৰু অসমতো গোলাপ বৰবৰাৰ মুখ্যমন্ত্ৰিত্বত জনতা দলৰ শাসন প্ৰতিষ্ঠিত হ'ল। ১৯৭৮ চনত নগাঁৱৰ পৰা বিধান সভালৈ নিৰ্বাচিত হোৱা বিধায়ক সকল হ'ল জনতাৰ বালিৰাম দাস, ভবেন্দ্ৰ কুমাৰ শইকীয়া, লক্ষেশ্বৰ গোঁহাই, মহম্মদ মোজাম্মিল আলি চৌধুৰী, শান্তিৰঞ্জন দাসগুপ্ত, বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ বানেশ্বৰ শইকীয়া আৰু মহম্মদ চামচুল হুদা, কমিউনিষ্ট পাৰ্টিৰ মাৰ্ক্সিষ্টৰ বীৰেশ মিশ্ৰ আৰু স্বতন্ত্ৰ অতুল গোস্বামী। কংগ্ৰেছৰ পৰা নিৰ্বাচিত হ'ল আব্দুল কাছেম, কালিৰাম ডেকাৰজা, মহম্মদ ইদ্ৰিচ, মুকুট শৰ্মা, প্ৰসাদ দলৈ।

ইতিমধ্যে অসমৰ ৰাজনৈতিক আকাশত আমূল পৰিবৰ্তন ঘটিল। সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত ১৯৭৯ চনত সমগ্ৰ অসমতেই বাংলাদেশী অবৈধ অনুপ্ৰৱেশৰ বিৰুদ্ধে তীব্ৰ জনমত গঢ়ি উঠিল। কেবাদশক জুৰি চলি থকা বেআইনী বাংলাদেশী প্ৰব্ৰজনে অসম আৰু অসমীয়াৰ অস্তিত্বৰ সংকট প্ৰবলভাৱে প্ৰকট কৰি তুলিলে। নিজবাসভূমি অসমতে অসমীয়া মানুহ প্ৰবাসী হোৱা হ'ল। লাখ লাখ প্ৰতিবাদী যুব কণ্ঠই অসমবাসীলৈ আহ্বান দিলে ৰাজপথলৈ ওলাই আহি অস্তিত্বৰ সংগ্ৰামত জপিয়াই পৰিবলৈ। ছাত্ৰ সন্থাৰ নেতা প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগুকুমাৰ ফুকন, বৃন্দাবন গোস্বামী, দীগেন চন্দ্ৰ বৰা, গুনীন হাজৰিকা, গিৰিন বৰুৱা, বীৰেন বৈশ্য, নুৰুল হুছেইন, মইদুল ইছলাম বৰা, নগেন শৰ্মা, ললিত ৰাজখোৱা অন্যান্য সকলে জনোৱা আহ্বানত ৰাইজে অভূতপূৰ্ব সহাৰি জনালে। তেজেৰে ৰাজপথ ৰাঙলী হ'ল। দিল্লীৰ মছনদ কঁপি উঠিল। প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী, স্বৰাষ্ট্ৰ মন্ত্ৰী জাইলসিং লৰি আহিল অসমৰ ছাত্ৰশক্তিৰ লগত আলোচনা কৰি সমস্যাৰ সমাধান কৰিবলৈ। ১৯৫২ চনৰ পৰা অবাৰিতভাৱে বৈ থকা বিদেশীৰ সোঁত বন্ধ কৰি সমূহ বিদেশী নাগৰিকৰ বহিষ্কাৰৰ দাবীত সমগ্ৰ অসম জুৰি মহাত্মা গান্ধীৰ নিৰ্দেশিত পথেদি যি অহিংস আন্দোলন গঢ়ি উঠিল তাৰ বিশাল ৰূপ দেখি বিশ্ববাসী স্তম্ভিত হ'ল। অসমৰ আৰু অসমীয়াৰ অস্তিত্বৰ সংকট সকলোৱে বুজি পালে । কিন্তু দিল্লীৰ ৰাজনৈতিক নেতৃত্বই সমাধান উলিয়াব নোৱাৰিলে। আন্দোলন চলি থাকিল। বৰপেটা লোকসভাৰ উপনিৰ্বাচনত আছুৱে বাধা দিলে। আৰু সৰ্বেশ্বৰ তালুকদাৰ ছহিদ হ'ল। এনে পৰিপ্ৰেক্ষিতত ১৯৮৩ চনত ভাৰত চৰকাৰে বিধানসভা আৰু লোকসভাৰ নিৰ্বাচনৰ তাৰিখ ঘোষণা কৰিলে। ভোটাৰ তালিকা সংশোধন কৰি বিদেশী বাদ নিদিয়ালৈকে নিৰ্বাচনৰ বিৰোধিতা কৰাৰ কাৰণে প্ৰফুল্লকুমাৰ মহন্ত আৰু তেওঁৰ সহযোগী সকলে দীপ্ত আহ্বান জনালে।

দিল্লীৰ পৰা ওভটাৰ পথত বৰঝাৰ বিমানকোঠত সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃবৰ্গক চৰকাৰে আটক কৰিলে। নিৰ্বাচন বৰ্জন কৰিবলৈ ছাত্ৰসন্থাই আহ্বান জনালে আৰু অসমৰ জনগণেও নিৰ্বাচন বৰ্জন কৰিলে। চৰকাৰে কিন্তু নৃশংস ক্ষমতাৰে নিৰ্বাচনৰ ডেকোভাওনা পাতি এশ দুশ ভোট পোৱা প্ৰাৰ্থীকো বিধায়ক নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰিলে। এওঁলোকে আইনৰ স্বীকৃতি পালেও ৰাইজৰ স্বীকৃতি নোপোৱাত নপতাকুকন হৈ ৰ'ল। নগাঁও জিলাৰ পৰা নিৰ্বাচিত

হোৱা এই সদস্য সকল হ'ল প্ৰসাদ দলৈ, মহম্মদ হুছেইন, লক্ষীপ্ৰসাদ হাজৰিকা, আবু নাছাৰ অহিদ, কিৰন বৰা, মহম্মদ ইদ্ৰিছ, মুকুট শৰ্মা, ৰমেশ ফুকন, নুৰুল হুছেইন, বলোৰাম নাগ, ফৰমান আলি, সাধন ৰঞ্জন সৰকাৰ আৰু দেৱেশ চন্দ্ৰ চক্ৰবৰ্ত্তী। লাহৰীঘাট সমষ্টি খালী হৈয়ে ৰ'ল। ৰাইজ বৰ্জিত এই সকল সদস্যৰ আয়ুস মুঠে দুবছৰহে আছিল। হিতেশ্বৰ শইকীয়াৰ নেতৃত্বত মন্ত্ৰীসভা গঠিত হ'ল। ইতিমধ্যে ইন্দিৰা গান্ধীক মৰ্ম্মন্তুদ হত্যাৰ পাছত শাসনভাৰ লোৱা ৰাজীৱ গান্ধীয়ে বুজি পালে যে ৰাইজৰ প্ৰকৃত মনোভাৱ আৰু সমৰ্থন আছুৰ প্ৰতিহে আছে। সেইকাৰণে ছাত্ৰ সন্থাৰ নেতা প্ৰফুল্লকুমাৰ মহন্ত, ভৃগু ফুকন, আৰু লগতে আন্দোলনৰ অন্যান্য অংশৰ নেতা বিৰাজকুমাৰ শৰ্মা আদিৰ লগতে আলোচনাত বহি ঐতিহাসিক অসম চুক্তি স্বাক্ষৰিত কৰে আৰু এনেদৰেই প্ৰফুল্লকুমাৰ মহন্ত আদিয়ে নেতৃত্বদিয়া পৃথিৱীৰ ভিতৰতে দীৰ্ঘদিনীয়া অহিংস আন্দোলনৰ সফল সমাপ্তি ঘটে। ১৯৮৫ চনৰ নিৰ্বাচনত অসমৰ ৰাইজে বিপুল সংখ্যাধিকেৰে প্ৰকৃত প্ৰতিনিধি বিধান সভালৈ পঠিয়ায়। ৰাইজৰ অকুণ্ঠ আশীৰ্বাদ শিৰত লৈ প্ৰফুল্লকুমাৰ মহন্তই মুখ্যমন্ত্ৰী ৰূপে মন্ত্ৰীসভা গঠন কৰি অতি উৎসাহ উদ্দীপনাৰে মুকলি মঞ্চত শপত গ্ৰহণ কৰে। নগাঁৱৰ পৰা নিৰ্বাচিত সদস্য সকল হ'ল- প্ৰফুল্লকুমাৰ মহন্ত, গুনীন হাজৰিকা, দ্বিগেন চন্দ্ৰ বৰা, ৰছিদুল হক, আব্দুল জলিল, হৰেন্দ্ৰ বৰা, গিৰিন বৰুৱা, উমেশ চন্দ্ৰ দাস, ছহিদুল ইছলাম, আব্দুল হুছেইন সৰকাৰ, আব্দুল জলিল ৰাগিবী, শান্তিৰঞ্জন দাসগুপ্ত আৰু অৰ্ধেন্দু কুমাৰ দে।

স্বাধীনোত্তৰ যুগত নগাঁৱৰ পৰা অসমৰ ৰাজনীতিলৈ ডাঙৰ অৱদান হৈছে মুখ্যমন্ত্ৰীৰূপে ডেকা ছাত্ৰ নেতা প্ৰফুল্লকুমাৰ মহন্তই অসমক নেতৃত্ব দিয়াটো।

অসম চুক্তিৰ আধাৰত মহন্তৰ নেতৃত্বাধীন চৰকাৰে কেইবাটাও বিষয়ত অভূতপূৰ্ব সাফল্য লাভ কৰিছে। সেইকেইটা হৈছে - কেন্দ্ৰীয় পৰিকল্পনা সাহায্যৰ নব্বৈ শতাংশ অনুদান আৰু দহ শতাংশ ঋণলৈ পৰিবৰ্ত্তিত কৰা, উত্তৰ গুৱাহাটীত আই. আই. টি. স্থাপন কৰি শৈক্ষিক জগতৰ বাতাবৰণত বৈপ্লৱিক পৰিবৰ্তন অনা, নুমলীগড়ত তেল শোধানাগাৰ পাতি ইয়াৰ ৰূপায়ণৰ কাম দ্ৰুত কৰা, প্ৰাথমিক বিদ্যালয় বিলাকৰ ঘৰ বিলাকৰ সংস্কাৰ সাধন কৰা, ৰাইজক প্ৰশাসনৰ ওচৰ চপাবলৈ কেবাখনো নতুন জিলা গঠন কৰা, বিদেশী বহিষ্কৰণৰ আইন সম্মত ব্যৱস্থা লোৱা, খাৰুৱা তেলৰ ৰয়েল্টিৰ হাৰ বৃদ্ধি কৰা, অসমীয়া সংস্কৃতি চৰ্চা, সংৰক্ষণ আৰু প্ৰসাৰ কৰিবলৈ শংকৰদেৱ কলা ক্ষেত্ৰ নিৰ্মান কৰা, টেঙাখাটৰ গেচ ক্ৰেকাৰ স্থাপনত অগ্ৰগতি, যোগীঘোপাত নৰনাৰায়ণ সেঁতু মুকলি কৰা, বগীবিলত ব্ৰহ্মপুত্ৰৰ ওপৰত চতুৰ্থখন দলং নিৰ্মানৰ প্ৰাথমিক কাম হাতত লোৱা, বৰঝাৰ বিমান কোঠাক উন্নীত কৰি আন্তৰ্জাতিক বিমান বন্দৰ কৰিবলৈ কাম আৰম্ভ কৰা, ব্ৰহ্মপুত্ৰ আৰু নদী সমূহৰ পৰা হোৱা বানপানীৰ সমস্যা সমাধানৰ আঁচনি কেন্দ্ৰীয় আঁচনিত অন্তৰ্ভুক্ত কৰা, আৰু ৭৮৫ কিলো মিটাৰৰ ব্ৰডগজ ৰেল লাইন বঢ়োৱাত কেন্দ্ৰক সৈমান কৰা।

নতুন চৰকাৰৰ সমূখত বিদেশী খেদা প্ৰক্ৰিয়া ত্বৰাম্বিত কৰা আৰু উন্নয়নৰ কামলৈ মনোযোগ দিয়াৰ সময়তেই আলফা আৰু বড়ো উগ্ৰবাদী সকলে আভ্যন্তৰীণ আইন শৃংখলা

গুৰুতৰ কৰি তুলিছে। আইন শৃংখলা ৰক্ষা কৰি ৰাইজক সুৰক্ষা দিয়াটো যি কোনো নিৰ্বাচিত চৰকাৰৰ প্ৰথম সাংবিধানিক দায়িত্ব। এই দায়িত্ব পালন কৰিবলৈ চৰকাৰে সু চিন্তিত ভাৱে সেনা বাহিনীৰো সাহাৰ্য ল'বলৈ বাধ্য হৈছে।

বড়ো সকলে সুকীয়া ৰাজ্য দাবী কৰিলেও ভুপেন্দ্ৰ সিং কমিটিয়ে দেখুৱাই দিছে যে এওঁলোকৰ দাবী নিৰৰ্থক। প্ৰস্তাবিত বড়ো এলেকাত ১৮ লাখ জন সংখ্যাৰ মাত্ৰ ৬ লাখহে বড়ো, বাকী সকল কোচঁ ৰাজবংশী, চাওতাল, অন্যান্য অসমীয়া মানুহ আৰু মুছলমান। বড়ো উগ্ৰপন্থী সকলে নিৰ্মম ভাবে চাওতাল মুছলমান আৰু অন্যান্য সম্প্ৰদায়ৰ ওপৰত চলোৱা নিৰ্মম হত্যা কাণ্ডই আইন শৃংখলাৰ পৰিস্থিতি গুৰুতৰ কৰি তুলিছে।

বানপানীয়েও অসমীয়া ৰাইজৰ প্ৰভুত ক্ষতি সাধন কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ অৱহেলায়ো এই সমস্যা গুৰুতৰ কৰি তুলিছে। ব্ৰহ্মপুত্ৰ বৰ্ড গঠন কৰি বানপানী নিয়ন্ত্ৰনৰ আঁচনি কেন্দ্ৰীয় আঁচনিলৈ ৰূপান্তৰ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে অনুমোদন কৰিলেও কাৰ্যকৰী ব্যৱস্থা এতিয়াও লোৱা নাই। "আলি-কুলী" তন্ত্ৰৰ প্ৰয়োগ কৰি ১৯৯১ চনত হিতেশ্বৰ শইকীয়াই মুখ্য মন্ত্ৰীৰ গাদী দখল কৰিলেও এই সমস্যা বিলাকৰ একো সমাধান উলিয়াব নোৱাৰিলে। বৰঞ্চ ১৯৯৬ চনলৈকে চলা হিতেশ্বৰ শইকীয়া চৰকাৰৰ অপশাসন আৰু ভ্ৰষ্টাচাৰে অসমৰ ৰাইজক জুৰুলা কৰিলে। চালফা আদি সমস্যাৰ সৃষ্টি কৰি জনজীৱন দুঃসহ কৰি তুলিছিল। গোষ্ঠীগত সংঘৰ্ষয়ে ভয়ানক ৰূপ ধাৰণ কৰিছিল।

১৯৯৬ চনত অসম গণ পৰিষদ চৰকাৰে পুনৰ শাসন ভাৰ লোৱাৰ লগে লগে মুখ্য সচিব, পুলিচ প্ৰধান প্ৰমুখ্যে চাৰিজন বিষয়াৰ পলায়নে অদ্ভুত প্ৰশাসনীয় অৱস্থাৰ সৃষ্টি কৰিলে। সেই সময়তে গোঁসাইগাঁওত চাওতাল সকলৰ ওপৰত আক্ৰমণে নতুন চৰকাৰক শলঠেকত পেলোৱাৰ ষড়যন্ত্ৰ বুলি অনুমান কৰাৰ থল আছে। বড়ো উগ্ৰবাদী সকলে চাওতাল সকলৰ ঘৰবাৰী জ্বলাই নিঠকৰা কৰিলে। এনে প্ৰতিকূল অৱস্থাৰ মাজতো প্ৰফুল্ল মহন্তৰ নেতৃত্বাধীন পাঁচোটা দলৰ সংযুক্ত গণ পৰিষদ চৰকাৰে প্ৰশংসনীয় ভাৱে আলফা আৰু বড়ো উগ্ৰবাদী সমস্যাৰ সমুখীন হোৱা আৰু আগৰ চৰকাৰে এৰি থৈ যোৱা ধ্বণৰ বোজা আদিৰ সমাধান কৰি উন্নয়নৰ গতি ক্ষীপ্ৰ কৰিবলৈ ব্যৱস্থা লৈছে। পঞ্জাৱ আৰু কাশ্মীৰত নিৰাপত্তা ৰক্ষাৰ বাবে কৰা খৰচ যদি কেন্দ্ৰীয় চৰকাৰে বহন কৰিব পাৰে তেনেহ'লে, অসমতো কিয় নোৱাৰিব তাৰ কোনো অৰ্থ হ'ব নোৱাৰে। মহন্ত চৰকাৰে এই বিষয়ে আৰু দৃঢ় পদক্ষেপ লোৱা পৰিলক্ষিত হৈছে।

আলফা আৰু আন আন উগ্ৰবাদী সংগঠনৰ কাৰণে প্ৰফুল্ল মহন্ত চৰকাৰে দৃঢ় ব্যৱস্থা লৈছে। আইন শৃংখলা ৰক্ষাৰ কাৰণে যি কোনো চৰকাৰেই কঠোৰ ব্যৱস্থা লোৱাটো সংবিধানিক কৰ্ত্তব্য। ভাৰতৰ জাতীয় নিৰাপত্তাৰ প্ৰশ্নত কোনো আপোচ হ'ব নোৱাৰে। আলফাই বিচৰাৰ দৰে অসম স্বাধীন হ'ব নোৱাৰে আৰু সৰ্ব্ব সাধাৰণ ৰাইজেও তেনে স্বাধীনতা নিবিচাৰে। কিন্তু সংবিধানিক গণ্ডীৰ ভিতৰত কাশ্মীৰৰ দৰে আদায় কৰিব পাৰি, সেই বিষয়লৈ আলফাই ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ লগত আলোচনাৰ কাৰণে আগবাঢ়ি আহিব লাগিব। মুখ্য মন্ত্ৰী প্ৰফুল্ল মহন্তৰ আলোচনাৰ বাবে আলফালৈ দিয়া নিমন্ত্ৰণ আলফাই গ্ৰহণ কৰি আগবাঢ়ি অহা

উচিত, যাতে অসমত আকৌ শান্তি সম্প্ৰীতি বিৰাজ কৰে। শুক্লা কমিটিৰ প্ৰতিবেদনত সন্নিবিষ্ট কৰা অসমৰ উন্নয়নৰ কাৰণে ব্যৱস্থা ল'বলৈ কেন্দ্ৰীয় চৰকাৰে সাহাৰ্য আগবঢ়ালে আলফা সমস্যা সমাধানতো যথেষ্ট সহায় হ'ব।

নগাঁৱৰ পৰা বিধান সভালৈ নিৰ্বাচিত হোৱা সদস্য সকল যেনে দ্বীগেন চন্দ্ৰ বৰা, গিৰীণ বৰুৱা, অতুল শৰ্মা, গুণীন হাজৰিকা, গহীন দাস আদিয়ে অন্য দলৰ সদস্য সকলৰ লগ লাগি নগাঁও তথা অসমৰ উন্নতি কল্পে নিজ নিজ প্ৰচেষ্টা, সমাজৰ উন্নতিৰ সমূহ কল্পনা বাস্তৱত ৰূপায়িত কৰাৰ আশাপ্ৰদ চেষ্টা অব্যাহত ৰাখিছে।

কম বয়সতে অসমৰ জনগণক নেতৃত্ব প্ৰদান কৰা প্ৰফুল্ল কুমাৰ মহন্ত বিচক্ষণ, অল্পভাষী, দুৰদৃষ্টিসম্পন্ন আৰু সহৃদয় এনে এজন মুখ্যমন্ত্ৰী নগাঁও বাসীৰ গৌৰৱৰ স্থল। প্ৰফুল্ল মহন্তয়ো অদম্য সাহস আৰু নিষ্ঠাৰে অসমৰ সমস্যা সমূহৰ সমাধানত ব্ৰতী হৈছে।

কালৰ সোঁতত সময় আৰু সীমাৰ পৰিধি ভেদি মানৱ সমাজ প্ৰগতিৰ পথত আগবাঢ়ে। এই চিৰন্তন যাত্ৰা পথত একো একো জন ব্যক্তিয়ে নিজৰ নিষ্ঠা, সততা আৰু ভবিষ্য দৃষ্টিৰে মানৱ সমাজক নতুন দিশৰ সন্ধান দিয়ে। অসম গণ পৰিষদ চৰকাৰেও প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত অসমকো উত্তৰণৰ নতুন দিগন্তৰ সন্ধান দিবলৈ প্ৰয়াস কৰিছে।

স্বাধীনতাৰ সোণালী জয়ন্তী বৰ্ষত নগাঁও তথা অসমবাসীয়ে আশা কৰিছে যে নগাঁৱৰ বিভিন্ন ৰাজনৈতিক প্ৰতিনিধি, সমাজ সেৱী, ৰাজনৈতিক কৰ্মী আদি সকলোৱে নগাঁৱৰ লগতে অসমৰ সামূহিক উন্নতি কল্পে নিজৰ অৱিহণা আৰু সেৱা আগবঢ়াই ৰাজ্যৰ সকলোবোৰ সমস্যা সমাধান কৰি প্ৰগতিৰ নতুন দিগন্ত মুকলি কৰিব।□

স্বৰাজোত্তৰ নগাঁৱৰ বৌদ্ধিক পৰিমণ্ডল

অপূৰ্ব শৰ্মা

সামাজিক বিবৰ্তনৰ ইতিহাসত সময়ৰ কোনো নিশ্চিত বিন্দু বা ঘটনাক স্থিৰ কাল-ছেদ ৰূপে গ্ৰহণ কৰা অসুবিধাজনক যদিও এনে বিন্দু বা ঘটনাক সামাজিক ইতিহাসৰ গতিপথৰ বিশেষ উল্লেখ-বিন্দু হিচাবে চিহ্নিত কৰিব পাৰি। স্বৰাজ বা স্বাধীনতা লাভৰ সময়টোক স্বৰাজোত্তৰ সমাজৰ বিভিন্ন পৰিবৰ্তন-বিবৰ্তনৰ আৰম্ভণি বিন্দুৰূপে নিশ্চিত কৰা উচিত নহ'ব, কাৰণ এনে বিবৰ্তনৰ প্ৰক্ৰিয়া বা উৎস স্বৰাজ-পূৰ্ববৰ্তী সেই সমাজৰ অভ্যন্তৰতে প্ৰবল বা স্তিমিত ৰূপত সক্ৰিয় হৈ ৰয়। স্বৰাজোত্তৰ নগাঁৱৰ সমাজত আধুনিক বৌদ্ধিক বিকাশৰ এটা প্ৰাথমিক ধৰণৰ আধ্যয়ন কৰিবলৈ গ'লে, তাৰ উৎস সন্ধানত আমি উনবিংশ শতিকালৈকে পিছুৱাই যাব পাৰো। অসমীয়া সাহিত্যৰ ভেটি গঠনৰ আৰম্ভনি কৰি থৈ যোৱা সাহিত্যিক সংগঠক আনন্দৰাম ঢেকিয়াল ফুকন, সাহিত্যিক গুনাভিৰাম বৰুৱা, কবি আৰু সমালোচক ৰত্নেশ্বৰ মহন্ত আৰু নাট্যকাৰ ৰুদ্ৰৰাম বৰদলৈৰ পৰাই আধুনিক বৌদ্ধিক চৰ্চাৰ পৰম্পৰা নগাঁওত আৰম্ভ হ'ল বুলি ভাবিলে বৰ ভুল নহ'ব।

সমাজৰ যি শিক্ষিত আৰু সচেতন শ্ৰেণীয়ে সামাজিক বৌদ্ধিক চৰ্চা আৰু বিকাশ প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে প্ৰভাৱিত কৰে তেওঁলোকে সচৰাচৰ দুটা বিপৰীতধৰ্মী অৱস্থান গ্ৰহণ কৰে। এটি অৱস্থানৰ আধাৰ হ'ল অৰ্থ আৰু ক্ষমতা আৰু লক্ষ্য হ'ল এই অৰ্থ আৰু ক্ষমতাই জন্ম দিয়া সামাজিক প্ৰক্ৰিয়াসমূহৰ সংৰক্ষণ আৰু সংবৰ্দ্ধন। আনটো অৱস্থানৰ আধাৰ হ'ল মানৱ-সত্তাৰ অন্তৰ্নিহিত সন্মানবোধ আৰু লক্ষ্য হ'ল সংগ্ৰামৰ মাজেদি এই মানবীয় সন্মান ক্ষুন্ন কৰা সকলো ধৰণৰ দাসত্বৰ পৰা মুক্তি।

ভাৰতীয় সমাজত সাম্ৰাজ্যবাদী শাসনৰ আদিকালত বৃটিছৰ প্ৰতি ৰাজভক্তি আৰু উপনিবেশিক প্ৰভুসকলৰ প্ৰতি স্তুতিবাদে এলিট্ শ্ৰেণীৰ বৌদ্ধিক মানসিকতাক যি ধৰণে গঢ় দিছিল উনবিংশ শতিকালৈকে তাৰ গাঁঠনি প্ৰায় অক্ষত আছিল বুলি ক'ব পাৰি। স্বাধীনতা আন্দোলনৰ দেশজোৰা ব্যাপকতা আৰু জনগণৰ মাজত তাৰ বিপুল আলোড়ণ আৰু, বিশেষকৈ, মহাত্মা গান্ধীৰ 'ভাৰতীয় সত্তা'ৰ পুনৰাবিষ্কাৰে ভাৰতীয় প্ৰাদেশিক সমাজ সমূহত এক নতুন আৰু সতেজ চেতনাৰ জন্ম দিয়ে। নিষ্পেষণ আৰু দাসত্বৰ পৰা মুক্তি আৰু দলিত মানৱ সত্তাৰ সন্মানৰ পুনৰুদ্ধাৰৰ দৰে মহত্বৰ চেতনাই ভাৰতীয় বৌদ্ধিক মানসিকতাক নতুনকৈ উজ্জীৱিত কৰি তোলে।

১৯২১ চনত মহাত্মা গান্ধীৰ নগাঁও আগমন আৰু ১৯২৫ চনত নগাঁৱত অসম সাহিত্য সভাৰ প্ৰথম অধিবেশন এই দুই অপাত সম্পৰ্কবিহীন ঘটনাই নগাঁৱৰ সামাজিক-বৌদ্ধিক

পৰিবেশ তৎকালিক ভাবে আলোড়িত কৰাৰ উপৰিও সমাজৰ বৌদ্ধিক বিকাশত এক সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলালে। পৰবৰ্তী পৰ্য্যয়ত চল্লিছৰ দশকত 'আৱাহন'ৰ পাতত সাহিত্য সৃষ্টি কৰা লেখক মহীচন্দ্ৰ বৰা, ৰাধিকামোহন গোস্বামী আদিয়ে নগাঁৱত এটি বৌদ্ধিক পৰিবেশ সৃষ্টি কৰে। ১৯৪৪ চনত নগাঁও কলেজ স্থাপন যিদৰে স্পষ্টত: নগাঁৱত উচ্চ শিক্ষা আৰু তৎসংলগ্ন অন্যান্য সা-সুবিধাৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ একক কাৰকৰূপে পৰিগণিত, পণ্ডিত যজ্ঞেশ্বৰ শৰ্মাৰ সেই কলেজত সেই বছৰতে অধ্যক্ষৰূপে যোগদান নগাঁৱৰ বৌদ্ধিক পৰিবেশৰ বাবে সমাধিক তাৎপৰ্য্যপূৰ্ণ এক ঘটনা। 'শতপত্ৰ'ৰ প্ৰকাশেৰে শ্ৰীযুত শৰ্মাই অসমৰ বুদ্ধিজীৱি সমাজত নিজৰ প্ৰাপ্য আসন সম্পৰ্কে ইতিমধ্যেই শক্তিশালী ইংগিত পঠাইছিল ; নগাঁও কলেজত তেওঁৰ সান্নিধ্যত আন কেইজনমান তৰুণ বুদ্ধিজীৱিয়ে এক নতুন উদ্দীপনাময় সাহিত্য সাংস্কৃতিক পৰিবেশ সৃষ্টি কৰিলে। এওঁলোকৰ ভিতৰত উজ্জ্বলতম আছিল তিনিজন শ্ৰেষ্ঠ আধুনিক অসমীয়া গল্পকাৰৰ অন্যতম মহিম বৰা। স্বাধীনোত্তৰ নগাঁৱৰ সমাজৰ বৌদ্ধিক পৰিমণ্ডলৰ বিকাশত নগাঁও কলেজৰ আৰম্ভনী কালৰ এই অধ্যাপক গোষ্ঠীৰ অবদানৰ গুৰুত্ব সহজেই অনুমান কৰিব পৰা যায়। এই দিশতে আন এটা তাৎপৰ্য্যপূৰ্ণ ঘটনা হ'ল ১৯৪৫ চনত অধ্যাপক মহেশ চন্দ্ৰ দেৱগোস্বামীৰ দ্বাৰা 'বিহলঙনী' কাকতৰ সম্পাদনা আৰু প্ৰকাশ। পিছলৈ নগাঁও ছোৱালী কলেজৰ প্ৰতিষ্ঠাতা অধ্যক্ষ ৺গোস্বামীদেৱৰ ব্যক্তিগত সাহিত্যিক অৱদানতকৈও 'বিহলঙনী'ৰ তীব্ৰ ব্যংগ আৰু শ্লেষৰ যোগেদি ৰাজনৈতিক সামাজিক সচেতনতাৰ সৃষ্টি কৰি সমাজৰ বৌদ্ধিক উত্তৰণৰ বাবে কৰা তেখেতৰ প্ৰায় একক প্ৰচেষ্টা বিশেষভাবে উল্লেখযোগ্য। নগাঁৱৰ সেই সময়ৰ বৌদ্ধিক চিন্তা-চৰ্চা আৰু সাহিত্যিক প্ৰেৰণাৰ পৰিচয় ১৯৫৬ চনত মহিম বৰা, ভবেন্দ্ৰনাথ শইকীয়া আৰু যুগল দাসৰ সম্পাদনাত প্ৰকাশিত একক সংখ্যাৰ 'অৰুণাচল' পত্ৰিকাইও বহন কৰে।

বৃহত্তৰ আৰু উন্নততৰ কৰ্ষণক্ষেত্ৰৰ সন্ধানত বিভিন্ন সময়ত নগাঁৱৰ কেইবাজনো প্ৰতিভাশালী বুদ্ধিজীৱিৰ গুৱাহাটীলৈ পৰিব্ৰজন ঘটে। ড০ সূৰ্য্য কুমাৰ ভূঞা, ড০ বিৰিঞ্চি কুমাৰ বৰুৱা, নৱকান্ত বৰুৱা, ড০ ভবেন্দ্ৰ নাথ শইকীয়া. তিলক হাজৰিকা, হীৰেণ ভট্টাচাৰ্য্য আদিৰ দৰে সৃষ্টিশীল প্ৰতিভাই বৃত্তি আৰু প্ৰবৃত্তিৰ ক্ষেত্ৰৰূপে গুৱাহাটীক নিৰ্বাচন কৰে (বৃত্তিগত বাধ্যবাধকতাই ড০ লক্ষ্মীনন্দন বৰাক লৈ যায় যোৰহাটলৈ)। কিন্তু বাস্তৱিক শাৰীৰিক দূৰত্ব স্বত্বেও, নগাঁৱৰ সমাজৰ বৌদ্ধিক বিকাশৰ বাবে তেওঁলোক সুদূৰ আলোক স্তম্ভৰ দৰে দিক্-দৰ্শী প্ৰেৰণাৰ অন্তহীন উৎস আছিল।

আনহাতে, স্থানীয় গোষ্ঠীগত ৰাজনীতিৰ কথালৈ নগ'লে আৰু সত্তৰ দশকৰ ভাৰতীয় ৰাজনীতিৰ দুৰ্ভাগ্যজনক ব্যক্তিবাদী ক্ষমতা-কেন্দ্ৰিকতাৰ যুগত দেৱকান্ত বৰুৱাৰ সাময়িক বিচ্যুতিৰ কথা বাদ দিলে, নগাঁৱৰ ৰাজনৈতিক চিন্তাত তেওঁৰ দৰে নেতাই এক বৌদ্ধিক ব্যক্তিত্বৰ ছাপ পেলাবলৈ সক্ষম হৈছিল। মাৰ্কিন সাংবাদিক মিচেনাৰে তেওঁৰ সম্পৰ্কে কৰা মন্তব্যটি কিছু অতিৰঞ্জিত বুলি ধৰিলেও এই কথা কোনোমতেই অস্বীকাৰ কৰিব নোৱাৰি যে দেৱকান্ত বৰুৱাই সৰ্বভাৰতীয় ৰাজনৈতিক ক্ষেত্ৰত সন্মান আৰু পদ লাভ কৰিছিল তেওঁৰ ৰাজনীতিকতাৰ বাবে

নহয়, বৰং তেওঁৰ ঈৰ্ষাযোগ্য বৌদ্ধিক ব্যক্তিত্বৰ বাবেহে। দুৰ্ভাগ্যবশতঃ, ৰাজনৈতিক ক্ষেত্ৰত কেৱল নগাঁৱতে নহয়, সমগ্ৰ অসমতে বিমলা প্ৰসাদ চলিহাৰ মৃত্যুৰ লগে লগে ব্যক্তিত্বৰ বিশালতা, চাৰিত্ৰিক ঔদাৰ্য্য আৰু ৰাজনৈতিক ভিশ্যনৰ যুগৰ অন্ত হৈছিল ; দেৱকান্ত বৰুৱা সেই যুগৰ শেষ অসফল প্ৰতিনিধি আছিল।

১৮৭০ চনত ৰুদ্ৰৰাম বৰদলৈৰ দিনতে আৰম্ভ হোৱা নাট্য-পৰম্পৰাৰ আঁত ধৰি স্বাধীনোত্তৰ নগাঁৱত নাট্য-চৰ্চাৰ যোগেদি বৌদ্ধিক বিকাশৰ এক আন্তৰিক প্ৰয়াস চলিছিল। সাৰদা কান্ত বৰদলৈ, কৃষ্ণানন্দ ভট্টাচাৰ্য্য, চন্দ্ৰ ফুকন, জগৎ বেজবৰুৱা, যুগল দাস, দ্বিজেন্দ্ৰ মোহন গোস্বামী আদি এই নাট্য আন্দোলনৰ পুৰোধা আছিল। সফল আৰু উচ্চ-স্তৰৰ নাট্য প্ৰদৰ্শনৰ যোগেদি এওঁলোকে এক সাংস্কৃতিক প্ৰবাহ সৃষ্টি কৰিব পাৰিছিল। ভাৰতৰ বিভিন্ন ঠাইত নাট-প্ৰদৰ্শনৰ দ্বাৰা প্ৰশংসা আৰু পুৰস্কাৰো অৰ্জন কৰিছিল। কিন্তু সৃষ্টিশীল উৎকৰ্ষৰ ক্ষেত্ৰত সাফল্যই মধ্যস্তৰীয় সীমা অতিক্ৰম কৰিব পৰা নাছিল। নাট ৰচনাৰ ক্ষেত্ৰত কোনো একক প্ৰতিভাযে ক্ৰিয়াশীল নাছিল, নাটক সমূহৰ যৌথ ৰচনাৰ মাজতে তাৰ পৰিচয় পোৱা যায়। সত্তৰ দশকত অনুদিত বিদেশী নাটকৰ প্ৰদৰ্শনেৰে তচদ্দুক ইউচুফে নগাঁৱৰ বৌদ্ধিক জগতত এটি আলোড়ন তুলিছিল ; কিন্তু অধিক সক্ৰিয় হোৱাৰ পৰিবৰ্ত্তে সি ক্ৰমে স্তিমিত হৈ পৰে। নগাঁৱৰ সুদীৰ্ঘ আৰু সক্ৰিয় নাট্য-পৰম্পৰা আজিও কোনো প্ৰতিভাৰ যাদুকৰী স্পৰ্শত উজ্জ্বলি উঠিবলৈ অপেক্ষা কৰি আছে।

সমাজৰ বৌদ্ধিক বিকাশৰ বাবে বুদ্ধিজীৱি দায়িত্ব আৰু কৰ্ত্তব্য হ'ল নিজ নিজ ক্ষেত্ৰত নিজস্ব চৰ্চা আৰু কৃতিৰ দ্বাৰা সমাজৰ প্ৰকৃত দিক্‌নিৰ্ণয় কৰা, সাধাৰণ মানুহক যুক্তি-নিৰ্ভৰ প্ৰকৃত জ্ঞান দিয়া, তেওঁলোকৰ চিন্তা আৰু ধাৰণা নতুনধৰণেৰে আলোকিত কৰা আৰু তেওঁলোকৰ মাজত সমালোচনাত্মক সচেতনতা গঢ়ি তোলা। যোৱা তিনিটামান দশকত নগাঁও তথা অসমত এনেধৰণৰ কোনো উন্নত স্তৰৰ বৌদ্ধিক চৰ্চা আৰু সমাজৰ চকুত পৰাবিধৰ বৌদ্ধিক বিকাশ হৈছে বুলি বুকুত হাত দি ক'ব পৰা নাযায়। ইয়াৰ ঐতিহাসিক-সামাজিক কাৰণসমূহ সমাজ-বিজ্ঞানীয়ে নিশ্চয় চিহ্নিত কৰিব পাৰিব। এই কথা অৱশ্যে দ্বিধায় ক'ব পাৰি যে অসম আন্দোলনৰ কালছোৱা অসমৰ বৌদ্ধিক ইতিহাসৰ এক ম্লান অধ্যায়। অসম আন্দোলনৰ যুক্তিযুক্ততা আৰু আন্দোলনত জনগণৰ নিৰংকুশ লিপ্ততা মানি লৈও স্বীকাৰ কৰিব লাগিব যে ইয়াৰ আবেগ-সৰ্বস্বতা, কৌশলগত ত্ৰুটি আৰু তীব্ৰতাৰ সন্মুখত অসমৰ বুদ্ধিজীৱি সামগ্ৰিকভাৱে বিভ্ৰান্ত আৰু ভীতিগ্ৰস্ত হৈ পৰিছিল। এনে পৰিবেশত সামাজিক প্ৰজ্ঞা আৰু বৌদ্ধিকতাৰ বিকাশ ৰুদ্ধ হ'বলৈ বাধ্য। বৃহত্তৰ অসমীয়া সমাজৰ অংগ হিচাবে নগাঁৱৰ সমাজো একে লক্ষণেৰে আক্ৰান্ত হোৱাটো স্বাভাৱিক।

আজিৰ পশ্চিমৰ সমাজত দেখা গৈছে যে জনগণক শিক্ষিত আৰু সচেতন কৰি বৌদ্ধিকতা-আলোকিত বিচাৰ-ক্ষম সমাজ এখন গঢ়ি তুলিব পৰা বুদ্ধিজীৱিসকল ক্ৰমে নোহোৱা হৈ আহিছে। জনসাধাৰণৰ কল্যানৰ বাবে ৰাজহুৱা চিন্তা-চৰ্চা কৰিবলৈ আজিকালি আৰু তেওঁলোক উদ্বুদ্ধ নহয়। আজিৰ বুদ্ধিজীৱিয়ে কেৱল সীমিত সংখ্যক উচ্চ মাৰ্গীয় সহকৰ্মী-

সতীৰ্থই বুজি পোৱাকৈ জটিল, ৰহস্যপূৰ্ণ ভাষা আৰু প্ৰকাশভংগীৰে এক বন্ধ জগতত নিজস্ব বৌদ্ধিক ধ্যান ধাৰণা প্ৰতিষ্ঠা কৰিবৰ চেষ্টা কৰে আৰু পাৰস্পৰিক বিমূৰ্ত বাদ-প্ৰতিবাদত লিপ্ত হয়। গ্ৰন্থ, অধ্যয়ন, পাঠ, তত্ত্ব, বিনিৰ্মিতি, বিশ্লেষণ, প্ৰতি-বিশ্লেষণ আদিৰ সৰু জগতখনৰ মাজত সোমাই পৰাৰ ফলত বৃহত্তৰ সামাজিক পৰিপ্ৰেক্ষিতত বৌদ্ধিক চৰ্চা আৰু বিকাশ গুৰুত্বহীন হৈ আহিছে। আধুনিক ৰাষ্ট্ৰ আৰু অত্যাধুনিক বজাৰৰ যুক্তিয়ে আৰু বুদ্ধিজীৱিৰ নিজৰ অস্তিত্বৰ সমস্যাই সামাজিক প্ৰেক্ষাপটৰ পৰা বুদ্ধিজীৱিৰ এনে অপসাৰণ প্ৰায় অৱশ্যম্ভাৱী কৰি তুলিছে। সমাজৰ বৌদ্ধিক বিকাশৰ গতি ইয়াৰ ফলত স্তিমিত হ'বলৈ বাধ্য।

ঐতিহাসিক সমৃদ্ধ থাকিলেও আধুনিক অসমীয়া ভাষা-সাহিত্য চৰ্চাৰ আৰম্ভনী কালৰ কেন্দ্ৰ বুলি দাবী কৰিব পাৰিলেও, এখন প্ৰকৃত আধুনিক সমাজ হিচাবে গঢ় লৈ উঠাত নগাঁৱৰ সমাজৰ যথেষ্ট প্ৰতিবন্ধকতা আছিল। ইয়াৰ মূলত: গ্ৰামীন চৰিত্ৰ (আজিও ইয়াৰ অনেক অভিজাত নাগৰিক প্ৰকৃততে অনুপস্থিত-ভূমিগিৰী), বাহিৰৰ বৌদ্ধিক জগতৰ লগত সংযোগহীনতা, উদ্যোগ, বৃহৎ ব্যৱসায় আদিৰ প্ৰতিষ্ঠাৰ যোগেদি পৰম্পৰাগত সমাজৰ ওপৰত আধুনিক বাস্তৱতা আৰু আধুনিক ধ্যান-ধাৰণাৰ প্ৰবল অভিজ্ঞতাৰ অভাৱ, তথ্য আৰু প্ৰজ্ঞাৰ বিকীৰণ কেন্দ্ৰৰূপে নগাঁও কলেজৰ সীমাবদ্ধতা ইত্যাদি অনেক প্ৰতিকূল কাৰকে নগাঁঞা সমাজৰ আধুনিক মানসিকতাক গঢ় দিয়াত বাধা দিছিল। সেয়ে গুৱাহাটীৰ তুলনাতে নগাঁৱৰ সামাজিক পৰিবেশ বদ্ধ, নিৰ্জীৱ আৰু বৌদ্ধিকতাৰ প্ৰতিকূল যেন অনুভৱ হয়। আচৰিত নহয় যে এনে অসুচল পৰিবেশত সমাজক প্ৰকৃত বৌদ্ধিক নেতৃত্ব দিব পৰা কোনো গভীৰ অন্তৰ্দৃষ্টিসম্পন্ন, প্ৰজ্ঞাদীপ্ত বুদ্ধিজীৱী আমি দেখা নাপাওঁ।

তথাপি যোৱা কেইটামান বছৰত ড০ নবেন কলিতাই কৰা নগাঁৱৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যৰ বিশদ আৰু কষ্টকৰ অনুসন্ধান আৰু ড০ যোগেন্দ্ৰ নাৰায়ণ ভূঞাই কৰা ঊনবিংশ শতিকাৰ নগাঁৱৰ সমাজ-ইতিহাসৰ পৰিশ্ৰমসিদ্ধ আৰু তথ্যপূৰ্ণ আলোচনাই বুদ্ধিজীৱী সমাজত যথেষ্ট সমাদৰ লাভ কৰিছে। ভাৰতীয় ইতিহাসৰ কিছু গুৰুত্বপূৰ্ণ অধ্যায়, অসমৰ ইতিহাসৰ বিভিন্ন কৌতূহলোদ্দীপক সমল আদি সম্পৰ্কে ড০ ৰাজেন শইকীয়াই আগবঢ়োৱা সমালোচনাত্মক বিশ্লেষনে তেওঁৰ সজাগ চিন্তাৰ পৰিচয় বহন কৰিছে।

স্বাধীনোত্তৰ নগাঁৱৰ বৌদ্ধিক বিকাশৰ ইতিহাসত গৱেষনামূখী কাম-কাজৰ তুলনাত সাহিত্যৰ সৃষ্টিশীল আৰু সমালোচনাত্মক দিশটো কিছু দুৰ্বল। তাৰ মাজতেই অসমীয়া সাহিত্যৰ বাবেই গুৰুত্বপূৰ্ণ মাত্ৰ দুই তিনিটামান প্ৰবন্ধতে অধ্যাপক প্ৰভাত বৰাই তেওঁৰ বিস্তৃত অধ্যয়ন আৰু প্ৰখৰ বিশ্লেষণমূলক অন্তৰ্দৃষ্টিৰ প্ৰমাণ অটুট ৰাখিছে। সৃষ্টিশীল ৰচনাৰ ক্ষেত্ৰত কেৰাজনো ঔপন্যাসিক, নাট্যকাৰ, গল্পকাৰ আৰু কবিয়ে নিষ্ঠা আৰু আন্তৰিক প্ৰেৰণাৰে নিজৰ অৰিহণা আগবঢ়াইছে। ইয়াৰ ভিতৰত তিনিজন তৰুণ চুটি গল্প লেখক, ক্ৰমে মনোজ কুমাৰ গোস্বামী, শিবানন্দ কাকতি আৰু অপূৰ্ব শইকীয়াৰ ৰচনাই এক নিৰূপিত বৌদ্ধিক মান স্পৰ্শ কৰিবলৈ সক্ষম হৈছে। কবিতাৰ ক্ষেত্ৰত অনুভৱ তুলসী, প্ৰয়াগ শইকীয়া আৰু প্ৰেমনাৰায়ণ নাথৰ ৰচনাতহে প্ৰতিশ্ৰুতিৰ ইংগিত পোৱা যায়।

শিল্পী প্ৰণব বৰুৱাই কঠোৰ পৰিশ্ৰমেৰে নগাঁৱৰ চিত্ৰ শিল্পৰ সাংগঠনিক ৰূপত এক ধৰণৰ বিকাশ সম্ভৱ কৰি তুলিছিল। কিন্তু নগাঁৱৰ সামাজিক-বৌদ্ধিক মানসিকতাত চিত্ৰ শিল্পই শিশু চিত্ৰাঙ্কণ অভ্যসন প্ৰক্ৰিয়াৰ ধাৰণাটিৰ বাহিৰে তাৰ মহিমান্বিত কলাৰূপ পৰিগ্ৰহণ কৰিব নোৱাৰিলে। বিভিন্ন কাৰণে সি সম্ভৱো নাছিল। শ্ৰীবৰুৱাৰ দুই-এক ছাত্ৰ বাহিৰলৈ গৈ কৃতকাৰ্যতা অৰ্জন কৰিলে যদিও নগাঁৱত তেওঁ প্ৰায় অকলশৰীয়া হৈ ৰ'ল। এনে অৱস্থাত জনমানসত চিত্ৰশিল্পৰ যোগেদি কোনোধৰণৰ বৌদ্ধিক জাগৰণ সম্ভৱ নহ'ল।

স্বাধীনোত্তৰ নগাঁৱত মোটামুটিভাবে এই ধৰণেই এক বৌদ্ধিক পৰিমণ্ডলৰ সৃষ্টি আৰু বিকাশ হৈছিল। কোনো কাল বা অৱস্থাতে ই বিশেষ সুখকৰ বা স্বস্তিজনক বুলি কব নোৱাৰি। আজিৰ পৰিবেশ অধিকতৰ দুৰ্দশাগ্ৰস্ত। নগাঁও তথা সমগ্ৰ অসমতে আজি বিভিন্ন বিপৰীতমুখী শক্তিয়ে সমাজৰ কল্যান আৰু শুভ বুদ্ধিৰ বিৰুদ্ধে কাম কৰিছে। সকলো পক্ষই প্ৰতিশ্ৰুত স্বৰ্গভূমি আনিবলৈ মানৱতাৰ বধ্যভূমি তৈয়াৰ কৰিছে। এই পৰিবেশত মানৱীয় মহত্ব সাধনাৰ প্ৰশ্ন অবান্তৰ। কেৱল প্ৰাৰ্থনা কৰিব পাৰি আকৌ এবাৰ মানুহৰ শুভ বুদ্ধি উদয় হওক, মানুহৰ বৌদ্ধিক জাগৰণে ক্ৰোধ, আক্ৰোশ আৰু আবেগৰ ধোঁৱাময় বাট মুকলি কৰক। নগাঁও তথা অসমৰ প্ৰতিজন বুদ্ধিজীৱী, সচেতন নাগৰিক এই জাগৰণৰ প্ৰয়াসত সহযোগী হওক। ❒

স্বৰাজোত্তৰ নগাঁৱত বামপন্থী চিন্তাধাৰাৰ বিকাশ

ফনী বৰা

স্বৰাজোত্তৰ ভাৰতবৰ্ষৰ নগাঁও জিলাত বামপন্থী চিন্তাধাৰাৰ বিকাশ আৰু বামপন্থী আন্দোলনৰ সম্পৰ্কে ক'বলৈ গ'লে স্বাধীনতা সংগ্ৰামৰ সময়ৰ বামপন্থী সকলৰ ভূমিকাৰ কথা উল্লেখ নকৰাকৈ নোৱাৰি। কাৰণ বামপন্থী আন্দোলন স্বাধীনতা সংগ্ৰামৰ পৰাই জন্ম লাভ কৰিছিল আৰু বামপন্থী সকলে স্বাধীন ভাৰতবৰ্ষক সমাজতান্ত্ৰিক ভাৰত ৰূপে গঢ় দিয়াৰ চেষ্টাৰ যুদ্ধত আত্মনিয়োগ কৰিছিল। গতিকেই বামপন্থী সকলৰ কাৰণে স্বাধীনতাৰ আগৰছোৱাৰ সংগ্ৰামৰ লগত স্বাধীনোত্তৰ কালৰ বামপন্থী আন্দোলন অবিচ্ছেদ্য।

আজি একবিংশ শতিকাৰ দুৱাৰদলিত ঠিয় হৈ আমি স্বাধীনতা সংগ্ৰামী আৰু সমাজ প্ৰগতিৰ আশা আকাংক্ষাৰ দ্বাৰা আকৃষ্ট সকলোৱেই স্বাধীনতাৰ স্বৰ্ণ জয়ন্তী উদযাপন কৰিছো। আমি বাল্যকালৰে পৰা ইংৰাজ সাম্ৰাজ্যবাদৰ হাতৰ পৰা দেশ মাতৃক মুক্ত কৰাৰ কাৰণে গান্ধী, নেহৰু, আজাদ আদিৰ পৰা নগাঁৱৰ স্বাধীনতা যোদ্ধা হলধৰ ভূঞা, মহিচন্দ্ৰ বৰা, পূৰ্ণ শৰ্মা, মতিৰাম বৰা আদি কংগ্ৰেছ নেতা সকলৰ 'ইংৰাজ ভাৰত এৰি গুচি যোৱা', 'জয় স্বাধীন ভাৰতৰ জয়' আদি ধ্বনিৰ দ্বাৰা প্ৰভাৱিত হৈছিলোঁ। বিশেষকৈ আমাৰ সম্পৰ্কীয় হলধৰ ভূঞা, কামপুৰ পটীয়াপামৰ তুনিৰাম বৰুৱা, জাগিয়ালৰ হিতৰাম গান্ধী (বৰা), ধাঁহীৰ বসু বৰঠাকুৰ আদিৰ সংস্পৰ্শলৈ আহি ৩২,৩৩ চনৰ অসহযোগ আন্দোলনৰ ভলন্টিয়াৰ হোৱাৰ কথা মনত পৰে।

আমি ছাত্ৰ অৱস্থাতেই পঞ্জাৱৰ বীৰ ভগত সিং, চন্দ্ৰ শেখৰ আজাদ, বংগৰ অনন্ত সিং, গণেশ ঘোষ, অম্বিকা চক্ৰৱৰ্ত্তী আদিৰ দ্বাৰা ইংৰাজৰ বিৰুদ্ধে পৰিচালিত সশস্ত্ৰ সংগ্ৰামৰ দ্বাৰা স্বাধীনতাৰ আন্দোলন চলাৰ কথা গম পাইছিলোঁ আৰু তাৰ পৰা প্ৰেৰণা লাভ কৰিছিলোঁ। বিশেষকৈ ৰুচ দেশত বলছেভিক বিপ্লৱৰ দ্বাৰা জাৰ সাম্ৰাজ্যৰ পতন ঘটাই ৰুচ দেশৰ বলছেভিক কমিউনিষ্ট নেতা লেনিনৰ দ্বাৰা শোষণহীন সমাজতান্ত্ৰিক সমাজ গঠনৰ কথা শুনি আমি আকৰ্ষিত হৈছিলোঁ আৰু শোষণহীন সাম্যৰ স্বাধীন ভাৰত গঢ়াৰ সপোন ৰচনা কৰিছিলোঁ। তেতিয়া নগাঁও তথা অসমৰ বামপন্থী আন্দোলন সংগঠিত ৰূপত প্ৰতিষ্ঠা লাভ কৰা নাছিল। ত্ৰিছৰ দশকৰ শেষৰ পিনে বিশেষকৈ অসমৰ ছাত্ৰ সকলৰ মাজত কমিউনিষ্ট, ছচিয়েলিষ্ট, ফৰৱাৰ্ড ব্লক আদি বামপন্থী চিন্তাধাৰাত অনুপ্ৰাণিত হোৱা ছাত্ৰ দেখা গৈছিল।

দেৱকান্ত বৰুৱা, যদু শইকীয়া, হৰেশ্বৰ গোস্বামী, গৌৰীশংকৰ ভট্টাচাৰ্য, লক্ষীপ্ৰসাদ গোস্বামী, জগন্নাথ ভট্টাচাৰ্য আদি কেইজনমান ছাত্ৰৱস্থাতেই ১৯৪২ ৰ আন্দোলনৰ আগতেই

অসমৰ বাহিৰত কমিউনিষ্ট ছচিয়েলিষ্ট ভাবধাৰাত দীক্ষিত হৈছিল আৰু ছাত্ৰ সকলৰ মাজত সমাজতন্ত্ৰৰ আদৰ্শ প্ৰচাৰৰ চেষ্টা কৰিছিল। নগাঁৱৰ পৰা ৰূপৰাম সুত, জীৱন গোস্বামী, বিশ্ব বৰুৱা আৰু এই লিখকো ছাত্ৰ ফেডাৰেচনৰ কৰ্মী হিচাবে বামপন্থী ভাবধাৰাত প্ৰভাৱিত হৈছিল। আৱাহন, জয়ন্তী, বাঁহী আদি কাকতত ৰুচ বিপ্লৱৰ সম্পৰ্কে লিখা প্ৰবন্ধবাজিয়ে আমাৰ মনত বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল। গতিকে হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে স্বাধীনতা সংগ্ৰামত প্ৰাণ দিবলৈও কুণ্ঠাবোধ নকৰি আগুৱাই গৈছিল আৰু আমাৰ কাৰণে স্বাধীনতাৰ অৰ্থ কেৱল ইংৰাজক খেদি ভাৰতীয় মানুহৰ হাতত দেশৰ ৰাজত্ব অৰ্পণ কৰাতে সীমাবদ্ধ থকাৰ কথা ভবা নাছিলোঁ। আমি ভাবিছিলোঁ ইংৰাজক বহিষ্কাৰ কৰি দেশ স্বাধীন কৰাৰ লগতে স্বাধীন ভাৰতৰ মুষ্টিমেয় দেশীয় পুঁজিপতি গোষ্ঠীৰ শোষণৰ অন্ত পেলোৱা হ'ব আৰু মুষ্টিমেয় ৰজা মহাৰজাৰ শোষণবো অন্ত কৰা হ'ব। দেশৰ শতকৰা ৮০।৯০ ভাগ কৃষক, মজদুৰ, মধ্যবিত্তৰ শোষণহীন সাম্যৰ দেশ আৰু সমাজ গঠন কৰা হ'ব।

গান্ধীৰ দৰিদ্ৰনাৰায়ণৰ সেৱা আৰু নেহৰুৰ বৈজ্ঞানিক সমাজতন্ত্ৰৰ প্ৰতি সমৰ্থনৰ কথাই দেশৰ কৃষক মজদুৰ ছাত্ৰ-যুৱক সকলৰ মনত স্বাধীন ভাৰতক এখন শোষণহীন সাম্যৰ সমাজলৈ ৰূপান্তৰ কৰাৰ সংগ্ৰামক দেশপ্ৰেমিক স্বতন্ত্ৰতাৰ সংগ্ৰামৰ ৰূপত প্ৰতিফলিত হৈছিল।

ভাৰতৰ বিভিন্ন ঠাইত হোৱা সন্ত্ৰাসবাদী আন্দোলন (ভগত সিং, ৰাজগুৰু, চন্দ্ৰ শেখৰ আজাদৰ ৰিপাব্লিকান পাৰ্টি, বঙ্গৰ অনুশীলন দলবোৰ আৰু অনন্ত সিং, অম্বিকা চক্ৰৱৰ্ত্তী, কল্পনা দত্ত (যোশী) চিটাগংগ অস্ত্ৰাগাৰ লুণ্ঠন আদি সশস্ত্ৰ সন্ত্ৰাসবাদী ইংৰাজ বিৰোধী সংগ্ৰামবোৰে দেশৰ স্বাধীনতাৰ কাৰণে উত্ৰাৱল ছাত্ৰ-যুৱক মুক্তিযোদ্ধা সকলক উদ্বুদ্ধ কৰিছিল। ৰাছিয়াৰ বিপ্লৱ আৰু তাৰ প্ৰতি নেতা সকলৰ সমৰ্থনসূচক বক্তব্যই আমাৰ ছাত্ৰ যুৱক কৃষক মজদুৰ সকলৰ মনত বামপন্থী সমাজ বিপ্লৱৰ চিন্তাধাৰাই বাৰুকৈয়ে প্ৰভাব বিস্তাৰ কৰিছিল আৰু নগাঁৱত ছাত্ৰ যুৱক সকলো প্ৰভাৱিত হৈছিলোঁ।

সুভাষ চন্দ্ৰ বসু দেশৰ বাহিৰত গৈ আজাদ হিন্দ ফৌজ গঠন, তাৰো আগতে ফৰৱাৰ্ড ব্লক নাম দি কংগ্ৰেছৰে এটা অংগী উপদল গঠন, কংগ্ৰেছৰ ভিতৰতে আচাৰ্য নৰেন্দ্ৰ দেৱ, জয় প্ৰকাশ নাৰায়ণ আদিৰ কংগ্ৰেছ সমাজতান্ত্ৰিক উপদল গঠন আৰু এচ, এ, ডাঙ্গে, মোজাফৰ আহমেদ, পি চি যোশী, অজয় ঘোষ, নাম্বুদিৰিপাদ আদিৰ গোপন কমিউনিষ্ট দল গঠন কৰি কংগ্ৰেছৰ ভিতৰতে থাকি স্বাধীনতা সংগ্ৰামৰ অভ্যন্তৰত এক বামপন্থী সংগ্ৰামী ৰূপ দিছিল। এম, এন, ৰয়ৰ ১৯২১ চনত কমিউনিষ্ট আন্তৰ্জাতিকত ভাৰতৰ প্ৰতিনিধি হিচাবে অন্তৰ্ভুক্তি, জাৰ্মানীৰ পৰা উভতি আহি সৌমেন্দ্ৰ নাথ ঠাকুৰৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টি গঠন আদিয়ে সংগ্ৰামী ভাৰতৰ অংশ বিশেষক প্ৰভাবিত কৰিছিল।

মুঠতে ক'বলৈ গ'লে ভাৰতৰ স্বাধীনতা সংগ্ৰামত বামপন্থী ধাৰাটো আৰম্ভণিৰে পৰা অবিচ্ছেদ্য অঙ্গ হৈ পৰিছিল। আজি যি সকলে স্বাধীনতা সংগ্ৰামত বামপন্থী ধাৰাটো অস্বীকাৰ কৰিব খোজে তেওঁলোক স্বাধীনতা সংগ্ৰামৰ ইতিহাস বিকৃত কৰাৰ পক্ষপাতহুই।

আমি ছাত্ৰ সন্মিলনৰ অধিবেশনত কংগ্ৰেছ ছচিয়েলিষ্ট, কমিউনিষ্ট আৰু নিৰ্দলীয় ছাত্ৰ-

ছাত্ৰী সকলে মিলিত কণ্ঠে ধ্বনি দি শোভাযাত্ৰা কৰাৰ কথা মনত পৰে। তেজপুৰত বহু অসম ছাত্ৰ সন্মিলনত বিজয় ভাগৱতী, ৰমেশ শৰ্মা, পুষ্পলতা শইকীয়া (দাস), বিষ্ণু ৰভা, বিশ্বদেৱ শৰ্মা, দধি মহন্ত, ৰূপৰাম সুঁত, জীৱন গোস্বামী, স্বৰ্ণলতা মহন্ত, গৌৰীশঙ্কৰ ভট্টাচাৰ্য, এই নিবন্ধ লেখক আদি সকলো ভাবধাৰাৰ ছাত্ৰ-ছাত্ৰীয়ে মিলি "ইংৰাজ সাম্ৰাজ্যবাদ ধ্বংস হওক," বিশ্বযুদ্ধত এটা পইছা, এটা মানুহ দিও সহায় নকৰিব (Not a man and not a pie to the imperialist war) ধ্বনি দিয়া হৈছিল।

এইয়া ১৯৪০-৪১ চনৰ কথা। ১৯৪২ চনৰ আন্দোলনত ইংৰাজ চৰকাৰে বন্দী কৰি ৰখা কংগ্ৰেছ নেতা সকলৰ মুক্তি আৰু জাতীয় চৰকাৰ গঠনৰ দাবীলৈ সমগ্ৰ দেশৰ মানুহে "ইংৰাজ, ভাৰত ত্যাগ কৰা" "স্বাধীনতা আমাৰ জন্মস্বত্ব" ধ্বনি দি দেশ তোলপাৰ লগাইছিলোহঁক। তাৰ পিছত নেতাজী সুভাষ চন্দ্ৰ বসুৰ আজাদ হিন্দ ফৌজৰ বন্দী সকলৰ মুক্তিৰ আন্দোলন, বোম্বাইত নৌসেনা সকলৰ বিদ্ৰোহ আৰু নৌসেনা সকলে কংগ্ৰেছ, কমিউনিষ্ট আৰু মুছলিম লীগৰ পতাকা একেলগে তুলি আৰব সাগৰৰ বুকুত কঁপনি তোলোতেও বামপন্থী মধ্যপন্থী দেশপ্ৰেমিক সকলোৱেই একেলগে সংগ্ৰামত জপিয়াই পৰিছিল। সেই ঐক্যবদ্ধ সংগ্ৰামত কলিকতা, বোম্বাই, পাটনা আদি চহৰ ছাত্ৰ যুৱকৰ তেজেৰে ৰঞ্জিত হৈছিল।

সেই সময়ত পাটনাত পুলিচৰ বিদ্ৰোহ, তেলেঙ্গনাত কৃষক বিদ্ৰোহ, বঙ্গ আৰু কেৰালাৰ ঠায়ে ঠায়ে কৃষি শ্ৰমিকৰ জমিদাৰৰ বিৰুদ্ধে প্ৰজা বিদ্ৰোহ আৰু কাশ্মিৰ, হায়দাৰাবাদ, ট্ৰাভাংকুৰ আদি দেশীয় ৰাজ্যত প্ৰজা বিদ্ৰোহে ইংৰাজৰ গাদী কঁপাই তুলিছিল। মাত্ৰ কিছু কংগ্ৰেছ আৰু মুছলিম লীগৰ শীৰ্ষ নেতাই এই বিদ্ৰোহৰ দাবানল দেখি ইংৰাজৰ দৰেই ভয় খাইছিল, পুলিচ আৰু নৌ-সেনা সকলক আত্মসমৰ্পন কৰিবলৈ উপদেশ দিছিল। ইয়াৰ উদ্দেশ্য আছিল আপোচ মীমাংসাৰ দ্বাৰা স্বাধীনতা লাভ কৰাৰ অভিসন্ধি। সকলো বামপন্থী শক্তিয়েই সেই সমূহ বিদ্ৰোহৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াইছিল আৰু গান্ধী, জিন্নাৰ বক্তব্যৰ প্ৰতি অসন্মতি প্ৰকাশ কৰিছিল। বামপন্থী সকলে বিশ্বাস কৰিছিল যে নৌ বিদ্ৰোহ, আজাদ হিন্দ ফৌজৰ মুক্তি আন্দোলন আৰু কৃষক প্ৰজা বিদ্ৰোহৰ মাজেদি হিন্দু, মুছলিম, খৃষ্টান সকলো দেশবাসীৰ সংগ্ৰামী ঐক্যই ইংৰাজ সাম্ৰাজ্যবাদক ভাৰত এৰি গুচি যাবলৈ বাধ্য কৰাৰ বাস্তৱ পৰিস্থিতিৰ সৃষ্টি কৰিছিল। প্ৰকৃততে কংগ্ৰেছ আৰু মুছলিম লীগৰ সোঁপন্থী আপোচকামী নেতৃত্বই সংগ্ৰামৰ বিপৰীতে আপোচকামী আলোচনাৰ পথ নোলোৱাহেতেন ভাৰত-পাকিস্তান বিভক্ত নোহোৱাকৈয়ে এখন ঐক্যবদ্ধ ভাৰতবৰ্ষই হয়তো পূৰ্ণ স্বাধীনতা সাব্যস্ত কৰিব পৰিলেহেতেন। ধনী শ্ৰেণীৰ শোষণৰ পৰিবৰ্তে সেইখন স্বাধীন ভাৰতত শ্ৰমিক কৃষক মধ্যবিত্তই শাসনযন্ত্ৰত অংশ সাব্যস্ত কৰিব পাৰিলেহেতেন। কিন্তু মুছলীম লীগৰ সোঁপন্থী নেতৃত্বই তেনে হোৱাটো বিচৰা নাছিল, গতিকেই হিন্দুস্থান পাকিস্থানত ভাগ কৰি ইংৰাজে ক্ষমতা হস্তান্তৰ কৰিলে আৰু লগে লগে দেশত বামপন্থী সোঁতক বাধা দিবলৈ সমৰ্থ হ'ল। স্বাভাৱিকতেই বামপন্থী সকলতকৈ সোঁপন্থী আৰু মধ্যমপন্থী সকলৰ শক্তি বেছি আছিল, বামপন্থী সকল ঐক্যবদ্ধ নাছিল কাৰণে কমিউনিষ্ট ছচিয়েলিষ্ট পন্থী সকলক কংগ্ৰেছৰ মূল সুঁতিৰ পৰা আনুষ্ঠানিক ভাবেও বাদ দিবলৈ সোঁপন্থী সকল সমৰ্থ হৈছিল। ১৯৪৭

চনত ক্ষমতা হস্তান্তৰৰ পাছত দেশ গঠনৰ নীতি আৰু কাৰ্যসূচী লৈ বামপন্থী সোঁপন্থীৰ মাজত ব্যৱধান সৃষ্টি হ'বলৈ ধৰিলে।

□□□

১৯৪৭ চনৰ স্বাধীনতা লাভৰ পাছতেই জনগণৰ মাজত প্ৰশ্ন উঠিল স্বাধীন ভাৰতৰ অৰ্থনীতি আৰু সমাজনীতি ধনতান্ত্ৰিক ইংলণ্ড, আমেৰিকা, ফ্ৰান্স আদি দেশৰ সাঁচত গঢ় দিয়া হ'বনে সমাজতান্ত্ৰিক ছোভিয়েত ৰাচিয়াৰ দৰে পুঁজিবাদী আৰু সামন্তবাদী সকলক শেষ কৰি সমাজতান্ত্ৰিক সমাজৰ ভেঁটি ৰচনা কৰা হ'ব ? স্বাভাৱিকতেই কমিউনিষ্ট আৰু প্ৰগতিশীল চিন্তাৰ দ্বাৰা প্ৰভাৱান্বিত হোৱা লোক সকলৰ লগত ৰক্ষণশীল পুঁজিবাদী সামন্তবাদী মনোভাৱৰ লোক সকলৰ লগত মতবিৰোধ হ'ল। কংগ্ৰেছেই পুঁজিবাদী আৰু ৰক্ষণশীল শক্তিবোৰক কম বেচি পৰিমানে প্ৰশ্ৰয় দি সমাজতন্ত্ৰৰ বাবে সংগ্ৰাম কৰা কমিউনিষ্ট সকলক দমন কৰাৰ কাৰ্য আৰম্ভ কৰিলে স্বাধীনতা লাভৰ পিছৰ বছৰবোৰত। জয়প্ৰকাশ নাৰায়ণ, ৰাম মনোহৰ লোহিয়াৰ সমাজবাদী দলে কংগ্ৰেছ আৰু কমিউনিষ্ট দুয়োৰে বিৰোধিতা কৰি তৃতীয় স্থানত ঠিয় হ'ল। কিন্তু নতুনকৈ ক্ষমতা লাভ কৰা কংগ্ৰেছে প্ৰধানতঃ কমিউনিষ্ট পাৰ্টিৰ ওপৰত দমন নীতি চলাই কমিউনিষ্ট সকলক বেআইনী ঘোষণা কৰিলে আৰু কম পৰিমানে চছিয়েলিষ্ট সকলৰো ওপৰত দমন নীতি চলালে। তেতিয়া ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়েই আছিল একমাত্ৰ কমিউনিষ্ট পাৰ্টি। পাছত ১৯৬৪ চনত চি পি আই বিভক্ত হৈ চি পি আই (এম) একাংশই গঠন কৰিলে আৰু তাৰ পিছত চি পি আই (এম) বিভক্ত কৰি একাংশই চি পি আই (এম, এল) (নক্সালাইত) লিবাৰেছন গঠন কৰিলে। ট্ৰটস্কীবাদী এটা গোট, কৃষক ৰনুৱা পঞ্চায়ত নাম দি আৰু পাছত বিপ্লৱী কমিউনিষ্ট পাৰ্টি নামেৰে এটা দলে অসমত প্ৰভাৱ বিস্তাৰ কৰিছিল। তেওঁলোকো স্বৰাজোত্তৰ কালৰ কংগ্ৰেছ চৰকাৰৰ দমন নীতিৰ চিকাৰ হৈছিল। ১৯৪৩ চনত অসমত ঐক্যবদ্ধ ভাবে ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ শাখা গঠন কৰা হৈছিল। কমিউনিষ্ট পাৰ্টি ভাৰতৰ মূল বামপন্থী আন্দোলন হিচাপে কৃষক, শ্ৰমিক, ছাত্ৰ, যুৱক সংগঠন আৰু গণনাট্য সংঘ (Indian People's Theatre Association) (Progressive Writers Association) প্ৰগতিশীল লেখক সংঘ আদি গণ সংগঠনৰ জৰিয়তে সমাজৰ সকলো অংশ মানুহৰ মাজত প্ৰধানকৈ বামপন্থী হিচাবে পৰিগণিত হৈছিল। স্বাধীনতাৰ পাছত ট্ৰটস্কীবাদী আৰ, চি, পি, আই দলেও ব্যাপক জন সমৰ্থন সহ চি পি আইত যোগ দিয়াত আসমত চি পি আই দল প্ৰধান বামপন্থী দলত পৰিণত হৈছিল।

নগাঁও জিলাতো তাৰ ব্যতিক্ৰম হৈ নাথাকিল। ১৯৪২ চনৰ আন্দোলনত লাগি থাকোতেই আন জিলাৰ কমিউনিষ্ট নেতা কেইজনমানে এই লেখকক লগ ধৰিছিল। তেতিয়া এই লেখক নগাঁও চৰকাৰী হাইস্কুলৰ পৰা প্ৰবেশিকা দি ছাত্ৰ ধৰ্মঘটৰ নেতৃত্ব দি ফুৰিছিলোঁ। জাতীয় চৰকাৰ গঠন আৰু জাতীয় নেতা সকলৰ মুক্তিৰ দাবী তুলিছিলো। সতীৰ্থ বহুতকে জেললৈ নিলে। তাৰ ভিতৰত ৰূপৰাম সুত, লীলা বৰা, নাৰায়ণ বৰা, দয়ানন্দ বৰুৱা আদি। নগাঁও জিলা ছাত্ৰ ফেদাৰেচনৰ শীৰ্ষ নেতৃত্বত তেতিয়া এই লেখক, সুচেন ভূঞা, ডাঃ মনিচ ভূঞা আৰু প্ৰয়াত

ডাঃ পদ্ম ভূঞা। ইয়াৰ পৰাই পাছত নগাঁও জিলাত কমিউনিষ্ট পাৰ্টি গঠনৰ অংকুৰ প্ৰতিষ্ঠা হ'ল।

নগাঁও জিলাত কমিউনিষ্ট ছচিয়েলিষ্ট আৰু লামডিং আদিৰ ঠায়ে ঠায়ে ফৰৱাৰ্ড ব্লক, বলছেভিক পাৰ্টি আৰু আৰ চি পি আই আদি দলবোৰ লামডিং চাপৰমুখৰ ৰেল শ্ৰমিকৰ মাজত আৰু শগুনবাহী, কন্দলি আদিত চাহশ্ৰমিকৰ মাজত সংগঠনৰ কাম কাজ আৰু তেওঁলোকৰ সমস্যা সমাধানৰ কাৰণে আত্ম নিয়োগ কৰিছিল। নগাঁৱৰ কৃষকৰ মাজত "নাঙল যাৰ মাটি তাৰ"- চাহবাগানৰ ৰিজাৰ্ভ বেদখলী মাটি, জমিদাৰৰ মাটি দুখীয়া কৃষক আৰু খেত মজুৰ সকলৰ মাজত ভগাই দাবী তোলা হৈছিল আৰু ঠায়ে ঠায়ে মাটি দখল কৰাৰ অভিযান চলোৱা হৈছিল। বন বিভাগৰ উদ্বৃত্ত মাটি, খেতিৰহে উপযুক্ত বুলি বিবেচিত বসবাসযোগ্য মাটি খেতিয়ক সকলক ভগাই দিয়াৰ দাবী তোলা হৈছিল আৰু ঠায়ে ঠায়ে দখলো কৰা হৈছিল।

এইদৰেই উৎপাদন বৃদ্ধি, নিবনুৱা সমস্যাৰ সমাধান আৰু জীৱন ধাৰণৰ উন্নত ব্যৱস্থা কৰাত বামপন্থী সকলৰ অহৰহ প্ৰচেষ্টাৰ ফলত পুঁজিবাদী চৰকাৰখনকো দুখীয়াৰ হকে কিছুমান আইন আৰু তেওঁলোকৰ জীৱনত কিছু সকাহ দিবলৈ বাধ্য কৰোৱা হৈছিল। এই ধৰণেৰে নগাঁৱত বামপন্থী ৰাজনীতিয়ে জিলাখনৰ সংখ্যাধিক্য শ্ৰমিক, দুখীয়া মজলীয়া কৃষকক দেশখনৰ শ্ৰমিক কৃষকৰ লগতে আত্ম মৰ্যাদা আৰু স্বাধীন জীৱনৰ সোৱাদ লাভ তেওঁলোকৰ জন্মস্বত্ব বুলি সাব্যস্ত কৰিলে।

লগে লগে এইদৰেই বামপন্থী আন্দোলনো শক্তিশালী হ'ল।

পঞ্চাশৰ দশকত নগাঁও জিলাত ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়েই প্ৰধান বামপন্থী শক্তি হিচাপে পৰিগণিত হৈছিল। এই লেখক কেহোৰাম হাজৰিকা আৰু মুনীন মহন্ত কমিউনিষ্ট বিধায়ক হিচাপে দুবাৰকৈ ক্ৰমে নগাঁও বঢ়মপুৰ আৰু মৰিগাঁও সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্বাচিত হয়। বীৰেশ মিশ্ৰ লামডিং সমষ্টিৰ পৰা চি পি এম প্ৰাৰ্থী হিচাবে নিৰ্বাচিত হৈছিল। প্ৰজা ছচিয়েলিষ্ট পাৰ্টিৰ লক্ষ্মী প্ৰসাদ গোস্বামী লাহৰিঘাট সমষ্টি, ভবেন শইকীয়া চামগুৰি সমষ্টি আৰু অতুল গোস্বমী কলিয়াবৰ সমষ্টিৰ পৰা এবাৰকৈ আৰু বিপ্লবী কমিউনিষ্ট পাৰ্টিৰ চামচুল হুদা খিং সমষ্টিৰ পৰা আৰু বানেশ্বৰ শইকীয়া বটদ্ৰৱা সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্বাচিত হৈছিল। ইয়াৰ পৰাই প্ৰমাণ হয় যে তেতিয়াৰ নগাঁও জিলাত ব্যাপক ভাবে বামপন্থী সকলৰ প্ৰভাব বিয়পি পৰিছিল। তেতিয়া কংগ্ৰেছেই আছিল নগাঁৱত প্ৰধান ৰাজনৈতিক শক্তি। আৰু বামপন্থী দল বোৰে দ্বিতীয় স্থান লাভ কৰিবলৈ সমৰ্থ হৈছিল। কিন্তু বামপন্থী দল কেইটাৰ মাজত ঐক্যবদ্ধ সংগ্ৰামৰ পৰিবৰ্ত্তে তীব্ৰ বিৰোধহে দেখিবলৈ পোৱা গৈছিল। ১৯৫৯ চনত মতিৰাম বৰাৰ মৃত্যুত দেবকান্ত বৰুৱাক হৰুৱাই এই লেখক বিধায়ক হৈছিল কিন্তু ১৯৬২ চনত প্ৰজা ছচিয়েলিষ্ট দলে হৰেশ্বৰ গোস্বামীক আৰু আৰ চি পি আই দলে অমু বৰাক প্ৰাৰ্থী দিয়াৰ ফলত কৃষক মজদুৰ মধ্যবিত্ত শ্ৰেণীৰ বামপন্থী ধাৰাৰ মানুহক বিভক্ত কৰিলে ফলত কংগ্ৰেছ প্ৰাৰ্থী পূৰ্বৰ ছচিয়েলিষ্ট ৰূপৰাম সুত নিৰ্বাচিত হ'ল। ১৯৬৭ চনৰ সাধাৰণ নিৰ্বাচনত কমিউনিষ্ট প্ৰাৰ্থী এই লেখকে কংগ্ৰেছৰ প্ৰাৰ্থী ৰূপ সুতক পৰাস্ত কৰিলে। কিন্তু বামপন্থী দলবোৰৰ ঐক্যবদ্ধ সংগ্ৰামৰ পৰিবৰ্ত্তে পৰস্পৰ বিৰোধী স্থিতিৰ কাৰণে বামপন্থী শক্তি ক্ৰমান্বয়ে হ্ৰাস পাবলৈ ধৰিলে আৰু বিভিন্ন ৰূপত

বুৰ্জোৱা, পেটিবুৰ্জোৱা, কংগ্ৰেছ, আঞ্চলিকতাবাদী আৰু শেষত সাম্প্ৰদায়িক দল আৰু শক্তিবোৰে গা কৰি উঠিবলৈ ধৰিলে।

এই সময়তেই পূৰ্বৰ বামপন্থী হিচাপে পৰিচিত দেৱকান্ত বৰুৱা, লক্ষ্মীপ্ৰসাদ গোস্বামী, ৰূপৰাম সুত আদি নেতাবোৰে ক্ৰমান্বয়ে বামপন্থী পাৰ্টি এৰি কংগ্ৰেছত যোগদান কৰিলে। বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ চাম্চুল হুদায়ো পাৰ্টি এৰি প্ৰথমে ধাৰ্মিক আৰু পিছত কংগ্ৰেছত যোগ দিলে। এই ধৰণৰ ঘটনা প্ৰবাহে নগাঁৱত বামপন্থী আন্দোলন দুৰ্বল হোৱাত ইন্ধন যোগালে। তাৰোপৰি নগাঁৱত স্বাধীনোত্তৰ কালত বাঢ়ি অহা কমিউনিষ্ট আন্দোলনেই প্ৰধান বামপন্থী শক্তি হৈ উঠিছিল যদিও ভাৰতৰ কমিউনিষ্ট পাৰ্টি বিভক্ত হৈ এদলে চি, পি, এম গঠন কৰি গৃহকন্দলৰ সৃষ্টি কৰাত সাৰ্বগ্ৰিক ভাবে বামপন্থী আন্দোলনৰ শক্তি হ্ৰাস হ'ল আৰু শ্ৰমিক কৃষক মধ্যবিত্ত শ্ৰেণীৰ মাজত বিভ্ৰান্তি সৃষ্টি কৰিলে। ফলত শক্তিশালী হৈ অহা বামপন্থী কমিউনিষ্ট আন্দোলনৰ প্ৰভাব প্ৰতিপত্তি বৃদ্ধি হোৱাত হেঙাৰ সৃষ্টি হ'ল।

□□□

নগাঁৱত মধ্যমপন্থী কংগ্ৰেছ আৰু বামপন্থী কংগ্ৰেছ সকলৰ ভিতৰত দেৱকান্ত বৰুৱা বুৰ্জোৱা কংগ্ৰেছলৈ উভতি গ'ল আৰু নগাঁৱৰ আটাইতকৈ পুৰণি কংগ্ৰেছ সেৱক হলধৰ ভূঞা আৰু তেওঁৰ সহযোগী বহুত কংগ্ৰেছৰ পৰা ওলাই আহি বামপন্থী সকলৰ লগত মিলি কৃষক মজদুৰ সকলৰ হকে কামত উদ্যোগ ল'বলৈ ধৰিলে। কিন্তু লক্ষ্মীপ্ৰসাদ গোস্বামী ৰূপৰাম সুত কংগ্ৰেছলৈ উভতি গ'ল।

প্ৰজা হিচাপে পৰিচিত আৰু আৰ চি পি আইৰ ক্ষুদ্ৰ অংশ যি থাকিল তেওঁলোকেই কমিউনিষ্ট পাৰ্টিৰ লগতে বামপন্থী চিন্তাধাৰাৰ নগাঁৱত বাহক হৈ ৰ'ল। কৃষকৰ শ্ৰেণী আন্দোলন মাটিহীন কৃষকক মাটি দিয়া খেতমজুৰৰ উচিত মজুৰী দিয়া আদিৰ দাবীত যি সংগ্ৰাম সংগঠিত হৈছিল সেয়া ইতিমধ্যে প্ৰধান বামপন্থী হিচাবে পৰিগণিত হোৱা কমিউনিষ্ট পাৰ্টিয়েই নেতৃত্ব কৰিছিল।

কিন্তু কমিউনিষ্ট পাৰ্টি বিভাজনৰ ফলত পাৰ্টিৰ মতাদৰ্শৰ শত্ৰুবোৰৰ কমিউনিষ্ট বিৰোধী প্ৰচাৰ কৰাত সহায় হ'ল আৰু জনসাধাৰণো বিভ্ৰান্ত হ'ল। ফলত নগাঁৱত বামপন্থী আন্দোলনৰ প্ৰচুৰ ক্ষতি হ'ল।

উল্লেখযোগ্য যে ১৯৪৩ চনৰ ২৬ জানুৱাৰীত গোলাঘাটত অসম প্ৰাদেশিক কমিউনিষ্ট সন্মিলন হয় তাতে আনুষ্ঠানিক ভাবে প্ৰাদেশিক সমিতি গঠন কৰা হয়। তাত যোগ দিয়া নগাঁৱৰ এই লেখকৰ অধিবেশনতেই নগাঁৱত ছাত্ৰ যুৱক লগ লগাই এটা জিলা সমিতি গঠন কৰা হয়। সেই দুপতীয়া সমিতিয়েই নগাঁৱত সৰ্বহাৰা বিপ্লৱৰ ধ্বনি দি প্ৰথম ছাত্ৰ সকলৰ মাজত আৰু লামডিং চাপৰমুখৰ ৰেল শ্ৰমিক আৰু ঠেকেৰাগুৰি হোজাই ধৰমতুল আদিত কৃষকৰ মাজত সংগঠন গঢ়ি তুলিছিল।

বামপন্থী জাতীয়তাবাদী শক্তি হিচাবে কমিউনিষ্ট হিচাপে পৰিচিত সকলে জাতীয় মুক্তি সংগ্ৰামত অংশ গ্ৰহণ কৰিছিল যদিও কমিউনিষ্ট সকল জাতীয় মুক্তি সংগ্ৰামৰ মাজেদিয়েই সৰ্বহাৰা বিপ্লৱীলৈ ৰূপান্তৰিত হয়। শ্ৰেণী সচেতন এই কমিউনিষ্ট শক্তি আৰু বামপন্থী জাতীয়তাবাদী শক্তি

লগ লাগি কংগ্ৰেছৰ নেতৃত্বত পৰিচালিত স্বাধীনতা সংগ্ৰামৰ ৰূপ সলনি কৰি স্বাধীনতা সংগ্ৰামলৈ কৃষক মজদুৰ শ্ৰেণীকো আকৰ্ষিত কৰিছিল।

১৯৭৯ চনৰ সদৌ অসম ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদ নেতৃত্বত চলা বিদেশী বিতাড়নৰ আন্দোলনত বিদেশী বহিষ্কাৰৰ মূল দাবীত কোনো দ্বিমত নাছিল যদিও কৌশলৰ প্ৰশ্নত আৰু আৰু সংগ্ৰাম পৰিষদৰ লগত বামপন্থী সকলৰ মতবিৰোধ হয়। তাৰে সুযোগ লৈ কমিউনিষ্ট বিৰোধী শক্তিবোৰে আন্দোলনটোক বামপন্থী বিৰোধী বিশেষকৈ প্ৰৱল কমিউনিষ্ট বিৰোধী অৱস্থানলৈ লৈ গ'ল। কমিউনিষ্ট সকলকে ধৰি বামপন্থী সকলক দেশদ্ৰোহী সজাই বামপন্থী আন্দোলনটোক জনমানসত হেয় প্ৰতিপন্ন কৰিলে।

এই আন্দোলনৰ পাছত বামপন্থী আন্দোলনৰ যথেষ্ট ক্ষতি হ'ল। সেই ক্ষতি পূৰণ কৰিবলৈ বামপন্থী সকল আজি স্বাধীনতাৰ সোণালী জয়ন্তীবৰ্ষলৈকে সমৰ্থ হ'ব পৰা নাই।

□□□

বৰ্ত্তমান কালছোৱাত সাম্প্ৰদায়িকতাবাদ, উগ্ৰজাতীয়তাবাদ আৰু জাতবৰ্ণৰ প্ৰভাৱে সমাজখন যি দৰে বিভক্ত কৰি শ্ৰমিক কৃষক মধ্যবিত্ত শ্ৰেণী সমূহৰ মাজতো শ্ৰেণী ঐক্য আৰু শ্ৰেণী সংগ্ৰামৰ বিপৰীতে বিচ্ছিন্নতাবাদৰ প্ৰভাৱে বামপন্থী আন্দোলন আৰু বামপন্থী শক্তিৰ বিকাশত প্ৰভূত বাধাৰ সৃষ্টি কৰিছে।

শ্ৰমিক, কৃষক মধ্যবিত্ত শ্ৰেণী সমূহৰ ঐক্য আৰু সংগ্ৰামৰ মাধ্যমৰে সমগ্ৰ দেশৰ সামূহিক বিকাশ সাধনৰ ভবিষ্যতে জাতি, উপজাতি আৰু জনগোষ্ঠীৰ সমান সুবিধা আৰু মৰ্যাদা প্ৰদানৰ সচেতন প্ৰচেষ্টাইহে দেশৰ ঐক্য আৰু সংহতি ৰক্ষাৰে প্ৰতিজন নাগৰিকৰ স্বাৰ্থ ৰক্ষা কৰিব পাৰি আৰু দেশৰ সামগ্ৰিক উন্নতি সাধনো সম্ভৱ। শোষণহীন সাম্যৰ সমাজ এখনৰ কাৰণে দেশৰ গতিপথ বামপন্থীমুখী কৰিব লাগিব আৰু তাকে কৰিবলৈ হ'লে বামপন্থী শক্তিবোৰে শ্ৰেণী সংগ্ৰাম আৰু জনসেৱাৰ মাধ্যমেৰে শোষিত শ্ৰেণী সমূহৰ চেতনা আৰু সংগ্ৰামৰ শক্তি বৃদ্ধি কৰিব পাৰিব লাগিব। কেৱল নিৰ্বাচনমুখী কাম কাজ আৰু ৰাজনীতিৰ দ্বাৰা সেই উদ্দেশ্য সাধনতো নহয়েই বৰঞ্চ বামপন্থী আন্দোলনৰ বিকাশো বন্ধ হ'ব।

নগাঁৱত বামপন্থী আন্দোলনৰ জন্মদানত অবিহণা যোগাওঁতা সকলৰ এজন হিচাপে আৰু ৭৫ বৰ্ষীয় এজন কৰ্মী হিচাপে, বামপন্থী আন্দোলনেই দেশৰ সুন্দৰ ভবিষ্যত ৰচনা কৰিব পাৰিব বুলি এতিয়াও বিশ্বাস কৰি আছোঁ আৰু সেই সপোনেই অদূৰ ভবিষ্যতত বাস্তৱ ৰূপ পাব বুলি আশা ৰাখিছো। □

অৰ্থনৈতিক বিৱৰ্ত্তনত নগাঁও জিলা

বানেশ্বৰ শইকীয়া

পটভূমি-

অসমৰ সোঁ-মাজত অৱস্থিত নগাঁও। ৰজা প্ৰতাপ সিংহৰ ৰাজত্ব কালত এই প্ৰাচীন উৰ্ব্বৰা ভূমিক ভোগ্য ভূমি বিচাৰে সজাবৰ কাৰণে মোমাই তামুলী বৰবৰুৱাক নিয়োগ কৰা হয়। মোমাই তামুলী বৰবৰুৱাই এই বিস্তীৰ্ণ সমতল ভূমিৰ বাসীন্দা সকলক সুপৰিকল্পিত ভাৱে বস-বাস কৰাৰ আঁচনি লৈ-গাঁওবোৰ পূৰ্ণগঠিত কৰে। জনামতে নটা অঞ্চলত ভাগ কৰি একো একোটা বসতি অঞ্চল গঢ়ি তোলা হয়। এইবোৰ সেই সময়ৰ প্ৰশাসনীয় অঞ্চল বা ভিত্তি হিচাবে ব্যৱহাৰ কৰা হয়। এই অঞ্চলবোৰ হ'ল- কলিয়াবৰ, চামধৰা, টিং, ৰহা, কাজলিমুখ আৰু জাগী। ইয়াৰ লগতে স্নায়ুকেন্দ্ৰ হিচাবে- কলং নৈৰ দুয়োপাৰে বসতি কৰা মানুহৰ শাৰী শাৰীকৈ গঢ়ি উঠা গাঁওবোৰ নতুনকৈ সজোৱা হয়- মোমাই তামুলী বৰবৰুৱাৰ তত্বাৱধানত।

মোমাই তামুলী বৰবৰুৱাই কলং- কপিলীৰ অৱবাহিকাৰ সমতল সাৰুৱা ভূমিৰ সমস্ত অঞ্চলত পৰিপাতিকৈ নতুন গাওঁবোৰ পাতিছিল বুলিয়েই বোধহয় এই গোটেই প্ৰাচীন ভূখণ্ডক নগাঁও নামেৰে অভিহিত হয়। বিভিন্ন সভ্যতা আৰু সংস্কৃতি কীৰ্ত্তি চিহ্ন সম্বলিত এই অঞ্চলটোক ইতিহাসৰ বিভিন্ন নামেৰে পৰিচিত আছিল। নগাঁও নামেৰে পৰিচিত হোৱাৰ সময়ৰপৰা ইয়াৰ ৰেহ ৰূপ আৰ্থ সামাজিক জীৱনৰ গতিধাৰা সলনি হ'বলৈ আৰম্ভ কৰে। ঘৰৰ ওচৰৰ সাৰুৱা ধাননি পথাৰখন, ওখ মাটিৰ তামোল- পাণ, নাৰিকলৰ সজোৱা বাৰীখন, বাৰীৰ ভিতৰত সীমাই সীমাই আম, কাঠাল, লেতেকু, পনিয়লৰ গছবোৰ তাৰ মাজে মাজে নানাবিধ কলৰ -ভীম, মনোহৰ, চেনিচম্পা, মালভোগ, পোৱাকলৰ জোপাবোৰে সুসজ্জিত বাৰীৰ সৈতে ঘৰৰ আগে আগে একোখন ফুলনি বাগিছাৰে বিভূষিত নৈ, বিল, পুখুৰীৰ অপৰ্য্যাপ্ত মাছেৰে সমৃদ্ধ আৰু গোহালিৰ গৰুৰে কৃষিৰ সম্ভাৰ পৰিপুষ্ট গাঁওবোৰ সুখে সন্তোষে জীৱন নিৰ্ব্বাহ কৰা মানুহৰ বসতিৰ কেন্দ্ৰ। বাৰী কপাহ, হাতে কটা সূতা শালত বোৱা কাপোৰ, বাৰীৰ এড়াগছৰ পাতৰে এড়ি পলু পুহি সূতা কাটি গৰম কাপোৰ হৈ তাৰেই আৱশ্যকীয় বস্ত্ৰ চাহিদা মিটাই, সৰল সাৱলীল জীৱন যাপনৰ সুবহল বসতিভূমি হিচাবে পৰিগণিত এই নগাঁও ভূ-খণ্ড।

নগাঁও জিলাৰ পৰিসৰ :

নগাঁও কলং কপিলী যমুনা সোনাইৰ অৱবাহিকা নানা সভ্যতাৰ ৰম্যভূমি। ইয়াৰ ৰাজনৈতিক পৰিসীমা সময়ৰ সোঁতত সলনি হৈছে। সাধাৰণ বাসিন্দাৰ ইয়াত ভূমিকা নগণ্য। আজিৰ পৰা ডেৰশ বছৰৰ আগৰ কথা। অসমত ইংৰাজৰ শাসন ব্যৱস্থা প্ৰৱৰ্ত্তন হৈছে। সেই সময়ত নগাঁও এখন প্ৰশাসনৰ জিলা হিচাবে নিৰ্দ্ধাৰণ কৰিলে। ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিনপাৰে উজনি

নামনি আৰু দক্ষিন-উত্তৰ অসমৰ সম মাজৰ এই নগাঁও জিলাৰ পৰিসীমা বান্ধিলে উত্তৰে ব্ৰহ্মপুত্ৰ নদী, পূবে ধনশিৰি দৈয়াং নদী, দক্ষিনে বৰাইল পৰ্ব্বত মালাৰ আধা অথাৎ জয়ন্তীয়া পাহাৰ আৰু পশ্চিমে তেতিয়াৰ ডিমৰীয়া দেশ আজিৰ কামৰূপ। মাটি কালি ৮৭৬৯ বৰ্গ মাইল। এতিয়াৰ জোখত ১৪০২০ বৰ্গ কিলোমিটাৰ। হাফলং, ডিমাপুৰ, কাজিৰঙা, জাগী, মায়ং, সেই সময়ৰ নগাঁও জিলাৰ ভিতৰত। ইয়াৰ মুঠ জনসংখ্যা, আঙ্গামী নগা বসতি অঞ্চলৰ এক লাখ লোক বাদে কেপ্তেইন বাট্‌লাৰ মতে ২৪১৩০০ জন আছিল ১৮৫৮ চন পৰ্য্যন্ত।

নগাঁও জিলাৰ অৰ্থনৈতিক পৰিস্থিতি :

নগাঁও জিলাৰ ১৯ শতিকাৰ অৰ্থনীতি কাৰ্য্যতঃ ইনচুলাৰ আছিল। পুৰণি সভ্যতাৰ এই অঞ্চলটো 'স্বয়ং সম্পূৰ্ণ সহজায়ত্ত কৃষি অৰ্থব্যৱস্থাৰ সুবহল ভূমি হিচাবেই স্থিতি আছিল। এই জিলাৰ মাজেদি হৈ গৈছে কলং সুঁতি। ইয়াৰ সৈতে মিলিছে কপিলী নৈ যাৰ লগত লগ লাগিছে যমুনা নৈৰ জলধাৰা। তাৰ বাহিৰেও আৰু ভালেকেইখন উপনৈয়ে জিলাখনৰ জল-প্ৰবাহৰ যোগান ধৰিছে।

স্বাভাৱিক প্ৰক্ৰিয়া হিচাবেই এই নদী বোৰৰ পাৰে পাৰেই মানুহে গাঁও পাতি বহিছিল। ফলত, মানুহৰ জীৱন-জীৱিকাত ইয়াৰ অসামান্য প্ৰভাৱ পৰিছিল। উনৈশ শতিকাৰ মাজ-ভাগত ইংৰাজ বিষয়া এ.জে. মফ্‌ট মিল্‌চ-পানী জাহাজেৰে (Steamer) কলঙেৰে উজাই আহি নগাঁও পাওঁতে দুই পাৰৰ মানুহৰ ঘন বসতিপূৰ্ণ গাঁওবোৰ দেখি তেওঁ তবধ মানে। মিল্‌চে বিপৰ্টত লিখিছে "The villages are situated on the banks and the scenery from the steamer, after the immense tracts of jungle I had seen unvaried by the right of a village, even most gratifying, it was of densely populated villages with good gardens and rich cultivation. There is perhaps no part of Assam more populous or prosperous. The crafts on the North bank are esefoed to inundation." ইয়াৰ মাটি বৰ খাৰুৱা আৰু বৰ উৎপাদনশীল। কলঙৰ দক্ষিন পূব পাৰৰ মাটি কলিয়াবৰ পুৰণিগুদাম, ডবকা, কামপুৰ, হোজাই অঞ্চলৰ মাটি আঠোলটীয়া(Clay) আৰু ইয়াৰ উত্তৰ পশ্চিম ফালৰ মাটি ব্ৰহ্মপুত্ৰ নদী বিধৌত চাপৰি ভূখণ্ড বালি অঁহিয়া আৰু কোমল।

তৎকালিন নগাঁও জিলাৰ প্ৰধান উৎপন্ন শস্য ধান, মাহ, সৰিয়হ, কুঁহিয়াৰ, কপাহ আৰু আফু। নানা বিধ শাক পাচলি উৎপন্ন হয়। তাৰ বাহিৰেও বাৰীৰ উৎপন্ন পাণ তামোল, নাৰিকল আৰু নানাবিধ ফল-মূল। এইসকলোবোৰেই ঘৰ বা ভোগৰ বাবে উৎপন্ন কৰা হয়। একোটা অংশ বিনিময় কৰা হয়, যাইকৈ-নিমখ,আৰু সাজ বাচন আদিৰ লগত।

শ্ৰম বিভাজনঃ

উনৈশ শতিকাৰ নগাঁও জিলাৰ অৰ্থ ব্যৱস্থাত, সামন্তবাদী বা আধুনিক উৎপাদন ব্যৱস্থাৰ দৰে উৎপাদনৰ শ্ৰম বিভাজন প্ৰকট হোৱা নাছিল। একাংশ লোকে ধাতৱ বস্তুৰ উৎপাদন

কৰিছিল লগতে কৃষি কাৰ্য্যও কৰিছিল। এনে ধাতু জাতীয় বস্তু উৎপন্ন কৰা মানুহৰ ভিতৰত আছে, সোণ-ৰূপৰ কাম কৰা অৰ্থাৎ গহনা কৰা সোনাৰী, কাঁহ পিতলৰ কাম কৰা কহাঁৰ, মাটিৰ সাজ বাচন বনোৱা-কুমাৰ, লোৰ কাম কৰা কমাৰ। নগাঁও জিলাৰ বিভিন্ন অঞ্চলত এই লোকবোৰে বসতি কৰে।

কাঠ বাঁহ বেতৰ বিভিন্ন ৰকমৰ বস্তু উৎপন্ন কৰি তাৰ ধকৰা ব্যৱহাৰ কৰিছিল। মানুহে ঘাইকৈ নিজৰ প্ৰয়োজনৰ কাৰণে বিভিন্ন ৰকমৰ কাপোৰ বৈ লৈছিল। কাপোৰ বোৱা কামটো অৰ্থাৎ পিপিনীৰ কাম মাইকী মানুহেই কৰিছিল। পলু পোহা, সূতাকটা আৰু এড়ী মুগাৰ কাপোৰ বোৱা বৃত্তি প্ৰচলন আছিল। ইয়াৰে এনে অতিৰিক্ত উপাৰ্জ্জন কৰিছিল। এনে ধৰণৰ হস্ত আৰু বস্ত্ৰ শিল্পৰ বাহিৰেও মাছ মাৰীয়া ডোম (Dooms) আৰু হৰিজন (sweepers) বৃত্তিৰ মানুহৰ বসতি আছিল।

বেহা বেপাৰ ঃ

মাছ, সৰিয়হ, কপাহ, লা, মাটি আৰু কাঁহ পিতলৰ সাজ বচন আৰু নিমখৰ বেপাৰ হৈছিল। জিলাখনৰ মাজেৰে বৈ যোৱা বিভিন্ন নৈ উপনৈবোৰে বেপাৰৰ সামগ্ৰী বোৰ পৰিবহন সুবিধা দিছিল। নাওঁ এই জল পৰিবহনৰ মাধ্যম। নাৱৰীয়া বেপাৰীক মুঁদে বুলি কোৱা হয়। মুঁদেয়ে এঠাইৰ পৰা আন ঠাইত নি বয় বস্তুৰ যোগান ধৰে। এই যোগানৰ মাধ্যম ধন আৰু বিনিময় দুয়োটাই আছিল।

হাট প্ৰথা ঃ

স্থানীয় বস্তুৰ আদান প্ৰদান আৰু বেপাৰৰ কাৰণে সপ্তাহত একোবাৰ বা দুবাৰকৈ ঠায়ে ঠায়ে হাট বহে। এই হাটবোৰ গাঁওবোৰৰ ওচৰত সাধাৰণতে বহে। ওচৰৰ গাওঁবোৰৰ খেতিয়কে বা বিভিন্ন বস্তুৰ উৎপাদন কাৰীয়ে উদ্বৃত্ত বস্তু, জন্তু- গৰু, ছাগলী, ম'হ, সাজ বাচন আদিৰ বেচা কিনা বা বিনিময় কৰে। পাহাৰৰ মানুহে নিজৰ উৎপন্ন সামগ্ৰী ভৈয়ামৰ হাটবোৰত বেছিবলৈ আনে। ইংৰাজ অহাৰ আগৰ পৰাই এই হাট ব্যৱস্থা নগাঁও জিলাত প্ৰচলিত। ই এক প্ৰচীন বিনিময় ব্যৱস্থা।

জোখ মাখ ঃ

শস্য জাতীয় বস্তুৰ ওজনৰ জোখ-মাখৰ কাৰণে প্ৰাথমিক গোট আছিল-'দোন'। ৪ দোনত এপুৰা। ইয়াৰে ধান, মাহ, সৰিয়হ আদিৰ জোখ কৰা হয়। কাপোৰ কানি বা দীঘলীয়া বস্তু জোখৰ প্ৰাথমিক গোট হাত, বেগেত আৰু গোটা চেপেটা বস্তু কলমূল ভাবোল আদি বিনিময় যোগ্য গোটা বস্তুৰ প্ৰাথমিক জোখ আছিল যেঁনে অনা, পোন, হালি ইত্যাদি।

বয়-বস্তুৰ পৰিবহন উপায় ঃ

নদীৰ পাৰৰ পৰা আঁতৰত অৱস্থিত গাঁও বা বসতি স্থানবোৰলৈ, আন সেই ঠাইৰ হাটবোৰলৈ সলাৰৰ কাৰণে কিম্বা বেছিৰৰ বস্তু কঢ়িওৱাৰ অন্য কোনো ব্যৱস্থাৰ উদ্ভাৱন নোহোৱা পৰ্য্যন্ত, মানুহে কান্ধত ভাৰেৰে বস্তু কঢ়িয়াব লাগে। ভাৰৰ বাহিৰে আন উপায় নাই। সেই কাৰণেই বাঁওকা শিকিয়াৰ প্ৰচলন।

পোহাৰি আৰু বিনিময় ঃ

গাঁও বিলাকত কিছুমান সাধাৰণ ভাৱে প্ৰয়োজন হোৱা বস্তুবোৰৰ আদান প্ৰদানৰ আন এটা প্ৰচলিত ব্যৱস্থা পোহাৰিৰ বিনিময় কাৰ্য্য। এচাম মানুহে এঠাইত উৎপন্ন হোৱা বস্তু আন ঠাইলৈ গৈ ঘৰে, ঘৰে গৈ, তেনে বস্তুৰ বিনিময় কৰিছিল। বস্তুৰ পৰিবৰ্ত্তে বস্তু লৈছিল। মাছ, মাটিৰ পাত্ৰ, গাখীৰ, তামোল-পাণ আদি উৎপন্ন বস্তুবোৰৰ এনে ব্যৱসায় হৈছিল। বিশেষ বিশেষ অৱস্থাৰ কাৰণে এনে ধৰণৰ আদান প্ৰদান ব্যৱস্থা চলিছিল। চাপৰি অঞ্চলত বানপানী অধ্যুষিত গাঁওবোৰত উৎপাদন নোহোৱা দ্ৰব্যবোৰৰ ক্ষেত্ৰত এই ব্যৱস্থাৰ প্ৰয়োজন হয়। ধনৰ ব্যৱহাৰ নকৰাকৈ আৰু ধনৰ অভাৱৰ কাৰণেও এনেভাৱে 'সলনি'ৰ ব্যৱহাৰ হয়। এই বিনিময় বা Barter ৰ প্ৰয়োগ তেতিয়ালৈকে চলিল যেতিয়ালৈকে যাতায়ত আৰু পৰিবহন ব্যৱস্থাৰ প্ৰয়োজনীয় উন্নতি হোৱা নাই।

কৃষি আৰু ভূমি ব্যৱস্থা ঃ

১৯ শতিকাৰ মাজভাগত এই বিস্তীৰ্ণ ভূ-খণ্ডৰ নগাঁও জিলাত মাত্ৰ ২৭৬ বৰ্গ মাইল মাটিত হে কৃষি কাৰ্য্যত ব্যৱহাৰ হৈছিল। মুঠ ১৪০২০ বৰ্গ কিলোমিটাৰ ভূমিৰ ভিতৰত মাত্ৰ ৪৪৫ বৰ্গ কিলোমিটাৰ মাটিত খেতি আৰু বসতি কৰা হৈছিল। কালেক্টৰ জে, বাটলাৰে, সদৰ কৰ্টৰ অফিচিয়েটিং জজ্ এ জে মফফট মিলচলৈ লিখামতে " The people are not industrious or enterprising, and will not cultivate more land than is sufficient for their own wants", আৰু আনন্দৰাম ঢেকীয়াল ফুকনে লিখামতে "agriculture is primitive" নগাঁও জিলাৰ প্ৰায় সকলো ঠাইতে বানপানী হয়। বিশেষকৈ কলং সুঁতীৰ উত্তৰ-পশ্চিমৰ চাপৰি অঞ্চল, আৰু কপিলী যমুনাৰ অৱবাহিকা কামপুৰ, যমুনামুখ, ডবকা, বহু বিস্তীৰ্ণ ভূ-খণ্ডত ইয়াৰ দাপত বেচি। কৃষিৰ আহিলা নাঙল যুৱলী, মৈ কাঁচি, খন্তি আৰু দা কোৰ। হালৰ কাৰণে বলধ গৰু আৰু ম'হ।

কৃষিজাত শষ্য ঃ

চাপৰি অঞ্চলত আহুধানৰ খেতি হয়। নগাঁও, কলিয়াবৰ, ডবকা, হোজাই অঞ্চলত শালিধানৰ খেতি বেছিকৈ হয়। দ-পানী হোৱা মাটিবোৰত বাও ধানৰ খেতি কৰি উঁড়াল ভৰায়। তাৰ বাহিৰেও, শীত কালীন শস্য মাটি মাহ, মগু মাহ, মটৰ মাহ আৰু কলা মাহৰ খেতি কৰি খাদ্যৰ আংশিক পূৰণ কৰা হয়। সৰিয়হ খেতি চাপৰি মহলৰ বালিঅহীয়া মাটিত আৱশ্যকীয় পৰিমানে কৰা হয়। শিলঘাটৰ পশ্চিমৰ পথা, লাওখোৱা, কপহী, জুৰিয়া, ধিং পৰ্য্যন্ত এই বহল দীঘল ব্ৰহ্মপুত্ৰৰ দক্ষিণ আৰু কলঙৰ উত্তৰ-পশ্চিম অঞ্চলত আহু বাও আদি ধান খেতি আৰু মাহ সৰিয়হ আদি বাৰখেতি হয়।

ভূমি আৰু কৃষকৰ সম্পৰ্ক ঃ

চাপৰি অঞ্চল আৰু দক্ষিণ-পূব, দক্ষিণ-পশ্চিম অঞ্চলত বসতি কৰা মাটিৰ বাহিৰে খেতিৰ মাটিত নিগাজী নিয়ন্ত্ৰণৰ ব্যৱস্থা নাছিল। খেতিৰ মাটিৰ লগত খেতিয়কৰ সম্পৰ্ক তেনেই অস্থায়ী। ইকৰা, খাগৰি কহুৱা, বিৰিনা, নকচা আদি বনজাতীয় হাবিৰে ভৰা বিস্তীৰ্ণভূমি খেতিৰ

উপযোগী আৰু সাৰুৱা। খেতিয়কে একেডৰা মাটি হাবি-চাফ্ কৰি খেতি কৰে। আৰু তিনি চাৰি বছৰ একেৰাহে এডৰা মাটিত খেতি কৰাৰ পিছত সেই মাটি কেৰাৰি পৰা বুলি এৰি দিয়ে। আকৌ আন এডৰা মাটি হাবি ভাঙি উলিয়াই খেতি কৰে। কেৰাৰি পৰাৰ অৰ্থ হ'ল- এই পদ্ধতিক আজিৰ ভাষাত - Shifting cultivation বুলি কোৱা হয়, যিটো জুম খেতি পাহাৰ এলেকাত দীৰ্ঘকাল ধৰি চলিছে। গতিকে এনে ধৰণৰ খেতি প্ৰণালীত মাটিৰ ওপৰত কৃষকে মালিকী স্বত্ব বা ব্যক্তিগত অধিকাৰ সাব্যস্ত কৰাটো নিষ্প্ৰয়োজন। কিন্তু, ৰাজনৈতিক শক্তিয়ে, ৰজা বিষয়া বা চৰকাৰে, খেতিয়কৰ খেতিকৰা মাটিৰ পৰা একোটা অংশ, কৰ বা খাজনা হিচাপে শস্যৰে হওক বা কিম্বা ধনেৰে হওক আদায় কৰিছিল।

ৰাজতন্ত্ৰৰ যুগত নগাঁৱৰ শস্য শ্যামলা উৰ্বৰ ভূমিৰ একোটা একোটা খণ্ড ধৰ্মীয় কাৰ্যৰ কাৰণে- দেবোত্তৰ, ধৰ্ম্মোত্তৰ আৰু ব্ৰহ্মোত্তৰ সম্পত্তি হিচাবে- মন্দিৰ, দেৱালয়, সত্ৰ আৰু ব্যক্তিৰ নামত প্ৰদান কৰা আছে। সামন্তবাদী কৃষি ব্যৱস্থাৰ অনুৰূপ যদিও ভূমি ব্যৱস্থাক ভাৰতবৰ্ষ তথা পশ্চিমীয়া সামন্তঅন্ত্ৰৰ সৈতে সম পৰ্যায়ৰ বা সমাৰ্থক নহয়। কিছুমান মানুহে মন্দিৰ দেৱালয় আদিৰ খৰছৰ বাবদ এই মাটিৰ উৎপাদনৰ এটা অংশ খৰছ কৰে। আকৌ ধৰ্মীয় কামত জৰিত থকা লোক সকলৰ নিজৰ ভৰণ পোষণৰ কাৰণেও এনে দেবোত্তৰ, ব্ৰহ্মোত্তৰ আৰু ধৰ্মোত্তৰ ভূমি ব্যৱহাৰ কৰা হয়। নগাঁও জিলাত এনে বন্দোবস্তিত ২২ খন গাঁও আছে। সেয়া হ'ল-
১। দক্ষিণপাট সত্ৰ ২। সকমখ্ৰী সত্ৰ ৩। ডুমডুমীয়া সত্ৰ ৪। ব্ৰহ্মচাৰী সত্ৰ ৫। আইডেৌ সত্ৰ ৬। কৰচুং সত্ৰ ৭। ওপৰ চতিয়াল সত্ৰ ৮। নন্দ কিশোৰ দেৱালয় ৯। সকভুগীয়া দেৱালয় ১০। অম্বিকা নাথ দেৱালয় ১১। কামাখ্যা দেৱালয় ১২। দুলাল মাধব সত্ৰ ১৩। কুজী সত্ৰ ১৪। কুৰুৱাবাহী সত্ৰ ১৫। ৰামপুৰ সত্ৰ ১৬। বৰদোৱা সত্ৰ ১৭। বৰদোৱা সত্ৰ (সৰু হিচা) ১৮। আউনীয়াটি সত্ৰ ১৯। ডেকা ফুকন খাট ২০। দুৱাৰ কঠিয়াতলী ২১। দুৱাৰ বামুনী ২২। কালশিলা সত্ৰ।

পাইক প্ৰথা :

ইংৰাজ অহাৰ আগৰ কালত আহোম শাসন চলি থাকোঁতে পাইক প্ৰথাৰ প্ৰচলন আছিল। এই মতে প্ৰতিজন মুনিহ মানুহে ৰজাৰ ঘৰত বা ৰজাৰ কাম-কাজৰ বাবে বছৰটোৰ চাৰিমাহ কাল গা-খাটি দিব লাগে। কিম্বা মুনিহজনে বছৰত উৎপন্ন কৰা শস্যৰ এটা অংশ ৰজাৰ বাবে দিব লাগে। তাৰ বাবদ ৰজাঘৰে প্ৰতিজন পাইকক দুপুৰাকৈ ৰূপিত মাটি দিয়ে। এই ৰূপিত মাটি শালি তলী মাটি।

আলি পদূলীৰ ব্যৱস্থা :

ইংৰাজ অহাৰ আগলৈকে নগাঁও জিলাৰ আলি পদুলিৰ অৱস্থা উন্নত ধৰণৰ নাছিল। জিলাখনত মাত্ৰ তিনটা ঘাই আলি আছিল। আহোমৰ শাসন কালত উজনিৰ কিছুমান ঠাইত আৰু উত্তৰ পাৰৰ সুদীৰ্ঘ অঞ্চলত আলিবাট বন্ধোৱাৰ ব্যৱস্থা হৈছিল। কিন্তু, নগাঁও ভূ-খণ্ডত এটা আলি আছিল গুৱাহাটীৰ পৰা ধনশিৰী পাৰহৈ গোলাঘাট আৰু যোৰহাটলৈকে আৰু এটা আলিবাট যায় ৰহাৰ পৰা ডবকালৈ। আনটো আলি আছিল নগাঁৱৰ পৰা লাওখোৱালৈ। তাৰ

বাহিৰে যিবোৰ বাট আছিল সেইবোৰ সুৰকীয়া আলি। যাতায়তৰ কাৰণে চকা বা যন্ত্ৰ চলিত কোনো বাহন নাছিল। হাতী-ঘোঁৰা দোলাৰ ব্যৱহাৰ আছিল।

ইংৰাজ আমোলত নগাঁও জিলাৰ অৰ্থনীতি ঃ

নগাঁও জিলাৰ অৰ্থনীতি প্ৰাক্-ইংৰাজ যুগত একেবাৰে চহা গাঁৱলীয়া অৰ্থনীতি আছিল। মুলতঃ প্ৰয়োজনীয় সকলো বস্তু প্ৰায় ঘৰে ঘৰে উৎপন্ন কৰি লৈছিল-খুব কমেও গাওঁখনৰ ভিতৰত প্ৰায়বোৰ লাগতিয়াল বস্তু পোৱা গৈছিল। বাৰীত তামোল-পান, গোহালীত গৰু ভঁড়ালত ধান, পুখুৰীত বা নদীত মাছ-চালত লাউ কোমোৰা, শালত কাপোৰ, সহজ আয়াসতে পোৱা গৈছিল। অৱশ্যে প্ৰয়োজনও বেছি নাছিল। জীৱন ধাৰণৰ মান সাধাৰণ (simple) আৰু সৰল আছিল।

উনৈশ শতিকাৰ চতুৰ্থ দশকত নগাঁও জিলা (ওপৰত উল্লেখ কৰামতে-সমগ্ৰ সমতল আৰু পাৰ্ব্বত্য ভূ-খণ্ড ইংৰাজৰ শাসনৰ কৱললৈ আহে। অৱশ্যে, তেতিয়াও ভাৰতবৰ্ষত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে শাসন কাৰ্য্য চলাইছিল। মানদেশৰ লগত ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত ইংৰাজে যি চুক্তি কৰিলে তাৰ পৰিণতি হিচাবে আজিৰ অসম তথা নগাঁও ভূ-খণ্ডৰ ওপৰলৈ ইংৰাজৰ এক্তিয়াৰ আহিল। চুক্তিৰ চৰ্ত্তত যদিও তেনে কথা নাছিল। বাস্তৱ অৱস্থা আৰু আগৰ আহোম শাসক চক্ৰৰ অকৰ্মন্যতা আৰু অপাংক্তেয়তাৰ ফলশ্ৰুতিহিচাবে প্ৰথমে আহোমৰ অধীনৰ ভূ-খণ্ডত ইংৰাজৰ শাসন প্ৰৱৰ্ত্তন হয়। কুৰি শতিকাৰ শেষাৰ্দ্ধত স্পেনিচ উপনিৱেশ বোৰৰ অৱস্থাই মান আধিপত্যৰ অসমৰ অৱস্থা হয়।

অসমত ইংৰাজ শাসনৰ প্ৰথম উদ্দেশ্য-শিল্প, বানিজ্য, কৃষি সকলো দিশতে সমগ্ৰ বিশ্বৰ ভিতৰতে উন্নত আৰু অগ্ৰগতি লাভ কৰা ইংলণ্ডৰ কাৰণে এখন বজাৰ ক্ষেত্ৰৰ সৃষ্টি কৰা। বৃটিছ পুঁজিপাতি শ্ৰেণীৰ বজাৰ সংগঠক ইষ্ট ইণ্ডিয়া কোম্পানীয়ে সোতৰশ শতিকাত ভাৰতবৰ্ষত প্ৰথমে ব্যৱসায়ৰ খোপনি পুতি পৰৱৰ্ত্তীকালত ৰাজনৈতিক অধিকাৰ স্থাপন গোটেই দেশখনক ইংৰাজৰ উপনিবেশ তথা বজাৰলৈ পৰিণত কৰে। ক্ৰমান্বয়ে, ভাৰতবৰ্ষৰ স্থানীয় অৰ্থনীতিৰ বুনিয়াদ বোৰক ভাঙি চুৰমাৰ কৰিলে। ভাৰতীয় হস্ত-শিল্প, তাত শিল্প আৰু কৃষি ব্যৱস্থাৰ পতন ঘটাই ইংৰাজে যন্ত্ৰ চালিত আধুনিক উৎপাদন পদ্ধতিৰে উৎপন্ন কৰা পণ্য সামগ্ৰীবোৰ ভাৰতবৰ্ষত বিক্ৰী ব্যাপক ব্যৱস্থা গ্ৰহণ কৰে। কম পৰিশ্ৰমত উন্নত মানৰ সামগ্ৰীবোৰ সস্তাত ভাৰতীয় বজাৰত বিক্ৰী হয়। আৰু বৃটিছৰ উদ্যোগবোৰলৈ ভাৰতবৰ্ষৰ কৃষিজাত কেঁচা মালবোৰ যেনে কপাহ, মৰাপাট লৈ যোৱা হয়। তাৰ কাৰণে আৱশ্যকীয় যোগাযোগ, পৰিবহন আৰু বজাৰ নিয়ন্ত্ৰণৰ কাৰণে প্ৰশাসনীয় ব্যৱস্থাত দ্ৰুত গতিত উন্নতি সাধন কৰা হয়। ভাৰতবৰ্ষৰ গ্ৰাম্য অৰ্থনীতিৰ স্বৰূপ সম্পূৰ্ণভাৱ বিলোপ কৰা হয়। আমদানিকৃত পন্যৰ কাৰণে এখন বহল বজাৰ গঢ়লৈ উঠে। অৱশ্যে কালক্ৰমত অৰ্থাৎ উনৈশ শতিকাৰ শেষৰ কালে আৰু কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধলৈকে ভাৰতবৰ্ষৰ বপ্তানি বানিজ্যয়ো গা-কৰি উঠে। ভালে পৰিমানৰ বৃটিছ পুঁজিৰ বিনিয়োগ ঘটি শ্ৰম শোষণৰ-বিস্তৃত ভিত্তিৰ সৃষ্টি হয়। আৰু লগে লগে ভাৰতীয় পুঁজিবাদৰ গোড়াপত্তন হয়।

নগাঁও জিলাৰ এটা আনুমানিক বিৱৰণীত তেতিয়াৰ জিলাধিপতি এ, ই, কেম্পবেলে

এনে ধৰণে দিছে- ১৮৬৩/৬৪ চনত নগাঁও জিলাৰ -

নিমখ	৩০,০০০ মোন	১৫০,০০০ টকা	সৰিয়হ	১,০০,০০০ মোন	৩,০০,০০০ টকা
চাউল	২,০০০ "	৪,০০০ "	কপাহ	৭০,০০০ "	৪১,০০,০০০ "
ঘিউ	১,০০০ "	৩০,০০০ "	লা	৫,০০০ "	১,০০,০০০ "
চেনি	১,০০০ "	১৫,০০০ "	মম	২০ "	৪,০০০ "
কাপোৰ	৫০০ "	২০,০০০ "	ৰবৰ	৩০০ "	৫,০০০ "
ধপাত	২,০০০ "	২০,০০০ "	হাতীদাঁত	২০ "	৪,০০০ "
মছলা	৫০ "	১০,০০০ "	এড়ীসূতা	৪০ "	৮০০ "
লো আৰু লোৰ					
সা সৰঞ্জাম	১,০০০ "	৫,০০০ "	মাছ	৫,০০০ "	১৫,০০০ "
সৰিয়হৰ					
তেল	১,০০০ "	১৫,০০০ "	গড়ৰ খড়গ	১ "	১২,০০০ "
ধান	২,০০০ "	৫,০০০ "	চাহপাত	১,৫০০ "	৩,০০,০০০ "
শ'ন সূতা	১০০ "	৫০০ "	বাঁহ চাবি	১,০০০ "	১০,০০০ "
আলুক	১০০ "	১,৫০০ "	বেট	৫,০০০ "	৫,০০০ "
পতা সোণ ২৫ সেৰ		৪০,০০০ "	তামোল পান ২০.০০০ "		৫,০০০ "

এই বিৱৰণীৰ পৰা দেখা যায় - সেই সময়ত নগাঁও জিলালৈ বয় বস্তুৰ আমদানিৰ পৰিমান আৰু মূল্যতকৈ ৰপ্তানি কৰা বয় বস্তুৰ পৰিমান আৰু মূল্য বহুত গুণ বেছি।

অসম তথা নগাঁও জিলা ভাৰতবৰ্ষত ইংৰাজ উপনিবেশ প্ৰায় শেহতীয়া সংযোজন। শোষণৰ বাবজালখন বহলকৈ পেলাবলৈ প্ৰথমতে প্ৰশাসনক খুটিটো দকৈ পুতিবৰ বাবে ইংৰাজ শাসন কৰ্তাসকলে নগাঞা পজাৰ পৰা সবহকৈ ৰাজহ আদায়ৰ চেষ্টা কৰা হৈছিল বিভিন্ন স্তৰৰ মানুহৰ পৰা। আৰু খাজনা প্ৰথাৰ পৰিনতিও অসমৰ অৰ্থনৈতিক জীৱনত সুদূৰ প্ৰসাৰী আৰু প্ৰভাৱো গভীৰ। এনে অৱস্থাত নগাঁও জিলাৰ তৎকালীন ইংৰাজ শাসকসকলে গ্ৰহণ কৰা অৰ্থনৈতিক কাৰ্য্যাৱলীৰ যথা-সম্ভৱ বিৱৰণী এনে ধৰণে পোৱা যায়।

১৮৫২-৫৩ চনত নগাঁও জিলাত খেতিৰ আবাদী মাটি

খাচ খেতিকৰা মাটি -	৫, ১১, ৮৮৩ বিঘা ২কঠা ১ লোচা
লাখিৰাজ খেতিকৰা মাটি -	১৬,৮২০ বিঘা ১কঠা ১৩ লোচা
নিৰক খেৰাজৰ খেতি কৰামাটি	৫৮৪৭ বিঘা ৪ কঠা ১৪ লোচা
মুঠ	৫৩৪১৮১ বিঘা ৩ কঠা ৯ লোচা

মাটিৰ শ্ৰেণী বিন্যাসীকৰণ ঃ

ইংৰাজে এই জিলা দখল কৰা পিচতে ৰাজহ আদায়ৰ কাৰণে প্ৰথম কাম কৰে ভূমিৰ বিন্যাস। আবাদযোগ্য আৰু বসতিযোগ্য সমস্ত মাটি উৰ্বৰতা আৰু ব্যৱহাৰ যোগ্যতা অনুযায়ী শ্ৰেণীভাগ কৰে।

প্ৰথম শ্ৰেণীৰ মাটি- বানপানী নোহোৱা ধানখেতিৰ কাৰণে উৎকৃষ্ট সাকৰা মাটিক ৰূপিত মাটিৰ শ্ৰেণীভূক্ত কৰা হয়। ই শালিধানৰ খেতিৰ উপযোগী।

দ্বিতীয় শ্ৰেণীৰ মাটি- (ক) দ-মাটি যাৰিবা পানী বেছি হয়। অথচ ধানখেতি কৰিব পাৰি। সেই মাটিক বাওতলী মাটিত ভাগ কৰা হয়।

(খ) বাওলতীৰ মাটিৰ দৰেই তাতোঁকৈ অথচ খেতি হয় তাক দ তলী বুলি অভিহিত কৰি- এই দুয়ো প্ৰকাৰ মাটিক দ্বিতীয় শ্ৰেণীৰ মাটি বুলি নঠীভূক্ত কৰা হয়।

তৃতীয় শ্ৰেণীৰ মাটি - বাম বা ওখ মাটি-পানী জমা নোহোৱা, তেনেমাটিক ফৰিঙতি বা ফৰিংতলী মাটি হিচাবে শ্ৰেণীভূক্ত হয়।

চতুৰ্থ শ্ৰেণীৰ মাটি - বাৰী, বসতিযোগ্য, ফল-মূলৰ আৰু তামোল পানৰ বা শাক পাচলি খেতিৰ যোগ্য মাটিক বাৰীমাটি বুলি চতুৰ্থ শ্ৰেণীৰ অন্তৰ্ভূক্ত কৰা হয়।

মাটিৰ খাজনা ঃ

আগতেই কোৱা হৈছে, ইংৰাজ কৰ্তৃপক্ষই ৰাজহ আদায় কৰাৰ ওপৰত প্ৰথম গুৰুত্ব দিয়ে। তাৰ বাবেই মাটিৰ শ্ৰেণী বিন্যাস কৰি, তাৰ ওপৰত খাজনা বা ৰাজহ নিৰ্দ্ধাৰণ কৰে। সেইমতে-

কলিয়াবৰ আৰু নগাঁও মহলতৰূপিত মাটিৰ ওপৰত এপূৰাত অৰ্থাৎ ৪ বিঘাত ১ টকা ৬ অনা আৰু বাকী মাটিত ১ টকাকৈ খাজনা নিৰ্দ্ধাৰণ কৰা হয়।

কিন্তু, লাখেৰাজ মাটিৰ খাজনা ধৰা হয় ঃ

ৰূপিত মাটি- পুৰাই- এঘাৰ অনা

আন মাটিত- পুৰাই -আঠ অনা

এই নিৰিখত জিলাৰ মুঠ মাটিৰ খাজনা- হয় ১,৪৪৪৩৩১টকা। তাৰ বাহিৰে চৰকাৰ-নৈ আৰু বিল বিলাক ডাকত দিয়াৰ প্ৰথা প্ৰবৰ্ত্তন কৰে। তেতিয়াৰ পৰাই নৈ-বিল বোৰৰ ভিতৰত তিনিখন নৈ আৰু ১৮ খন বিল ডাকত দিয়া আৰম্ভ হয়।

মাটিৰ খাজনা-আৰু ইজৰা ঃ

ইংৰাজ শাসক বৰ্গই খাজনা আদায়ৰ সুবিধাৰ কাৰণে মাটিৰ দখল আৰু মালিকানা স্বত্ব নিৰ্ণয়ৰ কাৰণে পট্টা ব্যৱস্থা প্ৰৱৰ্ত্তন কৰে। প্ৰথমতে এনে পট্টা বছৰেকীয়া হিচাবে দিয়া হয়। এতিয়া বন্দোবস্তী দিবৰ কাৰণে কৰ্তৃপক্ষ উদগ্ৰীৱ। কিন্তু বন্দোবস্তি লওঁতা মানুহ নাই।

মাটিৰ উৎপাদনঃ মাত্ৰ উৎপাদন কাৰীৰ নিজৰ প্ৰয়োজন পূৰণ কৰিবৰ কাৰণে কৰা হয়। উৎপন্ন উদ্বৃত নহয়। বিক্ৰীৰ কাৰণে শস্যাদি বস্তুবোৰ উৎপন্ন কৰা নহয়। গতিকে খাজনা দিবৰ কাৰণে যি ধনৰ প্ৰয়োজন-গৃহস্থৰ ঘৰত সেই ধন নহয় গৈ। আকৌ খেতিয়কে একেডৰা মাটিতে একেবাৰে তিনিবছৰৰ বেছি খেতি নকৰে। এনেবোৰ কাৰণত-খেতিয়কে মাটি নতুনকৈ বন্দোবস্তি লওক ছাৰি ইজৰাহে দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ হয়। ১৮৫৩-৫৪ চনত ৩,৩১১ জন লোকে মাটি ইজৰা দিবৰ কাৰণে দৰ্খাস্ত দিয়ে।

কৃষিৰ অৱস্থা ঃ মানুহৰ খেতি-বাতি পদ্ধতি উন্নত ধৰণৰ নাছিল। উৎপন্ন শস্যৰ

ভিতৰত ধান, মাহ, সৰিয়হ, তিল, কুঁহিয়াৰ আৰু আফু প্ৰধান আছিল। মৰামাটৰ খেতি নাই বুলিলেই হয়। কপাহৰ খেতিও সেই সময়ত জিলাখনত আৱশ্যকীয় পৰিমানে হৈছিল। লা-ৰ উৎপাদন ভালে পৰিমানে হৈছিল খাইকৈ মিকিৰ পাহাৰ অঞ্চলত।

কিন্তু, কৃষিৰ উৎপাদন বাহিৰ ঘৰত নাছিল। মাটি অপৰ্য্যাপ্ত, কিন্তু উৎপন্ন একেবাৰে সীমিত। তাৰ কাৰণ অনুসন্ধান কৰি কেপ্তেইন বাট্‌লাৰে কৈছে, সঘনে ব্যাপক বানপানী হৈ খেতিৰ বিস্তৰ ক্ষতি হয় আৰু কৃষকক খেতিকৰাত বাধাৰ সৃষ্টি কৰে। লগতে, হাইজা-কলেৰা বসন্ত আদি ৰোগত হেজাৰ হেজাৰ মানুহৰ মৃত্যু হয়। কেপ্তেইন বাট্‌লাৰৰ মতে, এই জিলাৰ মানুহবোৰে নিজক লগা খিনি জোখাৰেহে খেতি কৰে। ইফালে প্ৰয়োজনও বেছি নাই। এনে পটভূমিত বঙ্গদেশৰ পৰা মানুহ আহি 'কলনী' কৰিব নোৱাৰিলে কেবা শ বছৰলৈকে ইয়াঁৰ কৃষিৰ উৎপাদন বঢ়াৰ আশা নাই।

আনহাতেদি, লেফটিনেন্ট কৰ্ণেল মেথিয়ে লিখামতে নগাঁও, শিৱসাগৰ আৰু মটক জিলাৰ (লক্ষীমপুৰ) মানুহবোৰ কানি খায়। দুখীয়া শ্ৰেণীৰ মানুহৰ ভিতৰত ইয়াৰ প্ৰচলন বেছি। কানি খাই মানুহবোৰ স্বাস্থ্যৰ বিস্তৰ ক্ষতি কৰে। মফফট্ মিল্‌চৰ মতে ১৮৫২-৫৩ চনত নগাঁও জিলাত ৭,৯৭০ বিঘা মাটিত আফুৰ খেতি কৰা হয়। আৰু ৪০০ মোন আফুৰ উৎপন্ন হয় বুলি হিচাপত পোৱা হয়। তাৰ বাহিৰেও প্ৰচুৰ পৰিমানে ভাং উৎপাদন হয়।

এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত ইংৰাজ শাসক বৰ্গৰ সন্মুখত দেখা দিয়া খাই কাম হ'ল- নগাঁও জিলাৰ অৰ্থনীতিৰ ৰূপান্তৰ সাধন কৰা। অতি পিচপৰা কৃষি, কৃষিৰ উপযোগী প্ৰচুৰ সাৰুৱা মাটি অনাবাদী, প্ৰবল বানপানীৰ উপদ্ৰৱ, হাইজা-বসন্ত, কলাজ্বৰ আদি বিভিন্ন মহামৰী ৰোগৰ উৎপাৎ, কৰ্ম বিমুখ, এলেহুৱা, উদ্যোগ বিহীন আৰু অল্পতুষ্টি জন বসতি, যাতায়তৰ কাৰণে আলিপদূলিৰ অভাৱ, নাৱৰ বাহিৰে পৰিবহনৰ কাৰ্যক্ষম বিকল্পৰ অভাৱ- বেহা-বেপাৰৰ সুচলতাৰ অভাৱ আদি সমস্যাবোৰৰ অতিক্ৰম কৰাৰ কাৰণে-ব্যৱস্থা লোৱা আৰম্ভ কৰিলে নতুন শাসকবৰ্গই।

যাতায়ত আৰু আলিবাট ঃ

গুৱাহাটীৰ পৰা যোৰহাটলৈ যোৱা বাস্তাটো যাতায়তৰ উপযোগী কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হয়। ১৮৪৭ চনৰ এপ্ৰিল মাহত কলং নদীৰ ওপৰত নগাঁৱত প্ৰথম খন কাঠৰ দলং নিৰ্মাণ কৰা হয়। এইখন দলঙৰ বাবদ চৰকাৰে এহেজাৰ টকা খৰচ কৰে। ১৮৬৬ চনত গুৱাহাটীৰ পৰা যোৰহাটলৈ নগাঁৱৰ মাজেদি যোৱা আলিবাটটোক Assam Trunk Road কৰা হয়। ১৮৬৮ চনত অসম চৰকাৰৰ গড়কাপ্তানী বিভাগ খোলা হয়। এই বিভাগে আলিবাট আৰু দলং নিৰ্মাণৰ কাম কৰে। জিলাখনৰ খাই আলিবাটবোৰ চৰকাৰে নিৰ্মাণ আৰু মেৰামতিৰ কাম হাতত লয়। ৰহাৰ পৰা উত্তৰ পশ্চিমত জাগীলৈ আৰু নগাঁৱৰ পৰা শোনে শোনে জাগীলৈ, নগাঁৱৰ পৰা খিওলৈ, নগাঁৱৰ পৰা লাওখোৱালৈ আৰু নগাঁৱৰ পৰা ডবকা হোজাইলৈ পথবোৰ ২৪ ফুট বহলকৈ বনোৱা হয়।

১৮৮০ চনত 'লোকেল বৰ্ড' গঠন হোৱাৰ পিচত আলি পদূলী নিৰ্মাণ আৰু মেৰামতি

কৰাৰ কামৰ গতি বেলেগ হয়। পূব আৰু উত্তৰ পূব নগাঁৱৰ মিকিৰ পাহাৰৰ দাঁতিকাষৰিয়া অঞ্চলত কলিয়াবৰৰ পৰা কঠিয়াতলীলৈকে চাহ বাগিছাবোৰক চুই আৰু এই চাহবাগিছাবোৰৰ লগত ট্ৰাঙ্কৰোডক সংলগ্ন কৰি আলিবাট নিৰ্মাণ কৰা হয়। ইয়াৰ কাৰণে বাগিছাৰ মালিকবিলাকে খৰছ বহন কৰে।

ৰেলপথ :

১৯ শতিকাৰ শেষৰ দুটা দশকত অসমত ৰেলপথ নিৰ্মাণ আৰম্ভ হয়। ডিব্ৰুগড়িয়া, তেজপুৰ বালিপাৰা, যোৰহাট নিমাতীঘাট-মৰিয়নী ৰেল পথ প্ৰথম আৰম্ভ হয়। তাৰ পিচত ১৮৯৫ চনত লামডিং-তিনচুকীয়ালৈ আসাম বেঙ্গল ৰেল লাইন নিৰ্মাণ কৰা হয় আৰু কুৰি শতিকাৰ আদিতে লামডিং পাণ্ডু ৰেল লাইন নিৰ্মাণ কৰা হয়। ১৮৯৭ চনত গুৱাহাটী-যমুনামুখ ৰেল সংযোগ ঘটে। তাৰ পিছত নগাঁও জিলাৰ দক্ষিণভাগেদি পূবৰ পৰা পশ্চিমলৈ এই ৰেলপথ হোৱাৰ কাৰণে জিলাখনৰ এই অংশত যাতায়ত আৰু পৰিবহণৰ নতুন যুগৰ সূচনা হয়।

১৯১৫ চনৰ পৰা ১৯৩০ চনৰ মাজৰ কালছোৱাত গোটেই অসমতে যেনেকৈ ৰেল পৰিবহণ ব্যৱস্থাই প্ৰসাৰতা লাভ কৰে তেনেকৈ নগাঁও জিলোতো আসাম বেঙ্গল ৰেলওৱেৰ উদ্যোগত ১৯২০ চনত চাপৰমুখৰ পৰা শিলঘাটলৈ ৮০ কি: মি: দীঘল ব্ৰাঞ্চ ৰেল লাইন খোলা হয়। এই ৰেলপথ নিৰ্মাণৰ বাবদ ২৮ লাখ টকা খৰছ হয়। আসাম-বেঙ্গল ৰেল কোম্পানীয়ে ইয়াৰ পৰিচালনা কৰে। কিন্তু মালিকানা স্বত্ব আছিল মেচাৰ্চ মাৰ্টিণ এণ্ড বাৰ্ণ কোম্পানীৰ। এই ৰেলপথে নগাঁও জিলাৰ সৰহখিনি চাহবাগিছাৰ লগত সংযোগ সাধন কৰে। শিলঘাটত থকা জাহাজ ঘাটলৈ চাহ কঢ়িয়াই নিয়াৰ সুবিধা হ'ল। আৰু চাপৰমুখেদি ৰেলেৰে লামডিং হৈ চিটাগাং সমুদ্ৰ বন্দৰলৈ চাহপাত পৰিবহণ হয় আৰু শিলঘাটেদি ষ্টীমাৰ জাহাজেদি কলিকতা চহৰ আৰু বন্দৰলৈ চাহপাত পৰিবহণ হয়।

চাপৰমুখ শিলঘাট ব্ৰাঞ্চ ৰেল লাইন হোৱাৰ পিছত চৰকাৰে শেনছোৱাৰ পৰা মৈৰাবাৰীলৈ ১৯৩০ চনত ৰেল লাইন খুলিলে। এইছোৱা ৰেল লাইন সম্পূৰ্ণ অসম বেঙ্গল ৰেল কোম্পানীৰ নিয়ন্ত্ৰণত চলে। নগাঁও জিলাৰ ব্ৰহ্মপুত্ৰৰ বান-বিধৌত উত্তৰ আৰু উত্তৰ পশ্চিমৰ এই সাৰুৱা ভূখণ্ডত যথেষ্ট পৰিমাণে মৰাপাটৰ খেতি হয়। উৎপাদিত মৰাপাট পোনে পোনেই ৰেলগাড়ীৰে বঙ্গদেশৰ হাওড়া-হুগলীৰ মৰাপাটৰ মিলবোৰলৈ ৰপ্তানী হয়।

এই ব্ৰাঞ্চ ৰেল লাইন দুটা স্থাপন হোৱাৰ পিছত নগাঁও জিলাৰ কৃষি অৰ্থনীতিত উল্লেখনীয় পৰিবৰ্তন আহে। পূব আৰু উত্তৰ-পূবৰ বাণিজ্যিক শস্য-চাহপাতৰ বাগিছাবোৰৰ লৈতে এহাতেদি যেনেকৈ কলিকতা-লণ্ডন চহৰবোৰৰ লগত সমন্ধ ঘটে তেনেকৈ উত্তৰ আৰু উত্তৰ-পশ্চিমৰ বাণিজ্যিক কৃষিজাত শস্য মৰাপাটৰ পথাৰ আৰু খেতিয়কৰ লগত কলিকতা আৰু লণ্ডনৰ সংযোগ ঘটে। গতিকে নগাঁও জিলাত উৎপন্ন হোৱা কৃষিজাত পন্য চাহপাত আৰু মৰাপাটৰ বিক্ৰীৰ বজাৰ হ'ল- কলিকতা আৰু লণ্ডন। ৰেলগাড়ীৰে অকলবে বস্তু কঢ়িয়াই উলিয়াই লৈয়েই বায় এনে নহয়, বস্তু লৈয়ো আহে প্ৰচুৰ। উলিয়াই নিয়ে মৰাপাট, সৰিয়হ, লা, কপাহ আদি শিল্পজাত কেঁচামাল আৰু চাহপাত, লৈ আহে নিমখ, কাপোৰ, শিল্পজাত

নানৰকমৰ ভোগ্য আৰু ব্যৱহাৰ্য্য বস্তু। ফলত জীৱন ধাৰণৰ পুৰণি, চহা আৰু স্বয়ংতৃপ্ত অনাবিল ধাৰাই বাট এৰি দিবলৈ ধৰিলে - যন্ত্ৰপ্ৰযুক্ত আধুনিক, বিলাসী, জটীল, অনিশ্চিত অথচ গতিশীল জীৱন ধাৰাক। পুঁজিবাদৰ কাৰণে দুৱাৰ মুকলি হ'ল।

জলপথ :

ষ্টীমাৰ জাহাজৰ প্ৰচলন আৰম্ভ হ'ল ১৯ শতিকাৰ মাজভাগৰ পৰা। ১৮৫৬ চনত ব্ৰহ্মপুত্ৰ নদীয়েদি ডিব্ৰুগড়লৈকে জাহাজ চলা আৰম্ভ হয়। ১৮৬১ চনত ইণ্ডিয়ান জেনেৰেল ষ্টীম নেভিগেচন কোম্পানীয়ে (I.G.S.N.) নিয়মিতভাৱে ব্ৰহ্মপুত্ৰইদি জাহাজ চলায়। নগাঁও জিলাত দুটা জাহাজঘাট হয় - শিলঘাট আৰু টিঙত। চাহকোম্পানীবোৰে জাহাজেৰে শিলঘাটৰ পৰা কলিকতালৈ চাহপাত ৰপ্তানী কৰে। আৰু এই জাহাজেৰে বাগিছালৈ 'কুলী' আমদানী কৰে। ১৮৬২ চনত ইণ্ডিয়ান ষ্টীম নেভিগেচন কোম্পামী (RSN) য়েও ব্ৰহ্মপুত্ৰত জাহাজ চলোৱা আৰম্ভ কৰে। নদীপথৰ উন্নতি হোৱাৰ ফলত কেৰাচিন, চেনি, ধপাত, শুকান মাছ, শিল, চূণ, চাউল, আফিং, মদ, কমলা, কপাহী কাপোৰ, দাইল, লোহা, চামৰা, কম্বল, পিতল আৰু ৰেলৰ যন্ত্ৰপাতি আমদানি হয়। নগাঁৱৰ চালান হোৱা বস্তুৰ ভিতৰত আছিল চাহ, কপাহ, তিল, সৰিয়হ, কাঠ, লা আদি সামগ্ৰীবোৰ। আগতে নাৱেৰে পৰিবহণ হোৱা এই বস্তুবোৰ জাহাজেৰে সৰহীয়াকৈ দূৰলৈ পঠিয়াব পৰা হ'ল। আৰু এচাম ডাঙৰ ব্যৱসায়ীলোকৰ সৃষ্টি হ'ল। জিলাখনৰ অৰ্থনীতিত নতুন তেজৰ পিৰপিৰণি আৰম্ভ হ'ল। মুদৈৰ বেপাৰৰ ঠাইত কেঁঞা-সদাগৰৰ বেপাৰ আৰম্ভ হ'ল। ক্ৰমান্বয়ে নগাঁও জিলাৰ অৰ্থনীতিত ব্যৱসায়ী পুজিৰ প্ৰবেশ কৰিলে।

চাহখেতি :

অসম চাহখেতিৰ দেশ। ১৮৩৯ চনত অসমত চাহখেতি কৰিবৰ বাবে ইংলণ্ডত 'অসম টি কোম্পানী' গঠন হয় আৰু ১৮৪০ চনৰ পৰা এই কোম্পানীয়ে 'নাজিৰাত' প্ৰধান কাৰ্য্যালয় পাতি চাহখেতিৰ কামত নামে। তাৰ পিছতে ১৮৫৫ চনত "যোৰহাট টি কোম্পানী" নামে আৰু এটা চাহ খেতি কৰা কোম্পানী গঠন হয় আৰু ক্ৰমান্বয়ে অসমৰ বিভিন্ন জিলাত চাহ বাগিছাবোৰ আৰম্ভ হয়। যিহেতু চাহব্যৱসায় এটা লাভজনক ব্যৱসায় আৰু পৃথিৱীজোৰা ইয়াৰ বজাৰ গতিকে বৃটিছ পুঁজিপতিসকলে অসমত চাহখেতি কৰিবৰ কাৰণে আৱশ্যকীয় মূলধন বিনিয়োগ কৰিবলৈ উৎসাহেৰে আগবাঢ়িল।

নগাঁও জিলাত ১৯ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰ পৰাই শিলঘাটৰ পৰা কঠিয়াতলীলৈকে মিকিৰ পাহাৰৰ দাঁতিকাষৰীয়া ওখ মাটিৰ বিস্তীৰ্ণ অঞ্চল চাহখেতি আৰম্ভ হয়। ১৮৫৯ চনৰ ভিতৰত নগাঁও জিলাত ১৪ টা চাহ ফেক্টৰী স্থাপন হয় আৰু ১১০৩৪ হেক্টৰ মাটিত চাহ খেতি কৰা হয়। ইয়াত খটুৱা মূলধন বৃটিছ পুঁজিপতিসকলৰ।

বৃটিছ পুঁজিপতি নিয়োজিত নগাঁও জিলাৰ চাহবাগিছা কেইখন হ'ল -

নাম	মাটি কালি (হেক্টৰত)	চাহকোম্পানী।
১। আমলক্ষি	১৫১৫.০৭	বৰ্ত্তমান অসম টি কৰপৰেছন।
২। চাপানলা	১১০	চাপানলা চি ইষ্টেট।
৩। ডিজু ভেলী	-----	-----
৪। কেলেডিন	-----	-----
৫। কন্দলী টি ইষ্টেট	১০৭৭.০৮	অসম টি ইণ্ডিয়া।
৬। লুং চুং	-----	-----
৭। শাকমুঠী	-----	-----
৮। চালনা	২৯০৬.২৮	দি অসম কোম্পানী ইণ্ডিয়া লি:।
৯। ননৈ	-----	-----
১০। চিকনী	-----	-----
১১। দাতুন	-----	-----
১২। কলিয়াবৰ	৭৫৯.৫৩	-----
১৩। আমচৈ	-----	-----
১৪। বুঢ়াপাহাৰ	-----	-----
১৫। মাটিয়া পাহাৰ	-----	-----

ইয়াৰ বাহিৰেও বৰপানী, গোপালকৃষ্ণ, জিয়াজুৰি, জগদম্বা, খনজাল, বাগুলু আদি মুঠ ২৪ খন চাহ বাগিছা আছে।

নগাঁও জিলাৰ অৰ্থনীতিৰ বিৱৰ্ত্তনত চাহ শিল্পই গুৰুত্বপূৰ্ণ অৱদান যোগাইছে। প্ৰথম কথা ইয়াৰ জড়িয়তে জিলাখনলৈ নগদ ধনৰ সোঁত বৰলৈ আৰম্ভ হয়। ১০/১২ হেজাৰ শ্ৰমিক আৰু কৰ্ম্মচাৰী মজুৰি আৰু দৰমহাৰ ধনৰ আমদানি হোৱাৰ লগে লগে এখন বজাৰ মুকলি হয়। লগে লগে সেইবোৰ মানুহৰ কাৰণে খাদ্য দ্ৰব্যৰ আৰু অন্যান্য সামগ্ৰীৰ উৎপাদন আৰু আমদানিৰ প্ৰয়োজন হোৱাই স্বাভাৱিকতে অৰ্থনৈতিক কামকাজৰ পৰিসৰ আৰু চৰিত্ৰ সলনি হয়।

দ্বিতীয়তে জিলাখনৰ যোগাযোগ আৰু পৰিবহণ ব্যৱস্থাৰ বৈপ্লৱিক পৰিবৰ্ত্তন হয়। চাপৰমুখ-শিলঘাট ব্ৰাঞ্চ ৰেললাইন আৰু শিলঘাটৰ জাহাজঘাট স্থাপনে স্থলপথ আৰু নদীপথৰ আধুনিকীকৰণ হয়।

তৃতীয়তে জিলাখনৰ বেহা-বেপাৰৰ সম্প্ৰসাৰণ আৰম্ভ হয়।

চতুৰ্থতে পুঁজি আৰু শ্ৰমৰ প্ৰত্যক্ষ সম্পৰ্ক স্থাপন হোৱাৰ ফলত পুঁজিবাদী শোষণ ব্যৱস্থাৰ প্ৰবৰ্ত্তন হয় আৰু শ্ৰমিক আৰু মালিকৰ মাজত সংঘাতৰ পথ মুকলি হয়।

পঞ্চমত নগাঁও জিলাৰ অৰ্থনীতি জাতীয় আৰু আন্তৰ্জাতিক অৰ্থনীতিৰ অংশ হ'বলৈ আৰম্ভ কৰে।

ষষ্ঠত চাহবাগিছাত শ্ৰম কৰিবৰ কাৰণে স্থানীয় শ্ৰমিকৰ অভাৱ আছিল। সেইবাবে, বিহাৰ, উৰিষ্যা, মধ্যপ্ৰদেশ আৰু (বৰ্ত্তমানৰ) অন্ধ্ৰপ্ৰদেশ মানুহৰ প্ৰব্ৰজন ঘটে। লগতে ব্যৱসায় বাণিজ্য কৰিবৰ কাৰণে আহিল ৰাজস্থান আৰু উত্তৰ প্ৰদেশৰ বনিয়া আৰু শ্ৰমক্ষম মানুহৰ দল। ফলশ্ৰুতি হিচাবে জিলাখনৰ অৰ্থনৈতিক বিৱৰ্ত্তনৰ নতুন গতি আৰম্ভ হ'ল। অৱশ্যে এনেধৰণৰ জনস্ৰোতৰ ফলত জিলাৰ অৰ্থনীতিত বিৰূপ প্ৰতিক্ৰিয়াও নোহোৱা নহয়। ব্যৱসায়ৰ পৰা ৰাহি হোৱা ধন জিলাৰ বাহিৰ তথা ৰাজস্থান, উত্তৰ প্ৰদেশলৈ গুছি যায়। এই কথা ইংৰাজ শাসক বিষয়াসকলে লক্ষ্য কৰে। আনকি, চাহবাগিছা পৰিচালকসকলকো এই মাৰোৱাৰী ব্যৱসায়ীসকলে 'হুণ্ডীৰ' দ্বাৰা নগদ ধনৰ যোগান ধৰে।

জন সংখ্যাৰ সমস্যা :

যিকোনো ধৰণৰ অৰ্থনীতিতেই মানুহ মূল সম্পদ। ইয়াৰ সংখ্যা প্ৰাকৃতিক সম্পদ। ইয়াৰ সংখ্যা প্ৰাকৃতিক সম্পদ আৰু সমাজৰ উৎপাদন পদ্ধতিৰ সৈতে ৰজিতা খালেই ই সুসম সম্পদৰাজি বুলি গন্য হয়। অৱশ্যে তাৰ মান আৰু পৰিমাণ সদায় আপেক্ষিক। এনে সমতাৰ কম হলে ঘাটি জনসংখ্যা আৰু বেছি হ'লে অতিমাত্ৰা জনসংখ্যা (Over Papulation) হয়।

১৮৫১-৫২ চনৰ নগাঁও জিলাৰ কলেক্টৰ কেপ্তেইন বাটলাৰে তেতিয়া মধ্য অসমৰ এই বৃহৎ ভূখণ্ডত জনসংখ্যাৰ হিচাপ ধৰিছিল ২৪১,৩০০ জন বুলি। সেই সময়ত নিয়মিত লোক গণনা হোৱা নাছিল। তথাপি ধাৰণা হৈছিল প্ৰতি বৰ্গমাইলত ৬৮ জন লোকৰ বসতি আছিল। ইমান সেৰেঙা জনসংখ্যাৰ কাৰণ বিচাৰিবলৈ গৈ আনন্দৰাম ঢেকীয়াল ফুকনে মফ্‌ফট মিলচ্‌ক ১৮৫১ চনত দিয়া স্মাৰক পত্ৰত লিখিছে "It has been noticed that one half of the papulation of Assam was lost during the civil wars and the incursions of the Burmese which followed them. ..... More than one half of the country is now a vast extent of wastes" ঢেকীয়াল ফুকনে আৰু লিখিছে "We are further impressed with a belief that the people from the badly provided parts of Bengal could be likewise invited to emigrate. Mortality, however, above all appears to have materially impeded the progress of population in Assam."

কেপ্তেইন বাটলাৰে লিখিছে "Our extensive wastes or jungle can not be cultivated with a scanty population decreased by epidemics" আৰু লিখিছে, " unless Assam is colonized from Bengal, there is no prospect or hope of the province being brought fully under cultivation for centuries to come."

ইয়াৰ পৰা পৰিষ্কাৰ ভাবে ওলাই পৰে তৎকালীন শাসকবৰ্গৰ নগাঁও জিলা তথা অসমৰ জনসংখ্যা বৃদ্ধিৰ কাৰণে অতিশয় উদগ্ৰীৱ আৰু আগ্ৰহান্বিত। সেই কাৰণেই অসমৰ জিলাবোৰৰ

শাসকসকলে বঙ্গদেশৰ পৰা মানুহৰ প্ৰব্ৰজন যাতে অসম উপত্যকা আৰু সুৰমা উপত্যকালৈ হয় তাৰ বাবে জাননী দিছিল। অসমৰ তিনি চতুৰ্থাংশ কৃষিৰ উপযোগী মাটি পতিত হৈ আছিল। হাবি বননিৰে ভৰি আছিল। আনকি, জিলাৰ শাসকবৰ্গই বাহিৰৰ পৰা অহা মানুহে হাবি ভাঙি মাটি উলিয়াই তাত খেতিবাতি কৰি বসতি কৰিলৈ কেবাবছৰলৈকে মাটিৰ খাজানা দিব নেলাগে বুলিও জাননী দিছিল।

১৮৫১ চনত নগাঁও জিলাত দুৰ্ভিক্ষই দেখা দিলে। অসমৰ আন আন জিলাতো আকাল মহামাৰী হয়। সেই সময়ত নগাঁও জিলাত চাউলৰ দাম এমোনত ১০ টকা হৈছিল। প্ৰবাদ আছে এটকাত এটেমা চাউল। প্ৰাকৃতিক দুৰ্যোগ, মহামাৰী আৰু কৃষিবৰ্হিভূত জনসংখ্যা বৃদ্ধি হোৱাই কৃষিৰ উৎপাদন হোৱাৰ কাৰণেই দুভিৰ্ক্ষ । সেইবাবেই চাউলৰ দাম বৃদ্ধি।

জনসংখ্যা হ্ৰাস :

১৮৮৩ চনত নামনি অসমত কলাজ্বৰ মহামাৰীৰ আক্ৰমণ হয়। এইৰোগত হেজাৰ হেজাৰ মানুহৰ মৃত্যু হয়। অসংখ্য গাঁও এৰাবাৰী হ'ল। নগাঁও জিলাত এই মহামাৰীত হানি হোৱা মানুহ মুঠ জন সংখ্যাৰ শতকৰা ২৪.৮ ভাগ বুলি প্ৰকাশ। তেতিয়াৰেকে নগাঁও জিলালৈ হোৱা লোক প্ৰব্ৰজন নাম মাত্ৰ আছিল। চাহবাগানৰ শ্ৰমিকৰ কথা বেলেগ।

অসমীয়া মধ্যবিত্ত উপলব্ধি :

অসমৰ বৰ্দ্ধমান অৰ্থনীতিৰ কাৰণে বাহিৰৰ পৰা শ্ৰমজীবি মানুহ আমদানি কৰাটো অপৰিহাৰ্য্য হৈ পৰে। তৎকালীন অসমৰ চীফ কমিচনাৰ হেন্ৰী কটনে অসমলৈ মানুহ কঢ়িয়াবৰ কাৰণে ৰেল যোগাযোগৰ সম্প্ৰসাৰণ কৰাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিলে। আৰু নতুনকৈ ইংৰাজী শিক্ষা আৰু ইংৰাজৰ ব্যৱসায়েৰে শিক্ষিত আৰু অনুপ্ৰাণিত এচাম অসমীয়া মধ্যবিত্তও বাহিৰৰ পৰা লোক আমদানি হ'ব লাগে বুলি মত প্ৰকাশ কৰিলে।স্বনামধন্য প্ৰশাসক বুদ্ধিমন্ত পুৰুষ গুণাভিৰাম বৰুৱাই মত ডাঙি ধৰিলে যে অসমৰ অৰ্থনৈতিক অগ্ৰগতিৰ কাৰণে দহ লাখৰো অধিক আমদানি কৰিব লাগে।

১৮৯১-১৯০১ চনৰ লোক গণনা :

১৯ শতিকাৰ সামৰণি দশকত ইংৰাজ শাসনৰ মাজছোৱাত অসমত দ্বিতীয় লোকপিয়ল হয়। এই হিচাব মতে নগাঁও জিলাৰ জন সংখ্যা বৃদ্ধি হ'ল ২৩.৪ শতাংশ। কিন্তু অসমীয়া মানুহৰ জন সংখ্যা বৃদ্ধি হোৱাৰ পৰিবৰ্ত্তে কমিল। " The Assamese, stigmatised as apatheti idle, were stationary and idle were declining" (Census 1901) আৰু বাহিৰৰ প্ৰব্ৰজন চমক লগা। ১৮৮১ চনৰ লোকপিয়ল মতে বাহিৰৰ পৰা অহা মানুহ আছিল গোটেই অসমলৈ ২৮,০৬০৯ জন, ১৮৯১-১৯০১ চনৰ মতে হ'লগৈ ৫,১০,৬৭২ জন। ইয়াৰ ভিতৰত বঙ্গদেশৰ পৰা মানুহ হ'ল ৪,১৮,৩৬০ জন।

এই প্ৰব্ৰজনকাৰীবোৰ আহিছিল মৈমনসিং, ঢাকা আদি বঙ্গদেশৰ জমিদাৰ নিয়ন্ত্ৰিত ঘনবসতিপূৰ্ণ জিলাবোৰৰ পৰা। নগাঁও জিলাৰ উত্তৰ আৰু উত্তৰ পশ্চিমৰ ব্ৰহ্মপুত্ৰ নদী অন্নবাহিকা বিস্তীৰ্ণ উৰ্ব্বৰা হাবি বননিৰে ভৰা অঞ্চলত মৈমনসিং জিলাৰ পৰা খেতিয়কশ্ৰেণীৰ

মানুহ সোমাই পৰিছিল। ইকালে চিলেট জিলাৰ জমিদাৰ শোষণ-শাসনত জৰ্জৰিত কৃষি-জীবি মানুহ দলে দলে আহি নগাঁও জিলাৰ দক্ষিণ আৰু দক্ষিণ-পূব অঞ্চল-ডবকা, হোজাই, যমুনামুখৰ সুবহল জনবসতিহীন উৰ্ব্বৰা ভূমিত-স্থিতি ললেহি। চিটাগং-লামডিং-গুৱাহাটী ৰেল লাইন এনে জন-প্ৰব্ৰজনৰ পথ সুগম কৰিলে।

১৯১১ চনৰ পৰা ১৯২১ চনৰ ভিতৰত নগাঁও জিলাৰ তৎকালীন জনসংখ্যাৰ শতকৰা ১৪ ভাগ হ'ল নতুন প্ৰব্ৰজনকাৰী চিলেট মৈমনসিং জিলাৰ। য'তে চৰকাৰী খালী মাটি আছিল তাতে এই মানুহবোৰ বহি গৈছিল। নগাঁও জিলাৰ কালেক্টৰ মি: হিগিন্চওঁৰ লিখামতে - "এই নতুনকৈ অহা কৃষিজীৱি মানুহবোৰে স্থানীয় মানুহতকৈ ভালকৈ খেতি কৰিব পাৰে।"

এবাৰ এই "ভূমি-লোভী" মানুহৰ সোঁত বোৱা আৰম্ভ হোৱাৰ পিচত বছৰৰ পিচত বছৰ ধৰি প্ৰক্ৰিয়া চলিব ধৰিলে। ইয়াৰ লগত আছিল ব্যৱসায়ী, কাৰিকৰী আৰু ধনী পুঁজিপতিৰ দল।

ইংৰাজ শাসনৰ শেষৰ ৫০ বছৰত নগাঁও জিলাৰ (আজিৰ) জনসংখ্যাৰ বৃদ্ধিৰ হাৰ তলৰ তালিকাত পোৱা যাব।

জিলা নগাঁও	জনসংখ্যা বৃদ্ধিৰ হাৰ
১৯০১ - ১৯১১ চনত	শতকৰা ১৫.৮৪ ভাগ
১৯১১ - ১৯২১ "	" ৩১.৯৪ "
১৯২১ - ১৯৩১ "	" ৪১.৩৫ "
১৯৩১ - ১৯৪১ "	" ১০.৩৪ "
১৯৪১ - ১৯৫১ "	" ৪১.৪১ "

এই ৫০ বছৰকালত নগাঁও জিলাত প্ৰথম দশকত জনসংখ্যা বৃদ্ধিৰ কাৰণ প্ৰব্ৰজনেই আছিল প্ৰধান। ১৯১২ চনত নগাঁও জিলাৰ ডেপুটি কমিচনাৰ মি:ওৱাবেচ চাহাবে লিখিছে - "যোৱাটো দশকত পমুৱাৰ প্ৰব্ৰজনকাৰীৰ সংখ্যা বাঢ়িছে আৰু বঢ়াৰ আশা অথচ স্থানীয় মানুহৰ সংখ্যা কমিছে আৰু ভাল নহয়। শিক্ষিত অসমীয়া মানুহে জাতিটো লোপ পাব বুলি সন্দেহ কৰিছে। ১৯১১ চনৰ পৰা ১৯৩১ চনলৈ এই কুৰিবছৰৰ ভিতৰত নগাঁও জিলালৈ প্ৰব্ৰজনকাৰীৰ সোঁত প্ৰবল হয়। নগাঁও জিলাৰ অধিকাংশ অসংৰক্ষিত খেতিৰ উপযোগী মাটি নতুনকৈ অহা কৃষিজীৱি লোকক পট্টন দিয়ে। তৎকালীন অসম চৰকাৰ এই বিষয়ত উৎসাহী আৰু আগ্ৰহী আছিল দ্ৰুত জনসংখ্যা বৃদ্ধিৰ পৰিণাম-বিভিন্ন ৰকমৰ হয়।

(১) বঙ্গদেশৰ পৰা অসমলৈ নতুন খেতিয়াক সকলৰ সকলোবোৰ সেই দেশৰ জমিদাৰী শোষণ শাসনত নিপীড়িত। তেওঁলোকৰ প্ৰয়োজনীয় মাটিৰ পৰিমান-কম। গতিকে, নগাঁও তথা অসমত বিস্তীৰ্ণ অনাবাদী পতিত কৃষি বসতি উপযোগী পলসুৱা মাটিৰ প্ৰতি লোভ প্ৰবল।

(২) এই সকল লোকৰ খেতি বাতিকৰাৰ পদ্ধতি উন্নত ধৰণ আৰু প্ৰণালীবদ্ধ। ফলত, শস্যৰ উৎপাদনৰ বহুল বৃদ্ধি হয়।

(৩) নগদ ধনৰ শস্য মৰাপাটৰ খেতি ব্যাপক হাৰত আৰম্ভ হয়। যাৰ কাৰণে ৰূপহী, জুৰিয়া, আমবাগান, ধিং, ডুমডুমীয়া মৈৰাবাৰী অঞ্চল মৰাপাট বেপাৰৰ কেন্দ্ৰ হিচাবে গঢ়ি উঠে। তাৰ বাহিৰে, উন্নত পদ্ধতি ধান-খেতি কৰাৰ কাৰণে ধান উৎপাদন বৃদ্ধি হয়।

(৪) এই প্ৰব্ৰজনকাৰী খেতিয়ক মানুহবোৰ কঠোৰ পৰিশ্ৰমী আৰু কষ্ট সহিষ্ণু। শিক্ষাৰ ক্ষেত্ৰত একেবাৰে পিচপৰা। সামন্তবাদক্লিষ্ট মানসিকতাৰে আবৃত্ত এইসকলৰ জীৱন। অপৰাধ প্ৰবৃত্তি আৰু প্ৰৱনতা ব্যাপক আৰু গভীৰ। সৰহভাগেই কাজিয়া প্ৰিয়।

(৫) মৈমনসি আৰু চিলেট জিলাৰ পৰা অহা কৃষক সকলৰ অধিকাংশ মুছলমান। নগাঁও জিলাৰ স্থানীয় লোকৰ শতকৰা ৯৫ ভাগ হিন্দু। হিন্দুসকলৰ গোড়ামী আৰু 'পমুৱা' মুছলমানসকলৰ উগ্ৰতাৰ দ্বন্দ্ব বিভিন্ন সময়ত বিভিন্ন ৰূপত প্ৰকাশ পাবলৈ ধৰে।

(৬) মুছলমান খেতিয়কসকলে, স্থানীয় উদাস অসমীয়া খেতিয়কসকলৰ আবাদী মাটিও আগ্ৰাসনৰ প্ৰচেষ্টা কৰে। যাৰ কাৰণে চৰকাৰ মাটি পট্টনৰ ক্ষেত্ৰত "লাইন প্ৰথা" প্ৰৱৰ্ত্তন কৰিবলৈ বাধ্য হয়। মিঃ টমাছে ১৯২৪ চনত এই প্ৰথা প্ৰচলন কৰে। "লাইন প্ৰথা" নহলে অসমীয়া মানুহক ৰক্ষা কৰিব নোৱাৰা হ'ল।

(৭) প্ৰব্ৰজনকাৰী (immigrants) খেতিয়ক আৰু স্থানীয় বাসিন্দাসকলৰ মাজত অশান্তি আৰু উপদ্ৰৱৰ সূত্ৰপাৎ হোৱাৰ ফলত আৰু স্থানীয় ভাৱে মাটিৰ পৰিমান কমি অহাৰ ফলত নগাঁও জিলাৰ উত্তৰ, উত্তৰ-পশ্চিম অঞ্চলৰ বহুতো গাঁৱৰ মানুহ নিজ গাঁও এৰি অন্য জিলালৈ বিশেষকৈ দৰং, শোনিতপুৰ, লক্ষীমপুৰ আদি জিলালৈ উঠি যায়। সেয়া হ'ল ত্ৰিশৰ আৰু চল্লিশৰ দশকত আলি টাঙনি, পুঠিখাইতি, তেলিয়া চাপৰি, কাজুলী মাৰী আদি বহুতো অসমীয়া জন বসতিপূৰ্ণ গাওঁ এতিয়া এই প্ৰব্ৰজনকাৰী মৈমনসিঙীয়া মানুহৰ দখলত।

(৮) এই বিপুল প্ৰব্ৰজনে নগাঁও জিলাৰ অৰ্থনীতিৰ চেহেৰা সলনি কৰিলে শিৱসাগৰ, লক্ষীমপুৰ, দৰং, শোনিতপুৰ, যোৰহাট, গোলাঘাট, ডিব্ৰুগড় আৰু কাছাৰৰ অৰ্থনীতিত ৰূপান্ত ঘটালে নগদ শস্যৰ মূলধন নিয়োজিত চাহখেতিয়ে। নগাঁও, কামৰূপ আৰু গোৱালপাৰাৰ জিলাৰ অৰ্থ ব্যৱস্থালৈ নগদধনৰ সোঁত বোৱালে প্ৰব্ৰজনকাৰী মুছলিম খেতিয়কে উৎপাদন কৰা মৰাপাট শস্যৰে।

(৯) ইংৰাজ আহোঁতে চাৰিওফালে হাবি-বন-ভৰা, শস্য সম্ভৱা অনাবাদী নগাঁও জিলাত এশ বছৰৰ ভিতৰত, চৰণীয়া পথাৰ, আচুতীয়া ভূমিৰ বাহিৰে ক'তো এডৰাও চৰকাৰী পৰি থকা মাটি নোহোৱা হ'ল। স্থানীয় বাসীন্দাসকলে পাম পথাৰ বিচাৰিব লগা হ'ল।

(১০) স্থানীয় অসমীয়া মানুহেও মৰাপাট আৰু অন্যান্য নগদ শস্যৰ খেতি বজাৰত বিক্ৰীৰ কাৰণে কৰিবলৈ আৰম্ভ কৰিলে। মাহ, সৰিয়হ, তিল আদিৰ উৎপাদন বৃদ্ধি হোৱাৰ কাৰণে নগদ ধনৰ আমদানিও আৰম্ভ হ'ল। জীৱন-ধাৰণৰ মান স্বাভাৱিকতে উন্নত হ'ল। নগাঁও জিলাৰ কৃষি-অৰ্থনীতিত ক্ৰমে-পতিত ব্যৱসায়ী পুঁজিৰ বিনিয়োগ হ'ল।

(১১) মাটি মূলধনলৈ ৰূপান্তৰ হ'ল। আৰু কৃষকৰ কৃষি কাৰ্যৰ কাৰণে ঋণৰ আৱশ্যক হোৱা ব্যৱসায়ীসকলৰ অধিকাংশই কৃষি-ঋণ দিয়া মহাজনলৈ পৰিণত হ'ল। খেতিয়ক সকলক দৰকাৰ হ'ল নগদ ধনৰ। এই মহাজন শ্ৰেণীয়ে সেই ধনৰ যোগান ধৰিলে। সেই ধনৰ সুসকালীন অৰ্থাৎ তিনি মাহৰ পৰা ছমাহৰ কাৰণে দান বা সুদ, মূলধনৰ আধা বা পুৰা।

কৃষিত বজাৰৰ প্ৰৱেশ ঃ

মৰাপাট আৰু মাহ সৰিয়হ এই আটাইকেই বিধ শস্যই পণ্য উৎপাদন হিচাবে গণ্য হয়। মাহৰ উৎপাদনৰ এটা অংশ বাদ পৰে। গতিকে এই শস্যবোৰৰ উৎপাদন ধনানিকৰণ হৈছে। ইয়াৰ দাম নিৰ্ণয় হয় বজাৰৰ দ্বাৰা। উৎপাদন ব্যৱস্থাত পুঁজি প্ৰৱেশ হ'লেও উৎপাদনকাৰীৰ দাম নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত ভূমিকা বিশেষ নেথাকে। মিলৰ মালিক বিলাকৰ চাহিদা আৰু মধ্যস্বত্বাধাৰী বেপাৰীসকলে এই কৃষিজাত কেঁচামাল (Raw materials) দাম নিৰ্দ্ধাৰণ কৰে। প্ৰকৃত মূল্য কৃষকে নাপায়। উৎপাদনকাৰী কৃষকসকল দুতৰপীয়া শোষণৰ বলি হয়। যি সকল খেতিয়কে নিজৰ মাটিত খেতি কৰে, সেইসকলে মহাজনৰ পৰা ধন ধাৰলৈ আনি খেতিৰ কাম কৰাৰ বাবদ মহাজনক ডবল সুদ দিব লাগে সেইবাবে মহাজন সকলে কৃষকক শোষণ কৰে। আকৌ বজাৰত মিলৰ মালিক, পুঁজিপতি আৰু ব্যৱসায়ী পুঁজিপতিসকলে উচিত দাম নিদি কৃষক সকলক শোষণ কৰে। উৎপাদনৰ ক্ষেত্ৰত বজাৰৰ প্ৰভাৱ পৰিল।

ধান উৎপাদনৰ উদ্বৃত্ত ঃ

নগাঁও জিলাৰ হোজাই, ডবকা, কামপুৰ, যমুনামুখ, লঙ্কা অঞ্চলত চিলেট জিলাৰ পৰা প্ৰব্ৰজন কৰা জমিদাৰ-পিড়ীত খেতিয়ক বিলাকে হাবি বন ভাঙি মাটিবোৰ দখল কৰিলে। চৰকাৰে নতুন প্ৰজাবোৰক যথা-শীঘ্ৰে মাটি পট্টন দি গজগজীয়া কৰিলে। এই এলেকাত প্ৰচুৰ ধান খেতি হ'বলৈ ধৰিলে। ইয়াৰ উদ্বৃত্ত ধান-বিক্ৰীৰ কাৰণে জিলাৰ বাহিৰলৈ নিয়া হয়। হোজাই যমুনামুখ, কামপুৰ, ডবকা, লংকা আদি ঠাই ধানবেপাৰৰ কেন্দ্ৰ হিচাবে বিকাশ হ'ল। তাৰ যোগেদি নগদ ধনৰ সোঁত ববলৈ আৰম্ভ কৰিলে। এই ঠাইবিলাকৰ মাজেদি অসম-বেঙ্গল ৰেল লাইন পাৰহৈ যোৱাৰ কাৰণে উৎপাদিত শস্যৰ বজাৰিকৰণ সহজ হ'ল। এই অঞ্চলত জনসংখ্যা বাঢ়িল। খেতিয়কে নিজৰ প্ৰয়োজনৰ কাৰণেই পথাৰত ধান নকৰে, আনৰ প্ৰয়োজনৰ কাৰণেও এতিয়া খেতিত নামে তাৰ কৃষক। লণ্ডন, বোম্বাই, কলিকতাৰ মানুহে হোজাই, ডবকা, যমুনামুখ, কামপুৰৰ মানুহৰ কাৰণে কাপোৰ, সূতা, ঔষধপাতি, তেল-চাবোন বিলাসৰ সামগ্ৰী উৎপাদন কৰে।

সামগ্ৰিকভাৱে গোটেই নগাঁও জিলাৰ অৰ্থনীতিৰ চৰিত্ৰৰ সলনিৰ প্ৰক্ৰিয়া আৰম্ভ হয়। কৃষি জীৱন আৰু কৃষি পদ্ধতিৰ উন্নতিসাধনৰ কাৰণে ঔপনিবেশিক শাসন আৰু শোষণৰ ভেটী সুদৃঢ় কৰাৰ বাবে চৰকাৰে ১৮৮১ চনত কৃষি সঞ্চালকৰ দপ্তৰ খোলে। এই দপ্তৰত কৃষি বিকাশ সম্পৰ্কীয় ব্যৱস্থা গ্ৰহণৰ চৰকাৰী নীতি নিদ্ধাৰণ কৰা হয়। পশু চিকিৎসাৰ বিভাগটোও ইয়াৰ লগত সন্নিবিষ্ট হয়। সেইমতে নগাঁও জিলাত কেবা ঠাইতো পশু চিকিৎসাৰ কেন্দ্ৰ মুকলি হয়।

কৃষিঋণ আৰু গাঁৱলীয়া বেংক ঃ

খেতিয়ক শ্ৰেণীৰ কৃষি কাৰ্য্যৰ ধনৰ প্ৰয়োজন। সেই ধন সময়মতে আৰু আৱশ্যকীয় পৰিমাণে পোৱাটো দুৰূহ। আগতে উল্লেখ কৰা হৈছে, বেপাৰী শ্ৰেণীৰ আগমন হোৱাৰ লগে লগে সেই বেপাৰীসকলে কৃষকক ঋণৰ কামো আৰম্ভ কৰিলে। সুদৰ পৰিমাণ অত্যাধিক আৰু ঋণৰ পৰিমান যথেষ্ট নহয়। তাতে আকৌ ঋণ লবৰ কাৰণে মহাজনক হয় মাটি, নহয় গহণা-গাঠৰি আদি বন্ধক বা জমা দিব লাগে। এই ঋণ সময়মতে পৰিশোধ কৰিব নোৱাৰিলে বন্ধকীমাটি বা গহণা গাঠৰি হেৰুৱাব লাগে। গৰু-গাই বিক্ৰী কৰিব লাগে। সাধাৰণ খেতিয়কশ্ৰেণী এনেকৈ সৰ্বশ্ৰান্ত হয়। এনে অৱস্থাত চৰকাৰে সমবায় ভিত্তিত ১৯২০ আৰু ৩০ ৰ দশকত গাঁৱলীয়া বেংকৰ ব্যৱস্থা কৰে। ইয়াৰ যোগেদি কৃষকক ঋণৰ যোগান ধৰে। কিন্তু এই ব্যৱস্থা ফলপ্ৰসূ নহ'ল। চল্লিছৰ দশকত ই অচল হ'ল।

গৰুগাড়ীৰ প্ৰচলন আৰু কৃষি ঃ

নগাঁও জিলাৰ কৃষিজাত শস্যবোৰৰ পৰিবহণৰ সমস্যা সমাধানৰ পথত দুচকীয়া যন্ত্ৰবিহীন গাড়ীৰ প্ৰচলন হয় কুৰি শতিকাৰ আৰম্ভনীৰ পৰা। উনৈশ শতিকাত ইয়াৰ উদ্ভাৱন আৰু প্ৰচলন হোৱা নাছিল। গৰু-ম'হ দুয়োবিধ পোহনীয়া জন্তুৰ দ্বাৰা এই গাড়ী চলোৱা হয়। ইয়াৰ ফলত মাহ-সৰিয়হ মৰাপাট আৰু ধান আদি শস্য ভিতৰুৱা গাঁও অঞ্চলৰ পৰা কঢ়িয়াই অনা সম্ভৱ আৰু সহজ হয়। সেইবাবেই গাঁও অঞ্চলত সাপ্তাহিক হাট-বজাৰ বাঢ়ি গ'ল। কৃষিজাত পন্যবোৰৰ আদান প্ৰদান সহজ হ'ল। নগদ ধন গাঁও অঞ্চললৈ সোমাই গ'ল। অকল সেয়ে নহয়, পুঁজিবাদী উৎপ্ৰব্যৱস্থাৰ যাৱতীয় লঘু পন্য সামগ্ৰীবোৰৰ কাৰণে বজাৰখন বহল হ'ল। আধুনিক ব্যৱসায়-ৱাণিজ্যৰ বিকাশৰ লগে লগে জিলাখনৰ মানুহৰ জীৱন ধাৰণৰ মান উন্নত হ'ল। অত্যাৱশ্যকীয় সামগ্ৰীৰ বাদেও বিলাসীতাৰ সামগ্ৰীও বিক্ৰী হোৱাত সুবিধা হ'ল।

নগাঁও জিলাৰ শিল্প বিকাশ ঃ

উনৈশ শতিকাত ইংৰাজে দেশ দখল কৰাৰ সময়ত অসমত যেনেকৈ কোনো যন্ত্ৰশিল্প নাছিল- নগাঁও জিলাতো তেনে কোনো যন্ত্ৰশিল্প বা কাৰখানা ফেক্টৰী নাছিল। নগাঁও জিলাৰ অৰ্থনীতি একেবাৰে গ্ৰাম্য অৰ্থনীতি আছিল। অৰ্থনীতিৰ ভাষাত ইয়াক Subsistence economy বুলি বহুতে ক'ব খোজে। আচলতে গোটেই উৎপাদন ব্যৱস্থাটো কৃষিৰ ওপৰত অৱস্থিত আৰু এই কৃষিজাত বস্তুৰ পৰা গাঁও বা ঘৰ ভিত্তিত সাধাৰণ আৰু অনাবিল জীৱনৰ প্ৰয়োজনীয় সামগ্ৰীবোৰ উৎপন্ন কৰিছিল। সামান্য অংশ মাত্ৰ বিনিময়ৰ বাবে উৎপন্ন কৰা হৈছিল। যিহেতু বিক্ৰী বা বিনিময়ৰ উৎপন্নৰ বুজন অংশ ব্যৱহাৰ কৰা নাছিল আৰু নিজৰ প্ৰয়োজনৰ কাৰণেই সকলো বস্তু উৎপন্ন কৰা হৈছিল, সেই কাৰণেই মই ক'ব খোজোঁ, সেই অৰ্থনীতি গৃহ বা ঘৰুৱা অৰ্থনীতি। কপাহৰ সূতা কাটি ঘৰতে কাপোৰ বৈ লয়। সৰিয়হৰ তেল ঘৰতে বা গাঁৱতে পেৰি পকাতেল খায়। নিমখৰ ঠাইত শতখাৰ ব্যৱহাৰ কৰে। বাঁহ, বেত, কাঠৰ সজুঁলি ঘৰতে বনায়। কাঁহ-পিতল-মাটিৰ সাজ-বাচন গাঁৱতে ধান চাউল বা অন্য বস্তু দি সলায় লয় বা ক্ৰয় কৰে। সেই কাৰণেই ইংৰাজ আহি এনে Self-contained economy ৰ

সন্মুখীন হৈ বিমোৰত পৰিছিল।

ইংৰাজ চৰকাৰ, নগাঁৱৰ স্বয়ংতুষ্ট অৰ্থনীতি ভাঙি চুৰমাৰ কৰিবৰ কাৰণে বদ্ধ-পৰিপক্কৰ হ'ল। বামিংহাম, মানচেষ্টাৰৰ মিহি সূতা আৰু কাপোৰ আনি মেলি দিয়াৰ পিচত বাবীৰ কপাহৰ গছবোৰ নোহোৱা হ'ল। শালৰ কাপোৰৰ ঠাইত কলৰ কাপোৰ আহিল। গাঁৱে গাঁৱে কেঞা মাৰোৱাৰী বেপাৰীহঁত সোমাই পৰিল। নগাঁও চহৰত হয়বৰগাঁও আৰু কেঞাঁপট্টিত ৰাজপুতনাৰ বনিয়াসকল বহি ললে। তাৰ পিচত দিনক দিনে স্বয়ং সম্পূৰ্ণ অৰ্থনীতিয়ে নগাঁও জিলাৰ পৰা মেলানি মাগিলে। ঠাই ললে, Dependent economy এ। ই দ্ৰুত গতিত বহুবিস্তৃত হ'বলৈ ধৰিলে।

কুৰিশতিকাৰ প্ৰথম ৫০ বছৰত, পূৰ্ববঙ্গৰ পৰা কৃষক সকলে নগাঁও জিলাৰ খেতিৰ প্ৰচুৰ উৎপাদন বৃদ্ধি কৰালে। ধান্য-উৎপাদনৰ অঞ্চলবোৰত ধান বনাৰ কাৰণে ধান-কল স্থাপন হ'ল। সেই হিচাপে হোজাই, যমুনামুখ, জখলাবন্ধা, কামপুৰ, ৰহা, নগাঁও, কঠিয়াতলি আৰু লঙ্কাত ধানকল স্থাপন হ'ল। এই ঠাইবোৰৰ চাউল অন্যান্য ঠাইলৈ ৰপ্তানি হয়। সৰিয়হ উৎপাদনৰ ওপৰত ভিত্তি কৰি নগাঁৱত তেলকল স্থাপন হ'ল। চাহপাত শুকুৱাই গুৰি কৰাৰ কাৰণে চাহবাগিছাবোৰত চাহপাতৰ কাৰখানা স্থাপন হয়। মুঠতে কৃষিজাত সামগ্ৰী আৰু তাৰ আনুসঙ্গিক পণ্য সেৱাৰ কাৰণে নগাঁও জিলাত কৃষি শিল্পই গা কৰি উঠে। সেই সময়ৰ নগাঁও জিলাৰ শিল্প বিকাশৰ চিত্ৰটো এনে ধৰণৰ-

<u>১৯৫১ চনৰ আগৰ</u>

নগাঁও	ধান-বনা মিল	-	৩৮ টা
	তেল মিল	-	৫ টা
	চাহপাতৰ কলঘৰ	-	২০ টা
	কাঠ মিল	-	১০ টা
	মটৰগাড়ী মেৰামতিৰ কাৰখানা	-	২ টা
	বাইচাইকেল কাৰখানা	-	১ টা
	আটাৰ (ঘেহু) মিল	-	৩ টা

ইয়াৰ বাহিৰে ছপাখানা শেৱালী প্ৰেছ, সূৰ্য্য প্ৰেছ আৰু সুৰেণ প্ৰেছ স্থাপন হয়।

এই সকলোবোৰ শিল্প বেচৰকাৰী খণ্ডত, ব্যক্তিগত মালিকানা স্বত্ত্বত স্থাপন হৈছিল। চাহ বাগিছাৰ কলঘৰবোৰৰ বাহিৰে, নগাঁও জিলাৰ সকলোবোৰ উদ্যোগ ভাৰতীয় মানুহৰ হাতত আছিল। নগাঁও টাউনৰ ছপাখানা তিনটাৰ বাহিৰেও আনবোৰ উদ্যোগ যেনে-ধানমিল, আটাৰ মিল, তেল মিল এইবোৰৰ মালিক মাৰোৱাৰী ব্যৱসায়ী।

ৰেলকাৰখানা ঃ এই শতিকাৰ আগভাগত নগাঁও জিলাত ৰেলগাড়ী চলিবলৈ ধৰে। তাৰ লগে লগে জিলাখনত অৱস্থিত তৎকালীন তিনিটা জংচনত তিনিটা ৰেল ওৱৰ্কচপ, লামডিং, চাপৰমুখ আৰু শেনচোৱাত স্থাপন কৰা হয়।

সেৱা-খণ্ড ঃ ইংৰাজৰ শাসন কালত নগাঁও জিলাৰ অৰ্থনীতিত সেৱাখণ্ডত বিকাশৰ সূচনা

হৈছিল। তাৰ ভিতৰত ভাৰত চৰকাৰৰ নিয়ন্ত্ৰণত থকা ডাক-তাঁৰ বিভাগ আৰু ৰেল বিভাগ প্ৰধান আছিল। জিলাখনৰ প্ৰধান ঠাইবোৰত ডাকঘৰ স্থাপন হয় আৰু নগাঁও টাউনত ইয়াৰ প্ৰধান কাৰ্য্যালয় লগতে তাঁৰ ঘৰো। ৰেল লামডিং, গুৱাহাটী, চাপৰমুখ, শিলঘাট আৰু শেনচোৱা, মৈৰাবাৰী লাইন প্ৰবৰ্ত্তনৰ লগে লগে কৰ্মচাৰী বাহিনীৰ সৃষ্টি হ'ল। ইয়াৰ লগত তাঁৰ বিভাগটো থাকিল। গতিকে ডাক-তাৰ-ৰেল এই তিনটা বিভাগত ভাৰত চৰকাৰৰ কৰ্মচাৰীৰ সেৱা নগাঁও জিলাৰ অৰ্থব্যৱস্থা সন্নিবিষ্ট হ'ল।

প্ৰাদেশিক চৰকাৰৰ সেৱা বিভাগ প্ৰশাসন, ৰাজহ প্ৰশাসন আৰু পুলিচ। তাৰ বাহিৰেও সমাজসেৱা বিভাগৰ ভিতৰত চিকিৎসা, গড়-কাপ্তানি আৰু শিক্ষা। এইবোৰ সেৱাত নিযুক্ত হোৱা জনসমষ্টিয়ে তেওঁলোকৰ সেৱাৰ বিনিময়ত নগদ ধনৰ দৰমহা পায়। এই ধন জিলাখনৰ অৰ্থনীতিত সোমাই পৰে। ইয়াৰ স্বাভাৱিক পৰিণতি হয় ক্ৰয় ক্ষমতা বৃদ্ধি, চাহিদাৰ সৃষ্টি আৰু বজাৰত আমদানি বৃদ্ধি।

নগাঁও অৰ্থনীতিৰ ধন প্ৰৱাহৰ ৪টা উৎস ঃ

এশ বছৰীয়া বৃটিছ শাসনৰ কালত নগাঁও জিলাৰ উৎপাদন ব্যৱস্থাৰ ক্ৰমাগত বিৱৰ্ত্তন আৰু উৎপন্ন বস্তুৰ বজাৰিকৰণ হয়। চাৰিটা উৎসৰ পৰা অৰ্থনীতিৰ ধনানিকৰণ আৰম্ভ হয়।

প্ৰথমটো হ'ল,-জিলাখনৰ পূব আৰু উত্তৰ পূৰ্ব্বাঞ্চলত চাহৰ খেতি আৰম্ভ হোৱাৰ কাৰণে-মানুহৰ হাতলৈ নগদ ধনৰ আমদানিৰ সোঁত বয়।

দ্বিতীয় উৎস হ'ল,-নগাঁও জিলাৰ উত্তৰ-উত্তৰ পশ্চিম অঞ্চলত নতুনকৈ মৈমনছিঙিয়া খেতিয়কৰ মৰাপাট উৎপাদন। মৰাপাটৰ উৎপন্ন যিমান বাঢ়ে সিমান বেছি নগদ ধনৰ সোঁত বয়। ই অনিশ্চিত আৰু অসীম।

তৃতীয় দিশ হ'ল,-দক্ষিন আৰু দক্ষিন-পূব নগাঁও জিলালৈ ছিলেটি খেতিয়কৰ প্ৰব্ৰজন আৰু উদ্বৃত ধানৰ উৎপাদন। আৰু ইয়াৰ বজাৰিকৰণ।

চতুৰ্থ উৎস হ'ল-সেৱাৰ খণ্ড। কৰ্মচাৰী, বিষয়াবৰ্গৰ নগদ দৰমহা-আৰু যৎসামান্য উন্নয়নমূলক ৰাজহুৱা কাম। ইয়াৰ পৰা নিয়মিত অথচ পৌনঃপনিক হিচাবে ধনৰ আমদানি হয়। ইয়াৰ বাহিৰেও জিলাখনৰ বাকীখিনি অংশৰ বাসীন্দাসকলৰ উৎপাদিত কৃষিজাত আৰু অন্যান্য সামগ্ৰীৰ বজাৰীকৰণ প্ৰক্ৰিয়াত প্ৰবেশ ঘটে আৰু বামশস্যৰ ধনানিকৰণ হয়।

এশবছৰীয়া ইংৰাজ শাসনৰ অৰ্থনৈতিক পৰিনতি ঃ

ইংৰাজ শাসকবৰ্গই জন-শক্তি বৃদ্ধিৰ কাৰণে অনুসৰণ কৰা নীতিৰ বাবেই সেৰেঙা বসতিপূৰ্ণ হাবিতলীয়া নগাঁও জিলাখন-এশ বছৰৰ ভিতৰত মানুহৰ হাবিলৈ ৰূপান্তৰ হ'ল। অসমৰ ভিতৰত আটাইতকৈ ঘন বসতিপূৰ্ণ জিলা হিচাবে পৰিগণিত হ'ল। ১৯৩১ চনৰ ভিতৰত চি এচ মোলানৰ ভাষাত প্ৰব্ৰজনকাৰীয়ে "নগাঁও জয় প্ৰায় সম্পূৰ্ণ কৰে।" ১৯৭২ চনত প্ৰতিবৰ্গ মাইলত ইয়াৰ জনসংখ্যা আছিল ৬৮ জন, আৰু ১৯৫১ চনৰ লোকপিয়লমতে ই হ'লগৈ ৪৩৯ জন। (অৱশ্যে, ১৯৫১ চনৰ পিয়লত মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰ অঞ্চল নগাঁও জিলাৰ পৰা বাদ দিয়া হৈছে।

বৃটিছ চৰকাৰে অসমত এশ বছৰৰ ৰাজত্ব কালত যি ভূমিনীতি গ্ৰহণ কৰিছিল-তাৰ ফলস্বৰূপে নগাঁও জিলাৰ অৰ্থনীতিৰ দুই ৰকমৰ ফল হ'ল। পতিত চৰকাৰী মাটিত, যাইকে ব্ৰহ্মপুত্ৰ নদীৰ দাঁতি কাষৰীয়া অঞ্চল আৰু জিলাখনৰ দক্ষিন আৰু দক্ষিন-পূৱ অঞ্চলত মুকলিভাৱে নৱ-প্ৰব্ৰজনকাৰীক মাটিৰ বন্দোবস্তি দিয়াৰ কাৰণে স্থানীয় বাসিন্দালৈ মাটি কমি আহিল। আৰু, জমিদাৰ পীড়িত প্ৰব্ৰজনকাৰীসকলে নগাঁও জিলালৈ আহি সন্মুখত দূৰান্তলৈকে উৰ্ব্বৰা পতিত মাটি পাই পাৰ্য্যমানে আগুৰি ল'লে। সেইসকলৰ বহুতেই মাটিৰ মহাজনলৈ ৰূপান্তৰ হ'ল।

ইপিনে, চৰকাৰে অনুসৰন কৰা খাজনা নীতিৰ কাৰণে বহুতো অসমীয়া মানুহে মাটিৰ খাজনা আদায় দিবৰ নোৱাৰাৰ কাৰণে, দখলৰ মাটি হেৰুৱালে। মাটি মহালীলামত গ'ল।

আকৌ, অৰ্থনৈতিক বিৱৰ্ত্তনৰ ফলত সৃষ্টি হোৱা জীৱন-জীবিকাৰ জঞ্জালত মাটি বন্ধক-বিক্ৰী হৈ বহুতো ভূমিহাৰা হ'ল। কৃষকৰ মাজলৈ শ্ৰেণী বিভাজন আহিল। ভূমিহীন খেতিয়ক, দুখীয়া খেতিয়ক, মজলীয়া খেতিয়ক, ধনী খেতিয়ক আৰু মাটিৰ মহাজন শ্ৰেণীৰ সৃষ্টি হ'ল। অনুপস্থিত মাটিৰ মালিক (Absentee landlord) আহিল।

খেতিকৰাৰ বন্দোবস্তিৰ ভিত্তিত কৃষকৰ মাজত শ্ৰেণীৰ বিন্যাস হ'ল। (১) একেবাৰে নিজৰ নামত মাটি নোহোৱাকৈ পথাৰত কাম কৰা এচাম খেতিয়কৰ সৃষ্টি হ'ল। তাৰ সংখ্যা কম। (২) অলপ মাটি থকা- আৰু আনৰ মাটিত আধি আৰু চুক্তিৰ ভিত্তিত খেতিকৰা এক বুজন শ্ৰেণীৰ খেতিয়ক হ'ল। সেইসকলক দুখীয়া খেতিয়ক বুলি কোৱা হয়। (৩) নিজৰ মাটিত হাতে-হালোৱা এচাম খেতিয়কৰ উদ্ভৱ হ'ল। এই শ্ৰেণীৰখেতিয়কে আনৰ মাটিত খেতি নকৰে। সেইসকল হ'ল-মজলীয়া শ্ৰেণীৰ খেতিয়ক। (৪) ধনী খেতিয়ক,-হ'ল-নিজে খেতি কৰায়, আধি বা চুক্তিয়ো দিয়ে আৰু খেতিৰ পৰা প্ৰয়োজনতকৈ অধিক শস্য আৰ্জন কৰে। (৫) জিলাখনত এচাম মাটিৰ মালিকৰ সৃষ্টি হ'ল-যিসকলে, নিজে খেতি নকৰে, খেতি কৰা মাটিৰ পৰা আতৰত বসতি কৰে, কৃষি কাৰ্যৰ কাৰণে কোনো বৰঙণি বা সহযোগ নিদিয়ে অথচ, উৎপন্ন এটা অংশ ভোগ কৰে। বঙ্গদেশৰ তহচিলদাৰ বা নগাঁও জিলাৰ খেৰাজদাৰ পৰ্য্যায়ৰ এই শ্ৰেণীৰ লোক। বিনামূলধনে-শোষণৰ ব্যৱস্থা-সামন্তবাদী শোষণ ব্যৱস্থাৰ নতুন ৰূপ।

এশবছৰীয়া বিদেশী শাসনে নগাঁও জিলাখনক দেশী-বিদেশী ঔদ্যোগপতি আৰু ব্যৱসায়ী পুজিপতি শ্ৰেণীৰ শোষণৰ ৰম্যভূমি কৰিলে। গ্ৰাম্য বা গৃহ অৰ্থনীতি একেবাৰে উৎখাত কৰিলে। কুটীৰ শিল্পৰ এপৰল পৰিল। ধনৰ প্ৰধান্য বাঢ়িল। পুঁজিবাদী মানসিকতা আৰু তাৰ সামাজিক বিষক্ৰিয়া সৰ্ব্বব্যাপী হ'ল। ব্যক্তিস্বাৰ্থৰ আত্ম-কেন্দ্ৰিক সংকীৰ্নতাই-সমাজ আৰু ব্যক্তিগত জীৱন দুৰ্বহ কৰিলে। আৰ্থিক স্বচ্ছন্দতাৰ ভেটি খহি পৰিল। জীৱন-ধাৰণৰ মানৰ কাৰণে প্ৰয়োজন বাঢ়িল, কিন্তু উপাৰ্জ্জন নেবাঢ়িল। অনাবিল সাৱলীল অভাৱবিহীন নগাঁও জিলাৰ মানুহবোৰৰ অভাৱৰ সীমা-সংখ্যা নোহোৱা হ'ল।

যোগাযোগ আৰু যাতায়তৰ উন্নতি যথেষ্ট হ'ল। জিলাখনলৈ মানুহৰ গমনাগমন বাঢ়িল। দ্বিতীয়খন বিশ্ব মহাযুদ্ধৰ ধুমুহাই নগাঁওখন কোবাই গ'ল। যুদ্ধৰ বজাৰে জিলাৰ

আৰ্থব্যৱস্থাক জোকাৰণি দিলে। আটাইতকৈ ডাঙৰ কথা-জিলাখনৰ একালৰ কৰ্মবিমূখী (indulent) মানুহ শতেক বছৰ পিচত বহু পৰিমাণে 'এলাহ নিহালি' থৈ হাতে কামে লাগিবলৈ বাধ্য হ'ল। ই, মানুহ জীয়াই থকাৰ লক্ষণ। সেয়েহে, আমি ৪১-৫১ চনৰ দশকত জিলাৰ জনসংখ্যা বৃদ্ধি পাওঁ শতকৰা ৪১.৪১ ভাগ, কিন্তু অসমৰ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ আছিল ১৯.৯৩ ভাগ। অস্বাভাৱিক নিশ্চয় হয়। ইতিমধ্যে দেশবিভাজন হৈছে। গতিকে জীয়াই থকা চাহিদা আৰু যোগানৰ সমস্যাও প্ৰকট কৰি ইংৰাজ আঁতৰি গ'ল, - শতেক বছৰৰ শাসন ওৰ পৰিল।

স্বাধীনতাৰ পঞ্চাশ বছৰত নগাঁও জিলাৰ অৰ্থনীতি ঃ

১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰতবৰ্ষৰ পৰা ইংৰাজ শাসনবৰ্গ দেশক শাসন ক্ষমতা, দেশৰ মানুহৰ হাতলৈ হস্তান্তৰ কৰি গুচি গ'ল। দেশৰ মানচিত্ৰৰ ভালেমান সাল-সলনি হ'ল। আৰু স্বাধীন ভাৰতবৰ্ষই এখন নতুন সংবিধান ৰচনা আৰু গ্ৰহণ কৰি নতুনকৈ ৰাষ্ট্ৰীয় জীৱনৰ পাতনি মেলিলে। সেই সংবিধানৰ বিধি অনুযায়ী নগাওঁ জিলাৰ আৰ্থ-সামাজিক ব্যৱস্থাৰ ভেটি নিৰ্দ্ধাৰিত হয়। তাৰ পিছৰ পৰাই নগাঁও জিলাৰ অৰ্থনৈতিক গতি বিধি আৰু প্ৰকৃতি জাতীয় অৰ্থনীতি আৰু সমাজ ব্যৱস্থাৰ আকাৰ প্ৰকাৰ চৰিত্ৰ স্বৰূপ আৰু গতি বিধিৰ লগত নিবিড় ভাবে চামিল হয়। আৰু স্বাধীনোত্তৰ ভাৰতবৰ্ষৰ সংবিধান মতে নিৰ্দ্ধাৰিত হোৱা নগাঁও জিলাৰ আয়তন আৰু চাৰিসীমাৰ পৰিবৰ্ত্তন হয়। আৰু আমাৰ অৰ্থনৈতিক বিচাৰ বিশ্লেষণো এই পৰিৱৰ্ত্তিত নগাঁও জিলাৰ ওপৰতেই কৰা হৈছে।

নগাঁও জিলাৰ চাৰিসীমা ঃ

পূবে- কাৰ্বি আংলং জিলা আৰু গোলাঘাট জিলা। উত্তৰে- ব্ৰহ্মপুত্ৰ নদী। দক্ষিণে- কাৰ্বি আংলং জিলা। পশ্চিমে- কামৰূপ জিলা।

এই চাৰিসীমাৰে আবৃত্ত নগাঁও জিলাৰ আয়তন স্বাধীনতাৰ প্ৰথম চাৰিটা দশকলৈকে আছিল- ৫,৬১৩ বৰ্গ কিলোমিটাৰ বা ২,১৬৭ বৰ্গ মাইল। প্ৰতি বৰ্গ কিলোমিটাৰত ২১৬ জন লোকৰ বসতি (১৯৬১ চনৰ লোকপিয়ল প্ৰতিবেদন)।

স্বাধীন ভাৰতত নগাঁও জিলাৰ অৰ্থনীতিৰ পৰিসৰ স্বাভাৱিকতেই পৰাধীন ভাৰতৰ অৰ্থনীতিৰ পৰিসৰতকৈ বহুতো সমপ্ৰসাৰিত আৰু সংগঠিত। কিন্তু ঔপনিবেশিক অৰ্থনীতিৰ ভালেখিনি বুনিয়াদী গাঁথনি, জিলাখনৰ অৰ্থনৈতিক অগ্ৰগতি আৰু সম্প্ৰসাৰণ ভিত্তি হিচাবে ৰৈ গৈছে। এই অৰ্থনীতিৰ সংশ্লিষ্ট উপাদানসমূহ হৈছে- জন সংখ্যা, ভূমি, কৃষি, শিল্প, পৰিবহন, যাতায়ত আৰু যোগাযোগ, সেৱা, ব্যৱসায়-বাণিজ্য, মূলধন বিনিয়োগ আৰু মূলধন গঠন, উপাৰ্জ্জন আৰু ব্যয় আৰু অৰ্থনৈতিক বিকাশৰ হাৰ। বৰ্ত্তমান অৱস্থাত এই সকলোবোৰ উপাদানৰ যথাযথ ভূমিকাৰ বিৱৰণ আৰু তথ্য উপস্থাপন কৰা সম্ভৱ নহলেও গুৰুত্বপূৰ্ণ উপাদানবোৰৰ অৱদানৰ বিশ্লেষণ হ'ব। আৰু এইবোৰৰ সম্যক মূল্যায়ন আৰু সমাধানেই জিলাখনৰ আৰ্থসামাজিক অগ্ৰগতিৰ দিক্ নিৰ্ণয় কৰে।

জনসম্পদ ঃ

আধুনিক অৰ্থনৈতিক বিচাৰ বিশ্লেষণত জনসংখ্যাক, জনসম্পদ বুলি নিৰূপন কৰা হয়। কিন্তু দুটা দশকৰ আগলৈকে এই জনসম্পদক সম্পদ হিচাবে আজিৰ অৰ্থত গ্ৰহণ কৰা নাছিল। সেই কাৰণে এই জনসম্পদক মালথাছীয় ভাবাত জন বিপদ বুলি গন্য কৰা হৈছিল। আকৌ আমাৰ দেশলৈ অৰ্থাৎ অসমলৈ অহা কালত জন সেবেহা অৱস্থাত মানুহ ৰূপান্তৰিত হৈছে মানৱ মূলধনলৈ (Hunan Capital) নগাঁও জিলাত ইয়াৰ বিৱৰ্ত্তন আৰু ৰূপান্তৰ প্ৰক্ৰিয়া বিচাৰ কৰিলে দেখা যায় ঃ-

জনসংখ্যাৰ অস্বাভাবিক বৃদ্ধি ঃ	১৯৫১ চনত মুঠ জনসংখ্যা -	৮৮,৬৯৫৫ জন।
	১৯৬১ চনত মুঠ জনসংখ্যা -	১২,১০৭৬১ জন।
	১৯৭১ চনত মুঠ জনসংখ্যা -	১৬,৭৫৫৩৭ জন।
	১৯৯১ চনত মুঠ জনসংখ্যা -	১৮,৯৩১৭১ জন।
	(মৰিগাঁও জিলা বাদে)	

জনসংখ্যা বৃদ্ধিৰ হাৰ ঃ

১৯৪১ - ১৯৫১ চনত শতকৰা - ৪১.৪১ ভাগ।
১৯৫১ - ১৯৬১ চনত শতকৰা - ৩৫.৯১ ভাগ।
১৯৬১ - ১৯৭১ চনত শতকৰা - ৩৮.৯৯ ভাগ।
১৯৭১ - ১৯৯১ চনত শতকৰা - ৫১.২৬ ভাগ।

এইজনসংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত ১৯৫১-৬১ চনত গোৱালপাৰ, কামৰূপ, দৰং আৰু লক্ষীমপুৰ জিলাৰ সৈতে প্ৰায় একে বুলিব পাৰি। কিন্তু শিৱসাগৰ আৰু কাছাৰ জিলা এই সময়ত জনসংখ্যা বৃদ্ধিৰ হাৰ হ'ল মাত্ৰ যথাক্ৰমে ২৪.৪৩ % আৰু ২৩.৫৩ % ভাগ। আকৌ ১৯৬১ -৭১ চনত শিৱসাগৰ আৰু কাছাৰ জিলাৰ জনসংখ্যা বাঢ়িল যথাক্ৰমে শতকৰা ২২.^৯ ভাগ আৰু ২৪.২৪ ভাগ মাথোন। ইয়াৰ বিচাৰিলে দেখা যায় অভিবাসন আৰু অতিপ্ৰজনন (Immigration and excess fertility)

জনসংখ্যাৰ অৰ্থনৈতিক শ্ৰেণীবিন্যাস

১৯৫১ - ৬১ চনত

মুঠ শ্ৰম কৰা মানুহ -	৪,৪৯,০৫৮ জন
কৃষিজীৱি আৰু কৃষক -	৩,২৫,৯৬১ জন
কৃষি বনুৱা-	২২,৫৫২ জন
শিল্প, পশুপালন কৰা, বনবিভাগত কৰা, বাগান আদিত কাম কৰা -	১৭,৩৪৯ জন

ঘৰুৱা শিল্পত কামকৰা - ২৩, ৬৩৬ জন
কাৰখানা, ফেক্টৰীত
কাম কৰা - ৮,৮২৫ জন
নির্মাণ কার্য্যৰ শ্রমিক - ২,৪৩৬ জন
বেহা বেপাৰ কৰা - ১৫,৫৬৯ জন
যানবাহন, যাতায়ত আৰু
সংৰক্ষণত কামকৰা - ৮, ৬০৬ জন
অন্যান্য সেৱা প্ৰকাসন
শিক্ষা, চিকিৎসা ইত্যাদি- ২৪,১২৪ জন
বাকী অনাশ্ৰমিক জনসংখ্যা- ৭,৬১, ৭০৩ জন।

সেইহিচাপত ১৯৬১-৭১ চনৰ জনসংখ্যাৰ শ্ৰমকাৰী লোকৰ সংখ্যা - নগাঁও জিলাত (নগাঁও ৩,৪০,১২২ + ১,১৫৭২৭) ৪,৫৫,৮৪৯ জন। তাৰ ভিতৰত -

কৃষক - ২,৯২,৪৫০ জন
কৃষি বনুৱা - ৬০,২৭৩ জন
পশুপালক
বন, বাগিছাৰ
শ্ৰমিক আৰু অন্যান্য - ১৪,২০৬ জন
শিলভঙা আদিত - ২৯৭ জন
মেৰামতি ঘৰুৱা
কাৰখানা আদিত
কাম কৰা - ৫৭০১ জন
ঘৰুৱা কাৰখানাৰ
বাহিৰৰ, কাৰখানা,
কৰ্মশালা আদিত
কাম কৰা - ৮০৪৪ জন
নিৰ্ম্মাণ কাৰ্য্যত - ২০৭৬ জন
বেহাবেপাৰ - ২৩,৩০৪ জন
যানবাহন, সংৰক্ষণ
যোগাযোগ - ১১,৩৮৮ জন
অন্যান্য সেৱা - ৩৮,০৬২ জন
অনাশ্ৰমিক - ১২,২৫,০৪৬ জন

আৰু ১৯৯১ চনত জিলাখনৰ কৰ্ম্ম জনশক্তিৰ ছবিটো হ'ল এনেকুৱা -
মুঠ কৰ্ম জনশক্তি (মৰিগাঁও জিলা বাদে) - ৫৫,৩৯৯৩ জন

কৃষক	-	৩,০৩,৫৮৭ জন
কৃষি বনুৱা	-	৮১,৮০০ জন
অন্যান্য শ্রমিক কর্ম্মী- (কর্মচাৰী, ব্যৱসায়জীবি বাগিছা, ফেক্টৰী, নিৰ্ম্মাণ কাৰ্য্য আদিত কাম কৰা)		১,৬৮,৬০৬ জন

কাম নকৰা লোকৰ সংখ্যা ১২,২১,৮৬৮ জন (পু: ৪৮৪০৫৯ + স্ত্রী ৭৩৭৮০৯)

দেশৰ স্বাধীনতাৰ পৰৱৰ্ত্তী ৫০ ৰ দশকত নগাঁও জিলাৰ অৰ্থনৈতিক জনসম্পদ হিচাবে অংশগ্ৰহণকাৰীৰ মুঠ সংখ্যা আছিল - ৪,৪৯,০৫৮ জন লোক আৰু ৬০ ৰ দশকত অৰ্থনৈতিক কাম কাজত অংশ গ্ৰহণকাৰী লোকৰ সংখ্যা হ'ল - ৪,৫৫,৮৪৯ জন । অথচ এই দশকত জিলাখনত জনসংখ্যা বৃদ্ধি হৈছে - ১৬,৭৫,৫৩৭ জন - ১২,১০,৭৬১ জন = ৪,৬৪,৭৭৫ জন। সেই হিচাপত কৰ্মীজনশক্তিৰ বৃদ্ধি মাত্ৰ - (৭১ চন) ৪,৫৫,৮৪৯ জন - (৬১ চন) ৪,৪৯,০৫৮ জন = ৬,৭৯১ জন। আৰু অৰ্থনৈতিক কাম-কাজত জড়িত নোহোৱা লোকৰ সংখ্যা বৃদ্ধি ৪,৬৩,৩৪৩ জন।

(১) প্ৰাপ্ত তথ্যবোৰৰ পৰা এই কথা পৰিস্কাৰ হৈ পৰে যে - ১৯৬১-৭১ চনৰ দশকটোত বৰ্দ্ধিত ৩৮.৯৯ % জনশক্তিৰ সামান্য অংশহে মাত্ৰ অৰ্থনৈতিক কাম কাজত জড়িত। গতিকে এই বিপুলাংশ জনসংখ্যা জিলাখনৰ স্থিত অৰ্থনীতিৰ ওপৰত বোজা হোৱাৰ কাৰণে ইয়াৰ অগ্ৰগতি বাধাপ্ৰাপ্ত হয়।

(২) ১৯৬১-৭১ ক দশকত নগাঁও জিলাৰ অৰ্থনৈতিক দুৰ্ব্বল দিশটো প্ৰকাশ পাইছে এনেকৈ- এইকালত কৃষকৰ সংখ্যা- ৩২৫৯৬১ জনৰ - ২৯২৪৫০ জন = ৩৩,৫১১ জন কমিছে। আন হাতেদি কৃষি-শ্ৰমিকৰ সংখ্যা-৬০,২৭৩ জন - ২২,৫৫২ জন = ৩৭,৭২৯ জনলৈ বাঢ়িল।

যান বাহন যাতায়তৰ লগত জড়িত লোকৰ সংখ্যা-১১,৩৮৮ জন-৮৬০৬ জন হু ৩০৪২ জন বাঢ়িল। অন্যান্য সেৱাৰ লগত লিপ্ত থকা লোকৰ সংখ্যা ৩৮০৬২ জন- ২৪১২৪জন = ১৩,৯৩৮ জনলৈ বৃদ্ধি পালে। আৰু ব্যৱসায়িক বাণিজ্যত লিপ্ত জনসংখ্যা - ২৩,৩০৪ জন -১৫,৫৬৯ জন = ৭৭৩৫ জন বেছি হ'ল।

এই কালছোৱাত নগাঁও জিলাৰ কৃষিৰ গুৰুত্ব কমি যোৱা আৰু কৃষি অৰ্থনীতিৰ যথেষ্ট বিপৰ্যয় হোৱা পৰিলক্ষিত হয়। মাটিৰ স্বত্ব হস্তান্তৰ, কৃষক ভূমিহীন হৈ কৃষি শ্ৰমিক হোৱাটো এই বিশেষত্ব। অৰ্থনীতিৰ ধনানিকৰণ, জনসংখ্যা বৃদ্ধি, মহাজনী আৰু পুঁজিবাদী বজাৰৰ শোষণ কৃষক সৰ্ব্বাস্বান্ত হোৱাৰ একাধিক কাৰণৰ ভিতৰত। কৃষি শ্ৰমিকৰ সংখ্যা অস্বাভাৱিক বাঢ়ি যোৱাটো পুঁজিবাদী বজাৰৰ শোষণেই কৰিছে বুলি ধৰি লব নোৱাৰি। বাহিৰৰ অভিবাসনৰ প্ৰভাৱৰ মূল আছে। এই কৃষি শ্ৰমিকৰ সংখ্যা বৃদ্ধিয়ে জিলাৰ অৰ্থনীতি যথেষ্ট দুৰ্ব্বল কৰিছে। যি সকল কৃষকে মাটিৰ মালিকানা স্বত্ব হেৰুৱাই -সকলো কৃষি শ্ৰমিক হোৱা বুলিও কব নোৱাৰি।

কিন্তু বেহা বেপাৰ কৰা লোকৰ সংখ্যা যি হাৰত বাঢ়িল সি অৰ্থনীতিৰ অগ্ৰগতিৰ

ইতিবাচক ইঙ্গিত বহন কৰে। নগতে অন্যান্য সেৱাখণ্ড (Service Sector) আৰু পৰিবহন যাতায়তৰ পৰিৱৰ্ত্তনে (Transport communication) চাহিদা সৃষ্টিকাৰ লোকৰ সংখ্যা বঢ়োৱাৰ বাবে অৰ্থনীতিৰ অধুনিকীকৰণ খৰতকীয়া কৰিছে। জিলাখনত আশী হেজাৰো অধিক বাসীন্দাৰ নগদ ধনৰ নিয়মিত লেন-দেন হোৱাই কৰ্ম-চঞ্চলতা বঢ়াব পাৰিছে।

১৯৭১ চনৰ পৰা ১৯৯১ চনলৈকে এই দুটা দশকত বৰ্তমান নগাঁও জিলাৰ জনসংখ্যাই ১৮৯৩,১৭১ জনৰ সীমাত থিয় দিছে। ১৯৬১ চনৰ বৃহত্তৰ নগাঁও অৰ্থাৎ নগাঁও - মৰিগাঁও জিলাৰ মুঠ জনসংখ্যাৰ আঢ়ৈ গুণ। আজিৰ নগাঁও জিলাত অৰ্থনৈতিক কাৰ্যকলাপত অংশ গ্ৰহণ নকৰা জনসংখ্যাৰ ২/৩ অংশ। ইয়াৰ মাত্ৰ ১/৩ অংশ জনসংখ্যাৰ ভিতৰত কৃষিকাৰ্যত লিপ্ত থকা লোক ৩,০৩,৫৮৭ জন আৰু কৃষি শ্ৰমিক ৮১৮০০ জন। মুঠ ৩৮৪৫৮৭ জন লোকে কৃষি সম্পৰ্কীয় কাৰ্য কৰে। বিগত ৪০ বছৰৰ ভিতৰত জিলা খনত কৃষি উৎপাদন কাৰ্যত আৱদ্ধ থকা জনসংখ্যা প্ৰায় একেই আছে। ৬১ চনত ৩.৪৮ লাখ, ৭১ চনত ৩.৫৩ লাখ আৰু ৯১ চনত ৩.৮৪ লাখ। ইয়াৰ পৰা সহজে ধাৰণা কৰিব পাৰি জিলাখনত কৃষি উৎপাদন আৰু কৃষি উপাৰ্জ্জন কিমান আগবাঢ়িছে। আৰু মাত্ৰ অন্যান্য শ্ৰম আৰু সেৱাৰ কাৰ্য্যত আবদ্ধ লোকৰ সংখ্যা ১.৬৮ লাখ। গতিকে, জিলাখনৰ মুঠ ঘৰুৱা উৎপাদন (Gross Domestic Products) বহুত কম। জনসম্পদৰ সুমিত (Optimum) ব্যৱহাৰ হোৱা নাই।

ইফালে, অনা-শ্ৰমিক জনসমষ্টিৰ ভিতৰত, এই কালছোৱাত নাৰীৰ সংখ্যা বাঢ়িছে। ৮০৭ লাখ নাৰী জনসংখ্যাৰ ভিতৰত শিশু, কিশোৰী আৰু বৃদ্ধা নাৰীও অৰ্ন্তভুক্ত। ইয়াৰ মাত্ৰ ০.৬৫৪৯৩ লাখ নাৰীহে অৰ্থনৈতিক কাম কাজত লিপ্ত। স্বাভাৱিকতে জিলাখনৰ অৰ্থনৈতিক অগ্ৰগতিত ইয়াৰ বিৰূপ প্ৰভাৱ পৰিছে। মুঠতে অৰ্থনৈতিক প্ৰক্ৰিয়াত ভুক্ত নোহোৱা জন শক্তিৰ অস্বাভাৱিকভাবে বৃদ্ধি হৈছে।

আনহাতেদি, জিলাখনৰ সীমিত সম্পদৰাজি আৰু ইয়াৰ বৰ্দ্ধিত জনশক্তিৰ সুসম প্ৰয়োগৰ সম্ভাৱনা বৰ উজ্জ্বল নহয়। উৎপাদন সম্পৰ্কৰ পৰিবৰ্ত্তন সাধিত হলেও এই হাৰৰ বৃদ্ধি পোৱা জনশক্তি সম্পদ হোৱাৰ বিপৰীতে বিপদহে হ'ব। যোৱা চল্লিশ বছৰত জনসংখ্যা বৃদ্ধিৰ হাৰ নিয়ন্ত্ৰণৰ বোধহয় কোনো ব্যৱস্থা ফলপ্ৰসূ হোৱা নাই। পৰাধীনতাৰ পঞ্চাশ বছৰত জিলাখনত জনসম্পদৰ যি হাহাঁকাৰ আৰু দুৰ্ভিক্ষ চলিছিল স্বাধীনতাৰ পঞ্চাশ বছৰত সেই নগাঁও জিলাতেই জনশক্তিৰ glut আৰু অপচয়ৰ বান হৈছে ইয়াক দৃঢ়তাৰে বোধ কৰা দৰ্কাৰ।

ভূমি আৰু ভূমিসমস্যা :

নগাঁও জিলাত ভূমিৰ ব্যৱহাৰ আৰু ইয়াৰ নিয়ন্ত্ৰণ সমস্যা যোৱা ৫০ বছৰত জটিল হৈছে। কৃষিৰ উৎপাদন, উদ্যোগ আৰু অনাকৃষিৰ বাবদ জিলাখনৰ ভূমিৰ ব্যৱহাৰ হৈ আছে। আৰু এই ভূমিৰ পৰা জিলাৰ অৰ্থনীতিলৈ বৃজন পৰিমানৰ ৰৰঙনিৰ যোগান ধৰিছে। ভূমি সামন্তবাদী ব্যৱস্থাৰ ঘাই আৰু আধুনিক উৎপাদন ব্যৱস্থাৰ এটা মূল উপাদান। সেই কাৰণেই, জিলাখনৰ ভূমি-ব্যৱস্থাৰ যথাযথ ছবি আগত ৰাখিলে জিলাৰ অৰ্থ-ব্যৱস্থাৰ সঠিক বিচাৰ বিশ্লেষণ কৰিব লাগে।

নগাঁও জিলাৰ ভূমিৰ পৰিমান :

১৯৬৪-৬৫ চনত জিলাখনৰ মুঠ ভূমিৰ ১৩,৮৭,০৪০ একৰ বুলি ঠাৱৰ কৰা হয়। ইয়াৰ ভিতৰত বনাবৃত ভূমি-২,৮০,৪৯১ একৰ, আৰু কৃষিকাৰ্য্যৰ অনুপযোগী আৰু কৃষিত ব্যৱহাৰ নকৰা ভূমিৰ পৰিমান ২,২৬,৮২৩ একৰ। খেতি নকৰা,-চৰণীয়া পথাৰ, আচুতীয়া ঘাঁহনি পথাৰ, গছগছনি থকা, পতিত আবাদযোগ্য মাটিৰ পৰিমাণ ২,৬৮,২৫৪ একৰ। পতিত মাটি ৬৯৪৫৪ একৰ। খেতি কৰা মাটিৰ মুঠ পৰিমান আছিল (নগাঁও/মৰিগাঁও) ৬,৩৬,৩৪০ একৰ।

১৯৭৫-৭৬ চনত
মুঠ মাটি কালি - ১৩,৮৭,০৪০ একৰ
বনাবৃত ভূমি - ২,৪৭,০০০ একৰ
খেতি নকৰা
চৰণীয়া পথাৰ,
আচুতীয়া ভূমি
হাবি, গছগছনি,
আবাদযোগ্য পতিত মাটি - ১৫,৮০৮০ একৰ
পতিত মাটি - ৩৯,৫২০ একৰ
খেতি কৰা মাটি - ৭,৬০,৭৬০ একৰ
৬৪-৬৫ চন - দহ বছৰত দেখা দিয়া
বনাবৃত (Forest) ভূমি কমিছে - ৩৩,৪৯১ একৰ
চৰণীয়া পথাৰ, গছনি আৰু
আবাদযোগ্য পতিত মাটি কমিল- ৬৮৭৪৩ একৰ
পতিত মাটি কমিল- ২৯৯৩৪ একৰ

ইয়াৰ পৰা দেখা যায় লক্ষাধিক একৰ মাটিত নতুনকৈ খেতি কৰা হৈছে আৰু ব্যাপক হাৰত বনাবৃত (Forest land) ভূমি, চৰণীয়া পথাৰ আচুতীয়া সংস্কৃতি ভূমি আৰু গড়াবাদ মাটিৰ আবাদীকৰণ হৈছে। এনেকৈ চৰণীয়া পথাৰ বনাবৃতভূমি, ঘাঁহনি পথাৰৰ ভূমিবোৰ সংকুচিত হৈ- ১৯৮১-৮২ চনত ১৯৬৪-৬৫ চনতকৈ নগাঁও জিলাত ১,৫৬,৫২৬ একৰ অতিৰিক্ত মাটি কৃষি উৎপাদনত ব্যৱহাৰ হয়।

ভূমি সমস্যা :

নগাঁও জিলাৰ ভূমি-অৰ্থনীতি, নামনি অসমৰ ভূমি অৰ্থনীতিৰ সৈতে একে পৰ্য্যায় আৰু চৰিত্ৰৰ। ভূমিৰ নাটনি আৰু ইয়াৰ চাহিদা বৃদ্ধিৰ সমস্যাই কুৰিশতিকাৰ চতুৰ্থ দশকৰ পৰা গা কৰি উঠে। প্ৰথম কথা নতুন মাটিদখলকাৰী মানুহৰ কোবাল সোঁতত নামনিৰ জিলাবোৰৰ দৰে নগাঁও জিলাও প্লাৱিত হ'ল। দ্বিতীয় কথা দৈনন্দিন জীৱনত ধন আৰু আধুনিক দ্ৰব্য সামগ্ৰীৰ প্ৰভাৱ ক্ৰমাৎ বাঢ়ি আহিল। তৃতীয় বজাৰ অৰ্থনীতিৰ দাপটত গাঁৱলীয়া জীৱন জুকলা হোৱাৰ বাবে, মাটি

সম্পত্তিৰ ওপৰত বেপাৰী মহাজনৰ হাতত পৰিল। চতুৰ্থতে প্ৰাকৃতিক দুৰ্যোগ, বানপানী-বৰলুইত আৰু কপিলীৰ দপদপনীত লুইতপৰীয়া, কপিলীপৰীয়া নগাঁঞা ৰাইজৰ সঘনে থৰকাচুতি হেৰায়। এনে অৱস্থাত ইংৰাজৰ আমোলৰ শেষৰ কেইটা বছৰত দ্বিতীয় মহাযুদ্ধৰ শেষ কালতেই খাদ্য শস্যৰ উৎপাদন বঢ়াবৰ কাৰণে নগাঁও জিলাৰ লাওখোৱা সংৰক্ষিত বনাঞ্চলৰ বহু-হেজাৰ বিঘাত নতুন 'কঠনী' কৰিবৰ কাৰণে খুলি দিয়া হয়। কাৰণ মাটিৰ নাটনিয়েই ৰাইজে খাদ্যৰ অভাৱ কৰে।

চৰকাৰী গড়াবাদী পট্টনঃ

স্বাধীনতাৰ পৰৱৰ্ত্তী কেইবছৰ মানৰ ভিতৰতে-গড়াবাদী, চৰকাৰী পতিত মাটি য'ত যেনেকে আছিল-প্ৰায় সকলো বোৰ মাটি পট্টন দিয়া হ'ল। নগাঁও জিলাৰ উত্তৰ-উত্তৰ-পূৰ্বাঞ্চল আৰু উত্তৰ-পশ্চিম অঞ্চলৰ সকলোবোৰ কৃষিৰ উপযোগী পতিত মাটিৰ আবন্টন হৈ যায়। আবন্টন প্ৰক্ৰিয়াও বৰ সহজ। চৰকাৰৰ প্ৰয়োজন দুটা- । প্ৰথমটো হ'ল ৰাজহ সংগ্ৰহ আৰু দ্বিতীয়টো হ'ল-কৃষিৰ উৎপাদন বঢ়োৱাটো।

চৰকাৰৰ ভূমিনীতি :

কিন্তু, স্বাধীন ভাৰতৰ নতুন চৰকাৰৰ নগাঁও জিলাত প্ৰধান লক্ষ হ'ল বান-প্ৰপীড়িত কৃষকক, সংস্থাপন কৰাটো। সেই বাবেই, নগাঁও জিলাৰ দক্ষিন-পূব আৰু পূব অঞ্চলৰ চৰকাৰী পতিত বোৰত-লঙ্কা-হোজাই, ওদালি-বান-বৰ্দ্ধিত অঞ্চলত বহা, কামপুৰ, ফুলগুৰি, পাখিমৰীয়া আদিৰ বানপীড়িত কৃষকক পট্টন দিয়া হয়। অৱশ্যে এই ঠাইবোৰত শেষপৰ্যন্ত কিমান বান-বিধ্বস্ত খেতিয়কে স্থায়ীভাৱে বসতি কৰিলে-সেইটো পিচৰ কথা। কাৰণ এশ বছৰ পিচতো-কেপ্তেইন বাট্‌লাৰৰ মন্তব্যটোৰ বিং বোধহয় শুনা গৈছিল।

কাঁকী আদৰ্শগাঁও :

তথাপিও, চৰকাৰে, নগাঁও জিলাৰ বান-বিধ্বস্ত, ভূমিহীন খেতিয়কসকলক সংস্থাপন দিয়াটো দায়িত্ব বুলি বিবেচনা কৰি ১৯৫২-৫৩ চনত নগাঁও জিলাৰ দক্ষিন-পূৱৰ বনাবৃত বিস্তীৰ্ণ ভূমিৰ কাঁকী অঞ্চলত কাঁকী আদৰ্শ গাঁও আঁচনিলৈ কাৰ্যকৰী কৰা হয়। আঁচনিত ৩১ হেজাৰ বিঘা মাটি সামৰি লোৱা হয়। প্ৰথম পাঁচবছৰীয়া পৰিকল্পনাৰ কালত ইয়াক সম্পূৰ্ণ কৰা হয়। প্ৰচুৰ ধান উৎপাদনৰ পথাৰ এখনৰ সৃষ্টি হ'ল। আৰু, ইয়াৰ ওচৰৰ পতিত বনাবৃত চৰকাৰী কেবা হেজাৰ হেক্টৰ মাটিতো আবাদ হ'বলৈ ধৰে। পৰৱৰ্ত্তী তিনিটা দশকৰ ভিতৰত জিলাখনৰ প্ৰায়বোৰ আছুতীয়া ৰাঁহনি পথাৰ আৰু চৰণীয়া পথাৰৰ খেতিয়কৰ বাবে মুকলি হ'ল।

ভূমি সম্পৰ্ক :

নগাঁও জিলাৰ কৃষি-অৰ্থনীতিত বিদেশী শাসনৰ আমোলতেই ভূমি ইয়াৰ উৎপাদন আৰু উৎপাদন সম্পৰ্কই আধুনিক ৰূপ লয়। ভূমিৰ ওপৰত আদি অধিকাৰ চৰকাৰৰ। চৰকাৰে, নিৰ্দিষ্ট সময়ৰ কাৰণে নিৰ্দ্ধাৰিত নিৰীক্ষিত কৰলৈ-বাসিন্দা বা নাগৰিকক ভোগ-দখল কৰাৰ কাৰণে ভূমিৰ বন্দোবস্তি দিয়ে। ভূমি কৰক খাজনা বা ৰাজহ বোলা হয়। নিৰ্দিষ্ট কৃত সময়ক ম্যাদ বোলা হয় আৰু বন্দোবস্তি পত্ৰক পট্টা বুলি কোৱা হয়। এই পট্টা উত্তৰাধিকাৰী সূত্ৰে পাব পাৰে।

ইয়াৰ হস্তান্তৰ হব পাৰে। হস্তান্তৰিত লগত মাটি ভোগ-দখলৰ স্বত্ব হস্তান্তৰ হয়। গতিকে, মাটি সম্পত্তিত পৰিণত হ'ল। আৰু উৎপাদনৰ উপাদান হোৱাই ইয়াক ব্যক্তিগত ভোগস্বত্ব ৰখাৰ প্ৰৱনতাই দেখা দিলে। পৰিণতিত-মাটি ব্যক্তিগত মালিকানা স্বত্ব স্থাপন হয়। এই মালীকানা স্বত্বলৈয়েই ভূমি-সম্পৰ্কই নতুন ৰূপ লয়।

মাটিৰ মালিকানা স্বত্বলৈ-কৃষিসমাজত শ্ৰেণী-বিভাগ হয়। আগতে-খেতিকৰা মানুহ মাটিৰ মালিক হয়, এতিয়া, খেতি নকৰা মানুহ মাটিৰ মালিক হয়-আৰু মাটিৰ উৎপন্নৰ ভাগ পায়। কোনোৱে গোটেই উৎপন্ন-খিনিয়েই পায়। সেই হিচাবে, মাটিৰ ওপৰত থকা মালিকানা-সম্পৰ্কৰ বিভিন্ন শ্ৰেণীৰ সৃষ্টি হয়। পুঁজিবাদী বজাৰ-অৰ্থনীতিৰ প্ৰক্ৰিয়াত, কৃষিব্যৱস্থা শোষক-শোষিতৰ স্তৰৰ উদ্ভৱ হয়।

এই প্ৰক্ৰিয়াত নগাঁও জিলাত -এক শ্ৰেণীৰ মানুহৰ হাতত বেছি পৰিমাণে মাটি আবদ্ধ হ'ল। খেতিয়কৰ বহুলাংশই মাটিৰ মালিকানা স্বত্ব হেৰুৱালে বা বাঞ্চিত হ'ল। সেই হিচাবে মাটিৰ মহাজন, ধনা, মাজলীয়া উপান্ত আৰু ভূমিহীন খেতিয়কৰ স্তৰৰ সৃষ্টি হ'ল। খেতিনকৰা এচাম মানুহ-বৃহৎ পৰিমাণৰ মাটিত মালীক হ'ল। ইয়াৰ ফলত কৃষি উৎপাদনত ব্যাঘাত জন্মে।

ভূমি সংস্কাৰঃ

দেশৰ আন আন ঠাইৰ দৰে, নগাঁও জিলাতো ভূমিসম্পৰ্কৰ সংস্কাৰ হয়। অসমত আধিকাৰ স্বাৰ্থ সংৰক্ষণ আইন আৰু ৰায়ত্বীস্বত্ব আইন বলবৎ কৰাৰ লগতে-ভূমিৰ চিলিং আইনৰ প্ৰয়োগ কৰা হয়। এই আইনবোৰ নগাঁও জিলাতো প্ৰয়োগ হয়। সেই অনুযায়ী আধিকাৰ খেতিয়কৰ ৰায়তীস্বত্ব সাব্যস্ত কৰাৰ বাবে- খতিয়াক পট্টা দিয়া হয়। আৰু ভূমি-চিলিং আইনৰ প্ৰয়োগ মতে- নগাঁও জিলাত নিম্নলিখিত কাৰ্য্যক্ৰম সম্পন্ন হয়। ১৯৯৫চনৰ ৩১মাৰ্চ পৰ্য্যন্ত-অসম ভূমি চিলিং আইনমতে অধিগ্ৰহণ কৰা মাটি ব্যক্তিগত লোকৰ পৰা ঃ

সদৰ চক্ৰ	-	১৬৮৫ বিঘা
চামগুৰি চক্ৰ	-	১১০৯ বিঘা
ধিং চক্ৰ	-	৯৩৮ বিঘা
ৰূপহী চক্ৰ	-	২৪৪ বিঘা
ৰহা চক্ৰ	-	৩২৫ বিঘা
কামপুৰ চক্ৰ	-	২৫৮ বিঘা
কলিয়াবৰ চক্ৰ	-	১৪৫৮ বিঘা
মুঠ	-	৫৭১২ বিঘা মাটি।

চাহ বাগিছা সমূহৰ চিলিং উদ্বৃত্ত মাটি অধিগ্ৰহণ কৰা হয়। এই উদ্বৃত্ত মাটিৰ পৰিমান হ'ল-

কলিয়াবৰ মহকুমাৰ -	চামগুৰি চাৰ্কোলৰ -	৪,০৬৯ বিঘা
	কলিয়াবৰ চাৰ্কোল -	১৮,৫৯২ বিঘা
	মুঠ -	২২,৬৬২ বিঘা

নগাঁও মহকুমাৰ -	চামগুৰি চাৰ্কোলৰ	- ৩,৪৭১ বিঘা
	সদৰ চাৰ্কোল	- ৩,৭৩৮ বিঘা
	কামপুৰ চাৰ্কোল	- ২,৪৬৩ বিঘা
	বহা চাৰ্কোল	- ৫৯৩ বিঘা
	মুঠ	- ৯,৮৫০ বিঘা
মুঠ চিলিং উদ্বৃত্ত মাটি-	চাহ বাগিছা	- ৩২,৫১২ বিঘা
	ব্যক্তিগত উদ্বৃত্ত	- ৫,৭১২ বিঘা
	সৰ্ব্ব মুঠ	- ৩৮,২২৪ বিঘা মাটি।

ইয়াৰ ভিতৰত ৮০০ বিঘা মাটি বিতৰণৰ অনুপযোগী। বাকী মাটি প্ৰায় ভূমিহীন কৃষকৰ মাজত বিতৰণ কৰা হয়।

বনজ সম্পদ ঃ

নগাঁও জিলাত ১৯৬৪-৬৫ চনৰ হিচাপত মুঠ ১,১৩,৫৫৯.১ হেক্টৰ মাটি বনাবৃত অঞ্চল আছিল। ই সংৰক্ষিত ভূমি। তাৰ বাহিৰে ২০৫২১ হেক্টৰ মাটি শ্ৰেণী বৰ্হিভূত ইয়াৰ বাদে ব্ৰহ্মপুত্ৰৰ চাপৰি অঞ্চল আৰু কপিলীৰ দ অঞ্চল- বনাঞ্চলৰ অন্তৰ্গত।

ইয়াৰ উৎপাদন শাল, চেগুন, শিহাক, বনচোম, কৰৈ, কহিৰ, গমাৰি, পমা, আজাৰ, সলখ, তিতা চঁপা, চাম আদি বিভিন্ন বিধৰ গছ নগাঁও জিলাৰ হাবিত পোৱা যায়। আৰু নৈ পৰিয়া দ আৰু চাপৰি অঞ্চলত খেৰ, খাগৰি, ইকৰা, কহুঁৱা আদি দীঘল বন জাতীয় সম্পদ প্ৰচুৰ পৰিমানে হয়।

উৎপাদন ঃ

১৯৬৪-৬৫ আৰু ১৯৬৫-৬৬ চন এই দুটা বছৰৰ যি হিচাপে পোৱা হৈছে-সেইমতে কাঠ আৰু খৰি উৎপাদন হয়।

১৯৬৪-৬৫ চন- কাঠ - ১৬,২০০০ ঘনফুট, আৰু খৰি - ৪,১৬,০০০ ঘন ফুট
১৯৬৫-৬৬ চন- " - ৭,৯১,০০০ " আৰু " - ২,১৮,০০০ "
১৯৯৩- ৯৪ চন- " -১৯৩০.৬৪ কিউবিক মিটাৰ " - ৬৪৭.৬৯ কি উবিক মিটাৰ।

সংৰক্ষিত আৰু অসংৰক্ষিতবনাঞ্চল ক্ৰমে পাইছে। সামগ্ৰিভাৱে বন-বিভাগৰ ৰাজহ বাঢ়িছে।

সমাজিক বনানিকৰণ ও পুণৰ বনানিকৰণ ঃ

স্বাধীনতাৰ পৰৱৰ্ত্তী তিনটা দশকত ৰাজ্য তথা দেশৰ হাবি বননি দ্ৰুত গতিত হ্ৰাস পোৱাৰ ফলত পৰিবেশ (Ecology) বিঘ্নিত হয়। বনজ সম্পদৰ অভাৱনীয় ক্ষয় হয়। তাক প্ৰতিৰোধ কৰিবৰ কাৰণে চৰকাৰৰ পক্ষয় পৰা, সমাজিক বনানি (Social forestry) আৰু পুণৰ বনানিকৰণ (Reforestation) আঁচনি লোৱা হৈছে। সেইমতে, ১৯৮০-৮১ চনৰ ভিতৰত নগাঁও জিলাত ৩৫.৪১ বৰ্গ কিলোমিটাৰ ঠাইত পুণৰ বনানিকৰণ কৰা হয়:

বনজ সম্পদ- ৰাজহ আৰু নিয়োগ :

বনজ সম্পদৰ সংৰক্ষণ, বিকাশ আৰু সম্প্ৰসাৰণে জিলাখনৰ অৰ্থনীতিত উল্লেখযোগ্য ভূমিকা ল'ব পাৰে। ইয়াৰ ৰাজহ বৃদ্ধি হব পাৰে। সৰু সৰু উদ্যোগ, কাঠ-কল আদি চলে। আচ্-বাবৰ কৰ্মশালা স্থাপন হয়। ভালেসংখ্যক লোক বিভিন্ন স্তৰ আৰু প্ৰকাৰে নিযুক্ত হয়। জিলাখনত ভালে কেইটা কাঠ-কল স্থাপন হৈছে। বহুতো কাঠ মিস্ত্ৰীৰ কাম হৈছে। গতিকে জিলাৰ একাংশ লোকৰ জীৱিকাৰ ব্যৱস্থা হৈছে। খৰিৰ যোগানে জ্বলানিৰ (Fuel) যোগান ধৰিছে।

নগাঁও জিলাৰ অৰ্থনৈতিক উন্নয়নৰ লগত বনজ সম্পদৰ উন্নয়ন ওতঃপ্ৰোতভাবে জড়িত। এচাম দুৰ্নীতি পৰায়ণ লোকে, এই বনজ সম্পদৰ প্ৰভূত অপচয় কৰিছে। এই চাম মানুহৰ অসামাজিক কাৰ্যকলাপ বন্ধ হোৱা একান্ত প্ৰয়োজন।

কৃষি আৰু কৃষিৰ উন্নয়ন :

নগাঁও জিলাৰ অৰ্থনীতিৰ বুনিয়াদ হ'ল কৃষি। এই কৃষি আৰু কৃষিজাত উৎপন্ন শস্যৰ বজাৰীকৰণ আৰু বনানিকৰণৰ আৰম্ভ হৈছে এই শতিকাৰ তৃতীয় দশকৰ পৰা। কৃষিৰ উৎপাদনৰ বিশেষকৈ কেঁচামাল জাতীয় শস্য মৰাপাট, সৰিয়হ, তিল আদিৰ পৰিমান আৰু পৰিসৰৰ ওপৰত বজাৰ আৰু বজাৰ দৰৰ প্ৰভাৱ খুব বেছি। এই নগদ শস্যৰ উৎপাদন এসময়ত মাটিৰ অৱস্থানেও নিৰ্ণয় কৰিছিল। কিন্তু, বিগত পঞ্চাশ বছৰৰ ভিতৰত ধানৰ উৎপাদনে বেছি প্ৰাধান্য লাভ কৰে। জন সংখ্যা বৃদ্ধি আৰু ৰাজ্য জোৰা চাউলৰ নাটনিৰ পৰিস্থিতিত ধানৰ উৎপাদনৰ প্ৰয়োজন বাঢ়িল। চাউলৰ বজাৰ দাম এই কালছোৱাত কল্পনাতীত ভাৱে বাঢ়ি যায়। চাউলৰ দাম বৃদ্ধিৰ ধাৰা ১৯৪৪ চনৰ মূল্যসূচী ১০০ ৰ ভিত্তিত-

	মূল্যসূচী
১৯৬০ -	১২৯.৯
১৯৬১ -	১২৮.৮
১৯৬২ -	১৩৩.৩
১৯৬৪ -	১৫০.৫
১৯৬৫ -	১৬৯.৩
১৯৬৬ -	২১৭.৭
১৯৬৭ -	২৬৪.১

কৃষি উৎপাদনৰ ধাৰা :

১৯৬০ দশকত নগাঁও জিলাত কৃষি উৎপাদন ধাৰালৈ লক্ষ্য কৰিলে দেখা যায়, সকলোবোৰ শস্যই বজাৰৰ চাহিদাৰ তাগিদা অনুযায়ী উৎপাদিত হৈছে। ধান খেতি বছৰটোত তিনিবাৰকৈ জিলাখনত উৎপন্ন কৰা হয়। বৰো, আহু, শালি আৰু বাও ধানৰ খেতিৰ ফচল বছৰটোত তিনিটা ঋতুত চপোৱা হয়।

বসন্ত কালত (Spring time) - বৰো ধান
হেমন্ত কালত (Autumn) - আহু ধান

শীত কালত - শালি আৰু বাও ধান

অন্যভাৱে ধান খেতিৰ বতৰটো - গ্ৰীষ্ম, হেমন্ত আৰু শীত, এই তিনটা ঋতুত ভাগ কৰা হয়। কৃষিৰ উৎপাদনৰ ধাৰা আঁচ পাবৰ কাৰণে ১৯৫০ আৰু ৬০ দশকৰ ভিতৰত খেতি কৰা মাটিৰ পৰিমান বৃদ্ধিৰ লেখ এনে ধৰণে পোৱা হৈছে-

শস্য	১৯৫৫-৫৬	১৯৬০-৬১	১৯৬৫-৬৬	১৯৬৬-৬৭	১৯৬৭-৬৮
আহুধান	৩৫.৫৬	৩৬.০৪	৩৩.৮৮	৩৯.৫৯	৩৪.৮৪
শালি, বাওধান	১৬২.৭২	১৬৬.৩৯	১৮৮.৮৬	১৮২.১৬	১৯৬.৩৩
বৰোধান	০.০২	০.৬৩	০.৩০	০.৫৬	০.৪৮
সৰিয়হ	৭.৭২	১০.১৮	১৩.০৯	১০.৪৫	১১.০৪
মৰাপাট	১২৫.১৩	১৩৬.৬৩	১০৪.৯২	১৭৩.৩০	১৮৪.৩৫
কুঁহিয়াৰ	৪.৯২	৫.৮২	১০.৯৯	১২.৮৩	১১.০২
আলু	২.০২	১.৫৭	১.৭৩	২.২৩	২.১০

দেখা যায় ১৯৫৫-৫৬ চনত ধান খেতি হয় ১৯৮৩০০ হেক্টৰ মাটিত আৰু ১৯৬৬-৬৭ চনত আয়তন বাঢ়ি ২৩১৬৫০ হেক্টৰ মাটি হৈছে। তদনুৰূপ মৰাপাট, কুঁহিয়াৰ, আলু খেতিৰ মাটিৰ আয়তনো বাঢ়িছে। বজাৰ অৰ্থনীতিৰ প্ৰভাৱ ক্ৰমাগত বৃদ্ধি পাইছে। খাদ্য-দ্ৰব্য বিশেষকৈ চাউলৰ দাম ১৯৬০ চনৰ দাম ১২৯.৯ মূল্যসূচীৰ ঠাইত ১৯৬৭ চনত ২৬৪.১ বাঢ়িছে। শতকৰা এশভাগৰ অধিক বৃদ্ধি পাইছে। মৰাপাট উৎপাদনৰ পৰিসৰ বাঢ়িল ১২৫.১৩ হেজাৰ হেক্টৰৰ পৰা ১৮৪.৩৫ হেজাৰ হেক্টৰলৈ।

এই কালছোৱাৰ ভিতৰত কৃষিৰ আধুনিকীকৰণ প্ৰক্ৰিয়া আৰম্ভ হয়। লোহাৰ নাঙল, মৈ, গুটি সিঁচা যন্ত্ৰ, ধানমৰা যন্ত্ৰ, খেতিত পানী যোগানৰ কাৰণে পাম্পচেট, টেক্টৰ আদিৰ যন্ত্ৰৰ প্ৰয়োগৰ সূচনা হয়। কৃষি পদ্ধতিৰ উন্নতিৰ বাবে জাপানী কৃষি প্ৰণালী আমদানি কৰা হয়।

সেউজ বিপ্লৱ আৰু নগাঁও :

১৯৬০ দশকত তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত দেশৰ কৃষি উৎপাদন ব্যৱস্থাৰ বৈজ্ঞানিকৰণ আৰম্ভ। খেতি কৰাৰ পদ্ধতিত টেক্টৰ, পাওৱাৰ টিলাৰ, হাৰ্ভেষ্টাৰ আদি যান্ত্ৰিক আহিলা পাতিৰ প্ৰৱেশ ঘটে। নগাঁও জিলাতো এনেবোৰ আহিলা পাতিৰ আমদানি হয়। আৰু আধুনিকীকৰণে গতি লয়। লগে লগে পানী যোগান বা জলসিঞ্চনৰ ওপৰত গুৰুত্ব আৰোপ হয়। ২য় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালছোৱাতেই দক্ষিণ নগাঁও জিলাৰ বিস্তীৰ্ণ খেতিৰ উপযোগী সাৰুৱা ভূমিত জলসিঞ্চনৰ কাৰণে ১.৯৩ কোটি টকা ব্যয়ৰ যমুনা জলসিঞ্চন প্ৰকল্প আৰম্ভ হয়। আৰু প্ৰকল্প সম্পূৰ্ণ কৰোঁতে ৩.৯৬ লাখ টকা খৰচ হয়। এই প্ৰকল্পই জিলাখনৰ ২৮৫০০ হেক্টৰ মাটিত খেতিৰ বাবে পানী যোগান ধৰিব পাৰে। তাৰ বাহিৰেও পাম্প মেচিন ব্যৱহাৰ কৰি খেতিত পানী যোগানৰ প্ৰক্ৰিয়া আৰম্ভ হয়।

সাৰৰ প্ৰয়োগ, কৃষিৰ উৎপাদন বৃদ্ধিৰ কাৰণে প্ৰয়োজন। সকলোবোৰ শস্যৰ উৎপাদনৰ ক্ষেত্ৰতেই অতীজৰ পৰা সাৰৰ ব্যৱহাৰ হৈ আছে। তামোল, পাণ, নেমু, নাৰিকল

এইবোৰ বাৰীয়লীয়া শস্য। তাতো গাঁৱৰ মানুহে গোবৰ-যাৱৰ দিয়ে বাবে ফল বেছিকৈ ধৰে। ধান, মাহ, মৰাপাট, সৰিয়হ, ঘেহু আদি পথকৰা শস্যৰ কাৰণে আগতে বানপানী আহিলে মাটিত পলস পৰে। গতিকে নগাঁও জিলাৰ অধিকাংশ খেতিৰ মাটিত সাৰ নিদিলেও হৈছিল। কিন্তু বানপানীৰ প্ৰভাৱ কমাৰ পৰা ৰাসায়নিক সাৰৰ প্ৰচলন হয়। নগাঁও জিলাত প্ৰাপ্ত হিচাপ মতে ১৯৭৬-৭৭ চনত ৫১১.৯১ টন সাৰ খেতিৰ মাটিত ব্যৱহাৰ হয়। ইয়াৰ প্ৰয়োগ ক্ৰমান্বয়ে বাঢ়ি থাকে। কৃষিৰ উৎপাদন বৃদ্ধি বা সেউজ বিপ্লৱৰ ই এটা ঘাই উপাদান।

সেউজ বিপ্লৱৰ আনটো গুৰুত্বপূৰ্ণ আৰু অতি আধুনিক উপাদান হৈছে উচ্চ উৎপাদনক্ষম কঠিয়াৰ প্ৰয়োগ। কৃষি বিজ্ঞানী সকলৰ অহৰহ যত্নত বিভিন্ন বিধৰ উচ্চ-উৎপাদনক্ষম ধান, ঘেঁহু আদি শস্যৰ বীজ বা কঠিয়া উদ্ভাৱন কৰিছে। এনেধৰণৰ কঠিয়া ব্যৱহাৰ কৰি অধিক শস্য উৎপাদন কৰা হয়। জয়া, আই আৰ -৮, আইজুং, মালা, পদ্মা, পঙ্কজ, পুছা আদি নানবিধ উচ্চ উৎপাদনশীল বীজৰ উদ্ভৱ হৈছে। তাৰ প্ৰয়োগত ধানৰ ফলন গড় বাঢ়িছে। আজিৰ নগাঁও জিলাত ১৯৭৬-৭৭ চনত মুঠ ৫০,৮৩২ হেক্টৰ মাটিত এই কঠিয়া ব্যৱহাৰ হয়। জলসিঞ্চন (Irrigation), ৰাসায়নিক সাৰ প্ৰয়োগ (Chemical Fertilisers application) আৰু উচ্চ উৎপাদনশীল কঠিয়াৰ সমাহাৰমূলক কৃষিয়ে উৎপাদনৰ ক্ষেত্ৰত বৈপ্লৱিক পৰিবৰ্ত্তন আনিছে। একেডৰা মাটিত বছৰত তিনিটা পৰ্য্যন্ত ফচল ফলাব পাৰে। নগাঁও জিলাৰ নদীপৰীয়া অঞ্চলৰ পথাৰবোৰত বহুত আগৰ পৰা দুটা ফচল কৰে। গৰমদিনত আহু, মৰাপাট, আৰু শালি, বাও, মাহ, সৰিয়হ আৰু জাৰৰ দিনৰ খেতি। এই খেতি বতৰৰ ওপৰত নিৰ্ভৰশীল। পানী যোগান বা জলসিঞ্চনৰ প্ৰচলন হোৱাত বৰষুণৰ কাৰণে এতিয়া খেতিয়কে নিৰ্ভৰ নকৰাকৈ চলিব পাৰে।

শাক পাচলিৰ উৎপাদন ঃ

১৯৪৭ চনৰ পিছৰ পৰা নগাঁও জিলাৰ অৰ্থনীতি উল্লেখনীয় বৰঙনি আগবঢ়োৱা কৃষিজাত শস্যবোৰৰ ভিতৰত আছে - জলকীয়া, বেঙেনা, মূলা, বিলাহী, বেঙেনা, কবি, লাও, জিকা, পটল আদি বিভিন্ন ধৰণৰ পাচলি। জিলাৰ বাম-চাৰি মাটিবোৰত এই পাচলিবোৰৰ খেতি কৰা হয়। সৰহীয়াকৈ কৰা হয় আৰু বজাৰত বিক্ৰী কৰা হয়। এই পাচলি নগদ ধনৰ শস্য। ইয়াৰ বজাৰ জিলাখনৰ বাহিৰেও গুৱাহাটী, ডিব্ৰুগড়, তিনচুকীয়া, যোৰহাট, ডিমাপুৰ আদিতো আছে। যাৰ ফলত যথেষ্ট নগদ ধন জিলাৰ ভিতৰলৈ আৰু খেতিয়কেও পায়।

শতিকাৰ শেষ দশকত নগাঁও জিলাৰ কৃষি ঃ

মুঠ কৃষি কাৰ্য্যৰ ভূমিৰ পৰিমাণ	- ৩,৭১,৩৪৪ হেক্টৰ
প্ৰকৃত কৃষি ভূমিৰ পৰিমাণ	- ২,২৪,৭২৭ হেক্টৰ
ডবল খেতিৰ ভূমিৰ পৰিমাণ	- ৮৯,৩৫৩ হেক্টৰ
তিনিটা খেতিৰ ,, ,,	- ২৮,৬৩২ হেক্টৰ
বনাবৃত্ত ভূমি ,, ,,	- ৬০,০৪০ হেক্টৰ
বানাক্ৰান্ত ,, ,, ,,	- ৪১,৫২০ হেক্টৰ

মুঠ কৃষক পৰিয়ালৰ সংখ্যা (১৯৯১ চনৰ পিয়লমতে) ২,৪৮,২২০ টা
চৰকাৰী তথ্য মতে ১৯৯৬-৯৭ চনত নগাঁও জিলাত উৎপন্ন হোৱা খাদ্যশস্যৰ পৰিমান -

চাউল - ৪.০৬৪৪ লাখ মেট্রিকটন

তেলশস্য- ০.১৪৩৭৯ ,, ,,

দাইল - ০.০৩০৮১ ,, ,,

জিলাৰ জনসংখ্যা ১৮,৯২,০৮৭ জন (১৯৯১ চনৰ লোকপিয়লমতে)।

হিচাবমতে জিলাখন খাদ্যৰ ক্ষেত্ৰত ৰাহি জিলা। কিন্তু প্ৰতি মাহে অন্য ৰাজ্যৰ পৰা বহু হেজাৰ টন চাউলৰ আমদানি হয়। ঘেঁহুৰ কথা বাদেই। খেতি চপোৱাৰ দুমাহ পিচৰ পৰাই গাঁও অঞ্চলত খাদ্যৰ নাটনি হয়, বজাৰত খাদ্যদ্ৰব্যৰ দাম বাঢ়ে।

চৰকাৰী হিচাবত, নগাঁও জিলাত ডেৰলাখ টন চাউলৰ ৰাহি বুলি কোৱা হৈছে। প্ৰতি টন চাউলৰ বজাৰ দৰ ৮,০০০.০০ টকা হলে বছৰি ধান উৎপাদনকাৰী সকলৰ দৌলতত ১২০ কোটি টকাৰ সোঁত বয়। ইয়াৰ ভিতৰত কৃষকৰ বাহিৰৰ কেবালাখলোকৰ খাদ্য প্ৰয়োজনো ধৰা হোৱা নাই। অনাখেতিয়কসকলে, জিলাৰ ভিতৰত উৎপাদন হোৱা খাদ্য-দ্ৰব্য বজাৰ দৰত ভোগ কৰিবলৈ পায়।

কৃষিৰ আন আন ক্ষেত্ৰবোৰ :

নগাঁও জিলাত পথাৰ শস্য ধান, মৰাপাট, মাহ, সৰিয়হ, আলু, কুঁহিয়াৰ আদিৰ বাহিৰেও বিক্ৰীৰ কাৰণে বাম শস্যৰ খেতিকৰা হয়। সেইবোৰ হ'ল - জলকীয়া, বেঙেনা, কল, হালধি, আদা, জালুক আদিৰ খেতি হয়। ফলমূলৰ ব্যৱসায়িক উৎপাদন কৰা হয়।
এইবোৰৰ উৎপাদনৰ পৰ্য্যায় আৰু পৰিমানৰ পৰাই জিলাখনৰ অৰ্থনীতিত ইয়াৰ বৰঙনিৰ বিষয়ে জনা যায়।

১৯৯৪-৯৫ চনৰ ফলমূলৰ উৎপাদন হিচাব এনে ধৰণে পোৱাযায় -

কলৰ উৎপাদন (Banana)	- ২৬,৮৮৬ মেট্রিকটন।
আনাৰস উৎপাদন (Pinapple)	- ৩৭,৩৪৫.৯ মেট্রিকটন।
সুমথিৰা উৎপাদন (Orange)	- ৬৪৬৩.৩ মেট্রিকটন।
নেমুটেঙা উৎপাদন (Lemon)	- ১৪,৭৫৯.৯ মেট্রিকটন।
কঠাল উৎপাদন (Jack fruit)	- ২৭,৭৩৬ মেট্রিকটন।
কলৰ উৎপাদন	- ৩৭.৩৯৩.৪ মেট্রিকটন।
অন্যান্য (লিচু, মধুৰীআম অমিতা)	- ৩৭,৩৯৩.৪ মেট্রিকটন
তামোল উৎপাদন	- ১৭৩০০.৬ মেট্রিকটন।
নাৰিকল উৎপাদন	- ৮৭,০০ মেট্রিকটন।

আকৌ মচলাজাতীয় শস্যৰ উৎপাদন জিলাখনত পোৱা যায়-

জালুক উৎপাদন	- ২২.৩৯ টন।
আদা উৎপাদন	- ৮.৬২ টন।

হালধি উৎপাদন	- ১০.৯৮ টন।
জলকীয়া উৎপাদন	- ১১.৪৫ টন।
ধনীয়া উৎপাদন	- ১১.৫১ টন।
পনক, নহক উৎপাদন	- ১২.৭৪ টন।

আজিকালি এইবোৰ শস্যত কিছুমানে ঘাই শস্য বুলি উৎপাদন কৰে।

মৰাপাটৰ খেতি ঃ

শিল্পজাত কেঁচামাল, মৰাপাট উৎপাদনৰ বিষয়ে আগতে আলোচনা কৰা হৈছে। ইয়াৰ অৰ্থনৈতিক গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি এই শস্য উৎপাদনত জোৰ দিয়া হয়। ই আন্তৰ্জাতিক মৰাপাট শিল্পৰ বজাৰৰ দ্বাৰা প্ৰভাৱান্বিত হলেও মূলত: জাতীয় মৰাপাট উদ্যোগৰ চাহিদাৰ ওপৰত বেছি নিৰ্ভৰশীল। নগাঁও জিলাত তুলসমৰ মুঠ উৎপাদনৰ শতকৰা ১৭ ভাগ মৰাপাট হয়। বজাৰৰ দামে নগাঁও জিলাৰ মৰাপাটৰ পৰিমান আৰু পৰিসৰ নিৰ্ণয় কৰে বুলি আগতেই কোৱা হৈছে। সেয়েহে মৰাপাটৰ বজাৰৰ দাম উঠা নমা কৰাৰ কাৰণে উৎপন্নৰ কম বেছ আৰু খেতিকৰা মাটিৰ পৰিমানবো কম বেছ হয়। প্ৰাপ্ত তথ্যমতে -

১৯৯৪-৯৫ চনত মৰাপাট উৎপন্ন হয় - ১,৫৯,৫৪৩ বেল।
১৯৯৫-৯৬ চনত মৰাপাট উৎপন্ন হয় - ২,০৮,২৭৬ বেল।
১৯৯৬-৯৭ চনত মৰাপাট উৎপন্ন হয় - ১,৬৫,২৮৮ বেল।

চাহখেতি ঃ

চাহ খেতিৰ নগাঁও জিলাৰ অৰ্থনীতি গুৰুত্ব কিমান এই বিষয়ে প্ৰাক্-স্বাধীনতাৰ কালৰ অৰ্থনৈতিক অগ্ৰগতিৰ বিশ্লেষণত ঠাই দিয়া হৈছে। বৰ্ত্তমান ইয়াৰ অগ্ৰগতিৰ বিষয়ে মাথো বিচাৰ কৰা হ'ব।

১৯৯১ চনৰ ৩১ ডিচেম্বৰ পৰ্য্যন্ত
নগাঁও জিলাত চাহ বাগিছা - ২৪ খন।
চাহখেতি - ৭৮২৯ হেক্টৰ মাটিত
চাহৰ উৎপাদন - ১,১৮,৭০,০০ কিল'গ্ৰাম
প্ৰতি হেক্টৰত উৎপাদন - ১৫১৬ কিল'গ্ৰাম
চাহৰ ফেক্টৰী - ২৪ টা
বাগিছাত কাম কৰা শ্ৰমিক - ১৪,৬৫৮ জন

চাহৰ বিক্ৰীমূল্য ধন জিলাখনলৈ ঘূৰি আহে মাথো শ্ৰমিক-কৰ্মচাৰীৰ ধনখিনিহে। বিক্ৰীকৰ আৰু আবকাৰী শুল্কৰ একাংশৰ কিয়দাংশ মাত্ৰ নগাঁও জিলাৰ অৰ্থনীতিত প্ৰবেশ কৰে।

মাছৰ খেতি ঃ

ইংৰাজ অহাৰ পিচত মাছৰ উৎসবোৰৰ পৰা ৰাজহ আদায়ৰ কাৰনে ডাক দিয়া হৈছিল অৰ্থাৎ বিক্ৰী কৰা হৈছিল। একালৰ মাছৰ প্ৰাচুৰ্য্যতাৰ নগাঁও জিলা। কালক্ৰমে, পুখুৰী আৰু নৈৰ মাছৰ দ্বাৰা জিলাখনৰ মানুহৰ প্ৰয়োজন পূৰণ কৰিব নোৱাৰা হ'ল। মাছ -এইখন জিলাৰ মানুহৰ

প্ৰধান প্ৰতিনযুক্ত খাদ্য। গতিকে চাউলৰ প্ৰয়োজনৰ দৰে মাছৰো প্ৰয়োজন অপৰিহাৰ্য্য। জিলাৰ জনসংখ্যা যোৱা ডেৰশ বছৰত ২০ গুণ বাঢ়িল। মাছৰ উৎপাদন নেবাঢ়িল, কমিলহে।

দেশৰ অৰ্থনৈতিক পূৰ্ণগঠনত যেনেকৈ খাদ্য শস্য, যানবাহন, ৰাস্তাঘাটৰ বৃদ্ধি আৰু বিকাশৰ কাৰণে পৰিকল্পিত প্ৰক্ৰিয়াৰ প্ৰবৰ্ত্তন কৰা হ'ল, তেনেকৈ মাছৰ উৎপাদন বৃদ্ধিৰ কাৰণেও পৰিকল্পনা আৰম্ভ হয় পঞ্চাশৰ দশকৰ পৰাই। অৱশ্যে এই লাভজনক শস্যৰ উৎপাদন আশানুৰূপ হোৱা নাই। দেশত নটা পাঁচ বছৰীয়া পৰিকল্পনাৰ কালত খাদ্য শস্য উৎপাদন ৪ গুণ বৃদ্ধি হ'ল। কিন্তু মাছৰ উৎপাদন তেনেকৈ বঢ়া নাই। এসময়ৰ প্ৰকৃতজাত সহজলভ্য এই জাতীয় খাদ্য সময়ৰ সলনিয়ে ইয়াক অপ্ৰচুৰ আৰু দুৰ্লভ কৰিলে। সেইবাবেই ইয়াৰ উৎপাদনৰ কাৰণে মানুহে কৃত্ৰিম প্ৰচেষ্টা চলাব লগা হ'ল। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অগ্ৰগতিয়ে মাছৰ ফচল সফল কৰাত সহায়ক হৈছে। এসময়ত নগাঁও জিলাৰ পৰা মাছ গুৱাহাটী, চিলং, তিনচুকীয়া, লামডিং, ডিমাপুৰৰ বজাৰত বিক্ৰী হৈছিল। এতিয়া নগাঁও জিলালৈ অন্ধ্ৰপ্ৰদেশ, উত্তৰ প্ৰদেশৰ পৰা মাছ আমদানি প্ৰতিদিনে ১০/১২ টনকৈ হয়।

মাছৰ বজাৰ বহুত বাঢ়িছে। বৰ্দ্ধিত দৰৰ মাছৰ বজাৰে বহুতো খেতিয়কক মাছৰ খেতি কৰিবলৈ আকৰ্ষণ কৰিছে। উল্লেখনীয় বিষয় হ'ল শতিকাটোৰ প্ৰথম তিনিটা দশকৰ ভিতৰত বিবোৰ খেতিয়ক তৎকালীন পূৰ্ববঙ্গৰ পৰা নগাঁও জিলালৈ আহিল তেওঁলোকে বসতিস্থানত পৰাপক্ষত একোটাকৈ সৰু-ডাঙৰ পুখুৰী খান্দি মাছ পুহিছিল। সেই মাছ বিক্ৰীও কৰিছিল।

স্বাধীনতাৰ পৰৱৰ্ত্তীকালত আগতে উল্লেখকৰামতে মাছৰ খেতি উন্নয়ন পৰিকল্পনাৰ অন্তৰ্গত বিভাগ হৈ পৰিল। প্ৰথম পাঁচবছৰীয়া পৰিকল্পনাতেই স্থিৰ কৰা হয় -

১) বিস্তীৰ্ণ জলাতক পতিত মাটিত স্থিত মাছ ধৰা পদ্ধতিৰ উন্নয়ন।

২) ব্যৱহাৰ নোহোৱা বিস্তৃত পতিত জলাশয়বোৰত মীন পালন।

৩) নতুন বিজ্ঞান প্ৰদত্ত মীন পামৰ প্ৰবৰ্ত্তন।

৪) মাছপোহা আৰু মৰা সম্পৰ্কীয় বিষয়ত প্ৰশিক্ষণ দিয়া।

সেইমতে নগাঁও জিলাত জোঙালবলহ গড়ত এটা ঘাই মীন খেতিৰ কেন্দ্ৰ স্থাপন কৰা হয়। ইয়াত মাছৰ খেতি পোনা উৎপাদন আৰু সংৰক্ষণ কৰা হয়। তেনেকৈ, ভালুকমাৰী জোৰ পুখুৰীত মাছ পোনা উৎপাদনৰ কেন্দ্ৰ স্থাপন কৰা হয়। বহাত মাছৰ পোনা উৎপাদন আৰু মাছৰ খেতি কৰা কেন্দ্ৰ স্থাপন হয়। কঠিয়াতলীত মাছৰ পোনা বিতৰণৰ কেন্দ্ৰ কৰা হয়। সত্তৰৰ দশকৰ আগছোৱালৈকে এই অগ্ৰগতি লাভ কৰা হয়। চামগুৰি বিলত মাছৰ খেতি আৰম্ভ হয়।

বিল ঃ- নগাঁও জিলাত মাছৰ বিল পঞ্জীয়নভুক্ত		৩৯ খন
	পঞ্জীয়নভুক্ত মাছমৰা নৈ	১২ খন
	মুঠ-	৫১ খন

১৯৯৪-৯৫ চনত পঞ্জীয়নভুক্ত মীনমহলৰ সংখ্যা ৪০ খন হ'লগৈ।

মাছৰ উৎপাদন ঃ- চৰকাৰী হিচাপত নগাঁও জিলাত ১৯৯৪- ৯৫ চনত ১২,৬৩০ টন উৎপাদন হয় আৰু এই মাছৰ গড় বজাৰ দৰৰ হাৰ প্ৰতি কিলোগ্ৰামত ৩০.০০ হ'লে মাছ পন্যৰ

বজাৰৰ পৰা জিলাখনৰ অৰ্থনীতিলৈ আমদানি হয় ৩৭৮৯০০০০০.০০ টকা। যদি ব্যক্তিগত মাছ খেতিৰ হিচাপ ধৰা যায় তেনেহলে এই ধনৰ অঙ্ক আৰু বাঢ়িব।

জিলাৰ অৰ্থনীতিত মীন শস্যৰ কৰ্ষন বিশেষ দিশ কেইটা হ'ল :-

১) পুষ্টিকৰ আহাৰৰ যোগান হয়।

২) খেতিয়কৰ আনুসাঙ্গিক উপাৰ্জ্জন বঢ়ায়। সাধাৰণ খেতিৰ লগত মাছ পোহাত অসুবিধা নহয়। বছেৰেকীয়া খেতি হিচাবে, খেতিয়কে আহৰি সময়ত এই খেতি কৰিব পাৰে।

৩) ই কৃষকৰ অন্যতম নগদ ধনৰ শস্য। ইয়াক ক্ষুদ্ৰ আৰু বহল উভয় ভিত্তিতে উৎপাদন কৰিব পাৰে।

৪) উন্নত ধৰণৰ মীন শস্যৰ উৎপাদনৰ বাবে মানৱ সম্পদৰ নিযুক্তিৰ সুবিধা হয়।

৫) মীন খেতিত মূলধন নিয়োগৰ ক্ষেত্ৰ আৰু উৎপানশীলতাই যথেষ্ট।

সেয়েহে নগাঁও জিলাৰ মানুহৰ একাংশই মীনখেতিত ইতিমধ্যেই জড়িত কৰি পেলাইছে। কৰ্ম-সংস্থান আৰু উপাৰ্জনৰ পথাৰখনো সৃষ্টি হোৱাই নহয়, বহলো হৈছে।

অৱশ্যে নগাঁও জিলাৰ মুঠ ঘৰুৱা উৎপাদনৰ কিমান অংশ মাছখেতিৰ পৰা পোৱা যায় তাক নিৰ্ণয় কৰা হোৱা নাই। মৰাপাট বা ধানৰ খেতিতকৈ ইয়াৰ উপাৰ্জন মূল্য কম নহয়। একোজন কৃষকে ধান-মৰাপাটৰ খেতি কৰিও মাছৰ খেতিও লাভজনক ভাবে কৰিব পাৰে।

মীন বিভাগৰ ভূমিকা :

মাছ শস্যৰ উৎপাদনত মাটি নগাঁও জিলাত ইয়াৰ উৎপাদন বৃদ্ধিৰ কাৰণে সংগঠিত আৰু পৰিকল্পিত প্ৰচেষ্টাৰ প্ৰয়োজন।

১) কলং, কপিলী, হাৰিয়া, যমুনা, সোনাই এই নৈ সমূহত আধুনিক পদ্ধতিৰ প্ৰয়োগ কৰি মাছৰ খেতি কৰিব পৰা যায়। এই নদী সমূহৰ পানী জলসিঞ্চনৰ কাৰণে ব্যৱহাৰোপযোগী কৰি তোলাৰ লগতে মাছ পোহাৰ কাৰণে ব্যৱহাৰ কৰিব পৰা যায়। জলসিঞ্চন আৰু মীন বিভাগে যুটীয়াভাৱে এই কাৰ্য সম্পন্ন কৰিব পাৰে।

২) বেচৰকাৰী খণ্ডত মাছৰ খেতি কৰিবৰ কাৰণে মীন পালক সকলক যি মূলধনৰ প্ৰয়োজন তাৰ যোগান ধৰিব লাগে। বৰ্ত্তমান মীন বিভাগে মাছ পুহিবৰ কাৰণে যি ধৰণে সাহাৰ্য আৰু ঋণ দিছে যথেষ্ট হোৱা নাই।

৩) জিলা খনত যথেষ্ট পৰিমানে নাগৰিক সকল আয়ৰ সঞ্চয় বেঙ্ক সমূহে আহৰণ কৰে। এই সঞ্চিত ধন পুঁজি হিচাবে বেঙ্কবোৰে মীন শস্যৰ উৎপাদনৰ কাৰণে বিনিয়োগ কৰিব পাৰে। এই আৰম্ভ হ'লেও বহলভাৱে ই অগ্ৰগতি লাভ কৰিব পৰা নাই। মীন খেতিৰ বিনিয়োজিত পুঁজি মধ্যকালীন বিনিযোগ (Medium term investment) মীন বিভাগে, এই বিষয়ত আগভাগ ল'ব পাৰে।

৪) নগাঁও জিলাত যিমানবোৰ বিল, নৈ আৰু জলাশয় আছে সেইবোৰ সকল আৰু সঠিক ভাবে মীন বিভাগে ব্যৱহাৰ কৰিব পৰা নাই। যিবোৰ মাছৰ মহল মীন নিগমে (Fishery Corporation) লৈছে সেইবোৰৰ পৰা উৎপাদন সঠিকভাৱে কৰিব পৰা নাই।

জিলাখনত এখন ফিচাৰী কলেজ আছে। কিন্তু Pisciculture ৰ পৰিস্থিতিৰ উন্নতি হোৱা নাই। শেহতীয়াকৈ নগাঁও জিলাৰ মাছৰ খেতিৰ উন্নয়নৰ কাৰণে বিশ্ববেংকৰ (World Bank) আঁচনি চৰকাৰৰ মীন বিভাগে হাতত লৈছে। যদি বিভাগে সততাৰে বিশ্ববেংক প্ৰদত্ত ধনৰ প্ৰয়োগ কৰে, তেনেহ'লে জিলা খনৰ মৎস্যোপাদন বৃদ্ধিত ই সহায়ক হ'ব আৰু এই পুঁজিৰ লগ্নী উৎপাদনশীল (Productive investment) হ'ব পাৰে। আঁচনিৰ প্ৰকাৰ (১) ব্যক্তিগত পুখুৰী উন্নিতকৰণ, (২) সমূহীয়া পুখুৰীৰ উন্নয়ন, (৩) উদ্যান শস্যৰ লগত মীন পালন।

মাছৰ খেতিয়ে নগদ ধন আমদানি কৰে। কাম কৰিবলৈ বিচৰা মানুহক কামৰসন্ধান দিয়ে। ভূক্তাক খাদ্যত প্ৰটিন যোগায় জীৱন ধাৰণৰ মান উন্নত কৰে।

পশু-সম্পদ আৰু নগাঁও জিলাৰ অৰ্থনীতি :

পৰম্পৰাগত কৃষিব্যৱস্থাত আৰু কৃষিভিত্তিক সমাজব্যৱস্থাত গৰু, ম'হ আদি ঘৰচীয়া জন্তুৰ প্ৰয়োজন অপৰিহাৰ্য আৰু এই জাতীয় জন্তুবোৰ কৃষিৰ অবিচ্ছেদ্য অঙ্গ। মাটিত হাল বোৱাৰ কাৰণে গৰু, ম'হ লাগেই, লাগে গাখীৰ আৰু তদজিত বিভিন্ন উৎপন্ন বস্তু মানুহৰ সুখাদ্য আৰু সুস্বাস্থ্যৰ কাৰণে এইবোৰ পোৱা যায় গৰু আৰু ম'হৰ পৰা। সেই কাৰণেই অতি প্ৰচিন কালৰ পৰাই গৰু মানুহৰ জীৱনৰ অত্যাৱশ্যকীয় অংগ হৈ আহিছে। ম'হ পোহা আৰম্ভ হোৱাও প্ৰায় ৫ হেজাৰ বছৰ ধৰি চলিছে। একালত ইয়াৰ মঙহ সকলোৱে ভক্ষণ কৰিছিল। আজিকালি সকলোৱে নকৰে। ইয়াৰ ছাল আৰু হাড়বোৰো মানুহৰ আৰ্থসামাজিক জীৱনত দৰকাৰ। আনকি গোবৰৰ গুৰুত্বও কম অধিক নহয়। এই দুইবিধ জন্তু মানৱ সম্পদৰ সমতুল্য। গতিকে সমাজ অৰ্থনীতিৰ বিকাশ আৰু শ্ৰীবৃদ্ধিৰ কাৰণে এই জন্তুৰ ভূমিকা অপৰিসীম।

আন পোহনীয়া জন্তুৰ ভিতৰত ছাগলী আৰু গাহৰি বিশেষভাবে উল্লেখযোগ্য। প্ৰটিনযুক্ত খাদ্যৰ কাৰণে ছাগলী আৰু গাহৰি পোহা হয়।

এই পশুৰ বাহিৰেও মানুহৰ খাদ্যৰ কাৰণে পালন কৰা প্ৰাণীৰ ভিতৰত কুকুৰা আৰু হাঁহৰ মঙহ আৰু কণী ব্যাপক পৰিমানে ব্যৱহাৰ হয়। এই পুষ্টিকৰ খাদ্য সম্ভৱ প্ৰাণীবোৰ প্ৰচীন কালৰ পৰাই ঘৰুৱা হিচাবে পোহা হয়।

এই জন্তু আৰু চৰাই জাতীয় প্ৰাণীবোৰৰ অৰ্থনৈতিক গুৰুত্বও কেবাহেজাৰ বছৰ ধৰি পাই আহিছে। গৰু-ছাগলী আদি জন্তুবোৰ একালত সম্পদ বিনিময়ৰ মাধ্যম হিচাবেও ব্যৱহৃত হৈছিল। এনেবোৰ পশুপক্ষীৰ ৰক্ষণাবেক্ষণ আৰু বিকাশৰ কাৰণে ইংৰাজ থকা দিনৰ পৰাই আমাৰ দেশত গুৰুত্ব দি অহা হৈছে আৰু চিকিৎসাৰ ওপৰতো গুৰুত্ব আৰূপ কৰা হয়।.১৯০৯ চনতেই অসমত পশুপালন বিভাগ হৈছে আৰু ফুলাৰ চাহাবে বি.কে. বসুক ভেটেনেৰী ইন্সপেক্টৰ কৰে।

ব্যৱস্থা গ্ৰহণ :

অৰ্থনৈতিক বিৱৰ্তনৰ লগে লগে ধান, মাহ, সৰিয়হ আৰু মৰাপাট আদি শস্যবোৰৰ উৎপাদনৰ নিশ্চিতকৰণ আৰু বৰ্দ্ধনৰ কাৰণে বিভিন্ন ৰকমৰ ব্যৱস্থা লোৱা হৈছে, পৰিকল্পিত

বিকাশ প্ৰক্ৰিয়া চলিছে, দেশ স্বাধীন হোৱাৰ পিচৰ পৰাই এই পশু-প্ৰাণী সম্পদৰ বিকাশৰ কাৰণে আধুনিক বিজ্ঞানৰ প্ৰয়োগ কৰা হৈছে। নগাঁও জিলাৰেই ইংৰাজ প্ৰশাসকৰ মন্তব্যৰ "Half starved, undersized, ill-bred and not infrequently deseased, the Assamese cattle are but sorry creatures. The bullocks finds it a difficult task to drag even the light native plough, and cow's yield but a minimum of milk. The causes of the degenerency are to be found in total indifference to the laws of breeding in absolute neglect, and partly perhaps, the want of suitable fodder in the reins." উপলব্ধিতাৰ প্ৰকাশ হিচাবেই প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাতেই আৰম্ভ হয়, "The key village scheme is intended for all aspects of cattle improvement such as, breeding, feeding, management, desease control and maketing."

নগাঁও জিলাত গৰু, ম'হ, ছাগলী, হাঁহ-কুকুৰা আদি পোহনীয়া জীৱ-জন্তুৰ চিকিৎসা আৰু বিকাশৰ কাৰণে এখন হস্পিতাল, ৩০ খন ডিচপেন্চৰী, ৩ খন চলন্ত চিকিৎসালয়, ১৩ খন ব্লক চিকিৎসালয় আছে। ৬ টা 'কী ভিলেজ চেন্টাৰ', ২ টা আই চি ডি পি চেন্টাৰ আৰু ৩৯ টা প্ৰজনন (Stockman) কেন্দ্ৰ, এখন পশু-পালন ফাৰ্ম, ২ খন কুকুৰা ফাৰ্ম, এখন গাহৰি ফাৰ্ম আৰু এখন ছাগলী পাম থকা বুলি চৰকাৰী তথ্যত প্ৰকাশ।

চৰকাৰী তথ্যত আৰু প্ৰকাশ যে নগাঁও জিলাত পশু-ধনৰ যথেষ্ট বৃদ্ধি পাইছে, যাৰ ফলত, জিলাখনৰ অৰ্থনীতি টনকিয়াল হৈছে। এই বক্তব্য সমৰ্থন প্ৰাপ্ত তথ্য হ'ল ঃ-

	গো-সম্পদ আছিল	ম'হ সম্পদ আছিল
১৯৬৬ চনত নগাঁও জিলাত	৭,৫৭,৮৬৪ টা	৩৩,৪০৩ টা
১৯৭২ " " "	৭,৪৯,০০২ টা	২৫,৭৩৫ টা
১৯৮২ " " "	৭,৬৭,৭০১ টা	৩৮,৪২৪ টা
১৯৯২-৯৩ " " "	৯,৭৫,৮১৪ টা	৬৪,৫১২ টা

এই তথ্যমতে জিলাখনত বিগত ৩০ বছৰ কালত পশুধনৰ বিকাশ যথেষ্ট হৈছে। তাৰ লগত বিভাগীয় তথ্যমতে ছাগলী, হাঁহ, কুকুৰাৰ উৎপাদন বৃদ্ধি হৈছে।

	ছাগলী	হাঁহ-কুকুৰা
১৯৬৬ চনত	১৪১০২৩ টা	৭,৮২,২৮০ টা
১৯৭২ চনত	৯৬,১৪৭ টা	৭,৯১,৯৮৬ টা
১৯৮২ চনত	১৭৫৪২৭ টা	৭,৯৫,০৩৪ টা
১৯৯২-৯৩ চনত	১৭১৫৪৯ টা	১০০৫১৮৬ টা

এই তথ্যৰ পৰা ধাৰণা কৰিব পাৰি যে জিলাখনত অৰ্থৰ লেনদেন পৰিমান ক্ৰমাগত বাঢ়িছে। ছাগলী, গাহৰি আদিৰ বৃদ্ধিয়ে বজাৰত মঙহৰ যোগান বঢ়াইছে। বৰ্তমান বজাৰ দৰত

ছাগলী, গাহৰিৰ পালক সকলে বুজন পৰিমানে নগদ ধন হাতত পাইছে। তাৰ বাহিৰে হাঁহ আৰু কুকুৰাৰ উৎপাদন বৃদ্ধিয়ে জিলাৰ অৰ্থনীতিত নগদধনৰ প্ৰবাহ ওৰে বছৰে চলিছে। হাঁহ-কুকুৰাৰ মাংসৰ পৰা ধনৰ আমদানি হোৱাই নহয়, ইয়াৰ কনীৰ উৎপাদন আৰু বজাৰ দাম বৃদ্ধিৰ পৰা বুজন পৰিমান বাৰমহীয়া নগদ ধনৰ সোঁত জিলাৰ অৰ্থনীতি বৈ থাকে।

দুগ্ধ-উৎপাদন ঃ

গাখীৰ এবিধ নিত্যপ্ৰয়োজনীয় পুষ্টিকৰ খাদ্য। ইয়াৰ উৎপাদন প্ৰক্ৰিয়া দীৰ্ঘকালধৰি ঘৰুৱা আৰু ক্ষুদ্ৰ পৰ্য্যায়ত কৰা হয়। অসম তথা নগাঁও জিলাৰ বাসীন্দাসকলৰ গোহালিত গৰু থকাটো নিয়মেই। বলধগৰু হাল-গাড়ী বোৱাৰ কাৰণে গাই গৰু গাখীৰৰ কাৰণে অৱধাৰিত হিচাবেই পোহা হয়। গৰু যাৰ যিমান বেছি থাকে তাৰ সামাজিক আৰু আৰ্থিক স্থিতিত মজবুত আৰু মৰ্য্যদ্যসম্পন্ন। ডাকৰ কথাত - 'যাৰ নাই গৰু, সি সবাতোকৈ সৰু।'

এনে অৱস্থাত নগাঁও জিলাৰ আৰ্থ-সামাজিক জীৱনত গৰু, মহ'ৰ স্থান যথেষ্ট ওপৰত। ইয়াৰ অৰ্থনৈতিক দিশটো হ'ল - (১) গৰু-ম'হৰ বেচা কিনা এশ বছৰৰ আগৰ পৰাই চলি আহিছে। সাপ্তাহিক হাটবোৰত জিলাৰ ঠাইত গৰু-ম'হবোৰ বিক্ৰী হয়। লঙ্কা, ডবকা, হোজাই, কামপুৰ, ফুলগুৰি, ৰহা, কপহীহাট, খিং, ডুমডুমীয়াৰ হাটত গৰু-ম'হবোৰ বেচা কিনা হয়। এইবোৰ জন্তু জীৱন্ত পন্য। ইয়াৰ বজাৰ দৰ ঘাইকৈ চাহিদাই নিৰ্ণয় কৰে। (২) জিলাখনৰ জন-সম্পদ যি নিৰিখত বাঢ়িছে পশু জাতীয় পন্যৰ উৎপাদন সেই অনুপাতে বৃদ্ধি পোৱা নাই। চৰকাৰী তথ্যমতেই ইয়াৰ উৎপাদন আনুপাতিকভাবে হ্ৰাস পাইছে। বজাৰত দাম অস্বাভাৱিকভাবে উঠিছে। ক্ষতিগ্ৰস্ত হৈছে - মজদীয়া আৰু কম মাটি থকা খেতিয়ক শ্ৰেণী। তাৰ পৰা বৰ্ত্তমান অৱস্থাৰ কৃষি উৎপাদন ব্যাহত হৈছে।

নগাঁও জিলাত বঢ়মপুৰত এখন 'ম'হ প্ৰজনন' ফাৰ্ম স্থাপন হৈছে আৰু নগাঁও টাউন ইনটেনচিভ কেটল ডেভল'পমেন্ট প্ৰজেক্ট আছে। ভেটেনেৰী বিভাগে অলপতে 'বিগৱা' নামৰ ব্ৰইলাৰ হাঁহ এবিধ আমদানি কৰিছে আৰু উৎপাদনৰ কাৰণে কলিয়াবৰ 'হাঁহ পালন কেন্দ্ৰত আৰু ওচৰ পাজৰ গাঁৱত বিতৰণ কৰা হৈছে।

নিয়োগ আৰুউপাৰ্জ্জনৰ ক্ষেত্ৰ ঃ

১) গৰু-ম'হ, ছাগলী, হাঁহ-কুকুৰাৰ উৎপাদন ঘৰুৱা ভোগ্য সামগ্ৰীৰ স্তৰ পাৰ হৈ আহিল। এতিয়া গাঁৱৰ কৃষক সকলে উপাৰ্জ্জনৰ আনুসাঙ্গিক অংশ হিচাবে হাঁহ-কুকুৰা, ছাগলী আৰু গৰু পোহ পাল কৰে।

২) পশু আৰু পক্ষীজাত উৎপাদনবোৰ বজাৰিকৰণ হোৱাৰ ফলত ইয়াৰ বহুলভিত্তিত সৰহীয়াকৈ উৎপাদনৰ ক্ষেত্ৰ বাঢ়িছে। ডেনমাৰ্ক, চুইডেন, নৰওৱে, কানাড়া, অষ্ট্ৰেলিয়া আদিত গৰু, ম'হ, গাহৰি আদিৰ উৎপাদন বহুল পৰিমানে হয়। সেই দেশবোৰৰ অৰ্থনীতিত গাখীৰ, কণী আৰু মঙহৰ উৎপাদনে ঘাই ভূমিকা লয়। নগাঁও জিলাত এতিয়ালৈকে বহুল আৰু বহুল পৰিমানে গাখীৰ, কণী, মাংসৰ উৎপাদনৰ প্ৰক্ৰিয়া আৰম্ভ হোৱা নাই, সেই কাৰণেই অন্ধ্ৰপ্ৰদেশ আৰু তামিলনাদুৰ পৰা ব্যাপক পৰিমানে এইখন জিলালৈ কণীৰ আমদানী হয়।

৩) গৰু, গাহৰি, ছাগলী, হাঁহ-কুকুৰাৰ বৰ্দ্ধমান বজাৰৰ চাহিদালৈ লক্ষ্য কৰিলে দেখা যায় নগাঁও জিলাত গাখীৰ, কণী, মঙহ উৎপাদনৰ অৰ্থকাৰী কাৰ্য্যত লক্ষাধিক লোক নিয়োজিত হ'ব পাৰে।

উৎপাদন আৰু পুঁজি ঃ

দুগ্ধ উৎপাদনৰ কাৰণে উন্নত সঁচৰ গৰু কিনাৰ কাৰণে মূলধনৰ দৰকাৰ। এই মূলধন জিলাখনৰ জাতীয় ব্যৱসায়ী বেঙ্ক আৰু আঞ্চলিক বেঙ্কবোৰৰ পৰা সহজে যোগান ধৰিব পাৰে। কাৰণ পশু-পক্ষীবোৰ পালনৰ আৰু চিকিৎসাৰ তত্ত্বাধানৰ কাৰণে জিলাখনত আৱশ্যকীয় আন্তৰ্গাথনীৰ যথেষ্ট হৈছে।

আধুনিক জীৱ বিজ্ঞানৰ প্ৰভূত উন্নতি হৈছে। ইয়াক সঠিকভাবে উৎপাদন আৰু মানুহৰ প্ৰয়োজন পূৰণৰ কামত নিয়োগ কৰি পৃথিৱীৰ আনবোৰ দেশত কৰিব পাৰিলে ইয়াত কৰিব নোৱাৰাৰ কোনো কাৰণ নাই। এইখন জিলাত এতিয়া লিখাপঢ়া জনা লোকৰ হাৰ শতকৰা ৬০ ৰ পৰা ৭০ ভাগ হ'ব। সাধাৰণভাবে নগাঁও জিলাৰ বজাৰখনত যদি গাখীৰৰ গড় চাহিদা জনমূৰি বছৰি ১২ লিটাৰ হ'লে প্ৰয়োজন হ'ল মুঠ উৎপাদন হ'ব লাগে বৰ্ত্তমানৰ আনুমানিক জনসংখ্যা ২১ লাখৰ কাৰণে ১২X২১০০০০০=২,৫২,০০,০০০ লিটাৰ আৰু বজাৰ দাম লিটাৰ আৰু বজাৰ দাম লিটাৰ প্ৰতি ১০ টকা দৰে ২৫২০০০০০ X ১০ = ২৫২০০০০০০.০০ টকা। এই ২৫.২ কোটি টকাই জিলাৰ অৰ্থনীতি নিশ্চয় টনকিয়াল কৰিব। কিন্তু সুস্বাস্থ্যৰ কাৰণে এই গাখীৰৰ পৰিমান বঢ়াব লাগে। আকৌ মাখন, ঘিউ আৰু পনীৰৰ চাহিদা আছেই।

কণীৰ চাহিদা ঃ সপ্তাহত ১ টাকৈ কণী খালে গড়ে বছৰত কণীৰ প্ৰয়োজন ৫২ X ২১ লাখ = ১০৬১ কোটি কণী। তাৰ দাম হয় প্ৰতি প্ৰতি কণী ২ টকাকৈ ২১.২২ কোটি। স্বাভাৱিকতেই কণীৰ চাহিদা ইয়াৰ কেবা গুণো হ'ব লাগে।

মঙহৰ চাহিদা ঃ হাঁহ, কুকুৰা, ছাগলী, গাহৰি, গৰু আদিৰ মঙহ বজাৰত বিক্ৰী হয়। জিলা খনত আমিষ ভোজী লোকৰ সংখ্যাই শতকৰা ৯৮ ভাগ। গড়ে প্ৰতি বছৰে ১ কিলোগ্ৰাম মাংসৰ প্ৰয়োজন হ'লে ২০.৬০ লাখ মানুহৰ কাৰণে লাগে ২০.৬০ লাখ কিলোগ্ৰাম আৰু ইয়াৰ দাম গড়ে ৬০ টকাকৈ কিলো প্ৰতি হ'লে মুঠ ধন লাগে ২০.৬০ X ৬০ = ১২.৩৬ কোটি টকা।

গাখীৰ, কণী আৰু মঙহ এই তিনিবিধ পশু পক্ষীজাত উৎপাদন ধনগত মূল্য হয় = গাখীৰ ২৫.২০ কোটি + কণী ২১.২২ কোটি আৰু + মঙহ ১২.৩৬ কোটি টকা = মুঠ ৫৮.৭৮ কোটি টকা। বাস্তৱত ইয়াৰ বহু বেছি হ'ব লাগে।

গ্ৰাম্য ঋণ ঃ

ৰয়েল এগ্ৰিকালছাৰেল কমিছনৰ অনুসন্ধানৰ সিদ্ধান্তৰ "ভাৰতীয় কৃষক ঋণৰ বোজালৈ জন্ম হয়, ঋণৰ বোজা মূৰত লৈ জীৱন কটায় আৰু ঋণৰ বোজা বৈয়েই মৰে" (Indian peasants are born in debt, live in debt and die in debt) কথাৰে নগাঁৱৰ গ্ৰাম্য ঋণৰ সমস্যাটো আলোচনা কৰিব পাৰি। বজাৰ অৰ্থনীতি আৰু চৰকাৰৰ ৰাজহ নীতিৰ প্ৰৱৰ্ত্তন পৰিস্থিতি হিচাবেই গাঁৱৰ মানুহৰ সুখীয়া চহকী জীৱনটো বিভিন্ন প্ৰক্ৰিয়াৰ

মাজেদি দুখীয়া ধকৰা জীৱনলৈ পৰিণত হয়।

কৃষকৰ ঋণৰ উৎস : - গাঁৱলীয়া মহাজন যিসকলে খেতিয়কক সুদলৈ ধন ধাৰে দিয়ে। এই সুদৰ হাৰৰ কোনো সীমা নাই। সেয়ে য'তে যি ভাবে পাৰে, সেই হিচাবে সুদ আদায় কৰে। আৰু এই মহাজনী শোষণৰ হেঁচাত স্বকৰা খেতিয়ক পেপুৱা লাগে। কৃষকৰ এই ঋণৰ বোজা আৰু শোষণৰ মাত্ৰা কমাবৰ কাৰণে চৰকাৰে কৃষক ঋণ দিয়াৰ কাৰণে গাঁওবোৰত কৃষি ঋণ সমিতি গঠন কৰিছিল।

১৯৫০-৫১ চনত এনে কৃষি ঋণ সমিতিৰ সংখ্যা অসমত ৬৭৬ খন আছিল। চলন্ত মূলধন (Working capital) আছিল ৮.৭৬ লাখ। আৰু ১৯৯৩-৯৪ চনত ইয়াৰ সংখ্যা হ'ল ৯৪১৬ খন আৰু চলন্ত মূলধন হ'লগৈ ৪৩৪.২৬ কোটি টকা। কিন্তু সমবায় সমিতিবোৰ সফল হোৱা নাই। Performance of co-operative societies in the sphere of rural credit has not been satisfactory due to mounting loans overdue...

কৃষকৰ ঋণৰ বোজা লাঘব কৰা আৰু কৃষি উৎপাদন বৃদ্ধি কৰাৰ কাৰণে সমবায় কৃষি-ঋণ দান সমিতিৰ ১ম পাঁচবছৰীয়া পৰিকল্পনাত গুৰুত্ব দিয়া হয়। All India Rural credit Survey Committee চুপাৰিশৰ মতে "The rise of agricultural finance will abviously have to increase with the size of production itself (উৎপাদন বৃদ্ধিৰ লগে লগে কৃষিঋণ বঢ়াব লাগিব)। এই কৃষিঋণ দীৰ্ঘম্যাদী, কম্‌সুদত (low rate of interest) যথেষ্ট পৰিমাণে আমানতৰ ভিত্তিত দিব লাগে। সেইমতে কৃষকক আৰু গ্ৰাম্য অৰ্থনীতিক সফল কৰাৰ উদ্দেশ্যে বিভিন্ন ৰকমৰ সমবায় সমিতি গঠন কৰা হয়। এই সমিতি আৰু অনুষ্ঠানবোৰৰ যোগেদি কৃষকক আৰু গাওঁবাসীলোকক বিভিন্ন ক্ষেত্ৰত বিনিয়োগ কৰিবৰ কাৰণে ধন ধাৰলৈ দিয়াৰ ব্যৱস্থা হয়। আৰু সমবায়বোৰৰ বিনিয়োজিত মূলধনৰ যোগান ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক আৰু ৰাজ্য চৰকাৰ সমূহে ধৰে।

নগাঁও জিলাত কৃষকক ঋণৰ যোগান ধৰাৰ কাৰণে, নগাঁও চেন্ট্ৰেল ক'অপাৰেটিভ বেঙ্ক স্থাপন হয়। পিচত বন্ধ হয়। কাৰ্য্যত গ্ৰাম্যঋনদান অনুষ্ঠানবোৰ অচল আৰু অকাৰ্য্যকৰী হৈ, শেষত বন্ধ হৈ পৰিছে।

নগাঁও জিলাৰ ৬১ খন গাঁও পঞ্চায়ত পৰ্যায়ৰ সমবায় সমিতি আছে আৰু ৯৭,৬৯৩ জন এই সমিতিবোৰৰ সদস্য। এই বিলাকেও সঠিক ভাবে গাঁৱলীয়া ৰাইজৰ প্ৰয়োজন পূৰাব পৰা নাই।

গ্ৰাম্য-ঋণ আৰু বেঙ্ক :

১৯৬৯ চনত ১৪টা জাতীয় ব্যৱসায়ী বেঙ্ক (Schiduled commercial) ৰাষ্ট্ৰায়ত্ত হোৱাৰ পিচত, কৃষিৰ উন্নয়নৰ কাৰণে এই বেঙ্ক বিলাকত পুঁজিৰ বিনিয়োগৰ কাৰণে চৰকাৰে নিৰ্দ্দেশ দিয়ে।

১৯৭২ চনৰ পৰা কৃষিত আৰু কৃষিজাতীয় ক্ষেত্ৰত ব্যৱসায়ী বেঙ্কসমূহে কৃষিত পুঁজি

লগ্নী কৰে। ১৯৭৫ চনত নগাঁও জিলাৰ কৃষকৰ বেঙ্ক-

ঋণ দিয়া হয় - ২,১২,১০,০০০ টকা

১৯৭৬ চনত ঋণ দিয়া হয় - ২,১২,৯৩,০০০ ”

১৯৭৭ চনত ঋণ দিয়া হয় - ১,৩৪,৯১,০০০ ”

এই বিনিয়োগ ক্ৰমান্বয়ে কমি ১৯৮১ চনত লগ্নী হ'লগৈ ১,০৯,৯৪,০০০ টকা।

ইয়াৰ বাহিৰেও, অসম ক'অপাৰেটিভ এপেক্স বেঙ্ক লিমিটেড্ নগাঁও সমবায় কৃষি আৰু গ্ৰাম্য উন্নয়ন বেঙ্ক, লখিমী গাঁৱলীয়া বেঙ্কৰ যোগেদি নগাঁও জিলাত গ্ৰাম্য ঋণ যোগান ধৰা হয়। কিন্তু ইয়াৰ ফলাফল আশাব্যঞ্জক নহয়।

নাৰ্বাদ ঃ

জাতীয় কৃষি আৰু গ্ৰাম্য বিকাশ বেঙ্কে (National Bank for Agriculture and Rural Development) নগাঁও জিলাৰ কৃষিত পুঁজিৰ লগ্নীত প্ৰৱেশ কৰিছে। আৰু,

১৯৯৪-৯৫ চনত- ২৫.৯৯ লাখ টকা

১৯৯৫-৯৬ চনত - ৯.২১ লাখ টকা

১৯৯৬-৯৭ চনত - ৪.৪১ লাখ টকা ৰ লগ্নী হৈছে।

লগ্নীৰ সমস্যা (১) কৃষি ঋণ সমিতিবোৰৰ বকেয়া ঋণৰ পৰিমান বিপুল।

(২) অধিক সংখ্যক সমিতিয়ে অংশৰ ধনৰ খৰুলীয়া হোৱাৰ কাৰণে কাম কৰা নাই।

(৩) ব্যৱসায়ী বেঙ্কবোৰে (Commercial Banks) জিলাখনত লগ্নী কৰা নাই।

জিলাখনত কৃষি আৰু কৃষি জাতীয় উৎপাদনৰ কাৰণে আৰু কৃষি পদ্ধতিৰ উন্নয়নৰ কাৰণে পুঁজিৰ লগ্নী একান্তই বেছি প্ৰয়োজন। জিলাখনত বেঙ্কৰ পৰা ঋণ লোৱা লোকৰ সংখ্যা ১৬১০২৮ জন ১৯৯৭ চন পৰ্যন্ত।

কৃষিৰ যান্ত্ৰীকৰণ (Mechanization of Farming) ঃ

কৃষি লাভজনক হোৱাৰ কাৰণে আৰু কৃষিজাত পণ্যৰ বজাৰ দৰ তুলনামূলকভাবে উচ্চ হোৱাৰ হেতুকে, উৎপাদন পদ্ধতিৰ যান্ত্ৰিকৰণ আৰম্ভ হৈছে। ধনী আৰু মজলীয়া শ্ৰেণীৰ খেতিয়কে যন্ত্ৰৰ ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছে। এই পৰ্যন্ত নগাঁও জিলাত কৃষিৰ যান্ত্ৰিকৰণ ছবিখন এনে ধৰণৰ (১৯৯৫)

	চৰকাৰী খণ্ড	ব্যক্তিগত খণ্ড	মুঠ
ট্ৰেক্টৰ	১০ টা	৪৪ টা	৫৪ টা
পাৱাৰ টিলাৰ	১৭ টা	১০১ টা	১১৮ টা
ডিজেল পাৱাৰ পাম্প	৩৯৯ টা	২৬০১ টা	৩০৮০ টা
স্প্ৰেচাৰ	১১ টা	৪ টা	১৫ টা
এইচ, চি. স্পেয়াৰ	৭৬৩ টা	২৩৭ টা	৩১৫০ টা
পাৱাৰ স্প্ৰেয়াৰ	১১৮ টা	---	১১৮ টা
দাঙাৰ	১৫০ টা	২৯ টা	১৭৯ টা

চিদ ড্রিল	১৭৩ টা	১৬০ টা	৩৩৩ টা
হুইল হ'	৬২ টা	২৮ টা	৯০ টা
পেডী উইদাৰ	১৪৪ টা	২৮৬ টা	৪৩০ টা
ফুট স্পেয়াৰ	১৪ টা	২৮ টা	৪২ টা

এই তথ্যৰ পৰা দেখা যায় কৃষিৰ যান্ত্রিকৰণৰ প্রক্রিয়া আৰম্ভ হৈছে আৰু এই প্রক্রিয়া বেছি ব্যাপক হ'লে তাৰ ফলাফল এনে ধৰণৰ হ'ব।

(১) কৃষিৰ উৎপাদন বৃদ্ধি হ'ব আৰু বিকাশ ত্বৰান্বিত হ'ব।

(২) কৃষিত মূলধন লগ্নী পৰিমান বেছি হ'ব লাগিব।

(৩) কৃষিৰ পৰা ভালেমান মানুহৰ শ্রম উদ্বৃত্ত হ'ব।

(৪) কৃষিত ধনতান্ত্রিক শোষণ বাঢ়িব।

(৫) ধনী কৃষকৰ সংখ্যা বাঢ়িব।

জলসিঞ্চন :

৩য় পঞ্চবার্ষিক পৰিকল্পনাৰ কালতে নগাঁও জিলাত কৃষিৰ উৎপাদন নিশ্চিত আৰু বৃদ্ধি কৰা কাৰণে খেতিৰ পথাৰত পানীযোগানৰ আঁচনি আৰম্ভ কৰা হৈছে। আৰু মজলীয়া জলসিঞ্চন প্রকল্প হিচাবে যমুনা জলসিঞ্চন প্রকল্প ৰূপায়ন কৰা হয়। তাৰ পিচত সংযোযিত কলং কলিয়াবৰ জলসিঞ্চন প্রকল্পৰ(ক) কলিয়াবৰ জলসিঞ্চন প্রকল্প (খ) কলিয়াবৰ লিফ্‌ট জলসিঞ্চন আঁচনি সম্পন্ন কৰা হয়। এই দুটা প্রকল্পৰ প্রস্তাবিত জলসিঞ্চন ক্ষমতা হৈছে -

যমুনা জলসিঞ্চনৰ পানী যোগানৰ ক্ষমতা		২৮৫০০ হেক্টৰ
কলিয়াবৰ সংযোজিত আঁচনিৰ		১৭৭৫০ "
	মুঠ -	৪৬,২৫০ হেক্টৰ

ক্ষুদ্র জলসিঞ্চন :

উত্তোলিত জলসিঞ্চন আঁচনি	১০০৪০ হেক্টৰ
লিফ্‌ট ইৰিগেচন আঁচনি	৯৫০০ "
গভীৰ নলীনাদ আঁচনি	১৬০০ "
মুঠ	১২,১৪০ হেক্টৰ

কৃষি বিভাগৰ নলীনাদ জলসিঞ্চন :

এছ টি ডব্লিউ	২,৫৮০ টা	১২,৯০০ হেক্টৰ
ব্রি ব'ৰিং	৭৮৮ "	৩,৯৪০ "
এল এল পি	৩৭৫ "	৭৫০ "
	মুঠ	১৭,৫৯০ হেক্টৰ

বেংকৰ ঋণ লৈ ব্যক্তিগত জলসিঞ্চনৰ ব্যৱস্থা :

এছ টি ডব্লিউ	২৫৯ টা	১,২৬৫ হেক্টৰ
এল এল পি	১০০ টা	২০০ "
	মুঠ	১,৪৬৫ হেক্টৰ

এ এছ এম আই দি চি	৭১৪ টা	৩,৫৭০ হেক্টৰ
ডি আৰ ডি এ ৰ তলত :		
এছ টি ডব্লিউ	৫৬৫ টা	২,৮২৫ হেক্টৰ
ব্যক্তিগত :		
এছ টি ডব্লিউ	৩১০ টা	১,৫৫০ হেক্টৰ
এল এল পি	৩৬০০ টা	৭,২০০ "
এবিয়া চপ :		
এছ টি ডব্লিউ	৮৬৪ টা	৪,৩৪০ "

মুঠ জলসিঞ্চনৰ ক্ষমতা থকা মাটিৰ কালি ১,০৬,১৮০ হেক্টৰ ; অৰ্থাৎ জিলাখনত মুঠ কৃষিৰ মাটিৰ শতকৰা ২৮.৫৯ ভাগ। কৃষি বিভাগে এই হিচাপত ভালেখিনি অগ্ৰগতি লাভ কৰিছে। বাস্তৱত মজলীয়া জলসিঞ্চনৰ আঁচনি সঠিক ব্যৱহাৰ হোৱা নাই।

আকৌ নগাঁও জিলাৰ নেট জলসিঞ্চন থকা মাটিৰ কালি 'নাবাৰ্ড' ৰ মাতে ১,০৪,১৩৫ হেক্টৰ। এই তথ্যও যদি বাস্তৱ হয়, ইয়াৰ যথাযথ ব্যৱহাৰ হ'লে প্ৰতিহেক্টৰ মাটিত সাৰ আৰু উচ্চ উৎপাদনক্ষম কঠিয়া নোহোৱাকৈও দেখোন হেক্টৰ ৪ টন ধান X ১০৪১৩৫ হেক্টৰ মাটিত খেতি বছৰত দুবাৰ কৰিলে- ৪,১৬,৫৪০ টন ধান উৎপাদন হ'ব পাৰে। প্ৰাপ্ত তথ্যমতে তেনে হোৱা নাই। জলসিঞ্চনে আনিদিব জিলাখনৰ বিপুল অগ্ৰগতি।

যোগাযোগ ব্যৱস্থা :

স্বাধীনতাৰ আগলৈকে নগাঁও জিলাৰ যোগাযোগ অৰ্থাৎ পথ ব্যৱস্থা ৰাজ্যখনৰ আন জিলাতকৈ উন্নত আছিল যদিও সন্তোষজনক নাছিল। ৰেল সংযোগেৰে জিলাখনক গোটেই দেশৰ লগত সংযোগ স্থাপন কৰিলেও ইয়াৰ ব্যৱহাৰিক সম্প্ৰসাৰণ আৰু উন্নতি একেবাৰে হোৱা নাই। উত্তৰ পূৱ সীমান্ত ৰেলওৱেই নগাঁও জিলাৰ দক্ষিনেদি উধৰ পৰা মূৰলৈকে গলেও জিলাৰ সদৰ ঠাই নগাঁও চহৰক ইয়াৰ সুবিধা বোৰ দিয়া নাই। এসময়ৰ গুৰুত্বপূৰ্ণ ভূমিকা লোৱা শিলঘাট, চাপৰমুখ শাখা ৰেল আৰু শেনচোৱা, মৈৰাবাৰী শাখা লাইনক অৱহেলা কৰাৰ কাৰণে জিলাৰ অৰ্থনীতিৰ অগ্ৰগতিত ক্ষতি হৈছে। বৰ্তমান চাপৰমুখৰ পৰা হয়বৰগাঁও(নগাঁও) পৰ্যন্ত ব্ৰডগজৰ যোগাযোগ হৈছে। ইয়াক পূৰ্ণ পৰ্যায়ৰ ৰেল পৰিবহনৰ সুবিধাবোৰ পূৰ্ণপ্ৰতিষ্ঠা কৰা নাই। যোৱা ৫০ বছৰত স্বাধীন চৰকাৰৰ আমোলত এই গুৰুত্বপূৰ্ণ আন্তঃ গাথনি ব্যৱস্থাৰ উন্নতি হোৱা নাই। ৰেল ব্যৱস্থাৰ প্ৰচলনে ভাৰতবৰ্ষৰ দূৰ-দূৰণিৰ লগত নগাঁও জিলাৰ অৰ্থনীতিক গাঁথি দিছিল।

ৰাস্তা ঘাট :

নগাঁও জিলাৰ অৰ্থনীতিৰ আন্তঃ গাঁথনিৰ অন্যতম মূল উপাদান ৰাস্তা দলং ইত্যাদি। প্ৰাক্-স্বাধীন কালত পকা আলি আছিল আসাম ট্ৰাঙ্কৰোডটো (ৰাষ্ট্ৰীয় পথ নং ৩৭) মাথোঁন। জিলাৰ প্ৰধান ঠাইবোৰ খিং, কামপুৰ, ৰূপহীহাট, ডবকা, হোজাই, লঙ্কা, যমুনামুখৰ লগত লোকেল বৰ্ডে সজোৱা কেচা আলিৰে সদৰ ঠাই নগাঁও চহৰৰ লগত সংযোগ স্থাপন কৰা হৈছিল। গৰুগাড়ী, মহৰ গাড়ী পৰিবহনৰ মাধ্যম।

স্বাধীনতাৰ প্ৰথম দশকৰ পৰাই দেশৰ অৰ্থনৈতিক পূৰ্ণগঠনৰ কাৰণে যি পৰিকল্পিত প্ৰক্ৰিয়াৰ পাতনি মেলিলে, তেতিয়াই উন্নত পথ নিৰ্ম্মানৰ কাৰণে সমুদায় জাতীয় পৰিকল্পনাৰ পুঁজি শতকৰা ১৫ ভাগ ইয়াৰ বাবে খৰছ কৰা হয়। ৰাস্তা ব্যৱস্থাটো ৰাজ্যৰ সংযোজিত গাঁথনি। ইয়াক তিনটা ভাগত ভগোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰীয় পথ। ৰাজ্য চৰকাৰ ৰাজ্যিক ঘাই আলি। আৰু জিলা প্ৰশাসনৰ জিলাৰ ঘাই আলীবোৰ। ইয়াৰ বাহিৰে গাঁৱৰ ভিতৰৰ বা পৌৰসভাৰ ভিতৰত আলিবোৰ পঞ্চায়ত বা পৌৰসভাই নিৰ্ম্মান আৰু তদবিৰ কৰে। নিৰ্দ্দিষ্ট কৰ্তৃপক্ষইনিৰ্দ্দিষ্ট পথবোৰ নিৰ্ম্মান আৰু ৰক্ষণা বেক্ষণ কৰে। আৰু ইয়াৰ পৰ্যায় ভিন ভিন।

নগাঁও জিলাত গড় কাপ্তানি বিভাগৰ পথ আছিল-

১৯৬৭-৬৮ চনত ব্লেক টপ কৰা গ্ৰেভেল কৰা আৰু কেচা আলি

৩০৩ কি.মি.   ১১০৬ কি.মি.   ২৪৮ কি.মি.

১৯৮২-৮৩ চনত ইয়াৰ পুনৰ বিন্যাস কৰি কৰা হয়-

ৰাষ্ট্ৰীয় ঘাই পথ-   ২০৬ কি.মি.

ৰাজ্যিক ঘাইপথ-   ৩৩১ "

জিলা ঘাইপথ-   ২০৪৭ "

মুঠ -   ২৫৪৮ কি.মি.

১৯৯১-৯২ চনত ইয়াৰ পুনৰ বিন্যাসত পকা আলি আৰু শিলগুটি দিয়া আলি বহু । মুঠ ৰাস্তা বৰ্তমান নগাঁও জিলাত তৈয়াৰ হ'ল ২২৮০ কি.মি.। তাৰে ৫২৫ কি.মি. পকা আলি, আৰু ১৮৫৫ কি.মি. শিলগুটি দিয়া। প্ৰতি এক লাখ জনবসতিত ৫৭.৬ কিলোমিটাৰ আলিবাট। এয়া গড়কাপ্তানি বিভাগে কৰা আলিবাট।

পথ ব্যৱস্থাৰ আগ্ৰগতিয়ে জিলাখনৰ অৰ্থনৈতিক প্ৰগতিৰ দিশটো উজ্জ্বল কৰি তুলিছে। বেহা বেপাৰৰ ক্ষেত্ৰ বহল হৈছে। আধুনিক বজাৰ ব্যৱস্থাৰ আন্তঃগাথনি সুবহল হৈছে। যান-বাহনৰ সমাগম বাঢ়িছে। জীৱন ধাৰণৰ মান ক্ষেত্ৰতো গাঁও চহৰৰ ব্যৱধান কমিছে। লগতে, পুঁজিবাদী শোষণ ব্যৱস্থাৰ ভেটিও বহল হৈছে।

পথ পৰিবহন ঃ

আধুনিক অৰ্থব্যৱস্থাৰ আন্তঃগাঁথনিৰ মৌলিক উপাদান যান-বাহন আৰু যোগাযোগ। পথ নিৰ্মানৰ পৰিসৰ বৃদ্ধি পোৱাৰ লগে লগে পথ-পৰিবহনৰ চৰিত্ৰ পৰিসৰ আৰু পৰিমান বহুত বাঢ়িল। যোৱা তিনটা দশকৰ ভিতৰত গোটেই দেশতে পথপৰিবহন ব্যৱস্থাৰ বৈপ্লৱিক বিকাশ হৈছে। ইয়াৰ প্ৰভাৱ আৰু প্ৰতিক্ৰিয়া গোটেই দেশৰ অথনীতিত সুদূৰ প্ৰসাৰী হৈছে। বিকাশমান অৰ্থ-ব্যৱস্থাত পৰিবহনৰ গুৰুত্ব খুবেই অপৰিসীম। আৰু নগাঁও জিলাৰ বিকাশমান অথনীতিতো এই পথ পৰিবহনৰ দ্ৰুত অগ্ৰগতিয়ে বিপুল বৰঙণি যোগাইছে। প্ৰাপ্ত তথ্যৰে জিলাখনৰ পথ পৰিবহনৰ ছবিখন এনেকৈ পোৱা যায়।

	বাছ	প্ৰাইভেট কেঃ	পাবলিক কেঃ	টেক্সী	মটৰকাৰ
১৯৭৫ চনত	৩৮২ খন	৪৩২ খন	৪৮৯ খন	৩৪ খন	৪৭২ খন
১৯৮৪ চনত	৪২৫ খন	২০৩৩ খন	৩৬৬ খন	১২৬ খন	১১৬৮"

নব্বৈ দশকত নগাঁও জিলৰ পথ পৰিবহনত যোগ হৈছে, বহুতো 'অমনি বাছ' আৰু 'মিনি বাছ'। ১৯৯৪ চনত ইয়াৰ আছিল যথাক্ৰমে ৩৫ খন আৰু ৭০ খন।

এই পথ পৰিবহন ব্যৱস্থাৰে বহুল পৰিমানৰ পুঁজিৰ আমদানি হৈছে। বেঙ্ক আৰু ব্যক্তিগত পুঁজিৰ লগ্নী বাঢ়িছে। জিলাৰ পুঁজিগঠনৰ পথ মুকলি হৈছে। আৰু কৰ্ম সংস্থাৰ বঢ়াৰ লগে লগে জিলাৰ অৰ্থনীতি নগদ ধন শ্ৰোত আৰু চাহিদাও বাঢ়িছে।

নগাঁও জিলাৰ শিল্পায়ন ঃ

নগাঁও জিলাৰ প্ৰাকৃতিক সম্পদ, কৃষি সম্পদ আৰু জন সম্পদৰ বঞ্চিতা খুৱাই অৰ্থনীতিৰ সুমিত বিকাশৰ বাবে আধুনিক শিল্প গঢ়াৰ ক্ষেত্ৰ খুবেই সীমিত। এতিয়ালৈকে গঢ়ি উঠাৰ ভিতৰত আছিল শিলঘাট সমবায় মৰাপাট কল, জাগীৰোড চিঙ্ক মিল আৰু নগাঁও কাগজ কল। ইয়াৰ ভিতৰত শেষৰ দুটা বৰ্ত্তমান মৰিগাঁও জিলা অন্তৰ্গত।

তথাপি কৃষি সম্পদ ভিত্তিত গঢ়ি উঠা ক্ষুদ্ৰ উদ্যোগে জিলাখনৰ অৰ্থনীতি সামান্যভাৱে বং সলনি কৰিছে।

১৯৭৪ চনলৈ পোৱা তথ্যমতে, ফেক্টৰী, কাৰখানাৰ সংখ্যা-

খাদ্য জাতীয় পণ্য উৎপাদনৰ বাবে- চৰকাৰী খণ্ডত		৪টা, বেচৰকাৰী খণ্ডত	৮৮ টা
বস্ত্ৰ উৎপাদনৰ	"		১ টা
চিল্কৰ বস্ত্ৰ	"	১ টা	
মৰাপাট দ্ৰব্য	"	১ টা	
কাঠৰ কল বা তদ্ জাতীয়	"		২১ টা
ধাতু জাতীয়	"		২ টা
ধাতু জাতীয় পদাৰ্থৰ কাৰখানা			১ টা
ধাতুৰ যন্ত্ৰ পাতিৰ কাৰখানা			৩ টা
মটৰ পাৰ্টছ		১ টা	
বিজুলীৰ		২ টা	

১৯৯৩ চনত বৰ্ত্তমান নগাঁও জিলাত শিল্পায়নৰ চিত্ৰখনৰ সামান্য সলনি হৈছে। অতিৰিক্ত ২৩ টা কাঠ কল আৰু ৬ টা ৰাসায়নিক উৎপাদন গোট স্থাপন হৈছে। আৰু অসম ৰাজ্যিক বয়ণ আৰু উৎপাদন কোম্পানী লিমিটেড,-১৬ কোটি টাকা পুঁজিৰ লগ্নীৰে, নগাঁও কাটিমাৰীত এটা বস্ত্ৰ শিল্প স্থাপন হৈছে। লক্ষ্যনীয় বিষয় হ'ল ধান-বনা কল, আৰু কাঠ কল উদ্যোগৰ ভালেকেইটা গোট অচল অৱস্থাত আছে। অভাৱ আৱশ্যকীয় পৰিমানৰ ধান আৰু কাঠৰ। ইতিমধ্যে জিলাখনৰ গাঁওভূইত ভালেমান ক্ষুদ্ৰ ধানবনা কল স্থাপন হৈছে। সেইবিলাকে গাঁৱৰ ঢেঁকী আৰু উৰলবোৰ ওপৰ চাপত তুলিছে। গ্ৰাম্য জীৱন যান্ত্ৰিকৰণৰ নতুন দিশ মুকলি

হৈছে। এই সক সক ধান কলবিলাকে, ধান বনাৰ উপৰিও, তেল পেৰা, মছলা খুন্দা, মাহ ভজা কামো কৰে। ইদানীং পিঠাগুৰি, সান্দহগুৰিও কলত খুন্দে। জিলাখনত উদ্যোগিকৰণৰ বাবে মূলধন নিয়োগৰ সম্ভাৱনা কম। কামপুৰৰ চেনিকলটো, স্থাপন হোৱাত কুঁহিয়াৰ খেতিয়কৰ লাভ হ'ব লাগে। সেইটো নির্ভৰ কৰে যোগ্যভাৱে পৰিচালনা কৰাৰ ওপৰত ।

বেছম-শিল্পঃ

নগাঁও জিলা তথা অসমত বেছম উদ্যোগ অতি প্ৰাচীন। স্বাধীনতাৰ পৰৱৰ্ত্তী কালত, গাঁও অঞ্চলৰ মানুহৰ উপাৰ্জ্জন বৃদ্ধিৰ পৰিপূৰক আৰু ছদ্মবেশী নিবনুৱা আৰু অৰ্দ্ধ-নিবনুৱা লোকক সংস্থাপন দিয়াৰ বাবে বেছম উদ্যোগ সজীৱ আৰু সম্প্ৰসাৰণ কৰাৰ কাৰ্য্যক্ৰম আৰম্ভ কৰা হয়। আনহাতেদি, বেছিম বস্ত্ৰ বৰ মূল্যবান আৰু শোভময়। সৌন্দৰ্য্য বৰ্দ্ধনৰ কাৰণেই এই জাতিয় বস্ত্ৰৰ ব্যৱহাৰ নহা ই মৰ্য্যাদা সম্পন্নও।

নগাঁও জিলাত বেছম শিল্পত যুক্ত। এড়ি মূগা আৰু পাট তিনিত বেছমেই উৎপাদন হয় বুলি চৰকাৰী তথ্যত প্ৰকাশ পাইছে। ১৯৮২-৮৩ চনত ৫৯০খন গাঁৱত এই বেছম বস্ত্ৰৰ উপাদন হয় বুলি ঠাৱৰ কৰিছে। ইয়াৰ ভিতৰত এড়ি বস্ত্ৰৰ উৎপাদনত যুক্ত হয় ৪৮৯৬ টা পৰিয়ালে, মুগা বস্ত্ৰ উৎপাদন কৰে ২০৫টা পৰিয়ালে। আৰু পাট কাপোৰৰ উৎপাদনৰ লগত জড়িত ১৬৬৭টা পৰিয়াল।

১৯৯৩-৯৪ চনৰ প্ৰাপ্ত তথ্যমতে এড়ি উৎপাদনত যুক্ত পৰিয়ালৰ সংখ্যা নগাঁও জিলাত ৬৭৮০ টা, মৰিগাঁও জিলাত ৩১৫৮টা। মূগা উৎপাদনত যুক্ত পৰিয়াল-নগাঁও জিলাত ২৮৯ টা, মৰিগাঁও জিলাত ১৭২ টা মাত্ৰ। পাটৰ বস্ত্ৰ উৎপাদনত যুক্ত ৯১৩ টা নগাঁৱত আৰু ৫৪৭ টা হ'ল মৰিগাঁও জিলাত। এটা দশকত এড়ি কাপোৰ উৎপাদনকাৰী সংখ্যা ডবল হোৱা দেখা যায়। সেইদৰে মুগা আৰু পাট বস্ত্ৰ উৎপাদনতো অধিক লোক যুক্ত হোৱালৈ যায়-বেছম বস্ত্ৰ উৎপাদনৰ প্ৰতি গাঁৱৰ মানুহৰ আগ্ৰহৰ সৃষ্টি হৈছে। কিন্তু, এড়িৰ বাহিৰে বাকী দুবিধৰ সূতা বা বস্ত্ৰ উৎপাদনৰ ঘৰত শূন্য।

অথচ, এড়ি পাট, মূগা তিনিও বিধ বেছমৰ বজাৰ মূল্য দাঁও দাঁও কৰি বাঢ়িছে। এই ঘৰুৱা উদ্যোগৰ প্ৰতি গুৰুত্ব আৰোপ কৰিলে, জিলাৰ অৰ্থনীতিলৈ যথেষ্ট ধনৰ সোঁতৰ'ব পাৰে। তাকে কৰিব কোনে ? নাবাৰ্ডৰ আঁচনি ফলপ্ৰসূ হ'লে, বহুত ভাল কাম হ'ব।

কুটীৰ শিল্প ঃ

নগাঁও জিলাৰ অৰ্থনীতিত কুটীৰ আৰু ক্ষুদ্ৰ শিল্পই কৃষিৰ বাহিৰৰ উৎপাদন ক্ষেত্ৰ। তাৰ ভিতৰত, বোৱা-কটা এটা বৃত্তি। এই বৃত্তিত নাৰী সমাজৰ প্ৰধান্য। তেওঁলোকৰ ব্যক্তিগত আৰু ঘৰুৱা জীৱনৰ ব্যস্ততাৰ এটা দিশ। নিজস্ব প্ৰয়োজনৰ সীমা চেৰাই ইয়াক ব্যৱসায়িক বৃত্তিলৈ ৰূপান্তৰ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। গাঁও অঞ্চলৰ নাৰীসমাজৰ কৰ্ম্ম-চঞ্চলতা পৰিৱেশ সৃষ্টি হোৱাৰ এটা উপায়, আৰু এই কৰ্ম্ম চঞ্চলতা অৰ্থকৰী চঞ্চলতা হ'ব পাৰে।

দিনীনি বৃত্তিক উৎসাহ দিয়াৰ কাৰণে বোৱা-কটা বিভাগৰ দ্বাৰা লোৱা আঁচনিবোৰৰ ভিতৰত গাঁও অঞ্চলত ইয়াৰ সংগঠন আৰু প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। চৰকাৰী তথ্যমতে

১৯৮৩-৮৪ চনত নগাঁও জিলাত ১২৫০ জন লোক সৰ্বক্ষণী হিচাবে যুক্ত হয়। কিন্তু ১৯৯৪-৯৫ চনত এনে বোৱনীৰ সংখ্যা কমি ৪৫৬ জন হয়। কাৰণ উদ্‌ঘাটনৰ দৰকাৰ হৈছে।

নগাঁও জিলাত ২২৩ খন বোৱনী সমবায়ৰ ভিতৰত ১৯৯৭ চনত ১৩৭ খনহে জীয়াই আছে। লগতে, ব্যক্তিগত খণ্ডত এটা বোৱনী কেন্দ্ৰ আছে-এইখন জিলাত। অলপতে, কেন্দ্ৰীয় চৰকাৰে হেণ্ডলুম ডেভেলপমেণ্টৰ কাৰণে, নগাঁও জিলালয় বাছি লৈছে আৰু ইয়াৰ বাবে ৫০লাখ টকা-১৯৯৮-৯৯ চনৰ কাৰণে নিৰ্ণয় কৰিছে।

বোৱা-কটাৰ বাহিৰেও জিলাখনত বিভিন্ন ধৰণৰ কুটীৰ শিল্প আছে। সেইবোৰৰ সঠিক বিকাশ আৰু সম্প্ৰসাৰণ ভালদৰে হ'লে জিলাৰ অথনীতিত ভাল অৰিহণা যোগাব পাৰে।

নগাঁও জিলাত কৃষি, বন, বস্ত্ৰ, ইঞ্জিনীয়াৰিং, ৰসায়ন, জীৱজন্তু, ঘৰসজা সমল আৰু বিভিন্ন বিষয়ত ক্ষুদ্ৰ উদ্যোগ গঢ়ি উঠিছে। চৰকাৰী হিচাবত ইয়াৰ সংখ্যা ৯৯৫ টা। তাৰ ভিতৰত-

১) কৃষি ভিত্তিক	-	২৪০ টা
২) বন ভিত্তিক	-	২৬৮ "
৩) বস্ত্ৰ ভিত্তিক	-	১১৯ "
৪) ইঞ্জিনীয়াৰিং	-	১৫৯ "
৫) ৰসায়নিক		৬৭ "
৬) জীৱ জন্তুৰ ভিত্তিক	-	৬ "
৭) ঘৰ সজা সমল	-	২০ "
৮) বিবিধ	-	১১৬ "

গ্ৰাম্য উদ্যোগ আৰু খাদী ঃ

কৰ্ম সংস্থাপন আৰু সস্তীয়া বিভিন্ন প্ৰকাৰৰ উৎপাদনৰ কাৰণে স্বাধীনতাৰ পৰবৰ্ত্তী কালছোৱাত খদী আৰু গ্ৰামোদ্যোগ গঢ়াৰ ওপৰত গুৰুত্ব দিয়া হয়। নগাঁও জিলাত এই খাদী গ্ৰামোদ্যোগ বহুদূৰ আগ বাঢ়িছিল। ৰহা, কলিয়াবৰ, বাৰপূজীয়া, লঙ্কাত কেন্দ্ৰ স্থাপন হয়। মৌ পালন, তেলপেৰা, কাপোৰ বোৱা আদি ভালেকেইটা ক্ষেত্ৰত গাঁৱৰ উন্নয়নৰ চেষ্টা কৰা হয়। ইয়াৰ যোগেদি কৰ্ম সংস্থাপনৰ দিহা কৰা হয়। বহুত এতিয়াও এড়ি কাপোৰ এই উদ্যোগৰ যোগেদি উৎপাদন কৰা হয়। এই বিভাগৰ ভূমিকা ম্লান হোৱাতো পৰিলক্ষিত হৈছে আৰু ইয়াৰ পুণৰুজ্জীৱন সম্ভাৱনা কমি আহিছে।

বৃত্তিগত বিৱৰ্তন ঃ

যদিও জিলাখনৰ মূল জীৱিকা কৃষি আৰু কৃষি জাতীয় কৰ্ম, মুঠ জন সংখ্যাৰ এটা বৃজন অংশই অন্যান্য বৃত্তিলৈ জীৱিকা উপাৰ্জন কৰে। কৃষিত আৱদ্ধ কৃষক-২,৪৮,২২০ জন, তাৰে ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কৰ সংখ্যা -২,১০,৯৮৭ জন। 'নাৰ্বাদ' ৰ মতে কৃষি শ্ৰমিক - ২৪৩৫৭ জন আৰু অন্যান্য শ্ৰমিকৰ সংখ্যা-১,০৭,৫৮৬ জন।

কিন্তু বিগত ৫০ বছৰত নগাঁও জিলাত কৃষিৰ বাহিৰে লোক সংস্থাপনৰ ক্ষেত্ৰত বহুত বাঢ়িছে। সেইবোৰৰ ভিতৰত আছে দোকান, হোটেল, ওৱৰ্কচপ, গেৰেজ, কমাৰ, সোণাৰী,

মটৰ গাড়ীত কাম কৰা মানুহ- ড্ৰাইভাৰ, কণ্ডাক্টৰ, আটাই সংখ্যক হৈছে চাকৰিয়াল। সেৱাখণ্ডত নিযুক্ত লোকৰ সংখ্যা ঢেৰ বাঢ়িছে। কবলৈ গ'লে জিলাখন মুঠ ঘৰুৱা উপাৰ্জনৰ বৃহৎ অংশ সেৱা খণ্ডৰ পৰাই আহে। তাৰ ভিতৰত আটাইত নিযুক্তি পোৱা খণ্ড হৈছে শিক্ষাৰ খণ্ড। আধুনিক অৰ্থনীতিৰ প্ৰধান প্ৰৱণতা হৈছে এই সেৱা খণ্ডৰ সম্প্ৰসাৰণ আৰু বিকাশ। উন্নত দেশবোৰৰ জাতীয় আয়ৰ অধিকাংশই আহে সেৱা খণ্ডৰ পৰা। ইয়াৰ মাজেদি অৰ্থনীতিত নগদ ধনৰ স্ৰোত প্ৰবল হয়।

বেঙ্ক সেৱা :

স্বাধীনতাৰ পৰৱৰ্ত্তী কালছোৱাত নগাঁও জিলাৰ অৰ্থনীতিৰ বিকাশৰ নতুন আৰু গুৰুত্বপূৰ্ণ দিশটো হ'ল বেঙ্ক সেৱাৰ দ্ৰুত বিকাশ। কমাৰ্চিয়েল বেঙ্কৰ শাখা আছিল ১৯৬৯ চনত ৬ টা শাখা। আমাৰ দেশত ১৯৬৯ চনত সেই সময়ত চলি থকা কমাৰ্চিয়েল বেঙ্কবোৰৰ ১৪ টা বেঙ্ক জাতীয়কৰণ কৰা হয়। জাতীয়কৰণৰ মূল কথা আছিল ১) বেঙ্কবোৰৰ শাখা সম্প্ৰসাৰণ কৰি সঞ্চয় আহৰণ কৰা ২) আহৰণ কৃত বেঙ্ক সঞ্চয়, ঘাইকৈ কৃষিৰ উন্নতিৰ বাবে লগ্নী কৰা ৩) 'ফাট্কা' বজাৰ বেঙ্কৰ পুঁজি লগ্নী নিয়ন্ত্ৰন কৰা।

১৯৬৯ চনত নগাঁও জিলাত কমাৰ্চিয়েল বেঙ্কৰ শাখা আছিল মাত্ৰ ৬ টা। ইয়াৰ পৰৱৰ্ত্তী কালত এই সমূহৰ শাখা, সঞ্চয় আৰু লগ্ন জিলাত বৃদ্ধি পায়।

চন	শাখা	সঞ্চয়	লগ্নী
১৯৭২	১৬ টা	৩৫৯ লাখ	১২৭ লাখ
১৯৭৫	২০ "	৬৫৭ "	২১৪ "
১৯৭৬	২৯ "	৭৩৬ "	২৫০ "
১৯৭৭	৩৫ "	৯১৯ "	২৭৩ "
১৯৮৩	৭০ "	৪৮৮৭ "	২১৮১ "
১৯৯৪	৮৭ "	২০১৪০ "	৭১৭২ "

এই কালছোৱাৰ ভিতৰত কমাৰ্চিয়েল বেঙ্কৰ শাখা সম্প্ৰসাৰণ আৰু জমা পৰিমান বৃদ্ধিয়ে প্ৰকাশ কৰিছে যে জিলাখনত অৰ্থোপাৰ্জন যথেষ্ট বৃদ্ধি হৈছে। আৰু ব্যৱসায় বাণিজ্য সম্প্ৰসাৰিত হৈছে। উদ্যোগিক উন্নতি নোহোৱা স্বত্বেও যি পৰিমানে অৰ্থোপাৰ্জন বেঙ্কত সংগৃহীত হৈছে সি অৰ্থৰ প্ৰৱাহ বৃদ্ধিৰেই পৰিচায়ক।

সংগৃহীত সঞ্চয়ৰ এটা অংশ জিলাৰ বিভিন্ন অৰ্থনৈতিক ক্ষেত্ৰবোৰত বিনিয়োগ হৈছে। প্ৰাপ্ত তথ্যমতে ১৯৮১ চনৰ জুন মাহলৈকে বেঙ্ক ঋণৰ পৰিমান হৈছে মুঠ ১০৪৮.৪৭ লাখ টকা। তাৰ ভিতৰত ক্ষেত্ৰ ভিত্তিক ঋণ হৈছে-

কৃষিত	-	১০৯.৯৪ লাখ টকা
উদ্যোগ	-	৫২৭.০২ " "
যান বাহন	-	৭৫.০৫ " "
সেৱা	-	৪৪.৭০ " "

ব্যৱসায়	-	৩৭৬.০৫	”	”
ব্যক্তিগত ঋণ	-	২৩.৭৭	”	”

তাৰ বাহিৰেও জিলাখনত লখিমী গাঁৱলীয়া বেঙ্কৰ শাকা স্থাপন হৈছে। ইয়াৰ মুঠ সংখ্যা- ১৯৯৭ চনৰ ৩১ মাৰ্চলৈকে- ৩১ টা আৰু জমা সংগ্ৰহ - ২৬২০.০০ লাখ টকা আৰু লগ্নী- ১০৫৯.০০ লাখ টকা। বাহি কৰিব পৰা মানুহৰ আয় সঞ্চয় আৰু জমা কৰিবৰ কাৰণে ভালেমান ক্ষুদ্ৰ সঞ্চয়ৰ এজেন্সীয়ে জিলাখনত সঞ্চয় সংগ্ৰহ কৰে। সেইবোৰৰ ভিতৰত ডাকঘৰৰ সঞ্চয়, সাধাৰণ সঞ্চয়, কিষাণ বিকাশ পত্ৰ, ইন্দিৰা বিকাশ পত্ৰ, মাহিলী উপাৰ্জন আঁচনি, নেচনেল চেভিং চাৰ্টিফিকেট, ইউনিট ট্ৰাষ্ট অৱ ইণ্ডিয়া।

নগাঁও জিলাত বৰ্ত্তমান কাৰ্যৰত বেঙ্কসমূহ হ’ল - ১) ইউনাইটেড বেঙ্ক অৱ ইণ্ডিয়া ২) ষ্টেট বেঙ্ক অৱ ইণ্ডিয়া ৩) চেণ্ট্ৰেল বেঙ্ক অৱ ইণ্ডিয়া ৪) ইউকো বেঙ্ক ৫) ইণ্ডিয়ান বেঙ্ক ৬) ইণ্ডিয়ান অভাৰ চিজ বেঙ্ক ৭) কানাড়া বেঙ্ক ৮) ইউনিয়ন বেঙ্ক অৱ ইণ্ডিয়া ৯) বেঙ্ক অৱ বৰোদা ১০) পাঞ্জাব নেছনেল বেঙ্ক ১১) এলাহাবাদ বেঙ্ক ১২) লখিমী গাঁৱলীয়া বেঙ্ক ১৩) অসম কো’ অপাৰেটিভ এপেক্স বেঙ্ক।

এই সমূহ বেঙ্কে যি বিপুল পৰিমানৰ সঞ্চয় ধন সংগ্ৰহ কৰে, সেইমতে জিলাখনত লগ্নী নকৰে। কমাৰ্চিয়েল বেঙ্কবোৰে জিলাখনত আঁচনি ভিত্তিক ঋণ নিদিয়ে. চৰকাৰী নিৰ্দ্দেশমতে যিখিনি পুঁজি লগ্নী কৰিব লাগে, ঠিক সিমানখিনি পুঁজিহে কমাৰ্চিয়েল বেঙ্কবোৰৰ শাখাবোৰৰ বাজেটত ধৰা থাকে। এনে অৱস্থাত দেখা যায় বহুবি এই বেঙ্কবোৰে জমা কৰা ধন জিলাখনত লগ্ন নকৰাকৈ থাকি যায়। তাৰ পৰা দুটা অৱস্থা সৃষ্টি হয়। ১) বাহি পুঁজি অনিয়োজিত হৈ থকাৰ কাৰণে বেঙ্কে লোকচান ভৰিব লাগে, নহ’লে সেই পুঁজি বাহিৰত খটুৱাব লাগে। ২) জিলাখনৰ অৰ্থনৈতিক বিকাশৰ কাৰণে পুঁজিৰ অভাৱ হয়। বেঙ্কে তাৰ যোগান ধৰাৰ দায়িত্ব নলয়। ‘নাৰ্বাদ’ মতে - নগাঁও জিলাত ১৯৯৭ চনত কমাৰ্চিয়েল বেঙ্ক সমূহৰ গড় লগ্নী, জমাৰ ২৭.৯১ শতাংশ মাথোন। তাৰ অৰ্থ এনেকুৱাই হয়, জিলাখনৰ পৰা বাহি বা সঞ্চয়কৃত ধন আহৰণ এই বোৰে একোটা এজেন্সিৰ দৰে কাম কৰে। উৎপাদন আৰু কৰ্টনৰ ক্ষেত্ৰত ইয়াৰ কোনো ভূমিকা নাই। এই ব্যৱস্থাৰ সলনি হ’ব লাগে। উৎপাদন কৰ্টন প্ৰক্ৰিয়াত হ্ৰাসকালীন আৰু মধ্যকালীন লগ্নীৰ একান্ত প্ৰয়োজন হৈছে জিলাখনত।

নগাঁও জিলাৰ অৰ্থনৈতিক বিকাশৰ কেইটামান সমস্যা ঃ

এই জিলাৰ অৰ্থনীতি প্ৰাথমিক আৰু বাহঁকৈ কৃষি অৰ্থনীতি। কৃষি উৎপাদন প্ৰায় বজাৰমূখী। বজাৰৰ চালিকা শক্তি আৰু সেইবোৰৰ পাৰস্পৰিক ক্ৰিয়া আৰু ফলাফলে অৰ্থাৎ বজাৰ দামে দামে উৎপাদনৰ পৰিমান আৰু পৰিসৰত প্ৰভাৱ পেলায়। উৎপাদনৰ সমূহ আহিলা পাতি আৰু ভূমিৰ ওপৰত ব্যক্তিগত স্বত্ব সম্পৰ্ক। উৎপাদনৰ কৰ্টন বেলিকাও ব্যক্তিগত প্ৰয়োজন সামূহিক ৰূপেই হ’ল, মুৱোবো মাজত সমতা স্থাপনৰ নিৰ্ণায়ক শক্তি।

গোষ্ঠী বা গ্ৰাম্য অৰ্থনীতিৰ বিলোপ ঘটাৰ পাছত ধন অৰ্থনীতি বা গ্ৰাম্য পণ্য অৰ্থনীতিৰ গঢ় লোৱাৰ কাৰণে ইয়াৰ উৎপাদন প্ৰক্ৰিয়াৰ উত্তৰোত্তৰ অগ্ৰগতিৰ পথত আন ঠাইত পণ্য

অৰ্থনীতিয়ে সন্মুখীন হোৱা সমস্যাবোৰ এই জিলাইয়ো মুখামুখী হ'ব লগা হৈছে। বজাৰ পুঁজিৰ লগ্নী, শোষণ, কাৰিকৰী প্ৰয়োজন আৰু উৎপাদনৰ কৰ্টনৰ সমস্যাবোৰ আগত থিয় হৈছে।

১) নগাঁও জিলাৰ ভূমি পৰিমান চলিত উৎপাদন প্ৰক্ৰিয়া, জনসাধাৰণৰ জীৱন ধাৰণৰ মান আৰু আগন্তুক কালৰ প্ৰয়োজনৰ পৰিপ্ৰেক্ষিতত জন সংখ্যা, সম্পদৰ পৰিৱৰ্তে বিপদ হোৱাৰ লক্ষণে দেখা দিছে। এনে অৱস্থাত জন সংখ্যা বৃদ্ধি, প্ৰব্ৰজন আৰু প্ৰজনন উভয় প্ৰকাৰে বোধ কৰিব লাগে। তাৰ কাৰণে শিক্ষা, প্ৰযুক্তি আৰু প্ৰচাৰৰ কাৰ্যকৰী ব্যৱস্থা ল'ব লাগিব।

২) বজাৰ অৰ্থনীতিৰ দৌৰাত্ম্য বন্ধ নহ'লে, জিলাখনৰ কমাৰ্চিয়েল শস্য মৰাপাট, সৰিয়হ আদিৰ উৎপাদনত ক্ষতি হ'ব আৰু উৎপাদন কাৰীসকলো ক্ষতিগ্ৰস্ত হ'ব। খেতিয়কৰ বিক্ৰীকৃত পৰ্যায়ৰ যথোচিত দাম সুনিশ্চিত হ'ব লাগে। তাৰ বাবে গাঁও পঞ্চায়ত ভিত্তিত কৃষিজাত পণ্যৰ সংৰক্ষণৰ ব্যৱস্থা হ'ব লাগে।

৩) পাওৱাৰ টিলাৰ আৰু পানী যোগানৰ কাৰণে আৱশ্যকীয় সঁজুলি যোগানৰ ব্যৱস্থা ব্যাপক কৰিব লাগে আৰু প্ৰতিভৰা মাটিত কমেও দুবাৰকৈ খেতি কৰিব লৈ উদগনি দিব লাগে।

৪) গৰু, গাহৰি, ছাগলী, য'ত যিটো সম্ভৱ হয়, ব্যৱসায়িক ভিত্তিত পুহিবৰ কাৰণে উদগনি দিব লাগে। তাৰ কাৰণে আৱশ্যকীয় পুঁজি আৰু অন্যান্য সমলবোৰৰ যোগানৰ ব্যৱস্থা কোনোবা এজেন্সি বা চৰকাৰে ল'ব লাগিব।

৫) গাখীৰ আৰু তদ্ জাতীয় পণ্যবোৰৰ উৎপাদনৰ ওপৰত গুৰুত্ব একেবাৰে দিয়া হোৱা নাই। গৰু, ম'হ পুহিবৰ কাৰণে চৰণীয়া পথাৰবোৰ সংৰক্ষণ কৰিবই লাগিব। নগাঁও জিলাত এনে চৰণীয়া পথাৰ নানাভাৱে নষ্ট কৰা হৈছে, ফলত গৰু চৰিবৰ ঠাই নোহোৱা হৈছে। সাধাৰণ খেতিয়ক আৰু গো পালকে গাখীৰ উৎপাদন আৰু খেতিকৰাত বাধাৰ সৃষ্টি হৈছে।

৬) বেঙ্ক পুঁজি জিলাৰ অৰ্থনৈতিক উৎপাদনৰ ক্ষেত্ৰত আৰু ব্যৱসায় ক্ষুদ্ৰ উদ্যোগৰ বিকাশৰ বাবে আঁচনি ভিত্তিক লগ্নী মুকলিভাৱে হ'ব লাগিব।

৭) পুঁজিবাদী অৰ্থনীতিত ব্যক্তিগত উদ্যোগ আৰু সম্ভাৱনাবোৰ জিলাখনত সঠিকভাৱে এতিয়াও ফুটি উঠা নাই।

৮) জিলাখনত গুৰু বা বৃহৎ শিল্পৰ সম্ভাৱনা নাই, ক্ষুদ্ৰ উদ্যোগৰ সম্ভাৱনা আছে। পঞ্চাৱৰ দৰে, জিলাখনত বিপুল কৃষিৰ উন্নতি সাধনৰ লগে লগে বহুবিধ উদ্যোগ গঢ়ি উঠিব পাৰে। এতাৱ হৈছে- উদ্যোগীৰ।

৯) শিক্ষিতৰ হাৰ ভালেখিনি বাঢ়িছে, লগতে কাৰিগৰী বিদ্যাত শিক্ষিত লোকৰ সংখ্যাও যথেষ্ট। তদনুযায়ী আৱশ্যক হৈছে দূৰদৰ্শী, দক্ষ, নিষ্ঠাবান লোকৰ নেতৃত্বত এখন চৰকাৰৰ। দুষ্ট, দুৰ্নীতি পৰায়ন লোকৰ চৰকাৰৰ দ্বাৰা জিলাৰ সামগ্ৰিক অগ্ৰগতি সম্ভৱ নহয়। নাৰ্বাগে ক'ব খুজিছে- জিলাখনত পুঁজি গঠন হোৱা নাই। কথাটো সঠিক নহয়। ইতিমধ্যে যথেষ্ট সামাজিক পুঁজি গঠন হৈছে, আন্তঃগাঁথনিও হৈছে আৰু সকলো উদ্ধৃত্ত বেঙ্ক পুঁজিৰ অভাৱেই নাই। অভাৱ উদ্যোগীৰ, অভাৱ পৰিকল্পনাৰ।□

প্ৰসংগ লিখা :
1. Report on the Province of Assam by A.G. Maffatt Mills.
2. Planter Raj to Swaraj by Amalendu Guha.
3. Comprehensive History of Assam, Vol V by H.K. Borpujari.
4. Personal Administration in The Tea Industry of Assam by A.C. Phukan.
5. Transport System and Economic Development in Assam by S.B. Medhi.
6. ফুলগুৰিৰ ধেৱা, লিখক - বেনুধৰ কলিতা।
7. Political History of Assam Vol I by Borpijari, Borpujari & Bhuyan
8. Rise and Growth of Economic Nationalism by Bipul Chandra.
9. উৰ্বীলিয়োৱা নথিৰ পৰা, লিখক - যোগেন্দ্ৰ নাৰায়ন ভূঞা।
10. All India Rural Credit Survey Vol I & II by Reserve Bank of India.
11. Rural Development by D.G. Karve.
12. Review of the First five year plan by Govt. of India.
13. Second five year plan by Govt. of India.
14. Third five year plan of Assam by Govt. of Assam.
15. Preliminary Memorandum on fourth five year plan of Assam by Govt. of Assam.
16. Draft Outline fifth five year plan of Assam by Govt. of Assam.
17. Economic Survey of Assm, 1973-74 by Govt. of Assam.
18. North East Economic Review Vol. I, 1977.
19. অসমৰ সামাজিক আৰু সাংস্কৃতিক বুৰঞ্জীত নগাঁৱৰ স্থান, প্ৰবন্ধ - ড০ সৰ্বেশ্বৰ ৰাজগুৰু, প্ৰকাশিত - অসম কলেজ শিক্ষক সন্থা স্মৃতি গ্ৰন্থ, ৰূপালী জয়ন্তী অধিবেশন - নগাঁও ১৯৭৪।
20. অসমৰ অৰ্থনীতি -১৯৯৭, সম্পাদনা - অদীপ ফুকন।
21. Statistical Hand Book Assam, 1968 by Department of Economics and Statistics, Assam, Shillong.
22. Statistical Hand Book Assam, 1978 by Directorate of Economics and Statistics, Govt. of Assam, Guwahati.
23. Statistical Hand Book Assam 1980, by Directorate of Economics and Statistics Govt. of Assam, Guwahati.
24. Statistical Abstract Assam 1978 by Directorate of Economics and Statistics Govt. of Assam, Guwahati.
25. Statistical Hand Book Assam 1984, by Govt. of Assam, Guwahati.
26. Status Paper (Agriculture) 1994-95 by District Agriculture Nagaon.
27. Basic Information of Nagaon District in respect of Agriculture by D.A.O. Nagaon 1996-97.
28. Statement on Ceiling Surplus land in Nagaon District by A.D.C. Nagaon 1996.
29. Patential Linked Credit Plan of Nagaon District, Assam 1998-99 by NABARD, Guwahati.

সত্ৰানুষ্ঠানৰ প্ৰাসংগিকতা

ড° নৰেন কলিতা

ভাৰতৰ স্বাধীনতাৰ সোণালী জয়ন্তীবৰ্ষত অসমীয়া মানুহখিনিয়ে বিশেষ কিবা আনন্দ বোধ কৰাতকৈ অসমীয়া সংস্কৃতিৰ পৰিচয় সংৰক্ষণৰ প্ৰশ্নটোৰেহে এওঁলোকৰ কাৰণে ডাঙৰ প্ৰশ্ন হৈ দেখা দিছে। স্বাধীনতা লাভৰ পিচত পঞ্চাশ বছৰৰ ভিতৰতে শেষৰ দুটা দশকত এই প্ৰশ্নটো লৈ অসমীয়া সমাজখন দ্বিধা-সংশয় আৰু সংকটৰ মাজত সোমাই পৰিছে। এই দুটা দশকৰে প্ৰথম ছটা বছৰ এই পৰিচয় সংৰক্ষণৰ প্ৰশ্নতে অসমীয়াই ডাঙৰ ধৰণৰ এটা আন্দোলন কৰিলে। এই আন্দোলনৰ ফলশ্ৰুতি হিচাপে '৮৫ চনৰ মাজনিশা ভাৰত চৰকাৰৰ লগত আন্দোলনকাৰীসকলে এখন চুক্তি সম্পাদন কৰিলে আৰু সেই চুক্তিত অন্তৰ্ভুক্ত কৰালে জাতীয় সংস্কৃতি আৰু প্ৰাচীন স্মাৰকখিনিৰ পৰিচয় সংৰক্ষণৰ বিষয়টোও। তাৎপৰ্যপূৰ্ণ কথা এইটোহে যে ভাৰতৰ এখন অংগৰাজ্য হৈয়ো অসমে, আৰু ভাৰতীয় বিৰাট জাতিসত্তাৰ এক অংশীদাৰ হৈয়ো অসমীয়া মানুহখিনিয়ে, নিজৰ আঞ্চলিক সংস্কৃতি আৰু জাতিসত্তাৰ পৰিচয় ৰক্ষা কৰিবলৈ নিজৰ চৰকাৰৰ লগতে এখন চুক্তি কৰিব লগা হ'ল। অসমৰ আঞ্চলিক সংস্কৃতি আৰু পৰিচয়ৰ প্ৰশ্নত এনে ধৰণে আন্দোলন আৰু চুক্তি সম্পাদন কৰিব লগা হোৱাটো নিশ্চয় ভালৰ লক্ষণ নহয় বুলিয়েই বোধ হয়। তথাপি সেইটোৱেই হ'ল।

অসমীয়া সংস্কৃতি আৰু ইয়াৰ পৰিচয় নামৰ বস্তুটো নিৰ্মাণত কেইবা শতিকা ধৰি অসমৰ সত্ৰীয়া সমাজখনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। এই সত্ৰীয়া সমাজখনৰ পত্তন ঘটিছিল এক ঐতিহাসিক প্ৰয়োজনতে আৰু সমাজখন বৰ্তমান সময়ত সুদীৰ্ঘ চাৰিশ বছৰীয়া ইতিহাসৰ গৰাকী হ'ল। পঞ্চদশ-ষোড়শ শতিকাত মহাপুৰুষ শংকৰদেৱে ভক্তিধৰ্ম আন্দোলন এটাৰ নেতৃত্ব দিছিল আৰু ধৰ্মটোক ৰসময়ী ভক্তিৰূপত সুদৃঢ় কৰিছিল। ভক্তিৰ ৰসময়ী (aesthetic) ৰূপ ৰচনা কৰিছিল নাম-কীৰ্তন, সংগীত-নৃত্য, নাট-ভাওনা, চিত্ৰ-ভাস্কৰ্য আদি উপকৰণবোৰে। সমাজৰ ওপৰত এইবোৰৰ প্ৰভাৱ ইমান গভীৰ আছিল যে পোহৰ দেখা পাই হুগা আকৰ্ষিত হোৱাৰ দৰে বহুধা বিভক্ত সমাজখন এক লক্ষ্য আৰু আদৰ্শৰ আকৰ্ষণত শংকৰদেৱৰ নেতৃত্বতে এক গোট হ'ব পাৰিছিল। আনহাতে এই লক্ষ্য আৰু আদৰ্শক বিস্তাৰ কৰা, ভক্তিধৰ্ম আৰু তাৰ ৰসময়ী অভিব্যক্তিবোৰৰ শ্ৰীবৃদ্ধি কৰাৰ মহান উদ্দেশ্যত শংকৰদেৱৰ তিৰোভাৱৰ পিচত অসমত গঢ় লৈ উঠিছিল সত্ৰানুষ্ঠানৰ দৰে এক কেন্দ্ৰীয় সংগঠন। অনুষ্ঠানটোৰ জন্মৰ ইতিহাস মনোযোগেৰে লক্ষ্য কৰিলে এটা কথা দেখিবলৈ পোৱা যায় যে শংকৰদেৱৰ নেতৃত্বৰ একমুখীতা সত্ৰানুষ্ঠানে দিব খোজা নেতৃত্বৰ সময়ত বিভাজিত হৈছিল আৰু সংহতি বা সংঘটিৰ নতুন আদৰ্শবোধে মূৰ দাঙি উঠিছিল। তথাপি কৃষিজীৱী সমাজখনৰ মৌলিক চৰিত্ৰৰ

ক্ষেত্ৰত শংকৰদেৱৰ সময় আৰু সত্ৰ-সংহতিৰ নেতৃত্বৰ সময়ৰ মাজত কোনো ধৰণৰ ভেদ নাছিল। সাংস্কৃতিক উদ্দেশ্য আৰু লক্ষ্য লাভৰ ক্ষেত্ৰতো সত্ৰ-সংহতিসমূহৰ চিন্তা একে ধৰণৰে আছিল। মাথোন ধৰ্মীয় আচৰণৰ ক্ষেত্ৰত সূক্ষ্ম ভেদ দেখুৱাই সংহতিবোৰে নিজৰ মাৰ্গটোৰ স্বতন্ত্ৰতা ৰক্ষা কৰিছিল। আনহাতে এইটোৱেই আছিল সংহতি একোটাৰ ৰৱঘৰলৈ ৰক্ষণশীল ধাৰণা কঢ়িওৱাৰ পথ। সেয়ে হ'লেও অৰ্থাৎ ৰক্ষণশীল ভাবধাৰা আৰু কাৰ্যই সত্ৰ-জীৱনত অনিষ্ট সাধন কৰিলেও সত্ৰ আৰু সত্ৰীয়াসকলেই একালত সমাজখন চালুকীয়া অৱস্থাত থাকোঁতে তাক বাট দেখুৱাই নেতৃত্ব দিছিল। সত্ৰসমূহৰ নিজা নিজা সাংস্কৃতিক কাৰ্যসূচী আছিল আৰু তাৰেই সংহতিৰ অনুগত জনসমুদায়ক একত্ৰিত কৰিও ৰাখিছিল।

কিন্তু আজি কেই দশকমান ধৰি সমাজত সত্ৰৰ প্ৰাচীন প্ৰভাৱ নোহোৱা হ'বলৈ ধৰিছে। ইয়াৰ চিনাকি দিছে বিশেষকৈ বৰ্তমান সমাজখনে সত্ৰই গঢ় দিয়া নৈতিকতাৰ পৰম্পৰা, গীত-মাত-ভাওনা আদি শিল্পবস্তুবোৰৰ প্ৰতি দেখুওৱা অনাসক্তিৰ ভাবে। সত্ৰীয়া জীৱন পদ্ধতি এতিয়া আৰু সমাজৰ জীৱন পদ্ধতি নহয়। এসময়ত যি সত্ৰ আৰু সত্ৰীয়াই সমাজক আধ্যাত্মিক সংস্কৃতি চৰ্চাৰ বাট দেখুৱাইছিল, এতিয়া সমাজ বেলেগ বাটেৰে গ'ল আৰু সত্ৰ-সত্ৰীয়া সোঁতবিহীন বন্ধ পানীৰ দৰে পিচপৰি ৰ'ল। ইয়াৰ বিভিন্ন কাৰণ নথকাও নহয় আৰু তেনে দুই-এটা কাৰণৰ উদ্গাম ইতিহাসৰ কোনো এক সময়তেই ঘটিছিল, যেতিয়া সত্ৰ আৰু ৰাজকীয় ব্যৱস্থাৰ মাজত সম্বন্ধৰ সূত্ৰপাত হৈছিল। ইতিহাসৰ বিভিন্ন সময়ত ৰজাঘৰে সত্ৰৰ পৃষ্ঠপোষকতা কৰিছিল, ভূমি বৃত্তি দিছিল আৰু তাৰ জৰিয়তে সত্ৰৰ সম্পদ বৃদ্ধিত অৰিহণা যোগাইছিল। সত্ৰসমূহে সাংস্কৃতিক কাৰ্যসূচীৰ বিস্তাৰ ঘটোৱাত ৰজাঘৰীয়া পৃষ্ঠপোষকতা প্ৰকৃততে আশীৰ্বাদ আছিল। কিন্তু জাগতিক সম্পদ বৃদ্ধিৰ তলে তলে সত্ৰত সামাজিক প্ৰতিপত্তি বৃদ্ধিৰ চেতনায়ো গা কৰি উঠিছিল। একোখন সত্ৰই ৰাজনৈতিক-সামাজিক প্ৰতিষ্ঠা লাভৰ কাৰণে সময়ত সগোত্ৰীয় অন্য সত্ৰৰ লগত প্ৰতিদ্বন্দ্বিতাত লিপ্ত হোৱা আৰু তাৰ কাৰণেই সংঘাত আৰু জটিলতা বঢ়াৰ উদাহৰণো আছে। অসমীলৈ বৃটিছৰ আগমনৰ পিচত সত্ৰ আৰু ৰাষ্ট্ৰৰ মাজৰ সম্বন্ধ একো নাথাকিল। অসমৰ শিল্পকলা আৰু সংস্কৃতিৰ পুষ্টিসাধনৰ ক্ষেত্ৰতো বৃটিছ যুগে কোনো ধৰণৰ ৰৰঙণি যোগোৱা নাছিল। ভাৰতে স্বাধীনতা লাভ কৰাৰ পিচত ভূমিৰ সৰ্বোচ্চ সীমা আৰু অধিগ্ৰহণ আইন অসমত গৃহীত হোৱাত সত্ৰ একোখনৰ দুৰৱস্থাৰ সীমা নোহোৱা হ'ল। সত্ৰৰ সংস্কৃতিক কাৰ্যসূচীও নোহোৱা হ'ল।

বৃটিছৰ আগমনৰ পিচত পশ্চিমীয়া আৰু অৰ্থকৰী শিক্ষা-দীক্ষাৰ প্ৰয়োজনীয়তা বৃদ্ধি পাবলৈ ধৰিলে। পশ্চিমৰ লগত এই যোগাযোগে জ্ঞানৰ দিগন্ত বঢ়ালেও সমাজৰ ৰুচিবোধত ইয়াৰ প্ৰভাৱ ক্ষতিকাৰক হ'ল। ইয়াত ইন্ধন যোগালে ইতিপূৰ্বেই সত্ৰসমাজত স্থান লোৱা ৰক্ষণশীলতা, অন্ধসংস্কাৰ, আচৰণসৰ্বস্ব জীৱন-পদ্ধতিয়ে। কিয়নো পশ্চিমীয়া শিক্ষাই শিক্ষিত শ্ৰেণীৰ ডেকাৰ মনত সত্ৰবোৰৰ প্ৰতি আকৰ্ষণ শূন্যতাৰ ভাবকে সৃষ্টি কৰিলে। এই শ্ৰেণীৰ লোকসকল আধুনিক মনৰ গৰাকী আৰু সংশয় এওঁলোকৰ মূল সম্পদ। সত্ৰীয়া বিধি ব্যৱস্থাই এওঁলোকৰ মন আকৰ্ষিত কৰিব নোৱাৰিলে আৰু যুক্তিযুক্তভাৱে সংশয়ো দূৰ কৰিব নোৱাৰিলে।

বৰ্তমান অতিশয় প্ৰতিদ্বন্দ্বিতা, অতি-আধুনিকতা আৰু ভোগবাদে সমাজক এনে বাটেৰে নিবলৈ ধৰিছে যে সামাজিক-সংস্কৃতিক ঐশ্চৰ্যত আত্মনিয়োগ কৰিবলৈ মানুহে উৎসাহ ল'ব নোৱাৰা অৱস্থা এটাত সমাজক উপনীত কৰাইছেগৈ। মানবীয় মূল্যবোধৰ চৰম বিপৰ্যয় সাধন কৰাটো এই সময়চোৱাৰ এটা নিত্য-নৈমিত্তিক কাৰ্য হৈ পৰিছে। সুত্ৰাং যিমানেই উচ্চ আদৰ্শবোধ, নৈতিকতা বা ধ্ৰুপদী কলাৰ কথা নকওক কিয় ভোগবাদী জীৱনবৰ্তাত এইবোৰ গুৰুত্বহীন সম্পদ মাথোন হৈ পৰিছে। অসমৰ সামাজিক জীৱনত কেইবা শতিকাধৰি সত্ৰই পেলাই অহা প্ৰভাব আজি গুৰুত্বহীন, অপ্ৰাসংগিক হৈ পৰিছে। অৰ্থাৎ বৰ্তমান সমাজ ব্যৱস্থাত সত্ৰৰ প্ৰাসংগিকতা নোহোৱা হৈছে।

কিন্তু সেয়ে হ'লেও সত্ৰ আছে আৰু সমাজৰ কাৰণেই আছে। অসম চুক্তিত উল্লেখিত সামাজিক সাংস্কৃতিক পৰিচয় সংৰক্ষণৰ উপলব্ধিয়েও সেই কথাটোকে প্ৰমাণ কৰিছে। উল্লেখযোগ্যযে অসম চুক্তি সম্পাদন কৰোৱাত মুখ্য ভূমিকা লৈছিল সদৌ অসম ছাত্ৰসন্থাই। সন্থাৰ ডেকা ছাত্ৰসকলে অসমীয়া জাতিৰ পৰিচয় সংৰক্ষণৰ যি উপলব্ধি কৰিলে আৰু প্ৰাচীন সাংস্কৃতিক সম্পদ আৰু স্মাৰক চিনসমূহ ৰক্ষা কৰাৰ প্ৰতি যি আবেগ দেখুৱালে, তাৰ পৰা এটা কথা ক'ব পাৰি যে নতুন চাম ডেকাই অসমৰ জাতীয়-জীৱনৰ প্ৰকৃত প্ৰাণস্পন্দন চিনাক্ত কৰিব পাৰিছে। এইটোৱেই অসমৰ ধ্ৰুপদী প্ৰাণস্পন্দন। ইয়াক সঞ্চাৰিত কৰিছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে, মাধৱদেৱে আৰু জাতীয় জীৱনৰ মাহত প্ৰবাহিত কৰি ৰাখিছিল সত্ৰসমূহে। সেয়ে সত্ৰসমূহক এলাগী কৰি ৰখাটো জাতীয় জীৱনৰ কাৰনেই ক্ষতিকাৰক হ'ব নিশ্চয়।

সত্ৰীয়া জীৱন ধৰ্মনিয়ন্ত্ৰিত আৰু ইয়াৰ সাংস্কৃতিক অভিব্যক্তি গীত-মাত, নৃত্য ভাওনা আদিও ধৰ্মীয় আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত। এটা দিনত নামঘৰ কীৰ্তনঘৰত উপাসনাৰ লগত অংগাংগীভাৱে জৰিত এই সাংস্কৃতিক সম্পদবোৰ আজি ৰাজহুৱা জীৱনলৈকো আহিছে। ৰাজহুৱা জীৱনত এইবোৰক উপাসনাৰ বস্তু বুলি নধৰি কলাসম্পদৰূপে গ্ৰহণ কৰা হৈছে। বহু ধ্ৰুপদী উপকৰণেৰে এই কলা সম্পদবোৰ চহকী আৰু সংগীত-নৃত্য আদি সম্পদবোৰ ভাৰতৰ অন্য ধ্ৰুপদী কলা সম্পদৰ লগত সমানে আসন পাব পৰাকৈ উপযুক্ত। কিন্তু এটা প্ৰশ্ন সকলোৰে কৰে যে কথাকলি, উৰিচি, মনিপুৰী আদি কলা সম্পদবোৰ ভাৰতত ধ্ৰুপদী বুলি স্বীকৃত; কিন্তু অসমৰ সত্ৰীয়া গীত-নৃত্য ধ্ৰুপদী উপকৰণেৰে উপকৃত হৈয়ো পৰম্পৰাগত ৰূপতে আছে। গতিকে ইবোৰক ধ্ৰুপদী ৰূপলৈ উত্তৰণ ঘটোৱাৰ কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন। কাৰ্যকৰী ব্যৱস্থা হিচাপে আজি কিছুদিনৰ পৰা এনে কিছুমান প্ৰচেষ্টা চলিছে, বিশেষকৈ নৃত্যৰ ক্ষেত্ৰত, যাতে আধুনিক ৰুচিৰ লগত খাপ খাব পৰাকৈ ইয়াক সংস্কাৰ কৰিব লাগে। এইটো ঠিক যে য'ত উপাসনাৰ সম্পদ হিচাপেই নৃত্য-গীতৰ চৰ্চা হয়, সেই সত্ৰীয়া পৰিবেশতো কলা সম্পদবোৰ নিৰ্মাণ কৰা সকলৰ বিষয়ে তাত্বিক চৰ্চা আলোচনা কৰিবলৈ যোগ্য ব্যক্তি নোহোৱাত কলাসম্পদকেইটিত গতানুগতিকতাৰ চামনি নপৰা নহয়। তাত্বিক চৰ্চা আলোচনাৰ অভাৱতে নৃত্য-গীতৰ গাব পৰা বহু শাস্ত্ৰীয় সমল হেৰাই গ'ল আৰু যি অলপ অচৰপ থাকিল সেইবোৰৰ নন্দনমূল্য বিচাৰ কৰাৰ প্ৰয়োজনো অনুভৱ নকৰা হ'ল। সেয়ে গতানুগতিকতা এইবোৰৰ

ৰূপৰচনাৰ মূল কথা হ'ল। গতিকে সংস্কাৰ কৰাৰ প্ৰয়োজন আছে। কিন্তু এনে সংস্কাৰ হ'ব লাগিব নৃত্য বা সংগীতধাৰাটোৰ আঞ্চলিক প্ৰকৃতিৰ ওপৰত ভেটি কৰিহে। ইবোৰক সৰ্বভাৰতীয় স্তৰলৈ নিয়াৰ প্ৰয়োজনত ভাৰতৰ অন্য অন্য গীত নৃত্যধাৰা আৰ্হি হ'ব নোৱাৰে কেতিয়াও। যেনে-ৰাগৰ নামৰ ক্ষেত্ৰত পাৰ্থক্য নাথাকিলেও ৰূপকৌশলৰ ক্ষেত্ৰত উত্তৰ ভাৰতীয় ৰাগ সংগীতৰ লগত বৰগীতৰ মৌলিক পাৰ্থক্য আছে। তেনে ক্ষেত্ৰত ৰাগৰ নামৰ সাদৃশ্য দেখি উত্তৰ ভাৰতীয় গায়ন পদ্ধতিত বৰগীত তুলিবলৈ গ'লে বৰগীতৰ মাধুৰ্যই হেৰাব। উত্তৰ পূব ভাৰতৰ কোনো কোনো আঞ্চলিক নৃত্য শৈলীৰ দৰে অসমৰ সত্ৰীয়া নাচ বা ভাওনাৰ নাচবোৰে বোলৰ ছন্দৰ মাধ্যমত গীতৰ শাৰীবোৰৰ তাৎপৰ্য মাথোন প্ৰকাশ কৰে; ভাৰতৰ অন্য নাচত সততে দেখিবলৈ পোৱা অভিনয় সত্ৰীয়া নাচৰ প্ৰয়োজনীয় কৌশল নহয়।

সত্ৰীয়া সংস্কৃতি বুলিলে কেৱল গীত-নাচ-ভাওনাকে বুজায় এনে নহয়। ই অসমীয়া মানুহৰ জীৱনচৰ্য্যাকো বুজায়। ই মূলগতভাৱে আধ্যাত্মিক মহত্বৰে বজ্জিত। খোজ কাটল, আচৰণ, সাজ-পাৰ এনে বহু ক্ষেত্ৰ আছে, য'ত শালীনতা ৰক্ষা কৰি উন্নত চিন্তাধাৰাৰ পৰিচয় দিব পৰাৰ ইংগিত থাকে। কিছুমান কথা আৰু কাম দেখাত সৰু হলেও মহত্ব অসীম। বায়ন এজনে কাণত ধৰি খোল এটা ডাঙি এঠাইৰ পৰা আন এঠাইলৈ নিয়া কাৰ্যত যিদৰে তেওঁৰ শালীনতাহীনতা প্ৰকাশ পায়, একেদৰে গুৰুবোৰে শিষ্যই সেৱা ধৰোঁতে শিষ্যৰ লগত সেৱা ধৰাৰ সম আচৰণ নকৰি গুৰুৱে অভয়হস্ত প্ৰদৰ্শন কৰি আশীৰ্বাদ দিয়াতো ৰুচিবিগৰ্হিত আচৰণেই প্ৰকাশ পায়। সমাজ বহি থাকোঁতে তাৰ মাজেৰে পাৰ হ'বলৈ হাতেৰে বা-দি যোৱা অভ্যাস বহুতৰে ক্ষেত্ৰত দেখিবলৈ পোৱা নাযায়। ভাৰতৰ দক্ষিণৰ উচ্চ শিক্ষিত লোকৰ কঁপালত চৰাচৰ ফোঁট আৰু জাতীয় পোছাক দেখি আমি কোনেও নাভাবোঁ যে জ্ঞান-বিদ্যা, শিক্ষা-দীক্ষাৰে আমাতকৈ বহু ওপৰৰ সেই লোকসকলক আধুনিক শিক্ষা আৰু ৰুচিয়ে নিজৰ জাতীয় ঐতিহ্যৰ বুকুৰ পৰা নিলগাব পৰা নাই। এতিয়া কথা হ'ল আমাৰ সত্ৰীয়া নৃত্য-গীতৰ ধ্ৰুপদী স্বীকৃতি আনে দিব পৰা বস্তু নহয়, আমাৰ গুণীজনে সেইবোৰ শুদ্ধৰূপত পালন পোষণ, চৰ্চা-অনুশীলন কৰিব পাৰিলেহে সেই স্বীকৃতি পাব পাৰি, একেদৰে উন্নত ৰুচিবোধৰ ধাৰণা দিব পৰাকৈ আমাৰ সাংস্কৃতিক ঐতিহ্যৰ মাজৰ পৰাই সমলবোৰ আহৰণ কৰিব পাৰিব লাগিব। অসমীয়া মানুহৰ ডাঙৰ দোষ সেইটোৱেই যে নিজৰ ভালখিনি এৰি আনৰ পৰা জীন যাব নোৱাৰা সমল গ্ৰহণ কৰিবলৈ উদগ্ৰীৱ হৈ পৰে।

ধৰি লওঁ যে আজিৰ সত্ৰ আৰু সত্ৰীয়াই সমাজক কিবা দিব পৰাৰ ক্ষমতা হেৰুৱাই পেলাইছে। এইটো বহু ক্ষেত্ৰত সঁচাও যে সত্ৰীয়া সমাজখন তাওঁানমুখী কৰি তোলাত বহু সত্ৰীয়াই জগৰীয়া। হয়তো তেওঁলোকৰ অহংকাৰ, পৰম্পৰাগতভাৱে ভোগ কৰি অহা ওখ গাদীখন এৰিব নোখোজা আঁকোৰগোঁজ ভাব আৰু সেইসূত্ৰে শিচ-ভকতক কুটা সদৃশ জ্ঞান কৰা আদি ভালেমান দোষেৰে তেওঁলোক দূষিত। কিন্তু এইটোও ঐতিহাসিকভাৱে সত্য যে মহাপুৰুষসকলৰ সাংস্কৃতিক দানবোৰ সত্ৰ-সত্ৰীয়াৰ পৰিচৰ্যাতে সুদৃঢ় হ'ব পাৰিছিল। এতিয়া সেই দানবোৰৰ পুনৰুজ্জীৱন আৰু অসমীয়া সংস্কৃতিৰ আত্ম পৰিচয়ৰ কাৰণেই সত্ৰ-সত্ৰীয়াকো

সমাজে জগাই তোলাৰ প্ৰয়োজন থাকিব। ইয়াৰ কাৰণ এটাই : সত্ৰানুষ্ঠান এটা কেইবা শতিকা ধৰি দৃঢ় ভেটিত প্ৰতিষ্ঠিত অনুষ্ঠান আৰু এই অনুষ্ঠানটোক নিশ্চয় সহজতে গতিশীল কৰি তুলিব পৰা যাব।

মহাপুৰুষ শংকৰদেৱে চিৰকালৰ কাৰণে এৰি থৈ যোৱা জন্মস্থান বৰদোৱা থানখনি তেখেতৰ নাতি-বোৱাৰী আই কনকলতাই ভটীৰ ফালৰ পৰা আহি আনুমানিক ১৬৫৬ খ্ৰীষ্টাব্দত পুনৰ উদ্ধাৰ কৰাৰ পিচৰ পৰা বৰদোৱাকে ধৰি নগাঁও জিলাৰ ভিন ভিন অঞ্চলত সত্ৰ অনুষ্ঠান গঢ় লৈ উঠিছিল। 'পবিত্ৰ অসম'ত ড০ নেওগদেৱে নগাঁৱৰ ১৩৬ খনমান সত্ৰৰ তালিকা দিছে যদিও প্ৰকৃততে সত্ৰৰ সংখ্যা তাতকৈ বেছি হ'ব। জিলাখনত কম বেছি পৰিমাণে চাৰিও সংহতিৰ সত্ৰ আছে। আনহাতে এটা সংহতিৰ সত্ৰই সেই সংহতিৰ নীতি পদ্ধতিতকৈ অন্য সংহতিৰ লগত আধ্যাত্মিক সম্বন্ধ ৰক্ষা কৰি চলাও দেখিবলৈ পোৱা যায়। দুই-এখন সত্ৰ আছে যি পূৰ্বৰ কোনো সত্ৰ-সত্ৰীয়াৰ পৰা বঢ়া নহয়, নিজে নিজে হোৱা। সেইদৰে ভালেমান সত্ৰ আছে, যিবোৰ উজনি অসমৰ পৰা প্ৰব্ৰজন কৰি আহি নাইবা সত্ৰীয়া ভূমি-বৃত্তি লৈ ভাই-ককাইৰ মাজত হোৱা বিবাদৰ সূত্ৰে প্ৰতিষ্ঠা লাভ কৰিছিল। সত্ৰ-সত্ৰীয়া ঠেঙুলি এনেকৈয়ে বাঢ়িছিল আৰু সমগ্ৰ জিলাখনক সত্ৰীয়া সমস্কৃতিৰ ভঁড়াল কৰি তোলাত সহায় কৰিছিল। প্ৰধানকৈ পুৰুষ-সংহতি আৰু কাল-সংহতিৰ সত্ৰখিনিয়েই এই ভঁড়ালটো সমৃদ্ধ কৰিছিল।

অষ্টাদশ শতিকাতে অসমত সত্ৰীয়া সংস্কৃতিৰ বিস্তাৰৰ প্ৰক্ৰিয়াটোৰ অন্ত পৰিছিল। মানৰ আক্ৰমণে গোটেই দেশখন থানবান কৰাৰ পিচত যি কোম্পানীৰ ৰাজত্বৰ পত্তন ঘটিল, তেতিয়াৰ পৰাই সত্ৰীয়া ব্যৱস্থাৰো অৱক্ষয় হ'বলৈ ধৰিলে। ভাৰতৰ স্বাধীনতা আন্দোলনৰ কালছোৱা জাতীয় চেতনা উদ্বোধনৰ উপযুক্ত সময় আছিল যদিও সময়ৰ লগত খাপ খুৱাই সত্ৰ আৰু সত্ৰীয়াসকল আগবাঢ়ি যাব নোৱাৰিলে। শৰণ-ভজন দিয়া আৰু লোৱাতেই সত্ৰ-সত্ৰীয়া আৰু সমাজৰ সম্বন্ধ বৈ থাকিল। স্বাধীনোত্তৰ কালত এতিয়ালৈকে সেই সম্বন্ধৰ বাহিৰে সংস্কৃতি নিৰ্মাণ আৰু বিকাশৰ ক্ষেত্ৰত সমাজ আৰু সত্ৰ-সত্ৰীয়াৰ মাজত কোনো সংহতিৰ উদগম হোৱা নাই। জীৱন নিৰ্বাহৰ প্ৰয়োজনত শিচ-ভকত উপযুক্ত নিয়োগৰ চিন্তাত যিদৰে ব্যস্ত একেদৰে সত্ৰীয়াসকলো তাৰ পৰা আঁতৰি থাকিব পৰা নাই। সংস্কৃতিৰ চিন্তাতকৈ দুবেলাৰ পেটৰ চিন্তাত নিমজ্জিত হ'বলগীয়া অৱস্থাত স্বাভাৱিক কাৰণতে প্ৰাচীন পৰম্পৰা আৰু ঐতিহ্যও দ্ৰুতগতিৰে সমাজৰ পৰা হেৰাই যাবলৈ ধৰিছে। পঞ্চাশ-ষাঠিৰ দশকমানলৈকে গাঁও-ভূঁইত অন্ততঃ ভাওনাক কেন্দ্ৰ কৰিয়েই সত্ৰীয়া গীত-মাত, নাট-নাচ আদিৰ চৰ্চা অলপ হলেও আছিল, আজি সেয়া একেবাৰে দুৰ্লভ হৈ পৰিছে। মানুহৰ ৰুচিৰো পৰিবৰ্তন হৈছে আৰু অৰ্থনৈতিক অনগ্ৰসৰতা, জীয়াই থকাৰ প্ৰতিযোগিতাই কৃষ্টিবোৰৰ প্ৰাসংগিকতা নোহোৱা কৰিছে। আজি যিখন সত্ৰলৈকে যোৱা হওক, তাতেই গীত মাতৰ খবৰ কৰিলে এটা উত্তৰেই পোৱা যায় যে সত্ৰৰ প্ৰাচীন ঐতিহ্য শতকৰা হিচাপত সত্তৰ-আশীভাগেই হেৰাল; যিকণ আছে সেয়াও অনুকৰণ গায়ন বা বায়ন উঠিলেই নোহোৱা হ'ব। সমাজে সত্ৰীয়া গীত-মাত, নাচ আদিক আজি কলাসম্পদ বুলিয়েই ধৰিছে বুলি সাধাৰণ আলোচনা অংশত উল্লেখ কৰা হৈছে। যদি

এইবোৰক কলাসম্পদ বুলিয়েই ধৰা হয়, তেনেহলে ইয়াক বৰ্ণাঢ্য কৰি তুলিবলৈ শিক্ষণ-প্ৰশিক্ষণবো প্ৰয়োজন আছে। সত্ৰজীৱনত ডাঙৰ অভাৱটোৱেই হৈছে এইবোৰ শিকাবলৈ আৰু শিকিবলৈ কোনেও উদ্যোগ লোৱা দেখা নাযায়। বৰদোৱা থানক কেন্দ্ৰ কৰি দুখন প্ৰধান সত্ৰ আছে - নৰোৱা আৰু শলগুৰি। নিত্য-নৈমিত্তিক প্ৰসংগকল চলাই থকাৰ বাহিৰে কোনোখন সত্ৰৰ কোনো সাংস্কৃতিক কৰ্মসূচী নাই। বৰদোৱা থান পৰিচালনা সমিতিয়ে আজিৰ পৰা ছবছৰমান আগতে দুইখনৰ দুজনকৈ সংগীত গুৰু আৰু ত্ৰিশজনমান শিক্ষক মাননী আৰু বৃত্তি দি গীত-মাত-বাজনা শিকোৱাৰ ব্যৱস্থা কৰিছিল। এবছৰমান শিকোৱা-বুজোৱাৰ কাম চলাৰ পিছত আঁচনিখন প্ৰত্যাহাৰ কৰা হ'ল পাৰস্পৰিক বিবাদৰ সূত্ৰে। অতুলচন্দ্ৰ হাজৰিকাই 'মঞ্জলেখা'ত লিখিছে যে নৰোৱাসত্ৰৰ বৰ্তমান সত্ৰাধিকাৰ শ্ৰীপূৰ্ণচন্দ্ৰ দেৱগোস্বামীয়েই গোটেই অঞ্চলটোৰ ভিতৰত গায়ন-বায়ন-নটুৱাবিদ্যাত সিদ্ধহস্ত পুৰুষ। অলপতে চৰকাৰে এই গুণী ব্যক্তিজনলৈ শিল্পী-পেন্সন আগবঢ়াইছে : এইটো গৌৰৱৰ বিষয়। কিন্তু আন এটা দুখৰ বিষয় হৈছে অধিকাৰগৰাকীক ধৰি দুইখন সত্ৰত দুজনমানহে গায়ন-বায়ন জনা লোক আছে। সেইসকলো বয়সত ভাটিয়াইছে। ইতিমধ্যে বেহাৰৰ ভংগীসমূহকে ধৰি নাচ-গীতৰ বহু মূল্যবান সম্পদ লুপ্ত হ'ল, কিঞ্চিৎ পৰিমাণে থকাকনো মলি-মামৰে ধৰিছে। মুঠতে বিপৰ্যয় সমাগত।

নগাঁৱত সত্ৰীয়া সংস্কৃতিক স্বাধীনোত্তৰ কালত বিকশিত কৰাৰ ক্ষেত্ৰত কলিয়াবৰৰ শ্ৰৱণী সত্ৰৰ ৺ গিৰিকান্ত মহন্ত আছিল ভীষ্ম পিতামহ সদৃশ। ভাৰত সংগীত নাটক অকাডেমীৰ অৰ্থসাহায্য লৈ অসম সংগীত নাটক অকাডেমীয়ে ৺ মহন্তৰ হাতত থকা বৰদোৱাথূলৰ বাদ্য-বাজানা, নাচ-ভংগীৰ এখন গ্ৰন্থ প্ৰস্তুত কৰিছিল। কিন্তু মাজ বাটতে সেইখন ভেটাৰখীয়ায়েই হৰণ কৰিলে। চকুলো টুকিয়েই গুণী ব্যক্তিগৰাকীয়ে সংসাৰৰ পৰা বিদায় ল'লে। সত্ৰীয়া ৰাগ সংগীতৰ আন এগৰাকী গুণী লোক কুজীডাঁহৰ তিলক গায়নৰ পৰলোকপ্ৰাপ্তিৰ লগে লগে সংস্কৃতি জগতত খ্যাতি থকা অঞ্চলটোৰ জেউতি হেৰাল বুলিয়েই ক'ব লাগিব। আন এগৰাকী বিশিষ্ট ব্যক্তি ৺মহেশ্বৰ ওজা, নগাঁৱা ওজা-নৃত্যৰ এগৰাকী কৃতবিদ্য শিল্পী। ওজানৃত্য শিল্প সম্পদটি সত্ৰীয়া গীত-মাতৰ সুৰ-সম্ভাৰ আৰু নাচৰ হাতেৰে উপকৃত। সাংস্কৃতিক সন্ধালকালয়ে বৰদোৱা সাংস্কৃতিক কেন্দ্ৰত এওঁক গুৰু হিচাপে নিযুক্তি দি শিল্প প্ৰকৰণটো পুনৰুজ্জীৱনৰ চেষ্টা কৰিছিল যদিও আগ্ৰহী বিদ্যাৰ্থীৰ অভাৱত সেয়াও সম্ভৱ নহ'ল। জিলাখনৰ গাঁৱে-ভূঞে অ'ত ত'ত এজন বা দুজনহে গুণী লোক বৈছেগৈ, যাৰ হাতত সত্ৰীয়া সংগীত আৰু নাট-ভাওনাৰ কলাত্মক ৰূপটো দেখিবলৈ পোৱা যায়। কলিয়াবৰৰ চামগুৰি সত্ৰৰ ৰবিচন্দ্ৰ গোস্বামী, বিহমপুৰ সত্ৰৰ থুলেশ্বৰ মহন্ত অঞ্চলটোৰ ছওঁৱা এখন সত্ৰৰ বিশাল থূলটোৰ ভিতৰত সত্ৰীয়া শিল্পকলাৰ প্ৰায় অন্তিম প্ৰতিনিধি হৈ আছে যাথোন। ডঃ মহেশ্বৰ নেওগে বিখ্যাত নৃত্যশিল্পী ইন্দ্ৰানী ৰহমানৰ ঘৰত খোল এৰি থৈ অহা এজন সত্ৰীয়া শিল্পীৰ দুৰৱস্থাৰ কথা বিভিন্ন প্ৰসংগত উল্লেখ কৰিছিল। আমিও দহ বছৰমানৰ পূৰ্বে চেষ্টা কৰিছিলোঁ মধ্য অসমৰ সত্ৰীয়া গীত-মাতৰ নন্দনমূল্য বিচাৰ কৰিবলৈ কলিয়াবৰৰ অঞ্চলৰ ভিন ভিন ঠাইত অঞ্চলৰ জ্ঞানীগুণী শিল্পীসকলৰ সভা পাতি প্ৰতিমাহৰ প্ৰথম দেওবাৰে তেনেকৈ সভাপতি একছৰমান অহাযোৱাও

কৰিছিলোঁ। কিন্তু প্ৰথম দুখনমান সভাত ভালেকেইজন লোক গোট খাইছিল যদিও পিচলৈ উপস্থিতি এনে সেৰেঙা হ'বলৈ ধৰিছিল যে আমি বাধ্য হৈ সেই কামকেৰা বাদ দিব লগা হৈছিলোঁ। আমাৰ ডাঙৰ সমস্যাটো হৈছে, শিল্পপ্ৰকৰণ এটাৰ লগত জড়িত আমাৰ গুৰুসকলে প্ৰকৰণটোৰ শাস্ত্ৰীয় সিদ্ধান্তবোৰৰ বিষয়ে বিশেষ কথা ক'ব নোৱাৰে বা নোখোজে। ইয়াকো সত্ৰীয়া সংস্কৃতিৰ বিপৰ্যয়ৰ এটা কাৰণ হিচাপে দেখুৱাব পাৰি।

সত্ৰীয়া সংস্কৃতি বুলিলে নাট-ভাওনা, গীত-মাত আদিৰ কথাই সাধাৰণতে মনলৈ আহে। স্বাধীনোত্তৰ নগাঁৱত বিশেষকৈ যোৱা তিনিটা দশকমানৰ পৰা, ভাওনাৰ শুদ্ধ ৰূপটো অত্যধিক দৃশ্যসজ্জা, যাদুকৰী পোহৰ ব্যৱস্থা, বাস্তবানুগ অভিনয়ৰে বিকৃত কৰা হ'ল। ভাওনাৰ নাট্যধৰ্মী চৰিত্ৰটো সম্পূৰ্ণ হেৰাই গৈছে। চিনেমাই গঢ় দিয়া ৰুচিৰে ভাওনা পাতিবলৈ বিচাৰি ইয়াৰ ধ্ৰুপদী চৰিত্ৰটোক নষ্ট কৰা হৈছে। নাবদে কামৰূপী লোকগীত গাই ভাওনাত প্ৰবেশ কৰাটো শিল্পটোৰ চৰিত্ৰ নহয়। চৰিত্ৰটো প্ৰবেশৰ বিশেষ নাচ আছে। এইটোৱেই সমস্যা হৈ দেখা দিছে যে ভাওনাৰ গীত আৰু প্ৰবেশৰ লগত জড়িত ধ্ৰুপদী নৃত্যধাৰাটো জনা আৰু জানিবলৈ বিচৰা শিল্পীৰ বাৰুকৈয়ে অভাৱ হৈছে।

গীত-মাত-ভাওনাৰ বাহিৰেও সত্ৰীয়া শিল্পৰ আন আন অভিব্যক্তিও আছে। কাঠৰ সিংহাসন আৰু মূৰ্তিকটা, বয়নশিল্প, কুঁহিলা আৰু হ'গলৰ কঠ সজা, পুথি লিখা, পুথিৰ পাতত ছবি অঁকা আদি ভালেমান শিল্পই সত্ৰীয়া সমাজখনৰ গাতে ভৰ দি বিকাশ লাভ কৰিছিল। বাইদন্তীয়াৰ চৰাইখুলীয়া গোঁসাই, বেচাঁ অঞ্চলৰ খনিকৰ প্ৰমুখ্যে অ'ত ত'ত দুজনমানহে বাঢ়ৈ খনিকৰ আছে, যিসকল এতিয়াও সিংহাসন কটা বিদ্যাটোৰ লগত জড়িত হৈ আছে। বৰদোৱাত কুঁহিলা শিল্পটো কোনোমতে জীয়াই আছে এজন শিল্পীৰ চেষ্টাত। এইবোৰৰ বাহিৰে পুথিলিখা আৰু পুথিৰ পাতত ছবি অঁকা বিদ্যাটো একেবাৰে হেৰাই গ'ল। আন এটা বিশিষ্ট কলাসম্পদ ভাওনাৰ মুখা সজা বিদ্যাটোও হেৰাল। ভাওনাত বাস্তৱধৰ্মী অভিনয়ে গুৰুত্ব লাভ কৰাত মুখাৰ প্ৰয়োজনো নোহোৱা হ'ল। কিন্তু মুখাশিল্পটো ভাওনাৰ পৰা আঁতৰাই আনিও বিকশিত কৰিব পাৰি আৰু তেনে কৰিব পাৰিলে ইয়াৰ পৰা অৰ্থ উপাৰ্জনৰ পথটোৱেই বিশেষভাৱে মুকলি হ'ব। একেদৰে সত্ৰীয়া পুথিচিত্ৰৰ আৰ্হিত অনুচিত্ৰৰ পৰম্পৰাটো গঢ়ি তুলিব পাৰিলে সিয়ো অৰ্থলাভৰ বাট সুগম কৰিব। ৰাজস্থানৰ পড়চিত্ৰশিল্পীসকলে শ্ৰীনাথজী আৰু প্ৰভুজীৰ পট, মধুবনী শিল্পীসকলে মধুবনী চিত্ৰক বাণিজ্যিক সম্পদৰূপে গঢ়ি তোলাৰ আদৰ্শটো অসমৰ মুখা আৰু অনুচিত্ৰৰ শিল্পীসকলেও গ্ৰহণ কৰিব পাৰে।

সামৰণীত এই কথাটো ক'ব লাগিব যে সমাজৰ অমনোযোগিতা, অজ্ঞতা আৰু প্ৰাচীন শিল্প ঐতিহ্যৰ প্ৰতি অৱহেলাৰ মনোভাবেই বৰ্তমান সময়ত সত্ৰীয়া সংস্কৃতিৰ লগতে অসমীয়াৰ আধ্যাত্মিক সংস্কৃতিৰ বিকাশৰ বাটত অন্তৰায় হৈ আছে। সত্ৰীয়া শিল্পকলাৰ অনেক প্ৰকাশ মাধ্যম আছে, যিবোৰক বিদ্যা হিচাপে শিকিবুজি অকল নিজৰ আৰ্থিক অনগ্ৰসৰতাকে দূৰ কৰিব পৰা হ'ব এনে নহয়। একবিংশ শতিকাত অসমীয়া সমাজৰ নতুন সাংস্কৃতিক ভেটিটোও প্ৰতিষ্ঠা কৰাত সহযোগিতা আগবঢ়াব পাৰিব। ❑

নগাঁও ঃ আধুনিক অসমীয়া সাহিত্যৰ পীঠস্থান

প্ৰভাত বৰা

অসমীয়া সাহিত্যৰ সাত শ বছৰীয়া ইতিহাসৰ প্ৰতিটো যুগতে নগাঁৱৰ অগ্ৰগামী ভূমিকা স্পষ্ট। অপ্ৰমাদী কবি মাধৱ কন্দলী আৰু মহাপুৰুষ শংকৰদেৱৰ সময়ছোৱা এই আলোচনাত সামৰি নললেও কৈ থোৱা উচিত হব যে নগাঁৱৰ সাহিত্যিক ঐতিহ্য- স্ৰোতস্বিনীৰ উৎসটো সন্ধান কৰিবলৈ হ'লে অপ্ৰমাদী কবি গৰাকীৰ যুগটো পৰ্যন্ত উজাই যোৱাৰ প্ৰয়োজন হয়। অৱশ্যে, মাধৱ কন্দলী, শংকৰদেৱে স্থাপন কৰা মহাভাৰতীয় প্ৰাচীন সাহিত্যিক ঐতিহ্যটোৰ অৱসানৰ পূৰ্বভাসও পোৱা গ'ল নগাঁৱতে অৰ্থাৎ য়াণ্ডাবু সন্ধিৰো তেৰ বছৰ পূৰ্বে আৰু 'অৰুণোদই' প্ৰকাশ পোৱাৰ তেত্ৰিশ বছৰৰ আগতেই অসমীয়া সাহিত্যৰ আধুনিক যুগটোৰে ফেঁহুজালি দিলে ১৮৩৩ চনত নগাঁৱৰ (কলিয়াবৰৰ) আত্মাৰাম শৰ্মাই কৰা 'বাইবেল'ৰ ভাঙনি 'ধৰ্ম-পুস্তক' ৰ যোগেদি। উল্লেখ কৰিব পাৰি যে ধৰ্মপুস্তকেই হ'ল ছপা কৰা প্ৰথম অসমীয়া গ্ৰন্থ। ধৰ্মপুস্তক প্ৰকাশ হোৱাৰ মাত্ৰ পয়ত্ৰিশ বছৰ পূৰ্বেহে কলিকতাৰ প্ৰথম ছপাশালটো শ্ৰীৰামপুৰত স্থাপিত হৈছিল। আত্মাৰামৰ বাইবেলৰ যোগেদি মহাভাৰতীয় ঐতিহ্যৰ বাহিৰৰ জগতখনৰ লগত অসমীয়া ভাষাৰ যোগাযোগ ঘটিল আৰু আমাৰ জাতীয়-চেতনাত আধুনিক বিদ্যুৎ স্পৰ্শ সঞ্চাৰিত হ'ল। আত্মাৰামৰ 'বাইবেল'ৰ সাহিত্যিক মূল্য সীমিত হ'লেও আৰু খৃষ্টিয়ান ধৰ্ম প্ৰচাৰতে ইয়াৰ গুৰুত্ব আবদ্ধ হৈ থাকিলেও ইয়েই আছিল অসমীয়া সমাজখনৰ পাশ্চাত্যকৰণৰ প্ৰথম পদক্ষেপ। খৃষ্টিয়ান ধৰ্ম প্ৰাচ্য দেশ উদ্ভূত হলেও উনবিংশ শতকৰ আৰম্ভণিত ইয়াৰ প্ৰচাৰৰ লগত আমাৰ সমাজখনৰ পাশ্চাত্যকৰণৰ সম্পৰ্ক নথকা নহয়। বৃটিছ শাসন প্ৰবৰ্তিত হোৱাৰ লগতে খৃষ্টিয়ান ধৰ্ম প্ৰচাৰৰ নিমিত্তে অসমলৈ অহা মিছনেৰীসকল মানৱহিতবাদী ক্ৰিয়া কৰ্মতো-স্ব-নিয়োজিত হৈছিল। তেওঁলোকৰ প্ৰচেষ্টাতে অসমৰ বিভিন্ন ঠাইত স্কুল, হস্পিটেল ইত্যাদি অনুষ্ঠান স্থাপিত হৈছিল। [illegible] চনত ব্ৰণনে নগাঁৱত মিছন স্কুল স্থাপন কৰি নাৰী শিক্ষাৰ পাতনি মেলিছিল। এই মানৱহিতবাদী অনুষ্ঠান বোৰে আমাৰ সমাজত এক ছেক্যুলাৰ দৃষ্টিভঙ্গী গঢ় লৈ উঠাত সহায় কৰিছিল। বৃটিছ শাসনেই ভাৰতীয় সমাজ আৰু সংস্কৃতিত ছেক্যুলাইজেশ্যনৰ প্ৰক্ৰিয়াটো আৰম্ভ কৰা বুলি এম এন শ্ৰীনিবাসে তেওঁৰ Social Change in Modern India নামৰ গ্ৰন্থখনত আঙুলিয়াই দিছে। এই ছেকুলাৰাইজেশ্যন আধুনিক ঐতিহ্য তথা মানসিকতাৰ এক অন্যতম সম্পদ।

এই ছেক্যুলাৰ দৃষ্টিভঙ্গীৰ কাৰণেই প্ৰাচীন সাহিত্য পৰম্পৰাৰ স্বৰ্গ চেতনাক স্থানচ্যুত কৰি আধুনিক সাহিত্যত মৰ্ত্যচেতনা সঞ্চাৰিত হ'ল। আত্মাৰামৰ 'বাইবেল'ৰ সম্পৰ্কত আৰু এটা কথা উল্লেখ কৰি থব পাৰি যে আত্মাৰামৰ গদ্যৰ আৰ্হিয়ে 'অৰুণোদই' যুগৰ গদ্যক পৰোক্ষভাবে প্ৰভাৱিত কৰিছিল। অৰুণোদই যুগত গদ্যৰ পয়োভৰ তাৎপৰ্য্যপূৰ্ণ। এই সময় হোৱাৰ সামাজিক জাগৰণৰ প্ৰধান মাধ্যম আছিল গদ্য। বৈষ্ণৱ যুগৰ সামাজিক আন্দোলনৰ প্ৰচাৰৰ প্ৰাণ-শক্তি আছিল কাব্য। উনবিংশ শতকৰ মাজভাগৰ পৰাই অসমীয়া জাতিয়ে আধুনিকতাৰ আহ্বান শুনা পালে গদ্যৰ মাজত। এই যুগৰ গদ্য প্ৰাধান্যই বৈষ্ণৱ যুগৰ কাব্য পৰম্পৰাৰ পয়াৰ দুলড়িৰ প্ৰভাৱ হ্ৰাস কৰাত প্ৰধান ভূমিকা লৈছিল আৰু অব্যৱহিত পৰৱৰ্তী যুগটোৰ কাব্যত ছন্দৰ পৰীক্ষা নিৰীক্ষাৰ ক্ষেত্ৰত প্ৰেৰণা যোগাইছিল। আধুনিক ঐতিহ্যৰ প্ৰধান সম্পদ স্বৰূপ ঐহিক হিতবাদ আৰু বিজ্ঞান মনস্কতাৰ প্ৰথম প্ৰতক্ষ পৰিচয় পোৱা গ'ল কৰ্মসূত্ৰে নগাঁৱত বসবাস কৰা আনন্দৰাম ঢেকিয়াল ফুকনৰ 'অৰুণোদই'ত প্ৰকাশিত 'ইংলণ্ডৰ বিৱৰণ' ৰচনা খনিত। জ্ঞান বিজ্ঞান ইত্যাদি আধুনিক বিশ্বৰ মানসিক উপকৰণৰ সম্ভেদ দি ঢেকিয়াল ফুকনে অসমীয়া চিন্তা চেতনাক মধ্যযুগীয় বান্ধোনৰ পৰা মুক্ত কৰি নতুন দিগন্ত উন্মোচনৰ কাৰণে উদ্বুদ্ধ কৰিছিল। ঢেকিয়াল ফুকনক ৰামমোহন ৰয়ৰ অসমীয়া সংস্কৰণ বুলি আখ্যা দিয়াটো ভুল হ'লেও বঙ্গৰ নব-জাগৰণৰ পুৰোহিত জনৰ দৰেই তেওঁ ত্ৰিশ বছৰীয়া জীৱন কালতে অসমীয়া জাতিক মধ্যযুগীয় ধ্যান ধাৰণাৰ পৰা মুক্ত কৰি নতুন ৰূপত জীৱনক প্ৰত্যক্ষ কৰাৰ শিক্ষা দিয়াৰ দায়িত্ব গ্ৰহণ কৰিছিল আৰু তেওঁৰ যুগ জিজ্ঞাসাই আত্ম প্ৰকাশ কৰিছিল গদ্যৰ মাধ্যমত। ঢেকিয়াল ফুকনৰ পদাংক অনুসৰণ কৰা তেওঁৰে আত্মীয় গুণাভিৰাম বৰুৱাই কৰ্মসূত্ৰে উনৈশ বছৰ কাল নগাঁৱত বসবাস কৰিছিল। আত্ম জিজ্ঞাসা আৰু আত্ম সমীক্ষাৰ যোগেদি আসমীয়া জাতিৰ চিত্ত-সংস্কাৰৰ পথ গ্ৰহণ কৰা গুণাভিৰাম বৰুৱাৰ 'সৌমাৰ ভ্ৰমণ' ৰচনা খনিক 'ইংলণ্ডৰ বিৱৰণ'ৰে পৰিশিষ্ট ৰচনা বুলি কব পৰা যায়। কাৰণ এই দুখন ৰচনাই উনবিংশ শতকৰ অসমীয়া মানুহৰ মানসিক ভূগোলৰ সীমা নিৰ্দ্ধাৰণ কৰিছে অৰ্থাৎ ৰচনা দুখনত প্ৰকাশিত নবজাগৰণ আৰু পুৰ্ণজাগৰণৰ আহ্বানত উনবিংশ শতিকাৰ অসমীয়াৰ মানসিক প্ৰত্যয়ই দৃঢ়তা অৰ্জন কৰিছিল। 'অৰুণোদই' যুগৰ মুষ্টিমেয় শিক্ষিত অসমীয়াৰ সাহিত্যই নগাঁৱত থকা কালতে গুণাভিৰাম বৰুৱাই সম্পাদনা কৰা 'আসাম-বন্ধু' আধুনিক অসমীয়া সাহিত্যৰ পৰিণতি লাভ কৰিলে। অসমীয়া কবিতাৰ আধুনিক যুগটোও অঙ্কুৰিত হৈছিল 'আসাম-বন্ধু'ৰ বুকুতে। 'আসাম-বন্ধু'ৰ অন্তিম সংখ্যাটোত প্ৰকাশিত নগাঁৱৰ ভোলানাথ দাসৰ 'মেঘ' কবিতাটোকে প্ৰথম সাৰ্থক ৰমন্যাসবাদী অসমীয়া কবিতা হিচাপে চিহ্নিত কৰা হয়। অৱশ্যে ভোলানাথকে মুখ্য কৰি 'আসাম বন্ধু'ৰ কবিসকলৰ কবিতাৰ ভাষা, প্ৰকাশ ভঙ্গিমা বিশ্লেষণ কৰিলে দেখা যায় যে 'আসাম বন্ধু'ৰ সময়ত অৰ্থাৎ বোৱা শতকটোৰ নৱম দশকলৈকে অসমীয়া কবিতা বৈষ্ণৱ যুগৰ কাব্য ঐতিহ্যৰ পৰা সম্পূৰ্ণ মুক্ত হ'ব পৰা নাছিল।

'কৃষ্ণ পক্ষে জ্বলে যেন স্ফটিকৰ মণি,
কিম্বা শ্যাম দুৰ্ব্বাদলে,

যথা জলবিন্দু জ্বলে.
ছায়াবৃত জলে যেন শোভে কমলিনী
বিস্তীর্ণ সমুদ্র কিম্বা ধবল তৰণী।'

এই স্তবকটো পঢ়িলে বস্তুজগতৰ প্ৰতি কবিৰ স্বপ্নময় দৃষ্টিভঙ্গী স্বত্বেও বৈষ্ণৱ যুগৰ ৰস সাধনাৰ লগত তেওঁৰ কবিপ্ৰত্যয়ৰ মৌলিক যোগ স্পষ্ট ভাবে অনুভূত হয়। ভোলানাথতকৈ কিছু আগৰ বঙালি কবি বিহাৰীলালৰ কবিতাত প্ৰকাশিত উচ্ছলিত আবেগ আৰু গীতিৰসৰ উত্তাল প্ৰবাহৰ বিপৰীতে ভোলানাথৰ কবিতাটো বৈষ্ণৱ কাব্যৰ গভীৰ সুৰত বন্ধা। বঙালী বৈষ্ণৱী পদাৱলী আৰু অসমীয়া বৈষ্ণৱ ঐতিহ্যৰ কাব্যৰ মাজত যি পাৰ্থক্য, বঙালী সংকীৰ্তন আৰু অসমীয়া নাম-কীৰ্তনৰ মাজত যিটো পাৰ্থক্য অনুভৱ কৰা যায় সেই পাৰ্থক্যটোৱেই হ'ল বিহাৰীলাল আৰু ভোলানাথৰ মাজৰ পাৰ্থক্য, বঙালি ৰমন্যাসিক কবিতা আৰু অসমীয়া ৰমন্যাসিক কবিতাৰ পাৰ্থক্য। অৱশ্যে ৰাবীন্দ্ৰিক প্ৰভাৱৰ হেতু শেৱালি কবি ৰঘুকান্ত ৰবকাকতীৰ কবিতা এইক্ষেত্ৰত কিছু ব্যতিক্ৰমধৰ্মী আৰু তেওঁৰেই উত্তৰসুৰী অসমীয়া ভাষাৰ শেষৰ জন ৰমন্যাসিক কবি কলংপৰীয়া দেৱকান্ত বৰুৱাৰ কবিতাত ৰমন্যাসিক আবেগৰ উচ্ছ্বাস চূড়ান্ত ৰূপত অভিব্যক্ত হৈছে। বঙালি কবিতা আৰু অসমীয়া কবিতাৰ মৌলিক পাৰ্থক্য সাম্প্ৰতিক যুগৰ কবিসকলৰ কবিতাতো প্ৰত্যক্ষ কৰা যায়। জীৱনানন্দ দাস আৰু নৱকান্ত বৰুৱাৰ দুটা বিখ্যাত কবিতা একেলগে পঢ়িলেই ই স্পষ্ট হৈ পৰে।

"অতি দূর সমুদ্রের পর
হাল ভেঙে যে নাবিক হারায়েছে দিশা
সবুজ ঘাসের দেশ যখন সে চোখে
দেখে দারুচিনি দ্বীপের ভিতর,
তেমনি দেখিছে তারে অন্ধকারে, বলেছে সে
'এতদিন কোথায় ছিলেন?"
পাখীর নীড়ের মতো চোখ তুলে নাটোরের বনলতা সেন
(বনলতা সেন)

"বহুতো আকাশ পাৰ হৈ অহা
ধুমুহা-পখীৰ এটি লহমাৰ নীড়
বহুতো সপোন পাৰ হৈ অহা
কেঁচা টোপনিৰ ভীৰৰ মাজত
সেই এটা মাথোঁ জাগৰ ৰাতি
মনত পৰেনে
অৰুন্ধতি?" (মনত পৰেনে অৰুন্ধতি)

দুয়োটা কবিতাৰ এক নষ্টালজিয়া বোধত উৎপন্ন হোৱা একে ধৰণৰ বিষণ্ণ সুৰটো সত্বেও জীৱনানন্দৰ কবিতাটোৰ জটিল গ্ৰন্থিলতাত উদ্ভৱ হোৱা আবেগৰ উত্তাল তৰঙ্গৰ বিপৰীতে

নবকান্তৰ কবিতাটোৰ ব্যক্তিভাবনাৰ আপেক্ষিক ভাবে সবল অনুষঙ্গৰ সুৰটো যেন শান্ত সমাহিত।

এই দীঘলীয়া পাতনি অৱতাৰণা কৰা হ'ল এই কাৰণেই যে যোৱা ডেৰশ বছৰৰো অধিক কাল জুৰি বিকশিত হোৱা আধুনিক অসমীয়া সাহিত্যৰ অখণ্ড ইতিহাসৰ পোহৰত নিৰীক্ষণ কৰিলেহে স্বাধীনোত্তৰ কালৰ 'আধুনিক' অসমীয়া সাহিত্যত নগাঁৱৰ সাহিত্যিক সকলৰ ভূমিকাৰ উজ্জ্বল ৰূপটো স্পষ্ট হয়। (নগাঁৱৰ সাহিত্যিক বুলি কওঁতে নগাঁৱত জন্ম গ্ৰহণ কৰা অথবা নগাঁৱত বসবাস কৰা উভয় বিধৰ সাহিত্যিকক আবাসী-অনাবাসী-অভিবাসী নিৰ্বিশেষে সামৰি লোৱা হৈছে। বেজবৰুৱা জন্মসূত্ৰে 'নগঁয়া' হ'লেও তেওঁক ইয়াত অন্তৰ্ভুক্ত নকৰাৰ কাৰণটো হ'ল নগাঁৱত তেওঁৰ জন্ম আছিল নিতান্ত আপতনিক)। চল্লিশৰ দশকটোক স্বাধীনোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ উদ্যোগ পৰ্ব বুলি কব পৰা যায়। ইংৰাজী সাহিত্যত বিংশ শতাব্দিৰ আধুনিক যুগটো আৰম্ভ হৈছিল প্ৰথম মহাযুদ্ধৰ পিছতেই অৰ্থাৎ দ্বিতীয় দশকটোৰ শেষৰ ফালে। বঙালি সাহিত্যত এই যুগটো আৰম্ভ হৈছিল তৃতীয় আৰু চতুৰ্থ দশকৰ দোমোজাত। আমাৰ অসমীয়া সাহিত্যত বিংশ শতাব্দিৰ আধুনিক যুগটো আৰম্ভ হৈছে দ্বিতীয় মহাযুদ্ধ অৱসান ঘটাৰ অন্তত অৰ্থাৎ চল্লিশৰ দশকৰ মাজভাগৰ পৰাহে। অসমীয়া কবিতাত এলিয়টীয় আধুনিকতা আমদানি হোৱাৰ আগতেই মাৰ্ক্সবাদী প্ৰভাৱ প্ৰবল হৈ উঠিছিল চল্লিশৰ দশকটোতে। কিন্তু আচৰিত কথা, চল্লিশৰ দশকত নগাঁৱত বামপন্থী চিন্তাধাৰা তথা কৰ্ম-তৎপৰতাৰ স্থিতি যথেষ্ট সবল আছিল যদিও নগাঁৱৰ কোনো কবি সাহিত্যিকেই প্ৰগতিবাদী আদৰ্শৰ দ্বাৰা উদ্বুদ্ধ নহ'ল। স্বাধীনতাৰ স্বপ্ন বাস্তৱত পৰিণত হোৱাৰ সময় ওচৰ চাপি অহাৰ লগে লগে স্বাধীনতাৰ প্ৰতি মোহভংগৰ পৰ্বটোও আৰম্ভ হৈছিল। ভাৰতৰ বিভিন্ন চুকে কোণে গা কৰি উঠা 'য়ে আজাদী ঝুঁটা হে' জাতীয় মনোভাৱটোৰ প্ৰতিধ্বনি অসমতো শুনা গ'লেও নগাঁও ইয়াৰ পৰা বহুত দূৰৈতে ৰৈ গ'ল। অন্যহাতে মধ্যবিত্ত নেতৃত্বই স্বাধীনতাক আদৰিবলৈ পূৰ্ণোদ্যমে প্ৰস্তুতি চলাইছিল। স্বাধীনতা সংগ্ৰামৰ পৰা আহৰি পাই তেওঁলোক কিছুমান সামাজিক উন্নয়নমূলক কামত ব্ৰতী হৈছিল। ১৯৪৪ চনত নগাঁও কলেজৰ প্ৰতিষ্ঠাই নগাঁৱত এটা উচ্চ শিক্ষিত শ্ৰেণী সৃষ্টি কৰাৰ লগতে সাহিত্য চৰ্চাৰ ক্ষেত্ৰখন অধিক প্ৰশস্ত কৰি তুলিলে। নগাঁও কলেজৰ প্ৰথম চামৰ ছাত্ৰ সকলৰ এজন হ'ল অসমীয়া সাহিত্যৰ এজন অন্যতম শ্ৰেষ্ঠ গল্পকাৰ মহিম বৰা। নগাঁও কলেজৰ প্ৰতিষ্ঠাতা অধ্যক্ষ তীক্ষ্ণধী পণ্ডিত যজ্ঞেশ্বৰ শৰ্মাৰ প্ৰেৰণাদায়ক উপস্থিতিয়ে নগাঁৱৰ বৌদ্ধিক পৰিমণ্ডল চল্লিশৰ দশকৰ পৰা আজি পৰ্যন্ত সমৃদ্ধ কৰি ৰাখিছে। 'জয়ন্তী' যুগৰ অন্যতম চিন্তাশীল প্ৰবন্ধকাৰ মহেশ চন্দ্ৰ দেব গোস্বামীয়ে চল্লিশৰ দশকৰ নগাঁৱত এক উচ্চ স্তৰৰ সাহিত্যিক বাতাবৰণ সৃষ্টি কৰাত অগ্ৰগামী ভূমিকা গ্ৰহণ কৰিছিল। চল্লিশৰ দশকৰ সাহিত্য জগতৰ এটা উল্লেখযোগ্য ঘটনা হ'ল ১৯৪৫ চনত বিৰিঞ্চি কুমাৰ বৰুৱাৰ যুগান্তকাৰী উপন্যাস 'জীৱনৰ বাটত' ৰ প্ৰকাশ। এই উপন্যাসখনক ঐতিহ্যবাদী অসমীয়া উপন্যাসৰ শীৰ্ষবিন্দু বুলি কব পৰা যায়। অসমীয়া মধ্যবিত্তীয় সমাজখনৰ বিৰুদ্ধে অনুচ্চ হ'লেও প্ৰতিবাদৰ সুৰটো উপন্যাসখনৰ অন্যতম

বৈশিষ্ট্য।

স্বাধীনতা প্ৰাপ্তিৰ দোকমোকালিৰ সময়ছোৱাত অসমীয়া মানুহৰ উৎসাহ উদ্দীপনাৰ মেজাজটো ধৰি ৰাখিছে ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্বোধনৰ উপলক্ষে ভূপেন হাজৰিকাই ৰচনা কৰা এই গীতটোৱে-

"সাঁচিপাতে ভাষা দিব
চিকুণে আশা দিব
ৰংঘৰে মেলিব দুৱাৰ ...."

দহ বছৰ মানলৈকে অসমীয়া মানুহৰ এই মেজাজটো বৰ্তি আছিল বোধহয় কাৰণ আঠাৱন চন মানলৈকে সান্ধ্য ভ্ৰমণৰ সময়ত অসমীয়া ডেকা ল'ৰাই এই গীতটো চিঞৰি চিঞৰি গোৱা শুনিছিলোঁ। এই মেজাজটোৱেই অভিব্যক্ত হৈছিল বিৰিঞ্চি কুমাৰ বৰুৱাৰ সম্পাদনাত ১৯৪৮ চনত প্ৰথম-প্ৰকাশিত হোৱা শিশু আলোচনী "ৰংঘৰ"ত। ৰংঘৰৰ সম্পাদকে নিজে জনাইছিল-"ইউৰোপৰ বিভিন্ন দেশৰ শিক্ষা আৰু সাহিত্য প্ৰচাৰৰ নানা অনুষ্ঠান চাই আহি তাৰে প্ৰেৰণাত অসমীয়া সাহিত্যৰ উন্নতি সাধিবলৈ 'ৰংঘৰ'ৰ সম্পাদকৰো আকাংক্ষা জন্মিছিল"। "ৰংঘৰ" শিশু আলোচনী হলেও নৱকান্ত বৰুৱাৰ কবিতা আৰু মহিম বৰাৰ গল্পও আলোচনীখনত প্ৰকাশ পাইছিল। 'ৰংঘৰ'তে দেৱকান্ত বৰুৱাই "আমি দুৱাৰ মুকলি কৰোঁ" প্ৰকাশ কৰি ৰামধেনু যুগটোৰ আধাৰশিলা স্থাপন কৰিছিল। প্ৰথম প্ৰকাশৰ পৰা দুবছৰ সম্পূৰ্ণ কৰাৰ পিছত 'ৰংঘৰ' 'ৰামধেনু'লৈ ৰূপান্তৰিত হ'ল। প্ৰথমতে 'ৰামধেনু'ৰ সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰিলে মহেশ্বৰ নেওগে। এটা কথা ভাবিলে আচৰিত লাগে, 'ৰংঘৰ'ৰ সম্পাদনাৰ দায়িত্ব ত্যাগ কৰাৰ পিছৰে পৰা 'ৰামধেনু'ৰ পাতত বিৰিঞ্চি কুমাৰ বৰুৱাৰ কোনো লেখাই প্ৰকাশিত হোৱা নাছিল। হয়তো গৱেষণা আৰু বিশ্ববিদ্যালয়ৰ কামত অতিপাত ব্যস্ততাৰ হেতু 'ৰামধেনু'ৰ প্ৰতি তেওঁৰ এই নিৰ্লিপ্ততা। অৱশ্যে বৰুৱাৰ সৃষ্টিশীল সাহিত্য সাধনাত যতি পৰা নাছিল যে তাৰ প্ৰমাণ হ'ল ১৯৫৮ চনত প্ৰকাশিত তেওঁৰ দ্বিতীয় খন উপন্যাস 'সেউজী পাতৰ কাহিনী'। ৰামধেনু যুগটো আৰম্ভ হ'ল ১৯৫৩ চনত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই 'ৰামধেনু'ৰ সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰাৰ পৰা। অৱশ্যে, ৰামধেনু যুগৰ সৰ্বশ্ৰেষ্ঠ কবি নৱকান্ত বৰুৱা 'ৰামধেনু'ৰ লগত প্ৰথম সংখ্যাৰ পৰাই জড়িত। ৰামধেনু যুগৰ সাহিত্যত নগঞা সাহিত্যিকৰ প্ৰতিপত্তিয়ে আছিল অধিক। ৰামধেনু যুগৰ প্ৰতিনিধিত্বমূলক প্ৰথম কাব্য সংকলন মহেন্দ্ৰ বৰাই সম্পাদনা কৰা ১৯৫৬ চনত প্ৰকাশিত 'নতুন কবিতা'ৰ প্ৰথম সংস্কৰণত স্থান পোৱা ওঠৰজন কবিৰ ভিতৰত পাঁচ জনেই আছিল নগাঁৰৰ। দেৱকান্ত বৰুৱা, নৱকান্ত বৰুৱা, মহিম বৰা, পবিত্ৰ বৰা আৰু প্ৰফুল্ল ভূঞা। নৱকান্ত বৰুৱাৰ কবিতাৰ সম্পৰ্কে বিস্তৃত আলোচনা হৈছে যদিও বৰুৱাৰ পিচৰকালৰ কবিতাবোৰৰ বিশদ ব্যাখ্যা এতিয়াও হোৱা নাই। সেইদৰে তেওঁৰ কবিতাৰ স্বাগত্য সম্পৰ্কেও সমালোচক সকল নিৰৱ হৈ আছে। তাৰ বাবে এটা সুকীয়া প্ৰবন্ধ প্ৰয়োজন। সেয়ে এই প্ৰবন্ধৰ ক্ষুদ্ৰ পৰিসৰৰ ভিতৰত নৱকান্ত বৰুৱাৰ কবিতাৰ সম্পৰ্কে অধিক মন্তব্য নকৰাই উচিত হব। ৰামধেনু যুগৰ সৰ্বশ্ৰেষ্ঠ গল্প লেখক মহিম বৰাৰ

সাৰ্থক কবিতা কেইটাৰ সম্পৰ্কে যথেষ্ট আলোচনা হৈছে। বহল পৰিসৰতহে ৰবাৰ কবি প্ৰতিভাৰ ওপৰত আলোচনা সম্ভৱপৰ। ৰামধেনু যুগৰ কবি প্ৰফুল্ল ভূঞাৰ মনোভংগী মূলতঃ গীতি-কবিৰ অনুকূল। খুব কম কবিতা লেখি অসমীয়া কাব্যৰ ইতিহাসত স্বাক্ষৰ ৰাখি থৈ যোৱা কবিজন হ'ল পবিত্ৰ ৰবা। জীৱনৰ দুৰ্জ্ঞেয়তাৰ ৰহস্য সন্ধান কৰা কবিয়ে তেওঁৰ কবিতা এটাত কৈছে-

"হে অজ্ঞতা, তোমাক প্ৰণাম
অন্তহীন উৎস তুমি জীৱন প্ৰেমৰ।" (এপিটাফ)

অজ্ঞতাৰ বান্ধোন ছিঙি হঠাৎ কবি পবিত্ৰ ৰবা নিৰুদ্দেশ হোৱাটো অসমীয়া কাব্য ইতিহাসত এক দুৰ্ভাগ্যজনক ঘটনা। ঠিক ৰামধেনু যুগৰ কবি নহয়, কিন্তু ৰামধেনু কবি গোষ্ঠীৰ সমসাময়িক হীৰেণ ভট্টাচাৰ্যই কবি হিছাপে আত্ম প্ৰকাশ কৰে পঞ্চাশৰ দশকৰ শেষৰ ফালে। প্ৰগতিশীল কাব্যাদৰ্শৰ প্ৰতি অনুগত, স্বকীয় কাব্য ৰীতি আৰু জীৱন ধাৰণৰ ৰীতিৰ কাৰণে ষাঠিৰ দশকৰ মাজ ভাগৰ পৰা কবিতাৰ পাঠকৰ মাজত অতি জনপ্ৰিয় হৈ উঠা এই কবি গৰাকীয়ে আধুনিক কবিতাৰ প্ৰতি কাব্য-ৰসিকৰ অনাদৰ অনীহা ওৰ পেলোৱাত এক বিশেষ ভূমিকা গ্ৰহণ কৰে। এই ক্ষেত্ৰত তেওঁক বঙালি কবি শক্তি চট্টোপাধ্যায়ৰ লগত তুলনা কৰিব পাৰি। হীৰেণ ভট্টৰ জীৱন-ধাৰণৰ ৰীতিটোৱে মোক নেৰুডাই তেওঁৰ স্মৃতি কথাত বৰ্ণনা কৰা এ'লবাৰ্টো ভালদিবিয়া নামৰ স্পেনিছ কবি গৰাকীৰ কথা মনত পেলাই দিয়ে। নেৰুডাই উদ্ধৃত কৰা কবি গৰাকীৰ কবিতা এফাকি ইয়াত উদ্ধৃত কৰিলোঁ।

Everything will go the afternoon,
the sun, life :
evil, which cannot be undone
will prevail
Only you will say, inseparable
Sisters of the twilight of my life

এই কবিতা ফাকিত অভিব্যক্ত কবিপ্ৰত্যয়ক কেন্দ্ৰ কৰিয়ে হীৰেণ ভট্টৰ কাব্য পৰিক্ৰমা সম্পূৰ্ণ হোৱা বুলি মোৰ বোধ হয়।

ৰামধেনু যুগটোৰ সফলতাক বিচাৰ কৰাৰ বেলিকা সমালোচক সকলে কবিতাৰ ওপৰত অধিক গুৰুত্ব দিয়া পৰিদৃষ্ট হয়। কিন্তু সৰ্ব শ্ৰেণীৰ পাঠকৰ কাৰণে মূল আকৰ্ষণ আছিল 'ৰামধেনু'ৰ গল্পহে। মহিম বৰা, সৌৰভ চলিহা, ভবেন শইকীয়া আৰু হোমেন বৰগোহাঞিক কেন্দ্ৰ কৰিয়ে ৰামধেনু যুগৰ গল্প জগতখন আৱৰ্তিত। ৰামধেনু যুগৰ গল্পৰ দুটা ধাৰাৰ এটাৰ সৰ্বশ্ৰেষ্ঠ প্ৰতিনিধি জন হ'ল মহিম বৰা আৰু আনটো ধাৰাৰ সৰ্বশ্ৰেষ্ঠ প্ৰতিনিধি হ'ল সৌৰভ চলিহা। আংগিকৰ দিশত মহিম বৰা সৌৰভ চলিহাৰ দৰে আধুনিক নহব পাৰে, কিন্তু ৰবাৰ জীৱন প্ৰত্যয় কোনো গুণেই কম আধুনিক নহয়। ৰবাৰ আটাইতকৈ বিখ্যাত গল্পটো হ'ল 'কাঠনি বাৰীৰ ঘাট', কিন্তু মোৰ ধাৰণাত জীৱন সত্যক গভীৰ ভাৱে পৰ্যবেক্ষণ কৰা 'টোপ' গল্পটোৱে তেওঁৰ সৰ্বশ্ৰেষ্ঠ সৃষ্টি। বিশ্ব-সাহিত্যৰ দহটা শ্ৰেষ্ঠ গল্পৰ

ভিতৰত এই গল্পটোক স্থান দিবলৈ মই কাহানিও কুণ্ঠিত নহওঁ। মহিম বৰাই দুই এটা বেয়া গল্প লেখাৰ আভিযোগটো অৱশ্যে অমূলক নহয়। কোনো দিনে এটাও বেয়া গল্প নেলেখাৰ বিৰল কৃতিত্বৰ অধিকাৰী হ'ল মহিম বৰাৰ সমকক্ষ আন জন গল্প লেখক ভবেন শইকীয়া। অৱশ্যে তেওঁ গল্পত জীৱনৰ খুটি নাটিতকৈ জীৱন প্ৰত্যয়ক অধিক গুৰুত্ব দিয়া হ'লে সমকালীন ভাৰতীয় সাহিত্যত এখন সুকীয়া আসন অধিকাৰ কৰিব পাৰিলেহেতেঁন। অন্য এজন ৰামধেনু যুগৰ জনপ্ৰিয় নগাঁৱৰ গল্প লেখক লক্ষ্মীনন্দন বৰাৰ গল্পত অসমৰ গ্ৰাম্যীন জীৱনৰ ছবিখন মনোমোহা ৰূপত মূৰ্ত হৈ উঠিছে। ষাঠিৰ দশকৰ আৰম্ভণিতে আত্ম-প্ৰকাশ কৰা অপূৰ্ব শৰ্মা সৌৰভ চলিহাৰ ধাৰাৰ দ্বিতীয় জন গুৰুত্বপূৰ্ণ আধুনিকতাবাদী গল্প লেখক। তেওঁৰ আৰম্ভণি কালৰ গল্প বোৰত প্ৰকাশিত দ্বি বিভাজিত সত্তাৰ আস্তিত্ব লেখকৰ ক্ষণভঙ্গবাদী প্ৰতিবিম্ব মাথোন। শৰ্মাই গল্পৰ সমস্ত কৃত্ৰিম উপকৰণ পৰিত্যাগ কৰি পাঠকক নিজৰ চেতনা গভীৰ কৰিবলৈ আগবঢ়াই নিয়ে-ইয়েই হ'ল তেওঁৰ সেহতীয়া গল্পবোৰৰ প্ৰধান বৈশিষ্ট্য।

সত্তৰৰ দশকটোত এজনো প্ৰতিশ্ৰুতিবান গল্প লেখক আবিৰ্ভাব নোহোৱাটো পৰিতাপৰ কথা। এই দশকৰ শেষৰ ফালে আৰম্ভ হোৱা ছবছৰীয়া অসম আন্দোলনে সৃষ্টিশীল সাহিত্যৰ জগতখনক সম্পূৰ্ণ মোহাৰি পেলাইছিল। পাঠকৰ ক্ষুধামান্দ্যৰ কাৰণে লেখকক জগৰীয়া কৰিব নোৱাৰি। সুখৰ বিষয় আশিৰ দশকৰ মাজ ভাগত কেইজন মান অতি প্ৰতিভাশালী গল্প লেখকৰ অভ্যুদয়ে অসমীয়া গল্পৰ জগতখন পুনৰ আলোকিত কৰি তুলিছে। এই সকলৰ ভিতৰত নগাঁৱৰ মনোজ গোস্বামী, শিবানন্দ কাকতি আৰু অপূৰ্ব শইকীয়া বিশেষ ভাবে উল্লেখযোগ্য। মনোজ গোস্বামীৰ "সমিৰণ বৰুৱা আহি আছে" গল্পটো পঢ়িলে বিখ্যাত সমাজ বিজ্ঞানী জ বেনেলৰ(Jouvenel) কথা এষাৰ মনত বিঙিয়াই যায়- "To command and to be obeyed : without that, there is no power with it no other attribute is needed for it to be...... The thing which it cannot be : that essence is command". এই প্ৰতিভাশালী গল্প লেখকজনে সাংবাদিকতাৰ ব্যস্ততাত হেৰাই যোৱাটো অসমীয়া সাহিত্যৰ কাৰণে শুভ লক্ষণ নহয়। আনজন প্ৰতিভাশালী গল্পলেখক শিবানন্দ কাকতিয়ে সাম্প্ৰতিক সময়ৰ সামাজিক অস্থিৰতাক গল্পত ধৰি ৰাখিবলৈ যত্ন কৰাটো পৰিলক্ষিত হৈছে। শিবানন্দৰ দৰে অন্য কোনো লেখকেই সাম্প্ৰতিক উগ্ৰপন্থী সমস্যাৰ সামাজিক দিশটোৰ ওপৰত গুৰুত্ব দিয়া যেন নালাগে। তেওঁৰ "আমৃত্যু অমৃত" সংকলনটোৰ কেইটামান গল্পত প্ৰতিধ্বনিত হৈছে ছাৰ্ত্ৰে কোৱা কথা এষাৰ- "Violence and counter violence are perhaps contigencies, but they are contigent necessities, and the imperative consequence of any attempt to destroy this inhumanity is that in distroying in the advessary the inhumanity of the contra of the contra-man, I can only destroy in him the humanity of man, and realize in me his inhumanity." "আমৃত্যু অমৃত" গল্পটোৰ নায়কে উপলব্ধি কৰাৰ দৰে উগ্ৰপন্থী সকলে হিংসাৰ অসাৰ্থকতা উপলব্ধি কৰিবনে? পাঠকৰ দৃষ্টি আকৰ্ষণ কৰা আন এজন প্ৰতিভাশালী গল্প লেখক অপূৰ্ব শইকীয়াৰ মাজত গল্পৰ এখ সুকীয়া ধাৰা প্ৰবৰ্তন কৰিব পৰা শক্তি সঞ্চিত হৈ আছে। অৱশ্যে তাৰ বাবে তেওঁ চৰিত্ৰৰ

মনঃ সমীক্ষণৰ প্ৰতি থকা দুৰ্বলতা নিয়ন্ত্ৰণ কৰাৰ প্ৰয়োজন। কাৰণ, মনঃসমীক্ষা সাম্প্ৰতিক আধুনিকতাবাদী গল্পৰ অন্যতম সম্পদ নহয়।

এই শতকটোৰ সৰ্বশ্ৰেষ্ঠ উপন্যাস খন নগাঁৱৰ বিৰিঞ্চি কুমাৰ বৰুৱাই লেখিলেও উপন্যাসৰ ক্ষেত্ৰত নগাঁৱৰ ঐতিহ্য বৰ উজ্জ্বল নহয়। তথাপি নৱকান্ত বৰুৱাই তেওঁৰ কাব্য সাধনাৰ মাজতে আজৰি উলিয়াই ৰচনা কৰা উপন্যাস কেইখনে পাঠক সমাজত সমাদৰ লাভ কৰিছে। মহিম বৰা আৰু ভবেন শইকীয়াই ৰচনা কৰা উপন্যাস কেইখন সফল হলেও তেওঁলোকৰ গল্প-লেখকৰ পৰিচয়টোৱে ঔপন্যাসিক হিচাপে তেওঁলোকৰ পৰিচয়টো ম্লান কৰি ৰাখিছে। সুখৰ বিষয় যে সম্প্ৰতি ইন্দ্ৰেশ্বৰ গোস্বামীৰ উপন্যাস কেইখনে এজন সফল ঔপন্যাসিকৰ সম্ভাৱনা কঢ়িয়াই আনিছে।

আশিৰ দশকৰ আৰম্ভণিতে আত্ম প্ৰকাশ কৰা অনুভৱ তুলসীৰ কবিতাৰ ভাষা ভঙ্গি -মা শব্দ যোজনা আৰু ভাবানুষঙ্গৰ অভিনবত্বই ইতিমধ্যেই তেওঁক সাৰ্থক কবি হিচাপে প্ৰতিষ্ঠা কৰিছে। কেৱল মৌলিক কবিতাই নহয় বিদেশী কবিৰ কবিতা অসমীয়ালৈ তেওঁ কৰা সাৱলীল সাৰ্থক অনুবাদে অসমীয়া কাব্য সাহিত্যৰ কাৰণে প্ৰচুৰ ইঙ্গিত বহন কৰি আনিছে। তেওঁৰ অনূদিত কবিতা তেওঁৰ মৌলিক কবিতাৰ সমানেই ৰসোত্তীৰ্ণ। অনুভৱ তুলসীৰ একে সময়ৰে আন এজন প্ৰতিভা শালী কবি প্ৰেমনাৰায়ন নাথে কবিতাৰ গাঁথনিৰ ক্ষেত্ৰত কাৰিকৰী দক্ষতাৰ পৰিচয় দিছে। কিন্তু তেওঁৰ কবিতাৰ ৰূপকল্পসৃষ্টিৰ ক্ষেত্ৰত তেওঁৰ ওপৰত নীলমণি ফুকনৰ প্ৰভাবে কবি হিচাপে তেওঁৰ সাৰ্থকতাক কিছু ক্ষতিগ্ৰস্ত নকৰাকৈ থকা নাই। এই সৰ্বগ্ৰাসী প্ৰভাৱৰ পৰা মুক্ত হব পাৰিলে প্ৰেম নাৰায়নে অসমীয়া কাব্য সাহিত্যক প্ৰচুৰ ভাবে সমৃদ্ধ কৰিব পাৰিব যে সন্দেহ নাই। এই দুগৰাকী কবিতকৈ আন এজন প্ৰতিভাশালী সাৰ্থক কবি প্ৰয়াগ শইকীয়াৰ শব্দ প্ৰকল্প অধিক পেশীবহুল। ৰূপনিৰ্মিতিৰ ক্ষেত্ৰত এই কবি গৰাকী আৰু কিছু আধিক দায়িত্বশীল হ'লে তেওঁৰ পৰীক্ষা নিৰীক্ষাই সাৰ্থকতা অৰ্জন কৰাৰ উপৰিও নগাঁৱৰ কাব্যিক ঐতিহ্যক অক্ষুন্ন ৰখাত তেওঁৰ অৱদানে সফল ভূমিকা গ্ৰহণ কৰিব পাৰিব। এই সময়ৰে এগৰাকী প্ৰতিভা সম্পন্ন কবি শৰৎ বৰকটকী সম্প্ৰতি প্ৰায় নিৰৱ হৈ যোৱাৰ কাৰণ জনা নাযায়। যদি সাংবাদিকতাৰ হেঁচাত তেওঁৰ কবি-প্ৰতিভা শ্বাস-ৰুদ্ধ হৈ পৰিছে সি নিশ্চয় দুঃখৰ কথা। নগাঁৱৰ সাহিত্যিক সমাজৰ কাৰণে এই দশকটোৰ শেহতীয়া শুভ সংবাদটো হ'ল নগাঁৱত তৰুণ কবি চাময় ভিতৰত আটাইতকৈ প্ৰতিভাশালী কবি জীৱন নৰহৰ আবিৰ্ভাব। ইতিমধ্যে তেওঁৰ স্বাভাৱিক কবিত্ব শক্তিয়ে কবিতাৰ ৰসিক পাঠকৰ মন মুহি পেলাইছে। তেওঁৰ এই স্বাভাৱিক কবিত্ব শক্তিৰ লগত পৰিশীলনৰ সংযোগে আমাৰ কাব্য ইতিহাসত এক নতুন যুগৰ সুচনা কৰিব যে সেই সম্পৰ্কে আমি নিঃসন্দেহ আৰু গভীৰ ভাবে আশাবাদী।

নগাঁৱৰ তীক্ষ্মধী সমালোচক ৰঞ্জিৎ দেৱগোস্বামীয়ে নিৰ্গঠনবাদ, উত্তৰ আধুনিকতাবাদ ইত্যাদি পাশ্চাত্য সাহিত্যৰ নতুন তত্ত্ব আৰু ধাৰাৰ লগত অসমীয়া পাঠকক পৰিচয় কৰি দিয়াত অগ্ৰগামী ভূমিকা গ্ৰহণ কৰিছে। নগাঁওৰ সাহিত্যিক সকলে এই নতুন তত্ত্ব ধাৰা সমূহক কি ধৰণে গ্ৰহণ কৰে ভৱিষ্যতে নিৰ্ণয় কৰিব। ☐

স্বৰাজোত্তৰ কালত নগাঁৱৰ সংবাদ পত্ৰ আৰু আলোচনী

উপেন্দ্ৰ বৰকটকী

অসমৰ বাতৰি কাকত আৰু আলোচনীৰ ইতিহাসত নগাঁৱৰ এখন বিশিষ্ট স্থান আছে। প্ৰাক্ স্বাধীনতা আৰু স্বাধীনতাৰ পৰৱৰ্তী কালছোৱাত নগাঁৱৰ পৰা প্ৰকাশ পোৱা বাতৰি কাকত আৰু আলোচনীয়ে অসমৰ জাতীয় জীৱনত ব্যাপক আৰু সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাব নোৱাৰিলেও বিশেষ কেতবোৰ বৈশিষ্ট্য দাঙি ধৰাৰ কথা উল্লেখ কৰিব পাৰি। উদাহৰণ স্বৰূপে উনবিংশ শতিকাৰ সপ্তম দশকত নগাঁৱৰ পৰা দিহিঙীয়া গোঁসায়ে 'চন্দ্ৰোদয়' নামৰ এখন ধৰ্মীয় আলোচনী উলিয়াইছিল। সেইসময়ত অসমৰ আন ঠাইৰ পৰা তেনে ধৰ্মীয় আলোচনী প্ৰকাশ পোৱাৰ কথা জনা নাযায়। কুৰি শতিকাৰ আগভাগত বেপ্টিষ্ট মিছনেৰী সকলে নগাঁৱৰ পৰা উলিওৱা আন দুখন ধৰ্মমূলক বাতৰি কাকতৰ কথাও এই প্ৰসংগত ক'ব পাৰি। এই দুখন বাতৰি কাকত হ'ল - 'দিপ্তী' আৰু 'বিৰ্তা'। দিপ্তীৰ সম্পাদক আছিল এ.কে গাৰ্গী। ১৯০৫ চনত প্ৰকাশ পোৱা এইখন কাকত ১৯৪৫ চনলৈকে আছিল। আনহাতে বিৰ্তা নামৰ কাকতখন ৰোমান লিপিত কাৰ্বি ভাষাত প্ৰকাশ কৰা হৈছিল। সেই সময়ত বৰ্তমান কাৰ্বি আংলং জিলা অৰ্থাৎ তেতিয়াৰ মিকিৰ পাহাৰ নগাঁও জিলাৰ ভিতৰত আছিল। কাৰ্বি সকলক খৃষ্টান ধৰ্মী কৰাৰ উদ্দেশ্যেৰে যে কাকত খন উলিওৱা হৈছিল সেই কথাত কোনো সন্দেহ নাই। এইখন কাকতো 'দিপ্তী'ৰ দৰেই এই শতিকাৰ চতুৰ্থ দশকলৈকে চলিছিল। প্ৰাক্ স্বাধীনতা কালত কৃষ্ণ চন্দ্ৰ বৰুৱাৰ সম্পাদনাত 'আসাম হেৰাল্ড' (১৯১২) নামৰ এখন ইংৰাজী সাপ্তাহিক নগাঁৱৰ পৰা প্ৰকাশ পোৱাটো এটা মন কৰিবলগীয়া কথা। একে সময়তে অধিবক্তা মতি লাল বসুৰ সম্পাদনাত নগাঁৱৰ পৰা এখন বাংলা সাপ্তাহিক কাকতো উলাইছিল। কাকত খনৰ নাম অৱশ্যে জনা নগ'ল। প্ৰাক্ স্বাধীনতা কালত অসমীয়া, ইংৰাজী, বাংলা আৰু কাৰ্বি ভাষাত নগাঁৱৰ পৰা বাতৰি কাকত প্ৰকাশ পোৱাত যি দৰে বিশেষত্ব আছে, সেইদৰে বিশেষ এক আদৰ্শ বা উদ্দেশ্য লৈ নগাঁৱৰ পৰা প্ৰকাশ পোৱা কেইখন মান কাকতৰ কথাও এই প্ৰসঙ্গত ক'ব পাৰি। এই কাকত কেইখনৰ ভিতৰত তেতিয়াৰ সৌন্দৰ্য প্ৰিয় (?) উপায়ুক্ত কে ডব্লিউ পি মাৰাৰৰ পৃষ্ঠপোষকতাত ৰায় বাহাদুৰ ভদ্ৰেশ্বৰ বৰুৱাৰ সম্পাদনাত গাঁও উন্নয়নমূলক আলোচনী 'গাঁৱৰ কথা' ১৯৩৬ চনৰ পৰা ১৯৩৮ চনলৈকে প্ৰকাশ পাইছিল। দ্বিতীয় বছৰত ৰাধিকা মোহন গোস্বামী এই আলোচনীখনৰ সম্পাদনা বিভাগৰ লগত জড়িত হৈছিল। গাঁৱৰ উন্নতিৰ কথা চিন্তা কৰাৰ দৰেই তেতিয়া 'সমবায়'ৰ বিষয়েও জন সাধাৰণক সজাগ কৰাৰ উদ্দেশ্যে 'সমবায়' নামৰ এখন আলোচনী

নগাঁৱৰ পৰাই প্ৰকাশ কৰা হৈছিল। নৰেণ বৰদলৈৰ সম্পাদনাত প্ৰকাশ পোৱা এই আলোচনীখন ১৯৪২ চনৰ পৰা ৪৮ চনলৈ বৰ্তি আছিল।

স্বাধীনোত্তৰ কালত নগাঁৱৰ পৰা প্ৰকাশ পোৱা 'বিহলঙণি' য়ে অসমত সেই সময়ত বেছ আলোড়ণৰ সৃষ্টি কৰিছিল। অগতানুগতিক এই পষেকীয়া কাকতখনে দুৰ্নীতিৰ বিৰুদ্ধে থাইকৈ যুঁজিছিল। হাস্য-ব্যঙ্গৰ মাজেৰেই কাকতখনত চৰকাৰৰ কাম কাজৰ সমালোচনা কৰা হৈছিল। মন কৰিবলগা কথা ১৯৪৭ চনৰ ৬ ছেপ্টেম্বৰৰ দিনা অৰ্থাৎ ভাৰতে স্বাধীনতা পোৱাৰ ঠিক তিনি সপ্তাহৰ পিছতে এই কাকতৰ জন্ম হৈছিল। কাকতখনৰ সম্পাদক কুমাৰ শ্ৰীমধুসূদন ওৰফে মহেশ চন্দ্ৰ দেৱ গোস্বামীয়ে কাকত খন জন্ম দি এইদৰে ঘোষণা কৰিছিল- "সমাজৰ সকলো স্তৰত লম্ভি থকা সামাজিক স্খলন, বিকৃত ৰুচিবোধ আৰু মানসিক অধঃপতনৰ দৰে খেতৰ বোৰক জাৰিবলৈকে আৰু জাৰিলৈ নিষ্কলুষ সমাজ এখন প্ৰতিষ্ঠাৰ বাট সুগম কৰিবলৈকে.... 'বিহলঙণি' মূঠিৰ আবিৰ্ভাৱ হৈছিল।" বিহলঙণিৰ প্ৰথম সংখ্যাটো প্ৰকাশ পোৱাৰ লগে লগে কাকতখনৰ কাৰণে জন সাধাৰণৰ মাজত হেতা ওপৰা লাগিল। যি খিনি ছপাইছিল সেইখিনি একেদিনাই বিক্ৰী হ'ল। এক অনা মূল্যৰ (এতিয়াৰ ছ পইছা) কাকতখন সন্দিয়ালৈ পাঁচ টকাত বিক্ৰী হৈছিল। কাকতখনৰ বিপক্ষে আদালতত গোচৰো চলিছিল। কিন্তু জন সাধাৰণ কাকতখনৰ পক্ষত আছিল। সেই কথা উল্লেখ কৰি সম্পাদকে কৈছিল - " এনে এটা দিন আছিল যি দিনা অগণন জনতাই আদালতৰ বাৰুৰিত থিয় হৈ বজ্ৰ কণ্ঠেৰে অন্যায়ৰ প্ৰতিবাদ কৰিলেহি - 'বিহলঙণিৰ জয়' - বুলি।" কাকতখন পাছত আন প্ৰেছে ছপাবলৈ ভয় কৰা হ'ল। উপায় নাপাই সম্পাদকে ১৯৫১ চনৰ ১২ মাৰ্চত "বিহলঙণি প্ৰেছ" স্থাপন কৰিলে আৰু সেই প্ৰেছৰ পৰাই কাকতখন মাহেকীয়া হিচাপে উলিয়াবলৈ ধৰিলে। পিছে নানা বাধা-বিঘিনিৰ কাৰণে কাকতখন মাজতে বন্ধ হ'ল যদিও সম্পাদক হাৰ মনা বিধৰ নাছিল। ১৯৮০ চনৰ ১৫ আগষ্ট তাৰিখে নতুনকৈ 'বিহলঙণি' উলিয়াই সম্পাদকীয়ত এই কথা প্ৰকাশ কৰিলে- " নৈতিকতা পলাই বাট মাৰিছে, দুৰ্নীতিৰ শিপা সমাজৰ সকলো স্তৰলৈকে বিস্তাৰিত হৈছে, কোৱা কথা আৰু কৰা কামৰ মাজত ব্যৱধান দেখোন পুৰুষানুক্ৰমে জ্যামিতিক হাৰত বৃদ্ধিহে পাইছে, আনকি সাংস্কৃতিক জীৱনতো ৰুচিবোধৰো বিকৃতি ঘটিছে। মুঠতে সমাজ জীৱনৰ সকলো স্তৰতে একোটাকৈ জয়াল খেতৰ লম্ভিছে। গতিকে বেজ আৰু বিহলঙণি, সৌকা আৰু মন্ত্ৰৰহে বেছিকৈ প্ৰয়োজন হৈছে।" সেই মতাদৰ্শ লৈয়ে পাছত তেওঁ কুৰিটাতকৈ বেছি সংখ্যা উলিয়াইছিল যদিও অসুস্থ হৈ পৰাৰ কাৰণে এই পষেকীয়া কাকতখন টিকাই ৰাখিব নোৱাৰিলে। সেয়ে হ'লেও অসমৰ সংবাদ পত্ৰৰ ইতিহাসত 'বিহলঙণি'ৰ স্বকীয় বৈশিষ্ট্য অক্ষুণ্ণ হৈ থাকিব।

স্বাধীনতাৰ পাছতে অসমত বিপ্লৱী কমিউনিষ্ট দলৰ কাম কাজ বৃদ্ধি পাইছিল। নগাঁৱতো এই দলৰ সংগঠন সবল কৰাৰ উদ্দেশ্যে দলৰ নেতা আৰু লেখক চাহচুল হুদাই "বাইজৰ বতৰা" নামৰ এখন কাকত উলিয়াইছিল। ১৯৫৪ চনত প্ৰকাশ পোৱা "ৰাইজৰ বতৰা" দলৰ মুখপত্ৰ হ'লেও বাতৰি কাকত হিচাপে ইয়াক সকলোৱে গ্ৰহণ কৰিছিল। পিছে কাকতখন এবছৰহে মাত্ৰ আছিল। সেই সময়তে অৰ্থাৎ পঞ্চম দশকত শুকদেৱ গোস্বামীৰ

সম্পাদনাত প্ৰকাশ পোৱা "গঠন" আৰু এখন সাপ্তাহিক কাকত আছিল। এইখন কাকতো বেছিদিন চলা নাছিল। আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শুকদেৱ গোস্বামীয়ে প্ৰাক্ স্বাধীনতা কালত প্ৰখ্যাত সাহিত্যিক ডিম্বেশ্বৰ নেওগ আৰু দৈব চন্দ্ৰ তালুকদাৰৰ লগ লাগি "জনভূমি" নামৰ এখন আলোচনী উলিওৱাৰ কথা এই প্ৰসংগত উল্লেখ কৰিব পাৰি। ১৯৫৬ চনত নগাঁৱৰ পৰা প্ৰকাশ পাইছিল এখন অনবদ্য আলোচনী - "অৰুণাচল"। প্ৰখ্যাত লেখক- লেখিকা সকলৰ প্ৰবন্ধ, কবিতা, গল্প, গীত আৰু অন্যান্য ৰচনাৰে প্ৰকাশ পোৱা এই মেট্‌মৰা সংকলনটিৰ দৰে সংকলন অসমীয়া সাহিত্যত তেনেকৈ ওলোৱা নাই বুলিয়েই ক'ব পাৰি। এই আলোচনীখনতেই প্ৰথম লেখক- লেখিকা সকলৰ সংক্ষিপ্ত পৰিচয় পাছফালে দিয়া হৈছিল। সেই নিয়ম পাছত প্ৰায়বিলাক আলোচনী, স্মৃতি গ্ৰন্থ আদিত প্ৰয়োগ কৰা দেখা গ'ল। আলোচনীখন সম্পাদনা কৰিছিল- অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মহিম বৰা, খ্যাতি সম্পন্ন শিল্পী আৰু নাট্যকাৰ যুগল দাস আৰু যশস্বী কথা শিল্পী, কথাছবি পৰিচালক ড০ ভবেন্দ্ৰ নাথ শইকীয়াই। অৱশ্যে আলোচনীখনৰ ঘাই দায়িত্বত আছিল মহিম বৰা। পঞ্চম দশকত নগাঁৱৰ পৰা এখন স্বাস্থ্য সম্পৰ্কীয় আলোচনীও প্ৰকাশ পাইছিল। ডা০ ললিত কুমাৰ বৰুৱাই সম্পাদনা কৰা এই আলোচনীখনৰ নাম আছিল-"আমাৰ স্বাস্থ্য"।

ষষ্ঠ দশকত নগাঁৱৰ পৰা প্ৰকাশ পোৱা দুখন উল্লেখযোগ্য সাহিত্য সম্পৰ্কীয় আলোচনী হ'ল- " অসমী আই" আৰু "আকাশী গংগা"। "অসমী আই"ৰ লগত জড়িত আছিল শেৱালি কবি ৰত্ন কান্ত বৰকাকতী কবি গীতিকাৰ মলিন বৰা প্ৰমুখ্যে কেবাগৰাকী সাহিত্যিক। মাহেকীয়া "অসমী আই" আলোচনীখন সম্পাদনা কৰিছিল অৰুণ বৰুৱাই। ১৯৬০ চনত আলোচনীখন প্ৰকাশ পাইছিল। সেই চনতে নগাঁৱত থাকি গুৱাহাটীৰ পৰা প্ৰবীণ সাহিত্যিক ৰাধিকা মোহন গোস্বামীয়ে সম্পাদনা কৰি উলিওৱা "আলোক" কাকতখন এতিয়াও আছে। "আলোক" প্ৰকাশ পোৱাৰ কিছু দিন পাছত নগাঁৱৰ সমীপৱৰ্তী হ'লেও তেতিয়াৰ আওহতীয়া ঠাই বড়মপুৰৰ পৰা ড০ যোগেন্দ্ৰ নাৰায়ণ ভূঞাৰ সম্পাদনাত প্ৰকাশ পোৱা দুমহীয়া আলোচনী "আকাশী গঙ্গা"ৰ ক্ষেত্ৰখন কিন্তু কেৱল নগাঁৱতে সীমাবদ্ধ নাছিল। অসমৰ খ্যাতি সম্পন্ন লেখক- লেখিকা সকলে "আকাশী গংগা" ক এক সুকীয়া মৰ্যাদা দিছিল যদিও প্ৰথম বছৰত ছটা সংখ্যা আৰু দ্বিতীয় বছৰত মাত্ৰ দুটা সংখ্যাহে প্ৰকাশ পালে। "আকাশী গংগা" ৰ পাছত নগাঁৱৰ পৰা ষষ্ঠ- সপ্তম দশকত প্ৰকাশ পোৱা কেইখনমান উল্লেখ কৰিবলগীয়া আলোচনী হ'ল-হেম ভূঞা সম্পাদিত সাঁচিপাত, ৰফিকুল হক চৌধুৰীৰ সম্পাদনাত ওলোৱা 'হেফাজৎ' মৌলানা আবদুল জলিল ৰাগিবী সম্পাদিত "আলজমিয়েৎ", লীলা হাতীকাকতি সম্পাদিত 'সোণৰ অসম' নগেন বৰাৰ সম্পাদনাত ওলোৱা "জোনতৰা" ৰবীন ডেকা আৰু হৰিদেৱ মহন্তৰ যুটীয়া সম্পাদনাত প্ৰকাশপোৱা 'কপৌফুল' দিলীপ বৰুৱাৰ সম্পাদনাত ওলোৱা 'সংস্কাৰ', জীৱন শইকীয়া আৰু পুলিন বৰাৰ দ্বাৰা সম্পাদিত 'মৈত্ৰী-মিনি' আদি। এই সময়ৰ আন এগৰাকী তৰুণ সাহিত্যিক- সাংবাদিক পদ্ম পাটৰো কেবাখনো আলোচনীৰ সম্পাদনা কাৰ্যৰ লগত তেতিয়া ঘনিষ্ঠ ভাৱে জড়িত আছিল।

সপ্তম দশকত নগাঁৱৰ পৰা তিনিখন বাতৰি কাকত প্ৰকাশ পাইছিল। এই তিনিখনৰ ভিতৰত ১৯৬২ চনৰ ২৬ জানুৱাৰীৰ পৰা প্ৰথম এবছৰমান পষেকীয়া হিচাপে প্ৰকাশ পোৱা 'গণতন্ত্ৰ'খন পাছত সাপ্তাহিক হিচাপে উলিওৱা হয়। কাকতখনৰ প্ৰতিষ্ঠিতা সম্পাদক পূৰ্ণ চন্দ্ৰ শৰ্মা দেশৰ স্বাধীনতা আন্দোলনৰ এজন অগ্ৰণী সংগ্ৰামী আছিল কাৰণেই বোধহয় কাকতখনত নিৰ্ভীক আৰু স্পষ্টমত প্ৰকাশ কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। পূৰ্ণ চন্দ্ৰ শৰ্মাৰ পাছত ১৯৭১ চনত সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰা জিতেন শৰ্মায়ো পিতৃৰ ধাৰাটোকে অব্যাহত ৰাখিবলৈ যত্নপৰ হৈছিল। তদুপৰি তেওঁ নিজে সুদক্ষ অভিনেতা আৰু সংস্কৃতিৰ জগতখনৰ লগত জড়িত হোৱা কাৰণে তেনে বা-বাতৰি আৰু প্ৰবন্ধ প্ৰকাশত গুৰুত্ব দিছিল। "গণতন্ত্ৰ" কাকতৰ আটাইতকৈ জনপ্ৰিয় শিতান আছিল "পিতাই -পুতাই" শিতানটি। কাকতখনে 'প্ৰিয়ম্বদা', মোমাইদেউৰ চিঠি' শিতানৰ জৰিয়তে উঠি অহা লেখক-লেখিকা সকলকো অনুপ্ৰাণিত কৰিছিল। সুখৰ কথা যে অলেখ ঘাত প্ৰতিঘাটৰ মাজতো কাকতখন এতিয়াও বৰ্তি আছে। 'গণতন্ত্ৰ'ৰ বাহিৰে সেই দশকত প্ৰকাশ পোৱা আন দুখন সাপ্তাহিক কাকত হ'ল নৃপেন গোস্বামী সম্পাদিত "সংগ্ৰাম" আৰু নগাঁও জিলা সাংবাদিক সংস্থাই সমবায় ভিত্তিত উলিওৱা "সংবাদ"। "সংগ্ৰাম"ৰ কেইটিমান সংখ্যা আৰু 'সংবাদ'ৰ আঠটা সংখ্যা প্ৰকাশ পোৱাৰ পাছত দুয়োখন কাকতেই বন্ধ হ'ল। "কলীয়াভোমোৰা" নামৰ এখন আলোচনী এই নিবন্ধকাৰৰ সম্পাদনাত প্ৰকাশ পাইছিল আৰু পাঁচটা সংখ্যা প্ৰকাশৰ পাছত বন্ধ হৈ যায়।

১৯৭০ চনৰ পাছত নগাঁৱৰ বিভিন্ন অঞ্চলৰ পৰা এৰা ধৰাকৈ ভালেকেইখন আলোচনী প্ৰকাশ পাইছিল। এই আলোচনী সমূহৰ ভিতৰত কলিয়াবৰ আঞ্চলৰ পৰা প্ৰকাশ পোৱা 'অনুপম', চৰ্চা, আপুলি, কলীয়াভোমোৰা, পাৰিজাত, নৱতৰঙ্গ, অনুশীলন আদি থিং আৰু নগাঁৱৰ পশ্চিম অঞ্চলৰ পৰা প্ৰকাশ পোৱা "দধিচী", "নৱৰেখা", "চম্পাকলি", সূৰ্যস্নান আদি উল্লেখযোগ্য। আনহাতে হোজাই অঞ্চলৰ পৰা মণিপুৰী ভাষাত প্ৰকাশ পোৱা দুখন আলোচনী "থৌগাল" আৰু "ইচেল" ৰ নাম ল'ব পাৰি। জিলাখনৰ দঃ পুঃ ত অৱস্থিত আৰু সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত আগবঢ়া লামডিং অঞ্চলৰপৰা এই সময়ছোৱাত বাংলাভাষাত প্ৰকাশ পোৱা আলোচনী সমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল- "রুদ্রবীণা", "দৃষ্টি", "সাথী", "সহযাত্রী", "অংকুৰ", "উদয়ণ" শংখ, আভ্ৰআবীৰ, সৃজন আদি। ইয়াৰে সৃজন আদিত অসমীয়াত লেখা প্ৰবন্ধ পাতিও ছপোৱা হয়। "অংকুৰ" নামৰ আলোচনীখন চৈধ্য বছৰ ধৰি প্ৰকাশ পাই আহিছে। যোৱা আঠ বছৰ ধৰি আলোচনীখন সম্পাদনা কৰিছে প্ৰৱক্তা অশোক পালে। ১৯৮৫ চনত হোজাই মহকুমাৰ পৰা প্ৰকাশ পোৱা প্ৰথমখন সাপ্তাহিক কাকত আছিল- "ঐক্যতান"। বিশিষ্ট সাংবাদিক অমল গুপ্তৰ সম্পাদনাত প্ৰকাশ পোৱা এই কাকতখনে কম দিনতে জনপ্ৰিয়তা অৰ্জন কৰিছিল যদিও কাকত খন বেছিদিন নাথাকিল। কাকতখনৰ লগত বিশেষভাবে জড়িত আছিল সংবাদসেৱী আশীষ চক্ৰবৰ্তী, স্বপন দাস আৰু হিৰাম্ৰী চৰকাৰ। ১৯৯৪ চনত অধিবক্তা-লেখক ভাৰত চন্দ্ৰ তামুলীফুকনৰ সম্পাদনাত প্ৰকাশ পোৱা "নতুন প্ৰবাহ" কাকতখনেও মহকুমাটোত কিছু প্ৰভাৱ পেলাইছিল। পিছে এইখন কাকতো বেছিদিন

টিকি নাথাকিল।

স্বাধীনতাৰ পৰৱৰ্তী কালছোৱাত নগাঁওৰ পৰা দুখনমান শিশু আলোচনী আৰু মহিলাৰ আলোচনীও প্ৰকাশ পাইছিল। বিৰিঞ্চি কুমাৰ বৰুৱাৰ সম্পাদনাত ১৯৪৮ চনত বিখ্যাত শিশু আলোচনী "ৰংঘৰ" একে সময়তে গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰকাশ পাইছিল বুলি জনা যায়। সেইদৰে মহিলাৰ আলোচনী "লখিমী" নগাঁৱৰ পৰাই ওলাইছিল বুলি শিৱপ্ৰসাদ বৰুৱাৰ "History of Journalism" ত উল্লেখ আছে। কিন্তু এই আলোচনীখনৰ প্ৰকাশৰ চন উল্লেখ কৰা নাই। আনহাতে অসম মণ্ডল কাননগু সন্মিলনীৰ মুখপত্ৰ "গাঁৱলীয়া"ৰ কেইবাটাও সংখ্যা নগাঁৱৰ পৰা প্ৰকাশ পোৱাৰ কথা উল্লেখ আছে। এই আলোচনাত স্বাধীনতাৰ পৰৱৰ্তী কালত নগাঁৱৰ পৰা প্ৰকাশ পোৱা সকলো আলোচনী, বাতৰি কাকতৰ বিষয়ে যিমান খিনি পাৰি সন্তেদ দিবলৈ যত্ন কৰা হৈছে যদিও আনিচ্ছাকৃত ভাবে হয়তো দুই এখনৰ নাম বাদ পৰিব পাৰে। সেয়ে হলেও ক'ব লাগিব স্বৰাজোত্তৰ কালত নগাঁৱৰ সংবাদপত্ৰ আৰু আলোচনীয়ে এখন বহল পঢ়ুৱৈ সমাজ সৃষ্টি কৰাৰ লগতে সাহিত্য সেৱা আৰু সংবাদসেৱাৰ প্ৰতি ভালে সংখ্যক লোকক আকৰ্ষিত কৰিছে। এই প্ৰসংগত অসমৰ সংবাদ জগতত খ্যাতি লাভ কৰা কেবাগৰাকী সাহিত্যিক-সাংবাদিকৰ নাম মনলৈ আহে। তেওঁলোকক বহু পৰিমাণে উদ্বুদ্ধ কৰাত দুগৰাকী অগ্ৰগন্য সাংবাদিক সাহিত্যিকৰ প্ৰত্যক্ষ নহলেও পৰোক্ষ প্ৰভাৱ আছে বুলি ক'ব পাৰি। তেখেত দুগৰাকী হ'ল দেৱকান্ত বৰুৱা আৰু তিলক হাজৰিকা। অসমৰ সংবাদ পত্ৰৰ ইতিহাসত দুয়োগৰাকীৰে স্বকীয় স্থান আছে। শেহতীয়াকৈ নগাঁৱৰ পৰা প্ৰকাশ পোৱা "কৱচ" আৰু "পূৰ্বাচল জাগৰণ" দুখন ভিন্নস্বাদৰ সাপ্তাহিক কাকত। দুগৰাকী প্ৰখ্যাত সাহিত্যিক আৰু শিক্ষাবিদৰ সম্পাদনাত নিয়মীয়াকৈ প্ৰকাশ পাই থকা 'পূৰ্বাচল জাগৰণ' কাকতখনে প্ৰথম বছৰ প্ৰায় অতিক্ৰম কৰিব ধৰিছে। মুখ্য সম্পাদক মহিম বৰা আৰু কাৰ্যবাহী সম্পাদক প্ৰদীপ শইকীয়াই এই কাকতখনৰ পৰিধি নগাঁও আৰু অসমৰ ভিতৰতে সীমাবদ্ধ কৰি ৰাখিব নিবিচৰাতো সন্তোষৰ কথা হৈছে। সেয়ে হলেও কাকতখনৰ বিষয়ে বিশদ আলোচনা কৰাৰ সময় এতিয়াই হোৱা নাই।

অসমৰ বাতৰিকাকত, আলোচনীৰ ইতিহাসত নগাঁৱৰ স্থান নিঃসন্দেহে অতিশয় গুৰুত্বপূৰ্ণ। অধিক গাঢ়ভাৱে এই স্থিতি মুখৰিত হব, ভৱিষ্যতৰ সকলো সময়তে।□

প্ৰসংগ-

১। অসমৰ সংবাদ সাহিত্যত নগাঁৱৰ বৰঙণি, জগত চন্দ্ৰ শৰ্মা ঃ ৰূপালী জয়ন্তী বৰ্ষ, জন্মভূমি, ১৯৭১
২। "বিহুলঙণি" প্ৰকাশৰ আঁৰৰ কথা, ড০ আবু হানিফ ঃ "শ্ৰদ্ধাঞ্জলি" সম্পাদনা প্ৰণৱ কুমাৰ বৰা, ১৯৮৯
৩। "বিহুলঙণিৰে জাৰোজা সাহিত্যিক - সাংবাদিক জন" - "ব্যক্তি আৰু দেশপ্ৰেম" গ্ৰন্থঃ উপেন্দ্ৰ বৰকটকী
৪। A History of Journalism ঃ শিৱ প্ৰসাদ বৰুৱা
৫। কলিয়াবৰত সংবাদ সেৱাৰ ইতিবৃত্ত, নবীন বৰঠাকুৰ ঃ স্মৃতি গ্ৰন্থ, বাতৰি কাকতৰ তেৰশ বছৰীয়া জয়ন্তী, কলিয়াবৰ, ১৯৯৪
৬। অসমৰ সংবাদ পত্ৰৰ এখন অসম্পূৰ্ণ তালিকা ঃ শান্তনু কৌশিক বৰুৱা, প্ৰজ্ঞা, যোৰহাট।

স্বৰাজোত্তৰ কালৰ নগাঁৱত উচ্চ শিক্ষাৰ পৰিবেশ আৰু বিকাশ

প্ৰসন্ন কুমাৰ গোস্বামী

দেশৰ প্ৰবাহমান সামাজিক আৰু অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত শিক্ষাৰ গুৰুত্ব সৰ্বাধিক। ইংৰাজ শাসকসকলে ভাৰতত উপনিবেশিক শাসন ব্যৱস্থা প্ৰবৰ্ত্তন কৰাৰ উদ্দেশ্যে ভাৰতীয় পৰম্পৰা আৰু চিন্তাধাৰাৰ আদৰ্শলৈ আওকান কৰি শিক্ষা ব্যৱস্থা প্ৰবৰ্ত্তন কৰিছিল। সেই সময়ৰ শিক্ষা পদ্ধতিৰ প্ৰয়োগ আৰু বিস্তাৰৰ পৰিসৰ ঠেক আছিল বাবে প্ৰাক স্বাধীনতা কালত স্থাপিত বিদ্যালয়ৰ সংখ্যাও কম আছিল বাবে আৰু দেশৰ বহুজন সংখ্যক মুনিহ তিৰোতা আৰু শিশুক নিৰক্ষৰতাৰ অন্ধকাৰে আবৰি ৰাখিছিল। স্বাধীনতা লাভ কৰা সময়ত অসম দেশত সৰ্বমুঠ ৫২৪৭ খন উচ্চ মাধ্যমিক বিদ্যালয়, ৬৩৬ খন মহাবিদ্যালয় , ১৭ খন কৃষি বিদ্যালয়, ১৫ খন মেডিকেল কলেজ আৰু ১৭ খন বিশ্ববিদ্যালয় আছিল। আনহাতেদি শিক্ষালাভৰ বাবে ভৰ্ত্তি সংখ্যাত দেখা গৈছিল যে ৬ বছৰৰ পৰা ১১ বছৰ বয়সৰ প্ৰতি তিনিজনৰ ভিতৰত এজনে, ১১ - ১৪ বছৰীয়া বয়সৰ এঘাৰজনৰ ভিতৰত এজনে আৰু ১৪ - ১৭ বছৰীয়া বয়সৰ প্ৰতি কুৰিজনৰ ভিতৰত এজনে পঢ়াশুনা কৰিছিল। বৃত্তিমুলক আৰু প্ৰযুক্তিকেন্দ্ৰিক শিক্ষাৰ ক্ষেত্ৰ প্ৰায় নাছিলেই বুলিব পাৰি।

পৰম্পৰাগত ভাবে চলি অহা গুৰুৰ আশ্ৰয়ত আশ্ৰমৰ লেখিয়া গুৰুকুল শিক্ষানুষ্ঠান, পাঠশালা, মাদ্ৰাছা, মোকতাব আদিৰ পৰা উৰ্ত্তীণ হৈ অহা ছাত্ৰ-ছাত্ৰীয়ে নিয়োগৰ সুবিধা নাপাইছিল। শিক্ষাৰ ক্ষেত্ৰত নগৰীয়া - গাৱলীয়া, ধনী-দুখীয়া, পুৰুষ- মহিলা আদিৰ বিস্তৰ পাৰ্থক্য আছিল আৰু জাত-পাতৰ বৰ্ণবিদ্বেষৰ ভিত্তিতো শিক্ষাব্যৱস্থাই ভাৰসাম্যতা হেৰুৱাই পেলাইছিল। ইংৰাজী ভাষাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছিল অথচ ভাৰতীয় ভাষা, শিক্ষা, বিজ্ঞান আৰু গণিতক অৱহেলা কৰা হৈছিল। ভাৰতীয় সাংস্কৃতিক দিশতো পাঠ্যক্ৰমৰ অন্তৰ্ভূক্ত নাছিল বুলিলেই হয়। সমগ্ৰ দেশৰ শিক্ষা ব্যৱস্থাত মাথোন ৫৭ কোটি টকাহে ব্যয় হৈছিল আৰু গড় অনুপাতত শিক্ষিতৰ হাৰ ২৪ জনহে আছিল। শিক্ষানুষ্ঠান বহিৰ্ভূত শিক্ষা আৰু সাৰ্বজনিন শিক্ষা ব্যৱস্থাৰ কথা শুনাও নহৈছিল।

দেশৰ স্বাধীনতাৰ পাছৰে পৰা আমাৰ জাতীয় নেতৃস্থানীয় ব্যক্তিসকলে বৃটিছসকলৰ তথাকথিত শিক্ষা ব্যৱস্থাৰ কুফলৰ বিষয়ে উপলব্ধি কৰি বৃদ্ধি বিকাশমূলক আৰু বৃত্তিমূলক শিক্ষা ব্যৱস্থাৰ সমন্বয় ঘটাই শিক্ষা পদ্ধতি সংস্কাৰৰ বাস্তৱ কাৰ্য্যসূচী গ্ৰহণ কৰিলে। ফলস্বৰূপে পুৰণা শিক্ষা পদ্ধতিৰ ঠাইত নতুন পদ্ধতিয়ে গা কৰি উঠিল আৰু দেশৰ ঐতিহ্য পৰম্পৰাৰ

উপৰিও জীৱনৰ মূল্যবোধৰ লগত সঙ্গতি ৰাখি স্বাধীনতা, সমতা, ন্যায়ৰ আদৰ্শৰে পৰিপুষ্ট সাধন কৰিব পৰাকৈ জীৱন ধাৰণৰ সুদৃঢ় ভেটি গঢ়ি তুলিব পৰা শিক্ষা ব্যৱস্থাৰ বৈপ্লৱিক প্ৰচেষ্টা চলোৱা হ'ল। নতুন ব্যৱস্থা মতে বৃত্তিকেন্দ্ৰিক প্ৰশিক্ষণৰ লগতে প্ৰাপ্ত বয়স্ক শিক্ষাৰ সু-সমন্বয় ঘটোৱা হ'ল আৰু জাত-পাতহীন এখন সমাজ গঢ়ি তোলাৰ বাবে জনসাধাৰণক সাঙুৰি বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰা হ'ল। মহামানৱ মহাত্মাজীৰ "নই তালিম" আৰু "বুনীয়াদী" শিক্ষা পদ্ধতি জনপ্ৰিয় হৈ পৰিল। ক্ৰমে ক্ৰমে বিদ্যালয় আৰু জনসাধাৰণৰ মাজত ঘনিষ্ঠতা বাঢ়ি আহিবলৈ ধৰিলে; সমগ্ৰ ভাৰতবৰ্ষতে জ্ঞানৰ বন্তি ঘৰে ঘৰে জ্বলোৱাৰ প্ৰচেষ্টা আৰম্ভ হ'ল আৰু অসমতো শিক্ষাৰ পোহৰৰ ৰেঙনি পৰিবলৈ ধৰিলে।

স্বাধীনতাৰ পাছৰে পৰা ৰাজ্যৰ শিক্ষাৰ বাজেটত বৃদ্ধি পোৱা অৰ্থৰ পৰিমাণৰ পৰায়েই শিক্ষাৰক্ষেত্ৰত ক্ৰমাগত ভাৱে লাভ কৰা প্ৰগতিৰ বিষয়ে সম্যক ধাৰনা কৰিব পাৰি। ১৯৪৮-৪৯ চনত অসমত শিক্ষাৰ বাজেটত ৯৯,০৭৯২১.০০ টকা ধাৰ্য্য কৰা হৈছিল। স্বাধীনোত্তৰ কালত নিম্নলিখিত নিৰিখত বৃদ্ধি পাবলৈ ধৰিলে —

বছৰ	বাজেটত ধৰা টকা
১৯৫০-৫১	১,৫১,৫৭,৮১৪.০০
১৯৫৫-৫৬	৩,৯২,২৮,১২৯.০০
১৯৬০-৬১	৬,৭১,০৯,০৪৬.০০
১৯৬৫-৬৬	১১,৮৩,৭৭,০০০.০০
১৯৭০-৭১	২৫,৫৩,৬২,০০০.০০
১৯৭৪-৭৫	৪৩,০১,০০,০০০.০০
১৯৭৬-৭৭	৪৪,৩৮,৯২,০০০.০০

সেইদৰে সকলো শিক্ষাৰ স্তৰতে মেধাৱী আৰু অভাৱগ্ৰস্ত ছাত্ৰ-ছাত্ৰীক বৃত্তি দিয়া বিনা মাচুলে শিক্ষা দিয়াৰ বাবে উদাৰনৈতিক ব্যৱস্থা গ্ৰহণ কৰা হ'ল। ছাত্ৰসকলক জলপানি আৰু বিভিন্ন প্ৰকাৰৰ ৰেহাই দিয়াৰ ক্ষেত্ৰত ১৯৬৫-৬৬ চনৰ বছৰটোত সৰ্বমুঠ ১২৬.৬২ লাখ টকা খৰচ কৰা হ'ল। নিম্নস্তৰৰ শিক্ষা পদ্ধতি পুনৰ গঠনৰ বাবে স্বেচ্ছাসেৱী সংগঠনবোৰক সকলো প্ৰকাৰৰ সাহাৰ্য্য, উৎসাহ-উদ্দীপনা যোগান ধৰা হ'ল আৰু ১৯৬৫ চনত মুঠ ৭৪ খন প্ৰাক্ প্ৰাথমিক স্কুল আৰু ১৮,৯৫৩ খন প্ৰাথমিক স্কুললৈ বৃদ্ধি পালে। ৰাজ্যৰ মাধ্যমিক স্কুলৰ সংখ্যাও অনুৰূপ হাৰে বাঢ়িবলৈ ধৰিলে। ১৯৪৭-৪৮ চনত অসম ৰাজ্যখনত থকা ১৯১ খন উচ্চ মাধ্যমিকৰ বিপৰীতে ১৯৬৫ চনত ৯৮৩ খন আৰু মজলীয়া স্কুল ২৪৯৫ খন হয়গৈ। কলেজীয়া শিক্ষাৰ ক্ষেত্ৰতো ১৯৪৭-৪৮ চনত ৰাজ্যখনত থকা ১৪ খন মহাবিদ্যালয়ৰ বিপৰীতে ১৯৬৫ চনত ৭৫ খনলৈ বৃদ্ধি পালে।

ঐতিহ্য মণ্ডিত নগাঁও :

ৰাজ্যৰ সোঁ মাজতে অৱস্থিত নগাঁও এখন ইতিহাস প্ৰসিদ্ধ ঠাই। ১৪৪৯ চনতে এই

নগাঁও নগৰৰ পৰা ৯ মাইল পশ্চিমে বৰদোৱাৰ আলিপুখুৰীত অসমৰ গৌৰৱৰ থল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে জন্ম গ্ৰহণ কৰি বৃহৎ অসমীয়া জাতি গঠনৰ সুদৃঢ় ভেটি স্থাপন কৰি গৈছে। বৈষ্ণৱ যুগৰ প্ৰখ্যাত কবি শাস্ত্ৰজ্ঞ দামোদৰদেৱ, অনন্ত কন্দলি, ব্যাপ্তিষ্ট মিশ্যনেৰী সকলৰ অসমীয়া ভাষাৰ উন্নতিৰ প্ৰচেষ্টাত কলিয়াবৰৰ আত্মাৰাম শৰ্ম্মাই বাইবেল অসমীয়ালৈ অনুবাদ কৰিছিল। নগাঁৱৰে সমীপৰ শিঙিয়া-পোটনী অঞ্চলৰ বুদ্ধিন্দ্ৰ ভট্টাচাৰ্য্যদেৱে Anglo Assamese dictionary ৰচনা কৰিছিল শতাধিক বছৰৰ আগেয়ে, স্বনামধন্য আনন্দৰাম ঢেকিয়াল ফুকনদেৱ, বুৰঞ্জীপ্ৰণেতা গুনাভিৰাম বৰুৱা, সু-সাহিত্যিক ৰত্নেশ্বৰ মহন্ত, ডঃ সূৰ্য্য কুমাৰ ভূঞা, ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা, মহী চন্দ্ৰ বৰা, ৰাধিকা মোহন গোস্বামী, মহেশ চন্দ্ৰ দেব গোস্বামী, ৰত্নকান্ত বৰকাকতী, মোছলেহ উদ্দিন আহমেদ এই সকলোৰে কৰ্ম্মথলী এই নগাঁৱেই। সাহিত্যাচাৰ্য্য যজ্ঞেশ্বৰ শৰ্ম্মা, মহিম বৰা, নৱকান্ত বৰুৱা, লক্ষীনন্দন বৰা, ইবিলাকে অসম সাহিত্য সভাৰ পদও অলঙ্কৃত কৰিছে। ডঃ হিৰণ্য ভূঞা, ডঃ সূৰ্য্য কুমাৰ ভূঞাই অসমৰ শিক্ষাধিকাৰৰ পদত অধিষ্ঠিত হৈ নগাঁৱৰ গৌৰৱ বঢ়াইছিল। নগাঁৱৰে চাৰিগৰাকী সুসন্তান, উল্লিখিত ভূঞা দুজনা আৰু প্ৰফুল্ল চন্দ্ৰ বৰা, শ্ৰী কমলেশ্বৰ বৰাই বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য পদ সুশোভিত কৰিছিল। ইবিলাকৰ উপৰিও নগাঁৱৰ অনেকজন বিশিষ্ট লোকে শিক্ষা, সংস্কৃতি আৰু সাহিত্যৰ সেৱাত আত্মনিযোগ কৰি গৌৰৱ বৃদ্ধি কৰি আহিছে।

উচ্চ শিক্ষাৰ ক্ষেত্ৰত উল্লেখযোগ্য সেৱা শিক্ষা জগতলৈ আগবঢ়োৱা বাবে মৰহুম ওৱালি, কৃষ্ণনাথ বৰুৱা, ধৰ্ম্মসিংহ ডেকা, বিদ্যাকান্ত হাজৰিকা, মহেন্দ্ৰ নাথ বৰদলৈ আৰু ধৰ্ম্মকান্ত মহন্ত দেৱে ৰাষ্ট্ৰীয় সন্মানেৰে বিভূষিত হৈছিল আৰু প্ৰতি বছৰে শিক্ষক দিৱসত দুগৰাকীকৈ শিক্ষকক কৃতিত্বপূৰ্ণ সেৱাৰ বাবে ৰাজ্যিক বটাঁৰে উদগনি জনাই আহিছে।

উচ্চ শিক্ষাৰ পৰিবেশ ঃ- স্বাধীনতা লাভৰ পূৰ্বে নগাঁও জিলাত স্থাপন হোৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সংখ্যা সীমিত। বৰ্ত্তমান জিলাখনত চৰকাৰী দুখন বিদ্যালয়কে ধৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় ৫৬ খন, উচ্চ মাধ্যমিক এখন চৰকাৰী বিদ্যালয়ক লৈ ১৩৮ খন, তদৰ্থ মঞ্জুৰীপ্ৰাপ্ত বিদ্যালয় ৭২ খন আৰু অনুমতি নোপোৱা বিদ্যালয় ২৭ খন আছে। মহাবিদ্যালয়ৰ পৰ্য্যায়ত স্বধীনতা লাভৰ পূৰ্বে স্থাপিত একমাত্ৰ নগাঁও মহাবিদ্যালয়খনি বৰ্ত্তমান কলা, বাণিজ্য আৰু বিজ্ঞান তিনিওটা শাখা আৰু দুটা বিষয়ৰ স্নাতকোত্তৰ শাখাৰে এখনি সু-সমৃদ্ধ শিক্ষানুষ্ঠানত পৰিণত হৈছে। স্বাধীনতা লাভৰ পাছত নগাঁও নগৰতে এখনি কণ্যা বিদ্যালয়ৰ উপৰিও দুখন মহাবিদ্যালয়, বহাৰ এখন চৰকাৰী মীন বিদ্যালয় আৰু জিলাখনৰ প্ৰায় প্ৰধান ঠাইতে নতুনকৈ মহাবিদ্যালয় গঢ়ি উঠিছে। তদুপৰি নগাঁও শিক্ষণ মহাবিদ্যালয়কে লৈ জিলাখনত কেইবাখনিও শিক্ষাৰ প্ৰশিক্ষণ মহাবিদ্যালয় গঢ় লৈ উঠিছে। নগাঁও নগৰতে থকা আইন মহাবিদ্যালয়খনিৰো উচ্চ শিক্ষাৰ লাভৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱিহণা আছে। ব্যক্তিগত খণ্ডত কৰ্মমুখী শিক্ষাৰ বাবেও প্ৰতিষ্ঠান গঢ় লৈ উঠা পৰিলক্ষিত হৈছে। উচ্চ আৰু উচ্চতৰ বিদ্যালয়ৰ কেইখনমানত বৃত্তিমুখী বিষয়ৰ প্ৰবৰ্ত্তন কৰা হৈছে যদিও নানা

কাৰণত এই ব্যৱস্থা ফলৱতী হ'ব পৰা নাই।

জিলাখনৰ শৈক্ষিক পৰিবেশ উন্নয়নৰ বাবে জিলা অধিবিদ্যা পৰিষদ আৰু বিভিন্ন শিক্ষা সংস্থাই পৃথকে পৃথকে প্ৰচেষ্টা চলাই আছে। এই ক্ষেত্ৰত সঘনাই শিক্ষকসকলৰ শিক্ষাদান পদ্ধতিৰ উন্নয়নৰ হকে শিক্ষামূলক আলোচনা চক্ৰ কৰ্মশালা অনুষ্ঠিত কৰাত জিলা অধিবিদ্যা পৰিষদে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে। এই পৰিষদৰ তৰফৰ পৰা "শিক্ষা সমীক্ষা" নামৰ শিক্ষামূলক এখনি আলোচনীও প্ৰকাশ হৈ আছে। জিলাৰ অৱসৰ প্ৰাপ্ত কৃতী শিক্ষকসকলৰ কেইবাজনকো বৰ্ত্তমান বিদ্যালয়সমূহৰ শৈক্ষিক দিশৰ ক্ষেত্ৰত নিৰ্দ্দেশনা দিবলৈ Academic supervision ৰ দায়িত্ব দিয়া হৈছে। এই ক্ষেত্ৰত শিক্ষা বিভাগৰ তৰফৰ পৰাও হ্ৰস্বকালিন প্ৰশিক্ষণৰ ব্যৱস্থা লোৱা বাঞ্ছনীয়।

জিলাখনৰ শৈক্ষিক পৰিবেশ উন্নয়নৰ ক্ষেত্ৰত জ্ঞান-বিজ্ঞান সংস্থা, শিক্ষণ মণ্ডল, শিক্ষক সংস্থা প্ৰভৃতি স্বেচ্ছাসেৱী সংস্থাই উল্লেখযোগ্য ভূমিকা লৈ অহা দেখা গৈছে। ইবিলাকৰ অভিযান অধিক আৰু ব্যাপক হ'লে সমাজত শিক্ষা ব্যৱস্থাৰ উন্নতি সাধন আৰু শৈক্ষিক পৰিবেশ উন্নত হোৱাত সহায়ক হয়।

সামাজিক শিক্ষা বিভাগৰ সৌজন্যত বাহিজৰ প্ৰচেষ্টাত ষাঠিৰ দশকৰ পৰা আশীৰ দশকলৈকে জিলাখনৰ প্ৰায় সকলো অঞ্চলতে গাঁৱলীয়া পুথিভঁৰাল গঢ় লৈ উঠিছিল। নিয়মিত ভাবে পুথিভঁৰালৰ অধিবেশন, ৰাষ্ট্ৰীয় তথা ৰাজ্যিক সাৰ্বজনীন উৎসৱ, দেশৰ বৰেণ্য লোকসকলৰ জন্মদিন পালন প্ৰভৃতি কাৰ্য্যসূচীৰে পুথিভঁৰালসমূহে সামাজিক শিক্ষাৰ উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। সেই সময়ত জিলা বিষয়া শ্ৰী যুত ইন্দ্ৰমোহন শৰ্ম্মা, শ্ৰীযুত হৰিচন্দ্ৰ গোস্বামী প্ৰভৃতিসকলে এই সামাজিক শিক্ষা প্ৰচাৰৰ ক্ষেত্ৰত আগবঢ়োৱা বলিষ্ঠ পদক্ষেপ স্মৰণীয়। নিয়মীয়া ভাৱে পুথিৰ অনুদান আগবঢ়োৱা, খেলা ধূলাৰ সামগ্ৰী বিতৰণ আৰু পৰ্য্যবেক্ষণৰ জৰিয়তে বাৰকৈয়ে জনসম্পৰ্ক ৰক্ষা হৈছিল। সামাজিক শিক্ষা বিষয়াসকলক সাধাৰণ শিক্ষা বিভাগৰ লগত চামিল কৰি প্ৰাপ্তবয়স্ক শিক্ষা বিভাগৰ জৰিয়তে নিৰক্ষৰতা দূৰীকৰণ অভিযান ব্যাপক ভাৱে চলোৱাৰ ব্যৱস্থা কৰা হৈছে। নিয়মীয়াকৈ অনুদান পুথিভঁৰাললৈ আগবঢ়োৱাৰ ব্যৱস্থা বাতিল হোৱাত গাঁৱলীয়া পুথিভঁৰালসমূহৰ বিস্তৰ ক্ষতি সাধন হ'ল। পুথিভঁৰালক কেন্দ্ৰ কৰি মহিলা সমিতি, যুৱক সঙ্ঘ, মইনা পাৰিজাত আদি অনুষ্ঠানৰ মাজতো সমন্বয়ৰ অভাৱ ঘটিল। যুৱক সংঘৰ উদ্যোগত খেল-ধেমালি, উৎসৱাদি পালন কাৰ্য্যসূচী অঞ্চলবিশেষত অব্যাহত আছে আৰু শৈক্ষিক পৰিবেশ ৰক্ষা কৰাত অৰিহণা যোগাইছে।

সংস্কৃত শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে হাতীচোং সঞ্জীৱনী টোল, বটদ্ৰৱা, মধ্য নগাঁও সংস্কৃত টোল, নগাঁও নগৰৰ দামোদৰ চতুষ্পাঠী, কলিয়াবৰত হাটবৰ প্ৰভৃতি স্থানত অৱস্থিত টোল কেইখনিয়ে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহে। ইছলাম ধৰ্ম্মীয় প্ৰায়খিনি উপাসনা থলি মছজিদৰ আশে-পাশে মোক্তাৱ আৰু মাদ্ৰাছা বিদ্যালয় গঢ় লৈ উঠিছে। অতি সন্তোষৰ কথা যে বৰ্ত্তমান চৰকাৰে মাদ্ৰাছা বিদ্যালয়সমূহৰ শিক্ষকসকলৰ পদসমূহ

ৰাজ্যিকীকৰণ আঁচনিভুক্ত কৰি উৎসাহিত কৰিছে। সংস্কৃত শিক্ষাৰ আচুতীয়া অনুষ্ঠান টোলসমূহৰ ক্ষেত্ৰটো অনুৰূপ ব্যৱস্থা গ্ৰহণ কৰাটো বাঞ্ছনীয়।

একবিংশ শতিকাত প্ৰবেশ কৰাৰ বাবে প্ৰচলিত শিক্ষা ব্যৱস্থাৰ কেৰোণবোৰ দূৰ কৰি শিক্ষাক এটা সাৰ্বজনীন ৰূপ দিয়াৰ লগতে দেশৰ ভৱিষ্যত শিশুসকলক দেশৰ স্বাধীনতা সংগ্ৰামৰ সম্যক জ্ঞান দিয়াৰ লগতে নাগৰিকৰ সাংবিধানিক দায়িত্ব, সাংস্কৃতিক প্ৰমূল্য, ৰাষ্ট্ৰীয় ঐক্য, ঐতিহ্য পৰম্পৰা বৈজ্ঞানিক দৃষ্টিভংগীৰ বিকাশ, গণতান্ত্ৰিকতা আৰু সমাজবাদ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত আৰু অনুশীলন কৰোৱাৰ মহান উদেশ্যেৰে ১৯৮৬ চনত শিক্ষাৰ ক্ষেত্ৰত - "মেগনা-কাৰ্টা" স্বৰূপ ৰাষ্ট্ৰীয় শিক্ষা নীতি গ্ৰহণ কৰা হয়। পাঠ্যক্ৰমত ওপৰোক্ত বিষয়ৰ আধাৰত পাঠ যুগুত কৰি সৰ্বসাধাৰণৰ মানসিকতাত মূল্যবোধৰ সোপান তৈয়াৰ কৰাৰ লক্ষ্য আগত ৰাখি শিক্ষাদান মহাযজ্ঞৰ লগত পোনপতিয়াভাৱে জড়িত শিক্ষকসকলক প্ৰস্তুত কৰি তোলাৰ বাবেও লক্ষ্য নিৰ্দ্ধাৰণ কৰা হয়। এই উদ্দেশ্যে "ব্ৰেকবোৰ্ড অভিযান" - -নামৰ প্ৰকল্পৰে বিদ্যালয়বোৰত নিম্নতম সা-সুবিধা প্ৰদান কৰি, বিদ্যালয় গৃহৰ উন্নতি সাধনৰ যোগেদি দেশৰ চুকে-কোনে বিয়পাই পেলোৱাৰ ব্যৱস্থা কৰা হয়। এই নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ যোগেদি সমাজৰ নাৰীসকলক যথোপযুক্ত কৰি গঢ়ি তুলি এক শক্তি ৰূপে গঢ়ি তোলাৰো আচনি লোৱা হয়। লগতে সৰ্বসাধাৰণৰ বাবে উচ্চমানৰ শিক্ষাদানৰ পথ মুকলি কৰাৰ উদ্দেশ্যে দেশৰ প্ৰতিখন জিলাতে নবোদয় বিদ্যালয় খোলাৰ ব্যৱস্থা কৰা হয়। এই বিদ্যালয়ত আনকি আদিবাসী বা জনজাতি অঞ্চলৰো দুখীয়া অথচ মেধাসম্পন্ন ল'ৰা-ছোৱালীক সুবিধা প্ৰদান কৰা হয়। এই পৰ্য্যায়ৰ বিদ্যালয়ৰ যোগেদি দেশৰ সামাজিক আৰু আঞ্চলিক বান্ধোন অতিক্ৰম কৰি সকলো ভাৰতীয় হিচাবে ৰাষ্ট্ৰীয় সংহতি সুদৃঢ় কৰাৰ ব্যৱস্থা আছে।

ৰাষ্ট্ৰীয় শিক্ষানীতিৰ মূলসূত্ৰখিনি আলোচনা কৰি শিক্ষকসকলক যোৱা ১৯৮৮/৮৯ চনত সৰ্বমুঠ ১৬২০০ জন শিক্ষকক প্ৰশিক্ষণ দিয়া হয়। এই প্ৰশিক্ষণ কাৰ্য্যসূচীৰ আচনি মতে নগাঁও জিলাতো প্ৰশিক্ষণ কাৰ্য্যসূচী চলে আৰু ইয়াৰ জৰিয়তে সকলো পৰ্য্যায়ৰ বিদ্যালয়তে শিক্ষাদানৰ লগত পোনে পোনে জড়িত শিক্ষক সকলৰ জৰিয়তে সমাজত সামাজিক দায়বদ্ধতাৰ বুনিয়াদ গঢ় লৈ উঠে। আশা কৰা হয় যে নতুন শিক্ষানীতিৰ সফল ৰূপায়নৰ যোগেদি জাতীয় চৰিত্ৰ বা মানবীয় চৰিত্ৰৰ সৰ্বতোপ্ৰকাৰৰ বিকাশ সাধন সম্ভৱ হ'ব আৰু ৰাষ্ট্ৰৰ পিৰামিডৰ দৰে ভেটিটোত থকা দেশৰ এশকোটি জনতাক শক্তিশালী কৰি গঢ়ি তুলিব। লগে লগে শীৰ্ষত থকা লোকসকলো পৃথিবীৰ সৰ্বশ্ৰেষ্ঠসকলৰ লগত ফেৰ মাৰিব পৰাকৈ আগুৱাই যাবলৈ শক্তি দিব। ৰাষ্ট্ৰীয় শিক্ষানীতিৰ প্ৰগতিৰ ফল্গু ধাৰাই শিক্ষাৰ মহান লক্ষ্য সুন্দৰভাৱে পৰিপূৰ্ণ কৰক এয়ে কামনা। □

বিঃ দ্ৰঃ ঃ-

এই প্ৰবন্ধ যুগুত কৰোতে শিক্ষাৰ পৰিবেশ উন্নয়নত অৰিহনা আগবঢ়োৱা কোনো সংস্থাৰ যদি উল্লেখ নোহোৱাকৈ ৰৈ গৈছে তাৰ বাবে লেখক ক্ষমাপ্ৰাৰ্থী

সহায় লোৱা গ্ৰন্থ প্ৰভৃতিৰ নাম –

১) "পয়োভৰা" – প্ৰগতিৰ চাৰিটা দশক

২) ভাৰতৰ শিক্ষাৰ বুৰঞ্জী – শৰ্ম্মা, হাজৰিকা, ঠাকুৰ

৩) ভাৰতত শিক্ষাৰ সমস্যা – বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিভাগ

৪) মাধ্যমিক শিক্ষা আৰু পৰীক্ষাৰ সমীক্ষা – হৰেশ্বৰ গোস্বামী

৫) স্বাধীনতাৰ পাছত অসম – তথ্য আৰু জনসম্পৰ্ক বিভাগ ঃ অসম

৬) SCERT Assam Newsletter

৭) .Newsletter , SEBA

৮) Bulletin of Education , D. P. I. Assam

স্বৰাজোত্তৰ কালৰ অসমীয়া সাহিত্যলৈ নগাঁৱৰ অৱদান।

ৰেৱা ৰৰা

সাহিত্যৰ বুৰঞ্জী হ'ল যিকোনো এটা জাতিৰ ভাৱ-চিন্তা আৰু কল্পনাৰ ক্ৰমাভিব্যক্তিৰ বিবৰণ। ই কেৱল বিভিন্ন যুগৰ গ্ৰন্থকাৰ আৰু গ্ৰন্থপঞ্জীৰে তালিকা নহয়। একোটা জাতিৰ জীৱনৰ গতিশীলতাত যুগে যুগে যি ভাৱ চিন্তাই দেখা দিয়ে, যি মানসিক আৰু আধ্যাত্মিক অভিজ্ঞতা লাভ হয়, তাৰ প্ৰকাশেই হ'ল সাহিত্য। বুৰঞ্জীৰ প্ৰধান উদ্দেশ্য হ'ল সাহিত্যৰ মাজেদি প্ৰকাশ হোৱা বিভিন্ন যুগৰ ভাৱ-চিন্তা আৰু অভিজ্ঞতাক একেলগে গাঁঠি জাতিৰ মানসিক ধাৰাটোৰ লগত পৰিচয় কৰি দিয়া। সভ্যতাৰ অগ্ৰগতিৰ লগে লগে সাহিত্যৰ পটভূমিয়েও ক্ৰমশঃ ব্যাপকতা লাভ কৰিছে। ছন্দোবদ্ধ কাব্য আছিল একালত সাহিত্য শিল্পীৰ মনৰ ভাব প্ৰকাশৰ একমাত্ৰ অৱলম্বন। সময়ৰ গতিত সৃষ্টি হ'ল নাটক, প্ৰবন্ধ, গল্প, উপন্যাস প্ৰভৃতি সাহিত্যৰ শাখা-প্ৰশাখা, সেই কাৰণে কোনো জাতিৰ সাহিত্য সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিবৰ হ'লে সেই জাতিৰ সাহিত্যৰ বুৰঞ্জী গভীৰ ভাৱে অধ্যয়ন কৰিব লাগিব। সাহিত্য হৈছে এটা জাতিৰ প্ৰতিচ্ছবি। গতিকে কোনো সমাজৰ ক্ৰমবিকাশত প্ৰথম স্বাক্ষৰ হৈছে তেওঁলোকৰ সাহিত্য, অসমীয়া সাহিত্যও আমাৰ সমাজৰ ভাৱ-চিন্তা, আশা-আকাংখা আৰু বাস্তৱ-অবাস্তৱ কল্পনাৰ ক্ৰম অভিব্যক্তিৰ পাণ্ডুলিপি।

অসমীয়া সাহিত্যই প্ৰায় এহেজাৰ বছৰ ব্যাপি সমাজৰ ক্ৰম বিকাশৰ লগত খোজ মিলাই উন্নতিৰ শিখৰলৈ আগবাঢ়িছে। আজি আমাৰ সাহিত্য এটা গৌৰৱজনক স্থানত উপনীত হৈছেহি। অসমীয়া জাতিয়ে অনেক যুগৰ অনুকূল আৰু প্ৰতিকূল অৱস্থাৰ মাজেদি আহি যেনেকৈ বৰ্তমান অৱস্থা লাভ কৰিছে, তেনেকৈ অসমীয়া ভাষা আৰু সাহিত্যয়ো বিভিন্ন যুগৰ বিভিন্ন অৱস্থাৰ মাজেদি আগুৱাই গৈ বৰ্তমানৰ অৱস্থা লাভ কৰিছেহি। যি কোনো জাতিৰ পোনতে ভাষা তাৰ পাচতহে সাহিত্যৰ সৃষ্টি হয়। ভাষা নোহোৱাকৈ সাহিত্যৰ সৃষ্টি হ'ব নোৱাৰে। কিন্তু সাহিত্য নোহোৱাকৈ ভাষা থাকিব পাৰে। অনেক জাতিৰ লিখিত সাহিত্য নেথাকিলেও মুখে মুখে প্ৰচলিত গীত-মাত আৰু সাধুকথা আছে। অসমীয়া ভাষাতো তেনেধৰণৰ লোকগীত, সাধুকথা প্ৰবচন আছিল। সাহিত্যই লিখিত ৰূপ পোৱাৰ পাচতো এতিয়াও নিৰক্ষৰ জনসমাজত মুখে মুখে গীত-পদ ৰচনা কৰি মৌখিকভাৱেই চলি আছে। খৃষ্টীয় চতুৰ্দশ শতিকাৰ আগৰ অসমীয়া লিখিত সাহিত্যৰ নিদৰ্শন বৰ কম। আমাৰ দেশৰ সেমেকা জলবায়ু, অতিবৃষ্টি আৰু বানপানী, কীট-পতঙ্গ, নিগনি-এন্দুৰৰ উৎপাত, ৰাজনৈতিক বিপৰ্যয়, মানুহৰ অনাদৰ আদিৰ ফলত প্ৰাচীন

পুথিৰ পাণ্ডুলিপি সমূহ কালৰ গৰ্ভত লয় পালে। অসমত বৈষ্ণৱ আন্দোলন আৰু জাগৰণে জনসাধাৰণৰ জ্ঞানস্পৃহা বৃদ্ধি কৰাৰ ফলত ধৰ্মমূলক পুথিৰ ৰচনা আৰু নকল কৰাৰ অভ্যাস গঢ়ি উঠিল। ইয়াৰ ফলতেই বৈষ্ণৱ যুগৰ পৰৱৰ্ত্তী কালত ৰচিত অনেক পুথি উদ্ধাৰ হৈছে। বৈষ্ণৱ আন্দোলনে মানুহক শিকালে পুথিক সমাদৰ আৰু শ্ৰদ্ধা কৰিবলৈ।

প্ৰাক-শঙ্কৰী যুগৰ কবিসকলৰ ভাষালৈ লক্ষ্য কৰিলে দেখা যায় যে অসমীয়া ভাষাই সুকীয়া বৈশিষ্ট্য লাভ কৰাৰ উপৰিও উচ্চ সাহিত্যৰ ভাব প্ৰকাশ কৰিব পৰা ক্ষমতাও অৰ্জন কৰিছিল। অসমত নৱ-বৈষ্ণৱ ধৰ্মৰ পাতনি মেলে পঞ্চদশ শতিকাৰ শেষ ভাগত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে। অসমৰ ধৰ্ম, সমাজ, সুকুমাৰ কলা আৰু সাহিত্যৰ ক্ষেত্ৰত মহাপুৰুষ শঙ্কৰদেৱে যি দান দি গ'ল তাৰ তুলনা পাবলৈ নাই। তেখেত একেধাৰে কবি, সমাজ সংস্কাৰক, ধৰ্ম প্ৰৱৰ্ত্তক, নাট্যকাৰ-অভিনেতা, সঙ্গীতজ্ঞ আৰু পৰম ভক্ত। নগাঁও জিলাৰ বটদ্ৰৱা ধামত জন্ম গ্ৰহনকৰা এই মহাপুৰুষ গৰাকীৰ অসমৰ সামাজিক সাংস্কৃতিক ক্ষেত্ৰত বহুমুখী অৱদানৰ কথা বাদ দিলেও কেৱল সাহিত্য জগতলৈকে যি অৱিহণা আগবঢ়াই গ'ল সেয়েই তেখেতক যুগে যুগে অমৰত্ব দান কৰাৰ ক্ষেত্ৰত যথেষ্ট।

১৮২৬ চনত ইয়াণ্ডাবু সন্ধি মতে অসম দেশ ইংৰাজৰ অধীনলৈ যায়। তাৰ দহ বছৰৰ পাচতেই অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰখনত বিপৰ্য্যয়ে দেখা দিলে। ১৮৩৬ চনতেই ইংৰাজে ভুল প্ৰৰোচনাত অসমৰ স্কুল-কাছাৰীত অসমীয়া ভাষাৰ পৰিবৰ্ত্তে বঙালী ভাষা প্ৰতিষ্ঠা কৰিলে। ১৮৭৩ চন পৰ্য্যন্ত বঙালী ভাষাই আধিপত্য লাভ কৰাৰ ফলত অসমৰ শিক্ষা আৰু সাহিত্যৰ ক্ষেত্ৰত বিস্তৰ ক্ষতি সাধন হ'ল। ১৮৩৬ চনত ডক্টৰ নাথান ব্ৰাউন আৰু তেওঁৰ পত্নী আমেৰিকাৰ পৰা অসমত খৃষ্টধৰ্ম প্ৰচাৰ কৰিবলৈ আহি অসমীয়া ভাষা পুনৰ উদ্ধাৰত সহায় কৰিলেহি। মিছনেৰী সকলে শিৱসাগৰৰ পৰা প্ৰকাশ কৰা "অৰুনোদয়" কাকতেই যথেষ্ট ইন্ধন যোগালে। তেওঁলোকৰ এই কাৰ্য্যত সহায় কৰিলে আনন্দৰাম ঢেকিয়াল ফুকনে। ১৮৭৩ চনটোক অসমীয়া ভাষা সাহিত্যৰ বুৰঞ্জীৰ কালৰ পৰা এটা মাইলৰ খুটি বুলি ক'ব পাৰি। সেই বছৰতে অসমীয়া ভাষাই স্কুল কাছাৰীত নিজৰ স্থান অধিকাৰ কৰিলে।

জোনাকী যুগৰ লেখকসকলে বিংশ শতাব্দীৰ তৃতীয় দশকৰ শেষলৈকে তেওঁলোকৰ সাহিত্যিক প্ৰচেষ্টা যথাযথ ভাবে চলাই আছিল। চতুৰ্থ দশকৰ পৰা ভালেখিনি সাহিত্যিক ইহজগতৰ পৰা আতৰি গ'ল আৰু জীৱিত সকলৰো লিখনিৰ গতি হ্ৰাস পাই আহিল। উঠি অহা লেখকসকলৰো উৎসাহৰ অভাৱ হ'ল। ১৯৩০ চনৰ পৰা ১৯৪০ চন পৰ্যন্ত এই কালছোৱা সাহিত্যৰ বাবে অতি অনুৰ্বৰ আৰু ১৯৪০-৪৭ চনলৈকে এইছোৱা কালক বন্ধ্যা যুগ বুলিব পাৰি। দ্বিতীয় মহাযুদ্ধৰ প্ৰভাৱৰ ফলত ৰাজনৈতিক অস্থিৰতা, অৰ্থনৈতিক বিপৰ্যয়, কাগজৰ অভাৱ, লেখক পাঠকৰ মানসিক উদ্বেগ আদি নানা কাৰণত অসমীয়া সাহিত্যত স্থবিৰতা আহি পৰে। সেই কালছোৱাত প্ৰকাশিত পুথিৰ সংখ্যা অতি নগণ্য। যুদ্ধোত্তৰ যুগৰ সাহিত্যৰ জোনাকী যুগৰ ৰোমান্তিক সাহিত্যৰ লগত ভালেখিনি পাৰ্থক্য লক্ষ্য কৰা যায়। জীৱনৰ মূল্যবোধৰ পৰিবৰ্ত্তন ঘটিল। ধৰ্ম আৰু আধ্যাত্মিকতাৰ প্ৰভাৱ ক্ৰমে হ্ৰাস পালে। পাশ্চাত্য সাহিত্যই নতুন

লোকসকলক আকৃষ্ট কৰা দেখা গ'ল। যুদ্ধোত্তৰ বা স্বৰাজোত্তৰ কালৰ আৰম্ভণীতে যিসকল কবিৰ সৃষ্টি হ'ল তেওঁলোকে কবিতাৰ অধিক শক্তিশালী ধাৰা এটাৰ প্ৰবৰ্ত্তন কৰিলে।

আমাৰ আলোচিত প্ৰবন্ধৰ মূল বিষয় হৈছে "স্বৰাজোত্তৰ কালৰ অসমীয়া সাহিত্যলৈ নগাঁৱৰ অৱদান"। উক্ত কালছোৱাৰ সাহিত্যিক সকলৰ অৱদান সম্পৰ্কে আলোচনা কৰিবলৈ যাওতে দেখা যায় যে প্ৰাক-স্বাধীনতা কালৰে পৰাই স্বৰাজোত্তৰ কাললৈকে অনেক সাহিত্যিকে অবিৰত ভাৱে সাহিত্য সৃষ্টি কৰি আহিছে। সেই কাৰণে সেইসকল বৰেণ্য ব্যক্তিৰ সাহিত্য কৰ্মবো আলোচনাটোত ঠাই দিব লগা হৈছে। সেইসকল নগঞা সাহিত্যিকৰ ভিতৰত ড০ সূৰ্য কুমাৰ ভূঞা, বিৰিঞ্চি কুমাৰ বৰুৱা, ৰত্নকান্ত বৰকাকতী, অতুল চন্দ্ৰ হাজৰিকা আদি প্ৰধান।

বুৰঞ্জীবিদ ড০ সূৰ্য কুমাৰ ভূঞা নগাঁও তথা অসমৰ এজন সুসন্তান। কৰ্মক্ষেত্ৰ গুৱাহাটী হ'লেও নগাঁও চহৰৰ ফৌজদাৰীপট্টিত ১৮৯৪ চন্ তেখেতৰ জন্ম। ড০ ভূঞাৰ বিভিন্ন প্ৰবন্ধ, গ্ৰন্থ আলোচনা আৰু বিশ্লেষণৰ ক্ষেত্ৰত উল্লেখযোগ্য। পুৰণি অসমীয়া সাহিত্যৰ অনেক পুথি এতিয়াও উদ্ধাৰ হোৱা নাই যদিও এই ক্ষেত্ৰত তেখেতৰ প্ৰচেষ্টা শলাগিবলগীয়া। তেখেতে অ'ত ত'ত সিঁচৰিত হৈ থকা "বৰফুকনৰ গীত" উদ্ধাৰ কৰি সম্পাদনা কৰে। সুকুমাৰ মহন্তৰ ঘৰৰ পৰা অসম বুৰঞ্জী উদ্ধাৰ কৰি ভূঞাদেৱে সম্পাদনা কৰিছিল। বুৰঞ্জী সমূহ ঐতিহাসিক ঘটনাৰ নীৰস ধাৰাবাহিক বিৱৰণৰ সমষ্টি নহয়। ড০ ভূঞাৰ মতে "বুৰঞ্জী সমূহক বিশুদ্ধ সাহিত্যৰ অঙ্গীভূত কৰা হৈছে। বুৰঞ্জী আৰু সাহিত্যৰ এনে অপূৰ্ব সংমিশ্ৰন বৃটিছৰ পূৰ্ব যুগৰ কোনো ভাৰতীয় সাহিত্যতে দেখিবলৈ পোৱা নেযায়।" অধ্যয়নশীল ভূঞাদেৱে ছাত্ৰ জীৱনৰ পৰাই বিভিন্ন আলোচনীত কবিতা, চমু জীৱনী, গল্প আদি প্ৰকাশ কৰিছিল। অসমীয়া আৰু ইংৰাজী ভাষাত ৰচনা কৰা আৰু সম্পাদনা কৰা গ্ৰন্থৰ সংখ্যা একুৰিবো অধিক। সেইবোৰৰ ভিতৰত "গোপাল কৃষ্ণ গোখলে", "ৰবীন্দ্ৰ নাথ ঠাকুৰ", "আনন্দৰাম বৰুৱা", "জোনাকী", "চানেকী", "অসম জীয়ৰী", জীৱনচৰিতমূলক গ্ৰন্থ "কোঁৱৰ বিদ্ৰোহ", "বুৰঞ্জীৰ বাণী", "ৰমণী গাভৰু", বুৰঞ্জীমূলক প্ৰবন্ধৰ তালিকা, "মিৰজুমলাৰ অসম আক্ৰমণ", "ৰাজেশ্বৰ সিংহ" - এইকেইখন ঐতিহাসিক তথ্যপূৰ্ণ পুথি। "নিৰ্মালী" তেওঁৰ একমাত্ৰ কবিতাৰ পুথি। "পঞ্চমী" পাচঁোটা চুটি গল্পৰ সংকলন। "ত্ৰিপদী" সাহিত্য সমালোচনামূলক তিনিটা প্ৰবন্ধৰ সংকলন। এইবোৰ গ্ৰন্থৰ উপৰিও ভালেখিনি গৱেষণামূলক ইংৰাজী গ্ৰন্থ ভূঞাদেৱৰ কাপৰ পৰা ওলাইছে। তেখেতৰ অসামান্য ব্যক্তিত্বৰ পৰিচয় দিয়ে বুৰঞ্জীমূলক ৰচনাসমূহে। অসমৰ লুপ্তপ্ৰায় অলেখ বুৰঞ্জী ভূঞাদেৱে সম্পাদনা কৰি মহৎ কাম কৰি থৈ গ'ল।

বিৰিঞ্চি কুমাৰ বৰুৱাদেৱৰো কৰ্মস্থান গুৱাহাটী হ'লেও নগাঁও জিলাৰ পুৰণিগুদামত বিখ্যাত খৰঘৰিয়া বৰুৱাৰ বংশত তেওঁৰ জন্ম হয় ১৯১০ চনত। বৰুৱাদেৱে সাহিত্য জগতত অন্য এটা স্বীকৃতি লাভ কৰে বীণা বৰুৱা ছদ্মনামত। চতুৰ্থ দশকত আৱাহন কাকতত বীনা বৰুৱাৰ চুটি গল্পসমূহে আলোড়ন সৃষ্টি কৰিছিল। গল্প কোৱাৰ সৰস কথা ভঙ্গী আৰু বিশ্লেষণ পদ্ধতিয়ে সেই সময়ৰ চুটি গল্পৰ ধাৰাত এক নতুন সোৱাদ আনি দিছিল। এই চুটি গল্পসমূহতেই যুদ্ধোত্তৰ যুগৰ প্ৰকাশ "আঘোনী বাই" আৰু "পট পৰিবৰ্ত্তন"ত সন্নিবিষ্ট হৈছে। চুটি গল্পৰ জগতে কথা শিল্পী

ৰূপে প্ৰতিভাৰ স্বাক্ষৰ বহন কৰে বৰুৱাদেৱৰ দুখন অনুপম উপন্যাসে। সেইদুখন হ'ল "জীৱনৰ বাটত" আৰু "সেউজী পাতৰ কাহিনী"। তেখেতৰ "জীৱনৰ বাটত" যুদ্ধোত্তৰ কালৰ সিংহ দুৱাৰ স্বৰূপ। এই উপন্যাস অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ আৰু অসমীয়া গাঁৱলীয়া চৰিত্ৰ অধ্যয়নত পাৰিবাৰিক জীৱনৰ প্ৰাত্যহিক চিত্ৰাঙ্কনত আৰু চৰিত্ৰৰ মানসিক অভিব্যক্তি প্ৰকাশ কৰাত লেখকৰ দক্ষতা উজ্জ্বল ৰূপে প্ৰকাশ পাইছে। তেখেতৰ ৰান্না বৰুৱাৰ ছদ্মনামত প্ৰকাশ পোৱা "সেউজী পাতৰ কাহিনী" অসমৰ চাহ বাগানৰ জীৱনৰ সুন্দৰ আলেখ্য। ইয়াৰ চৰিত্ৰ সৃষ্টিতো তেওঁ সমানেই সফলতা লাভ কৰিছে। অনেক পুৰণি পুথিও তেওঁ সম্পাদনা কৰিছে। দ্বিতীয় মহাযুদ্ধৰ পাছত ৰচনা কৰা তেওঁৰ "অসমীয়া ভাষা" নামৰ ভাষা বিজ্ঞান সম্পৰ্কীয় প্ৰাথমিক পুথি আৰু "অসমীয়া ভাষা আৰু সংস্কৃতি" নামৰ আলোচনামূলক গ্ৰন্থ উল্লেখযোগ্য অৱদান। বৰুৱাদেৱৰ ইংৰাজীত ৰচনা কৰা অসমীয়া সাহিত্য আৰু ড০ বাণীকান্ত কাকতিৰ দ্বাৰা সম্পাদিত পুৰণি অসমীয়া সাহিত্যৰ বিভিন্ন দিশ আদি গ্ৰন্থৰ আলোচনা আৰু বিশ্লেষণে আমাৰ সাহিত্যৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। তেখেতৰ দ্বাৰা ৰচিত আৰু প্ৰকাশিত অন্যান্য গ্ৰন্থসমূহৰ হ'ল - "বৌদ্ধধৰ্ম আৰু সাহিত্য", "চুইজাৰলেণ্ড ভ্ৰমণ", "দেশ বিদেশৰ সাধু, "Cultural History of Assam" আদি।

দাৰ্শনিক ভাবাপন্ন শেৱালি কবি ৰত্নকান্ত বৰকাকতি একেধাৰে কবি, প্ৰবন্ধকাৰ আৰু নাট্যকাৰ। তেখেতৰ ১৮৯৭ চনত খিওতত জন্ম হয়। ৰসৰাজ বেজবৰুৱাই বৰকাকতীদেৱৰ কবিতা পঢ়ি তেওঁলৈ লিখিছিল - "তোমাৰ কবিতাত এটা নতুন সুৰ, নতুন ধাৰা আছে, আজিকালিৰ আন অসমীয়া কবিৰ কবিতাত নাই।" তেওঁ আছিল ৰবীন্দ্ৰ সাহিত্যৰ ভক্ত। কবিগুৰুৰ তেওঁ বাৰটা কবিতা অসমীয়ালৈ অনুবাদ কৰিছিল। সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাদেৱৰ পাতনি সম্বলিত "শেৱালি" নামৰ কবিতাৰ পুথিখন উল্লেখযোগ্য গ্ৰন্থ। "তৰ্পণ", "চন্দ্ৰাহাৰ" আৰু "আলাপ" তেখেতৰ প্ৰকাশিত গ্ৰন্থ। ৰবীন্দ্ৰনাথৰ কবিতাৰ অনুবাদ "ৰবী চয়নীকা" বৰকাকতি আৰু নৱকান্ত বৰুৱাই কৰিছিল। প্ৰতিভাসম্পন্ন কবি বৰকাকতিদেৱ এজন ওপৰ খাপৰ প্ৰবন্ধকাৰো। "তৰ্পণ" কবিতা সংকলনত সন্নিবিষ্ট "গান্ধীতৰ্পণ" নামৰ কবিতাটো দিল্লী মহানগৰীত অনুষ্ঠিত হোৱা গণতন্ত্ৰ দিৱসৰ অখিল ভাৰতীয় কবি সন্মিলনিত আবৃত্তি কৰা হৈছিল। অসমৰ লিপি পৰিবৰ্তন আন্দোলনৰ বিপক্ষে ইংৰাজীত লিখা গ্ৰন্থ পুস্তিকাখনৰ নাম "Our Script Question", "অলকা" নামৰ ভাৱপ্ৰৱণ নাটকখন বৰকাকতিৰ অন্যতম অৱদান।

প্ৰখ্যাত নাট্যকাৰ অতুল চন্দ্ৰ হাজৰিকাদেৱৰ জন্ম নগাঁৱৰ উৰিয়াগাঁৱত ১৯০৬ চনত। কলেজীয়া জীৱনৰ পৰা হাজৰিকা দেৱে অসমীয়া কাব্য জগতলৈ অৰিহণা যোগাই আহিছিল। তেওঁ "মিলন" আলোচনী সম্পাদনা কৰিছিল। চিত্ৰদাস ছদ্মনামেৰে বহুত কবিতা প্ৰকাশ কৰিছিল। হাজৰিকা কবি, নাট্যকাৰ আৰু শিশু সাহিত্যিক। তেওঁৰ পঞ্চাশখনৰো অধিক গ্ৰন্থ প্ৰকাশ হৈছে। সাহিত্যৰ ভঁৰাল টনকিয়াল কৰাত আৰু পাঠকসকলৰ সাহিত্য পিপাসা দূৰ কৰাত সহায়ক হৈছে। "অগ্নিতীৰ্থ", "তপতী", "টিকেন্দ্ৰজিৎ", "নিৰ্বাসিতা" আদি কুৰিখনৰো অধিক নাটক; "কথা দশম", "কথা কীৰ্ত্তন", "দিগ্বিজয়ী", "ল'ৰাৰ জাতক", "ইন্দ্ৰপৰ

সাধু", "গ্ৰীসৰ সাধু", "এণ্ডাৰচণৰ সাধু" আদি কুৰিখনৰো অধিক শিশু সাহিত্য ৰচনা কৰি প্ৰকাশ কৰিছিল। তাৰোপৰি "তপোবন", "মুকুতামালা", "মণিমালা", "পাঞ্চজন্য", "মানিকী মাধুৰী" আৰু "জুনুক-জুনুক" - এই কেইখন খণ্ড কবিতাৰ পুথি। তেওঁৰ কবিতাত অসমৰ নদনদী, ফুল-ফল, চৰাই চিৰিকতিয়ে কবিতাৰ সাজ পিন্ধি ওলাইছে। অসম সাহিত্য সভাৰ সভাপতিৰ ভাষণাৱলীখনো তেওঁৰ উল্লেখযোগ্য কীৰ্ত্তি। বেজবৰুৱা ৰচনাৱলী, ১ম আৰু ২য় খণ্ড তেওঁ সম্পাদনা কৰে।

সাহিত্যাচাৰ্য পণ্ডিত যজ্ঞেশ্বৰ শৰ্মাদেৱৰ জন্ম তিতাবৰৰ বগাৰগাঁৱত হৈছিল যদিও তেখেতে স্থায়ীভাবে নগাঁও চহৰত বাস কৰে। ১৯৪৪ চনৰ পৰা নগাঁও মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে যোগদান কৰি অৱসৰৰ কাললৈকে এই মহাবিদ্যালয়তে থাকে। সাহিত্য কৰ্ম তেখেতৰ এশ এবুৰি নহ'লেও সীমিত সংখ্যকৰেই পাণ্ডিত্যৰ পৰিচয় দিছে। শৈক্ষিক দিশতেই তেখেতৰ সকলো চিন্তাচৰ্চা আৱদ্ধ আছিল যদিও দেশৰ ৰাজনৈতিক, সামাজিক আদি সমস্যাৰ প্ৰতিও তেখেত সদায় সজাগ থাকে। দেশত উদ্ভৱ হোৱা প্ৰতিটো সমস্যাৰ সময়তে চুটি কবিতা, প্ৰবন্ধ আদি লিখি ৰাইজক প্ৰেৰণা যোগোৱাই নহয় দিগদৰ্শন কৰাইও আহিছে। অসমৰ জাতি গঠন প্ৰক্ৰিয়া সম্পৰ্কে শ্ৰীশৰ্মাৰ মন্তব্য- "অসমীয়া জাতি এটা সম্প্ৰদায় নহয়। ই হিন্দু, মুছলমান, বৈষ্ণৱ, শাক্ত, মহাপুৰুষীয়া, দামোদৰীয়া, জনজাতি, অজনজাতি, পৰ্বতীয়া, অপৰ্বতীয়া সকলোৰে সমষ্টি।" তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহ হ'ল - "সাহিত্য সংস্কৃতিৰ প্ৰবাহ", "লক্ষ্মীনাথ বেজবৰুৱা আৰু গাৰ্হস্থীয়া জীৱন", "লেফাফা", "অৰিষ্টটল আৰু কাব্য", "জিজ্ঞাসা", "দেৱতা আৰু মানুহ", "ফুল আৰু জুই"। তেখেতে সম্পাদনা কৰা "শতপত্ৰ" সাহিত্যজগতলৈ উল্লেখযোগ্য অৱদান। বেনুধৰ শৰ্মা ৰচনাৱলী, ১ম, ২য়, ৩য় আৰু ৪ৰ্থ খণ্ড তেখেতে সম্পাদনা কৰিছে। তেখেতৰ "লেফাফা" কবিতা পুথিয়ে বৌদ্ধিক সমাজত আলোড়নৰ সৃষ্টি কৰিছিল। অগ্ৰদূত কাকতত প্ৰকাশ হোৱা চুটি চুটি লিখাসমূহ সংগ্ৰহ কৰিলে সাময়িক ঘটনাৰ সীমা চেৰাই স্থায়ী মূল্যৰ এখন পুথি হ'ব। অসম সাহিত্য সভাৰ টিহু অধিবেশনৰ সভাপতি হিচাবে তেখেতে পাঠ কৰা অভিভাষণখনো উল্লেখযোগ্য। তেখেতৰ অক্ষম দেহত সক্ষম হৈ থকা সৃষ্টিশীল চিন্তা আৰু স্মৃতিৰ পৰা আশাবাদী পাঠক সমাজে এতিয়াও বহুত কৃতি কামনা কৰে।

আৱাহন, সুৰভি, জয়ন্তী আদি আলোচনীত মহেশ চন্দ্ৰ দেৱগোস্বামীদেৱে লিখনি আৰম্ভ কৰিছিল। আৱাহনত প্ৰকাশিত "ভক্তি", "ধৰ্ম" সুৰভিত প্ৰকাশিত "সুন্দৰৰ আদৰ্শ" আদি প্ৰবন্ধত গোস্বামীদেৱৰ মননশীলতাৰ পৰিচয় পোৱা যায়। তেখেতৰ "স্মৃতিৰ" কবিতাবোৰ প্ৰধানকৈ ভাৰতীয় দৰ্শন আৰু চিন্তাধাৰাৰে সমৃদ্ধ। কুমাৰ শ্ৰীমধুসূদন ছদ্মনামত ৰচনা কৰা "কিমাশ্চৰ্য্যম" নামৰ পুথিখনৰ আঁৰত তেখেতৰ হাস্যৰসিক ব্যক্তিত্বৰ উমান পোৱা যায়। গুৱাহাটীত গঠিত হোৱা প্ৰগতি সমাজ আৰু এ-এছ-এল ক্লাবৰ সাহিত্য সম্পৰ্কীয় কামৰ লগত বিশেষভাবে জড়িত আছিল। সুৰভি আৰু আৱাহনত প্ৰকাশিত কবিতাসমূহ একত্ৰিত কৰি "ছন্দময়ী" নামৰ কবিতাৰ পুথি প্ৰকাশ কৰে। সৰ্বপল্লী ৰাধাকৃষ্ণণৰ Idealist View of

Life অসমীয়ালৈ অনুবাদ কৰি "জীৱনৰ আদৰ্শবাদ" নামে প্ৰকাশ কৰে। ১৯৫৯ চনত নগাঁৱত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিবেশন উপলক্ষে প্ৰকাশিত "স্মৃতিগ্ৰন্থ", "নিবন্ধমালা" তেখেতে সম্পাদনা কৰিছিল। "বিহুগুনি" কাকত অতি দক্ষতাৰে সম্পাদনা কৰাৰ উপৰিও তেওঁ আছিল এজন একনিষ্ঠ সাংবাদিক। তেখেতৰ জন্ম হৈছিল নগাঁও জিলাৰ পশ্চিম অঞ্চলৰ বালিসত্ৰত।

আধুনিক অসমীয়া গল্প সাহিত্যৰ জয়যাত্ৰাৰ পথত যি কেইজন কৃতি সাধকে বৰঙণি যোগাইছিল সেই সকলৰ ভিতৰত মহীচন্দ্ৰ বৰাদেৱ অন্যতম। বেজবৰুৱাৰ পিচতে তেওঁ অসমীয়া সাহিত্যৰ হাস্যৰসৰ অপ্ৰতিদ্বন্দ্বী লেখক। আৱাহনৰ সম্পাদক দীননাথ শৰ্মাই কৈছিল -"আপোনাৰ গল্পবিহীন আৱাহন নীৰস।" তেওঁ হাস্যৰস, ব্যঙ্গ, ভাষাৰ অভিনৱ প্ৰয়োগ আৰু সূক্ষ্ম পৰ্য্যবেক্ষণৰ যোগেদি অসমৰ গাৱলীয়া আৰু নগৰৰ মধ্যবিত্ত সমাজৰ বাস্তৱ পৰিস্থিতি আৰু চৰিত্ৰ অঙ্কনত দক্ষতা দেঁখুৱাব পাৰিছিল। প্ৰাক্ স্বাধীনতা কালতেই তেওঁৰ "শান্তি শতক" নামে কবিতাৰ পুথি প্ৰকাশ পাইছিল। বিভিন্ন কাকতত ওলোৱা বৰাদেৱৰ গল্পবোৰ চিত্তাকৰ্ষক, উপভোগ্য আৰু উজ্জ্বল। অধিবক্তা হিচাবে আহৰণ কৰা অভিজ্ঞতাৰ ফলশ্ৰুতিয়েই হৈছে বৰাদেৱৰ "উকিলৰ জন্ম ৰহস্য"। "বেজবৰুৱাৰ আসনখন বৰাদেৱেৰে পুৰাব পাৰিব বুলি" পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত সন্দিকৈদেৱে তেওঁলৈ এখন চিঠিত লিখিছিল। বৰাদেৱৰ জন্ম ১৮৯৪ চনত আৰু মৃত্যু ১৯৬৫ চনত।

নগাঁও জিলাৰ ফুলগুৰিৰ ওচৰৰ পেটবঢ়াত ১৯০৬ চনত জন্ম গ্ৰহণ কৰা সাহিত্যিক পেন্সনাৰ ৰাধিকামোহন গোস্বামীদেৱে আৱাহনৰ যোগেদি সাহিত্য জগতত আত্মপ্ৰকাশ কৰে চুটি গল্পৰ লেখক হিচাবে। "ৰামধেনু" আৰু "জয়ন্তীতো" তেখেতৰ অনেক গল্প প্ৰকাশ হ'ল। তেখেত এজন আগশাৰীৰ ঔপন্যাসিকো। তেওঁৰ আটাইবোৰ গল্পই প্ৰতিভাৰ পৰিচায়ক। "চাকনৈয়া" অসমীয়া সাহিত্যৰ এখন উল্লেখযোগ্য উপন্যাস। প্ৰথিতযশা গল্পকাৰ হিচাবে খ্যাতি অৰ্জন কৰা গোস্বামীদেৱে এজন ঔপন্যাসিক হিচাবেও খ্যাত হৈ পৰিছিল। তেখেতৰ আন এখন উপন্যাস "ৰা-মাৰলী"। "অপৰাধ" আৰু "দুষ্টাভাৰ্য্যা" তেখেতৰ কাহিনী গ্ৰন্থ। "অনন্ত পথৰ যাত্ৰী" তেখেতৰ অন্যতম উপন্যাস। শেষলৈ দৃষ্টিহীন হৈয়ো তেখেতে "আলোক" কাকত সম্পাদনা কৰাৰ উপৰিও "অতীতৰ স্মৃতি" নামৰ গ্ৰন্থ প্ৰণয়ন কৰিছিল।

কলংপৰীয়া কবি দেৱকান্তই অতি কম সংখ্যক কবিতা লিখি আগশাৰীৰ এজন কবি বুলি পৰিচয় দিব পাৰিছিল। "সাগৰ দেখিছা" দেৱকান্ত বৰুৱাৰ নি:সন্দেহে অসমীয়া কাব্য জগতৰ এপাহি পাৰিজাত মূলত: তেওঁ প্ৰেমৰ কবি। জীৱনৰ আনন্দ আৰু গৌৰৱ, নিয়তিৰ পৰিহাস আৰু প্ৰেমৰ আধিপত্য বৰুৱাদেৱৰ কবিতাৰ প্ৰধান সামগ্ৰী। অসমীয়া আধুনিক কবিতাৰ তেওঁ পথিকৃত।

নাট্যকাৰ আৰু অভিনেতা সাৰদাকান্ত বৰদলৈৰ জন্ম ১৯০২ চনত আৰু মৃত্যু ১৯৮৫ চনৰ ৫ চেপ্তেম্বৰত। সাহিত্যিক পেন্সনাৰ বৰদলৈদেৱে নাট্য জগতৰ কাৰণেই উচৰ্গা কৰি গ'ল তেওঁৰ সমগ্ৰ জীৱন। সুদক্ষ মঞ্চ অভিনেতা হিচাবে তেওঁ ৰচনা কৰিছিল - "মগধীৰৰ আজান"

যুটীয়াভাবে "পহিলা তাৰিখ", "সেই ৰাটেদি" আৰু "উপহাৰ" নাট। বাঙ্গালোৰ চহৰত অনুষ্ঠিত হোৱা সৰ্বভাৰতীয় নাট মহোৎসৱত তেওঁৰ উপহাৰ নাটক মঞ্চস্থ কৰি খ্যাতি অৰ্জন কৰিছিল। সাৰদাকান্ত বৰদলৈ এজন সুদক্ষ পৰিচালক, বলিষ্ঠ অভিনেতা আৰু চিন্তাগভীৰ নাট্যকাৰ।

বৃত্তিত চিকিৎসক হৰনাথ শৰ্মা বৰদলৈৰ জন্ম ১৯১৩ চনত আৰু মৃত্যু ১৯৮৬ চনৰ ১৩ চেপ্তেম্বৰত। "কামধেনু", "মণিকূট", "মনসমীক্ষা" আদি আলোচনীত তেওঁৰ মনস্তত্ত্ব আদি বিষয়ৰ প্ৰবন্ধ প্ৰকাশ হৈছিল। "চেতনা আৰু অৱচেতনা", "সমাজসমীক্ষা", "অপৰাধ আৰু অনাচাৰ", "মৌনজীৱন" আৰু "মন আকাশৰ নতুন দিগন্ত" তেওঁৰ মনস্তত্ত্ব বিষয়ৰ গ্ৰন্থ।

ধৰ্মাচাৰ্য্য হলধৰ কাকতি বৰাৰ জন্ম কলিয়াবৰৰ শাকমুঠিত। ৰাজমোহন নাথৰ মতে কাকতি বৰা এজন চাৰণ কবি। তেওঁ সৰ্বমুঠ ৩৭ খন সৰু সৰু কবিতাৰ পুথি ৰচনা কৰি প্ৰকাশ কৰিছিল। "ওকোটা ঘোকোটা বা পৰমাৰ্থ" নামৰ গ্ৰন্থত অসমীয়া জাতিৰ দোষ ত্ৰুটিৰ চিত্ৰ অঙ্কন কৰিছে। অসমীয়া কলা-কৃষ্টি, বিশেষকৈ শঙ্কৰী কৃষ্টিৰ প্ৰতি তেওঁৰ গভীৰ শ্ৰদ্ধা। বুৰঞ্জীবিদ বেনুধৰ শৰ্মাদেৱে কৈছিল যে-" কাকতি বৰাদেৱ হাঁহিৰ থুনপাক"। "সৰল অসমীয়া বিবাহবিধি" আৰু "ভাতৃবিয়োগ" নামৰ এখন ব্ৰজাৱলী নাটকো তেওঁ ৰচনা কৰিছিল।

দ্বিজেন্দ্ৰমোহন গোস্বামীদেৱৰ জন্ম হৈছিল নগাঁও জিলাৰ পেটবঢ়াত ১৯১৪ চনত। তেওঁৰ মৃত্যু হয় ১৯৮৬ চনৰ ২৭ জুলাইত। ছাত্ৰ অৱস্থাৰ পৰাই গল্প, কবিতা তেওঁ লিখিছিল। অৱশেষত তেওঁ নাট্যকাৰ হিচাবেহে প্ৰতিষ্ঠিত হ'ল। বুৰঞ্জীৰ কাহিনীৰ আধাৰত তেওঁ ৰচনা কৰা নাটসমূহ হ'ল- "মহাৰাজ ৰুদ্ৰসিংহ", "কাল ইয়াণ্ডাবু", "কণচেং বৰপাত্ৰ গোহাঞি" আৰু "গৰমা কুঁৱৰী"। বিভিন্ন কাকতত তেওঁৰ কিছু সংখ্যক প্ৰবন্ধও প্ৰকাশ কৰিছিল। তেওঁ এজন আগশাৰীৰ অভিনেতা আৰু সাহিত্যিক পেন্সনাৰ।

অসমীয়া আধুনিক চুটিগল্পৰ ওজা কথা সাহিত্যিক মহিম বৰাৰ জন্ম কলিয়াবৰৰ হাটবৰত। "কাঠনিবাৰীৰ ঘাট" তেখেতৰ সাহিত্য জগতলৈ অতুলনীয় অৱদান। "ৰাতি ফুলা ফুল" গল্প সংকলণৰ বাবে লাভ কৰিবলৈ সক্ষম হৈছিল প্ৰকাশন পৰিষদ বঁটা। অবিৰতভাবে তেখেতে সাহিত্য সৃষ্টি কৰিছিল। " এখন নদীৰ মৃত্যু", "দেহা গৰকা প্ৰেম", বৰযাত্ৰী", বহুভূজী ত্ৰিভূজ", "মোৰ প্ৰিয় গল্প", মই পিপলি আৰু পূজা" তেখেতৰ গল্প সংকলন। ভাৰতবৰ্ষৰ বিভিন্ন ভাষালৈ তেখেতৰ অনেক উল্লেখযোগ্য ৰচনা অনুদিত হৈছে। অতি বিস্তৃত আৰু বিচক্ষন তেওঁৰ গ্ৰাম্য জীৱনৰ বৰ্ণনা আৰু গভীৰ জীৱন বোধ তথা পৰ্য্যবেক্ষণ। ড০ হীৰেন গোহাঁইৰ সম্পাদিত"গল্প সমগ্ৰ" নামৰ সংকলনটোৰ বাবে ছগনলাল জৈন বঁটা লাভ কৰিছে। "বঙাজিয়াঁ" নামৰ একমাত্ৰ কবিতা সংকলনটিয়ে অতি উচ্চ খাপৰ কবিত্বৰ পৰিচয় দিছে। "পুতলা ঘৰ" তেওঁৰ উপন্যাসিকা। ইয়াৰ উপৰিও তেওঁৰ দ্বাৰা ৰচিত আন দুখন উপন্যাস হ'ল "হেৰোৱা দিগন্তৰ মায়া" আৰু "এধানি মাহীৰ হাঁহি" "চিন্তা-বিচিত্ৰা" যদিও একমাত্ৰ প্ৰবন্ধ সংকলন এই প্ৰবন্ধসমূহত অতি তত্ত্ব গধুৰ সমল পোৱা যায়। "বত্ৰিশ পুতলাৰ সাধু" শিশু সাহিত্য। "ৰাজা ৰামমোহন ৰায়" জীৱনীমূলক গ্ৰন্থ। "শ্ৰীশ্ৰীশঙ্কৰদেৱৰ নাট্যাৱলী"ও তেওঁ

সম্পাদনা কৰি প্ৰকাশ কৰিছিল। "পাখিলগা দিন" তেওঁৰ শৈশৱৰ সোঁৱৰণি। অসম সাহিত্য সভাৰ ১৯৮৯ চনৰ ভুমডুমা অধিবেশনত তেখেত সভাপতি আছিল।

ড০ সৰ্বেশ্বৰ ৰাজগুৰুৰ জন্ম শিৱসাগৰৰ চাৰিঙত যদিও বৰ্তমান নগাঁৱৰ স্থায়ী বাসিন্দা। তেখেতৰ প্ৰকাশিত গ্ৰন্থৰ সংখ্যা বৰ বেচি নহ'লেও প্ৰায়বোৰ গ্ৰন্থই গৱেষণামূলক। প্ৰবন্ধকাৰ হিচাবে অসমীয়া সাহিত্যত তেখেতৰ এখন আচুতীয়া আসন আছে। প্ৰকাশিত গ্ৰন্থ "অসমীয়া প্ৰবাদ"ৰ প্ৰবাদসমূহ সংগ্ৰহৰ কাৰণে বহুত বছৰ ধৰি তেখেতে অশেষ কষ্ট স্বীকাৰ কৰিবলগীয়া হৈছিল। " অসমীয়া ভাষা সাহিত্যৰ আত্মৰক্ষাৰ সংগ্ৰাম" (১৯৭৮), "ইতিহাসৰ পাতমেলি" (১৯৯০) তেখেতৰ প্ৰবন্ধ সংকলন। "বুৰঞ্জীৰ কাহিনী" শিশু সাহিত্য। প্ৰখ্যাত অভিনেতা চন্দ্ৰ ফুকনৰ কবিতাসমূহ সংগ্ৰহ কৰি "চন্দ্ৰ মল্লিকা" নামেৰে ড০ ৰাজগুৰুৱে সম্পাদনা কৰিছিল। "Medieval Assamese Literature" তেখেতৰ গৱেষণা গ্ৰন্থ। অসম বুৰঞ্জী সম্পৰ্কে গভীৰ জ্ঞানৰ অধিকাৰী ড০ ৰাজগুৰু অসমীয়া ভাষাৰ শুচিতা সম্পৰ্কেও অতিশয় সজাগ।

ড০ লক্ষ্মীনন্দন বৰাৰ জন্ম নগাঁও জিলাৰ হাতীচোং কুজিদাহত ১৯৩১ চনত। ৰামধেনু, নতুন অসমীয়া, অৰুণাচল আদিত গল্প লিখিবলৈ আৰম্ভ কৰি সাহিত্যৰ ক্ষেত্ৰত নিজস্ব আসন দখল কৰিবলৈ সমৰ্থ হৈছে। বৰাদেৱৰ গল্পৰ মাজত গ্ৰাম্য আৰু নগৰীয়া জীৱনৰ ঘটনাৰ বাস্তৱ চিত্ৰ পোৱা যায়। কিছুমান গ্ৰাম্য জীৱনৰ টুকুৰা বুটলি আনি তাৰ সজীৱ ৰূপত প্ৰকাশ কৰাৰ সাৰ্থকতা বৰাদেৱে লাভ কৰিছে। তেখেতৰ গল্প সংকলন সমূহ হ'ল- "অচিন কইনা"(১৯৬৫), "আবেশ ইন্দ্ৰজাল"(১৯৬৬) "কঠিন মায়া" (১৯৬৬), "এই ৰূপ এই চন্দ", "কাচিয়লিৰ কুঁৱলী", "গোপন গধূলি" (১৯৬৯), "গৌৰী ৰূপক", দেৱতাৰ ব্যাধি", "দৃষ্টি ৰূপা", "নিষিদ্ধ চেতনা", ব্যতিক্ৰম", "মন মাটি মেঘ", "মাজত তৃষাৰ নৈ", "সেই সুৰে ওভলা"। ড০ বৰাৰ "উত্তৰ পুৰুষ", গণেশগুৰি", "গঙ্গাচিলনীৰ পাখি", "নিশাৰ পূৰবী," "ছাঁ জুইৰ পোহৰত", "দহন দুলড়ী", "মাটিত মেঘৰ ছাঁ", "পতন", "প্ৰতিৰোধ", "বলুকাত বিজুলী", "বিশেষ এৰাতি", "মেঘালী" "দুপৰ", "যাকেৰি নাহিকে উপয়" আৰু "পাতাল ভৈৰৱী" হ'ল উপন্যাস। "পাতাল ভৈৰবী" উপন্যাসে সাহিত্য একাডেমীৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। অসম সাহিত্য সভা ৭৯ চনৰ আধিবেশনত তেখেত সভাপতি আছিল।

ড০ ভবেন্দ্ৰ নাথ শইকীয়াৰ জন্ম নগাঁৱৰ ফৌজদাৰীপট্টীত। কলেজীয়া জীৱনৰ পৰাই তেখেতে সাহিত্য চৰ্চা কৰিছিল। আৱাহনত "শান্তিৰ ধুমুহা" নামৰ গল্প লিখি সাহিত্য জগতত ভুমুকি মাৰিছিল। ড০ শইকীয়াৰ গল্পৰ প্ৰধান বৈশিষ্ট্য হৈছে সহজ-সৰল ভাষাত স্বাভাবিক মানুহ একোজনৰ সত্তা একোটা লৈ চৰিত্ৰ বোৰক আগবঢ়াই নি বৰ্ণনা কৰিব পৰাটো। তেওঁৰ ভাষাৰ মাধুৰ্য্য আৰু পৰিস্থিতিৰ ৰমনীয়তাৰ কাৰণে গল্পবোৰ উপভোগ্য। তেখেতৰ গল্প সংকলনসমূহ হ'ল "এই বন্দৰৰ আবেলি", "গহ্বৰ", তৰংগ", প্ৰহৰী", "বৃন্দাবন", "সেন্দুৰ" আদি "শৃংখল" সংকলনটিয়ে সাহিত্য একাডেমী বঁটা লাভ কৰিছে। তেওঁৰ কেবাখনো নাটক মঞ্চস্থ হৈছে। তেওঁ এজন প্ৰখ্যাত ঔপন্যাসিকো। "অন্তৰীপ", "উপকণ্ঠ" আৰু "মৰমৰ দেউতা"

তেওঁৰ প্ৰকাশিত উপন্যাস। অসমৰ আগশাৰীৰ পৰেকীয়া আলোচনী প্ৰান্তিকাৰ আৰম্ভণীৰ পৰা মুখ্য সম্পাদক হিচাবে তেওঁ কাৰ্যনিৰ্বাহ কৰি আছে। "প্ৰান্তিক" অসমীয়া শিক্ষিত সমাজৰ বাবে এখন অতি উল্লেখযোগ্য আলোচনী। সঁফুৰা নামৰ এখন শিশু-চেমনীয়া আলোচনীও তেওঁ সম্পাদনা কৰিছিল।

নৱকান্ত বৰুৱা কেৱল কবিয়েই নহয় উপন্যাসিক আৰু শিশু সাহিত্যিকো। আৱাহনৰ পৰা চিত্ৰবনলৈকে প্ৰায় সকলোবোৰ আলোচনীতে তেওঁৰ কবিতাই স্থান দখল কৰি আহিছে। তেওঁৰ উল্লেখযোগ্য কবিতাৰ পুথি - "হে অৰণ্য হে মহানগৰ", "এটি দুটি এঘাৰটি তৰা", "যতি আৰু কেইটিমান স্কেচ", "ৰাৱন", "সম্ৰাট", "মোৰ আৰু পৃথিৱীৰ"। "শিয়ালী পালেগৈ ৰতনপুৰ" তেওঁৰ শিশু সাহিত্য। বৰুৱাদেৱ এজন সফল ঔপন্যাসিকো। তেখেতৰ উপন্যাসসমূহ হ'ল - "ককাদেউতাৰ হাড়" (১৯৭৫), "কপিলী পৰীয়া সাধু" (১৯৫৪), "গৰমা কুঁৱৰী" (১৯৮০), "পটাচাবা" (১৯৯০) আৰু "মানুহ আটাইবোৰ দ্বীপ"।

আধুনিক অসমীয়া কাব্যজগতলৈ তেখেতে এক সুকীয়া ভাৱ আৰু ধাৰাৰ সূচনা কৰাত সক্ষম হৈছিল। তেওঁৰ জন্ম ১৯২৩ চনত নগাঁৱৰ পুৰণিগুদামৰ বিখ্যাত ধৰণি বৰুৱা পৰিয়ালত। "আহত মৰাল", "বিশ্ব মানৱৰ অভিমুখে" আদি তেওঁৰ অনুদিত গ্ৰন্থ।

কলিয়াবৰৰ মাধৱআতা সত্ৰত ১৯০৫ চনত কৃতিশিক্ষক নাৰায়ণ চন্দ্ৰ মহন্তদেৱে জন্ম গ্ৰহণ কৰিছিল। ১৯৪৭ চনতে তেখেতে "অসম সত্ৰ সঙ্ঘৰ জন্ম কাহিনী" আৰু "ৰাসতত্ত্ব" ৰচনা কৰিছিল। ড০ মহেশ্বৰ নেওগ সম্পাদিত "প্ৰবিত্ৰ অসম" গ্ৰন্থৰ "বৈষ্ণৱ থান-সত্ৰ" আৰু আশ্ৰম" শীৰ্ষক অধ্যায় দুটাৰ ৰচক তেওঁ। নগাঁও চৰকাৰী উচ্চতৰ বালক বিদ্যালয়ৰ "উদয়" আলোচনীৰ বহুত বছৰ ধৰি পৰিচালনাৰ দায়িত্বত তেওঁ আছিল। কেবাখনো অপ্ৰকাশিত গ্ৰন্থ তেওঁৰ থাকি গ'ল। ১৯৭৬ চনৰ ৯ ডিচেম্বৰত তেওঁৰ মৃত্যু হয়।

কলিয়াবৰৰ ডলাগুৰিত ১৮৯৫ চনত খৰ্গেশ্বৰ গোস্বামীদেৱৰ জন্ম হয়। অসমত সমবায় আন্দোলনৰ তেখেত আছিল বাটকটীয়া। শ্ৰীমদ্ভাগৱতৰ আলমত মহাপুৰুষীয়া ধৰ্ম সম্পৰ্কে বিষদ আলোচনা মূলক তেওঁৰ দ্বাৰা ৰচিত গ্ৰন্থ হ'ল "ভাগৱত ধৰ্ম।" প্ৰকৃত হৰি ভক্তি তথা ভাগৱত ধৰ্ম বিষয়ক কথা এই গ্ৰন্থত যথাযথ ভাৱে আলোচিত হৈছে। তেখেতৰ আন এখন গ্ৰন্থ হৈছে "শ্ৰীশ্ৰীৰামঅৱতাৰ চৰিত জীৱন চৰিত"। এই ধৰ্মপ্ৰাণ ব্যক্তিৰ পৰলোক গমন হয় ১৯৮৫ চনত।

বাপাৰাম হাজৰিকাৰ জন্ম হয় কলিয়াবৰৰ চাকৰমল আঁতিত ১৮৯৫ চনত। তেওঁ "জাতীয় সাহিত্য সংগঠন" নামে অনুষ্ঠান গঠন কৰি "তীৰ্থ মঞ্জৰী", স্মৃতি মন্দিত," "ছাত্ৰ ধ্ৰুৱ", "আমি অমৰ", "যুগ নায়ক", "সত্য সন্ধান" আৰু পুৰণি আপুৰুগীয়া পদপুথি "ব্যাসাক্ৰম" প্ৰকাশ কৰে। তেখেতৰ একমাত্ৰ প্ৰবন্ধ সংকলন হৈছে "কৃষক বান্ধৱ"। ১৯৭৭ চনত তেওঁৰ মৃত্যু হয়।

১৯৫০ চনৰ পৰাই "গঠন" নামৰ সাপ্তাহিক বাতৰি কাকত সম্পাদনা কৰিছিল শুকদেৱ গোস্বামীয়ে। তেওঁ "পুলি তামোল" (সাধু কথা), "কোঁহ (কবিতা), "পৰিনাম"

(উপন্যাসিক প্ৰবন্ধ), "চন্দ্ৰনাথ" (জীৱনী) "নৈবদ্য" (ছাত্ৰ সম্মিলনৰ বক্তৃতা), "ৰবীন্দ্ৰ নাথ" (জীৱনী) আদি সৰু সৰু পুথি প্ৰকাশ কৰিছিল। Indian Dishes, Princes and India আদি ইংৰাজী গ্ৰন্থ তেওঁ ৰচনা কৰিছিল। Belsen concentration camp ৰ অসমীয়া অনুবাদ "বেলচেন" নামেৰে এখন পুথিও তেওঁ প্ৰকাশ কৰে। "পশ্চিমলৈ" নাম দি এখন কিতাপ লিখি প্ৰকাশ কৰিছিল। ১৯৬৪ চনৰ ১৬ অক্টোবৰত তেওঁৰ মৃত্যু হয়।

১৯০০ চনৰ ৭ অক্টোবৰত নগাঁও চহৰৰ আমোলাপট্টিত পূৰ্ণ চন্দ্ৰ শৰ্মাৰ জন্ম হয়। ১৯৬২ চনৰ ২৬ জানুৱাৰীৰ পৰা "গনতন্ত্ৰ" সাপ্তাহিক কাকত প্ৰকাশ কৰে। সেই কাকতত তেখেতে লিখা পৃষ্ঠাজোৰা সম্পাদকীয় সমূহে প্ৰমাণ কৰে তেখেতৰ চিন্তাৰ মৌলিকতা। তেখেতৰ দ্বাৰা ৰচিত "মোৰ জীৱন সোঁৱৰণী" আৰু "নগাঁও জিলাত মুক্তি সংগ্ৰাম" ১ম আৰু ২য় খণ্ড স্বাধীনতা আন্দোলনৰ অসম তথা নগাঁও জিলাৰ প্ৰামান্য দলিল স্বৰূপ। ১৯৮৬ চনত তেখেতৰ মৃত্যু হয়।

চন্দ্ৰকান্ত বৰকাকতীৰ জন্ম হয় ১৯০৪ চনৰ ২৫ জানুৱাৰীত টিংৰ আঠগাঁৱত। ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্যে লিখা তেওঁৰ "জ্ঞানৰ সফুৰা" প্ৰকাশ হয় ১৯৫২ চনত। তেওঁ "শ্ৰীৰামচন্দ্ৰ" আৰু "কৰ্ণাৰ্জুন" নামৰ দুখন নাটকো ৰচনা কৰিছিল। গণতন্ত্ৰ কাকতত চোৱা চোৱাকৈ ৪২ টা সংখ্যাত "অসহযোগ আন্দোলনৰ সোঁৱৰণী", ১৯২১ চন শীৰ্ষক প্ৰবন্ধ প্ৰকাশ হৈছিল। আৱাহনত তেওঁৰ গল্প প্ৰকাশ হৈছিল। নৱযুগত খণ্ড খণ্ডকৈ প্ৰকাশিত "নগাঁৱৰ কথা" ই তেওঁৰ অতীত প্ৰীতি আৰু বুৰঞ্জী অধ্যয়নৰ বিষয়ে প্ৰমাণ কৰে। ১৯৭৬ চনৰ ৬ জুন তাৰিখে তেওঁৰ মৃত্যু হয়।

"শতদল"ৰ কবি ভূবন চন্দ্ৰ ফুকন। তেওঁৰ কবিতা পুথিসমূহ হ'ল "শতদল", "সত্য কিম্বা মায়া", "নুবুজিলো আজি তোমাক কবি"। অৰুণ, অৰুণ, সাদিনীয়া অসমীয়া, বিহঙ্গিণি আদি কাকতত ফুকনৰ অনেক কবিতা, গল্প, প্ৰকাশ হৈছিল।

ডাঃ ললিত চন্দ্ৰ বৰুৱাই চিকিৎসা বিজ্ঞান সম্পৰ্কীয় কেবাখনো মূল্যবান গ্ৰন্থ ৰচনা কৰাৰ উপৰিও শিশু সাহিত্য, জীৱনী, ভ্ৰমন কাহিনী আৰু ধৰ্মমূলক গ্ৰন্থও ৰচনা কৰিছিল। "মাতৃ মঙ্গল", শিশু মঙ্গল", ধাত্ৰী শিক্ষা", "জন্ম নিয়ন্ত্ৰণ", স্বাস্থ্য বিজ্ঞান", "গৃহ পৰিচৰ্য্যা", "ইলা ভনীটিলৈ মুকলি চিঠি" তিনিটা খণ্ড হ'ল চিকিৎসা বিজ্ঞান সম্পৰ্কীয় গ্ৰন্থ। শিশু সাহিত্য হ'ল- "ল'ৰাৰ জাতক" আৰু মইনাৰ মহাভাৰত"। মহাপুৰুষ মাধৱদেৱ, মহামুনি বুদ্ধ আৰু স্বামী বিবেকানন্দ -এই কেইখন জীৱনী, ইউৰোপৰ বাটত ভ্ৰমন কাহিনী। তেওঁৰ আন দুখন প্ৰকাশিত গ্ৰন্থ দিল্লীৰ ডায়েৰী আৰু গীতা প্ৰবেশ। কৰ্মী ডাঃললিত চন্দ্ৰ বৰুৱাৰ সাহিত্য জগতলৈ আগবঢ়োৱা আৱদান উল্লেখনীয়।

কলিয়াবৰৰ ভলাগুৰি সত্ৰৰ জন্ম গ্ৰহণ কৰা বিশিষ্ট সাহিত্যিক আৰু শিক্ষাবিদ হৰেশ্বৰ গোস্বামীৰ জন্ম হয় ১৯২৮ চনৰ ৩০ নবেম্বৰত। বিশ্ব বিখ্যাত হিন্দী সাহিত্যিক প্ৰেমচন্দৰ কফন গবন আদি গল্প অনুবাদ কৰি আলোচনীত প্ৰকাশ কৰিছিল। বিভিন্ন বাতৰি কাকত আলোচনীত শিক্ষা আৰু দেশৰ সামাজিক, ৰাজনৈতিক আদি জ্বলন্ত সমস্যাৰ ওপৰত অলেখ প্ৰবন্ধ প্ৰকাশ

হৈছিল। তেখেতৰ প্ৰথম মৃত্যু বাৰ্ষিকীত "হৰেশ্বৰ গোস্বামীৰ নিৰ্বাচিত ৰচনা সংকলন" সম্পাদনা কৰিছে ড০ নৰেন কলিতাই। ১৯৯৭ চনৰ ২৮ জুনত তেখেতৰ মৃত্যু হয়।

হোমিওপ্যাথিক চিকিৎসক মোছলেহউদ্দিন আহমেদৰ জন্ম হয় পুৰণিগুদামত ১৮৯৩ চনত। শেৱালি কবি ৰত্নকান্ত বৰকাকতি আৰু বাউলী কবি কমলাকান্ত ভট্টাচাৰ্যই তেওঁৰ সাহিত্যিক জীৱনত প্ৰভাৱ বিস্তাৰ কৰে। তেওঁৰ প্ৰকাশিত গল্প সংকলন হৈছে "মজাৰ গল্প"। কবিতা, গল্প আৰু সমালোচনা মূলক প্ৰবন্ধতেই প্ৰধানকৈ তেখেতৰ দক্ষতা প্ৰকাশ পাইছিল।

১৮৯৪ চনৰ ২ জুন তাৰিখে কমলানন্দ ভট্টাচাৰ্যদেৱৰ জন্ম হয়। তেখেত আছিল এজন বিখ্যাত গীতিকাৰ আৰু নাট্যকাৰ। প্ৰাক স্বাধীনতা কালৰেপৰাই তেখেতৰ সাহিত্য সৃষ্টি আৰম্ভ হয়। ১৯৪৮ চনত "বিয়াল্লিছৰ ছহিদ" নামৰ কবিতাৰ পুথি প্ৰকাশ হয়। "বাউলী" নামৰ গীতৰ পুথিখন অৱশ্যে ১৯২৮ চনতে ছপা হৈছিল। এন্ধাৰত জিলিকে জোনাকী পকৰা/আকাশত জিলিকে জোন আৰু চৰাই হালধীয়া পাখিও ধুনীয়া/মাতিলি অমাতৰ মাত বিনন্দীয়া আদি গীতেৰে অসমৰ আকাশ বতাহ খলক লগাইছিল। তেওঁৰ কেবাটিও গীত কলিকতাৰ চেনোলা গ্ৰামোফোন কোম্পানীয়ে ৰেকৰ্ড কৰিছিল। তেওঁৰ প্ৰকাশিত নাটকসমূহ হ'ল-"নগাকোঁৱৰ অৱসান", "চিত্ৰাঙ্গদা", "সাবিত্ৰী", "মৰাণ জীয়ৰী"। ৭৭ বছৰ বয়সতে ১৯৫১ চনৰ ৪ জানুৱাৰীত তেওঁৰ দেহাৱসান ঘটে।

গীতিকাৰ মলিন বৰাৰ জন্ম ১৯০৬ চনৰ ১ জানুৱাৰী তাৰিখে ৰৰজহা গাৱত। তেখেতৰ দ্বাৰা ৰচিত গীতসমূহৰ ভিতৰত অতি জনপ্ৰিয় দুটি গীতৰ প্ৰথম শাৰী দুটা হ'ল-(১) ধূলিৰ ধৰাত আপোন পাহৰি আৰু (২) ইমান ধুনীয়া মুকুতাৰ মালা/ক'ত পালা তুমি দান। আঠশৰো অধিক গীত হেনো তেওঁ ৰচনা কৰিছিল। কিন্তু সংৰক্ষণৰ অভাৱত অধিক সংখ্যাকেই হেৰাই গ'ল। তেওঁৰ প্ৰকাশিত গ্ৰন্থ মাথোন তিনিখন-"ৰেণু" আৰু "সুৰৰ কবিতা" গীতৰ পুথি। "বলাকাৰ ৰেখা খেদি" উপন্যাস। ১৯৬২ চনৰ ৮ ডিচেম্বৰত তেওঁ পৰলোক গমন কৰে।

কনক চন্দ্ৰ শৰ্মা কাব্যতীৰ্থৰ জন্ম যদিও ১৮৮৩ চনত গান্ধীবড়ীত হৈছিল তেওঁলোক পিছত জামুগুৰিৰ জখলাবন্ধা সত্ৰলৈ উঠি আহে। তেখেতে আধ্যাত্মিক তত্ত্ব সম্পৰ্কীয় সাহিত্য ৰচনা কৰিছিল। "ঈশ-মুণ্ডকোপনিষদৰ" অসমীয়া ভাঙনি আৰু "গান্ধী চৰিত" তেখেতৰ প্ৰকাশিত পুথি। মাধৱ কন্দলী বিৰচিত "সপ্তকাণ্ড ৰামায়নো" সম্পাদনা কৰি প্ৰকাশ কৰিছিল।

মহেন্দ্ৰ নাথ শইকীয়াৰ জন্ম হয় ১৯০২ চনত। "চেতনা" নামৰ আধ্যাত্মিক ভাৱৰ কবিতা পুথি আৰু Uplift of the schedule castes and the backward" পুথি দুখন প্ৰকাশ কৰে।

মহেন্দ্ৰ নাথ মৈহেংদাং ডেকা ফুকনৰ জন্ম হয় ১৯০৩ চনত আৰু মৃত্যু ১৯৭৩ চনৰ ১৮ মাৰ্চত। "অগ্নিবন্ধ" তেখেতৰ একমাত্ৰ কবিতাৰ পুথি। এই এখন পুথিৰ মাজতেই নিহিত হৈ আছে তেখেতৰ স্বদেশ প্ৰীতিৰ নমুনা। তেওঁ আছিল অগ্নিকবি কমলাকান্তৰ পৰম ভক্ত। মোহন চন্দ্ৰ মহন্তই "ভগৱান বুদ্ধ" আৰু "ধৰ্ম শিক্ষা" নামৰ দুখন পুথি প্ৰকাশ কৰে।

১৯০০ চনত চাপৰমুখত জন্মগ্ৰহন কৰা হৰিপ্ৰসন্ন তামুলী ফুকনে "শ্ৰীগুৰুৰ চৰণত",

"তেওঁৰ নামত", "মহাপুৰুষৰ এক শৰণীয়া ভাগৱত ধৰ্ম", "স্কাউটিং" আদি গ্ৰন্থ প্ৰকাশ কৰিছিল। আদৰ্শ খেতিয়ক ঘনকান্ত গঁগৈদেৱৰ জন্ম হয় ১৯১২ চনত। গঁগৈদেৱে "সোনৰ নাঙল" আৰু "ভূমিকন্যা" নামৰ দুখন উপন্যাস প্ৰকাশ কৰে। "ভ্ৰান্ত পৃথিৱী আৰু শান্ত আকাশ" তেওঁৰ গল্প সংকলন। গান্ধীবাদী গঁগৈদেৱে "গান্ধীকৃষ্ণ" নামৰ এখন গ্ৰন্থ প্ৰকাশ কৰিছিল। বৃত্তিত অধিবক্তা হলেও লক্ষেশ্বৰ হাজৰিকা এজন প্ৰবন্ধকাৰ। তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূৰ হ'ল- "পিনকিঅ", "বিনয়", "বুৰঞ্জীৰ পৰিপেক্ষিতত""মুক্তিদাতা", "খৃষ্টান নহলো মই কিয়", "দেশী ককা বিলাতী নাতি"। হাজৰিকা দেৱে ইংৰাজীতো অনেক প্ৰবন্ধ লিখিছে।

প্ৰদীপ শইকীয়াৰ "ওমৰ খায়াম" এখন সুখপাঠ্য উপন্যাস। তেওঁৰ দ্বাৰা ৰচিত মঞ্চসকল নাটকখন হ'ল-" লাচিত বৰফুকন"। তেওঁৰ আন এখন গ্ৰন্থ-"নাৰী যুগে যুগে। জাগৰণ কাকতত তেওঁৰ বিবিধ প্ৰবন্ধ প্ৰকাশ হৈছে। তোষেশ্বৰ শৰ্মাই "লোক সেৱক হলধৰ ভূঞা" (১৯৯১) আৰু "জ্ঞানদাভিৰাম বৰুৱা"-এই গ্ৰন্থ দুখনি সম্পাদনা কৰিছে।

তিলক চন্দ্ৰ মজুমদাৰৰ প্ৰকাশিত গ্ৰন্থ হ'ল "অমৃতৰ সন্ধানত", "আমি উভতি চাও" (জীৱনী), "প্ৰচীন অসমীয়া সাহিত্যৰ প্ৰাঞ্জল ধাৰা" (প্ৰবন্ধ) আৰু মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ অৰ্জুন ভঞ্জন নাট (সম্পাদনা)। তেখেত এজন প্ৰবন্ধকাৰো।

ড০ যোগেন্দ্ৰ নাৰায়ন ভূঞাৰ সাহিত্য প্ৰীতি ছাত্ৰ কালৰে পৰাই অঙ্কুৰিত হৈছিল। তেখেতৰ দ্বাৰা সম্পাদিত গ্ৰন্থসমূহ হ'ল-"জ্ঞানদাভিৰাম বৰুৱা ৰচনাৱলী" (১৯৮১), "দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা ৰচনাৱলী"(১৯৮৮), "ৰত্নেশ্বৰ মহন্ত ৰচনাৱলী"(১৯৭৭), "ৰত্নকান্ত বৰকাকতি গদ্য সম্ভাৰ", "মহিম বৰা" "স্ৰষ্টা আৰু সৃষ্টি", "যজ্ঞেশ্বৰ শৰ্মা", "জীৱন আৰু প্ৰতিভা", "বাগ্মীবৰ নীলমনি ফুকন", "ভীমকৰ্মা ডাক্তৰ ললিত কুমাৰ বৰুৱা", ৰূপালী জয়ন্তী"। "কিশোৰৰ শঙ্কৰদেৱ" তেখেতৰ শিশু সাহিত্য। ইয়াৰ বাহিৰেও "মহাফেজখানাৰ খিড়িকিয়েদি", "উনবিংশ শতিকাৰ অসম সংবাদ" আৰু "উৰলি যোৱা নথিৰ পৰা" তেখেতৰ দ্বাৰা ৰচিত গ্ৰন্থ। ভূঞা এজন প্ৰবন্ধকাৰো। অসম সাহিত্য সভাৰ পত্ৰিকাও সুকলমে তেখেতে সম্পাদনা কৰিছিল।

লামডিং মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক উপেন্দ্ৰ বৰকটকী এজন সু-সাহিত্যিক। শ্ৰীবৰকটকীয়ে কেবাখনো গ্ৰন্থ সম্পাদনা আৰু সংকলন কৰিছে। গ্ৰন্থসমূহ হ'ল- "অ' মোৰ অসমী আই", "আমাৰ বেনুধৰ"(সম্পাদিত), "বেনুধৰ শৰ্মা", "অভিনন্দন গ্ৰন্থ"(সম্পাদিত), "শ্বহীদ নবেন মহন্তৰ কবিতা"(সংকলন), "জীৱন কীৰ্ত্তি, "বিচিত্ৰ ব্যক্তিত্ব", "বৰণীয় স্মৰণীয়"। তেওঁ অসম সাহিত্য সভাৰ প্ৰাক্তন পত্ৰিকা সম্পাদক।

"মিৰিকা মাছৰ সোৱাদ বৰ /হয়বৰ গাঁৱত মইবৰ কবি/ হীৰেণ হৰ্তৰ পুৰণিঘৰ"। বৰ্তমান গুৱাহাটীৰ বাসিন্দা প্ৰথিতযশা কবি হীৰেণ ভট্টাচাৰ্যই অসমৰ সাহিত্য জগতত এক নিজস্ব স্থান দখল কৰি আছে।

বুদ্ধীন্দ্ৰ কুমাৰ বৰুৱা মূলতঃ এজন কবি। "বিক্ষুব্ধ কবিতা আৰু মই" তেওঁৰ কবিতা সংকলন। "মনে পোৰা দেহা", "বন্য মানুহ আৰু মই", "কেচা তেজ আৰু মাটিৰ মানুহ"

তেওঁৰ উপন্যাস। তেওঁ সাহিত্যিক পেঞ্চনাৰ।

অসমীয়া গল্প সাহিত্যৰ জগতত ইতিমধ্যে প্ৰতিষ্ঠিত অপূৰ্ব শৰ্মাৰ তিনিখন গল্প সংকলন প্ৰকাশ হৈছে। গ্ৰন্থসমূহ হ'ল-"বন্ধুৰ সন্ধানত কেইজনমান ডেকা মানুহ"(১৯৭৮), "শুভবাৰ্ত্তা"(১৯৮৪), "বাঘে টাপুৰ ৰাতি"(১৯৯৬)। তাৰোপৰি Abid Hussain ৰ National culture of India নামৰ বিখ্যাত গ্ৰন্থখনি "ভাৰতৰ জাতীয় সংস্কৃতি নামেৰে অনুবাদ•কৰিছে। নেশ্যনেল বুক ট্ৰাষ্টে গ্ৰন্থখন প্ৰকাশ কৰিছে। তেখেত এজন চলচিত্ৰ সমালোচকো।

প্ৰভাত বৰা এজন বুদ্ধিদীপ্ত ৰসিক পাঠক-সমালোচক। তেখেতৰ বিভিন্ন ৰচনা অসমৰ কেবাখনো গবেষনা প্ৰবন্ধ সংকলনত সন্নিবিষ্ট হৈ আছে।

ৰঞ্জিত কুমাৰ দেৱগোস্বামী বৰ্ত্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক। অসমৰ বৌদ্ধিক জগতত তেখেতৰ এক সুকীয়া স্থান আছে। অনেক গবেষনা প্ৰবন্ধ আৰু লিখনী প্ৰকাশ পাইছে।

ড০ ৰাজেন শইকীয়াৰ বুৰঞ্জী আৰু আন আন বিষয়ৰ ওপৰত যথেষ্ঠ চিন্তা উদ্দীপক লেখা প্ৰকাশ পাইছে।

জ্যোতিদেৱ গোস্বামী বৰ্ত্তমান অসমৰ এজন পৰিচিত লেখক। চিৰিয়াচ লেখনিৰ উপৰিও হাস্য ব্যঙ্গ ৰচনা "লঘু-গুৰু" উল্লেখযোগ্য। মিহীৰ দেউৰী, নন্দ সিঙৰ কবিতাপুথি আৰু মোহন কাকতিৰ সাক্ষাৎ প্ৰসঙ্গৰ ভিত্তিত ৰচনা প্ৰকাশিত হৈছে। ড০ দীপক কুমাৰ বৰকাকতীৰ গল্প উপন্যাস ইতিমধ্যে প্ৰকাশ পাইছে। "ডিকটন" তেওঁৰ উল্লেখযোগ্য প্ৰকাশন।

১৯২৪ চনত পূৰ্ণমল ভূঞাৰ জন্ম হয় দূৰ্গম শিঙিমাৰীত। ভূঞাদেৱৰ কাব্যিক প্ৰতিভা স্কুলীয়া জীৱনতে প্ৰকাশ পাইছিল। সুৰভি, কটনিয়ান আদিত কবিতা আৰু গল্প প্ৰকাশ হৈছিল। "যোৱাৰ বাটত" আৰু "তেজৰ বাধা" নামৰ দুখন উপন্যাস আৰু এখন কবিতা পুথি অপ্ৰকাশিত অৱস্থাত আছে।

ড০ নবেন কলিতাৰ শিল্প-সংস্কৃতি সম্পৰ্কে ৰচিত গৱেষনামূলক গ্ৰন্থ কেইখন হ'ল-"বৰদোৱাৰ শিল্প বস্তু" আৰু "কপিলী পাৰ কচাৰী পাৰ"। তেওঁৰ উপন্যাস হ'ল "অনেক আকৃতি"। হৰেশ্বৰ গোস্বামীৰ নিৰ্বাচিত ৰচনা সংকলন নামৰ গ্ৰন্থখনি তেওঁ সম্পাদনা কৰিছে।

পীতৰাম নাথৰ জন্ম হয় ১৯০৮ চনৰ ১ জানুৱাৰীত। তেখেতে শ্ৰীমদ্ভাগৱত গীতা অসমীয়া পদ্য ছন্দলৈ অনুবাদ কৰিছিল। ইয়াৰ বাহিৰেও সত্যনাৰায়ন পুথি, যোগতন্ত্ৰ, নাথৰ ইতিবৃত্ত, সামবেদীয় সন্ধ্যাবিধি প্ৰকাশ হয়। ভাষা আন্দোলনৰ শ্বহীদ সূৰ্য বৰাৰ জন্ম হয় ১৯২৬ চনত জাগীগাঁৱত। "সুৰ সন্ধানী" তেওঁৰ প্ৰকাশিত গীতৰ পুথি। "হোজা গাঁৱলীয়া" নামে হাতে লিখা আলোচনী এখন তেওঁ সম্পাদনা কৰিছিল। ১৯৬০ চনৰ ৮ জুলাইত শিলিগুৰিত দুৰ্বৃত্তই তেওঁক হত্যা কৰে। শঙ্কৰী সংস্কৃতিৰ ওজা গিৰিকান্ত মহন্তৰ কলিয়াবৰৰ গ্ৰহনী সত্ৰত ১৯০৯ চনৰ ৩ জানুৱাৰীত জন্ম হৈছিল। গোটেই জীৱন তেওঁ শঙ্কৰী সংস্কৃতিৰ সাধনাতেই নিজকে জড়িত ৰাখিছিল যদিও "শ্ৰীশ্ৰীশঙ্কৰদেৱৰ জন্মযাত্ৰা" নাটক ৰচনা কৰিছিল। ১৯৭২ চনত কেন্দ্ৰীয় নাটক

একাডেমীৰ সত্ৰীয়া সংস্কৃতিৰ ওপৰত গৱেষণা কৰিবৰ কাৰণে তেওঁক স্কলাৰ্শ্বিপ প্ৰদান কৰিছিল। ১৯৮০ চনৰ ১ জানুৱাৰীত তেওঁ পৰলোকগামী হয়। কলিয়াবৰৰ যোগেন্দ্ৰ নাথ ভূঞাৰ শঙ্কৰী সাহিত্য আৰু সংস্কৃতিৰ ওপৰত অনেক প্ৰবন্ধ আৰু গ্ৰন্থ প্ৰকাশ পাইছে।

ধুলিৰ কবি অৱনীন্দ্ৰ বৰাই "সতীৰ্থ" নামৰ গ্ৰন্থখনি সম্পাদনা কৰিছিল ১৯৫৯ চনত নগাঁৱত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিবেশন উপলক্ষে। আলোচনী আৰু বাতৰি কাকতত তেওঁৰ অনেক প্ৰবন্ধ আৰু গল্প প্ৰকাশ পাইছিল। তেওঁৰ জন্ম হয় নগাঁৱৰ ফৌজদাৰীপট্টীত ১৯৩১ চনত। ৰবীন্দ্ৰ চন্দ্ৰ বৰাৰ জন্ম হৈছিল নগাঁৱৰ ফৌজদাৰী পট্টিত ১৯৩৯ চনত। তেওঁ এজন প্ৰৱন্ধকাৰ আৰু সমালোচক। "সাহিত্য সমীক্ষা" তেওঁৰ প্ৰবন্ধ সংকলন। দেউতাক মহীচন্দ্ৰ বৰাৰ ব্যক্তি আৰু প্ৰতিভা নামৰ গ্ৰন্থ তেওঁ তেওঁ সম্পাদনা কৰিছে। কবিন্দ্ৰ চন্দ্ৰ বৰাৰ ভালে সংখ্যক গল্প, বিভিন্ন আলোচনী আৰু কাকতত সিঁচৰতি হৈ আছে।

প্ৰবন্ধকাৰ ৰতিমোহন নাথৰ "কলাৰত্ন ড০ ভূপেন হাজৰিকা" নামৰ গ্ৰন্থই সংস্কৃতিৰ পূজাৰী সকলৰ সমাদৰ লাভ কৰিছে। তেওঁৰ দ্বাৰা সম্পাদিত "সাহিত্যৰ বেদীত নগাঁৱা পূজাৰী" গ্ৰন্থই বহুতো সাহিত্যিকক পোহৰলৈ আনিলে। ডিব্ৰুগড়ৰ সমাজসেৱক চন্দ্ৰকান্ত হাজৰিকাৰ স্মৃতিত নাথে এখন বৃহৎ গ্ৰন্থ সম্পাদনা কৰিছে।

পাঠক সমাজৰ মাজত ইতিমধ্যে জনপ্ৰিয় হৈ পৰা গল্পকাৰ শিৱানন্দ কাকতিৰ প্ৰকাশিত গল্প সংকলন হৈছে "অমৃত্যু অমৃত" এই গল্প সংকলনে ১৯৯৫ চনৰ মুনীন বৰকটকী বঁটা লাভ কৰিবলৈ সক্ষম হয়। নাট্যকাৰ হিচাপেও শিৱানন্দ কাকতিৰ জনপ্ৰিয়তা কম নহয়। কলেজীয়া জীৱনত ৰচনা কৰা "কেন্দ্ৰ বিহীন বৃত্ত", এম্বাইঅ', দেৱাল আদি নাটকৰ উপৰিও অনাতাঁৰ নাটক "দুঃসময় সময়ে" ১৯৯৩ চনৰ সৰ্বভাৰতীয় অনাতাঁৰ নাটৰ প্ৰথম পুৰস্কাৰৰ ৰাষ্ট্ৰীয় সন্মান লাভ কৰে।

বেনুধৰ কলিতা এজন প্ৰৱন্ধকাৰ। তেখেতৰ দ্বাৰা ৰচিত "ফুলগুৰিৰ ধেৱা" ই বৃটিছৰ আমোলত সংঘটিত কৃষক বিদ্ৰোহক পোহৰলৈ আনিলে নগাঁৱৰ স্বাধীনতা আন্দোলনৰ অনেক ঘটনা তেখেতৰ নখ দৰ্পন। সেই অভিজ্ঞতাৰ আধাৰতেই তেখেতে ৰচনা কৰিছে- বিয়াল্লিছৰ নগাঁৱা ছহিদ আৰু স্বাধীনতা আন্দোলনৰ গীত আদি। গোপী কান্ত মেধি ফুলগুৰি অঞ্চলৰ এজন কৃতি শিল্প আৰু শাস্ত্ৰীয় সংস্কৃতিৰ সাধক। শংকৰী কলাকৃষ্টিৰ গবেষনা গ্ৰন্থ 'ত্ৰিজাজিক', ঢোলবাদ্য গবেষনা গ্ৰন্থ 'ওজাপালি' গবেষনা গ্ৰন্থ আদি প্ৰকাশ উল্লেখযোগ্য। হেমপ্ৰভা হাজৰিকাৰ "মহাপুৰুষ" আৰু ঊষা বৰঠাকুৰৰ "বাপুজীৰ আত্মকথা উল্লেখযোগ্য গ্ৰন্থ। নাৰায়ন কটকীয়ে "অভিশপ্ত উৰ্বশী" নামৰ এখন নাটক আৰু কেবাখনো ৰসাল কবিতাৰ পুথি ৰচনা কৰিছিল। তেওঁ সাহিত্যিক পেঞ্চন লাভ কৰিছিল। জীৱন চন্দ্ৰ শইকীয়াই গল্পৰ ভঙ্গীৰে স্বামী শিৱানন্দ মহাৰাজৰ ধৰ্মোপদেশৰ অসমীয়া অনুবাদ হ'ল - "শুনা হেৰা যুধিষ্ঠিৰ"।

ইন্দ্ৰেশ্বৰ গোস্বামী অসমীয়া ভাষা-সাহিত্যৰ এজন একনিষ্ঠ সেৱক। সাহিত্য জগতত পলমকৈ প্ৰৱেশ কৰিলেও তেখেতে পাঠক সমাজৰ অন্তৰ জয় কৰিব পাৰিছে। ফুলগুৰিত বৃটিছৰ যুগতে সংঘটিত হোৱা কৃষক বিদ্ৰোহৰ আলমলৈ ৰচিত "কেচাঁ মাটিৰ গোন্ধ" এখন ঐতিহাসিক

উপন্যাস। তেখেতৰ প্ৰকাশিত গ্ৰন্থ সমূহ হ'ল- "কেচা তেজৰ স্বপ্ন", "কুকুহা উৰিছে", "জননী জন্মভূমিশ্চ"-এই কেইখন উপন্যাস। "ভোক" আৰু "মাহীদেউ"-গল্প সংকলন। "অসমীয়া সাহিত্যত এভুমুকি" (প্ৰবন্ধ সংকলন) আৰু "মুক্তি যুঁজত নগাঁও" (স্বাধীনতাৰ বুৰঞ্জী)।

স্বৰ্ণ বৰাৰ এতিয়ালৈকে বাৰখন গ্ৰন্থ প্ৰকাশ হৈছে। "ডিয়ুং নদীৰ গীত" তেখেতৰ প্ৰথম উপন্যাস। "সোৱনশিৰিত ৰেলৰ উকি", "চিমচাং নদীৰ হাঁহি", "দুধনৈৰ বেদনা" -এই চাৰিওখন উপন্যাস অসমৰ বিভিন্ন জনগোষ্ঠীৰ জীৱন যাত্ৰাৰ আধাৰত ৰচিত। চাহ জনজাতি সকলক লৈ ৰচিত উপন্যাস "মেঘনা, যমুনা, থেমচু"। "লুইত পাৰৰ কণ্ঠ" অসমৰ অস্তিত্বৰক্ষা আন্দোলনক কেন্দ্ৰ কৰি ৰচিত উপন্যাস। নদীৰ পাৰৰ সুগন্ধি কবিতা নামৰ উপন্যাস শ্ৰমিকসকলৰ জীৱনৰ প্ৰতিচ্ছবি। "লুইত পাৰত উষাৰ কিৰণ"-নগাঁৱৰ বিশিষ্টা শিক্ষাবিদ, সমাজসেবীকা উষা বৰঠাকুৰৰ জীৱন ভিত্তিক মনোৰম উপন্যাস, কলং পাৰৰ গীত- গীতৰ সংকলন। "হৃদয় নদীৰ কল্লোল"- কবিতা সংকলন। শ্ৰীমতী বৰাই "ডিয়ুং নদীৰ গীত"- উপন্যাসৰ বাবে লাভ কৰিছে সীতানাথ ব্ৰহ্ম চৌধুৰী বঁটা। তেখেতৰ সাহিত্য কৃতিৰ বাবে অসম সাহিত্য সভাৰ দুধনৈ অধিবেশনত বিশিষ্ট লেখিকা হিচাবে সম্বৰ্দ্ধনা জনোৱা হৈছিল। তেখেত এগৰাকী সাহিত্যিক পেন্সনাৰ।

নগাঁও চহৰৰ পুৰাতন গ্ৰন্থ বিপনী "ভট্টাচাৰ্য এণ্ড চন্স" ৰ স্বত্বাধিকাৰী অনন্দিৰাম ভট্টাচাৰ্যৰ বোৱাৰী সৌজন্যময়ী ভট্টাচাৰ্য এগৰাকী সু-লেখিকা। "চাৰি সুঁতি" আৰু "মনৰ টৌ" তেখেতৰ গল্প সংকলন। "অপত্য" একমাত্ৰ উপন্যাস। "মৌ-জোল" শিশুৰ বাবে ৰচিত সাধুকথা। "খেতিয়কৰ জীৱন" -নৃত্য নাটিকা আৰু "কনজুন নেপুৰ বাজে" নাটক। চীনা যুদ্ধৰ পটভূমিত ৰচিত আন এখন নাটক হ'ল "হিমাচল"।

হিৰণ্যময়ী দেৱীয়ে ৰচনা কৰে "এমুঠি আবিৰ ৰং" নামৰ উপন্যাস। সাহিত্যিক পেন্সনাৰ বিদ্যাকান্ত হাজৰিকাৰ প্ৰকাশিত গ্ৰন্থ সমূহ হ'ল- "জিলিকিছে খোজ যাৰ সময় বালিত", "বোধোদয়" আৰু "টাও টে চিং" (অনুবাদ)। ফুলগুৰি অঞ্চলৰ অভয় বৰুৱাৰ বিভিন্ন লেখা কাকত আলোচনীত প্ৰকাশিত হৈছে। "নামেই গাঁৱৰ ইতিহাস কয়" তেওঁৰ উল্লেখযোগ্য প্ৰকাশ।

মনোজ কুমাৰ গোস্বামীৰ গল্পই অসমৰ পাঠক সমাজৰ দৃষ্টি আকৰ্ষণ কৰিছে। "সমীৰণ বৰুৱা আহি আছে", "ঈশ্বৰহীনতা", "প্ৰেমহীনতা", "স্বাধীনতা আৰু অন্যান্য গল্প" আদি তেওঁৰ প্ৰকাশিত গল্প সংকলন।

অৰ্পণ শইকীয়াৰ প্ৰকাশিত গল্প সংকলন "অজামিত্যিক"। ডা: অপূৰ্ব কুমাৰ শইকীয়াৰ বিভিন্ন গল্প অসমৰ সাহিত্য আলোচনী আদিত প্ৰকাশ পাইছে। জ্যোতিৰ্ময় চক্ৰবৰ্ত্তীৰ বিভিন্ন সমাদৃত কবিতা আৰু গল্প আলোচনী, বাতৰিকাকত আদিত প্ৰকাশিত। গুৰুমাইল সিঙৰ গল্প সংকলন "পূৰ্বাভাস" আৰু "এক বিপন্ন মুহূৰ্ত্তত অনুৰাধা আৰু মই" প্ৰকাশিত। মানিক দাসৰ ভিন্নসুৰী ৰচনা "কথা পাতো আঁহা" চেমনীয়াৰ হাতপুথি, এখন উল্লেখযোগ্য প্ৰকাশন। বিভিন্ন

গল্প-প্ৰবন্ধও প্ৰকাশিত হৈছে। দেৱকুমাৰ শইকীয়াই বিভিন্ন নাটক ৰচনা কৰিছে। "গতিৰ নাম পদ্মগন্ধৰ" আৰু "অৰ্জুন তলিৰ ধুমুহা" মৌলিক নাটকৰ উপৰিও "আঙুৰ পাতৰ ঝঙ্কাৰ" (অ' হেনৰী), "দহন" (ড০ ভবেন্দ্ৰনাথ শইকীয়া) আৰু "আদিত্য ভৰদ্বাজ আৰু গাৰ্গী" (যামিনি ৰায়চম গোস্বামী) উল্লেখযোগ্য অভিযোজনা। গোলাপ চন্দ্ৰ বৰাৰ "ভূগৰ্ভলৈ জ্বালামুখি যাত্ৰা" অনুবাদ গ্ৰন্থ। বিভিন্ন নাটক, গল্প, প্ৰবন্ধ বাতৰি কাকত আলোচনীত প্ৰকাশিত। অজিত কুমাৰ বৰঠাকুৰৰ পূৰ্ণদৈৰ্ঘ্য আৰু একাংক নাটক জনপ্ৰিয়। "গতিবোধক", "উৎসৱ" ইত্যাদি উল্লেখযোগ্য। নবেন বৰাৰ "দৌৰ" বিপ্লৱ ডেকাৰ "সিপিঠিৰ সাধু" উল্লেখযোগ্য ৰচনা।

চেলিমা চুলতানা হাজৰিকাৰ প্ৰকাশিত "জীৱন মদিৰা", "প্ৰাণৰ পিয়লা", "জীৱনৰ পাছে পাছে", "সৰগ নামি আহিবা", আৰু "পৃথিৱীৰ মায়া" প্ৰকাশিত গল্প সংকলন। "তামুলীমুখৰ সাধু", "ফুল আৰু ফুল", "জীৱন জেউতী" শিশু উপন্যাস। লেখিকা সমাৰোহৰ প্ৰতিযোগিতাত বিভিন্ন বঁটা লাভ কৰাৰ উপৰিও নতুন সাহিত্য পৰিষদ আৰু দুলীয়াজান সাহিত্য পৰিষদৰ "দেবেন্দ্ৰনাথ আচাৰ্য বঁটা" লাভ কৰিছে।

মুক্তি যুঁজাৰু ভিভিৰাম বৰাৰ কবিতাপুথি আৰু অন্যান্য লেখা প্ৰকাশ পাইছে। শৰৎ বৰকটকী এজন প্ৰতিশ্ৰুতিসম্পন্ন কবি। তেওঁৰ প্ৰকাশিত কবিতা সংকলন "পৰাণ নিগৰে" (১৯৮৯) আৰু "কবিতাৰ প্ৰতিটো স্তৱকেই বিস্ফোৰণ" (১৯৮৩)। হেমকান্ত ভূঞাৰ গ্ৰন্থসমূহ হ'ল - "কক্ষচ্যুত", "মেলিমেলি জীৱনৰ ছন্দ", "বেদনাৰ ৰং হেনো নীলা", "বালিচন্দা" আৰু "ভানুবাইদেউ"।

ত্ৰৈলোক্য ভট্টাচাৰ্যৰ প্ৰকাশিত গ্ৰন্থ "চৰাইদেও" আৰু "সাঁচিপাতৰ পুথি"। জনপ্ৰিয় গল্পকাৰ কুসুম বৰাৰ প্ৰকাশিত গল্প সংকলন "মোৰে নতুন কইনা" আৰু "অমৃত"। ৰুদ্ৰ প্ৰসাদ কাকতিৰ প্ৰকাশিত গল্প সংকলন "অহল্যা" (১৯৭৯)। চামচুল হুদা এসময়ৰ সকলোৰে প্ৰিয় উপন্যাসিক। "হেৰোৱা দিন", "স্মৃতিৰ কণিকা", "মৰমী প্ৰিয়া", "ৰাজদ্ৰোহী" আৰু "কন্তৰী এজনী নেপালী ছোৱালী" তেওঁৰ উপন্যাস। লক্ষেশ্বৰ শৰ্মাৰ "পাহাৰী বন", "বন পলাশ", "কবিতা কুঞ্জ", "আমি সাৰে আছো", "কথা কবিতা" আদি উল্লেখযোগ্য গ্ৰন্থ। কবি প্ৰদীপ শইকীয়াৰ প্ৰকাশিত কবিতা সংকলন "নাচ কলিফেটি নাচ"। বলাইৰাম সেনাপতিৰ "মুকুল" কবিতাৰ পুথি। সাহিত্যপ্ৰেমী অমূল্যচন্দ্ৰ নাথৰ জন্ম হয় ১৯৩৪ চনত নগাঁও চহৰত। তেওঁৰ অৰুণ ডচনিয়ন, বিহুলঙনি আইদত্ত অনেক প্ৰবন্ধ, কবিতা প্ৰকাশ হৈছিল।

হোজাইৰ সাৰদানন্দ দেৱগোস্বামীৰ প্ৰকাশিত উপন্যাস - "নিশি শয়নে গোৰাই" আৰু "ৰজনী বিদুৰ"। যুগল চন্দ্ৰ হাজৰিকাৰ "তত্ত্ববোধ", "গুৰু গুণমালা" আৰু "চতিহা পুথি" প্ৰকাশ হৈছে। সাংবাদিক তিলক হাজৰিকাই "আড্ডা" আৰু "কত কথা" ৰম্যৰচনা প্ৰকাশ কৰি পাঠকসকলক আনন্দ দিব পাৰিছে। হোজাইৰ জনাৰ্দন শৰ্মাৰ প্ৰকাশিত গীত সংকলন "গীতৰ শৰাই" (১৯৮২) আৰু কবিতা সংকলন "কবিতাৰ শৰাই" (১৯৯৬)।

কবি হিচাপে অনুভব তুলসীৰ জনপ্ৰিয় জলমগ্ন দৃস্বাৱলী উল্লেখযোগ্য প্ৰকাশ। ১৯৯৭ চনৰ মুনীন বৰকটকী বঁটা লাভ কৰিছে। ডাঃ প্ৰয়াগ শইকীয়াৰ প্ৰকাশিত কবিতা পুথি "পৃথিৱী

প্ৰেয়সী", "বাউসীত দুখন দেউকা" আৰু "অমিতাভ ফুলে"। তাৰোপৰি "এদিন বিবেকৰ পৃথিৱীত" নামে এখন উপন্যাসো তেওঁ ৰচনা কৰিছে।

মহীৰাম বৰাৰ প্ৰকাশিত ধৰ্মমূলক গ্ৰন্থ "সূত সংহিতা" আৰু "পুৰাণ প্ৰবক্তা"। নাটক কেইখন হ'ল - "মৃত্যুঞ্জয়", "নৈমিষাক্ষেত্ৰ" আৰু "যযাতিৰ অভিশাপ"। টিঙৰ কৈলাশ চন্দ্ৰ শইকীয়াই "বৰকাকতিৰ সাহিত্য প্ৰতিভা" নামৰ গ্ৰন্থ প্ৰকাশ কৰিছে। বসন্ত কুমাৰ শইকীয়াৰ ঘৰ টিঙত। তেওঁ নাট্যকাৰ হিচাবে অসমীয়া ভাষা সাহিত্যলৈ সেৱা আগবঢ়াইছে। মৰিকলঙৰ বিমল চন্দ্ৰ বৰাৰ প্ৰবন্ধ সংকলন হৈছে "প্ৰবন্ধ কৰণি" আৰু কবিতা সংকলন "অনুভূতি"। ঋতুৰাজ বৰাৰ একমাত্ৰ প্ৰকাশিত নাটক "শেষ নিশাৰ জোনাক"।

কুজিডাঁহৰ সুশীল বৰাই "আকাশীগঙ্গাৰ ঢৌ", "মন্দাকিনী" আৰু কেবাখনো কবিতাৰ পুথি প্ৰকাশ কৰিছে। অধিবক্তা নৰেন চৌধুৰীয়ে ১৯৭১ চনতে প্ৰকাশ কৰিছিল কবিতাৰ পুথি - "নগ্ন অভিব্যক্তি"। ডাঃ বলদেৱ শৰ্মাৰ বিজ্ঞান বিষয়ক শিশু সাহিত্য "উদ্ভিদ জগত" আৰু "ভাইৰাছৰ ভয় আৰু জীৱাণুৰ জীৱন"। ডঃ অজন্তা দত্ত বৰদলৈৰ শিক্ষা বিষয়ক পাঠ্য পুথি প্ৰকাশ পাইছে। পাপুল বৰাই সম্পাদনা কৰিছিল প্ৰবন্ধ সংকলন "ভূপেন্দ্ৰ সংগম" (১৯৮৬)। মনেশ্বৰ বৰাৰ প্ৰকাশিত গ্ৰন্থ "আধাত্মবিজ্ঞান" আৰু ভাৰতীয় প্ৰাচীন সভ্যতাৰ বিষদ আলোচনামূলক গ্ৰন্থ "প্ৰাচীন ভাৰতীয় মনীষা" (১৯৮৬)। প্ৰেম নাৰায়ন নাথৰ কবিতা সংকলন প্ৰকাশ হৈছে "সময় অসময় দু:সময়" (১৯৯০) আৰু "শব্দ যন্ত্ৰনা আৰু শব্দ"। চাৰু চন্দ্ৰ গোস্বামীৰ ধৰ্মালোচনামূলক গ্ৰন্থ "ধৰ্ম দৰ্শণ" প্ৰকাশ হৈছে ১৯৯৬ চনত।

ইদ্ৰিচ আলিৰ "হিয়াৰ মণি মুকুতা" (১৯৯৫) নামৰ কবিতা সংকলন; তোষপ্ৰভা কলিতাৰ "বিশ্বৰূপা" (১৯৭৫); হিৰন্য গায়নৰ "শিৰোনামাত ভূপেন হাজৰিকা"; ফনীন্দ্ৰ নাথ গায়ন, ডাঃ কল্যেন্দ্ৰনাথ গায়ন, প্ৰবীন গায়ন আৰু হিৰন্য গায়নৰ গল্প সংকলন "চতুভূৰ্জ" প্ৰকাশ হৈছে। ৰত্নাদেৱীৰ প্ৰকাশিত কবিতা সংকলন "জোন যদি ডুবি যায়"। সুপ্ৰভা গোস্বামীৰ গল্প সংকলন "অবিহুনা" আৰু অনুবাদ গল্প সংকেলন "কৰ্ণিকা" প্ৰকাশ হৈছে। পূৰ্ণেশ্বৰী দেৱীৰ কবিতা সংকলন "শ্যামলী" আৰু গল্প সংকলন "সঞ্জীৱনী"।

হীৰেণ বৰাৰ কবিতা সংকলন "বিচিত্ৰ মালা" আৰু ধীৰেণ বৰাৰ কবিতা সংকলন "জোনাকী মনৰ বেণু", "কলিজাৰ গীত" আৰু "আৰতি"। প্ৰবন্ধকাৰ পূৰ্ণকান্ত নাথৰ প্ৰকাশিত বিজ্ঞান সম্পৰ্কীয় গ্ৰন্থ হৈছে "প্ৰাণী জগতৰ কথা"। লক্ষীৰাম কেওঁটৰ উপন্যাস "অসীম তৃষ্ণা খতাময়তে", বুদ্ধেশ্বৰ গোহাঞিৰ উপন্যাস "নামনিৰ বেজনি", কৃষ্ণ বৰুৱাৰ "আকাশী লতা" আৰু "এই নিশাৰ সিপাৰে", ভব বাজখোৱাৰ উপন্যাস "মন সাগৰৰ ঢৌ" প্ৰকাশ হৈছে। নন্দ শইকীয়াৰ "বোমদ্বন", "ভাৱৰৰ আঁৰে আঁৰে", "নিৰপ্ৰভা", "শিলাময় জীৱনত সমতল নাই", "অচিন পথৰ চিনাকি যাত্ৰী" উপন্যাস সমূহে পাঠকৰ সমাদৰ লাভ কৰিছিল।

লাৱন্য লস্কৰৰ উপন্যাস "কপিলীত শব্দৰ ঢৌ", জয়ন্ত মাধৱ বৰাৰ "বুদ্ধভূমি", নগেন বৰাৰ "মানুহৰ ছবি" ভজো শইকীয়াৰ "পুৱতিৰ জোটাজনা" আৰু ভক্তি শইকীয়াৰ

"জীৱনৰ লটি-ঘটি" আৰু "নগৰৰ আঁৰে আঁৰে" গ্ৰন্থই সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰিছে।

গুনেন্দ্ৰ নাথ পণ্ডিতৰ " শৈৱ দৰ্শণ আৰু সাহিত্যৰ পটভূমি", ঘনকান্ত ভাগৱতীৰ "সাহিত্যৰ পাতে পাতে" আৰু অনুবাদ গ্ৰন্থ "অভিজ্ঞান শকুন্তলম" আৰু "বাল চৰিতম", জ্যোতিৰিন্দ্ৰ মোহন গোস্বামীৰ "এক ওঙ্কাৰ", শেখৰ জ্যোতি ভূঞাৰ "সুন্দৰৰ সক বৰ আলিয়েদি", আদিলা খানমৰ "তৰা আছে", কিনাৰাম নাথৰ "বলি শালৰ ৰাঙলী কিৰণ", "অপৰোক্ষ", "অনুভূতি", "মাতৃপূজা", পদ্ম পাটৰৰ "মন কুঞ্জৰ ফুল", গুণাৰাম বৰাৰ "আই অসমী" অসমীয়া সাহিত্যৰ ভঁৰাললৈ সংযোজন।

ভদৰাম শইকীয়াৰ "কুৰুক্ষেত্ৰ" নাটক, তিলোত্তমা হাজৰিকা তামুলীৰ "অজান দেশৰ চিনাকি পৰীৰ সাধু", "আইতা গাভৰু হ'ল", "ডাৱৰৰ আঁৰে আঁৰে" ; নেত্ৰকমল বৰঠাকুৰৰ "বহ্নিমান বহ্মপুত্ৰ" নাটক, চন্দ্ৰ বৰাৰ "কামিনী কাঞ্চন" নাটক, বকুল বৰাৰ "জুন মাহৰ জোন", "দিলা ধৰ্ম দিলা জ্ঞান", "বিশ্ব বাপুক বিচাৰি", "সখীলৈ চিঠি", "সঙ্গদোষ", "এতিয়াহে এতিয়া" ইকবাল কৌৰৰ "জপজী সহিব" আৰু "স্বায়ং সন্ধ্যা" (অনুবাদ), নিৰঞ্জন নাথৰ "পুস্পবন", নীহাৰেন্দু ভট্টাচাৰ্যৰ "সুৰৰ মাধুৰী", পদ্মকান্ত দেৱমিত্ৰৰ "ভিক্ষু গীতা", আফাজুদ্দিন আহমদৰ উপন্যাস "দায়ী কোন", "উৰণীয়া মন", "ই কি কল্পনা" ৰাজেন বৰকাকতিৰ "ভুলকাৰ", "ই কি আৰু কিয়", "পৰিবৰ্ত্তন", "জীৱনৰ গতিপথ" (চাৰিওখনেই উপন্যাস), বেণু মহন্তৰ "চিঠি পঢ়ি ভাল লাগে", "আমাৰ কথাবোৰ", "হেৰোৱা প্ৰাণৰ সুৰ" আদি গ্ৰন্থসমূহ অসমীয়া সাহিত্যলৈ উল্লেখযোগ্য অৱদান।

কলিয়াবৰৰ লীলা বৰাৰ "ঐতিহ্যমণ্ডিত কলিয়াবৰ" এখন ঐতিহাসিক তথ্য সম্বলিত গ্ৰন্থ। ডঃ সঞ্জীৱ বৰকাকতি এজন প্ৰবন্ধকাৰ। তেখেতে বৈষ্ণৱ সাহিত্য সম্পৰ্কে চৰ্চা আৰম্ভ কৰিছে। তেখেতে Sri Sankardev নামৰ ইংৰাজী গ্ৰন্থৰ প্ৰকাশ কৰিছে। ৰহাৰ লোকেশ্বৰ গগৈয়ে জনগোষ্ঠী সমূহৰ সমাজ আৰু সংস্কৃতিৰ সম্পৰ্কে ৰচনা কৰা গ্ৰন্থ সমূহ হ'ল " তিৱা সংস্কৃতিৰ ৰূপৰেখা", "ডিমাছা সংস্কৃতিৰ ৰূপৰেখা" আৰু "তাই জন সংস্কৃতি"। তাৰোপৰি "কবিতা কলি" আৰু "বুৰঞ্জীয়ে গৰকা ডেকা চাং" নামৰ দুখন গ্ৰন্থও ৰচনা কৰিছিল। পদ্মধৰ হাজৰিকাৰ ঘৰ কলিয়াবৰত। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহ হ'ল "জীৱন দি পূজিম", "স্বাগতম", "এজুপি গোলাপ পুলি" আৰু "যুগৰ আহ্বান"।

প্ৰতিভা গোস্বামীৰ "গৃহিনী" আৰু মেনকা শইকীয়াৰ "গৃহিনীৰ অভিধান" গাৰ্হস্থ বিজ্ঞান সম্পৰ্কীয় গ্ৰন্থ। ৰজত বৰুৱাৰ প্ৰকাশিত গ্ৰন্থসমূহ হ'ল - "বনপ্ৰভা" আৰু "যুগবাণী" (দুয়োখনেই কবিতা সংকলন)। পদ্মকান্ত বৰাৰ "মনিকা" আৰু "মেঘালী আকাশ" উপন্যাস। তাৰোপৰি তেওঁ "গান্ধী নগৰৰ চোৰ", "ৰক্তস্নান" আদি কেবাখনো নাটক ৰচনা কৰিছে।

ব্ৰজেন বৰাৰ "দৌলতপুৰ" সাহিত্য প্ৰকাশৰ পুৰস্কাৰপ্ৰাপ্ত উপন্যাস। বেৱ বৰা (এই নিবন্ধৰ লিখক)এজন প্ৰবন্ধকাৰ। তেখেতৰ প্ৰবন্ধসমূহ নগাঁও মহাবিদ্যালয় আলোচনী, নগাঁও জিলা সাহিত্য সভা পত্ৰিকা, আজিৰ বাতৰি, জাগৰণ আদিত প্ৰকাশ হৈছে। তেওঁৰ প্ৰকাশিত গ্ৰন্থ "পুথিভঁৰাল আৰু পুথিভঁৰালী", "পুথিভঁৰাল বিজ্ঞানী ডঃ এচ আৰ ৰঙ্গনাথন" (অনুবাদ গ্ৰন্থ)

"পতঙ্গৰ বিচিত্ৰ জগত" আৰু "অস্পৃশ্য"।

স্বৰাজোত্তৰ কালত নগাঁও জিলাত সাহিত্য চৰ্চাৰ এটা সুস্থ পৰিবেশ গঢ়ি উঠা বুলি নিঃসন্দেহে ক'ব পাৰি। জিলাখনৰ বিভিন্ন স্থানত থকা সাহিত্য সাংস্কৃতিক গোষ্ঠী, শাখা সাহিত্য সভা সমূহ আৰু জিলা সাহিত্য সভাই সময়ে সময়ে আলোচনা চক্ৰ, কবি সন্মিলন, ৰাভা দিৱস, শিল্পী দিবস, লব্ধপ্ৰতিষ্ঠ সাহিত্যিক সকলৰ স্মৃতি দিৱস আদি উদ্‌যাপন কৰি সাহিত্যৰ পৰিবেশ সৃষ্টি কৰি আহিছে। নগাঁও গ্ৰন্থমেলাৰ লগত সঙ্গতি ৰাখি অনুষ্ঠিত কৰা আলোচনা চক্ৰ। নগাঁও চহৰত বিভিন্ন স্থানত অনুষ্ঠিত হোৱা কলংপৰীয়া আলোচনা চক্ৰৰ বৈঠক আদিয়ে সাহিত্য সৃষ্টিত ইন্ধন যোগাইছে আৰু প্ৰবীন নবীন লেখক সকলক প্ৰেৰণা দিছে। গনতন্ত্ৰ আৰু জাগৰণ কাকতে অনেক নতুন লেখকৰ সৃষ্টিত ইন্ধন যোগাইছে আৰু নবীন লেখক সকলক প্ৰেৰণা দিছে। ইমানখিনি হোৱা সত্বেও এটা কথা স্বীকাৰ কৰিব লাগিব যে দুই চাৰিজন লেখকে উন্নত মানদণ্ডৰ কেইখনমান গ্ৰন্থ ৰচনা কৰিলেও ভাৰতৰ বিভিন্ন প্ৰান্তৰ সাহিত্যৰ লগত এই উন্নতি আশাপ্ৰদ নহয়। আশাকৰো, সাহিত্যৰ সেৱকসকলে অবিৰত ভাৱে অৱদান আগবঢ়াই যায় যেন। ।❑

প্ৰসঙ্গ পুথি-

১। অসমীয়া সাহিত্যৰ ৰূপৰেখা- মহেশ্বৰ নেওগ।
২। অসমীয়া সাহিত্যৰ ইতিবৃত্ত- ড০ সত্যেন্দ্ৰনাথ শৰ্মা।
৩। সতীৰ্থ- অৱনী বৰা (সম্পাদক)
৪। সাহিত্যৰ বেদীত ন'.এগা পূজাৰী- ৰতিমোহন নাথ (সম্পাদক)

স্বৰাজোত্তৰ নগাঁৱত সংগীত চৰ্চাৰ বিকাশ, এটি টোকা

বিবেকানন্দ ভট্টাচাৰ্য্য

স্মৃতি বৰ মোহনীয়। যেনে কৰ্ম তেনে তাৰ স্মৃতি। মোৰ বাবে স্মৃতি, সুগন্ধি ফুলেৰে ভৰা এখন ফুলনি। যেতিয়াই মন যায় তেতিয়াই প্ৰতিজোপা ফুলৰ ওচৰলৈ গৈ গোন্ধত আপোন পাহৰা হওঁ। কিমান যে কাহিনী কিমান যে ভাল লগা কথা- তাৰ লেখ দিয়া বৰ টান। ল'ৰালিৰ স্মৃতি এতিয়া সাধুকথাৰ দৰে হ'ল- মনত পৰিলে শৰীৰ ৰোমাঞ্চিত হৈ পৰে।

১৯৪৭ চনৰ ১৫ আগষ্টৰ স্বাধীনতা দিৱসৰ সময়ত স্বাধীন ভাৰতৰ পৰিবেশৰ লগত বক্তৃতা খুৱাই আন আন উৎসৱ আদিৰ লগতে সংগীতানুষ্ঠানত গীত মাত বাজানা আদি প্ৰদৰ্শন কৰা হৈছিল। আমি তেতিয়া এনে ধৰণৰ অনুষ্ঠানত ভাগ ল'ব পৰা হোৱা নাছিলোঁ। কিন্তু সকৰে পৰা ৰাগ সংগীত শিকাৰ সুযোগ পাইছিলোঁ বাবে অনুষ্ঠানসমূহ চাই, শুনি তৃপ্তি পাইছিলোঁ। (ৰাগ সংগীতৰ আমাৰ গুৰু আছিল বিভূতিভূষণ বাবু।)

'দেশ' ৰাগত তিনতাল মধ্যলয়ত এটি অতি ৰুচিপূৰ্ণ গত্ ঐক্যতালত বজোৱা হৈছিল। গত্‌টিৰ বন্দিছ বা সুৰ স্বৰ্গীয় দুৰ্গা প্ৰসাদ ভূঞাদেৱে তৈয়াৰ কৰিছিল। ৰাগ সংগীতত এখেতৰ ভাল জ্ঞান আছিল। তেখেতে তবলাও ভালদৰে বজাইছিল। সেই ঐক্যতান বাদনত তেতিয়াৰ নগাঁৱৰ ভালে কেইজন প্ৰবীন সংগীত শিল্পীয়ে ভাগ লৈছিল। মোৰ যিমানখিনি মনত পৰিছে সেইসকলৰ ভিতৰত তলত নাম দিয়া সকল প্ৰধান আছিল। এইসকলৰ এজনো এতিয়া জীৱিত নহয়।

প্ৰবীন শিল্পীসকল-

বেহেলাত : আমাৰ পিতৃ কমলানন্দ ভট্টাচাৰ্য, ললিত চন্দ্ৰ শৰ্মা, মেদিনীমোহন শৰ্ম্মা, ললিত চন্দ্ৰ বৰা, অৱনী কটকী আদি।

তবলাত : সুশীল বেনাৰ্জী, অমূল্য কটকী।

এচৰাজত : পূৰ্ণ চন্দ্ৰ শৰ্মা, পদ্মসিং ডেকা, উপেন শৰ্মা।

হাৰমনিয়ামত : দুৰ্গা প্ৰসাদ ভূঞা।

তদুপৰি বাঁহী, চেতাৰ, জলতৰঙ্গ, তাল আদিও ব্যৱহাৰ কৰিছিল। ই এটি উল্লেখযোগ্য অনুষ্ঠান হৈছিল। সমূহীয়া প্ৰচেষ্টাৰে আগবঢ়োৱা এই অনুষ্ঠানটিয়ে আমাৰ এই ঠাইখনৰ লোকসকলৰ সংগীত প্ৰীতিৰ কথা আৰু এই লোকসকলৰ ৰুচিবোধৰ কথা মনত পেলায়। পিছৰ চামলৈ এই বৰেণ্য লোক সকলে থৈ যোৱা আদৰ্শই অন্তঃসলিলা সোঁতৰ দৰে কুলু কুলু ধ্বনিৰে

যেন হিয়া উজাৰি বিলাই আছে অনাবিল মৰম, সংগীত শিক্ষাৰ প্ৰতি অনুৰাগ আৰু কঠিন পৰিশ্ৰমৰ মিঠা ফল।

তাল আৰু সুৰে মানুহক মোহিত কৰে। সেই সময়ৰ সেই ঐক্যতান বাদনৰ সুৰেও মোৰ ভিতৰত থকা শিল্পী মনটোক বাৰুকৈয়ে মোহিত কৰিছিল। এতিয়াও সেই সুৰ মনলৈ যেন দূৰণিৰ পৰা ৰিণিকি ৰিণিকি ভাঁহি আহি আছে সেই সুৰৰ মৃদু গুঞ্জন। কলংনদীৰ পাৰৰ সংস্কৃতি প্ৰেমী লোকসকলৰ মৰমৰ নগাঁৱৰ মধুৰ স্মৰণ।

নগাঁৱত আজিকালিৰ দৰে তাহানি ইমান ডাঙৰ সংগীতানুষ্ঠান হোৱা নাছিল। তেতিয়া নগাঁৱত ভোগালী বিহুৰ সময়ত কলং নৈৰ পাৰত আবেলিৰ পৰা নিশালৈকে সংগীত প্ৰতিযোগিতা হৈছিল। তাত সংগীত শিক্ষাৰ্থীসকলে ভাগলৈ কৃতিত্ব অৰ্জন কৰিছিল। কোনে পুৰস্কাৰ পালে সেয়া আছিল গৌন, মুখ্য আছিল কিমানে ভাগ ল'লে সেইটোহে। কিবা এটাত ভাগ ললেহে আনন্দ হয় আৰু আনন্দই হৈ পৰে শিক্ষাৰ একো একোটা বুনিয়াদ।

শ্ৰীযুতা নীলিমা ভূঞা বৰ্তমান গেচৰ স্বত্বাধিকাৰী শ্ৰীমতী অনিমা ভূঞাঁই যন্ত্ৰসংগীতত ভাগ লৈছিল। শ্ৰীযুতা মায়া বৰুৱাই সুন্দৰ অসমীয়া গীত গাইছিল। সেই সময়ত ৺ সুসীল বেনাৰ্জী মহাশয়ে ঘৰুৱা শিক্ষকতা কৰি গান বাজানা শিকাইছিল। দুৰ্গাপ্ৰসাদ ভূঞাঁদেৱেও ভালেমান ছাত্ৰ-ছাত্ৰীক ভজন আৰু অসমীয়া গীত শিকাইছিল।

ভোগালী বিহুৰ অনুষ্ঠানত গাবলৈ দুটিগীত ৰচনা কৰি সুৰদি আমাৰ পিতৃয়ে শিকাইছিল।

গীত দুটি -

১)

ভোগালী বিহুৰ পাই আগবতৰা
দেশৰ দহৰ আজি ৰং নধৰা
বসন্তৰ আগমনি কৃষণাৰ শেষ
গা মন ফৰকাল নাই ৰোগ ক্লেশ।
কৃষকৰ হাঁহি মুখ ভৰাল ভৰা,
গোৱালী শকটে, খুটি ম'হে নধৰা।
মিলিজুলি ৰং কৰো আহা বিহু ৰাই
সুখৰ উৰনী দিন এই যায় যায়।

২)

চেনেহৰ কোলাকোলি আজি বছৰৰ
শান্তিৰ নিজৰা মধু পৰশৰ।
মিলন সুখৰ ক্ষেমে আজি ই সুদিন,
কাৰেং পঁজাৰ নাই ভেদাভেদ চিন্

সোণালী সুখৰ স্মৃতি ৰক্ চিৰদিন
অসূয়া অপ্ৰীতি যক্ বিস্মৃতিত লীন।

আমাৰ পিতৃয়ে এনেধৰণৰ ভালেমান গীত ৰচনা কৰি, সুৰ দি গাই আন বহুতকে শিকাইছিল। তেখেতৰ গীতৰ পুথি 'বাউলী'ত কিছুগীত আছে। ভালেমান গীত ছপা হোৱা নাই।

স্বৰ্গীয় তৰিকউদ্দিন আহমদক্ তেখেতে দুটি বনগীত শিকাইছিল। এই গীত দুটি গাই শ্বিলং-গুৱাহাটীত অনাতাঁৰ কেন্দ্ৰত তৰিকউদ্দিনৰ নাম জনাজাত হৈছিল।

গীত দুটি উল্লেখ কৰা হ'ল -

(১)

কোৱা তই কৰিলি কা
উৰুঙা বুকুতে সুৰুঙা কাটিলি
কুঠাৰৰ মাৰিলি ঘা।
কুঁহিপাত সৰে ঐ চকু মোৰ লৰে ঐ
কেনেবা কৰে ঐ গা।
বাঁন্ধে লৈ বাতৰি, তয়ে ঐ লাহৰি -
তয়ে ঐ উৰিলৈ যা।
লুইতৰ সিপাৰে চাকৈয়ে বিনালে
চকোৱাৰ পুৰিলে গা।
বাঁন্ধেৰে চিতে ঐ দহেনে তেনেকৈ
কাঢ়েনে হুমুনিয়া।

(২)

মোৰে ফুলনীতে উৰহি পখিলি
ফুলতে পাখি লগাই।
ফুলৰে ৰেণুৰে পাখি ৰাঙি দিয়ে,
বুকুৰে আলহী পাই।
বি বিয়া বতাহত হালি জালি
উৰি গুচি যাব পখিলি
ক'তে ভালে পাব জুৰনি লগাব
কাৰে মখেখনি চাই।
পিন্ধাম পাখি জুৰি পখিলি
সোণৰ ফাঁহেজৰি শিকলী
দুৰনীত হমেগৈ ফুলে হৈ ৰমেগৈ
মুখতে মুখে লগাই।

স্বৰ্গীয় ইক্ৰামুল মজিদে "অ' কবি তোৰ কবিতাবোৰ গানৰ সুৰৰ ছবি" এই গীতটি (কমলানন্দ ৰচিত গীত) নিজে সুৰ দি আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰ জৰিয়তে গাইছিল। সেই সময়ৰ নগাঁৱৰ আন এজন সফল গীতিকাৰ ৺ মলিন চন্দ্ৰ বৰা দেৱৰ ভালেমান গীত ৺ দুৰ্গাপ্ৰসাদ ভূঞাঁই সুৰ দি গাইছিল। স্বৰ্গীয় মলিন চন্দ্ৰ বৰা দেৱৰ গীতৰ পুথি "ৰেণু" আৰু "সুৰৰ কবিতা" সেই সময়তে ছপা হৈ ওলাইছিল। ইয়াত থকা প্ৰায়খিনি গীত ভূঞাঁদেৱে সুৰ দিছিল। কি সুন্দৰ পৰিবেশত গীত সমূহৰ সুৰ কৰা হৈছিল, কেনেকৈ তাক বাৰে বাৰে গোৱা হৈছিল সেই কথা মনত পৰিলে মন পুলকিত হয়। তেখেতক ঘৰত 'পুটু' বুলি মাতিছিল। আমি বুলিছিলো পুটু দাদা। পুটুদাদাৰ ফৌজদাৰীপট্টীৰ ঘৰৰ আগফালৰ কোঠা এটাত হাৰমনিয়াম লৈ তেখেতে গুণগুণাই, কোনোবা এজনে তবলাত 'ঠেকা' বজায়। বাকী উপস্থিত সকলোৱে একেলগে বহি সংগীতৰ মৌৰস পান কৰে, কোনোজনে হয়তো লগত গায়। পুবাৰ পৰা দুপৰীয়ালৈকে এটা গানৰ ওপৰতে সুৰৰ কাৰুকাৰ্য্য হৈ থাকে পিচত কোনোবাখিনিত কিঞ্চিত হয়তো অদল বদল হয়। তাত কবিও উপস্থিত থাকে। কবিৰ মুখৰ হাঁহি, গায়ক সুৰকাৰৰ মুখ মণ্ডলত বিৰাজ কৰা নান্দনিক তৃপ্তি এনেকৈয়ে আমাৰ সংগীতৰ বৈঠক সমূহ চলি আছিল। তেনেগীত আমিও আকাশবাণী গুৱাহাটী কেন্দ্ৰ যোগে গাইছিলোঁ। ভূঞাঁদেৱৰ সুৰাৰোপিত গীত সমূহৰ এটা সুকীয়া মাদকতা আছিল। বহুজনে এই গীতসমূহ গাই শ্ৰোতাৰ হৃদয় জয় কৰিছিল। ১৯৫০ চনত কলিকতাত অসমীয়া গীতৰ গ্ৰামোফোন ৰেকৰ্ড কৰি তৰিকউদ্দিন আহমদ আৰু ইক্ৰামুল মজিদে খ্যাতি অৰ্জন কৰিছিল। 'ইমান ধুনীয়া মুকুটাৰ মালা ক'ত পালা তুমি দান' ৺ বৰাদেৱৰ কাপৰ পৰা ওলোৱা এই গীতটি পুটুদাই সুৰ কৰি গাইছিল। গীতটি তৰিকউদ্দিনৰ কণ্ঠত তেতিয়াই বাণীবদ্ধ হৈছিল।

সংগীত হ'ল গুৰুমুখী বিদ্যা। গুৰুৰ মুখৰ পৰাহে এই বিদ্যাৰ শিক্ষা হয়। শুনি শুনি এই বিদ্যা সম্পূৰ্ণ নহয়। গুৰুৰ শিক্ষাইহে বিদ্যাৰ বিকাশ ঘটায়। তদুপৰি গুৰুস্থানীয় সকলে উপদেশ, পৰামৰ্শ, আশীৰ্ব্বাদ দিব লাগিব তেতিয়াহে শিক্ষাৰ্থীৰ জীৱন ধন্য হয়। বিভিন্ন সময়ত নগাঁৱলৈ কেইবাজনো গুৰুস্থানীয় ব্যক্তি আহিছিল। সেই সকলে এটি পৰিবেশ দি গান বাজনাৰ এটি ৰীতি দেখুৱাই গৈছিল। তেনে লোক সকলৰ ভিতৰত ফুল মহম্মদ খান কণ্ঠসংগীতৰ এজন গুণী শিক্ষক আছিল। তেখেত নগাঁৱত বেছিদিন নাথাকিল। মতিউৰ ৰহমান খান চেতাৰ বাদক আছিল। তেখেতে আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰযোগে চেতাৰ বাদন প্ৰস্তুত কৰিছিল। কিছু বছৰৰ আগেয়ে নগাঁৱতে তেখেতৰ মৃত্যু হয়। তেখেত এজন গুণী লোক আছিল। বহু শিক্ষাৰ্থীক তেখেতে চেতাৰ বাদন শিক্ষা দিছিল। ৰূপেশ্বৰ ৰায় নামে এজন তবলা বাদক পূৰ্ব্ববঙ্গৰ পৰা আহি নগাঁৱত অলপ দিন থাকি পুনৰ নিজ দেশলৈ গুচি গ'ল। তেখেতৰ তবলা বাদন শুনি মোৰ বৰ ভাল লাগিছিল। তেখেতে আমাৰ ঘৰলৈ আহিও তবলা বজাইছিল। তবলা বাদনৰ বিষয়ে তেখেতৰ পৰা ভালেমান নতুন কথা শিকিছিলোঁ-সেয়া ১৯৪৯-৫০ চন মানৰ কথা।

স্কুল কলেজৰ বছেৰেকীয়া অনুষ্ঠান কিম্বা শ্ৰীশ্ৰীসৰস্বতী পূজাৰ সাংস্কৃতিক অনুষ্ঠানত ল'ৰা ছোৱালীয়ে গীত বাদ্যত ভাগ লৈ নিজৰ মেধাৰ পৰিচয় দিছিল। যি বয়সত প্ৰকৃত উৎসাহৰ আৱশ্যক সেই বয়সত স্কুল কলেজৰ শিক্ষক শিক্ষয়িত্ৰী সকলে ছাত্ৰ-ছাত্ৰীক অনুপ্ৰেৰণা দি

আগবঢ়াই দিয়া বহু উদাহৰণ আছে।

দেশ স্বাধীন হোৱাৰ পাছত গুৱাহাটী আৰু শ্বিলঙত আকাশবাণীৰ কেন্দ্ৰ স্থাপন হ'ল। অনাতাঁৰ কেন্দ্ৰ যোগে গাবলৈ বহুগীত ৰচিত হ'ল, নতুন নতুন সুৰ ওলাল, বহু গায়ক গায়িকা ওলাল। লুকাই থকা বহু প্ৰতিভা ৰেডিঅ' কেন্দ্ৰযোগে বিকশিত হোৱাৰ সুযোগ সুবিধা আহিল। ইজনে সিজনৰ গান শুনি গীত বাদ্যৰ মাজেদি নিজক প্ৰস্ফুটিত কৰাৰ এখন বিশাল ক্ষেত্ৰ তৈয়াৰ হ'ল। সেই সময়তে আকাশবাণীৰ দুজন লোক নগাঁৱলৈ আহিছিল। নগাঁৱৰ তেতিয়াৰ "চাৰ্কিট হাউচ" ত তেখেতসকলে আমাৰ স্থানীয় লৰা-ছোৱালীৰ সংগীত শুনি কিছু সংখ্যকক বাচনি কৰিছিল। সকলোখিনি গায়ক গায়িকাৰ লগত তবলাৰ ঠেকা বজাইছিলোঁ মই। লোক কেইজনৰ নাম কেইদিনমানৰ পাছতহে জানিলোঁ। এজন *উহবদুল লটিফ বৰুৱা, আনজন আছিল *পুৰুষোত্তম দাস।

'ৰং ঘৰ কলা পৰিষদ' নগাঁৱৰ কুজিদাহ অঞ্চলৰ এটি অতি উন্নত সাংস্কৃতিক কেন্দ্ৰ আছিল। এই পৰিষদৰ অধ্যক্ষ তথা পৰিচালক আছিল আমাতকৈ বয়সত জ্যেষ্ঠ স্বৰ্গীয় খগেন্দ্ৰ নাথ ভূঞাদেৱ। এই অনুষ্ঠানে অঞ্চলটোৰ সাংস্কৃতিক বিকাশত ভালেখিনি আৰিহণা যোগাইছিল। ভূঞাদেৱ মূলতঃ আছিল নৃত্যশিল্পী। কথা বতৰা, চলন ফুৰণ, ব্যৱহাৰ সকলো ক্ষেত্ৰতে তেখেতৰ সংস্কৃতিপ্ৰেমী মনটোৰ পৰিচয় পাইছিলোঁ। তেখেতৰ ঘৰখনেই সাংস্কৃতিক কেন্দ্ৰ স্বৰূপ আছিল।

তেখেত সকলে বাচনি কৰা লোকসকলৰ ভিতৰত মোৰ যিমানদূৰ মনত আছে, দুৰ্গাপ্ৰসাদ ভূঞা, ইক্ৰামুল মজিদ, মায়া বৰুৱা, মুকুট শৰ্ম্মা এই প্ৰবন্ধৰ লেখককে ধৰি কেইজনমানে আকাশবাণী যোগে গীত গাবলৈ পাইছিল। এনেদৰে চৰকাৰী ভাৱে উৎসাহ পোৱাত আমাৰ অঞ্চলত সংগীত চৰ্চাৰ এটি আলোড়ন আৰম্ভ হ'ল। পাচত গুৱাহাটী আনাতাঁৰ কেন্দ্ৰলৈ গৈ গীত গোৱাৰ পৰীক্ষা দি আকাশবাণীত গীত গোৱাৰ আইতা লাভ কৰা সকলৰ ভিতৰত তাৰিৰউদ্দিন আহমদৰ নামটো মনত পৰে।

মহাপুৰুষ শঙ্কৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ অসমীয়া জাতিলৈ দিয়া অনুপম দান বৰগীত আৰু অঙ্কীয়া নাটৰ গীত সমূহৰ চৰ্চাৰ বাবে নগাঁও এটি উল্লেখযোগ্য স্থান। কেইবাজনো গুৰু স্থানীয় ব্যক্তিয়ে এই চহৰত এই বিদ্যাৰ শিক্ষা দান কৰিছিল। সেই সকলৰ ভিতৰত শ্ৰদ্ধেয়, স্বৰ্গীয় হৰেন্দ্ৰ নাথ মহন্ত, স্বৰ্গীয় মহেন্দ্ৰ নাথ বড়া দেৱৰ নাম বৰকৈ মনত পৰে। দেবানন্দ মহন্ত নামে এজন লোকে 'সংগীত ভাৰতী' বিদ্যালয়ত খোল বাদনৰ শিক্ষা দিছিল। এই প্ৰবন্ধৰ লেখকে স্বৰ্গীয় হৰেন্দ্ৰ নাথ মহন্ত দেৱৰ পৰা কেইটামান বৰগীত শিকিছিলোঁ -সেই কথা এতিয়াও মনত পৰে। বড়া দেৱক আমি আমাৰ কলেজৰ সাংস্কৃতিক প্ৰতিযোগিতাত বিচাৰকৰ ভাৰ লোৱা দেখিছিলোঁ। নিউ আমোলাপট্টিৰ স্বৰ্গীয় মহন্ত দেৱৰ ঘৰখন গীত বাদ্য চৰ্চাৰ কেন্দ্ৰ স্বৰূপ আছিল। তেখেতৰ দুটি পুত্ৰ শ্ৰীখগেন মহন্ত (আকাশবাণীৰ বিষয়া) আৰু শ্ৰীদ্বিগেন মহন্তই তেওঁ বিলাকৰ সুৱদি কণ্ঠৰ গীতেৰে অলেখ শ্ৰোতাৰ হৃদয়ত তেওঁলোকৰ স্মৃতি যুগমীয়া কৰিছে। শঙ্কৰী সংস্কৃতিৰ সেৱক, আন এজন জনাবুজা লোক শ্ৰীভূবন চন্দ্ৰ বড়াই নগাঁৱত এই বিদ্যাৰ প্ৰসাৰত

লাগি আছে। শ্ৰীৰূপৰাম বৰুৱা আৰু শ্ৰীৰবীন দাসেও এই বিদ্যাৰ শিক্ষা দিছে। এইখিনিতে এষাৰ কথা লেখা যুগুত বুলি বিবেচনা কৰি বেকত কৰা হ'ল। বৰগীতৰ সৰ্বপ্ৰথম ৰেকৰ্ড কোনে কৰিছিল বুলি ক'লে কাৰ নাম কোৱা হ'ব এই বিষয়ে আজিৰ পৰা ভালেমান বছৰৰ আগতে নাজিৰাৰ ফালৰ এজন লোকে আমাৰ পিতা ✓কমলানন্দ ভট্টাচাৰ্য্যই গোৱা গীত "পাৱে পৰি হৰি কৰোহোঁ কাতৰি" ৰ কথা উল্লেখ কৰিছিল। আকাশবাণীৰ গুৱাহাটীৰ কেন্দ্ৰৰ যোগে গীতটিৰ প্ৰচাৰো হৈছিল। পিছত এই গীতটি শ্ৰীভূপেন হাজৰিকা দেৱে পুনৰ ৰেকৰ্ড কৰিছিল। আমি এই অঞ্চলত নগাঁও সংগীত সন্মিলনী আৰু প্ৰতিযোগিতাৰ আয়োজন কৰি গুৱাহাটীৰ শ্ৰীৰমেশ্বৰ শইকীয়া বৰবায়নদেৱক আমন্ত্ৰণ জনাই ইয়ালৈ অনাই তেখেতৰ পৰা পৰামৰ্শ লৈছিলোঁ। কলিয়াবৰৰ প্ৰয়াত গিৰীকান্ত মহন্তদেৱৰ নাম এইক্ষেত্ৰত শ্ৰদ্ধাৰে সোঁৱৰণ কৰোঁ। খোলত আঙুলি বুলনৰ তেখেতৰ হাতৰ যি কিটিপ সেয়া এতিয়াও সোঁৱৰণ কৰোঁ।

পুৰণিগুদামৰ ✓ ৰুদ্ৰ বৰুৱা নগাঁও কলেজৰ ছাত্ৰ হৈ থকা অৱস্থাতে সংগীতৰ ক্ষেত্ৰত ছাপ বহুৱাইছিল। পিছত তেওঁ শ্বিলঙলৈ গৈ তাতে পঢ়া শুনা কৰি চাকৰিও কৰিছিল। নগাঁৱৰ ঘৰখন, মানুহবিলাক, পথাৰ, পথাৰৰ মাজৰ আলি এইবিলাক তেওঁৰ শিল্পীমনটোৱে সদায় মনত পেলাইছিল। এই কথাবিলাক তেওঁ গীত আকাৰে ৰচনা কৰি সুৰ দি গাই শ্ৰোতাৰ হৃদয়ত ঠাই কৰি লৈছিল। সেইবিলাক গীতত থলুৱা সুৰ দি গোৱাত অধিক মনোগ্ৰাহী হৈছিল। এনেবিলাক শুৱলা গীতে বহুযুগ ধৰি ৰসিক শ্ৰোতাক মন্ত্ৰমুগ্ধ কৰি ৰাখিব। ✓ ৰুদ্ৰবৰুৱাৰ গীত অসমৰ সংগীত জগতৰ আপুৰুগীয়া সম্পদ। তেখেতৰ সৰল অন্তৰ, সৰলতাৰে ভৰা মৃদু বচনভঙ্গী সদায় মনত পৰে। "যুগে যুগে আধুনিক" নামদি এটি অনুষ্ঠান গুৱাহাটীত আয়োজন কৰি, আমাৰ ঘৰলৈ আহি আমাৰ পিতৃৰ বিখ্যাত গীত "বিলত তিৰেবিৰাই পদুমৰ পাহি ঐ" তেখেতে শিকি গৈ শ্ৰীপুলক বেনাৰ্জীৰ হতুৱাই গোৱাইছিল। বৰুৱাদেৱৰ এই গীতটি মোৰ বৰ প্ৰিয়। গীতৰ মাজতে যেন তেখেতক বিচাৰি পাওঁ।

বন্ধু! সময় পালে আমাৰ ফালে
এবাৰ আহি যাবা
সহজ সৰল গাৱঁৰ জীৱন
খন্তেক বৈ চাবা।

যান বাহনৰ সুযোগ নাই
আওহতীয়া আমাৰ ঠাই
বাট বুলোতে হয়তো বন্ধু
অনেক দুখেই পাবা,
অনাহাৰে দিন কটাও
তাত পথূলি পুৱা।
এবাৰ আহি যাবা।

খেৰ বাঁহৰ অনেক পঁজা
গাঁও ভৰি পাবা
দন খৰিয়াল শুনি শুনি
তাতে অৰুণ ৰবা।
নানা শিশুৰ ধূলিৰ খেলা
বৈ বৈ তাতে চাবা।

অশিক্ষিতৰ লাজুক সিহঁত
কাষলৈ নেমাতিবা
চহৰৰ পৰা কিবা নিলে
দূৰৈৰ পৰাই দিবা।
এবাৰ আহি যাবা।

পিয়াহ লাগি বন্ধু তুমি নুখুজিবা পানী,
খাল বিলৰ ঘোলা পানী নিদিও তোমাক আনি,
ফেঁচাৰ চিঞঁৰ নুশুনিবা হয়তো বন্ধু ভয় খাবা
লাহে লাহে চহৰলৈ বাটটি ভিৰাই লবা
আমাৰ গাঁৱৰ ছবি খনি মনত আঁকি নিবা।

যি সকল শ্ৰোতা দৰ্শকে রুদ্ৰ বৰুৱাৰ কণ্ঠত এই গীত শুনিছে বা তেখেতৰ আন আন গীত শুনিছে তেখেতসকলে কেতিয়াও পাহৰিব নোৱাৰে। পদ্মশ্ৰীদিপালী বৰঠাকুৰে "বন্ধু ! সময় পালে আমাৰ ফালে এবাৰ আহি যাবা" গীতটি বাণীবদ্ধ কৰিছে।

সংগীত শিক্ষাৰ কাৰণে চাৰিটা সম্পদ হ'ল উপযুক্ত গুৰু, ভগবত কৃপা, কঠিন সাধনা আৰু পৰিবেশ। নগাঁৱত সকলো আছিল আৰু এতিয়াও আছে। ইয়াত থাকি সীমিত সুবিধাৰ মাজেদিয়েই বহু জনে নিজৰ নিজৰ বিভাগত পাৰদৰ্শিতা লাভ কৰিছিল আৰু এতিয়াও কৰিছে। এনে এগৰাকী শিল্পী হ'ল পদ্মশ্ৰী পৰবীন চুলতানা (এফি)। পিতৃ ইক্ৰামুল মজিদ। পাৰবীন চুলতানাই সংগীতৰ ক্ষেত্ৰত সৰ্বভাৰতীয় খ্যাতি অৰ্জন কৰিছে। পৰবীনৰ সংগীতৰ বিকাশত প্ৰয়াত মজিদ চাহাবৰ ত্যাগ আৰু কষ্টৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰোঁ। অফুৰন্ত কৰ্মশক্তিৰে মজিদ চাহাবে পাৰবীনক তৈয়াৰ কৰা সেই দিনবিলাকৰ কথা কেনেকৈ পাহৰিম ? পাহৰিব পাৰি জানো ? ভক্ত কবীৰৰ কথা এষাৰ মনত পৰিছে।

"সহজ মিলে জো দুধ সম
মাঙ্গে মিলে সো পানী
কহে কবীৰ ৱহ ৰক্ত সম
যা মে এচাতানী।"

(সহজতে পোৱা বা হোৱাটো গাখীৰৰ দৰে। খুজি লোৱাখিনি পানীৰ দৰে, কবীৰে কৈছে যিখিনিত মেহনত আছে,পৰিশ্ৰম আছে সেইয়া হ'ল - তেজৰ দৰে।)

সকৰে পৰাই পৰবীনক দেউতাকে শাস্ত্ৰীয় সংগীতৰ অনুষ্ঠানত গীত বাদ্য শুনাবলৈ গুৱাহাটীলৈ নিয়া এতিয়াও মনত পৰে। সৰু তালপাতৰ টুপী এটা পিন্ধি কণমানি পৰবীনে ডাঙৰ ডাঙৰ শিল্পী সকলৰ গান বাজনা তন্ময় হৈ শুনিছিল। এনেকৈ সংগীতৰ ভিতৰৰ জগতখনলৈ এফি সোমাই গৈ আছিল। মজিদ চাহাব নিজেও এজন সুগায়ক আছিল। কি সুন্দৰ মাত আছিল তেখেতৰ। সুন্দৰ ৰুচিবোধ, মাৰ্জিত কথনভঙ্গী, দৈনিক সংগীত শিক্ষা আৰু কঠিন সাধনা - এইবিলাকৰ গোটেইখিনি পৰবীনক দেউতাকে দিয়া। আজিকালি পৰবীন মুম্বাইত থাকে। তাত যেতিয়া কোনো ঠাইত পৰবীনৰ গানৰ অনুষ্ঠান হয়, তেতিয়া কৰ্মকৰ্ত্তা সকলে মানুহক (শ্ৰোতা দৰ্শকক) বহিবলৈ ঠাই দিব নোৱাৰা অৱস্থা হয়। মঞ্চ শুৱনী শিল্পী পাৰবীনৰ গান লণ্ডন, আমেৰিকা আদি ঠাইতো বছৰত ৩।৪ বাৰ মানকৈ হয়। কি ভক্তি তেওঁৰ পিতাকৰ প্ৰতি, কৈয়েই ভাল লাগে। ধন্য আমাৰ নগাঁও - ইয়াৰ জীয়ৰীয়ে আমাৰ অঞ্চলৰ নাম জিলিকাই তুলিছে। পাৰবীনৰ গানৰ তানৰ বেগৰ কথা কি লেখিম। ভাবিব নোৱাৰা বেগৰ তানেৰে দৰ্শকক আপ্লুত কৰে। বহু কঠিন ৰাগ আয়ত্ব কৰি তেওঁ পৰিবেশন কৰিছে। আগনিত কেছেট, ৰেৰ্কড আদি কৰিছে। খেয়াল, ঠুমৰী, দাদ্ৰা, গজল, ভজন, গীত, অসমীয়া আধুনিক গীত সকলো সমান দক্ষতাৰে গায়।

শাস্ত্ৰীয় সংগীতৰ ভিতৰৰা জগতখনত সাধনাৰ এটি সুকীয়া স্থান। আগতে (১৯৮৬ চনৰ আগতে) নগাঁৱলৈ পাৰবীন আহিলে তেওঁলোকৰ ঘৰত প্ৰায়ে সংগীতৰ এখন বৈঠক পিতাকে আয়োজন কৰিছিল। সমূখত বহি পদমশ্ৰী পৰবীন চুলটানাৰ গান শুনাৰ স্মৃতি বৰ মিঠা। গান শুনাৰ যি আমেজ সেইয়া লেখি বুজাবলৈ ৰবটান। ভাবি কিন্তু বৰ ভাল লাগে। পাৰবীন নগাঁও তথা অসমৰ গৌৰৱ। কণ্ঠ সংগীতৰ উৎকৰ্ষ সাধনৰ বাবে তেওঁ কিমান ঘন্টা দৈনিক সাধনা কৰিছিল-তাৰ সীমা সংখ্যা নাই। স্বৰ্গীয় বিষ্ণুপদ বিশ্বাস, স্বৰ্গীয় সমৰেন্দ্ৰ কাননগু দেৱে পৰবীনৰ লগত তবলা সংগত কৰিছিল-এই দীঘলীয়া সময় খিনিত। নগাঁৱত সংগীতৰ বিকাশৰ ক্ষেত্ৰত এই দুজন ব্যক্তিৰো বহু ৰৰঙণি আছে।

গীতিকাৰ, সুৰকাৰ আৰু গায়ক ৰূপে আমাৰ ভাই নিহাৰেন্দু ভট্টাচাৰ্য্যও হাইস্কুলত পঢ়ি থকা অৱস্থাতে 'সুৰৰ মাধুৰী' নামে গীতৰ পুথি এখন প্ৰকাশ কৰাৰ ওপৰিও অসম মেডিকেল কলেজত পঢ়ি থকা কালতো 'নীলিমাৰ নীল স্বপ্ন' নাম দি আন এখন গীতৰ পুথি তেওঁ প্ৰকাশ কৰিছিল। তেনে এটি গীতৰ একাকি "লৰেছৰে সেইয়া লৰেছৰে, কান্তৰ ডাঙৰিটি লৰেছেৰে," দ্ৰুত লয়ৰ কাহৰৰা তালত থলুৱা সুৰত গোৱা এই গীতটি আৰু আন এটি গীত 'পদুলি মুখতে পথুলি পৰতে কোনেনো গালেছি গান' জনপ্ৰিয় আছিল।

১৯৫২ চনত নগাঁৱত সংগীত নাটক একাডেমীৰ অধিবেশন হৈছিল। এই অনুষ্ঠানত ভাগ ল'বলৈ নৃত্য শিল্পী উদয় শংকৰ, অমলা শংকৰ, কথক নৃত্যৰ বিখ্যাত শিল্পী দময়ন্তী যোশী আদি তেখেতসকলৰ নৃত্য পৰিবেশন কৰিছিল। তবলাৰ বাবে আহিছিল কাশীৰ বিখ্যাত তবলাবাদক

আনোখেলাল মিশ্র আৰু চাবেন্দী বাদক আছিছিল কাশীৰেই গোপাল মিশ্র। সংগীত নাটক একাডেমীৰ অনুষ্ঠান সমূহ চাই শ্রোতা দর্শক আপ্লুত হৈছিল।

নগাঁৱত কেইবাখনো সংগীত বিদ্যালয়ৰ যোগেদি বহু ইচ্ছুক শিক্ষাৰ্থীয়ে গীতবাদ্য নৃত্যৰ শিক্ষা ল'বলৈ সুবিধা পাইছে। নগাঁও সংগীত বিদ্যালয়, নয়নতাৰা সংগীত বিদ্যালয়, অগ্রদূত সংগীত বিদ্যালয়, সুৰ সঙ্গম সংগীত বিদ্যালয় প্রধান। সুৰ সঙ্গম সংগীত বিদ্যালয়ত তেজপুৰৰ মহেশ শইকীয়াই কেইবাটিও ছাত্র-ছাত্রীক বেহেলা বাদনৰ শিক্ষা দি তৈয়াৰ কৰি তুলিছে। নগাঁও সংগীত বিদ্যালয়ৰ প্রতিষ্ঠাপক অধ্যক্ষ আছিল প্রয়াত সুশীল বেনাৰ্জী মহাশয়। এইজন লোকৰ চেষ্টাত সংগীতৰ ক্ষেত্রত বহু ছাত্র-ছাত্রীয়ে আগবাঢ়ি যাবলৈ সুবিধা পাইছিল। তেখেতে শিকোৱা বহুগীতৰ ভিতৰত এই গীতটি বৰ মনত পৰে "মুখে দে দৰশন গিৰধাৰী"-। তেখেতে কণ্ঠ সংগীতৰ বাহিৰেও চেতাৰ, তবলা, এছৰাজ, বেহেলা আদি বজাবলৈ শিকাইছিল। তেখেতৰ তবলাৰ ছাত্র সকলৰ ভিতৰত বৰ্তমান গুৱাহাটী নিবাসী ডা: মনীষ ভূঞা, ডিব্রুগড় নিবাসী (খলিহামাৰী) বিখ্যাত আইনজীবি শ্রীশিশিৰ বৰদলৈ আৰু মোৰ বাল্য বন্ধু হয়বৰগাঁৱৰ প্রফুল্ল হাজৰিকা প্রধান আছিল।

নগাঁৱৰ নৃত্য শিল্পী সকলৰ ভিতৰত কৃষ্ণ মূৰ্ত্তি হাজৰিকাৰ নাম নাম উল্লেখযোগ্য। আধুনিক সৃজনীমূলক নৃত্যৰ এওঁ এজন সফল কলাকাৰ। এওঁৰ পৰিবাৰ গৰিমা হাজৰিকা ওডিচী নৃত্যৰ শিল্পী। এওঁলোক এতিয়া গুৱাহাটীত থাকে।

নগাঁও জিলাৰ চাঁকোলাঘাটৰ ওচৰৰ ব্রাহ্মণ গাঁৱৰ এটি কিশোৰ স্কুলত পঢ়ি থকা কালতে নিৰুদ্দেশ হৈছিল পিছে নিজ অধ্যৱসায়ৰ গুণত তেওঁ পিছলৈ পণ্ডিত যোগেন্দ্র নাথ শৰ্মা নামেৰে গোটেই উত্তৰ প্রদেশতে জনাজাত হ'লগৈ। লক্ষ্ণৌৰ বিখ্যাত নত্য গুৰু স্বৰ্গীয় পণ্ডিত অচ্চন মহাৰাজৰ এখেত প্রিয় শিষ্য হৈছিল। শৰ্মাই নিজৰ দলৰ্ট্ট ইউৰোপৰ কেইবাখনো নগৰত নৃত্য প্রদর্শন কৰি খ্যাতি অৰ্জন কৰিছিল।

ময়ূৰী নয়না বৰা নগাঁৱৰ নৃত্য শিল্পী। এওঁ পালিত চন্দ্র বৰাৰ একমাত্র কন্যা। সুবোধ কুমাৰ বাঢ়ী, শান্তি নিকেতনত নৃত্য শিক্ষা ল'বলৈ যোৱা উদীয়মান শিল্পী আছিল। কিন্তু অতি কম বয়সতে তেওঁৰ মৃত্যু হ'ল।

কম বয়সতে মৃত্যু বৰণ কৰা আৰু দুগৰাকী নগাঁৱৰ শিল্পীৰ নাম বিজয়া চাটাৰ্জী আৰু কৃষ্ণা ভাৰতী। বিজয়াই লক্ষ্ণৌত কণ্ঠ সংগীতৰ আৰু কৃষ্ণাই চেতাৰ বাদনৰ শিক্ষা লৈছিল। নিজস্ব কিছু বৈশিষ্টৰে দুয়ো গৰাকী শিল্পীয়েই মহান আছিল।

বৰ্তমান নগাঁৱৰ নৃত্যৰ ক্ষেত্রত আগশাৰী লোৱা শিল্পী মিলনপুৰৰ ইলোৰা (বৰা) সিঙৰ পৰিচালনাত "নৃত্য কলা ক্ষেত্র" নামৰ অনুষ্ঠানটিত আজি কেইবছৰমানৰ পৰা নৃত্য শিক্ষাৰ পাঠদানৰ ব্যৱস্থা হৈছে। ইলোৰা মাদ্রাজৰ "কলাক্ষেত্র" ৰ নৃত্যৰ স্নাতক। মন্দিৰা ভট্টাচাৰ্যৰ পৰিচালনাত ফৌজদাৰি পট্টিৰ কলা মন্দিৰত "অন্তৰা কলাক্ষেত্র"ত শাস্ত্রীয় নৃত্যৰ প্রশিক্ষণৰ অনুষ্ঠান উল্লেখযোগ্য।

আইতগুৰিৰ (বৰ্তমান মৰিগাঁও জিলাত) প্রয়াত সিদ্ধেশ্বৰ কাকতিয়ে আইতগুৰি,

জাগীৰোড় আঞ্চলত তবলা বাদনৰ শিক্ষা দিছিল। তেখেতৰ ছাত্ৰ পৰাগ জ্যোতিয়ে তবলা বাদন আৰু গীটাৰ বাদনত খ্যাতি অৰ্জন কৰিছে। ৰাইদঙীয়াৰ ওচৰৰ বৰভুবিয়া গাঁৱৰ কিৰণ দাসে একাধাৰে ভাল তবলা বাদক, অভিনেতা আৰু গায়ক ৰূপে স্বীকৃতি পাইছে। ৰাৰপুজীয়াৰ দীপাংকৰ সেনাপতিয়ে সেই অঞ্চলত তবলা বাদন শিক্ষাৰ অনুষ্ঠান আৰম্ভ কৰিছে। মাজ গাঁৱৰ উৎসাহী যুৱক যতীন ডেকাই তবলা বাদনৰ শিক্ষা লোৱাই নহয়, প্ৰচাৰতো লাগিছে।

গীতিকাৰ, উপন্যাসিকা কচলুখোৱাৰ স্বৰ্ণ বৰাই কেইবাখনিও উপন্যাস আৰু এখন গীতৰ পুথি "কলং পাৰৰ গীত"(১৯৯২) প্ৰকাশ কৰিছে। নগাঁও অনাতাঁৰ কেন্দ্ৰ যোগে তেওঁৰ গীত প্ৰচাৰ হৈছে। " নয়ত তৰা সংগীত বিদ্যালয়" প্ৰতিষ্ঠা কৰাত তেওঁ আগভাগ লোৱাৰ উপৰিও কণ্যা শ্ৰীমতী হেমাঙ্গিনীক তেওঁ বহু যত্নেৰে কথক নৃত্যৰ শিক্ষা দিয়াইছিল।

শ্ৰীভবেন বৰদলৈ গায়ক; সকৰে পৰা গীতবাদ্যৰ শিক্ষালৈ তেওঁ সংগীত চৰ্চাত এতিয়াও লাগি আছে। আমাৰ অঞ্চলৰ বাবে তেওঁৰ কৰ্ম্মৰাজি লেখত লবলগীয়া। ডিফলুৰ হৰি মোহন গোস্বামীয়ে সত্ৰীয়া গীত মাতৰ উপৰিও শাস্ত্ৰীয় সংগীতৰ শিক্ষা লৈছিল। তেওঁৰ গোটেই পৰিয়ালটিৰে সংগীতৰ প্ৰচাৰৰ ক্ষেত্ৰত ভালেখিনি বৰঙণি আছে। পালিত চন্দ্ৰ বৰাই সকৰে পৰা সংগীতৰ শিক্ষা লৈছিল। তেখেতৰ দেউতাক প্ৰয়াত ললিত চন্দ্ৰ বৰাই বেহেলা বজাইছিল। পালিত বৰাই কেইবাটিও ল'ৰাক তবলাৰ বাদনৰ শিক্ষা দিছে। তেখেতৰ পুত্ৰ মাধুৰ্য্য পালিত বৰাও এজন উদীয়মান তবলা বাদক শিল্পী।

নগাঁৱৰ সীমিত সুবিধাৰ মাজেৰে আগবাঢ়ি গৈ সংগীত নাটক একাডেমীৰ বঁটা বিজয়ী বিখ্যাত গায়ক শ্ৰীখগেন মহন্ত অকল গায়কেই নহয় তেওঁ এজন সফল সুৰকাৰো। উচ্চশিক্ষাৰ বাবে শ্বিলঙত থকা বছৰটোত তেওঁৰ নিষ্ঠা আৰু একাগ্ৰতাৰ বাবে গায়ক ৰূপে প্ৰতিষ্ঠা লাভ কৰে। প্ৰয়াত শিল্পী বনগীতৰ ৰজা, ৰুদ্ৰ বৰুৱাৰ সান্নিধ্য খগেন মহন্তৰ বিকাশৰ ক্ষেত্ৰত মন কৰিবলগীয়া। মহন্তই তবলা বজায় তেওঁৰ সুৰৰ আধুনিক গীতবিলাকৰ তাল লয়ৰ কেৰামতি, লয়ৰ অপূৰ্ব গতি, বিশেষ ভাৱে প্ৰণিধানযোগ্য। "কাউৰী পৰে, কলৰে পাততে কাউৰী পৰে" গীতটিয়ে তেওঁক আমাৰ ওচৰ চপাই আনিলে। "জেউতি অ' পোনাটি অ' কুশলে আছনে চাগে"-কোনে পাহৰিব ? তেওঁ চলচিত্ৰৰ সংগীত পৰিচালনাও কৰিছিল। আজিৰ পৰা বহুদিনৰ আগতেই তেওঁ গুৱাহাটীৰ বাসিন্দা হ'ল।

নিজামউদ্দিন আহমদ - নগাঁৱলৈ চাকৰি সংক্ৰান্তত আহি ইয়াৰে লোক হ'ল। ইয়াতে তেখেতৰ জীৱন বন্তি নিৰ্ব্বাপিত হ'ল। তেখেত এজন সুগায়ক আছিল। 'বণ্ডা পুলিচ' চলচিত্ৰ খনিৰ তেখেত সংগীত পৰিচালক আছিল। 'বণ্ডা পুলিচ' ৰ এই গীতটিয়ে তেখেতৰ কথা মনত পেলাব। গীতটিৰ প্ৰথম দুশাৰী দিয়া হৈছে।

"হিয়াৰ মৰম খিনি মৰমতে দিয়া ঢালি
মৰমৰ পাৰা পাৰ নাই
জীৱন বীণাত যদি মৰমৰ সুৰ নাই
জনমো যে লভিলা মিছাই।"

গীতিকাৰ নুৰুল হক (যোৰহাট)

১৯৫২/৫৩ চনত এই প্ৰবন্ধৰ লেখকে গ্ৰীষ্ম বন্ধৰ দীঘলীয়া দিনবোৰত "মইনা মেল" এখনি আৰম্ভ কৰি তাত ৩০/৩৫ টি মান ল'ৰা ছোৱালীক এটি গীত শিকাইছিলো। গীতটি যোৰহাট সাহিত্য সেৱী চ'ৰা ই তেখেত সকলৰ গ্ৰন্থত ছপা কৰিছে। গীতটিৰ প্ৰথম দুশাৰীমান দিয়া হৈছে-

অৰুণ অৰুণ মইনা আমি অৰুন অৰুন কাম
আমাৰ বাবে আমি কৰোঁ মইনা আমাৰ নাম।
গুদু খেলোঁ গোলা খেলোঁ কত খেলা
গান গাই গাই নাচি নাচি পাতো আমাৰ মেলা।
গীতিকাৰ ৰচনা আৰু সুৰ এই প্ৰবন্ধৰ লেখকৰে।

যন্ত্ৰ সংগীতৰ ক্ষেত্ৰত নিতাই চৰকাৰ আৰু পাই দাসৰ নাম উল্লেখযোগ্য। চৰকাৰে বেহেলা বজাইছিল, তেওঁ বহু ছাত্ৰ-ছাত্ৰীক বেহেলা বাদনৰ শিক্ষা দিছিল। পাই দাস আছিল বাঁহী বাদক। এই দুয়োজন শিল্পীৰ কম বয়সতে মৃত্যু হ'ল।

অজিত দত্তই লক্ষ্ণৌত কণ্ঠ সংগীতৰ শিক্ষা লৈছিল। নগাঁৱৰ বহু ছাত্ৰ ছাত্ৰীক তেওঁ কণ্ঠ সংগীতৰ শিক্ষা দিছে। এওঁ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আধুনিক গীতৰ শিল্পী আছিল নগাঁও আকাশবাণী কেন্দ্ৰ যোগেও এওঁ গীত পৰিবেশন কৰিছে। এওঁৰ ছাত্ৰী মিতালী বেনাৰ্জী আৰু কণজুন ফুকনে খ্যাতি অৰ্জন কৰিছে।

১৯৬২ চনৰ জানুৱাৰী মাহত সদৌ অসম সংগীত সন্মিলনৰ ৮ ম বাৰ্ষিক অধিবেশন নগাঁৱত অনুষ্ঠিত হৈছিল। সংগীত সন্মিলনীয়ে নগাঁও তথা অসমত এটি সুন্দৰ সংগীতময় পৰিবেশন সৃষ্টি কৰিছিল যদিও আৰ্থিক দিশত নগাঁও অধিবেশন কিছু বিফল হৈছিল।

মাজগাঁৱৰ ঁডম্বৰুধৰ কন্দলী সংস্কৃতিবান পৰিয়ালৰ লোক। তেখেতে ৰচনা কৰা বহুগীত তেখেতৰ কন্যা যামিনী আৰু পুত্ৰ শ্ৰীলক্ষ্মীবল্লভ কন্দলীয়ে গাই আহিছে। স্বৰ্গীয় কন্দলীদেৱে নগাঁৱত সংস্কৃত নাটক 'শকুন্তলা' মঞ্চস্থ কৰি নগাঁৱলৈ সন্মান কঢ়িয়াই আনিলে। নাটকৰ গীত আদিৰ সুৰ, বচন সকলো থিনি তেখেতেই কৃতিত্বৰে সম্পন্ন কৰি খ্যাতি আৰ্জিলে।

ফৌজদাৰীপট্টিৰ প্ৰণতি শইকীয়া (সুৱণা) আৰু মনিমালা শইকীয়া গীতৰ ক্ষেত্ৰত অকালতে মৰহি যোৱা যেন দুপাহি ফুল। গীতৰ সংগীতৰ ক্ষেত্ৰত ঁঅমূল্য কটকী দেৱে তবলা বাদনেৰে বহুগীত প্ৰাণৱন্ত কৰি তুলিছিল। তেনেকৈয়ে পিচৰ যুগত ঁঅতুল শৰ্মাই ঢোলকৰ মিঠা সংগীতেৰে বহুগীত সজাই তুলিছিল। এওঁ কিছুবছৰ মুম্বাইত থাকোঁতে পূণ্যৱান শৰ্মা নামে এজন লোকৰ ওচৰত ঢোলক বাদনৰ শিক্ষা লৈছিল।

'ডেকা ফুকন' (মৈ হেং দাং) মহেন্দ্ৰ নাথ ডেকা ফুকন নগাঁৱৰ বাসিন্দা হৈছিল-কেতিয়াৰ পৰা সেইয়া নাজানো। তেখেতৰ অন্তৰ বজ্ৰৰ দৰে কঠোৰ আৰু ফুলৰ দৰে কোমল আছিল। তেখেতৰ ৰচনাই মাতৃভূমিৰ চৰণত, জীৱনপাত কৰি হ'লেও হাঁহি হাঁহি নিজৰ

সকলোখিনি দিয়াৰ কথাই কৈছে। এই প্ৰবন্ধৰ লেখকক তেখেতে ব্ৰজগম্ভীৰ স্বৰে কৈছিল- "মাল কৌষ" গোৱানে ? গাবা।

শ্ৰীমন্ত শঙ্কৰ মিশ্ৰনৰ "দৃষ্টিহীন" ৰ বাবে থকা বিদ্যালয়ত এই প্ৰবন্ধৰ লেখকৰ ১৯৫৮ চনৰ পৰা চাৰি বছৰ কাল শিক্ষকতা কৰাৰ সৌভাগ্য হৈছিল। তেতিয়াই শ্ৰেণীত শিকোৱা অজয়,(গুৱাহাটী ৰাজ্যিক সঙ্গীত মহাবিদ্যালয়ৰ তবলা বিভাগৰ কৰ্ম্মী) মনু ভূঞা (বৰ্তমান উত্তৰ লক্ষীমপুৰ সংগীত বিদ্যালয়ৰ তবলা বিভাগৰ কৰ্মী) বিপুল লেগুল, ধৰ্ম্মেশ্বৰ নাথ, লক্ষেশ্বৰ হীৰা আদি দৃষ্টিহীন ছাত্ৰ সকল নিজৰ গুণত আৰ্হতাৰে আগবাঢ়ি জীৱনত প্ৰতিষ্ঠিত হৈছে।

অতি কঠিন কামো অভ্যাসৰ দ্বাৰা সহজে হয়। সংগীত অতি কঠিন বিদ্যা কিন্তু অভ্যাস কৰিলে গুৰুৰ উপদেশ লৈ আগবাঢ়িলে কঠিন বিদ্যা সহজ হৈ পৰে। নৃত্যশিল্পী উদয় শঙ্কৰৰ লগত যোৱা সংগীতজ্ঞ প্ৰয়াত ওষ্টাদ আলাউদ্দিন খান মহাশয়ৰ বাজানা শুনি, জাৰ্মানীৰ এখন চহৰৰ গুণমুগ্ধ শ্ৰোতাই তেখেতৰ প্ৰশংসা কৰোঁতে তেখেতে কৈছিল "আপোনালোকে যিখিনি ভাল পাইছে সেইয়া হ'ল ভাৰতীয় সংগীত আৰু যিখিনি বেয়া পাইছে সেইয়া হ'ল মোৰ দোষ।"

শাস্ত্ৰীয় সংগীতৰ গুণী শিল্পী ˘ বীৰেন্দ্ৰ কুমাৰ ফুকন গুৱাহাটীৰ পৰা নিয়মিত ভাৱে অহাযোৱা কৰি নগাঁৱত ৰাগ সংগীতৰ শিক্ষা দিয়াটো ভাবিলেই ভাল ল'গা কথা। তেখেতৰ পৰা কোনে কিমানখিনি ল'ব পাৰিলে সেইয়া নিজৰ নিজৰ কথা। আমাৰ ওচৰৰে শ্ৰীমতী অৰ্পনা গোস্বামীয়ে তেখেতৰ ওচৰত শিক্ষা ল'বলৈ পাইছিল। গোস্বামীয়ে ল'ৰা-ছোৱালীক শাস্ত্ৰীয় সংগীত শিকোঁৱা দেখিছোঁ। তেওঁৰ ঘৰত তানপুৰাৰ শব্দ হৈয়েই থাকে। ভাল পাইছোঁ এইয়া দেখি। সংগীত বিদ্যা গুৰু হয় চৰবত্ তৈয়াৰ কৰি খুৱাই দিব নেকি ? গুৰুৱে শিকাব শিষ্যই দুগুণ উছাহেৰে শিকিব, অভ্যাস কৰিব। এনেকৈয়েতো হয়।

আমোলাপট্টিৰ ৰবীন দাস সত্ৰীয়া নৃত্য গীতৰ চৰ্চাত লাগি আছে। বহু ছাত্ৰ-ছাত্ৰীক শিক্ষা দিছে। সাৰদা দাস হয়বৰগাঁৱৰ এজন ভাল গায়ক আছিল। তেওঁৰ জীয়ৰীয়েও ভাল গীত গাব পৰা হৈছে ই আমাৰ বাবে সুখবৰ। ˘জাহান আহমদৰ নামটো মনত পৰিলে তেওঁৰ হাঁহি ভৰা মুখখন মনলৈ আহে। সুন্দৰ মনৰ মানুহ আছিল জাহান আহমদ। বৰ সোনকালে তেওঁ বিদায় ল'লে। ম: আৰিফুল হক, চুয়েজ বৰদলৈ, মতী ৰঞ্জু দেবী, মতী ৰিণু শৰ্মা, ধ্ৰুৱনানন্দ নেওগ, প্ৰগতি মহন্ত, হীৰা দাস (চামগুৰি) নগাঁৱৰ নাম থকা সংগীত শিল্পী। আৰিফুল বৰ্তমান নগাঁৱৰ সংগীত জগতৰ এটি পৰিচিত নাম। জুয়েজ বৰদলৈ শিৱসাগৰত থাকে আৰু তাতে তেওঁ সংগীত চৰ্চাত লাগি আছে। ৰঞ্জু দেবী ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ কৰ্মী। তেওঁৰ গীত ৰেডিঅ'ত শুনিলে সেই পুৰণি দিনৰ নগাঁৱৰ গানৰ পৰিবেশৰ কথা মনলৈ আহে। ৰিণু শৰ্ম্মাই ১৯৫৮ চনত আন্তঃ কলেজ সংগীত প্ৰতিযোগিতাত শ্ৰেষ্ঠা প্ৰতিযোগীৰ সম্মান লাভ কৰি নগাঁৱলৈ সম্মান কঢ়িয়াই আনিছিল। আমাৰ ভনী লুকিমা ভাগৱতীও আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ নিয়মীয়া শিল্পী আছিল। তেওঁ এতিয়া গুৱাহাটীত থাকে যদিও সংগীতৰ চৰ্চাত লাগি আছে। এতিয়াও গীত গায় গানৰ অভ্যাস কৰে। শ্ৰীশৰৎ গোস্বামী (বিমুকন) সংগীত ৰসিক লোক। সুৰ তালত পকা। এওঁ গায়ক তথা উত্তম সংগতকাৰী শিল্পী (হাৰমনিয়াম)। তেওঁৰ একমাত্ৰ কন্যাও শাস্ত্ৰীয় সংগীতৰ নিয়মিত

অভ্যাস কৰি থকা ছাত্ৰী। গোস্বামীৰ ভাতৃ অনিল গোস্বামীও এজন গায়ক। খুহটীয়া গীতৰ গায়ক বুলি ক'লে তেওঁৰ নামটো মনলৈ আহে। দুয়ো ভাতৃয়ে সংগীতৰ প্ৰচাৰ আৰু প্ৰসাৰত আমাক ভালেমান দিশত সহায় কৰিছে। মিমণি ফুকন, ফুনু গোস্বামী, ৰাগিণী ভট্টাচাৰ্য আকাশ বাণীৰ আধুনিক গীতৰ শিল্পী আছিল। ৰাগিণীয়ে আকাশ বাণীৰ মুম্বাই কেন্দ্ৰ যোগে নিয়মীয়া ভাবে গীত, ভজনৰ অনুষ্ঠান পৰিবেশন কৰিছে।

আমোলাপট্টিৰ মীৰা ফুকনৰ গীত বহু গায়ক গায়িকাই গাইছে। যতীন বৰাই (অকন্‌টি) এসময়ত বহুগীত ৰচনা কৰি গীতিকাৰ ৰূপে প্ৰতিষ্ঠা লাভ কৰিছিল কলেজীয়া জীৱনতে ফৌজদাৰীপট্টিৰ মনি বড়াই গায়ক ৰূপে প্ৰতিষ্ঠা লাভ কৰিছিল। ৰীতা বড়া (অধিকাৰী) অসমীয়া আধুনিক গীতৰ নাম থকা গায়িকা। আকাশবাণী গুৱাহাটীৰ গায়িকা। দূৰদৰ্শন, গুৱাহাটীয়েও এওঁৰ অনুষ্ঠান প্ৰচাৰ কৰিছে। কামপুৰৰ গায়ক চামচুদ্দিন আহমেদে গীতেৰে এটা সময়ত এচাম গুণগ্ৰাহী শ্ৰোতাৰ সৃষ্টি কৰিছিল। কামপুৰৰ ঢোলক বাদক ৰবিদাস ভাতৃ সকলৰ সংগতৰ ক্ষেত্ৰত বৰঙণি অসীম। সংগত নহ'লে সংগীত নহয় - সংগতৰে তেওঁলোকে সংগীত প্ৰাণ প্ৰতিষ্ঠা কৰে।

নগাঁও চহৰৰ স্বপন গুপ্ত আৰু জলী পালৰ নাম আধুনিক গীতৰ ক্ষেত্ৰত অতি উল্লেখ যোগ্য। ৰত্না দাস ৰাগ সংগীতৰ শিল্পী হ'লেও লঘু সংগীতো তেওঁ সমান দক্ষতাৰেই গায়। মৰিকলং ৰৰঘাটৰ ৰেনুকা শইকীয়াই ছাত্ৰী অৱস্থাতে কণ্ঠ সংগীত শিকি, সাধনা কৰি সুগায়িকা ৰূপে খ্যাতি অৰ্জন কৰিছিল। নগাঁও কলেজত ১৯৫১ চনৰ সুকুমাৰ কলা প্ৰতিযোগিতাৰ সংগীত বিভাগত তেওঁ শ্ৰেষ্ঠা প্ৰতিযোগিৰ সন্মান লাভ কৰিছিল।

আমোলাপট্টিৰ বন্দনা ভট্টাচাৰ্য লক্ষ্মৌৰ ভাটখান্দে সংগীত বিদ্যাপীঠৰ পৰা শাস্ত্ৰীয় কণ্ঠসংগীতৰ উচ্চ শিক্ষা লৈ অহা এগৰাকী প্ৰবীন শিল্পী। এতিয়া নগাঁৱৰ কেন্দ্ৰীয় বিদ্যালয়ৰ শিক্ষয়িত্ৰী। নিজৰ উদ্যোগত অনেক ছাত্ৰ-ছাত্ৰীক পাঠ দান কৰি শাস্ত্ৰীয় সংগীতৰ এক পৰিবেশ সৃষ্টি কৰিব পাৰিছে।

আমাৰ সংগীতৰ গুৰু এগৰাকীয়ে এবাৰ এষাৰ বৰ মূল্যবান কথা কৈছিল "চা সংগীত হ'ল এখন মিঠাইৰ দোকানত সজোৱা মিঠাই খিনি, তোৰ সেইবিধ মিঠাই ভাল লাগে, মোৰ ভাল লাগে এই বিধহে। সকলোৱেই সুন্দৰ, সকলো মধুৰ।"

শ্ৰীনগেন বৰা (যোৰহাটত থাকে, এতিয়া) শ্ৰীইউছুফ হাজৰিকা, শ্ৰীমনোৰঞ্জন বৰুৱা (গীতৰ পুথি অনুৰাগ,১৯৭৮) শ্ৰীৰজনী হাজৰিকা, শ্ৰীসূৰ্য্য ৰাজা আদি গীতিকাৰ সকলে বহুগীত ৰচনা কৰি সাহিত্যৰ বেদীত অঞ্জলি দিছে। এখেত সকলৰ গীত আকাশবাণীৰ কেন্দ্ৰ যোগে প্ৰচাৰ হৈছে। নগাঁৱৰ আন আন বহু গায়ক গায়িকাৰ লগতে শ্ৰীসূৰ্য্য দাস, শ্ৰীমতী বিজুৱানা চুলটানা, শ্ৰীমতী অঞ্জলি নাথ, আদিৰ নাম প্ৰায়ে মনত পৰে।

অসমীয়া গীতৰ গায়ক, সুৰকাৰ শিল্পী শ্ৰীযজ্ঞ বেজবৰুৱাৰ নামটো সফল সুৰকাৰৰ শাৰীত কেতিয়াবাই পৰিছে। প্ৰতিটো গীতেই তেওঁৰ হৃদয়ৰ বেদনা যেন সুৰৰ মাজেৰে ক'বলৈ বিচাৰে। প্ৰতিটো গীতৰেই সুকীয়া মাদকতা, প্ৰতিটোৱেই প্ৰাণ টানি ধৰে। বহুত বছৰৰ আগতে সুৰ কৰা এটি গীতো এতিয়াও সমানেই ভাল লাগে। শ্ৰীবেজবৰুৱাৰ গীত আমি আগতে শুনা

এতিয়াও মনত আছে। তেওঁৰ মাত বৰ সুন্দৰ আৰু টনটনীয়া আছিল। সুৰ তালত পকা তেওঁ। তেওঁ সুন্দৰ চিত্ৰ শিল্পীও। তেওঁৰ প্ৰতিটো গীতেই শুৱলা।

আকাশবাণীৰ নগাঁও কেন্দ্ৰ স্থাপন হোৱাৰ পাচত বহু গায়ক গায়িকাই এই কেন্দ্ৰ যোগে নানা ধৰণৰ গীত মাত গাইছে। এই কেন্দ্ৰই নগাঁৱৰ ভালেমান পুৰণি গীত মাত সংৰক্ষণ কৰিছে এইয়া বৰ সুন্দৰ প্ৰচেষ্টা।

ভাত, কাপোৰ আৰু বাসস্থানৰ পাচতে মানুহৰ প্ৰয়োজনীয় বিনিৰ ভিতৰত সংগীত প্ৰধান। নিজৰ পেটিত টুকুৰিয়াই নানা ধৰণৰ ছন্দৰ সৃষ্টি কৰা, মানুহৰ আনন্দৰ আহিলাই বুলিব পাৰি। এনে ধৰণেৰে আনন্দ লাভ কৰি মানুহ তৃপ্ত হয়। সংগীত মূলতঃ দুবিধ। এবিধ কাণেৰে শুনা আনবিধ প্ৰাণেৰে শুনা। প্ৰতিজনৰে মনবো মনত, প্ৰাণবো প্ৰাণত সংগীতৰ প্ৰতি ভাব থাকে। সংগীত শিকিলে, চৰ্চা কৰিলে সংগীতৰ দিগন্ত বাঢ়ি গৈ থাকে।

আমাৰ জাতীয় জীৱনৰ লগত সাঙোৰ খাই থকা বিলাক লোক মুখে প্ৰচলিত গীত, যি বিলাক গীত গাঁৱৰ আই বাই ভনীহঁতৰ মুখত সততে ওলায়, বিবিলাকো আমি জানিব লাগে, শিকিব লাগে, চৰ্চা হ'ব লাগে। গৰখীয়াৰ মুখত এতিয়াও যিযিনি গীত আছে-সেইয়াও চৰ্চা কৰাৰ ব্যৱস্থা হ'ব লাগে। ঢোল বজোৱা, খোল বজোৱা, নেগেৰা বজোৱা এইবোৰ কলা জনা লোকসকলৰ পৰা শিকি তাক জীয়াই ৰখাটো মূল কথা।

আমাৰ এই অঞ্চলত তাহানি বজোৱা ঢুলীয়াৰ বিয়াৰ সময়ৰ বাজানা, পানী তোলাৰ সময়ৰ বাজানা, কালিৰ সুৰ, বনগীতৰ সুৰ, বিয়া নাম এতিয়াও বিকল আছেগৈ তাকে শিকি চৰ্চা কৰি বঢ়াব লাগে। 'কল্লোল' আৰু 'ৰূপ ৰঙ্গ' নগাঁৱৰ এই দুটি সাংস্কৃতিক অনুষ্ঠানে শাস্ত্ৰীয় তথা আধুনিক অসমীয়া গীতলৈ ভালেখিনি বৰঙণি দিছে। 'কল্লোল'ৰ ১৯৮৮ চনৰ সৰ্বৌ অসম ভিত্তিত অনুষ্ঠিত কণ্ঠ সংগীতৰ প্ৰতিযোগিতা সংগীতৰ বিকাশৰ ক্ষেত্ৰত এটি উল্লেখযোগ্য পদক্ষেপ। সংগীতৰ এই প্ৰতিযোগিতাত খেয়াল, ভজন, গজল আৰু আধুনিক গীত এই চাৰিওটা বিভাগতে আমাৰ জীয়ৰী ৰাগিনী ভট্টাচাৰ্যই সন্মান জনক পুৰস্কাৰ লাভ কৰে। ১৯৯১ চনত 'কল্লোল' সাংস্কৃতিক গোষ্ঠীয়ে 'গীত সংগীত' নামে অসমীয়া আধুনিক গীতৰ এটি কেছেট উলিয়ালে। ইয়াত নছৰিণ হালিম্, আৰিফুল হক, বিজুৱানা চুলটানা আহমদ, ময়দুল ইচলাম শইকীয়া, বৰ্ণালী হাজৰিকা আদিৰ গীত সন্নিবিষ্ট কৰা হৈছে।

"ৰূপ ৰঙ্গ" ই আজিৰ পৰা দহ কি বাৰ বছৰ মানৰ আগতে গজল গায়ক 'পঙ্কজ উধাছ' ৰ একক সংগীতানুষ্ঠানৰ আয়োজন কৰি দুদিন ৰাইজক এইজন গায়কৰ সুলিল গীত শুনাৰ সুযোগ দিছিলি। এই সাংস্কৃতিক গোষ্ঠীয়ে পদ্মশ্ৰী শাৰবীন চুলটানাৰ সংগীতানুষ্ঠানবো আয়োজন কৰিছিল।

নগাঁৱৰ নাটকৰ ক্ষেত্ৰত বীণাপানি নাট্যমন্দিৰ, নগাঁও নাট্যমন্দিৰ, আৰু বৰুৱানী নাট্যমন্দিৰৰ সমূহীয়া প্ৰচেষ্টাই অকল নাটকৰে নহয়, নাটকৰ সংগীতবো উন্নতি সাধন কৰিছে। যি সকল গায়কে নাটকৰ গীতত ভাগ লৈ দৰ্শকক বিমল আনন্দ দিছিল সেই সকলৰ ভিতৰত প্ৰয়াত কমলানন্দ ভট্টাচাৰ্য্য, ˚অমল চন্দ্ৰ শৰ্মা, ˚ৰাজেন শৰ্মা, ˚অৱনী কটকী, ˚অমূল্য কটকী, ˚ৰুদ্ৰ

বৰুৱা, ˚উমেদ্ বেইজা, শ্ৰীসুৰেশ কৰৰ নাম উল্লেখযোগ্য।

হয়বৰগাঁওৰ ˚সনৎ কুমাৰ বৰদলৈ নাটকৰ সংগীত পৰিচালক ৰূপেও সফল হৈছিল। একালত তেওঁ বৃন্দগানৰ নেতৃত্ব লৈ সুন্দৰ উপস্থাপনেৰে গীত সমূহ মনোগ্ৰাহী কৰি তুলিছিল। বহু যুৱক যুৱতীয়ে গীতত ভাগ লৈছিল। "আমি শান্তিকামী আমি মুক্তিকামী" তেওঁৰ এটি গীতৰ প্ৰথম শাৰী এতিয়াও মনত পৰে। স্বৰ্গীয় মানিক চক্ৰৱৰ্ত্তী নগাঁৱৰ এজন উচ্চস্তৰৰ শিল্পী। তেওঁ আমাৰ সমনীয়া আছিল। আমাৰ লগতে লক্ষ্ণৌলৈ গৈ শাস্ত্ৰীয় সংগীত শিকিছিল। নগাঁৱত ভালেমান ছাত্ৰ-ছাত্ৰীক তেওঁ শিকাইছিল। বয়স বঢ়াৰ লগে লগে তেওঁ উদাসী মনক গায়ক হৈছিল। ভক্তি সংগীত বিশেষকৈ সুৰদাসৰ ভজন তেওঁ প্ৰাণখুলি গাই তৃপ্তি পাইছিল। ১৯৭৬ চনত ইয়াৰ ঘৰদুৱাৰ বিক্ৰি কৰি কোচ বিহাৰলৈ গ'ল। তাতে ১৯৯০ চনত তেওঁৰ মৃত্যু হ'ল। ইয়াৰ পৰা কোচ বিহাৰলৈ যোৱাৰ পাচতো তেওঁ কেইবাবাৰো নগাঁৱলৈ আহিছিল।

নগাঁও সংগীত সন্মিলনীৰ প্ৰথম অধিবেশনৰ সভাপতি পদ অলংকৃত কৰিছিল, নগাঁৱৰ বিশিষ্ট আইনজীৱি প্ৰয়াত তৰুণ চন্দ্ৰ ফুকনে। সম্পাদক আছিল মুকুট চন্দ্ৰ শৰ্মা (প্ৰাক্তন মন্ত্ৰী)। এই দুয়োজন লোকৰ চেষ্টাত সংগীত সন্মিলনীৰ অনুষ্ঠান কৃতকাৰ্য হৈছিল। দুয়োজনেই ৰাগ সংগীত ভাল পাইছিল। গোটেই নিশা উজাগৰে থাকি ৰাগ সংগীত শুনা তেখেতসকলৰ অভ্যাস হৈছিল। মুকুট শৰ্মাই সকৰে পৰা গান গাইছিল, চেতাৰ বজাইছিল।

শ্ৰোতাক উচ্চ স্তৰৰ কলাৰ সোৱাদ বুজিবলৈ আকৃষ্ট কৰিব পৰাতেই কলাকাৰৰ তৃপ্তি। নগাঁৱৰ দৰ্শকেও কলাকাৰৰ লগত একপ্ৰাণ হৈ সংগীতৰ মৌ ৰস পাণ কৰিছিল। সংগীত সন্মিলনীৰ কৃতকাৰ্যতা আছিল তাতেই।

কলিয়াবৰৰ স্বৰ্গীয় হৰেণ শৰ্মাই অতি কষ্টৰে লক্ষ্ণৌত থাকি গীত বাদ্য শিকি আহি-কিছু সংখ্যক শিক্ষাৰ্থীক শিক্ষা দিয়াৰ কথা জানো। তেখেত আমাতকৈ বয়সত ডাঙৰ আছিল। মাজগাঁৱৰ ˚ডম্বৰুধৰ কন্দলীৰ জ্যেষ্ঠ পুত্ৰ শ্ৰীলক্ষ্মীবল্লভ কন্দলীয়ে লক্ষ্ণৌ, দিল্লী আদি ঠাইত ভালেমান দিন থাকি সংগীতৰ শিক্ষা লৈছিল। তেওঁৰ ভায়েক শ্ৰীভাস্কৰ কন্দলী বৰ্ত্তমান বাজ্যিক সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাবে কাৰ্য্যনিবাহ কৰিছে।

নগাঁৱৰ পৰা প্ৰযোজনা কৰা কেইখনমান অসমীয়া চলচিত্ৰৰ ভিতৰত 'পূৱেৰুণ' আৰু 'মৰমতৃষ্ণা' ৰ লগত আমি জড়িত হৈছিলোঁ। ১৯৫৯ চনত 'পূৱেৰুণ' ৰ সংগীতৰ গীতাংশ বাণীবদ্ধ কৰা হৈছিল। তেতিয়াৰ দিনত কলিকতাতহে ৰেকৰ্ড কৰাৰ সুবিধা আছিল। এই খন চলচিত্ৰৰ সংগীত পৰিচালক আছিল ˚তৰুণউদ্দিন আহমদ আৰু আমি আছিলোঁ সহকাৰী সংগীত পৰিচালক। "মৰমতৃষ্ণা" ৰ গীতাংশ বাণীবদ্ধ কৰা হৈছিল ১৯৬২ চনত।এইখন ছবিত আমি সংগীত পৰিচালক ৰূপে কাম কৰাৰ সৌভাগ্য হৈছিল। দুয়োখন ছবিতে গীতাংশ ভাল হোৱা বুলি বাইজে কোৱাত আমি শান্তি পাইছিলোঁ। নিজৰ ঠাইৰ জনগণৰ ৰুচিৰ প্ৰতি সন্মান জনাই যি ধৰণৰ নৃত্য গীতৰ আৱশ্যক আমি সেই ধৰণৰ সংগীতেই ব্যৱহাৰ কৰিছিলোঁ।

নগাঁও সংগীত সন্মিলনৰ (১৯৭৪-১৯৭৯) প্ৰতিবছৰে আয়োজন কৰা শাস্ত্ৰীয় সংগীত প্ৰতিযোগিতা আৰু এদিনৰ ৰাগ সংগীতৰ প্ৰদৰ্শনীৰ আয়োজন, উল্লেখযোগ্য পদক্ষেপ

আছিল। ১৯৭৬ চনৰ সংগীতানুষ্ঠানত কলিকতাৰ গায়ক প্ৰসূন বেনাৰ্জীৰ শেহ নিশাৰ ললিত ৰাগৰ খেয়ালৰ কথা বহু বছৰলৈ মনত ৰাখিবলগীয়া অনুষ্ঠান হৈছিল। স্পিক মেকেৰ (Spicmacay) নগাঁও শাখাৰ উদ্যোগত ভালে কেইজন আগশাৰীৰ সংগীত শিল্পীৰ অনুষ্ঠান নগাঁৱত হৈছিল। 'সুৰভি', 'নান্দনিক' আদি সাংস্কৃতিক অনুষ্ঠানৰ জৰিয়তেও ভাল ভাল সংগীতানুষ্ঠান হৈছিল। নগাঁও গ্ৰন্থ মেলাৰ লগত ৰঞ্জিতা খুৰাই প্ৰতি সন্ধিয়া ২ ঘন্টা মান সময়ৰ বাবে সংগীতানুষ্ঠানৰ আয়োজন কৰি 'কল্লোলে' শ্ৰোতা আৰু কলাকাৰক ওচৰ চপাই আনিছে। সংগীতৰ ৰিকাশৰ ক্ষেত্ৰত শিল্পী, গীতিকাৰ আদিৰ লগতে শ্ৰোতাবো ওতঃ প্ৰোত সম্বন্ধ আছে। শ্ৰোতাইহে শিল্পীৰ প্ৰাণত আনন্দৰ জোৱাৰ আনে, তেতিয়াহে সংগীত শ্ৰৱন মধুময় হয়। সংগীতৰ বিকাশৰ ক্ষেত্ৰত এই গোটেই বোৰ কথা বান্ধ খাই আছে।

আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰই ১৯৭২ আৰু ১৯৭৬ চনত নগাঁৱত শাস্ত্ৰীয় সংগীতৰ দুটি মনোৰম অনুষ্ঠান আয়োজন কৰি বহু শ্ৰোতা দৰ্শকক নান্দনিক তৃপ্তি দিছিল। শ্ৰোতা হ'ল সংগীত শিল্পীৰ শিল্প সৃষ্টিৰ প্ৰধান উপাদান।

সংগীত সভা, বিচিত্ৰানুষ্ঠান, গানৰ বৈঠক আদি তাহানি নগাঁও চহৰত যেতিয়া অনুষ্ঠিত হৈছিল তেতিয়া তাত কিছুসংখ্যক উত্তম শ্ৰোতা সদায় উপস্থিত আছিল। সেই সকল উৎসাহী শ্ৰোতাই শিক্ষাৰ্থী তথা শিক্ষকক গাই বজাই থাকোঁতে সদায় অনুপ্ৰেৰণা যোগাইছিল। সংগীতৰ বিকাশৰ ক্ষেত্ৰত সেইসকল লোকৰ যোগদান অতি গুৰুত্বপূৰ্ণ আছিল। তেনে লোক উপস্থিত নাথাকিলে সংগীত সভাৰ সৌন্দৰ্য ম্লান পৰিছিল। যেন লোন নিদিয়া ব্যঞ্জনহে। আমাৰ মনত পৰা তেনে লোক সকলৰ ভিতৰত এইখিনি লোকৰ নাম শ্ৰদ্ধাৰে স্মৰণ কৰোঁ। ˚তপেশ্বৰ দাস (টেপু ঘৰত মতা নাম), ˚ৰফিউল গনি(বাদা ককাই), ˚চাহেদ আলী(গায়ক, আমাৰ গুৰু ভাই), ˚চান্তাৰ ককাই, ˚ কুঞ্জ বিহাৰী দাদা, ˚ হৰি ভূঞা দাদা(গান গাইছিল, তবলা বজাইছিল), ˚ উমেদ বেইজা(হীৰা ককাই, গজল গায়ক), ˚ বিষ্ণুপদ বিশ্বাস(সংগীত শিক্ষক), ˚ পহলুৰ আলী(তানপুৰা বাদক)। ˚হৰি ভূঞা দেৱৰ ছোৱালীয়ে গান গায় আৰু ল'ৰা শ্ৰীৰূপজ্যোতিয়ে ভাল তবলা বজায়। তেওঁ তবলাৰ শিক্ষকতাও কৰে।

১৯৫৬ চন মানৰ পৰা নগাঁৱত চাকৰি কৰা ˚ননীগোপাল পুৰকায়স্থ (চেতাৰ বাদক, কৰ বিভাগৰ উচ্চ পদস্থ চৰকাৰী বিষয়া) দেৱে আমাক উৎসাহ দি "শনিবৰীয়া সংগীত মেল" নামদি সংগীত চৰ্চাৰ বাবে এটি অনুষ্ঠান জীয়াই ৰখাৰ বহুখিনি সহায় সহযোগিতা কৰি আমাক আগবাঢ়িবলৈ সুবিধা দিছিল। প্ৰতি শনিবাৰে কোনো এজন ব্যক্তিৰ আমন্ত্ৰণ ক্ৰমে "শনিবৰীয়া সংগীতৰ" ৩/৪ ঘন্টাৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। এটা শনিবাৰৰ অনুষ্ঠানৰ বিষয়ে আগৰটো শনিবাৰেই আমাৰ সভ্যসকলক জনোৱা হৈছিল স্থান আৰু শিল্পী সকলৰ অনুষ্ঠানৰ বিষয়ে। তাত শ্ৰোতা সকলে নিজৰ মতামত খুলমুল ভাবে কোৱাৰ ব্যৱস্থা আছিল। এই ব্যৱস্থাৰে আমাৰ সংগীতৰ চৰ্চাও হৈছিল আৰু বিকাশো হৈছিল। ১৯৫৯ চনৰ ১৫ আৰু ১৬ আগষ্ট তাৰিখে নগাঁও বাঙালী নাট্য মন্দিৰত "শনিবৰীয়া সংগীত মেল"ৰ বছেৰেকীয়া সংগীত সম্মিলন হৈছিল। তাত গুৱাহাটী, যোৰহাট, শিলচৰ আদি ঠাইৰ শিল্পীয়ে ভাগ লৈছিল। ৬-১১-৬২

তাৰিখে আমাৰ সংগীত মেলৰ লোকসকলে ৩৫১.০০ টকা ৰাষ্ট্ৰীয় ডিফেঞ্চ ফাণ্ডলৈ পঠাব পাৰি আনন্দিত হৈছিলোঁ হ'ক। শনিবৰীয়া সংগীত মেলৰ প্ৰথম সভাখন হৈছিল ডি, এছ, পি শ্ৰীসন্তোষ চক্ৰৱৰ্তীদেৱৰ বাসভৱনত।

শাস্ত্ৰীয় সংগীতৰ প্ৰসাৰৰ বাবে নিষ্ঠাৰে লাগি থকা মৰিকলঙৰ টংকেশ্বৰ বৈদ্যই বৰ্ত্তমান নয়নতৰা সংগীত বিদ্যালয়ত তবলাৰ শিক্ষা দিয়ে। তেওঁ নগাঁও সংগীত সম্মিলনীৰ অনুষ্ঠানত তবলাৰে সংগীতত ভাগ লৈছিল। নিত্য বৰুৱা, শিবনিন্দ্ৰ বড়া, নিৰ্মল বিশ্বাস, ভূবনেশ্বৰ শইকীয়া, আমাৰ পুত্ৰ জীবানন্দ ভট্টাচাৰ্য, মনীন্দ্ৰ গোস্বামী, নয়ন কমল শইকীয়া, যতীন ফুকন আদি সকলে তবলা বাদনৰ চৰ্চাত লাগি আছে। ইয়াৰে দুই একে তবলাৰ শিক্ষকতাও কৰিছে। আৰু বহুতো শিক্ষাৰ্থী আছে সকলোকে হয়তো নেজানো। এই সকলোৰে যত্নত আমাৰ অঞ্চলত সংগীতৰ এটি পৰিবেশ হওক- এয়ে আশা।

নিজৰ বিষয়ে :

পিতৃ-মাতৃৰ আশীৰ্ব্বাদত এই অভাজন গীত বাদ্য অকনমান শিকাৰ সুযোগ পাই ধন্য হ'লোঁ। গুৰুৰ কৃপাত তাকে চৰ্চা কৰি গোটেই জীৱন বিদ্যাৰ্থী হৈয়ে ৰৈছোঁ। মোৰ আয়ে মোক প্ৰায়ে এই কথাষাৰ কৈছিল- সেয়ে মোৰ শিৰৰ ভূষণ।

“ ভাল নাম পাবলৈ যদি কৰা মন
তেনেহ'লে নুবুলিবা নোৱাৰো বচন
দহজনে পাৰে যিটো তুমিও পাৰিবা সিটো
একেবাৰে নোৱাৰিলে এশবাৰে কৰা।

১৯৫১ চনত মোৰ ১৯ বছৰ বয়সত পিতৃহীন হৈ পৰিয়ালৰ বৰ পুত্ৰই পঢ়াশুনা এৰি লক্ষ্ণৌলৈ তবলা শিকিবলৈ গৈছিলোঁ। ঘৰত বিধবা মা, সৰু সৰু ভাই ভনী তিনিটা। সদ্য পুত্ৰ হাৰা বুঢ়ী আই ˚ যজ্ঞেশ্বৰী দেৱী। এনে পাৰিবাৰিক সমস্যাৰ মাজত সকলো বাদ দি গান বাজনাত লাগিবলৈ আগবঢ়া কথাটো সেই যুগত কেনে কথা আছিল এতিয়া ভাবিলে ভাল লাগে। কি সাহসী আই মোৰ সৰোজ কুমাৰি ভট্টাচাৰ্য (৮৯ বছৰ বয়সত মৃত্যু হয়)। তাকে এতিয়াও ভাবোঁ। আইৰ উদগনিয়েই মোৰ সম্বল। হতাশ নহৈ কাঁইটবোৰত মই যেন পুৱাৰ সূৰ্যৰ পোহৰ দেখা পাওঁ। বিখিনি দিয়াৰ লাগে প্ৰভুয়ে সকলোখিনি দিয়ালে এতিয়া ক'বলৈ আৰু একো নাই। মোৰ জ্ঞাত সাৰে কাকো কোনো ক্ষেত্ৰতে মনোকষ্ট দিয়া নাই। এই মোৰ সোনৰ অসম দেশ এৰি আন ঠাইলৈ যাবলগীয়া নহ'ল। ইয়াৰ ধুলিকনাই মোক সৰু সৰু বাতৰি দিয়ে; ইয়াৰ চৰাইৰ মাতত মই তবলাৰ বিভিন্ন তালৰ ছন্দ শুনো; ইয়াৰ ৰবযুণত তানপুৰাৰ সুৰ শুনি তন্ময় হওঁ- আৰুনো মোক কি লাগে।

যিসকল গুনী ব্যক্তিৰ নাম ইয়াত স্মৰণ কৰা হৈছে বা কৰিবলৈ পাহৰিলোঁ সকলোলৈকে সেৱা জনাইছো।

জয়তু সংগীত- জয় কলাকাৰ। ❑

স্বৰাজোত্তৰ নগাঁৱৰ নাট্যচৰ্চা

ৰামকুমাৰ ভট্টাচাৰ্য

যোৱা এটা শতিকাতকৈয়ো অধিক কাল নগাঁৱত আধুনিক, পৌৰাণিক বা ঐতিহাসিক নাটকৰ বিষয়ে বিভিন্ন নাট্যকাৰে, নাট্য অনুষ্ঠানে চিন্তা-চৰ্চা কৰি আহিছে আৰু তাৰ ফলশ্ৰুতি হিচাপেই স্বৰাজোত্তৰ কালত এই চিন্তা-চৰ্চা প্ৰচুৰ পৰিমাণে বৃদ্ধি পাইছে।

স্বৰাজোত্তৰ কালৰ নাট্যচৰ্চাৰ বিষয়ে লেখিবলৈ হ'লে প্ৰথমেই নগাঁও নাট্য মন্দিৰৰ বিষয়ে উল্লেখ কৰিব লাগিব। প্ৰকৃতাৰ্থত স্বৰাজোত্তৰ নহ'লেও '৪৭ চনৰ মাজ ভাগতে নগাঁও নাট্য সমিতিয়ে যুগান্তকাৰী নাটক 'পিয়লি ফুকন' মঞ্চস্থ কৰে। যি কেইগৰাকী নাট্যকাৰে এই অমূল্য নাট ৰচনা কৰিছিল, সেই কেইগৰাকীয়ে নাট্যকাৰ হিচাপেই নহয়, মঞ্চ অভিনেতা হিচাপেও অসমৰ নাট্য মঞ্চ জিলিকাই আছিল। তেখেত সকল হ'ল ˚ চন্দ্ৰ ফুকন, ˚ সাৰদাকান্ত বৰদলৈ, ˚ যুগল দাস আৰু দ্বিজেন্দ্ৰ মোহন গোস্বামী। অভিনেতা, নাট্যকাৰ নহ'লেও, যাৰ একান্ত আন্তৰিকতাত, এই অমৰ সৃষ্টি সম্ভৱপৰ হৈছিল, তেখেত আছিল নগাঁও জিলাৰ উপায়ুক্ত ৰবীন্দ্ৰ খাউণ্ড।

নগাঁৱত নাট্যচৰ্চাৰ আগৰণুৱা এই চাৰিগৰাকী কুশীলবৰ নাট্যান্দোলনৰ প্ৰতি যি দান আৰু আত্মত্যাগ সেইয়া বৰ্ণনাতীত। পঞ্চাশ দশকৰ পৰা আশীৰ দশকলৈ এই কেইগৰাকী নাট্যকাৰে, নাট্য ৰচনা কৰাৰ উপৰিও, বহু সংখ্যক অভিনেতা, অভিনেত্ৰী সৃষ্টি কৰি গৈছে। মঞ্চ সফল নাট ৰচনাৰ ক্ষেত্ৰত নাট্যকাৰ সাৰদাকান্ত বৰদলৈ অন্যতম। তেখেত সামাজিক, বুৰঞ্জীমূলক আৰু প্ৰহসনধৰ্মী, নাটক ৰচনাৰ ক্ষেত্ৰত সিদ্ধহস্ত। হয়বৰগাঁৱৰ বীণাপাণি নাট্য মন্দিৰ আৰু নগাঁও নাট্য মন্দিৰ এই দুয়ো অনুষ্ঠানৰ লগত তেখেত ওত:প্ৰোতভাৱে জৰিত আছিল। যুটীয়াভাৱে ৰচনা কৰা (কৃষ্ণানন্দ ভট্টাচাৰ্য) 'মগৰীৰৰ আহ্বান'ৰ কথা বাদ দিলে 'পহিলা তাৰিখেই' তেখেতৰ প্ৰথম সৃষ্টি। এইখন নাটক কেন্দ্ৰ কৰি সেই সময়ত 'বীণাপাণি' নাট্যচৰ্চাৰ কেন্দ্ৰ হৈ পৰিছিল। এই সকলৰ ভিতৰত প্ৰধানকৈ আছিল নগাঁও ছোৱালী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ˚ মহেশ চন্দ্ৰ দেৱগোস্বামী, হেম কলিতা, ফজলুল কেৰিম, মথুৰা দাস, দিনেশ বৰা, ইন্দ্ৰেশ্বৰ শইকীয়া, কেশৱ হাজৰিকা আদি। সেই সময়ত নগাঁও চহৰৰ সুধী সমাজত এই নাটকখনি এটি আলোচনাৰ বিষয় হৈ পৰিছিল। এই নাটকখনৰ জৰিয়তে মধ্যবিত্ত আৰু নিম্নবিত্ত সমাজখনৰ সমস্যাসমূহৰ প্ৰতিচ্ছবি দাঙি ধৰিবলৈ চেষ্টা কৰাৰ বাবে নাটকখনত কেইবাটাও কাহিনী অন্তৰ্ভুক্ত কৰিবলগীয়া হৈছে। অথচ নাটকখনত প্ৰথমৰ পৰা শেষলৈকে 'ৰাজখোৱা' ৰ দৰে অনুপম চৰিত্ৰৰ সৃষ্টি কৰি কাহিনী ভাগ আগুৱাই নিয়াত নাট্যকাৰ সফল হৈছিল।

নাট্যপ্ৰবৰ বৰদলৈদেৱ প্ৰকৃতাৰ্থত গান্ধীবাদী। "সেই বাটেদি" নাটকখনৰ জৰিয়তে গান্ধীয়ে দেখুৱাই যোৱা আদৰ্শৰে আগবাঢ়িবলৈ সমাজক আহবান জনাইছে। চাহ বাগিছাৰ মালিক বৰুৱাৰ ড্ৰয়িং ৰুমত গান্ধীজীৰ এখন ফ'টোৰ তলত লেখা আছে -He showed us the way বৰুৱাৰ একমাত্ৰ উচ্চ শিক্ষিত পুত্ৰ দিলীপৰ সেয়াই আদৰ্শ। ঘাট প্ৰতিঘাটৰ মাজেদি এই আদৰ্শৰে জয়।

নাট্যচৰ্চাৰ লগত মঞ্চসজ্জা অভিন্ন। 'সেই বাটেদি' নাটক মঞ্চস্থ হোৱাৰ আগলৈকে অন্তত: নগাঁৱত, মঞ্চৰ ভিতৰত এটি সুন্দৰ ড্ৰয়িং ৰুম কেতিয়াও সাজি উলিওৱা হোৱা নাছিল। ভাস্কৰ যুগল দাসদেৱৰ পৰিকল্পনা, আশাশুধীয়া চেষ্টা আৰু ব্ৰজ ফুকনদেৱৰ পৰিশ্ৰমৰ ফলত নগাঁও নাট্য মন্দিৰত ই সম্ভৱপৰ হৈছিল।

সমাজৰ পৰা অস্পৃশ্যতা নাশ কৰা গান্ধীজীৰ জীৱনৰ মূল আদৰ্শ। এই আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ ৰচনা কৰা নাট্য প্ৰবৰ বৰদলৈ দেৱৰ 'উপহাৰ' অসমীয়া নাট্য সাহিত্যলৈ শ্ৰেষ্ঠতম উপহাৰ। অসম সাহিত্য সভাৰ দ্বাৰা পুৰস্কৃত এই নাটকখন ১৯৭০ চনৰ জুলাই মাহত বাঙ্গালোৰত অনুষ্ঠিত সৰ্বভাৰতীয় নাট মহোৎসৱলৈ অসমৰ পৰা নিৰ্বাচিত হয় আৰু সেই মহোৎসৱত সৰ্ব শ্ৰেষ্ঠ নাটক ৰূপে পৰিগণিত হয়। 'কানাড়া প্ৰভা' ত সেই চনৰ ২৭ জুলাইৰ সংখ্যাত প্ৰকাশ হোৱা কিছু অংশ ইয়াত তুলি দিয়া হ'ল।

Shri Bardoloi, who is a experienced writer and actor has shown to us what a drama should be. People were highly moved by the drama.... It is essential that such type of drama concerning a social evil should be available in Kannada language. We should suggest that the Sangit Natak Akademy should help them to translate it to Kannada language. বৰদলৈ দেৱৰ অন্যান্য নাটক সমূহ হ'ল "পোহৰৰ জিলিঙনি", " দিক্‌ভ্ৰষ্ট", "অকাল বোধন", "কুৰঙ্গনয়নী", "ভোটাই ডেকা", "ফুলগুৰিৰ ধেৱা" আৰু শিশু আৰু মহিলাৰ বাবে ৰচিত "চতুৰঙ্গ"।

নাট্যপ্ৰবৰ বৰদলৈদেৱ এগৰাকী দক্ষ পৰিচালক। স্বৰচিত নাটকৰ বাহিৰেও বিভিন্ন অনুষ্ঠানৰ অনুৰোধক্ৰমে অন্যান্য নাটকো তেখেতে পৰিচালনা কৰিছে। নাটকৰ প্ৰত্যেকটো চৰিত্ৰৰে প্ৰৱেশ প্ৰস্থানৰ পৰা আৰম্ভ কৰি, সংলাপ নিক্ষেপ, চালচলন, প্ৰয়োজনীয় অঙ্গ-চালনা অতি নিখুঁত আৰু যত্ন সহকাৰে শিকাইছিল। তেখেতৰ স্নেহধন্য অভিনেতা আৰু পৰিচালকসকল হ'ল ˚জিতেন শৰ্মা, ˚সনৎ কুমাৰ বৰদলৈ, ˚সদানন্দ শৰ্মা, অহীন্দ্ৰ শৰ্মা আৰু আজিও যিসকলে নগাঁও নাট্য সমিতিৰ সভ্য হিচাপে এই দিশত চিন্তা-চৰ্চা কৰি আছে. তেখেত সকল হ'ল কানু বেজবৰুৱা, চুনী ভট্টাচাৰ্য, ৰাজেন শৰ্মা আৰু বীৰেন মহন্ত।

অসমৰ মধ্যস্থল নগাঁৱত এটি জাতীয় নাট্যশালা স্থাপনৰ সপোন দেখিছিল শিল্পপ্ৰাণ চন্দ্ৰ ফুকন ভাণ্ডাৰীয়াই। এই সংক্ৰান্তত সংগীত নাটক একাডেমিৰ হৈ বিজনীৰ ৰাণী সবিতা দেৱী,

প্ৰাক্তন সাংসদ লীলাধৰ কটকীৰ লগত লগ লাগি, এই কামত অগ্ৰসৰ হৈছিল যদিও ফলপ্ৰসু নহ'ল। অসমৰ সকলো নাট্যকাৰ, অভিনেতা, অভিনেত্ৰীক একত্ৰিত কৰাই আছিল ইয়াৰ প্ৰধান উদ্দেশ্য। সেয়ে দিল্লীত অনুষ্ঠিত কবিবলগীয়া 'শোণিত কুঁৱৰী' নাটকত অসমৰ শ্ৰেষ্ঠ অভিনেতা, অভিনেত্ৰী, সঙ্গীতশিল্পী, নৃত্যশিল্পীক একত্ৰিত কৰি এখন অতি উচ্চ পৰ্যায়ৰ নাটক মঞ্চস্থ কৰিবলৈ সক্ষম হৈছিল। তেজপুৰৰ বিখ্যাত অভিনেতা ফুলেন গোস্বামী, নট সূৰ্য ফণী শৰ্মা, কলা গুৰু বিষ্ণু প্ৰসাদ ৰাভা, নৃত্যশিল্পী প্ৰদীপ চলিহা, অজয় চলিহা, মনি শৰ্মা, বাণু বৰুৱা, জ্ঞানদা কাকতি, বকুল শইকীয়া আৰু নগাঁৱৰ কুশীলবক লৈ এখনি অপূৰ্ব, আটক ধুনীয়া নাটক ভাৰতবৰ্ষক উপহাৰ দিবলৈ সক্ষম হৈছিল। 'চানডে ষ্টেট্‌চ্‌মেন্ট' কাকতৰ মন্তব্য এনেধৰণৰ ঃ-
Indeed the success of the production lay in the ability of the director to treat it as a "Mid-Summer Night's Dream" Songs and dances are woven into the texture of the play to create an effect of beauty. Both the music and the dances were appealing. This is a play and dance drama which every lover of threatre should see .

নগাঁও নাট্য সমিতিত শিল্প প্ৰাণ ফুকনদেৱৰ স্থান সুকীয়া। আজি নগাঁও নাট্য মন্দিৰত নাট্যচৰ্চা চলি থকাৰ মূলতে ফুকনদেৱৰ অৱদানৰ কথা সকলোৱে শ্ৰদ্ধাৰে সোঁৱৰে। অভিনয় কৰিবলৈ একাগ্ৰতা আৰু অনুশীলনীৰ প্ৰয়োজন, সেই কথা 'পিয়লি ফুকন' ৰ মাজেদি দেখুৱাই যোৱাৰ উপৰিও, শেষ বয়সত 'বেউলা' নাটকত চান্দ সদাগৰৰ ভাৱত যি অভিনয় কৰিলে, তেনে উচ্চ পৰ্যায়ৰ অভিনয় কোনো শিল্পীৰ পৰা পাব নোৱাৰি। প্ৰখ্যাত শিল্পী সকলৰ প্ৰতি আছিল গভীৰ শ্ৰদ্ধা, নগাঁৱৰ শিল্পী সকলৰ প্ৰতি অকুণ্ঠ মৰম। উৎপল দত্ত, শোভা দত্ত, ভানু বানাৰ্জীৰ দৰে শিল্পী সকলক নিমন্ত্ৰণ কৰি আনিছিল নাট্য মন্দিৰলৈ, কনিষ্ঠ শিল্পী সকলক অনুপ্ৰেৰণা যোগাবলৈ।

'পিয়লি ফুকন'ৰ অন্যতম নাট্যকাৰ ফুকনদেৱে নিজে আন নাট ৰচনা নকৰিলেও, বহু উদীয়মান নাট্যকাৰক দিহা পৰামৰ্শ দিছে। পৰিচালক হিচাপে কঠোৰ পৰিশ্ৰমী মহিলা শিল্পীক পৰিচালনা কৰাৰ ক্ষেত্ৰত তেখেতৰ সমকক্ষ কোনো নাই।

ষাঠিৰ দশকত নগাঁৱত 'সৰগম' নামে এটি নাট্য অনুষ্ঠানে, নগাঁৱত নাট্য চৰ্চাৰ ধাৰা সজনি কৰিবলৈ সক্ষম হয়। ˚ তচন্দুক ইউচুফৰ পৰিচালনাত ভবেন্দ্ৰনাথ শইকীয়াৰ 'এজাক জোনাকিৰ মিলমিল', অনুবাদ নাটক 'নাট্যকাৰৰ সন্ধানতছটি চৰিত্ৰ' আদি নাটকে এচাম নতুন সম্ভাৱনাপূৰ্ণ অভিনেতা-অভিনেত্ৰীৰ সৃষ্টি কৰিলে, নাট্যকাৰসকলৰ নাটক ৰচনা কৰাৰ দৃষ্টি ভঙ্গীও সজনি হ'ল। নাট্য চৰ্চাৰ ক্ষেত্ৰত 'সৰগম' ৰ এই অৱদান স্মৰণীয়।

দেৱকুমাৰ শইকীয়াৰ অনেক মৌলিক আৰু ভাবান্তৰ নাটক অপেশাদাৰী দলে সফলভাৱে মঞ্চস্থ কৰিছে। "গতিৰ নাম পয়গম্বৰ", "অৰ্জুনতলিৰ ধুমুহা", " দহন" উল্লেখযোগ্য।

আধুনিক নাটক ৰচনাৰ ক্ষেত্ৰত 'সদৌ অসম একাঙ্ক নাট্য সন্মিলন'ৰ অৰিহনা প্ৰচুৰ।

এই নাট্য সন্মিলনৰ নগাঁও শাখাৰ জৰিয়তে এই বিষয়ে কৰা চিন্তা চৰ্চাৰ জৰিয়তে গাঁৱে ভূঞে নতুন নতুন নাট্য দল গঠন হ'ল। নগাঁৱত অধ্যাপক ভগবান বৰুৱা,* পদ্ম বৰা, গোলাপ বৰা, কুসুম বৰা আদি কৰি বহু নাট্যকাৰৰ সৃষ্টি হ'ল।* পদ্ম বৰাদেৱে পাচত পূৰ্ণাংগ নাটক ৰচনা কৰে আৰু 'চতুৰঙ্গ' নামেৰে চাৰিখন নাটক প্ৰকাশ হৈছে।

নগাঁও কলা মন্দিৰ এটি পুৰণি অনুষ্ঠান। বিগত কালত এই নাট্যানুষ্ঠানে দুই এখন নাটকৰ অভিনয় কৰি আহিছে। সাৰদা কান্ত বৰদলৈদেৱক এই অনুষ্ঠানে ১৪/১১/৭৭ তাৰিখে 'নাট্যপ্ৰবৰ' উপাধি দি অতি যোগ্যজনক যোগ্য সন্মান জনোৱাৰ বাবে সদৌ অসমবাসীৰ শ্ৰদ্ধাৰ পাত্ৰ হৈছে।

দক্ষিণ হয়বৰগাঁৱৰ নাটঘৰটিত আজি বহুত কাল কোনো নাটক মঞ্চস্থ হোৱা নাই। তথাপি ডা০ গিৰীন বৰাৰ ঐকান্তিক চেষ্টাৰ ফলত কেইবাখনো নাটক নগাঁও জিলা পুথিভঁৰালত মঞ্চস্থ হৈছে। তেখেতে নিজা ৰবীয়াকৈ এটি নাট্যদল গঠন কৰি এই চেষ্টা অব্যাহত ৰাখিছে।

অভিনেতা আনন্দ বৰায়ো নিজাববীয়াকৈ নাট্যদল গঠন কৰি উৎপল দত্তৰ 'ৰাইফল' অসমীয়ালৈ তৰ্জমা কৰি পৰিচালক হিচাপে নিজৰ সুনাম অক্ষুন্ন ৰাখিছে।

নগাঁও সাংস্কৃতিক জগতলৈ 'কল্লোল'ৰ দান অতি উল্লেখযোগ্য। সংস্কৃতিৰ বিভিন্ন দিশলৈ অৰিহনা যোগোৱা এই অনুষ্ঠানে কেইবাখনো উপভোগ্য নাটক মঞ্চস্থ কৰিছে। হীমেন্দ্ৰ বৰঠাকুৰৰ 'বাঘ', বিখ্যাত নাটক মাউচট্ৰেপৰ অভিযোজনা আদি উল্লেখযোগ্য।

'ৰূপৰঙ্গ', 'সপ্তস্বৰ', 'বনহংস' এই অনুষ্ঠান সমূহ বৰ্ত্তমান প্ৰায় লুপ্ত। কিন্তু নাট্য চৰ্চাৰ ক্ষেত্ৰত এই অনুষ্ঠান সমূহৰ অৰিহনা লেখত লবলগীয়া।

দেখাত সৰু হ'লেও নাট্যচৰ্চাৰ ক্ষেত্ৰত 'চন্দ্ৰজ্যোতি সঙ্ঘ' এটি লেখত লবলগীয়া অনুষ্ঠান। এই অনুষ্ঠানে 'সদৌ অসম প্ৰেমধৰ গোস্বামী সোঁৱৰণী একাঙ্ক নাট প্ৰতিযোগিতা' পাতি নাট্যকাৰ, অভিনেতা, অভিনেত্ৰী সকলক উদ্‌গনি যোগাই আহিছে। জিতেন বৰা পৰিচালিত আৰু আলোক ৰাম ভট্টচাৰ্যৰ ৰচিত 'নেগেৰা', 'অভয়াৰণ্য' আদি নাটক অতি মনোগ্ৰাহীকৈ উপস্থাপিত হৈছে।

সদৌ অসম নাট্য সন্মিলনৰ লগত গোলাপচন্দ্ৰ বৰা একান্তভাবে জৰিত। উচ্চাৰণ, কথনভঙ্গী, বচন নিক্ষেপ ইত্যাদিৰ বিষয়ে পাকৈত ব্যক্তি। নাট ৰচনাৰ ক্ষেত্ৰত স্বকীয় দৃষ্টিভঙ্গী, লোক সংস্কৃতিৰ আধাৰতো নাট ৰচনাৰ প্ৰচেষ্টা, সৰ্ব ভাৰতীয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা 'বিদ্ৰোহী জনা' আৰু 'অন্বেষ' উল্লেখযোগ্য।

"গাদী নাট্য গোষ্ঠী"ৰ অন্যতম প্ৰতিষ্ঠাপক নেত্ৰকমল বৰঠাকুৰ, এগৰাকী সফল নাট্যকাৰ হোৱাৰ উপৰিও হাতীচোং কুজীদাহ অঞ্চলত নাট্যচৰ্চাৰ ক্ষেত্ৰত বিশেষ বৰঙণি যোগোৱা ব্যক্তি। তেখেতৰ 'বলীয়া হাতী', 'জটায়ু' অতি সুন্দৰ নাটক। এই অঞ্চলৰে ডম্বৰু কন্দলী দেৱে অশেষ পৰিশ্ৰমেৰে 'অভিজ্ঞান শকুন্তলম্' মূল সংস্কৃত ভাষাত মঞ্চস্থ কৰি কাজলৈ খ্যাতি ৰাখি গৈছে। সংস্কৃত নাটকৰ সম্পূৰ্ণ পৰম্পৰা ৰক্ষা কৰি এই নাটক মঞ্চস্থ কৰা কিমান কঠিন সেই কথা অলপ চিন্তা কৰিলেই বুজিব পাৰি।

নগাঁৱত নতুন নতুন সাংস্কৃতিক গোষ্ঠীয়ে জন্ম লাভ কৰিছে আৰু একানপটীয়াকৈ নাট্য চৰ্চাত মনোনিবেশ কৰিছে। মাথোন নাটক ৰচনাৰ ক্ষেত্ৰতে নহয়, আনুসঙ্গিক দিশবিলাকৰ প্ৰতি যথেষ্ট মনোযোগ দিয়া দেখা গৈছে। উপস্থাপনৰ ৰীতি-নীতিত, সময়ৰ লগত, যুগৰ লগত খাপ খোৱাকৈ নতুনত্ব আনিছে। তেনে দুটি অনুষ্ঠান 'মঞ্চ-অন্তৰ' আৰু 'সৃষ্টি'।

সপোনটি বৰদলৈৰ পৰিচালনাত মঞ্চস্থ হোৱা ডা° দিলীপ বৰুৱাদেৱৰ 'মনুস্য সন্তাপ' আৰু 'ভোক' উল্লেখ কৰিব পাৰি। ইয়াত ব্যৱহৃত 'আবাহ সঙ্গীত', 'পোহৰ' প্ৰশংসনীয়।

'সৃষ্টিৰ' অজিত বৰঠাকুৰ নাটকৰ মানুহ। তেখেতৰ 'উৎসৱ ৯৭', 'গতিৰোধক', 'কনকৰ স্বৰ্গ যাত্ৰা' উল্লেখযোগ্য নাটক। নাটকৰ বিষয়ে চিন্তা-চৰ্চাত ব্যস্ত বৰঠাকুৰদেৱ। নিজাকৈ কোনো দল নাথাকিলেও পাৰ্থ বৰা আৰু ইমদাদুল হাজৰিকায়ো পৰিচালক হিচাপে নাটকত নতুনত্ব দিছে। মাধব বৰপূজাৰীয়েও 'দেবী দশভূজা'ৰ দৰে উৎকৃষ্ট ধৰ্মমূলক নাটক ৰচনা কৰিছে।

নাট ৰচনা, এই সম্পৰ্কে চিন্তা-চৰ্চা কৰাত নগঞা মহিলাসকলো আগবঢ়া। আমোলাপট্টি নামঘৰৰ মহিলা সকলেও নগাঁও নাট্য মন্দিৰত অনুষ্ঠিত হোৱা নাটক সমালোচনা কৰে, আমাৰ অভিনেতা-অভিনেত্ৰীয়ে সেই সমালোচনা আশীষ বুলি শিৰত তুলি লয়। এনে আলোচনাৰ ফল স্বৰূপেই সৌজন্যময়ী ভট্টচাৰ্যৰ সাধনাত জন্ম ললে 'পৰিবৰ্ত্তন', 'কেতেকী', আদি নাটকে। সত্তৰৰ দেওনা পাৰ হোৱা অভিনেত্ৰী সকল হ'ল কিৰণ শৰ্মা, স্বৰ্ণলতা ভট্টচাৰ্য, চন্দ্ৰাৱলী দেৱী, সোনমাই খাওণ্ড।

মহিলা শিল্পী সকলে মঞ্চস্থ কৰা আন এখন নাটক 'কাবেঙৰ লিগিৰী'। কুমুদ বৰা আৰু ইলু বৰদলৈ (বৰা) য়ে 'শকুন্তলা' নাটকৰ নৃত্য ৰূপে দিয়ে আৰু মহিলা শিল্পীসকলৰ দ্বাৰাই অভিনীত কৰায়। এখন পূৰ্ণাংগ নাটকৰ নৃত্য ৰূপ দিয়া অতি কঠিন কাম; কিন্তু পৰিচালকৰ দক্ষতাৰ বাবে ই অতি মনোগ্ৰাহী হৈছিল।

বিভিন্ন নাট্যগোষ্ঠীৰ কথা উল্লেখ কৰিলেও সকলো ধৰণৰ নাটকৰ বিষয়ে চিন্তা-চৰ্চা কৰা স্থল নগাঁও নাট্য মন্দিৰ। ঐতিহাসিক আৰু ধৰ্মমূলক নাটকৰ চিন্তা-চৰ্চা প্ৰায় নোহোৱা হৈ আহিছে। নগাঁও নাট্য সমিতিয়ে এই পৰম্পৰা বিসৰ্জন দিয়া নাই। পূজাৰ দুদিনত এখন ঐতিহাসিক বা ধৰ্মমূলক নাট মঞ্চস্থ কৰাৰ বাহিৰেও সপ্তমী নিশা এখন প্ৰহসন নাটক মঞ্চস্থ কৰা নাট্য সমিতিৰ নিয়মৰ দৰে। দৰ্শকৰ পেটৰ নাড়ী ডাল ডাল কৰিব পৰা এই অভিনেতা সকল আছিল ˚প্ৰেমধৰ গোস্বামী, ˚যোগেশ শৰ্মা আৰু বৰ্তমান আছে খিল শৰ্মা আৰু গোপী বৰঠাকুৰ। 'চেক্ৰেটৰী' ৰ দৰে মূল অসমীয়া নাটকৰ অভাৱ হেতু বঙালী নাটক অসমীয়া ৰূপান্তৰ কৰোঁতা, কানু বেজবৰুৱা। অৱশ্যে বেনীন্দ্ৰ ভট্টাচাৰ্যই 'লাও পাত- কচুপাত', 'বাৰ দৰা তাইৰ বিবাহ' আদি কৰি কেইখনমান প্ৰহসনধৰ্মী নাট ৰচনা কৰিছে।

শিল্পপ্ৰাণ চন্দ্ৰ ফুকন, নাট্যপ্ৰবৰ সাৰদাকান্ত বৰদলৈ, ভাস্কৰ যুগল দাস, দ্বিজেন্দ্ৰ মোহন গোস্বামীদেৱৰ দৰে নাট্যকাৰ-অভিনেতা আদিৰ সান্নিধ্যলৈ অহা আৰু নাটকৰ বিভিন্ন দিশত হোৱা আলোচনাত অংশ গ্ৰহণ কৰাৰ সুযোগ পোৱাৰ বাবেই নাট্য সমিতিৰ স্বাধীনোত্তৰ বহু সদস্যাই নাটক লেখিবলৈ, অভিনয় কৰিবলৈ অনুপ্ৰেৰণা লাভ কৰিছে। নাট্য প্ৰৱৰৰ বাহিৰে,

মন্দিৰৰ গৌৰবৰ স্থল আন এগৰাকী নাট্যকাৰ যুগল কুমাৰ দাস। তেখেতৰ ৰচিত ভাৰতৰ স্বাধীনতা যুগৰ আধাৰত লিখা '১৮৫৭' আৰু 'বায়নৰ খোল' উল্লেখযোগ্য।

প্ৰখ্যাত নাট্যকাৰ দ্বিজেন্দ্ৰ মোহন গোস্বামী বুৰঞ্জীমূলক নাটক ৰচনাৰ বাবে স্মৰণীয়। তেখেতৰ নাট সমূহ নিঃসন্দেহে অসমীয়া নাট্য সাহিত্যলৈ অমূল্য বৰঙণি। 'স্বৰ্গদেউ ৰুদ্ৰসিংহ' বৰ্তমান বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি। তাৰোপৰি অসমৰ স্বাধীনতাৰ বেলিমাৰৰ বুৰঞ্জী হিচাপে 'কাল ইয়াণ্ডাবু' উল্লেখযোগ্য। অন্যান্য নাটক সমূহ 'কনচেং বৰপাত্ৰগোঁহাই', 'গৰমা কুঁৱৰী'।

অমিত্ৰাক্ষৰ ছন্দত ধৰ্মমূলক নাটক ৰচনাৰে নাৰায়ণ কটকীদেৱে উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। 'শোনিত তীৰ্থ' আৰু 'উৰ্বশী উদ্ধাৰ' উত্তম নাটক।

ডা০ পূৰ্ণ চন্দ্ৰ শৰ্মাই যুটীয়া ভাবে ব্ৰজ ফুকনদেৱৰ লগত 'অভিজ্ঞান' নাটক ৰচনা কৰে। সু-অভিনেতা সনৎ কুমাৰ বৰদলৈদেৱৰ 'বন্ধন' উচ্চ খাপৰ নাটক। তেখেতৰ আন দুখন নাটক 'ডাকযোগে' আৰু 'জন্ম-যন্ত্ৰনা'।

নাট্য আন্দোলনত 'অসম নাট্য সন্মিলন' ৰ বৰঙণিৰ বিষয়ে সকলো নাট্য প্ৰেমীয়েই ভালদৰে জানে। এই নাট্য সন্মিলনৰ সপ্তবিংশতিতম বাৰ্ষিক অধিবেশন ১৯৮৭ চনত নগাঁৱত অনুষ্ঠিত হৈ যায়। যি সকলৰ অক্লান্ত পৰিশ্ৰমৰ বাবে এই সন্মিলনত নগাঁও চহৰত অনুষ্ঠিত হৈছিল, সেই সকলৰ বিষয়ে বিস্তাৰিত ভাবে মুখপত্ৰ 'ৰূপৰঙ্গ' ত দিয়া হৈছে। যোৱা ১৯৯৭ চনত জিলা পৰ্যায়ত নগাঁৱত পুনৰ এই অনুষ্ঠানৰ অধিবেশন বহে।

নগাঁৱত 'জাতীয় নাট্যশালা' নিৰ্মাণ নহ'লেও অতি সন্তোষৰ কথা যে ইয়াৰ ওচৰৰ বেবেজীয়াত অসম নাট্য সন্মিলনৰ 'নাট প্ৰকল্প'ৰ নিৰ্মাণৰ কাম চলি আছে। এই ক্ষেত্ৰত সেই সময়ৰ (নগাঁৱৰ) কাৰ্যকৰী সভাপতি হৰেশ্বৰ গোস্বামী, কোষাধ্যক্ষ জিতেন শৰ্মা, গোলাপ চন্দ্ৰ বৰা, চন্দ্ৰ শৰ্মা, মহেশ্বৰ শৰ্মা বৰঠাকুৰ আৰু জীৱেশ্বৰ গোস্বামীৰ পৰিশ্ৰম স্মৰণীয়।

এখন নাটক মঞ্চস্থ কৰাৰ ক্ষেত্ৰত, আলোক পাত, মঞ্চ সজ্জা, আবহ সঙ্গীত, ৰূপ সজ্জা অতি প্ৰয়োজনীয় অঙ্গ।

আলোক পাতৰ বিষয়ে ক'বলৈ হ'লে, এই বিষয়ে নিজাববীয়াকৈ চিন্তা-চৰ্চা কৰা, পৰীক্ষা নিৰীক্ষাৰ মাজেৰে সাফল্য লাভ কৰা ব্যক্তি ব্ৰজ ফুকন। নগাঁৱৰ বাহিৰেও যোৰহাট, গুৱাহাটী, তেতিয়াৰ ৰাজধানী শ্বিলং আৰু দিল্লীলৈকো বহু নাট্য অনুষ্ঠানৰ লগত যাবলগীয়া হৈছিল। ইয়াৰ বাবে প্ৰয়োজনীয় বৈদ্যুতিক সা-সৰঞ্জাম বোম্বে চহৰৰ পৰা কিনি আনিছিল। ৰূপ সজ্জাৰ ক্ষেত্ৰত ফুকনৰ বাহিৰেও আন কেইগৰাকী ব্যক্তি আছিল গোলাপ বৰা (ধনিকৰ), জীউৰাম লিগিৰা, শান্তি দাস, মাধৱানন্দ ভট্টাচাৰ্য আদি। এই কেইগৰাকী ব্যক্তিয়েই মঞ্চ সজ্জাতো আগভাগ লৈছিল। আবহ সঙ্গীতৰ বিষয়ে চিন্তা চৰ্চা কৰিছিল নৰেন বৰদলৈ, যজ্ঞ গোস্বামী, মেদিনী শৰ্মা, উপেন শৰ্মা, সুশীল বামাজী আদিয়ে।

স্বৰাজোত্তৰ নগাঁৱৰ নাট্য চৰ্চাৰ লগত বিশেষভাৱে জৰিত মহিলা শিল্পী কেইগৰাকী হ'ল প্ৰভা হাজৰিকা, ৰেছিদা খাতুন, তুলসী দত্ত, বকুল শইকীয়া আদি।

আকাশ বাণী যোগে প্ৰচাৰিত নগাঁৱৰ নাট্যকাৰৰ সংখ্যা বৰ বিশেষ উল্লেখ কৰিবলগীয়া

নহয়। অৱশ্যে ড০ ভবেন্দ্ৰ নাথ শইকীয়াৰ বিষয়ে এই প্ৰবন্ধত আলোচনা কৰিব বিচৰা নাই। কিয়নো তেখেতে নগাঁৱা হ'লেও, তেখেতৰ সু-ৰচনা আৰু সু-পৰিচালনাত গুৱাহাটী বিশ্ববিদ্যালয়, আকাশ বাণী, গুৱাহাটী কেন্দ্ৰকে ধৰি বিভিন্ন মঞ্চত এটি সুকীয়া নাট্য চৰ্চা গঢ় লৈ উঠিছিল। পঞ্চাশৰ দশকত গুৱাহাটী বিশ্ববিদ্যালয় অধীনত আন্তঃ কলেজ ৰেডিঅ' নাটকৰ এখন প্ৰতিযোগিতা পাতিছিল, আৰু নগাঁও কলেজৰ পৰা পদ্ম বৰা দেৱৰ ৰচিত এখন নাটক 'ওখনা-ওখ নি' য়ে এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল। ইয়াৰ বাহিৰেও নগাঁৱা নাট্যকাৰ দেব কুমাৰ শইকীয়া আৰু কুসুম বৰা দেৱৰ নাটক একোখনকৈ আকাশ বাণী গুৱাহাটীৰ জৰিয়তে প্ৰচাৰিত হৈছিল।

আকাশ বাণী গুৱাহাটী শাখাৰ অনুৰোধ ক্ৰমে নগাঁও নাট্য সমিতিৰ দ্বাৰা এতিয়ালৈকে তিনিখন নাট বাণীবদ্ধ আৰু প্ৰচাৰ কৰা হৈছে। ১৯৭০ চনৰ জুলাই মাহৰ ১৫ তাৰিখে 'উপহাৰ', ১৯৮১ চনৰ জুলাই মাহৰ ১১ তাৰিখে 'মগৰীবৰ আজান' আৰু ১৯৮৪ চনৰ ২৮ মাৰ্চ তাৰিখে 'পিয়লি ফুকন'।

বিশিষ্ট সাহিত্যিক, গল্পকাৰ শিবানন্দ কাকতি এগৰাকী নাট্যকাৰো। কেন্দ্ৰবিহীন বৃত্ত, এম্ব্ৰাইঅ', দেৱাল আদি একাধিকবাৰ অসমৰ বিভিন্ন ঠাইত প্ৰতিযোগিতা সমূহত মঞ্চস্থ আৰু পুৰস্কৃত হৈছে। শিবানন্দ কাকতিৰ 'দুঃখময় সময়' ১৯৯২ চনৰ অনাতাৰ নাট্য পাণ্ডুলিপিৰ শ্ৰেষ্ঠ নাটকৰ ৰাষ্ট্ৰীয় পুৰস্কাৰৰ সন্মান লাভ কৰিছে।

পঞ্চাশ দশকৰ একাঙ্ক নাটকৰ আৰম্ভণিৰ পৰা বৰ্তমান পূৰ্ণাংগ নাটক ৰচনা কৰাৰ ক্ষেত্ৰত, নাট্য চৰ্চা এই নিবন্ধকাৰো সামান্য ভাবে বান্ধ খাই আছো। প্ৰকাশ হোৱা নাই যদিও ইতিমধ্যে দহ খন নাটক ৰচনা কৰা হৈছে আৰু নগাঁও নাট্য সমিতিৰ সৌজন্যত এই নাটক সমূহ মঞ্চস্থ কৰা হৈছে। সত্তৰ দশকত এই লিখকৰ 'ওপৰ মহলা' ˇ জিতেন শৰ্মাৰ পৰিচালনাত 'চেলুলয়ডলৈ' ৰূপান্তৰিত কৰা হৈছে। নাটক ৰচনাৰ ক্ষেত্ৰত ˇ পবিত্ৰ বৰকাকতিয়ে দিয়া দিহা পৰামৰ্শ আজিও শ্ৰদ্ধাৰে সোঁৱৰো।

নাটকৰ ক্ষেত্ৰত গোটেই অসমৰ সাংস্কৃতিক জগতত নগাঁৱৰ সুনাম আৰু ঐতিহ্য আছে। এই ঐতিহ্য ধাৰাবাহিক ভাবে বিভিন্ন সময়ত সংস্কৃতিৰ বিভিন্ন উত্তৰণত সহায়ক হৈছে আৰু ই নিঃসন্দেহে অধিক উন্নতিৰ ফালে অগ্ৰসৰ হ'ব। ☐

অনিচ্ছাকৃতভাবে কোনো সংগঠন বা ব্যক্তিৰ নাম বাদ পৰিলে ক্ষমা প্ৰাৰ্থনীয়।--- লেখক।

স্বৰাজোত্তৰ নগাঁৱৰ চলচ্চিত্ৰ চিন্তা

উৎপল দত্ত

স্বাধীনতাৰ আগতে ভাৰতৰ বিভিন্ন প্ৰান্তীয় ভাষাত আৰু হিন্দী ভাষাত নিৰ্মাণ হোৱা চিনেমাবোৰৰ অধিকাংশৰে বিষয়বস্তু আছিল স্বাধীনতাৰ আকাংক্ষা অথবা ইতিহাসৰ বীৰৰ জীৱন গাঁথা। তেতিয়াৰ সামাজিক পৰিবেশৰ দাবীৰ প্ৰতিফলন আছিল এই চিনেমাবোৰ। ভাৰত স্বাধীন হোৱাৰ লগে লগে মুক্তিৰ আনন্দই ভাৰতবাসীৰ মনলৈ যি উৎসাহ আৰু উন্মাদনা কঢ়িয়াই আনিছিল তাৰো প্ৰমাণ পোৱা গৈছিল সেই সময়ত নিৰ্মাণ হোৱা ছবিবোৰত অংকিত হোৱা বীৰ-বীৰাংগণাৰ কাহিনী আৰু 'চাহাবী' কালচাৰক ব্যঙ্গ কৰাৰ প্ৰৱণতাত।

সবাক চলচিত্ৰৰ প্ৰাৰম্ভিক গতিপথত ভাৰতবৰ্ষৰ লগতে খোজ মিলাই ১৯৩৫ চনতে জ্যোতি প্ৰসাদ আগৰৱালাই প্ৰথম অসমীয়া চলচিত্ৰ 'জয়মতী' নিৰ্মাণ কৰে। অতি গৌৰৱেৰে জ্যোতি প্ৰসাদৰ এই প্ৰথম নিৰ্মাণ প্ৰক্ৰিয়াত নগাঁও জিলাও সহযোগী আছিল। নগাঁৱৰ বঢ়মপুৰ অঞ্চলৰ প্ৰয়াত নবীন বৰদলৈ ল'ৰাৰজা চৰিত্ৰত অভিনয় কৰে।

মাজে মাজে স্থবিৰ আৰু বিভিন্ন হ'লেও, চলচিত্ৰ নিৰ্মাণ অথবা নিৰ্মাণ প্ৰক্ৰিয়াৰ লাভ সংলগ্নতা সেই প্ৰথম অসমীয়া চলচিত্ৰৰ সূচনাৰ পৰা আজিকোপতি চলি আহিছে।

১৯৪৭ চনত অসমীয়া ভাষাৰ এখন ছবিয়েও মুক্তি লাভ কৰা নাছিল। '৪৮ চনত মুক্তিলাভ কৰিছিল পাঁচখন ছবিয়ে। তাৰে এখন আছিল অসিত সেন পৰিচালিত "বিপ্লৱী"- যিখনে সেই সময়ৰ চলচ্চিত্ৰ চেতনাৰ এটি স্পষ্ট ৰূপ দাঙি ধৰে। নামেই ইংগিত দিয়াৰ দৰেই ছবিখনত ৰূপায়িত হৈছিল দেশপ্ৰেমৰ কাহিনী। সেই বছৰটোত মুক্তি লাভ কৰা আন ছবিবোৰত সেই সময়চোৱাৰ কোনো প্ৰভাৱ নাছিল। "বিপ্লৱী" ছবিখনৰ বিশেষত্ব ইয়াতেই। এই ছবিখন প্ৰযোজনা কৰিছিল নগাঁৱৰে কাশীপ্ৰসাদ বিহানীয়ে।

নগাঁৱৰ প্ৰযোজকৰ দ্বাৰা নিৰ্মিত আন এখন গুৰুত্বপূৰ্ণ অসমীয়া ছবি হ'ল ১৯৫৯ চনত মুক্তিলাভ কৰা "পুৱেৰুণ"। ছবিখনৰ পৰিচালক আছিল প্ৰভাত মুখাৰ্জী। ছবিখনৰ বিশেষত্ব হ'ল বাৰ্লিন চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত এইখনেই প্ৰথম অসমীয়া ছবি। ছবিখনে ৰাষ্ট্ৰপতিৰ ৰূপৰ পদক লাভ কৰিছিল।

ছবি নিৰ্মাণৰ ক্ষেত্ৰখনলৈ ভালেকেইগৰাকী নতুন প্ৰতিভাক টানি আনি সম্পূৰ্ণ পেছাদাৰী মনোভাবেৰে নিৰ্মাণ কৰা প্ৰথমখন অসমীয়া ছবি "মানব আৰু দানব"ৰ প্ৰযোজনা আছিল নগাঁৱৰ কাশীপ্ৰসাদ বিহানীৰ। এই ছবিখন আছিল বিশাল আয়োজনৰ প্ৰথম অসমীয়া ছবি, যিখনক বহু তাৰকা বিশিষ্ট প্ৰথমখন অসমীয়া ছবি হিচাপে অভিহিত কৰিব পাৰি।

নগাঁৱৰ প্ৰযোজকৰ দ্বাৰা নিৰ্মিত আৰু কেইখনমান অসমীয়া ছবি হ'ল মৰমতৃষ্ণা,

ৰজা হৰিশ্চন্দ্ৰ, ওপৰ মহলা, বহাগৰ দুপৰীয়া, অগ্নিগড়, ৰণাংগিনী, সঁাতোৰ, ধ্ৰুবতৰা, মন আৰু মৰম, এই দেশ মোৰ দেশ, জলাঞ্জলি, এন্টনি মোৰ নাম, আৰু শকুন্তলা আৰু শংকৰ যোছেফ আলি।

জ্যোতি-চিত্ৰবনৰ স্থাপন হোৱাৰ আগলৈকে অসমীয়া ছবি নিৰ্মাণৰ কেন্দ্ৰ আছিল টালিগঞ্জ আৰু পিচত হলগৈ গুৱাহাটী। নগাঁৱৰ প্ৰযোজক সকলৰ দ্বাৰা নিৰ্মিত ছবিবোৰো নিৰ্মাণ হৈছিল প্ৰথমে কলিকতাৰ পৰা আৰু পিচত গুৱাহাটীৰ পৰা। কলিকতাত দৃশ্যগ্ৰহণ হোৱা ছবিবোৰত নগাঁৱৰ সীমিত সংখ্যক অভিনেতা- অভিনেত্ৰীকহে সুযোগ দিব পৰা গৈছিল। কিন্তু চিত্ৰনিৰ্মাণ কেন্দ্ৰ গুৱাহাটীলৈ স্থানান্তৰিত হোৱাৰ পিচত নগাঁৱত বহু ছবিৰ বহিদৃশ্য গ্ৰহণৰ কাম সম্পাদন কৰা হ'ল। ফলত এই ছবিবোৰত স্থানীয় লোকৰ অংশগ্ৰহণ বৃদ্ধি পালে। ছবি প্ৰযোজনাৰ হাৰো বৃদ্ধি পালে। স্বাধীনোত্তৰ কালত অসমত নিৰ্মান হোৱা ছবিবোৰৰ ভিতৰত নগাঁৱৰ পৰা প্ৰযোজিত ছবিয়ে দ্বিতীয় স্থান অধিকাৰ কৰিব। চলচ্চিত্ৰ নিৰ্মাণৰ কোনো কাঠামো নথকা সৰু চহৰ এখনৰ পৰা ইমান ছবি নিৰ্মাণ হোৱা কথাটিয়ে ঠাইখনৰ লোকসকলৰ চলচ্চিত্ৰ অনুৰাগৰ পৰিচয় দিয়ে।

অসমীয়া চলচ্চিত্ৰ জগতলৈ সৰ্বাধিক বৰঙণি আগবঢ়োৱা প্ৰযোজক-পৰিচালক ডঃভবেন্দ্ৰনাথ শইকীয়া গুৱাহাটী প্ৰতিষ্ঠিত হলেও মূলতঃ নগাঁৱৰে মানুহ। তেখেতৰ "ইতিহাস" নামৰ ছবিখন নগাঁৱৰ পৰাই প্ৰযোজিত।

নগাঁৱত দীৰ্ঘদিনৰ পৰা চলি অহা মঞ্চাভিনয় আৰু সংগীতৰ পৰম্পৰাৰ বাবে নগাঁৱৰ কেইবাগৰাকীয়ো অভিনেতা আৰু সংগীতশিল্পীয়ে অসমীয়া চলচ্চিত্ৰ জগতত যোগ্যতাৰে নিজকে প্ৰতিষ্ঠিত কৰিব পাৰিছে। চন্দ্ৰ ফুকন, সাৰদাকান্ত বৰদলৈৰ প্ৰতিভা অতি কম সংখ্যক অসমীয়া ছবিতহে ব্যবহৃত হৈছিল। অসমীয়া ছবি গুৱাহাটী কেন্দ্ৰীক হোৱাৰ বাবেই এনে হোৱা বুলি ধাৰণা কৰিব পাৰি। কিন্তু পৰৱৰ্ত্তী কালত তচন্দুক ইউচুফ আৰু পবিত্ৰ বৰকাকতিয়ে এই পৰিসীমাৰ বাহিৰলৈ ওলায় যায়। আজিৰ তাৰিখলৈ তচন্দুক ইউচুফে ই অসমীয়া ছবিৰ প্ৰথম আৰু শেষ অভিজাত তাৰকা। পবিত্ৰ বৰকাকতিয়েও জীৱনৰ শেষ দিনটোলৈকে সুদৰ্শন অভিনেতাৰ ভাবমূৰ্ত্তি ৰক্ষা কৰি গ'ল। শেহতীয়া ভাৱে নগাঁৱৰ কেইবাগৰাকীও অভিনেতা অভিনেত্ৰীয়ে অসমীয়া ছবিত পদাৰ্পন কৰিছে আৰু খ্যাতিও অৰ্জন কৰিছে। অভিনেতা হিচাপে আত্মপ্ৰকাশ কৰি পিচত চলচ্চিত্ৰৰ পৰিচালক হিচাপে খ্যাতি অৰ্জন কৰা সঞ্জীৱ হাজৰিকা আৰু প্ৰবীন হাজৰিকাও মূলতঃ নগাঁৱৰে মানুহ। প্ৰতিষ্ঠিত চলচ্চিত্ৰ পৰিচালক গৌতম বৰাৰ মূল শিপাও নগাঁৱৰে। স্থিৰচিত্ৰৰ জনপ্ৰিয় শিল্পী অমূল্য মান্নাইও "মৰিচীকা" নামৰ ছবি এখন পৰিচালনা কৰিছিল। চিত্ৰনাট্যকাৰ আৰু পৰিচালক প্ৰাঞ্জল শইকীয়াই চিনেমা আৰু দূৰদৰ্শনৰ কিছু কাম কৰি আছে।

এখনকৈ ছবিত সংগীত পৰিচালনা কৰিয়েই সুখ্যাতি অৰ্জন কৰা তাৰিকুদ্দিন আহমেদ, ৰুদ্ৰ বৰুৱা, নিজামুদ্দিন আহমেদ হাজৰিকা আৰু বিবেকানন্দ ভট্টাচাৰ্যই অসমীয়া চলচ্চিত্ৰ জগতলৈ আগবঢ়োৱা অৱদানৰ মূল্য আজিও অস্বীকাৰ কৰিব নোৱাৰি। শ্ৰী বিবেকানন্দ

ভট্টাচাৰ্য্যৰ সংগীত পৰিচালনাৰ "মৰম তৃষ্ণা" ছবিৰ গীতৰ মাধুৰ্য আজিও অম্লান। নেপথ্য গায়ক হিচাপে অসমীয়া ছবিৰ গীতলৈ মূল্যবান অৰিহনা আগবঢ়োৱা নগাঁৱৰ শিল্পী খগেন মহন্ত আৰু পৰবীন চুলতানাৰ কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। পৰবৰ্ত্তী কালত নগাঁৱৰ কেইবাগৰাকীও শিল্পীয়ে অসমীয়া ছবিৰ সংগীতৰ দিশত অংশগ্ৰহণ কৰিছে আৰু নিষ্ঠা আৰু একাগ্ৰতাৰে তেওঁলোকে এদিন গুৰুত্বপূৰ্ণ অৰিহণা যোগাবলৈ সক্ষম হ'ব বুলি আশা কৰিব পাৰি।

পদুম বৰুৱাৰ ছবি "গঙা-চিলনীৰ পাখি" ৰ কাহিনীকাৰ লক্ষীনন্দন বৰা নগাঁৱৰ কুজিদাহ অঞ্চলৰ। জীবিকাসূত্ৰে নগাঁৱৰ স্থায়ী বাসিন্দা হোৱা গল্পকাৰ অপূৰ্ব শৰ্মাৰ গল্পৰ ভেটিতেই সঞ্জীৱ হাজৰিকাই নিৰ্মাণ কৰা "হলধৰ" ছবিয়ে দেশ আৰু বিদেশত সুনাম অৰ্জন কৰিছে। ডঃ ভবেন্দ্ৰনাথ শইকীয়াৰ ছবিবোৰৰ কাহিনীও তেওঁ নিজেই ৰচনা কৰা।

চলচ্চিত্ৰ সাংবাদিকতাত খ্যাতি অৰ্জন কৰা পবিত্ৰকুমাৰ ডেকা, কমললোচন দাস, অৰুণলোচন দাসো মূলতঃ নগাঁৱৰে মানুহ। অপূৰ্ব শৰ্মাইও চলচ্চিত্ৰ বিষয়ক নানান লেখনিৰে অসমীয়া চলচ্চিত্ৰ সাহিত্যলৈ বৰঙনি যোগোৱাৰ লগতে ইংৰাজী ভাষাত লেখা প্ৰবন্ধৰ যোগেৰে অসমীয়া ছবিৰ তথ্য বাহিৰত প্ৰকাশ কৰি গুৰুত্বপূৰ্ণ অৰিহণা যোগাই আহিছে। "চিনেমা ইণ্ডিয়া ইণ্টাৰনেচনেল" নামৰ পত্ৰিকাৰ বাবে অসমক প্ৰতিনিধিত্ব কৰি শিৱানন্দ কাকতিয়েও ইংৰাজীত লেখা প্ৰবন্ধৰ দ্বাৰা অসমীয়া ছবিৰ প্ৰচাৰত সহায় কৰিছিল। চলচিত্ৰ সাংবাদিকতাত শেখৰজ্যোতি ভূঞাৰ নামো উল্লেখ কৰিব পাৰি।

এই আটাইবোৰ দিশ বিবেচনা কৰি চালে দেখা যায় যে প্ৰয়োজনীয় পৰিকাঠামো নাথাকিলেও অকল শিল্পপ্ৰেমৰ তাড়নাতেই নগাঁওবাসীয়ে অসমীয়া ছবিলৈ নানান ধৰণৰ বৰঙণি যোগাই আহিছে আৰু এই বৰঙণিৰ পৰিমান বেচ বুজন আকাৰৰেই হ'ব।

এইখিনিতেই আন এটি কথা নকলে এই আলোচনা অসম্পূৰ্ণ হৈ ৰ'ব। সংখ্যাত অধিক হলেও নগাঁৱত কিন্তু চলচিত্ৰ চৰ্চা বা নিৰ্মাণৰ কোনো সামাজিক পৰিবেশ নাই। নিৰ্মাতাসকল যেনেদৰে ব্যক্তিগত সীমাৰ মাজত আবদ্ধ, পেছাগত যি সংহতিৰে এটা পেছাৰ লোকসকলক বান্ধি ৰাখি সামূহিক বিকাশৰ পথ সুগম কৰি তোলা হয়, তেনে প্ৰয়াস নগাঁৱত গঢ় লৈ নুঠিল। এই বাবেই নগাঁৱত ইমান "ৰিচোৰ্চ" থকাৰ পিচতো, ইমানবোৰ প্ৰযোজক থকাৰ পিচতো ছবি নিৰ্মাণৰ গুৰুত্বপূৰ্ণ ঠাই হিচাপে নগাঁও চিহ্নিত নহ'ল। তেনেদৰে চলচ্চিত্ৰ চৰ্চাৰ পৰিবেশ এতিয়াও নগাঁৱত থন ধৰি উঠিবলৈ নাপালে। উন্নত মানৰ ছবি চোৱাৰ পৰিবেশ ৰচনাৰ উদ্দেশ্য সন্মুখত ৰাখি গঠন কৰা চিনে ক্লাবৰ আয়ুসো আশা কৰা মতে সুদীৰ্ঘ নহ'ল। আনকি চিনেমা চোৱাৰ বাবে নগাঁৱত থকা বাজৰুৱা চিত্ৰগ্ৰহ কেইটাৰ অৱস্থাও ভাল নহয়। অৱশ্যে এই পৰিবেশ অকল নগাঁৱতে নহয়, সমগ্ৰ অসমতেই একে। □

টোকা ঃ-

১) ১৯৪৮ চনত মুক্তিলাভ কৰা অসমীয়া ছবিকেইখন হ'ল

চিৰাজ, পাৰঘাট, বিপ্লৱী, ৰুনুমী আৰু সতী বেউলা।

"বিপ্লৱী" বাহিৰে ইয়াৰ আন এখন ছবিকো স্বাধীনতা সংগ্ৰাম বা স্বাধীনতা লাভৰ কাহিনীয়ে প্ৰভাবিত কৰা নাছিল। হয়তো নিৰ্মাণ কালত প্ৰযোজন হোৱা দীৰ্ঘসময়ৰ বাবে এই চিত্ৰনিৰ্মাতাসকলে নিজৰ ছবিত সমকালীন সময়ৰ ছবি ধৰি ৰখাৰ ইচ্ছা কৰা নাছিল।

২) "বহাগৰ দুপৰীয়া" হ'ল প্ৰথম অসমীয়া ইউ/এ চাৰ্টিফিকেট পোৱা ছবি।

৩) "মৰম তৃষ্ণা" ছবিৰ বাবে সুন্দৰ গীত ৰচনা কৰিছিল নিহাৰেন্দু ভট্টাচাৰ্য আৰু ইউচুফ হাজৰিকাই। কিন্তু পৰৱৰ্তী কালত অসমীয়া ছবিত এই দুগৰাকী গীতিকাৰৰ অংশগ্ৰহণ দেখা পোৱা নগ'ল। তেনেদৰে সংগীত পৰিচালক বিবেকানন্দ ভট্টাচাৰ্যও ছবিজগতৰ পৰা দূৰৈত ৰৈ গ'ল।

৪) বিক্ষিপ্ত ভাৱে এখন-দুখন ছবিত কণ্ঠদান কৰি ছবিজগতৰ পৰা আঁতৰি যোৱা শিল্পী সকলৰ ভিতৰত এগৰাকী হ'ল ৰুণজুন ফুকন। এই গৰাকী প্ৰতিভাময়ী শিল্পী সংগীতজগতৰ পৰা আঁতৰি যোৱাটো দুখৰ কথা।

৫) পবিত্ৰ কুমাৰ ডেকা চলচ্চিত্ৰ নিৰ্মাণৰ লগতো জড়িত।

স্বৰাজোত্তৰ নগাঁও জিলাৰ সামাজিক সাংস্কৃতিক গোষ্ঠীৰ ভূমিকা

নৌচাদ আখতাৰ হাজৰিকা

সংস্কৃতি মান মনৰ গভীৰতাত লুকাই থকা আচাৰ-আচৰণৰ এক কলা সম্মত ৰূপ। মানব সভ্যতাৰ বিকাশৰ দিনটিৰ পৰা আজিলৈকে মানব সমাজ সংস্কৃতিৰ এনাজৰিৰে বান্ধ খাই আছে। মানুহৰ মনৰ মাজত লুকাই থকা বিভিন্ন সংস্কৃত প্ৰবৃত্তিৰ বাঙ্ময় প্ৰকাশেই হৈছে সংস্কৃতি। সমাজবদ্ধ মানুহে সংস্কৃতি লৈয়ে এখন সুস্থ সমাজ গঢ়ি তোলে। ভাৰতবৰ্ষৰ স্বাধীনতাৰ আগৰে পৰা সংস্কৃতিক ভাবে বিভিন্ন প্ৰান্তৰ জনসাধাৰণ যিমান ঐক্যবদ্ধ হ'ব পাৰিছিল আন কোনো ইজিমে মানুহক তেনে ধৰণৰ ঐক্যবদ্ধ হবলৈ সুযোগ দিয়া নাছিল। অসমতো শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্মীয় আৰু সংস্কৃতিক জাগৰণৰ ফল স্বৰূপে অসমৰ সমূহ জনগণ এক সাংস্কৃতিক ধৰ্মত দীক্ষিত হৈ সমাজৰ আমুল পৰিবৰ্ত্তণ সাধিবলৈ সক্ষম হয়। শ্ৰীমন্ত শঙ্কৰদেৱৰ একশৰণ শঙ্কৰী ধৰ্ম্মৰ প্ৰচাৰৰ লগে লগে বৰগীত, অঙ্কীয়া নাট আৰু বিভিন্ন সত্ৰীয়া গীত মাতৰ এক 'সাংস্কৃতিক নব জাগৰণৰ' সুচনা হয়। এই নবজাগৰণৰ প্ৰভাব আমাৰ এই সৰু জিলাখনৰ পৰাই আৰম্ভ হ'ল। প্ৰকৃততে কবলৈ গলে শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মস্থান নগাঁৱৰ বৰদোৱাতেই সাংস্কৃতিক এই নবজাগৰণৰ অঙ্কুৰ স্থাপন হৈছিল।

স্বাধীনতাৰ আগৰে পৰা এই নব জাগৰণ নগাঁও জিলাৰ বিভিন্ন অঞ্চলত বিয়পি পৰিছিল। সৃষ্টি হৈছিল জিলাখনৰ বিভিন্ন ঠাইত বিভিন্ন নামাকৰণৰ ভিন ভিন সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ। উদ্দেশ্য কিন্তু সকলোৰে একেই-এখন সুস্থ সংস্কৃতি বান ঐক্যবদ্ধ সমাজ গঢ়ি তোলা।

এই নিবন্ধৰ উদ্দেশ্যই হৈছে স্বৰাজোত্তৰ কালৰ নগাঁও জিলাৰ সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

নগাঁও জিলাখনত, বিশেষকৈ জিলা সদৰত স্বাধীনতাৰ আগৰে পৰা বিভিন্ন ঠাইত কিছু সংস্কৃতি-বান মানুহ লগ-লাগি কিছুমান সাংস্কৃতিক অনুষ্ঠানৰ জন্ম দিছিল তাৰে কিছুমান অনুষ্ঠান কালৰ গৰ্ভত লোপ পালে। কিন্তু তেনেবোৰ অনুষ্ঠানৰ কৰ্মৰ প্ৰভাব পিচত জন্ম হোৱা অনুষ্ঠানবোৰৰ ওপৰত নপৰাকৈ নাথাকিল। বৰং কবলৈ গলে

এই লুপ্ত অনুষ্ঠানবোৰৰ ভেটিতেই গঢ়ি উঠিল ন-ন সাংস্কৃতিক অনুষ্ঠানৰ। আৰম্ভনিতে সেইবাবে তেনেবোৰ অধুনালুপ্ত অনুষ্ঠান সমূহৰ সংস্কৃতিক প্ৰভাবক আমি শ্ৰদ্ধাৰে সুঁৱৰিছো। এই প্ৰবন্ধত স্বাধীনতাৰ আগৰে পৰা বৰ্তমানলৈ নগাঁও জিলা খনত সিঁচৰিত হৈ থকা সামাজিক-সংস্কৃতিক অনুষ্ঠানৰ সমূহৰ পৰিচয় দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে। উল্লেখ্য যে এই কম পৰিসৰত অনুষ্ঠান সমূহৰ জীৱন জোৰা কাৰ্য্যক্ৰমনিকাৰ ব্যাখ্যা পৰিচয় দাঙি ধৰাতো সম্ভৱ নহয়। কেৱল থোৰতে অনুষ্ঠান সমূহৰ সমাজৰ প্ৰতি তেওঁলোকৰ বৰঙণি শ্ৰদ্ধাৰে সোঁৱৰাৰ প্ৰয়াস।

১৮৭০ চনত নগাঁৱৰ হয়বৰগাঁৱত 'বীণাপানি' নাট্য সমিতি স্থাপিত হয়, সেই অঞ্চলৰ কেইগৰাকীমান সংস্কৃতি প্ৰেমী ডেকাৰ উদ্যোগত। সেই চনতেই স্বৰ্গীয় ৰামৰাম বৰদলৈ ৰচিত "বঙাল বঙালনী" নাট মঞ্চস্থৰে বীণাপানি নাট্যমন্দিৰত নগাঁৱত এক সুকীয়া মৰ্যদা প্ৰদান কৰে। ইয়াৰ পিচতো বীণাপানিৰ' মজিয়াত কৰ্ণাৰ্জুন, বিজয়ন, কাশ্মিৰী কুমাৰী, শকুনীৰ প্ৰতিশোধ, গুলেনাৰ, নগাকোঁৱৰ, কাবেঙৰ লিগিৰী আদি নাটক মঞ্চস্থই যিদৰে নাট্যপ্ৰেমীক ভিন্ন ৰুচিৰ নাটকৰ সোৱাদ দিছিল তেনেদৰে এচাম অভিনেতা-অভিনেত্ৰীৰ জন্ম দিয়াতো অৰিহনা যোগাইছিল আৰু আজি ১২৮ বছৰে সাংস্কৃতিক দিশৰ জয় যাত্ৰা অক্ষুন্ন ৰাখিছে।

১৮৯৪-৯৫ বছৰটিত নগাঁৱত স্থায়ীভাৱে বসবাস কৰি থকা বঙালী সম্প্ৰদায়ৰ লোকসকলৰ প্ৰচেষ্টাত স্থাপিত হয় "নগাঁও বঙালী নাট্য সন্মিলনী"। এই সন্মিলনীয়ে মৌলিক বঙলা নাটকৰ নিয়মীয়া মঞ্চ উপস্থাপনৰে সমাজৰ ভণ্ডামি, দাৰিদ্ৰতা মোচন, ৰাজনৈতিক ভণ্ডামি ইত্যাদি সম্পৰ্কত মানুহক সচেতন কৰাৰ প্ৰয়াস কৰিছে। নাটক, গীতি নৃত্য ইত্যাদিৰ উপৰিও সমাজ হিতকৰ কাম যেনে অতি দুখীয়া নিঃস্ব ৰোগীয়া সকলক বিনামূল্যে চিকিৎসা-ঔষধ আদি সেৱা আগবঢ়াই আহিছে। প্ৰখ্যাত চলচিত্ৰ পৰিচালক অসিত সেন, ডাঃ খগেন ৰয় (পূৰেৰুন খ্যাত) এই সন্মিলনীৰ প্ৰাক্তন সদস্য আৰু সম্পাদক আছিল।

১৮৯৬ চনত প্ৰতিষ্ঠা হোৱা আৰু ১৯১৬ চনত ভাৰতবৰ্ষত অনুষ্ঠিত কৰাৰ যোগ্যতা অৰ্জন কৰা আন এটি সাংস্কৃতিক অনুষ্ঠান হৈছে "নগাঁও নাট্য মন্দিৰ" আৰু পিচলৈ "নগাঁও নাট্য সমিতি"। কবলৈ গলে নাটক আছিল নগাঁও নাট্য সমিতিৰ মূল প্ৰাণ। নগাঁও নাট্য মন্দিৰত প্ৰথম মঞ্চস্থ হোৱা নাটক খন আছিল স্বৰ্গীয় ৰত্নেশ্বৰ মহন্তৰ "দ্ৰৌপদীৰ বেণীবন্ধন"। ইয়াৰ পিচৰে পৰাই নগাঁও নাট্য সমিতিৰ "সোণালী যুগ" আৰম্ভ হয়। সৃষ্টি হয় নতুন নতুন নাট্যকাৰ, নতুন নাটক আৰু ন-ন অভিনেতা-কলাকুশলীৰ। এই মঞ্চতে ˚ সাৰদাকান্ত বৰদলৈ, ˚ যুগল দাস আৰু ˚ দ্বিজেন্দ্ৰ মোহন গোস্বামীৰ সমূহীয়া প্ৰচেষ্টাত সৃষ্টি হয় সৰ্বকালৰ যুগান্তকাৰী নাটক "পিয়লী ফুকন"। নাম ভূমিকাত অভিনয় কৰা ˚ চন্দ্ৰ ফুকনৰ অন দ্য অভিনয়ে অসমৰ নাট্য জগতত

তেওঁক অমৰ কৰি ৰাখিছে। কবলৈ গলে স্বাধীনতাৰ পিচত নগাঁৱৰ নাট্য আন্দোলনক ইমান দূৰ বাট আগবঢ়াই নিয়াত এই অনুষ্ঠান বাটকটিয়া। সামাজিক দায়বদ্ধতা পালনত এই অনুষ্ঠানৰ ভূমিকা নিঃসন্দেহে স্মৰণীয়।

আজিৰ পৰা প্ৰায় ছয় দশক পূৰ্বে হয়বৰগাঁও অঞ্চলৰ কেইগৰাকীমান অত্যুতসাহী বিশিষ্ট ব্যক্তিৰ উদ্যোগত এক শাৰদীয় সন্ধিয়া শ্ৰীশ্ৰীদুৰ্গাদেৱীৰ বন্দনাৰে এটি অনুষ্ঠুপীয়া সংগঠন ঠন ধৰি উঠিছিল। কালক্ৰমত এই চালুকীয়া সংগঠনটিয়েই ১৯৪৫ চনৰ এটি শুভমুহূৰ্তত 'দক্ষিণ হয়বৰগাঁও নাট্য সমিতি' নামাকৰণেৰে গঢ় লৈ উঠে। বিগত বছৰবোৰত বাৰেৰহনীয়া সংস্কৃতিৰ ক্ৰীড়া ভূমিৰূপে পৰিচিত এই দক্ষিণ হয়বৰগাঁও নাট্য সমিতিয়ে সুদীৰ্ঘ চৌবান্নটা বছৰ অতিক্ৰমি বৰ্ত্তমানৰ অবস্থাত উপনীত হৈছেহি। অলেখ নাটক, অঙ্কীয়া ভাওনা, ভোগালী, ৰঙালী বিহু উৎসৱ, নগাঁওৰ লুপ্ত প্ৰায় পালা (যাত্ৰা) ভাওঁনা, ঐতিহ্যপূৰ্ণ অথচ বৰ্ত্তমানে নিঃশেষ হব ধৰা ওজাপালীয়া সমাৰোহ আদি অনুষ্ঠান প্ৰযোজনাৰে অসমীয়া সংস্কৃতিৰ প্ৰগতিত কিঞ্চিৎ হলেও অৰিহণা যুগোৱা প্ৰচেষ্টা অব্যাহত ৰাখিছে এই অনুষ্ঠানে।

নগাঁও চহৰৰ মাজ মজিয়াত থকা আন এটি অনুষ্ঠান হ'ল "ফৌজদাৰীপট্টি কলা মন্দিৰ"। প্ৰথম অবস্থাত ১৯৫১ চনত এই অনুষ্ঠান ফৌজদাৰীপট্টি Cultural Association ৰূপে জনাজাত আছিল, পিচত ১৯৫৬ চনত ইয়াক "ফৌজদাৰীপট্টি কলা মন্দিৰ" নামেৰে অভিহিত কৰা হয়। *মতিৰাম বৰা, * বিমলা বৰা, * ৰাধিকামোহন গোস্বামী, ফনি বৰা, লক্ষীপ্ৰসাদ গোস্বামী,* বিনোদ বৰা ইত্যাদি বিশিষ্ট ব্যক্তি সকলৰ চেষ্টাত এই অনুষ্ঠানে নগাঁৱৰ সমাজ জীৱনত যথেষ্ট অৰিহণা যোগাই আহিছে। নিয়মিত ভাবে নাটক মঞ্চস্থ হোৱাৰ লগতে এই অনুষ্ঠানে * ফনিন্দ্ৰ বৰা সোঁৱৰণী পটুৱৈ আৰু খেলুৱৈ চ'ৰাৰ জড়িয়তে এচাম নতুন খেলুৱৈ গঢ়াৰ লগতে মেধাৱী ছাত্ৰ-ছাত্ৰী সকলক ন-ন পুথিৰ লগত চিনাকী কৰাৰ প্ৰয়াস অব্যাহত ৰাখিছে।

১৯৭২ চনত "গাদী" নামক এখনি নতুন আঙ্গিকৰ মঞ্চ সফল নাটকক কেন্দ্ৰ কৰিয়েই নগাঁও জিলাৰ হাতীচুং মৌজাৰ চকলাঘাট অঞ্চলত প্ৰতিষ্ঠা হয় "গাদী" নাট্য গোষ্ঠী। এই গোষ্ঠীয়ে নগাঁও জিলাৰ হাতীচুং মৌজাৰ বহুবোৰ অনুষ্ঠানৰ লগতে নাট্য গোষ্ঠীৰ শিল্পী সকলৰো প্ৰতিভা প্ৰতিষ্ঠাত সহায় কৰি আহিছে। এই গোষ্ঠীৰ নাট্য কাৰ নেত্ৰকমল বৰঠাকুৰ ৰচিত নাটক আৰু তেওঁৰেই পৰিচালনাত অসমৰ বিভিন্ন মঞ্চত নাটক মঞ্চস্থ কৰি অসমৰ নাট্য আন্দোলনত যথেষ্ঠ অৰিহনা যোগাই আহিছে।

১৯৭২ চনত নগাঁও চহৰত প্ৰতিষ্ঠা হোৱা আন এটি সামাজিক সাংস্কৃতিক অনুষ্ঠান হৈছে সাংস্কৃতিক গোষ্ঠী "কল্লোল"। শ্ৰীযুত মাধবানন্দ মহন্ত দেৱৰ নেতৃত্ব প্ৰধানকৈ সমাজসেৱা আৰু সামাজিক সম্প্ৰীতি অক্ষুন্ন ৰখাত সহায় কৰিবলৈ জন্ম হোৱা এই গোষ্ঠীয়ে পিছলৈ সঙ্গীত, নাটক আৰু শিশু প্ৰতিভা বিকাশত গুৰুত্ব দিয়ে।

১৯৭২ চনৰ এটি সাংস্কৃতিক সন্ধিয়াত নাট্য সাৰদা কান্ত বৰদলৈ দেৱে এই গোষ্ঠীৰ জন্ম লগ্ন এগচি বন্তি প্ৰজ্বলনৰে ঘোষণা কৰে। ১৯৭২ চনতে সমাজ সচেতক নাটক "বাঘ" উপস্থাপনেৰে "কল্লোল" নগাঁৱত জনপ্ৰিয় হৈ পৰে। পথ আবৃত্তি আৰু শিশু নাটিকা উপস্থাপন "কল্লোল"ৰ এক বিশেষ কাৰ্য্যসূচী। প্ৰাকৃতিক দুৰ্যোগ আৰু বানপানী ক্ষতিগ্ৰস্থ জনক সহায়ৰ হাত আগবঢ়োৱাটো কল্লোলৰ আন এটি কাৰ্য্যসূচী। ১৯৭৬ চনত শিল্পী প্ৰনব বৰুবাৰ অধক্ষ্যতাত আৰু "কল্লোল" গোষ্ঠীৰ উদ্যোগত নগাঁৱত অসমৰ প্ৰথমখন চিত্ৰঙ্কন বিদ্যালয় "কল্লোল"। শিশু চিত্ৰাঙ্কন বিদ্যালয় আৰু পিছলৈ "কল্লোল" চিত্ৰঙ্কন বিদ্যালয় স্থাপন কৰি ৭ বছৰ বয়সৰ পৰা ২৫ বছৰ বয়সলৈ প্ৰায় ৭০০ ছাত্ৰ-ছাত্ৰীৰ চিত্ৰশিল্পক নিয়মীয়া প্ৰশিক্ষন দি থকা হৈছে। এই গোষ্ঠীৰ উল্লেখযোগ্য কাম হৈছে ১৯৯৬ চনত পোন প্ৰথম বাৰৰ বাবে জিলা প্ৰশাসনৰ সহযোগত নগাঁও গ্ৰন্থমেলা অনুষ্ঠিত কৰাটো। এই গ্ৰন্থমেলা প্ৰতি বছৰ অনুষ্ঠিত হ'ব। "কল্লোল" গোষ্ঠীৰ আন এটি উল্লেখনীয় কাম হৈছে নগাঁৱত প্ৰথমটি কলা-বিথিকা মহেন্দ্ৰ নাথ মৌহেংডাং ডেকা ফুকন দেৱৰ নামেৰ কৰা নিৰ্ম্মান। ১৯৭৪ চনতৰ পৰা এই জনা সিংহ পুৰুষৰ সোঁৱৰণত আৰম্ভ কৰা হৈছিল। মহেন্দ্ৰ নাথ মৌহেংডাং ডেকা ফুকন সোৱৰণীৰ সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত অসমৰ আগশাৰীৰ সকলোবোৰ মহাবিদ্যালয়ৰ যোগদান নিয়মিয়া আছিল। চলচিত্ৰ সংস্থা আন্দোলনত এক গুৰুত্বপূৰ্ণ স্থিতি হিচাবে ১৯৮৪ চনত "নগাঁও চিনে ক্লাব" গঠন হ'য় আৰু চলচিত্ৰ ৰস াস্বাদনত বিভিন্ন চলচিত্ৰ প্ৰদৰ্শন, ৰিট্ৰস্পেকটিভ আৰু আলোচনা চক্ৰ এই চিনে ক্লাবৰ সৌজন্যত অনুষ্ঠিত হ'য়। উল্লেখযোগ্য যে এই অনুষ্ঠানটো কল্লোৰ মজিয়াতেই জন্ম হৈছিল। কল্লোলৰ মজিয়াত জন্মহোৱা আন দুটি অনুষ্ঠান হল-'নগাঁও দবা সন্থা' আৰু 'স্পিকমেক্'ৰ নগাওঁ শাখা। স্পিকমেকে্ শাস্ত্ৰীয় সংগীত আৰু সংস্কৃতিক যুব সমাৰোহ জনপ্ৰিয় কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে।

নগাঁও জিলাৰ বেবেজীয়া অঞ্চলৰ "শেতালি শঙ্কৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰৰ" উদ্যোগত শঙ্কৰী সংস্কৃতিৰ বিভিন্ন দিশৰ ওপৰত অধ্যয়ন-গৱেষনা আৰু চৰ্চা ফলপ্ৰসু হোৱাকৈ অব্যাহত আছে। ১৯৮৬ চনত সৰ্বভাৰতীয় খ্যাতি স ম্পন্ন নাট্যকাৰ, অভিনেতা, পৰিচালক হবিব তনবিৰ আৰু কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অনেক সময়ত এই অনুষ্ঠানৰ দ্বাৰা আয়োজিত অঙ্কীয়া ভাওনা প্ৰত্যক্ষ কৰে।

হাতীচুং অঞ্চলৰ আন এটি অনুষ্ঠান "ৰংঘৰ কলা পৰিষদে"ও খগেন্দ্ৰ নাথ ভূঞা বৰাদেৱৰ নেতৃত্বত শঙ্কৰী সংস্কৃতিৰ গবেষনা আৰু চিন্তা চৰ্চাত অৰিহণা যোগাই আহিছে।

১৯৭০ চনত কামপুৰত প্ৰতিষ্ঠা হয় "কপিলী পৰীয়া নাট্য গোষ্ঠীৰ"। কামপুৰ অঞ্চলৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে গঠন কৰা এই গোষ্ঠীয়ে কপিলী পৰীয়া এই

অঞ্চলটিৰ সাংস্কৃতিক বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

১৯৮৫ চনৰ ২ অক্টোবৰ তাৰিখে অসমৰ প্ৰথম খন "ফটোগ্ৰাফী ইনষ্টিটিউট অব অসম"ৰ দুৱাৰ মুকলি কৰে প্ৰয়াত সাংবাদিক জগৎ চন্দ্ৰ শৰ্মাদেৱে। আলোক চিত্ৰশিল্পী অমূল্য মান্না দেৱৰ তত্বাৱধান আৰু পৰিচালনাত স্থায়ী আৰু অসমৰ বিভিন্ন প্ৰান্তৰ কিছু ফটো কলাপ্ৰেমীৰ সহযোগত ২৫ জন ছাত্ৰ-ছাত্ৰীৰে গঢ়ি উঠে উক্ত ফটোগ্ৰাফী শিক্ষা কেন্দ্ৰ। এই শিক্ষা কেন্দ্ৰৰ মুখ্য উদ্দেশ্য এয়ে যে উত্তৰ পূৰ্বাঞ্চলত নথকা বিশ্বৰ আটাইতকৈ বাস্তৱ আৰু বিজ্ঞান সন্মত ফটো গ্ৰাফী কলা শিক্ষাৰ মাধ্যমেৰে ফটোগ্ৰাফী কলাৰ উদ্দেশ্য সাধন আৰু দক্ষ ফটোগ্ৰাফাৰ, চিনেমেট'গ্ৰাফাৰৰ অভাৱ পূৰণ কৰা।

ৰূপৰঙ্গ সাংস্কৃতিক গোষ্ঠী নগাঁও চহৰৰ আন এক উল্লেখযোগ্য অনুষ্ঠান। ১৯৭৭ চনত স্থাপন হোৱা এই গোষ্ঠীয়ে সফলতাৰে অনেক নাটক আৰু সাংস্কৃতিক অনুষ্ঠান উপস্থাপন কৰি আহিছে। ৰূপৰঙ্গ চিত্ৰাঙ্কন বিদ্যালয় বৰ্ত্তমানে চিত্ৰাঙ্কন শিক্ষাৰ এক অন্যতম অনুষ্ঠান।

নগাঁৱৰ সংগম গোষ্ঠীয়ে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰাৰ ওপৰিও সমাজৰ বিভিন্ন সমস্যা যাইকৈ পৰিবেশ, বিজ্ঞান জনপ্ৰিয় কৰণ ইত্যাদি দিশত নগাঁৱত এক মুখ্য ভূমিকা পালন কৰি আহিছে।

অভিনয় কলাক মুখ্য কৰি গঢ়ি উঠা আৰু বহুবোৰ অনুষ্ঠান নগাঁও জিলা খনত সিঁচৰিত হৈ আছে। প্ৰকৃততে কবলৈ গলে এইবোৰ অনুষ্ঠানৰ পৰাই জিলাখনৰ অসম তথা ভাৰতবৰ্ষক প্ৰতিনিধিত্ব কৰিব পৰাকৈ অভিনেতা-অভিনেত্ৰী, গায়ক, সঙ্গীতজ্ঞৰ সৃষ্টি হৈছে। নগাঁৱৰ চন্দ্ৰজ্যোতি সংঘ, নেনীহাল সাংস্কৃতিক গোষ্ঠী, ৰংমহল, কলহংস, অম্লান গোষ্ঠী, পিপলছ ফৰাম, সেউজ গোষ্ঠী, ৰবীন্দ্ৰ সমাজ, পুৰণি গুদামৰ অনিৰ্বান গোষ্ঠী অঞ্জুমন সমাজ ইত্যাদি উল্লেখনীয়। ১৯৭৯ চনত গঠন হোৱা কিশলয় গোষ্ঠীৰ মুকলি বিহু প্ৰতিযোগিতাত নগাঁৱৰ নেহেৰুবালীত প্ৰতিবছৰে অনুষ্ঠিত কৰাৰ বাটকটিয়া।

সংস্কৃতিৰ ক্ষেত্ৰত নগাঁও জিলাৰ ঐতিহ্য ৰক্ষা কৰি আজিকোপতি এক সুষম আৰু বৌদ্ধিক ধাৰা বহন কৰি আহিছে, অনেক সংস্কৃতিবান গোষ্ঠী আৰু নিষ্ঠাবান কৰ্মীয়ে। নগাঁৱৰ এই ভূমিকা অসমৰ সংস্কৃতিৰ জগত খনৰো এক অবিচ্ছেদ্য অঙ্গ হিচাবে স্বীকৃত হব পাৰিছে। এই জয়যাত্ৰা নিঃসন্দেহে অব্যাহত থাকিব। ☐

(যিকোনো ভ্ৰান্তি আৰু অনিচ্ছাকৃত অনুল্লেখৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে, লেখক)

স্বৰাজোত্তৰ নগাঁৱৰ ক্ৰীড়া জগত আৰু ইয়াৰ বিকাশ

সহজানন্দ ওজা

১৯৪০ চনলৈকে ক'বলৈ গ'লে নগাঁৱত যদিও খেলা-ধূলাৰ বিশেষকৈ ফুটবল খেলক যথেষ্ট প্ৰচলন আছিল খেল পৰিচালনাৰ বাবে কোনো নিৰ্দ্দিষ্ট সংগঠন নাছিল। সেই সময়ত আৰু তাকো কিছু বছৰৰ পিছলৈকে নগাঁৱৰ বিভিন্ন অঞ্চলত যিবিলাক ফুটবল প্ৰতিযোগিতা আয়োজন হৈছিল কৰা হৈছিল সেইবোৰ পৰিচলনাৰ ক্ষেত্ৰটো এক উমৈহতীয়া নিয়ম-নীতি পালন কৰা হোৱা নাছিল । গতিকে তেনেধৰণৰ প্ৰতিযোগিতা সমূহত মাজে মাজে কিছু অপ্ৰীতিকৰ ঘটনা ঘটিছিল। এইবোৰৰ পৰিপেক্ষিতত সেই সময়ৰ জিলাখনক কিছু ক্ৰীড়াপ্ৰেমীয়ে ফুটবল খেলসমূহ পৰিচালনা কৰিবৰ বাবে এটা সংগঠনৰ প্ৰয়োজনিয়তা অনুভৱ কৰি ১৯৪১ চনত সেই সময়ক স্থানীয় ডচন হাইস্কুলৰ প্ৰধান শিক্ষক জ্ঞান চন্দ্ৰ বৰা দেৱৰ অক্লান্ত কষ্টৰ ফলস্বৰূপে নগাওঁ ফুটবল সংস্থা গঠিত হয়। সেই সংস্থাটোৰ প্ৰথম সভাপতি আৰু সম্পাদক আছিল যথাক্ৰমে লুটফুৰ ৰহমান আৰু জ্ঞান চন্দ্ৰ বৰা।

যদিও এই সংস্থাটো গঠন কৰা হয়, ইয়াৰ বিষয়ববিয়া সকলে ইয়াৰ পৰিচালনা ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সম্মুখীন হয়। ইয়াৰ প্ৰধান কাৰণ আছিল উপযুক্ত খেলপথাৰৰ অভাব। যদিও তেতিয়া নগাঁৱৰ খেলসমূহ বৰ্ত্তমানৰ ষ্টেডিয়াম থকা ঠাইতে অনুষ্ঠিত হৈছিল,তাত বিভিন্ন অনুষ্ঠান অনুষ্ঠিত হৈছিল, আৰু খেলপথাৰ খনৰ অৱস্থা যথেষ্ট বেয়া আছিল আৰু আকাৰো বৰ্ত্তমানৰ আধাতকৈও সৰু আছিল। তেতিয়া সেইখনৰ নাম জুবিলী খেলপথাৰ(Jubilee field) বুলি জনাজাত আছিল। তাত আকৌ দ্বিতীয় মহাযুদ্ধৰ সময়ত (১৯৪২ চনৰ পৰা) সেই পথাৰখন মিলিটেৰীয়ে দখল কৰি তাত এটা 'ডিপু' (Depot) স্থাপন কৰাৰ ব্যৱস্থা কৰে। ফলত সেইখন পথাৰত খেলা-ধূলা কৰাটো প্ৰায় সম্পূৰ্ণ বন্ধ হৈ যায় । সেই সময়ৰ পৰা নগাঁৱৰ খেলসমূহ স্থানীয় পুলিচ প্ৰশাসনৰ সহযোগত পুলিচ খেলপথাৰত চলোৱাৰ ব্যৱস্থা কৰা হয় আৰু সেই ব্যৱস্থা ১৯৪৮ চনলৈকে অব্যাহত থাকে। ১৯৪৮ চনত অসমত পোনপ্ৰথম বাৰৰ বাবে দৰ্শনীৰ ব্যৱস্থা প্ৰবৰ্ত্তনৰে অনুষ্ঠিত কৰা দ্বিতীয় অসম আন্তঃজিলা ফুটবল প্ৰতিযোগিতা এই পুলিচ খেলপথাৰতে অনুষ্ঠিত হৈছিল। ফুটবল খেলৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰি দৰ্শনীৰ ব্যৱস্থাৰে যে সেই প্ৰতিযোগিতাত হোৱা খা-খৰচৰ জোৰা

মাৰিব পাৰি নগাঁৱেই হৈছে তাৰ পথপ্ৰদৰ্শক। একেদৰে ১৯৪৯ চনত নগাঁৱত স্বাধীনতা দিৱস কাপ প্ৰতিযোগিতা নামেৰে অসমত পোনপ্ৰথমবাৰৰ বাবে এখনি ফুটবল প্ৰতিযোগিতা আমন্ত্ৰণমূলক ভিত্তিত আয়োজন কৰি নগাঁৱেই এই ক্ষেত্ৰত ৰাজ্যখনত বাটকটীয়া হিচাপে নিজকে প্ৰতিষ্ঠিত কৰে। এই প্ৰতিযোগিতা এতিয়া এখন সৰ্ব্বভাৰতীয় ফুটবল ফেডাৰেচনৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত বোৰৰ ভিতৰতেই এখন আগশাৰীৰ মৰ্য্যাদাসম্পন্ন টুৰ্ণামেন্ট যিখনে এইবাৰ সোনালী জয়ন্তী বৰ্ষত ভৰি দিছে। অসমৰ ফুটবল খেলক ইতিহাসত এয়া যুগান্তৰকাৰী অভিহিত কৰিব পাৰি।

মিলিটেৰীয়ে এৰি যোৱাৰ পিচত এই জুবিলী খেল পথাৰ খনৰ দখল পুনৰ নগাঁও ফুটবল সংস্থালৈ আহে। সেনাই বিধ্বস্ত অৱস্থাত এৰি যোৱাৰ পিছত খেলপথাৰখন পুনৰ খেলৰ উপযোগী কৰি তুলিবৰ বাবে যথেষ্ট কষ্ট কৰিবলগীয়া হৈছিল। আগতেই উল্লেখ কৰা হৈছে যে তেতিয়াৰ জুবিলীখেলপথাৰৰ অৱয়ব বৰ্তমানৰ আধাহে আছিল। বৰ্তমান খেলপথাৰ খনৰ সোঁমাজেৰে বীৰেণ মহন্ত পথ আৰু ৰাষ্ট্ৰীয় ঘাই পথ সংযোগ কৰি এটা ৰাস্তা আছিল। ৰাস্তাটোৰ উত্তৰফালে লাচিত বৰফুকন ৰোড, নগাঁও বনসংমণ্ডলৰ বিষয়াৰ বাসভৱন আছিল। আৰু সেই বাসভৱনৰ সোঁফালে যিখিনি ঠাইত বৰ্তমান বাস্কেট বলৰ কৰ্ট আছে, এটা বৃহৎ আকাৰৰ পুখুৰী আছিল। বন সংমণ্ডল বিষয়াৰ বাসভৱনটো জুই লাগি ভষ্মীভূত হোৱাৰ ফলত তেওঁৰ বাসভৱনটো বৰ্তমানৰ ঠাইলৈ স্থানান্তৰিত কৰা হয়। পিছত নগাঁও ফুটবল সংস্থা আৰু জিলাখনৰ ক্ৰীড়াপ্ৰেমী সকলৰ যত্নৰ ফলত সেই ৰাস্তাটো আৰু ডি. এফ. অ'ৰ পৰিত্যক্ত বাসভৱনটো পুখুৰীটোৰে সৈতে গোটেই ঠাইখিনি নগাঁও ফুটবলসংস্থাক চৰকাৰে দিয়াত জুবিলীখেলপথাৰৰ বৰ্তমানৰ অৱয়ব হয়গৈ। সেয়াই হৈছে বৰ্তমানৰ নগাঁৱৰ ক্ৰীড়া সংস্থাৰ খেল পথাৰ। ১৯৯০ চনত অনুষ্ঠিত সংস্থাৰ সাধাৰণ সভাত অসমৰ ক্ৰীড়াজগতৰ প্ৰাত:স্মৰণীয় ব্যক্তি ৺ নুৰুলআমিন দেৱৰ নামত নামকৰণ কৰা হয়। উল্লেখযোগ্য যে আমিন দেৱৰ জীৱিত কালতে ষ্টেডিয়ামখন তেখেতৰ নামত নামকৰণ কৰা হয় যিটো কেৱল অসমতেই নহয় সমগ্ৰ দেশৰ ভিতৰতে এক বিৰল দৃষ্টান্ত।

নুৰুল আমিন দেৱে ১৯৮৩ চনত পদত্যাগ কৰাৰ পিছত ১৯৮৪ চনৰ পৰা ব্যৱসায়িক প্ৰকল্প অৰ্থাৎ দোকানসমূহ নিৰ্মাণ কৰা কাৰ্য্য ক্ষিপ্ৰ গতিত আগবাঢ়ে। এই নিৰ্মাণৰ ফলত সংস্থাই অনুষ্ঠান আৰু খেল পৰিচালনাৰ বাবে ধন সংগ্ৰহ কৰিবলৈ সক্ষম হোৱাৰউপৰিও খেলপথাৰখনৰ বেৰৰ কাম কৰে আৰু তাতে দৰ্শকৰ বাবে পকাৰ গেলাৰীও নিৰ্মিত হয়। ব্যক্তিগত ব্যৱসায়ী সকলৰ পৰা অগ্ৰীম ধন লৈ সেইবোৰ নিৰ্মাণ কৰা হৈছে আৰু সেই অগ্ৰীম ধন মাহেকীয়া ভাৰাত কাটি থকা হৈছে।

বৰ্তমানে এই ষ্টেডিয়ামখনত ফুটবল, ক্ৰিকেট, ভলীবল, বাস্কেটবল, এথলেটিক্‌চ, হকী, কাবদী, কেৰম আদি খেলৰ বাবে পূৰ্ণাঙ্গ ব্যৱস্থা আছে। আনহাতে ১৯৮৪ চনত

টেবুল টেনিচ, বেডমিন্টন আদিৰ খেলৰ বাবে হাতত লোৱা ইনড'ৰ ষ্টেডিয়াম প্ৰকল্পটো এতিয়াও সম্পূৰ্ণ হোৱা নাই। বৰ্তমানে ইয়াৰ নিৰ্মাণৰ কাম চলি আছে আৰু ১৯৯৯ চনৰ প্ৰথম ভাগতে এই ষ্টেডিয়ামটো মুকলি হ'ব বুলি আশা কৰিব পাৰি। এইটো সম্পূৰ্ণ হলে অকল নগাঁৱৰ বাবেই নহয় সমগ্ৰ ৰাজ্যখনৰে উঠি অহা খেলুৱৈ সকলৰ বাবে এটা অতি প্ৰয়োজনীয় ক্ৰীড়াৰ আন্তৰ্গাঠনি গঢ় লৈ উঠিব। আনহাতে চৰকাৰী প্ৰচেষ্টাত প্ৰায় যোল্ল, সোতৰ লাখ টকা খৰছ কৰি স্থানীয় মাৰাৰ পাৰ্কৰ অলপ মাটি আবণ্টন লৈ ৰাজ্যৰ ক্ৰীড়া বিভাগে এটা চুইমিং পুল নিৰ্মাণৰ ক্ষেত্ৰত থকা আসোৱাঁহৰ বাবেই সেইটো নিৰ্মাণৰ প্ৰায় এবছৰ মানৰ ভিতৰতে ব্যৱহাৰৰ কাৰণে বন্ধ কৰি দিয়া হয়। নগাঁৱৰ ৰূপহীত এটা গ্ৰাম্যক্ৰীড়া প্ৰকল্প নিৰ্মাণৰ প্ৰস্তাৱ নেহৰু যুৱ কেন্দ্ৰৰ তৰফৰ পৰা দাখিল কৰাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে তাৰ বাবে প্ৰায় এশ বিঘামান মাটি আৰু ধন আবণ্টন কৰে। কিন্তু সেই প্ৰকল্পটো নিৰ্মাণ নহ'ল। সত্তৰ দশকত সেই ঠাইতে যি উলহ মালহেৰে সদৌ অসম গ্ৰাম্য ক্ৰীড়া হৈছিল সি এতিয়া ক্ৰমশ: স্তিমিত।

স্বাধীনোত্তৰ কালত আজি প্ৰায় পোন্ধৰবছৰ মানৰ আগলৈকে স্কুল টুৰ্ণামেণ্ট সমূহেও জিলাখনক ক্ৰীড়াৰ পৰিবেশ গঢ় দিয়াত যথেষ্ট সহায় কৰিছিল। বৰ্তমানে সেই পৰিবেশ নাই বুলিলেই হয়। আনহাতে যদিও খেলাধূলাৰ ক্ষেত্ৰত ' গুৰুত্বদিয়াৰ কথা কলেও কাৰ্যক্ষেত্ৰত সি হৈ নুঠে। এনেবোৰ কাৰণতেই জিলাখনত স্বাধীনতাৰ ৫০ বছৰৰ পিচটো এটা প্ৰকৃত ক্ৰীড়া পৰিবেশ গঢ় লৈ উঠা নাই।

স্বাধীনোত্তৰ কালত কবলৈ গ'লে সমগ্ৰ জিলাখনৰ ভিতৰত নগাঁও ক্ৰীড়াসংস্থাৰ খেলপথাৰখনেই এখন প্ৰকৃত ক্ৰীড়া আন্তৰ্গাঠনি নিৰ্মাণৰ প্ৰচেষ্টা চলি আছে। আনহাতে মৰিগাঁও, হোজাই আদি অঞ্চলটো একোটাকৈ অনুষ্ঠানীয়া আন্তৰ্গাঠনি নিৰ্মাণৰ ব্যৱস্থা কৰা হৈছে। সেইদৰেই কলিয়াবৰতো এনে এটা প্ৰচেষ্টা হাতত লোৱা হৈছে।

এইখিনিতে নগাঁও ক্ৰীড়া সংস্থা গঠন সম্পৰ্কেও কিছু আলোচনা কৰাটো উচিত হ'ব বুলি বিবেচনা কৰো। ১৯৬৭ চনলৈকে জিলাখনৰ বিভিন্ন খেল পৰিচালনা কৰিবৰ বাবে একোটাকৈ জিলাভিত্তিক সংগঠন আছিল। সেই সকলোবোৰৰ ওপৰত আছিল নগাঁও স্পৰ্টচ ক্লাব। ১৯৬৭ চনত জিলাভিত্তিক এই সকলো সংস্থাই নগাঁও স্পৰ্টচ ক্লাবৰ আহ্বানক্ৰমে এখন সভাত মিলিত হৈ নগাঁও ক্ৰীড়া সন্থা (Nagaon Sports Association) নামৰ বৰ্তমানৰ সংস্থাটোক গঢ় দিয়ে। ইয়াৰ প্ৰথম সভাপতি আৰু সম্পাদক আছিল যথাক্ৰমে ৰামনাথ শৰ্মা আৰু নুৰুল আমিন। সংস্থাই ইয়াৰ খেলাধূলাক ষ্টেডিয়ামতেই পৰিচালনা কৰে। বৰ্তমান নগাঁৱৰ এই খেলপথাৰখনৰ বাহিৰে নগাঁও চহৰত দ্বিতীয়এখন উন্নত খেলপথাৰ নাই। নগাঁৱৰ খেলাধূলাৰ পৰিবেশ আৰু মানদণ্ডৰ উন্নতিৰ বাবে অন্তত: আৰু এখন উপযুক্ত মানদণ্ডসম্পন্ন খেল পথাৰৰ প্ৰয়োজন। এই ক্ষেত্ৰত নগাঁৱৰ নিউ আমোলাপট্টিত থকা পথাৰখনলৈ আঙুলিয়াব পাৰি। এই পথাৰখনৰ কাষত

থকা খাৰৈটো আৰু দকৈ খান্দি সেই মাটিৰেই পথাৰখনত পেলাই পথাৰখন ওখ কৰি সেই পথাৰখনত এটা চিন্দাৰ ট্ৰেক্ নিৰ্মাণ কৰি আৰু খাৰৈটোও ৰবিং (নাও বোৱা) ব্যৱস্থাৰ এটা সুন্দৰ কমপ্লেক্স তাত তৈয়াৰ কৰিব পাৰি।

নগাঁৱৰ অসমৰ ক্ৰীড়াক্ষেত্ৰলৈ আন এটা বৰঙনি হৈছে যে নগাঁৱতেই অসমৰ বহুকেইটা ক্ৰীড়া সংগঠন জন্ম হৈছে। আনহাতে নগাঁৱে অসমৰ ক্ৰীড়া জগতলৈ বহুকেইজন সংগঠকে অৰিহণা যোগাইছে। তেওঁলোকৰ ভিতৰত আমি প্ৰথমেই নাম ল'ব লাগিব ✓নুৰুল আমিনদেৱৰ। তেখেতে সৰ্বভাৰতীয় ফুটবল ফেদাৰেচনৰ সভাপতি পদ অলঙ্কৃত কৰাৰ বাহিৰেও অসম ফুটবল সন্থাৰ প্ৰায় কুৰি বছৰ ধৰি সম্পাদক, অসম অলিম্পিক, অসম বাস্কেটবল, অসম এমেচাৰ এথলেটিক্চ সন্থা আদিৰ সভাপতি, অসম ক্ৰিকেট সন্থাৰ সম্পাদক, অসমৰাজ্যিক ক্ৰীড়া পৰিষদৰ প্ৰথম সম্পাদক আৰু অসমৰ প্ৰথম ক্ৰীড়া বিভাগৰ সঞ্চালক আদি বহু পদ অলঙ্কৃত কৰি গৈছে। তেখেতে যিবাৰ এছিয়ান গেমছলৈ (জাকাৰ্টত অনুষ্ঠিত) মেনেজাৰ হৈ গৈছিল সেইবাৰ ভাৰত ফুটবলত এছিয়ান গেমছৰ চুড়ান্ত বিজয়ীৰ সন্মান লাভ কৰিছিল। অসমৰ আন কোনো ক্ৰীড়া সংগঠকে তেখেতৰ দৰে দেশৰ ক্ৰীড়া জগতত ইমান স্বীকৃতি লাভ কৰিব পৰা নাছিল।

ফুটবলত নগাঁৱৰ আন এজন আন্তৰ্জাতিক স্থান লাভ কৰিবলৈ সক্ষম হোৱা লোক হৈছে বাবুল বাৰ্মিজ। তেওঁ এজন আন্তঃৰাষ্ট্ৰীয় ৰেফাৰী(FIFA)। আনহাতে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ বিভিন্ন কমিতিৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰিও ১৯৮৭ চনত ভাৰতত আয়োজিত বিশ্বকাপ ক্ৰিকেটৰ সাংগঠনিক কমিটিৰ সদস্য আৰু ভাৰতীয় দলৰ সহকাৰী মেনেজাৰ হিচাবে (১৯৮২-৮৩) দলৰ লগত এজন বিষয়ববীয়া হিচাবে যাব পৰা এই প্ৰবন্ধকাৰেই নগাঁও তথা অসমৰ একমাত্ৰ ব্যক্তি। ইয়াৰ উপৰিও এই নিবন্ধকাৰ ছয় বছৰ ধৰি অসম ক্ৰিকেট সংস্থাৰ চাৰি বছৰৰ বাবে অসম এথলেটিক্চ সন্থাৰ সভাপতি, অসম বেডমিন্টন আদি কেইবাটাও ৰাজ্যিক সংগঠনৰ বিভিন্ন পদবীত কাৰ্যনিৰ্বাহ কৰিছে। নগাঁৱৰ প্ৰদীপ কুমাৰ হাজৰিকা ভাৰতৰ কেৰম ফেডাৰেচনৰ উপসভাপতি আৰু অসম কেৰম সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি। সেইদৰেই স্মৰণীয় হ'ল আদিলুজ জামান খান। তেওঁ ভাৰতীয় ভলীবলৰ উপসভাপতি আৰু ভলীবল দলৰ এবাৰ মেনেজাৰ আছিল। তেওঁ ভলীবল সন্থাৰ বহুবাৰ সম্পাদক আছিল। ইয়াৰ বাহিৰেও নগাঁৱৰ বহুকেইজন ক্ৰীড়া সংগঠক ৰাজ্যিক স্তৰৰ ক্ৰীড়া সংস্থাসমূহৰ বহুবোৰ গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত হৈ অসমৰ ক্ৰীড়া জগতলৈ প্ৰভূত বৰঙনি আগবঢ়াবলৈ সক্ষম হৈছে। এই সময়ছোৱাত নগাঁৱৰ দুগৰাকী খেলুৱৈ - স্বাধীন ডেকা বৰা আৰু পদ্মেশ্বৰ ডেকাই ফুটবলত দেশক প্ৰতিনিধিত্ব কৰাৰ বাহিৰেও আন বহুসংখ্যক খেলুৱৈয়ে ফুটবল, ক্ৰিকেট, ভলীবল, বাস্কেটবল, কেৰম, বেডমিন্টন, হকী, শৰীৰচৰ্চা আদি খেলত ৰাজ্যক প্ৰতিনিধিত্ব কৰি জিলাখনলৈ সন্মান কঢ়িয়াই আনিছে। ইয়াৰ ভিতৰত সুৰুজুদ্দিন আহমেদ কেৰম খেলত গৌৰৱ অৰ্জন কৰিছে। ৰূপহীৰ বেজগুৱীৰ

বীণামাই বাৰাৰী যোৱা দুবছৰ ধৰি বয়স্ক সকলৰ আন্তৰ্জাতিক প্ৰতিযোগিতাত এথলেটিক্‌চত ভাৰতক প্ৰতিনিধিত্ব কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে।

টেনিচৰ এক প্ৰাচীন ঐতিহ্য নগাঁও জিলাত প্ৰাক্ স্বাধীনতাৰ কালৰ পৰাই চলি আহিছে। বৰ্তমানৰ উপায়ুক্ত কাৰ্যালয় আৰু এপেক্স বেংকৰ মাজৰ মুকলি ঠাইতে কিছুদিনৰ আগলৈকে টেনিচ খেলা হৈ আহিছিল। পিছত আৱৰ্ত্ত ভৱনৰ কাষত বৰ্তমানৰ স্থায়ী টেনিচ কৰ্ট স্থাপিত হয়।

টেবুল টেনিচৰ বিভিন্ন প্ৰশিক্ষণ আৰু আমন্ত্ৰণমূলক প্ৰতিযোগিতা ফৌজদাৰীপট্টীৰ কলামন্দিৰ, আমোলাপট্টিৰ নাট্যমন্দিৰ আদিত অনুষ্ঠিত হৈছিল। আৰু বৰ্তমানৰ ষ্টেডিয়ামতো ইয়াৰ অনুশীলন চলি আহিছে।

জিলা ক্ৰীড়া সস্থাৰ উপৰিও নগাঁৱৰ বিভিন্ন অঞ্চলৰ আঞ্চলিক ক্ৰীড়া সস্থা, ক্লাব আদিৰ উদ্যোগত বিভিন্ন খেলা প্ৰতিযোগিতা আৰু খেলৰ চৰ্চা অতীজৰ পৰাই চলি আহিছে। এইক্ষেত্ৰত লামডিং, কামপুৰ, ৰহা, ফুলগুৰি, চামগুৰি, মৈৰাবাৰী, খিং, চাপৰমুখ, আমবাগান আদিৰ ক্ৰীড়া সংস্থা সমূহৰ ভূমিকা প্ৰশংসনীয়। গাঁও অঞ্চলৰ খেলৰ প্ৰতিভা বিকাশত এইসমূহ সংস্থাৰ অৰিহণা উলাই কৰিব নোৱাৰা ধৰণৰ।

উল্লেখ্য যে কিছুদিনৰ পৰা জিলাখনৰ বিভিন্ন অঞ্চলত কুংফু, কেৰাটে, কিক্ বক্সিং আদি সমৰ কলা সমূহো ক্ষীপ্ৰ গতিত জনপ্ৰিয় হৈ আহিছে আৰু বিভিন্ন সমৰকলা সংস্থা গঠিত হৈছে। একেদৰে নগাঁও ডবা সস্থাৰ উদ্যোগত সময়ে সময়ে নিয়মীয়াকৈ ডবাখেলৰ প্ৰতিযোগিতা আদি অনুষ্ঠিত হৈ আহিছে। আনহাতে নগাঁও জিলাৰ বিভিন্ন চাহবাগান সমূহৰ কৰ্তৃপক্ষই ক্ৰিকেট খেলৰ যথেষ্ট পৃষ্ঠপোষকতা কৰাৰ উপৰিও ফুটবল আদি খেলৰ বাবেও যত্নপৰ হৈ আহিছে।

নগাঁৱৰ ক্ৰীড়াক্ষেত্ৰক যিসকল লোকে যোৱা পঞ্চাশ বছৰত নিজৰ বৰঙনিৰে সমৃদ্ধ কৰি থৈ গৈছে তেওঁলোকৰ নাম নললে এই প্ৰবন্ধ নিশ্চয় অসম্পূৰ্ণ হৈ ৰ'ব। সকলোটিৰে নাম স্মৰণ কৰা সম্ভৱ নহয় যদিও বিশেষকৈ ৺ মহীচন্দ্ৰ বৰা, ৺ প্ৰতাপচন্দ্ৰ শৰ্মা, ৺ মতিৰাম বৰা, ৺ জ্ঞানচন্দ্ৰ বৰা, ৺ প্ৰফুল্ল চন্দ্ৰ ভূঞা, ৺ খৰ্গেশ্বৰ বৰা, ৺ জোনাৰাম বৰা, ৺ হৰিপদ কুমাৰ, ৺ মহেন্দ্ৰনাথ হাজৰিকা, ৺ ৰেজিবুদ্দিন আহমেদ, ৺ খানবাহাদুৰ লুটফুৰ ৰহমান, ৺ দেৱব্ৰত মজুমদাৰ, ৺ দেৱকান্ত বৰুৱা, ৺ যুগল কুমাৰ দাস, ৺ বিষ্ণু বৰুৱা, জাবাদ হাজৰিকা, ৺ ৰামনাথ শৰ্মা, ৺ আলচাৰউদ্দিন আহমেদ, ৺ ক্ষীৰোদ বৰুৱা, ৺শান্তিৰঞ্জন দাসগুপ্ত, ৺ সাধন ৰঞ্জন সৰকাৰ, ৺ গোপাল গুপ্ত, ৺ নৱকুমাৰ ভূঞা, ৺ অজিত কুমাৰ বৰা, ৺ যোগেশ চন্দ্ৰ শৰ্মা, ৺জিতেন শইকীয়া, ৺মাখন পাল, ৺এ. এন. কিডৱাই, ৺আব্দুল হাই আদিৰ নাম উল্লেখযোগ্য। এই সকলোলৈকে সশ্ৰদ্ধ প্ৰণাম। তেখেতসকলৰ কৰ্মৰাজিয়ে সকলো ক্ৰীড়া প্ৰেমীকে অনুপ্ৰেৰণা দি থাকক। □

স্বৰাজোত্তৰ কালৰ অবিভক্ত নগাঁও জিলাৰ জন গাঁথনি (১৯৫১-৯১)

ড° জ্যোতি নাথ চক্রবর্তী

ভাৰতবৰ্ষ স্বাধীন হয় ১৯৪৭ চনত। কিন্তু স্বাধীন ভাৰতৰ প্ৰথম পিয়ল হয় ১৯৫১ চনত। সেয়ে আমি স্বাধীনোত্তৰ কালৰ অবিভক্ত নগাঁও জিলাৰ জন গাঁথনি সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে ১৯৫১ চনৰ পিয়লৰ পৰাহে আৰম্ভ কৰিম। তাৰোপৰি আগৰ নগাঁও জিলাখনক দুভাগ কৰি ১৪।১০।৮৯ চনৰ পিছত দুখন জিলা কৰা হৈছে- নগাঁও আৰু মৰিগাঁও। আমি ইয়াত অবিভক্ত নগাঁও জিলাৰ বিষয়েহে আলোচনা কৰিম।

১৯৪৭ চনৰ স্বাধীনতাই ভাৰতবৰ্ষত ভৌগলিক, ৰাজনৈতিক, সামাজিক তথা অৰ্থনৈতিক ক্ষেত্ৰত আমূল পৰিবৰ্ত্তন আনে। ভাৰতবৰ্ষ ধৰ্মীয় ভিত্তিত দ্বিখণ্ডিত হৈ পাকিস্তান আৰু ভাৰতবৰ্ষ (হিন্দুস্তান) সৃষ্টি হয়। আৰু নীতি অনুসৰি ধৰ্মীয় ভিত্তিত জন সাধাৰণৰ বসতি স্থানান্তৰণ হোৱা কথা। কিন্তু পৰৱৰ্তী ঘটনাই প্ৰমাণ কৰিলে যে বিশেষকৈ পূব পাকিস্তান আৰু পূৱ ভাৰতৰ ক্ষেত্ৰত এই জন বসতি স্থানান্তৰণ কেৱল আংশিক ভাবেহে সম্পন্ন হয়।

বৃহত্তৰ নগাঁও জিলাৰ জন সংখ্যাৰ বৃদ্ধিৰ হাৰ অসম তথা ভাৰতবৰ্ষ তথা অসমৰ আন আন জিলাৰ জন সংখ্যাৰ বৃদ্ধিৰ হাৰতকৈ বহুত বেছি। স্বাধীনতাৰ ঠিক পৰৱৰ্ত্তী সময়ত নগাঁও জিলাৰ উত্তৰ অঞ্চলটো বান বিধ্বস্ত অঞ্চল আছিল। সেয়ে তাত থলুৱা লোকৰ বসতি কম আছিল। কিন্তু স্বাধীনতাৰ আগত আৰু স্বাধীনতাৰ পিছতো বহুতো মুছলমান মানুহ পূব বঙ্গ তথা পূব পাকিস্তানৰ পৰা আহি এই অঞ্চলত বাস কৰিবলৈ লয়। এওঁলোকে এই অঞ্চলটোত প্ৰধানকৈ ধান আৰু মৰাপাটৰ খেতি কৰিবলৈ লয়। পৰৱৰ্ত্তী কালত অৱশ্যে কাজিৰঙাৰ পৰা আৰম্ভ কৰি মায়ঙলৈকে ব্ৰহ্মপুত্ৰৰ পাৰত মথাউৰি বন্ধাত এই অঞ্চলটোৰ বানপানীৰ উপদ্ৰৱ বহু পৰিমাণে হ্ৰাস পায় আৰু অঞ্চলটো বাসোপযোগী হৈ উঠে।

তলৰ ১ নং তালিকাৰ পৰা দেখা যায় যে ১৯৫১ চনত অবিভক্ত নগাঁও জিলাত মুঠ জনসংখ্যা আছিল ৮,৮৬,৯৫৫। যদিও সঠিক হিচাপ পোৱা নাযায় তথাপি এটা অনুমান কৰিব পাৰি যে ১৯৪৭ চনত নগাঁৱত জনসংখ্যা আছিল, ৮,১৫,৫৯০। দেশ স্বাধীন আৰু বিভাজন হোৱাৰ পিছত সমগ্ৰ ভাৰতবৰ্ষতে, সেই হিচাপে অসম তথা নগাওঁ জিলাতো জনগাঁথনিৰ এটা পৰিবৰ্ত্তন ঘটে। ধৰ্মৰ ভিত্তিত দেশ বিভাজন হোৱাত বিশেষকৈ দুটা ধৰ্মৰ মানুহৰ স্থান বদলি হয় কিছু পৰিমানে। সেয়ে অসমৰ ক্ষেত্ৰত বহু হিন্দু উদ্বাস্তু পূব পাকিস্তানৰ পৰা অসমলৈ আহে, তাৰে এটা বৃহৎ অংশ নগাঁও জিলালৈকে আহে আৰু কিছু সংখ্যক মুছলমান মানুহ এই

তালিকা নং - ১

১৯৫১ চনৰ পৰা ১৯৯১ চনলৈকে নগাঁও, অসম আৰু ভাৰতবৰ্ষৰ জনসংখ্যাৰ বৃদ্ধিৰ চানেকি-

চন	নগাঁও		অসম		ভাৰতবৰ্ষ	
	মুঠ জনসংখ্যা	বৃদ্ধিৰ হাৰ	মুঠ জনসংখ্যা	বৃদ্ধিৰ হাৰ	মুঠ জনসংখ্যা (মিলিয়নত)	বৃদ্ধিৰ হাৰ
১৯৫১	৮,৮৬,৯৫৫	+ ৩৬.৬৫	৮২,২৫,০৫৮	+ ২০.১২	৩৬১.১	+ ১২.৩১
১৯৬১	১২,১০,৭৬১	+ ৩৬.৫১	১,১১,০৩,৩৯২	+ ৩৪.৯৯	৪৩৯.২	+ ২১.৫০
১৯৭১	১৬,৮০,৮৯৫	+ ৩৮.৮৩	১,৪৯,৫১,৫৪২	+ ৩৪.৭১	৫৭৪.০	+ ২৪.৫৭
১৯৯১	২৫,৩২,৮৫৩	+ ৫০.৬৮	২,২৪,১৪,৩২২	+ ৪৯.৯১	৮৪৪.০	+ ৪৭.০৩
১৯৫১-৯১						
ভিতৰত মুঠ বৃদ্ধিৰ হাৰ		+ ১৮৫.৫৬		+ ১৭২.৫১		+ ১৩৩.৮০
বছৰি বৃদ্ধিৰ হাৰ		+ ৪.৬৩		+ ৪.৩১		+ ৩.৩৪

অঞ্চলবোৰৰ পৰা পূব পাকিস্তানলৈ গুছি যায়। অৱশ্যে গুছি যোৱাৰ সংখ্যা তুলনামূলক ভাবে কম। আৰু যোৱা সকলৰ কিছু অংশ আকৌ উভতি আহে। ১৯৪১-৫১ দশকৰ ভিতৰত নগাঁও জিলাত থিতাপি লোৱা মুঠ উদ্বাস্তুৰ চৰকাৰী হিচাপ মতে ১০,৫৬৩ জন নগৰ অঞ্চলত আৰু বাকী ২৮,০৩৬ জন গাঁৱত থিতাপি লয়। লামডিং থানা এলেকাত ৪১-৫১ দশকৰ ভিতৰত জনসংখ্যাৰ বৃদ্ধিৰ হাৰ হৈছিল শতকৰা৩৮.২০ আৰু যমুনামুখ থানা এলেকাত বৃদ্ধি হৈছিল৯৬.১ ভাগ আথাৎ হিন্দু উদ্বাস্তুৰ সৰহখিনিয়ে এই দুটা অঞ্চলত বাস কৰিবলৈ লয়। তাৰোপৰি ৰূপহীহাট, কলিয়াবৰ, লাহৰিঘাট, খিং, ৰহা, মৰিগাঁও, চামগুৰি আৰু নগাঁও থানা এলেকাবোৰতো বহু হিন্দু উদ্বাস্তুৱে থিতাপি লয়।

১৯৪১-৫১ ৰ দশকত অসমৰ আৰু সমগ্ৰ ভাৰতবৰ্ষৰ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ আছিল ক্ৰমে শতকৰা ২০.১২ ভাগ আৰু ১২.৩১ ভাগ। অথচ নগাঁও জিলাৰ বৃদ্ধিৰ হাৰ উক্ত সময়ত আছিল শতকৰা ৩৬.৬৫ ভাগ। ইয়াৰ দ্বাৰাই প্ৰমাণ কৰে নগাঁও জিলাত স্বাধীনতাৰ দশকত কি ধৰণৰ প্ৰব্ৰজন হৈছিল। তাৰে এটা অংশ আছিল হিন্দু উদ্বাস্তু। ১৯৫১ চনৰ পিয়লৰ হিচাপ মতে মুঠ জনসংখ্যাৰ৫৮.৪০ ভাগ আছিল হিন্দু আৰু ৪০.৫৪ ভাগ আছিল মুছলমান মানুহ। এইখিনিতে এটা মন কৰিবলগীয়া কথা যে ১৯০১ চনত নগাঁও জিলাত মুঠ জনসংখ্যাৰ ৬৪.৪০ ভাগ আছিল হিন্দু আৰু শতকৰা ৪.৮৩ ভাগ আছিল মুছলমান। আনহাতে ১৯৫১ চনৰ লোকপিয়ল অনুসৰি দেশ স্বাধীন হোৱাৰ পিছত বহু হিন্দু নগাঁও জিলাত থিতাপি লোৱাৰ পিছতো মুঠ জনসংখ্যাৰ শতকৰ ৫৮.৪০ ভাগ হয় হিন্দু অৰ্থাৎ হিন্দুৰ অনুপাত নিম্নগামী হয় আৰু এই সময়ছোৱাত কিছুমান মুছলমান মানুহ নগাঁও জিলা এৰি গুছি যোৱাৰ পিছতো মুঠ জনসংখ্যাৰ শতকৰা ৪০.৫৪ ভাগ হয় মুছলমান। অৰ্থাৎ মুছলমানৰ অনুপাত বিস্ময়কৰ ভাবে বৃদ্ধি হয়। এই অংকটোৱে স্পষ্ট ভাবে প্ৰমাণ কৰে নগাঁও জিলাত ১৯০১-৫১ চনৰ ভিতৰত কি হাৰত মুছলমান মানুহৰ অনুপ্ৰবেশ ঘটিছে আৰু অহা খিনিৰো কি হাৰত বংশ বৃদ্ধি হৈছে। এই মুছলমান মানুহখিনিৰ সৰহ ভাগেই পূব বংগ, চিলেট আৰু পিছলৈ পূব পাকিস্তানৰ পৰা প্ৰব্ৰজন কৰা মানুহ।

১৯৫১ আৰু ১৯৬১ দশকৰ ছবিখন কিন্তু অলপ বেলেগ দেখা হৈছে। এই দশকত নগাঁও জিলাৰ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ আগৰ দশকতকৈ অলপ কমিছে। আনহাতে অসম তথা ভাৰতবৰ্ষৰ ক্ষেত্ৰত জনসংখ্যাৰ বৃদ্ধিৰ হাৰ আগতে কেতিয়াও ইমান বেছি হোৱা নাছিল। অসমৰ বৃদ্ধিৰ পৰিমান হয়গৈ শতকৰা ৩৪.৯৯ ভাগ, যিটো আগৰ দশকত আছিল শতকৰা ২০.১২ ভাগ। আনহাতে সমগ্ৰ ভাৰতবৰ্ষৰ ক্ষেত্ৰত এই দশকত বৃদ্ধিৰ হাৰ হয়গৈ শতকৰা ২১.৫০ ভাগ যিটো আগৰ দশকত আছিল শতকৰা ১৩.৩১ ভাগ। ইয়াৰ মূল কাৰণ পাকিস্তানৰ পৰা বহু মানুহ ভাৰতবৰ্ষলৈ গুছিল আহে। নগাঁও জিলাৰ ক্ষেত্ৰত এই দশকত বৃদ্ধি হয় শতকৰা ৩৬.৫১ ভাগ। অসম তথা ভাৰতবৰ্ষৰ বৃদ্ধিৰ হাৰতকৈ বেছি। এই দশকত মুঠ জনসংখ্যাৰ শতকৰা ৫৭.৯৪ ভাগ হয়গৈ হিন্দু। হিন্দুৰ সংখ্যা যোৱা দশকতকৈ শতকৰা ০.৫৪ ভাগ বৃদ্ধি পায়। আনহাতে মুঠ জনসংখ্যাৰ শতকৰা ৪১.২৪ ভাগ হয়গৈ মুছলমান অৰ্থাৎ যোৱা দশকতকৈ শতকৰা ০.৭ ভাগ

বৃদ্ধি পায়। এই দশকত হিন্দুৰ বৃদ্ধিৰ হাৰ আছিল শতকৰা ৩৫.৪৪ ভাগ। আনহাতে মুছলমানৰ বৃদ্ধিৰ হাৰ আছিল শতকৰা ৩৮.৪৯ ভাগ। আনহাতে এই দশকত নগাঁও জিলাৰ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ আছিল শতকৰা ৩৬.৫১ ভাগ। দেখা যায় যে হিন্দুৰ বৃদ্ধিৰ হাৰ সাধাৰণ বৃদ্ধিৰ হাৰতকৈ কমিছে। আনহাতে মুছলমানৰ বৃদ্ধিৰ হাৰ সাধাৰণ বৃদ্ধিৰ হাৰতকৈ বাঢ়িছে।

১৯৬১-৭১ দশকত নগাঁও জিলাৰ জনসংখ্যা শতকৰা ৩৮.৮৩ হাৰত বৃদ্ধি হয়। এই সময়ছোৱাত সমগ্ৰ অসমৰ বৃদ্ধিৰ হাৰ আছিল শতকৰা ৩৪.৭১ ভাগ আৰু সমগ্ৰ ভাৰতবৰ্ষৰ বৃদ্ধিৰ হাৰ আছিল শতকৰা ২৪.৫৭ ভাগ। ভাৰতবৰ্ষ তথা অসমৰ বৃদ্ধিৰ হাৰতকৈ নগাঁও জিলাৰ বৃদ্ধিৰ হাৰ বহুত বেছি। এই দশকত মুঠ জনসংখ্যাৰ শতকৰা ৫৯.৭০ ভাগ আছিল হিন্দু আৰু শতকৰা ৩৯.৩৯ ভাগ আছিল মুছলমান। দেখা যায় যে এই দশকত হিন্দুৰ অনুপাত শতকৰা ১.৭৬ ভাগ বৃদ্ধি পায়, আনহাতে মুছলমানৰ অনুপাত শতকৰা ১.৮৫ কমি যায়। ইফালে এই দশকত হিন্দু জনসংখ্যাৰ বৃদ্ধিৰ হাৰ আছিল শতকৰা ৪৩.০৬ ভাগ আৰু মুছলমানৰ বৃদ্ধিৰ হাৰ আছিল ৩২.৮৯ ভাগ। এই দশকত মুছলমানৰ বৃদ্ধিৰ হাৰ কমি যোৱালৈ চাই অনুমান কৰিব পাৰি যে এই দশকত মুছলমানৰ প্ৰব্ৰজনৰ পৰিমান কিছু কম হৈছে। আনহাতে এই দশকত ভালেখিনি সংখ্যক হিন্দু উদ্বাস্তু পূৱ পাকিস্তানৰ পৰা আহি নগাঁও জিলাত থিতাপি লয়।

১৯৮১ চনত অসমত লোক পিয়ল হোৱা নাই। ১৯৭১-৯১ চনৰ ভিতৰত নগাঁও জিলাৰ জনসংখ্যা বৃদ্ধি হয় শতকৰা ৫০.৬৮ ভাগ হাৰত অৰ্থাৎ বছৰি বৃদ্ধিৰ হাৰ শতকৰা ২.৫৩ ভাগ। এই সময়ছোৱাত অসমৰ বৃদ্ধিৰ হাৰ হ'ল শতকৰা ৪৯.৯১ ভাগ আৰু সমগ্ৰ ভাৰতবৰ্ষৰ বৃদ্ধিৰ হাৰ হ'ল শতকৰা ৪৭.০৩ ভাগ। ভৰতবৰ্ষৰ বৃদ্ধিৰ হাৰৰ লগত তুলনা কৰিলে নগাঁও জিলাৰ বৃদ্ধিৰ হাৰ যথেষ্ট বেছি। ভাৰতবৰ্ষৰ বৃদ্ধিৰ হাৰটো স্বাভাৱিক বুলি ধৰি ল'লে এইটো নিশ্চিত হৈ যায় যে নগাঁও জিলাৰ এই সময়ছোৱাত প্ৰভুত বাহিৰা প্ৰব্ৰজন ঘটিছে।

১৯৫১ চনৰ পৰা ১৯৯১ চনৰ ভিতৰত হিন্দুৰ মুঠ সংখ্যা শতকৰা ১৫৬.৪৭ হাৰত বৃদ্ধি হয়। আনহাতে এই সময়ছোৱাত মুছলমানৰ বৃদ্ধিৰ হাৰ হয় শতকৰা ২২৯.০৯ ভাগ। ১৯০১ চনত নগাঁও জিলাত হিন্দুৰ সংখ্যা আছিল ১,৬৭,৭০৯ জন। ১৯৫১ আৰু ১৯৯১ চনত এই সংখ্যা হয় ক্ৰমে ৫,১৭,৯৫৩ আৰু ১৩,২৮,৩৮৪ জন। আনহাতে ১৯০১ জনত মুছলমানৰ সংখ্যা আছিল ১২,৫৭৮ জন। এই সংখ্যা ১৯৫১ আৰু ১৯৯১ চনত ক্ৰমে ৩,৫৯,৫১৯ আৰু ১১,৮৩,১৫৭ জন। ১৯৫১ চনৰ পৰা ১৯৯১ চনৰ ভিতৰত বহু বঙালী হিন্দু উদ্বাস্তু নগাঁও জিলাত থিতাপি লোৱাৰ পিছতো হিন্দু জনসংখ্যাৰ বৃদ্ধিৰ হাৰ মুছলমানৰ বৃদ্ধিৰ হাৰতকৈ কম।

তালিকা নং -২

জনবসতিৰ ঘনত্ব (প্ৰতি বৰ্গ কিলোমিটাৰত)

ঠাই	১৯০১	১৯৫১	১৯৬১	১৯৭১	১৯৯১	১৯৫১ চনৰ পৰা ১৯৯১ চনলৈ ঘনত্ব বৃদ্ধিৰ হাৰ
ভাৰতবৰ্ষ	৬৮	১১৭	১৩৮	১৮২	২৬৭	১২৯.০৫ %
অসম	৪২	৭৩	১১১	১৫০	২৮৬	২৯১.৭৮ %
নগাঁও	২৬	১৫৭	২১৮	৩০২	৪৫৭	১৯১.০৮ %

(উৎস ঃ বিভিন্ন লোকপিয়লৰ প্ৰতিবেদন)

জনবসতিৰ ঘনত্বৰ তালিকাখন চালে আমি এটা অসাধাৰণ দৃশ্য দেখা পাওঁ। ভাৰতবৰ্ষত ১৯৫১ চনৰ বসতিৰ ঘনত্ব প্ৰতি বৰ্গ কিলোমিটাৰত ১১৭ ৰ পৰা ১৯৯১ চনত বৃদ্ধি হৈ ২৬৭ হয়গৈ আৰ্থাৎ মুঠ বৃদ্ধিৰ হাৰ শতকৰা ১২৯.০৫ ভাগ। অসমত এই সংখ্যা ৭৩ ৰ পৰ ২৮৬ হয়গৈ অৰ্থাৎ মুঠ বৃদ্ধিৰ হাৰ হয়গৈ শতকৰা ২৯১.৭৮ ভাগ। আনহাতে নগাঁও জিলাত এই সংখ্যা ১৫৭ ৰ পৰা ৪৫৭ লৈ বৃদ্ধি পায় অৰ্থাৎ বৃদ্ধিৰ হাৰ শতকৰা ১৯১.০৮ ভাগ। মনকৰিবলগীয়া কথা যে আলোচ্য সময় ছোৱাত জনবসতিৰ ঘনত্বৰ বৃদ্ধিৰ হাৰ অসমত ভাৰতবৰ্ষ নাইবা নগাঁও জিলাতকৈ বেছি হৈছে। কিন্তু আন এটা মন কৰিবলগীয়া কথা যে ১৯০১ চনত যেতিয়া ভাৰতবৰ্ষৰ বসতিৰ ঘনত্ব আছিল প্ৰতি বৰ্গ কিলোমিতাৰত ৬৮ আৰু অসমত আছিল ৪২ তেতিয়া নগাঁও জিলাত আছিল মাত্ৰ ২৬। সাধাৰণতে উদ্যোগীকৰণ আৰু তাৰ লগতে নগৰীকৰণ হ'লেজনবসতিৰ ঘনত্ব বৃদ্ধি পায়। কিন্তু আমাৰ আলোচ্য সময়ছোৱাত অসমত তেনে ধৰণৰ বিশেষ উদ্যোগীকৰণ হোৱা নাই, নগাঁও জিলাৰতো প্ৰশ্নই নুঠে। গতিকে একমাত্ৰ কাৰণ বাহিৰৰ প্ৰব্ৰজন।

জনবসতিৰ ঘনত্বৰ আৰু এটা মন কৰিবলগীয়া কথা এইযে যদিও ১৯৭১ চনত নগাঁও জিলাৰ বসতিৰ ঘনত্ব আছিল ৩০২(প্ৰঃ বঃ কিঃ মিঃ), অঞ্চল ভেদে ইয়াৰ তাৰতম্যও মন কৰিবলগীয়া। আৰক্ষী থানা হিচাপে চালে ১৯৭১ চনত সদৰ থানাৰ ঘনত্ব আছিল ৫৫৪ জন, ধিং থানাৰ ৪৮৩ জন, ৰূপহী থানাৰ ৪৮২ জন, লাহৰীঘাট থানাৰ ৩৮৯ জন, মিকিৰভেটা থানাৰ ৩৮৩ জন, মোৰাঝাৰ থানাৰ ৩৫৩ জন, হোজাই থানাৰ ৩৪৯ জন। একেবাৰে কম আছিল লামডিং থানাৰ মাত্ৰ ১৩০ জন। কিন্তু আনহাতে লামডিং থানাৰ জন বসতিৰ ঘনত্ব ১৯৫১ চনত আছিল মাত্ৰ ৮ জন। এই ৮ জনৰ পৰা ১৯৭১ চনত বৃদ্ধি হৈ ১৩০ জন হয়গৈ।

আমি যদি আমাৰ আলোচ্য সময়ছোৱাত ভাৰতবৰ্ষ জনবৃদ্ধিৰ হাৰক স্বাভাৱিক বুলি ধৰি লওঁ (শতকৰা ১৩৩.৮০ ভাগ, ১ নং তালিকা) আৰু এই হাৰত যদি নগাঁও জিলাৰ আৰু অসমৰ জনসংখ্যা বৃদ্ধি হ'লহেতেন তেনেহ'লে ১৯৯১ চনত নগাঁও জিলা আৰু অসমৰ জনসংখ্যা হ'লহেতেন ক্ৰমে ২০,৭৩,৭০০ আৰু ১,৯২,৩০,১৪৫। অৰ্থাৎ ভাৰতৰ জনসংখ্যাৰ তুলনাত নগাঁও জিলাৰ ক্ষেত্ৰত অতিৰিক্ত জনসংখ্যা হ'ল (২৫৩২৮৫৩-২০৭৩৭০০) ৪,৫৯,১৫৩ জন আৰু অসমৰ ক্ষেত্ৰত অতিৰিক্ত জনসংখ্যা হ'ল (২,২৪,১৪,৩২২-১,৯২,৩০,১৮৫) ৩১,৮৪,১৩৭ জন। অৱশ্যে আমি নগাঁও বা অসমৰ এই অতিৰিক্ত জনসংখ্যা সম্পূৰ্ণ খিনিয়েই কেৱল বাহিৰৰ প্ৰব্ৰজনৰ কাৰণে হৈছে বুলি ক'ব নোৱাৰোঁ। অসম তথা নগাঁও জিলাৰ সৰহখিনি মানুহেই কৃষিজীৱী আৰু দুয়োখন ঠাইতেই শিক্ষিতৰ হাৰ, বিশেষকৈ স্ত্ৰীৰ ক্ষেত্ৰত খুব কম। অশিক্ষিত কৃষিজীৱী আৰু দুখীয়া মানুহৰ ক্ষেত্ৰত স্বাভাৱিকতেই জনসংখ্যা বৃদ্ধিৰ হাৰ বেছি। পৰিয়ালৰ জনসংখ্যা বেছি হোৱা বাবে পৰিয়াল দুখীয়া নহয় বৰঞ্চ পৰিয়াল দুখীয়া হোৱা বাবেহে পৰিয়াল ডাঙৰ হয়।(Mahmood Mamdani, "The Myth of Population Control"- London) গতিকে নগাঁৱৰ উক্ত অতিৰিক্ত পৰা জনসংখ্যাৰ ক্ষেত্ৰত কিছুপৰিমানে স্বাভাৱিক বৃদ্ধিৰো অৰিহনা আছে।

হিন্দু আৰু মুছলমানৰ উপৰিও কিছু খৃষ্টান মানুহো নগাঁও জিলাত আছে। কিন্তু হিন্দু আৰু মুছলমানৰ তুলনাত এওঁলোকৰ সংখ্যা নগন্য। ১৯৭১ চনত নগাঁও জিলাত এওঁলোকৰ সংখ্যা আছিল ২৮,০৫১ আৰু ১৯৯১ চনত এই সংখ্যা বৃদ্ধি হৈ হয়গৈ ৬৭,৬০১। বৃদ্ধিৰ হাৰ হয় শতকৰা ১৪০.৯৯ ভাগ। এই বৃদ্ধিৰ হাৰ অতি ভয়ানক। আৰু এই অভূতপূৰ্ব বৃদ্ধিৰ হাৰৰ মূল কাৰণ এই দুটা দশকৰ ভিতৰত বহু জনজাতি লোক আৰু চাহ বাগিছাৰ শ্ৰমিক খৃষ্টধৰ্মলৈ ধৰ্মান্তৰিত হোৱা। মুঠ জনসংখ্যাৰ শতকৰা ২.৬৬ ভাগহে খৃষ্টানৰ সংখ্যা কম কাৰণে এই ঘটনাতো সমাজবিজ্ঞানী তথা জনসংখ্যাবিজ্ঞানী সকলৰ দৃষ্টি গোচৰ হোৱা নাই। অদূৰ ভৱিষ্যতে সমাজৰ ওপৰত ইয়াৰ বিৰূপ প্ৰভাৱ পৰাৰ আশংকা আছে। বড়ো উগ্ৰবাদী বা নগা সকলৰ বিভিন্ন উগ্ৰবাদী সকলৰ কাৰ্য্য কলাপৰ চিন্তা কৰিলেই ইয়াৰ প্ৰভাৱ সম্পৰ্কে অনুমান কৰিব পৰা যাব।

খৃষ্টানৰ উপৰিও অলপ সংখ্যক শিখ আৰু জৈন ধৰ্ম্মীয় মানুহ আছে নগাঁও জিলাত। বৌদ্ধ ধৰ্ম্মীয় কেইশ মান মানুহো আছে ইয়াত। নগাঁও জিলাত ১৯৯১ চনত অনুসূচীত জাতিৰ সংখ্যা আছিল ২,৭৭,৮২৯ আৰু অনুসূচীত জনজাতিৰ সংখ্যা আছিল ১,৬৮,৩৩১। অৰ্থাৎ ১৯৯১চনত নগাঁও জিলাৰ মুঠ জনসংখ্যাৰ শতকৰা ১০.৯৬ ভাগহে অনুসূচীত জাতিৰ লোক। আনহাতে অনুসূচীত জনজাতিৰ লোকৰ অনুপাত হ'ল শতকৰা ৬.৬৪ ভাগ।

ভাষিক দৃষ্টিকোণৰ পৰা নগাঁও জিলাৰ তথা সমগ্ৰ অসমৰে ছবিখন বেলেগ ধৰণৰ। তালিকা নং-৩ লক্ষ্য কৰিলে কথাটো স্পষ্ট হ'ব।

১৯৫১ চনত নগাঁৱত অসমীয়া ভাষীৰ সংখ্যা আছিল ৬,১২,৮০২ বঙলা ভাষীৰ সংখ্যা আছিল ২,০৭,২৫৪ আৰু হিন্দী ভাষীৰ সংখ্যা আছিল ২৩,৮৬২। মুঠ জনসংখ্যাৰ অসমীয়াৰ অনুপাত আছিল শতকৰা ৬৯.০৯ ভাগ, বঙলাৰ আছিল শতকৰা ২৩.৪ ভাগ আৰু হিন্দীৰ আছিল শতকৰা ২.৭ ভাগ। ১৯৩১ চনত অসমীয়াৰ সংখ্যা আছিল ২,৩৭,৪০৬ বঙলা ভাষীৰ ১,৯৩,৩৪৯ আৰু হিন্দী ভাষীৰ ২৯,৯৬৮। মুঠ জনসংখ্যাৰ অসমীয়াৰ অনুপাত আছিল শতকৰা ৪২.২০ ভাগ, বঙলাৰ শতকৰা ৩৪.৩৭ ভাগ আৰু হিন্দীৰ ৫.৩ ভাগ। ১৯৩১-৫১ চনৰ ভিতৰত অসমীয়া ভাষীৰ অনুপাত বাঢ়ি আৰু বঙলা ভাষীৰ অনুপাত কমি যোৱাৰ মূল কাৰণ হ'ল এই সময়ছোৱাৰ ভিতৰত প্ৰায় সকলো প্ৰব্ৰজনকাৰী আৰু তেওঁলোকৰ বংশোদ্ভৱ মুছলমান মানুহে অসমীয়া ভাষাক নিজৰ মাতৃভাষা বুলি পিয়লত লিপিবদ্ধ কৰে।

গতিকে যিখিনি বঙালীভাষী থাকিল সেইখিনিৰ সৰহখিনিয়েই বঙালী হিন্দু মানুহ। বঙালী হিন্দুৰ সৰহখিনিয়ে ভাষাৰ ক্ষেত্ৰত কোনো আপোচ নকৰিলে। হিন্দী ভাষীৰ ভিতৰত আছিল বিহাৰ, উত্তৰ প্ৰদেশ, ৰাজস্থান, পঞ্জাৱ আদিৰ পৰা অহা মানুহখিনি। ১৯৬১ চনত অসমীয়া ভাষীৰ সংখ্যা অধিক বৃদ্ধি পায় আনহাতে বঙলা ভাষীৰ বৃদ্ধিৰ পৰিমান কিছু হ্ৰাস পায়। হিন্দী ভাষীৰ সংখ্যা বঢ়ি যায়। সেইদৰে মুঠ জনসংখ্যাৰ অসমীয়াৰ অনুপাত হয়গৈ ৭৬.১০ ভাগ; কিন্তু বঙলা ভাষীৰ অনুপাত হ্ৰাস পাই ১৭.৩ ভাগ হয়গৈ হিন্দী ভাষীৰ প্ৰায় একেই থাকে। এই দশকতো অসমীয়া ভাষীৰ অনুপাতিক সংখ্যা বৃদ্ধি হোৱালৈ চাই কিছু পৰিমাণে পূব পাকিস্তানৰ মুছলমান মানুহৰ অনুপ্ৰবেশ ঘটাটো অনুমান কৰিব পাৰি। কাৰণ এটা দশকত শতকৰা ৫১.৭৪

তালিকা নং - ৩

ভাষা ভিত্তিক জন সংখ্যা বৃদ্ধিৰ তালিকা

বছৰ	ভাষা		অসম	নগাঁও
১৯৫১	অসমীয়া	১। মুঠ জনসংখ্যা	৪৯,৭১,২২৯	৬১২৮০২
		২। মুঠ জনসংখ্যাৰ লগত অনুপাত	৫৪.৯৮	৬৯.০৯
		৩। বৃদ্ধিৰ হাৰ	+১৪৪.৫২	+১৫৮.১২
	বঙলা	১। মুঠ জনসংখ্যা	১৭,৩৪,৪৬৬	২,০৭,২৫৪
		২। মুঠ জনসংখ্যাৰ লগত অনুপাত	১৯.৬৪	২৩.৪
		৩। বৃদ্ধিৰ হাৰ	+২.০৯	+৭.১৯
	হিন্দী	১। মুঠ জনসংখ্যা	৩,২৬,০০০	২৩,৮৬২
		২। মুঠ জনসংখ্যাৰ লগত অনুপাত	৩.৭১	২.৭
		৩। বৃদ্ধিৰ হাৰ	----	+২০.০
১৯৬১	অসমীয়া	১। মুঠ জনসংখ্যা	৬৭,৮৪,২৭১	৯,২৯,৮৪৩
		২। মুঠ জনসংখ্যাৰ লগত অনুপাত	৫৭.১৪	৭৬.১০
		৩। বৃদ্ধিৰ হাৰ	+৩৬.৪৭	+৫১.৭৪
	বঙলা	১। মুঠ জনসংখ্যা	২০,৮৯,২৪৮	২,০৯,৭১৬
		২। মুঠ জনসংখ্যাৰ লগত অনুপাত	১৭.৬০	১৭.৩
		৩। বৃদ্ধিৰ হাৰ	+২০.৪৫	+১.১৯
	হিন্দী	১। মুঠ জনসংখ্যা	৫,২৩,৭৯১	৩৩,৫২৩
		২। মুঠ জনসংখ্যাৰ লগত অনুপাত	৪.৪০	২.৮
		৩। বৃদ্ধিৰ হাৰ	+৬০.৬৭	+৪০.০
১৯৭১	অসমীয়া	১। মুঠ জনসংখ্যা	৮৯,০৪,৯৯৬	১২,৩৯,১৫৫
		২। মুঠ জনসংখ্যাৰ লগত অনুপাত	৬০.৬৭	৭৩.৭২
		৩। বৃদ্ধিৰ হাৰ	+৩১.২৫	+৩৩.২৬
	বঙলা	১। মুঠ জনসংখ্যা	২৯,০৭,১০০	৩,২৪,৪৯৯
		২। মুঠ জনসংখ্যাৰ লগত অনুপাত	১৯.২০	১৯.৩০
		৩। বৃদ্ধিৰ হাৰ	+৩৭.৯৪	+৫৪.৭৩
	হিন্দী	১। মুঠ জনসংখ্যা	৭,৯৮,৪০৯	৫৯,৪৬২
		২। মুঠ জনসংখ্যাৰ লগত অনুপাত	৫.৪২	৩.৫৪
		৩। বৃদ্ধিৰ হাৰ	+৫২.৪২	+৭৭.৩৪

ভাগ বৃদ্ধিক স্বাভাৱিক বুলি ক'ব নোৱাৰি। আনহাতে বঙলা ভাষীৰ কেৱল অনুপাতেই কমি যোৱা নাই বৃদ্ধিৰ হাৰো শতকৰা ১.১৯ ভাগ হৈছে। ইয়ে সূচায় এই দশকত কিছু বঙালী হিন্দু নগাঁও জিলা এৰি অইন কোনোবা ঠাইলৈ গুচি গৈছে। ১৯৭১ চনৰ পিয়লে দেখুৱাইছে যে অসমীয়া ভাষীৰ সংখ্যা বাঢ়িছে, কিন্তু বৃদ্ধিৰ হাৰ কমি গৈ শতকৰা ৩৩.২৬ ভাগ হৈছেগৈ। আনহাতে মুঠ জনসংখ্যাৰ ক্ষেত্ৰতো অনুপাত হ্ৰাস পাই ৭৩.৭২ ভাগ হৈছে গৈ। ইয়ে অনুপ্ৰৱেশত সামান্য বাধা পৰা সূচায়। আনহাতে বঙলা ভাষীৰ বৃদ্ধিৰ হাৰ বহু বাঢ়ি শতকৰা ৫৪.৭৩ ভাগ হয়গৈ আৰু এওঁলোকৰ অনুপাতো বৃদ্ধি হৈ ১৯.৩০ ভাগ হয়গৈ। পূব পাকিস্তানৰ আন্দোলনৰ ফলত বহু বঙালী হিন্দু তাৰ পৰা ওলাই অসমত প্ৰৱেশ কৰে। তাৰে নিশ্চয় ভালে সংখ্যক লোক নগাঁও জিলালৈকে আহি থিতাপি লয়। এই দশকত হিন্দী ভাষীৰ সংখ্যা বহুত বৃদ্ধি পায়। মুঠ ১৯৬১ চনৰ ৩৩,৫২৩ ৰ পৰা ৫৯,৪৬২ লৈ বৃদ্ধি পায়। এই বৃদ্ধিৰ মূল কাৰণ জীৱিকাৰ সন্ধানত বিহাৰ, ৰাজস্থান, উত্তৰ প্ৰদেশ আদিৰ পৰা লোকৰ আগমন। অতি দুখৰ বিষয় ১৯৯১ চনৰ লোকপিয়ল হৈ যোৱা ইমান বছৰ পিছতো এই পিয়লৰ ভাষাৰ প্ৰতিবেদন এতিয়ালৈকে প্ৰকাশ হোৱা নাই। সেয়ে এই দশকৰ ভাষা ভিত্তিক বিশ্লেষণৰ পৰা বিৰত থাকিবলগীয়া হ'ল।

জন সংখ্যাৰ অনিয়ন্ত্ৰিত বৃদ্ধিয়ে নগাঁও জিলাখনত নানা ধৰণৰ আৰ্থ-সামাজিক তথা ৰাজনৈতিক সমস্যাৰ সৃষ্টি কৰিছে। এই সমস্যাবোৰক আমি সহজ ভাৱে গ্ৰহণ কৰিব নোৱাৰো। জিলাৰ বিভিন্ন শ্ৰেণীৰ নেতাসকলে উদ্ভাৱিত বিভিন্ন সমস্যাসমূহ আন্তৰিকতাৰে মোকাবিলা কৰিব নোৱাৰিলে জিলাখন সমস্যা জৰ্জৰিত ভাৱেই আগন্তুক একবিংশ শতাব্দীত প্ৰৱেশ কৰিব।▢

(প্ৰবন্ধটো যুগুতাওঁতে লেখকৰ গৱেষণা পত্ৰ আৰু ১৯৯১ চনৰ লোকপিয়লৰ প্ৰতিবেদনৰ আশ্ৰয় লোৱা হৈছে।)

স্বৰাজজোত্তৰ কালৰ নগাঁৱত পৰ্যটন উদ্যোগৰ সম্ভাৱনা

নীলমণি শৰ্মা

এনে এটা দুঃসময়ৰ মাজেৰে আমাৰ বৰ্ত্তমান সমাজখনে গতি কৰিছে যি সময়ত হেৰাই গৈছে মানুহৰ প্ৰতি থকা বিশ্বাস আৰু আস্থা। এই হেৰাই যোৱা বিশ্বাস ঘূৰাই অনাৰ অন্য এটা উপায় পয্যটন উদ্যোগৰ বিকাশ। পৰ্যটন উদ্যোগৰ বিকাশৰ বাবে নগাঁৱত পৰ্যাপ্ত সুবিধা আছে। আজি স্বাধীনতাৰ সোণালী জয়ন্তী উৎসৱ উদ্‌যাপনৰ মুহূৰ্ত্তত আমি অতীতক সোঁৱৰণ কৰাৰ লগতে আমাৰ উজ্জ্বল ভৱিষ্যতৰ বাবে জিলাখনৰ প্ৰসিদ্ধ ইতিহাস, সাংস্কৃতিক ঐতিহ্য, হস্তশিল্প, কৃষিজাত সামগ্ৰী, প্ৰাকৃতিক সম্পদ, বনৰীয়া জীৱ জন্তু আদি সম্পদৰ সংৰক্ষণ আৰু উন্নয়নৰ জৰিয়তে পৰ্যটন উদ্যোগৰ বিকাশৰ বাবে এটি উপযুক্ত আন্তঃগাঠনি গঢ়ি তুলিব পাৰো। পৰ্যটনৰ বিকাশৰ বাবে প্ৰাকৃতিক পৰিবেশৰ সুৰক্ষা, দৰিদ্ৰতা নিৰ্মূল, মূল্যবোধ ৰক্ষা আৰু ঐতিহ্যপূৰ্ণ সামাজিক ৰীতি-নীতিৰ সংৰক্ষণ অতি গুৰুত্বপূৰ্ণ। পৰ্যটক সকলে থকা খোৱাৰ ফুৰাচকাৰ সুবিধা পালে, ভ্ৰমণৰ বাবে বুৰঞ্জী প্ৰসিদ্ধই হওক অথবা প্ৰাকৃতিক ভাবেও সমৃদ্ধ হওক, যি কোনো স্থান পালে স্বাভাৱিকতেই সেই ঠাইলৈ আহিবলৈ আগ্ৰহী হ'ব। আৰু সকলো শ্ৰেণীৰ জন সাধাৰণ একগোট হৈ আনন্দ উৎসৱ পালন কৰি আৰু সহৃদয়তাৰে মনঃ বিনিময় কৰি নগাঁও জিলাখনক এক পয্যটকৰ ভূ-স্বৰ্গ হিচাবে গঢ়ি তুলিব পাৰো।

নগাঁৱলৈ অহা মানে অসমৰ হৃদয়স্থলীলৈ অহা। নগাঁওখন অসমৰ কেন্দ্ৰীয় জিলা হোৱাৰ ওপৰিও অসমৰ ইতিহাস, সামাজিক সংস্কৃতিক জগতৰ ছবিও এই জিলাখনতে পোৱা যায়। অসমৰ মাজভাগত অৱস্থিত এই বৃহৎ জিলা খন প্ৰায় চাৰি হাজাৰ বৰ্গ কিলোমিটাৰ অঞ্চলৰ আৰু উৰ্বৰা সমতল তথা ঘন জংঘলেৰে আৰবা পাহাৰেৰে সমৃদ্ধ। জলাশয় আৰু জলপ্ৰপাত আদিৰে জিলাখনৰ প্ৰাকৃতিক ছবিখন সোনত সুৱগা চৰা মনোৰম স্থান। দেশী বিদেশী পৰ্যটকক আকৰ্ষণ কৰাৰ বাবে জিলা খনৰ প্ৰাকৃতিক সম্পদ সমূহেই যথেষ্ট। কিন্তু দূৰদৃষ্টি আৰু সুপৰিকল্পনা আদি নথকাৰ ফলত জিলাখনৰ পৰ্যটন উদ্যোগে এতিয়াও গা কৰিব পৰা নাই। সুপৰিকল্পনাৰ জৰিয়তে নগাঁও জিলাখনেও অসমৰ পৰ্যটনৰ মানচিত্ৰত এখন সুকীয়া আসন দখল কৰিব নিঃসন্দেহে পাৰে।

অসমৰ বুৰঞ্জীত নগাঁৱে এক বিশেষ কৃতিত্বৰ স্থান অধিকাৰ কৰাৰ সমল থকা স্বত্বেও প্ৰয়োজনীয় গবেষণাৰ অভাৱেও নগাঁৱক সেই প্ৰাপ্য মৰ্যদাৰ পৰা বঞ্চিত কৰি ৰাখিছে। নগাঁৱৰ প্ৰাকৃতিক সম্পদ আৰু বনৰীয়া জীৱ-জন্তুৰ উপৰিও সংস্কৃতিক ঐতিহ্য, বুৰঞ্জী আৰু স্থানীয় ৰাইজৰ ৰীতি নীতিয়েও জিলাখনত পৰ্যটন উদ্যোগ গঢ়াত সহায় কৰিব পাৰে। পাহৰণিৰ গৰ্ভত

হেৰাই যোৱা জিলা খনৰ প্ৰচীন ঐতিহ্যক পৰ্যটন উদ্যোগৰ বিকাশৰ জৰিয়তে পুনৰ সজীৱ কৰি তুলিব পাৰি। আৰু এই বিলাকেওঁ আজিৰ পৰ্য্যটকক আকৰ্ষণ কৰে।

নগাঁও চহৰৰ উপৰিও জিলাখনৰ কেইবাখনো ঠাই আকৰ্ষণীয় পৰ্যটন কেন্দ্ৰ হিচাবে গঢ়ি তুলিব পাৰি। তাৰে কেইখন মান ঠাই হ'ল ঃ-

<u>চামগুৰি জলাশয়</u>ঃ-প্ৰাকৃতিক জলাশয় বিলাক পৰ্যটক কেন্দ্ৰ হিচাবে গঢ়ি তুলিব পাৰে। চামগুৰি জলাশয়লৈ পৰিভ্ৰমী চৰাই আহে। পক্ষীপ্ৰেমী সকলক এই পৰিভ্ৰমী চৰাইবোৰে সহজে আকৰ্ষণ কৰে। তাৰোপৰি নাওঁবোৱাৰ ব্যৱস্থা, কাষৰ চাহবাগানলৈ যোৱাৰ ব্যৱস্থা আদি কৰিলে দেশী-বিদেশী পৰ্য্যটক নিশ্চয় চামগুৰি জলাশয়লৈ আহিব।

সদ্যহতে অসম পৰ্যটন বিভাগে কিছু আঁচনি লৈছে আৰু এই আঁচনি সমূহ কাৰ্যকাৰী হ'লে চামগুৰি জলাশয়েও অসমৰ পৰ্যটন মানচিত্ৰৰ এটি আকৰ্ষণীয় কেন্দ্ৰ হৈ উঠিব।

<u>লুং চুং</u> ঃ- প্ৰাকৃতিক সৌন্দৰ্য্য আৰু চাহবাগানৰ সেউজেৰে আবৃত লুং চুং নগাঁও জিলাৰ আন এখন উল্লেখযোগ্য ঠাই ইক' টুৰিজিম আৰু টি-টুৰিজিমৰ আন এটা কেন্দ্ৰ হ'ব পাৰে লুংচুং চাহবাগানৰ মাজৰ জলপ্ৰপাতেও লুংচুং পাহাৰক আন এক সুকীয়া সৌন্দৰ্য প্ৰদান কৰিছে।

অসমৰ পৰ্যটন বিভাগে লুংচুং চাহবাগানৰ মাজত জলপ্ৰপাতৰ ওচৰত পৰ্যটন কেন্দ্ৰ এটি গঢ়াৰ পৰিকল্পনা কৰিছে।

<u>ভোমোৰাগুৰি</u> ঃ- আহোম সেনাধ্যক্ষ কলিয়া ভোমোৰাৰ সপোন বাস্তবায়িত কৰি দুই শতিকাৰ পাছত সাঁজি উলিওৱা হৈছে ৩.০৫ কিলো মিটাৰ দৈৰ্ঘ্যৰ ব্ৰহ্মপুত্ৰৰ ওপৰত দ্বিতীয়খন দলং কলিয়া ভোমোৰা সাঁকো। এই সাঁকোৱে নগাঁৱক লগ লগাইছে আন এখন ইতিহাস প্ৰসিদ্ধ ঠাই তেজপুৰৰ সৈতে। সাঁকো খনৰ কাষৰ নগাঁৱৰ ফালে থকা অংশটোত হাৰিয়ানা আদি প্ৰদেশৰ দৰে জলক্ৰিড়াৰ ব্যৱস্থা কৰি পৰ্যটকক আকৰ্ষণ কৰিব পাৰি।

<u>বৰদোৱা</u> ঃ- শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মস্থান বৰদোৱা নগাঁও চহৰৰ পৰা মাত্ৰ ১৪ কিলো মিটাৰ নিলগত। ধৰ্মপ্ৰাণ ভক্ত সকলৰ বাবে পৰ্যটন বিভাগে এক আঁচনি লৈ বৰদোৱাক কাশী, বৃন্দাবনৰ শাৰীলৈ উন্নিত সহজে কৰিব পাৰে।

<u>আকাশী গংগা</u> ঃ- জলপ্ৰপাতেৰে মনোমোহা আকাশী গংগা এটি আকৰ্ষণীয় পিক্‌নিক্ স্পট আৰু ইয়াৰ দূৰত্ব নগাঁৱৰ পৰা মাত্ৰ ৪০ কিঃ মিঃ। চহৰৰ কোলাহলৰ পৰা আতৰি 'উইক এণ্ড' কটোৱাৰ এক আকৰ্ষণীয় স্থান হিচাবে বিভাগে গঢ়ি তোলাৰ তৎপৰতা ল'ব পাৰে।

<u>চাপানলা</u> ঃ- সেউজ পাহাৰ আৰু জলপ্ৰপাতে আকৰ্ষণ কৰা চাপানলাৰ দূৰত্ব মাত্ৰ ৩০ কিঃ মিঃ মাঘী পূৰ্ণিমাৰ দিনা প্ৰতি বছৰে বৃহৎ সংখ্যক ধৰ্ম প্ৰাণ ব্যক্তি এই ঠাইলৈ যায়। পৰ্যটন বিভাগৰ আঁচনি নথকাৰ বাবে চাপনলাৰ সেউজ ভূমি এতিয়াও পৰ্যটন মানচিত্ৰলৈ অহা নাই। ইক' টুৰিজিমৰ বাবে চাপানলা এখন উৎকৃষ্ট স্থান।

<u>শিলঘাট</u> ঃ- বিশাল ব্ৰহ্মপুত্ৰৰ পাৰৰ ঐতিহাসিক কামাখ্যা মন্দিৰেই হৈছে শিলঘাটৰ মূল আকৰ্ষণ। দৈনিক এই মন্দিৰলৈ অজস্ৰ ভক্তপ্ৰাণ ৰাইজ যোৱাৰ ওপৰিও অশোকাষ্টমী মেলাত অসমৰ বিভিন্ন ঠাইৰ মানুহ এই ঠাইলৈ যায়। শিলঘাটৰ প্ৰাকৃতিক সৌন্দৰ্যৰ বাবেও পিক্‌নিকৰ

বতৰত যথেষ্ট মানুহ হয়। ব্ৰহ্মপুত্ৰৰ বুকুত থকা দুমোনী-শিলা, হাতীমুৰাৰ দুৰ্গা মন্দিৰ, ত্ৰিশূলধাৰী মন্দিৰ আদিলৈকো ধৰ্মপ্ৰাণ ৰাইজ যায়। মুঠতে প্ৰকৃতিক সৌন্দৰ্য পিপাসু আৰু ধৰ্মপ্ৰাণ এই দুই শ্ৰেণীৰ লোকেই শিলঘাট অঞ্চললৈ ভ্ৰমণ কৰিবলৈ যায়।

ইয়াৰ বাহিৰেও নগাঁও জিলাত আনকেইখনো পৰ্যটক কেন্দ্ৰ হিচাবে গঢ়ি তুলিব পৰা ঠাই আছে। অহা শতিকাটোত পৰ্যটনেই এটা আগশাৰীৰ উদ্যোগ হৈ উঠিব। সেই উদ্যোগৰ সুবিধা ল'বলৈ অসম তথা নগাঁও এতিয়াৰ পৰা পৃষ্ঠভূমি তৈয়াৰ কৰি সাজু হৈ থকা উচিত।

নগাঁৱৰ বুকুৰে বৈ যোৱা কলংখন নগাঁৱৰ প্ৰাণ। এই কলং সুঁতিৰ জৰিয়তে নগাঁৱত পৰ্যটনৰ এটি বাতাবৰণ গঢ়ি তোলাৰ বাবে যথেষ্ট অবকাশ আছে। এই ক্ষেত্ৰত সকলো পক্ষই এতিয়াই সজাগ হৈ তৎপৰতা প্ৰদৰ্শণ কৰা একান্ত প্ৰয়োজন।

বিভিন্ন সমস্যাৰ বাবে অসম তথা নগাঁৱত সুবিধা থকা সত্বেও পৰ্যটন উদ্যোগে আশা কৰামতে গা কৰি উঠিব পৰা নাই। অসমত পৰ্যটনৰ উন্নয়নৰ দায়িত্বত আছে চৰকাৰী পৰ্যটন বিভাগ আৰু অসম পৰ্যটন উন্নয়ন নিগম। এই দুয়োটা অনুষ্ঠানৰ সৈতে অসম তথা নগাঁৱৰ স্বেচ্ছাসেৱী সংগঠন সমূহেও সহায়ৰ হাত আগবঢ়াব পাৰে-জিলাখনত পৰ্যটন উদ্যোগৰ উন্নয়নৰ বাবে।

আশা কৰা যায় নগাঁও জিলাই পৰ্যটন মানচিত্ৰত অচিৰেই এখন স্থায়ী আসন লাভ কৰিবলৈ সক্ষম হ'ব। ❒

নগাঁও জিলাৰ ভৌগোলিক পৰিবেশ আৰু পাৰিপাৰ্শ্বিক সমস্যাৰ এটি ৰূপৰেখা

জয়ন্ত শৰ্মা

উত্তৰত এছিয়াৰ অন্যতম বৃহৎতম নদী ব্ৰহ্মপুত্ৰ আৰু দক্ষিণত পৃথিৱীৰ ভূতাত্বিক বুৰঞ্জীৰ আটাইতকৈ পুৰণি ভূখণ্ডৰ অংশ বিশেষ কাৰ্বিআংলং জিলাৰ মালভূমিৰ দ্বাৰা পৰিবেষ্টিত, অসমৰ মধ্য অঞ্চলত অৱস্থিত নগাঁও জিলা অসমৰ প্ৰকৃতিক পৰিবেশৰ এক স্পৰ্শকাতৰ অঞ্চল। অবিভক্ত নগাঁও জিলাখন ২৫°৪৫/ উত্তৰ অক্ষ্যৰেখাৰ পৰা ২৬°৪৫/ উত্তৰ অক্ষ্যৰেখা আৰু ৯১°৫০/ পূব দ্ৰঘিমাৰ পৰা ৯৩°৫০/ পূব দ্ৰঘিমা ৰেখালৈ বিস্তৃত। ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ এই সমভূমি অঞ্চলটিয়ে ৩৯৭৬ বৰ্গকিলোমিটাৰ অঞ্চল আগুৰি আছে। (বৰ্তমানৰ নগাঁও জিলাৰ মাটি-কালি)। সমভূমিখনৰ সৰ্বাধিক অংশই প্লাবন ভূমিৰ অন্তৰ্ভূক্ত। এই প্লাবন ভূমি ক্ৰমে জিলাখনৰ পূব অংশলৈ ঠেক হৈ গৈছে আৰু ইয়াৰ প্ৰান্ত অঞ্চলৰ পৰা কাৰ্বি আংলঙৰ মালভূমিৰ অভিক্ষিপ্ত অংশটো আৰম্ভ হৈছে। সমগ্ৰ জিলা খনৰ ভূ-প্ৰাকৃতিক ঢালটি দক্ষিন পূবৰ পৰা উত্তৰ পশ্চিমলৈ বিস্তৃত। ইয়াৰ উত্তৰ অংশইদি পূবৰ পৰা পশ্চিমলৈ বৈ যোৱা ব্ৰহ্মপুত্ৰৰ লগত সংযুক্ত হৈ আছে মূলতঃ দক্ষিনৰ পৰা উত্তৰলৈ বৈ যোৱা বিভিন্ন নৈ উপনৈ সমূহ।

ভূ-তাত্বিক দিশৰ পৰা অঞ্চলটোত মূলতঃ কোৱাটাৰনাৰী আৰু সম-সাময়িক ভূতাত্বিক যুগৰ নতুন আৰু পুৰণি পলসুৱা মাটিৰে গঠিত। জিলাখনৰ দক্ষিন অঞ্চলত কোৱাৰ্জাইট, ফাইলাইটচ আৰু কংলোমাৰেট জাতীয় প্ৰিকেমবিয়ান যুগৰ শিলাখণ্ড ভূপৃষ্ঠৰ উপৰিভাগত বিস্তৃত অৱস্থাত পোৱা যায়। ইয়াৰ উপৰিও জেনিচেচ, চিষ্ট এমফিবায়লাইট আৰু গ্ৰেণাইট জাতীয় আৰকিয়ান যুগৰ বিভিন্ন শিলাখণ্ড অঞ্চলটোৰ বিভিন্ন অংশত বিক্ষিপ্ত অৱস্থাত পোৱা যায়। জিলাখনত থকা প্ৰধান নৈ সমূহৰ প্লাবনভূমি অঞ্চলবোৰ নতুন পলসুৱা মাটিৰে গঠিত। অন্যহাতেদি বিভিন্ন পাদদেশীয় অঞ্চল আৰু প্লাবনভূমি অঞ্চলৰ মাজৰ অংশ সমূহ পুৰণি পলসুৱা মাটিৰে গঠিত। এই সামগ্ৰিক ভূতাত্বিক আৰু ভূ-প্ৰাকৃতিক পৰিস্থিতিয়ে অঞ্চলটোৰ মাজেৰে বৈ যোৱা নৈ-উপনৈ সমূহক প্ৰত্যক্ষ ভাবে প্ৰভাম্বিত কৰিছে। যাৰ বাবেই ক্ষেত্ৰ বিশেষে ই নৈ উপনৈসমূহৰ গতি পথৰ ওপৰত বাধাৰ সৃষ্টি কৰিছে। যাৰফলত বহুতো নৈৰ গতি পথৰ পৰিবৰ্তন সংঘটিত হৈছে, অঞ্চলটোত সৰহ সংখ্যাক বিল জলাশয় সমূহৰ উপস্থিতিয়ে এই কথাকে প্ৰমাণ কৰে।

সমগ্ৰ জিলাখনত আটাইতকৈ শুকান মাহ বোৰতো ব্ৰহ্মপুত্ৰৰ দাঁতি কাষৰীয়া অঞ্চলত এক মিটাৰ গভীৰতাতে আৰু ব্ৰহ্মপুত্ৰৰ পৰা আঁতৰৰ অঞ্চলসমূহত দুই মিটাৰ

গভীৰতাত ভূ-গৰ্ভৰ পানী পোৱা যায়। আনহাতে নতুন পলসুৱা মাটিৰে গঠিত অঞ্চলত ভূগৰ্ভৰ পানীৰ প্ৰাচুৰ্য্যতা আটাইতকৈ বেছি, য'ত ১ৰ পৰা ৩ মিটাৰ গভীৰতাতে ভূ গৰ্ভত পানী পোৱা যায়। ক্ৰমে পুৰণি পলসুৱা মাটিৰে গঠিত অঞ্চললৈ এই প্ৰাচুৰ্য্যতা কমি যায়। (অসম দূৰ সংবেদন প্ৰয়োগ কেন্দ্ৰ, ১৯৯০)

জলবায়ুৰ দিশৰ পৰা অঞ্চলটো উষ্ণ গ্ৰীষ্ম আৰু শীতল জলবায়ুৰ বৈশিষ্টৰে পৰিপূৰ্ণ ব্ৰহ্মপুত্ৰ উপত্যকাৰ মেৰ্চথাৰ্মেল শ্ৰেণীৰ অন্তৰ্ভুক্ত। অঞ্চলটোৰ বাৰ্ষিক গড় বৃষ্টিপাত ১৫১৪.৪ মিলিমিটাৰ, য'ত সাধাৰণতে ১০০০ মিলিমিটাৰৰ তলত আৰু ২৩০০ মিলিমিটাৰৰ ওপৰতো বৃষ্টিপাত হোৱা দেখা যায়। অৱশ্যে বিতৰণৰ দিশৰপৰা এই বৃষ্টিপাত সমগ্ৰ জিলাখনতে সমানে নপৰে।

জিলাখনৰ বৃষ্টিপাতৰ চিত্ৰ

(বছৰি গড় পৰিমাণ)

বছৰ	কলিয়াবৰ মহকুমা অঞ্চলত (মিঃ মিঃ ত)	নগাঁও মহকুমা অঞ্চলত (মিঃ মিঃ ত)
১৯৮৬	১৮৭৩.২০	১৮৬১.৪০
১৯৮৭	১৩৫৭.৭০	১৪৯৫.০০
১৯৮৮	২৩৬৭.৬০	২৩২৪.৪০
১৯৮৯	১৫৮৮.০০	২৩৭৮.৫০
১৯৯০	১৯৭৩.৬০	২৩৫২.০০
১৯৯১	২১১৫.৩০	২১৪৫.০০
১৯৯২	১৩৩৬.৬০	১৩৬৭.৭০
১৯৯৪	১৪৯১.৫০	১৪৮৩.৪০
১৯৯৫	১৭০৬.১০	১৬৪২.০০
১৯৯৬	১৫২৭.৫০	১৫০০.০০
১৯৯৭	১৫৯৫.২০	১৬১২.২০

(উৎস ঃ কৃষি বিভাগ, অসম চৰকাৰ)

পলসুৱা মাটিৰ উপস্থিতি আৰু সেমেকা উষ্ণ জলবায়ুৰ প্ৰভাৱত অঞ্চলটোত উদ্ভিদৰ দিশৰ পৰা এক বৈশিষ্ট্যপূৰ্ণ চিত্ৰ পোৱা যায়। য'ত মূলতঃ বিষুবীয় চিৰসেউজীয়া আৰু পৰ্ণপতী গুণবিশিষ্ট উদ্ভিদ পোৱা যায়। এই সামগ্ৰিক প্ৰাকৃতিক অৱস্থিতিয়ে

জিলাখনক অসমৰ এখন সম্ভাবনাপূৰ্ণ অঞ্চলৰূপে চিহ্নিত কৰে যদিও মানুহৰ বিভিন্ন কাম -কাজৰ প্ৰভাৱত আজি জিলাখনে বিভিন্ন প্ৰাকৃতিক সমস্যাৰ সন্মোখীন হৈছে। যাৰ লগত অঞ্চলটোৰ বিস্তৃত পৰিস্থিতি তন্ত্ৰৰ সামগ্ৰিক ভাৰসাম্যতা, সুস্থিৰতা তথা সুৰক্ষাৰ প্ৰশ্ন জড়িত হৈ আছে।

বিঘ্নিত পৰিবেশ ঃ-

অঞ্চলটোৱে সন্মুখীন হোৱা বিভিন্ন পাৰিপাৰ্শ্বিক সমস্যা সমূহৰ বিশ্লেষণ কৰিলে দেখা যায় যে ইয়াৰ ভিতৰত বানপানী, আৰ্দ্ৰভূমিৰ অৱক্ষয়, নিৰ্বনীকৰণ, গ্ৰাম্য শক্তিৰ ব্যৱহাৰৰ সমস্যা আৰু চহৰীকৰণৰ সমস্যাই উল্লেখযোগ্য।

বানপানী ঃ নগাঁৱৰ সমগ্ৰ সমভূমি অঞ্চলটো মূলতঃ ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ বৰপানী, ডিফলু, হাৰিয়া, কলং, কপিলী, লালিজান, লেটেৰী, মৰা ডিফলু, মৰা লেটেৰী, মৰা সোনাই, নিসাৰি, পকৰীয়া, সোনাই, টাপেৰী সোনাই, দেওপানী, মিছা, ডিজু, ননৈ, আদি নৈ উপনৈৰ আজনাৰে অংকিত। এই নৈ সমূহৰ গতিপথৰ ঢাল, ভু-প্ৰাকৃতিক গঠন, আৰু আৱহক্ষেত্ৰত হোৱা ভূমিক্ষয় আদিৰ ফলত অঞ্চলটোৱে অতি প্ৰাচীন কালৰে পৰা বানপানীৰ সমস্যাৰ সন্মুখীন হৈ আহিছে।

নব্বৈৰ দশকৰ প্ৰাৰম্ভণিৰ কালছোৱাত গুৱাহাটী বিশ্ববিদ্যালয়ে কৰা এটি অধ্যয়নৰ মতে, অবিভক্ত নগাঁও জিলা অঞ্চলত ১৪৫০ৰ পৰা ১৮২৫ চনৰ ভিতৰত ৮ বাৰ ১৮২৬ৰ পৰা ১৯৪৭ চনৰ ভিতৰত ১৭ বাৰ, ১৯৪৮ ৰ পৰা ১৯৭৯ চনৰ ভিতৰত ২৭ বাৰ আৰু ১৯৮০ ৰ পৰা ১৯৮৯ চনৰ ভিতৰত ১১ বাৰ বানপানী হৈছিল। (কৰ আৰু গোস্বামী, ১৯৯৭)

এই বিবৰণৰ পৰা দেখা যায় যে স্বাধীনোত্তৰ নগাঁৱত বানপানীৰ প্ৰাবল্য বৃদ্ধি পাইছে। এই সমস্যাৰ লগত মূলতঃ নৈ সমূহৰ আৱহ ক্ষেত্ৰত জনসংখ্যা বৃদ্ধিৰ হেতু সংঘটিত ভূমিক্ষয়ৰ পৰিঘটনা জড়িত হৈ আছে। কাৰণ এনেদৰে ক্ষয় হোৱা পদাৰ্থ সমূহ বৈ অহা পানীৰ লগত উটি আহি নৈৰ নিম্ন ভাগত নদীপৃষ্ঠত জমা হয়। এই কাৰ্য্যই নদীৰ পৃষ্ঠ ভূমি বাম কৰাৰ ফলত নৈৰ বুকুলৈ বেছি পৰিমাণৰ পানী আহিলেই পাৰ বাগৰি বানপানীৰ সৃষ্টি কৰে। ইয়াৰ উপৰিও স্বাধীনোত্তৰ কালত বিভিন্ন অঞ্চললৈ তথাকথিত বিকাশ কাৰ্য্যসূচীৰ সম্প্ৰসাৰণৰ নামত পৰিবেশিক পৰিকল্পনা নকৰাকৈ তৈয়াৰ কৰা ৰাস্তা-ঘাট, দলং আদিয়ে নৈৰ গতিপথত বাধা আৰোপ কৰি, এই সমস্যা আৰু জটিল কৰি তুলিছে। বানপানীয়ে অঞ্চলটোৰ বিস্তৰ কৃষি ভূমি, জীৱ-জন্তু, মানুহ আৰু সা-সম্পত্তি প্ৰতি বছৰে ধ্বংস কৰি আহিছে।

অবিভক্ত নগাঁও জিলাত সংঘটিত হোৱাবান পানীৰ সংখ্যা (১৪৫০ - ১৯৮৯)

মৌজা	মুঠ বান পানীৰ সংখ্যা	মৌজা	মুঠ বান পানীৰ সংখ্যা
মায়ং	৫১	আলিটাঙনী	১১
পকৰিয়া	৩৮	জুৰিয়া	১১
মনহা	২৪	কাছমাৰি	৪
বহা	১৬	টাউন মৌজা	৫
নিজ ঘগোৰা	১৫	মৌজা নিজচহৰ	৫
গোভা	১২	শিঙিয়া পোটনি	৪
তেতেলিয়া	১৯	কন্দলি	২
মৰিগাঁও	৯	কঠিয়াতলি	১২
ভুৰাগাঁও	১৬	জমুনামুখ	২৫
লাহৰিঘাট	১৬	যোগীজান	১৫
দন্দুৱা	১০	হোজাই	৬
উত্তৰ খোলা	২১	লঙ্কা	৩
চহৰিয়া	২৪	কাকী	২
বাৰপুজিয়া	১১	কপাহবৰী	২
চৰাইবাহী	৫	ন্নামটী	৩
মিকিৰভেটা	৮	চলচলি	১
মৈৰাবাৰী	১৪	খাটোৱাল	৪
ঢিং	১০	চয়দৰিয়া	১১
শিলপুখুৰি	৬	লাওখোৱা	১৪
ৰহা	১৪	ৰঙাগড়া	১০
জৰাবাৰী	২৫	ভেলেওগুৰি	৬
গৰুবাট	৭	লামডিং	০
কামপুৰ	৩০	ডিজু শালনা	৪
জাগীয়াল	১৩	চটিয়াল	১৫
পাখিমৰিয়া	১১	বৰভগীয়া	১৬
হাতীচোং	৩	পুৰঠৰিয়া	২২
বটদ্ৰৱা	১০	দুৱাৰবাগৰী	১৪

(উৎস ঃ Kar & Goswami '93 in Remote Sensing in Geography Page - 122, 123)

আৰ্দ্ৰভূমিৰ অৱক্ষয় ঃ-

আৰ্দ্ৰভূমি বুলি কলে সাধাৰণতে খাল, বিল, পুখুৰী, জলাহ আদি ঠাইবোৰকে বুজায়। সাধাৰণতে এনে আৰ্দ্ৰভূমিৰ প্ৰাকৃতিক প্ৰক্ৰিয়া সমূহৰ যোগেদি সৃষ্টি হয়; অৱশ্যে কৃত্ৰিম কাৰণতো ইয়াৰ সৃষ্টি হ'ব পাৰে। নগাঁও জিলাত মূলতঃ নৈ সমূহৰ গতি পৰিবৰ্তনৰ ফলত সৃষ্টি হোৱা এৰা সুঁতি সমূহ এনে বিললৈ পৰিণত হৈছে। এই আৰ্দ্ৰভূমি সমূহ জলজ পৰিস্থিতি তন্ত্ৰ আৰু স্থলজ পৰিস্থিতি তন্ত্ৰৰ মাজৰ এখন সেতু। আৰ্দ্ৰভূমিৰ দিশৰ পৰা অসমৰ বিভিন্ন জিলা সমূহৰ ভিতৰত নগাঁও জিলাই এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে।

গুৱাহাটী বিশ্ববিদ্যালয়ে এটি গবেষণা মূলক অধ্যয়নৰ জৰিয়তে, ভূ-প্ৰাকৃতিক মানচিত্ৰ, উপগ্ৰহৰ পৰা প্ৰাপ্ত চিত্ৰ ব্যৱহাৰ কৰি আৰু ক্ষেত্ৰ অধ্যয়ণ কৰি অবিভক্ত নগাঁও জিলাত ৪৪৯ খন বিল আৰু ১৬২ খন ক্ষুদ্ৰ জলাশয় চিনাক্ত কৰিছিল। ইয়াৰ ২৩৫ খন বিলেই প্লাৱনভূমি অঞ্চলত অৱস্থিত। উল্লেখযোগ্য যে, এই বিল সমূহৰ শতকৰা ৮৭খন বিলেই নদীৰ লগত সংযুক্ত। কেৱল কলং নৈৰ লগতে প্ৰায় ১০০ খন বিল আছে। (শৰ্মা আৰু গোস্বামী, ১৯৯৩)

এই বিলসমূহৰ বেছি ভাগেই এক নিজস্ব ধাৰাৰে সুকীয়া একোটা পৰিস্থিতি তন্ত্ৰৰ সৃষ্টি কৰি আহিছে, য'ত নিৰ্দিষ্ট পৰিমাণত জলজ উদ্ভিদ আৰু প্ৰাণীৰ বিভিন্ন কাৰ্য্যকলাপ দেখা যায়। প্ৰাণী বিজ্ঞানৰ দিশৰ পৰা কৰা এটি অধ্যয়নৰ মতে অসমৰ বিলসমূহত সাধাৰণ অৱস্থাত মাছ উৎপাদনৰ ক্ষমতা প্ৰতি হেক্টৰত প্ৰায় ১১০ কেজি, যাৰ সৰ্বভাৰতীয় হাৰ মাত্ৰ ৭০ কেজি। (লাহন আৰু ডেউৰী, ১৯৮৭)

অকল সেয়ে নহয়, এই বিল সমূহে বাৰিষা অতিৰিক্ত পৰিমাণৰ পানী ধাৰণ কৰি এটি প্ৰাকৃতিক জলধাৰক ৰূপেও কাম কৰি আহিছে। কিন্তু শেহতীয়াকৈ এনে বিল জলাশয় সমূহৰ নিকটবৰ্তী অঞ্চলৰ কৃষি ভূমি আদিত ব্যৱহাৰৰ ক্ষীপ্ৰতা বৃদ্ধি পোৱাৰ ফলত, ইয়াৰ উপৰিভাগৰ মাটি বাৰিষা বৰষুণৰ প্ৰভাৱত ক্ষয় হৈ ওচৰৰ বিলসমূহত জমা হ'বলৈ ধৰিছে। বহুক্ষেত্ৰত মানুহে এনে বিল, জলাশয় সমূহ পুতি তাক আন কামতো ব্যৱহাৰ কৰিবলৈ লৈছে। (উদাহৰণস্বৰূপে, নগাঁও চহৰতে মৰিকলং বিলৰ এটি বৃহৎ অঞ্চল পুতি এটি বাছ আস্থান গঢ়া হৈছে)। আনকি বহু ঠাইত মানুহে বিলৰ মাটি বেদখল কৰি আন কামত ব্যৱহাৰ কৰি আছে, আনকি এনে মাটিত চৰকাৰী ভাবেও মাটি পট্টন দিয়াৰ খবৰ শুনা যায়। (অথচ ১৯৯৪ চনতে"Assam wet land Development Board" ৰ জৰিয়তে চৰকাৰী ভাবে আৰ্দ্ৰভূমি সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰি, এনে ভূমি আন কাৰ্য্যত ব্যৱহাৰ নিষেধ কৰি এক জাননী জাৰি কৰিছিল)। অপৰিকল্পিত বাট-পথৰ নিৰ্মাণ কাৰ্য্যয়ো বিল আৰু নৈৰ মাজৰ সংযোগ

পথবোৰ অববোধ কৰি বিলৰ ওপৰত প্ৰভাব বিস্তাৰ কৰিছে। এই সমূহ কাৰ্য্যই বিলৰ পানী নিৰ্গমনৰ পৰিমাণ কমাই দিয়াৰ ফলত আৰু বিভিন্ন গোটা পদাৰ্থ জমা হোৱাৰ

চামগুৰি বিল ঃ

চামগুৰি বিল নগাঁও জিলাৰ এখন উল্লেখযোগ্য আৰ্দ্ৰভূমি। প্ৰায় ৬২.৪৩ হেক্টৰ জুৰি এলেকাৰে এই বিলখন এসময়ত কলং নদীৰেই অংশ আছিল। কলং নদীৰ বক্ৰগতিৰ বাবে চামগুৰিৰ ওচৰে কেইখানো বিল নৈখনৰ দুয়োকাষে সৃষ্টি হৈছে। অশ্বখুৰাকৃতিৰ এই বিলখনৰ প্ৰস্থৰ তুলনাত প্ৰায় ১৬ গুণ দীঘল। কলং নদী আৰু চামগুৰি বিলক ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথে পৃথক কৰিছে। পৰিস্থিতি তন্ত্ৰৰ ফালৰ পৰা বিলখনে এক সুকীয়া বৈশিষ্ট বহন কৰিছে। কিন্তু বৰ্তমান মানুহৰ বিভিন্ন কাৰ্য্যকলাপৰ ফলত বিলখনে বিভিন্ন সমস্যাৰ সন্মোখীন হৈছে।

বিলখনৰ পানীভাগৰ পৰা পাৰৰ ভূমি অঞ্চললৈ সহজতে দেখা পোৱা উল্লেখনীয় উদ্ভিদ সমূহ হ'ল ঃ

ৰঙপুনি, সৰুপুনি, পাতিদৈ, পানীমেটেকা, ঢেকীয়া, নলখীহ, নলখাগৰি, কলমৌ, হেলনচি, বিহলঙনি, ভেঁকুবিতিতা, নিলাজীবন, খুতুৰা শাক, বগাদোৱোন, ৰঙাদোৱোন, মানিমুনি, জিকামিক, ভেদাইলতা, খেৰ, শিমলু, আম, বগৰী, কঠাল, আইত্ৰ, জাতি বাহ, সৌৰা, কৰৈ, ভেলৌ, হিজল, কলগছ আদি।

উল্লেখযোগ্য পৰিমাণে বিলখনত পোৱা মাছ সমূহ হ'ল ঃ

ভকুৱা, ভাঙন, মিৰিকা, কৰটি, মৌ, শ'ল, কাৱৈ আদি।

বিলখনত শীতকালি সাধাৰণতে দেখা চৰাই সমূহ ঃ

শৰালি, ৰৰশৰালি, ঘিলাহাঁহ, বগলী, কণামুচৰি, গোৰগ, মুগীহাঁহ, দীঘলনেজী হাঁহ, খড়ীয়া হাঁহ, বালী হাঁহ, ঢেকৰ, নল ঢেকৰ, তুৰৱা চৰাই, পানী কাউৰী ইত্যাদি। ১৯৯৬ চনৰ শীতকালত বিলখনত কৰা এক পৰিসংখ্যা মতে ৬৮৭ টা শৰালি, ৪৮ টা ৰৰশৰালি, ৪১৫ টা ঘিলাহাঁহ ৫৯৫ টা গোৰগ পোৱা গৈছিল। ১৯৯৭ চনৰ শীত কালত কৰা আন এটি অধ্যয়নৰ মতে, ৫৩৮টা শৰালি, ২ টা ঘিলাহাঁহ, ১৫ টা গোৰগ দেখা গৈছিল।

তথ্যৰ উৎস ঃ "GEO-ENVIRONMENTAL STUDY OF SAMAGURI BEEL", TDC (Major) student's Field study Report, Deptt. Geography, Nowgong Girls' College (1997-98)

ফলত বিলসমূহ বাম কৰি পেলাইছে, ইয়াত উদ্ভিদৰ পৰিমাণ বৃদ্ধি কৰিছে। এনে কাৰ্য্যত বিলৰ দাঁতি কাষৰীয়া অঞ্চলৰ মানুহে বিভিন্ন কাৰ্য্য কলাপৰ ফলত সৃষ্টি হোৱা আবৰ্জনা পেলায়ো অৰিহণা যোগাইছে। এই আবৰ্জনা সমূহে জলাশয় সমূহৰ পানীৰ ৰাসায়নিক গুণাগুণো বিঘ্নিত কৰিছে। উদাহৰণ স্বৰূপে ১৯৯৩ চনত কৰা এটি অধ্যয়নৰ মতে নগাঁও চহৰৰ মৰিকলং বিলতেই জিলাখনৰ বিলসমূহৰ ভিতৰত আটাইতকৈ বেছি পৰিমাণে পানীত অদ্ৰবণীয় গোটা পদাৰ্থ পোৱা যায় আৰু পানী দ্ৰবীভূত অক্সিজেনৰ পৰিমাণ পৰিমাণ আটাইতকৈ কম। লগতে বাইঅ'লজিকেল অক্সিজেন ডিমাণ্ড, কেমিকেল অক্সিজেন ডিমাণ্ডৰ পৰিমাণ সহনশীল মাত্ৰাতকৈ বহুত বেছি। এনে পৰিঘটনাই আৰ্দ্ৰভূমি সমূহত প্ৰাণীৰ বসবাসৰ পৰিবেশ বিঘ্নিত কৰে, যাৰ ফলতেই আৰ্দ্ৰভূমি সমূহত মাছ আদিৰ পৰিমাণ কমি গৈছে, লগতে বিভিন্ন জলজ চৰাইৰ সংখ্যাও কমিব ধৰিছে। (শৰ্মা আৰু পাটোৱাৰী, ১৯৯০-৯১)

অৰণ্য আৰু বন্যপ্ৰাণী ঃ

জনসংখ্যা, জনসংখ্যাৰ ঘনত্ব, বসতিৰ গতি আৰু প্ৰকৃতিয়ে ভূমিৰ ব্যৱহাৰ দিশ নিৰ্ণয়ৰ লগতে অঞ্চল বিশেষৰ বিভিন্ন প্ৰাকৃতিক সমস্যা তথা সম্ভাবনীয়তা নিৰ্ণয় কৰে। এই দিশৰ পৰা জনসংখ্যাৰ পৰিমাণৰ প্ৰাকৃতিক সমস্যা সমূহৰ লগত এক নিবিড় সম্পৰ্ক আছে। নগাঁও জিলাৰ জন সংখ্যাৰ এই দিশ সমূহৰ বিশ্লেষণ কৰিলে দেখা যায় যে, জিলাখনৰ মুঠ ভৌগলিক অঞ্চলৰ তুলনাত ইয়াৰ জনসংখ্যাৰ পৰিমাণ অত্যন্ত বেছি। কাৰণ জিলাখনৰ জনসংখ্যাৰ ঘনত্ব সামগ্ৰিক ভাবে অসমৰ গড় ঘনত্বতকৈ ১৯০১ চনৰ পৰাই বেছি। স্বধীনতাৰ পূৰ্বে অৰ্থাৎ ১৯৪১ চনত নগাঁও জিলাৰ প্ৰতি বৰ্গ কিলোমিটাৰত জনসংখ্যাৰ ঘনত্ব আছিল ১১৪ জন, যি সময়ত ৰাজ্যখনৰ গড় ঘনত্ব আছিল মাত্ৰ ৮৫ জন। ১৯৯১ চনত এই ঘনত্ব হৈছে প্ৰতি বৰ্গ কিলোমিটাৰত ৪৫৫ জন, যাৰ বিপৰীতে ৰাজ্যিক জনবসতিৰ গড় ঘনত্ব মাত্ৰ ২৮৫ জন। এই জনসংখ্যাৰ ঘনত্বই ব্যাপক হাৰত অঞ্চলটোৰ ভূমিৰ ব্যৱহাৰৰ জৰিয়তে অৰণ্য ভূমিৰ ওপৰত প্ৰভাব বিস্তাৰ কৰিছে।

অঞ্চলটোৰ ভূমিৰ ব্যৱহাৰৰ চিত্ৰ খন পৰ্য্যালোচনা কৰিলে দেখা যায় যে ১৯৮০-৮১ চনৰ তুলনাত ১৯৯-৯১ চনলৈ মুঠ কৃষি ভূমিৰ পৰিমাণ, অকৃষিজাত কাৰ্য্যত, ব্যৱহাৰ হোৱা ভূমিৰ পৰিমাণ ০.৪% কৈ বৃদ্ধি পাইছে, যাৰ বিপৰীতে এই কালছোৱাত মুঠ বনাঞ্চলৰ পৰিমাণ ১.৮% হাৰত হ্ৰাস পাইছে। উল্লেখযোগ্য যে এই কালছোৱাত ৰাজ্যখনৰ বনাঞ্চল হ্ৰাসৰ গড় পৰিমাণ ০.২% হে মাত্ৰ। এই তথ্যৰ পৰা ক্ৰমবৰ্দ্ধমান জনসংখ্যাই জিলাখনৰ অৰণ্যভূমিৰ ওপৰত পেলোৱা প্ৰভাবৰ কথা সহজেই অনুমান

অবিভক্ত নগাঁও জিলাৰ জনসংখ্যাৰ

ঘনত্ব (১৯০১ - ১৯৯১)

বছৰ	১৯০১	১৯১১	১৯২১	১৯৩১	১৯৪১	১৯৫১	১৯৬১	১৯৭১	১৯৯১
নগাঁও জিলাৰ (ঘনত্ব প্রতিবর্গ কিঃ মিঃ)	৪৬	৫৩	৭০	৯৯	১১৪	১৫৬	২১৮	৩০২	৪৫৫
অসমৰ (ঘনত্ব প্রতিবর্গ কিঃ মিঃ)	৪১	৪৯	৫৮	৭০	৮৫	১০৩	১০৮	১৫০	২৮৬

তথ্যৰ উৎস ঃ Directorate of Economices & Satistics, Govt. of Assam.

কৰিব পাৰি। এই ক্ষেত্ৰত মুলতঃ বনাঞ্চল সমূহ বেদখল কৰি কৃষিকাৰ্য্যত ব্যৱহাৰ কৰা বা বস-বাসৰ বাবে ব্যৱহাৰ কৰা আদি কাৰ্য্যই ইন্ধন যোগাইছে, লগতে নিৰ্বণীকৰণ প্ৰক্ৰিয়া ক্ষিপ্ৰতৰ হৈছে।

নগাঁৱৰ মুঠ জনসংখ্যাৰ ৯১% লোকেই গ্ৰাম্য অঞ্চলত বাস কৰে, যাৰ ৯০% লোকেই প্ৰতক্ষ্য ভাৱে ৰন্ধন আদি কাৰ্য্যত ইন্ধন ৰূপে খৰি ব্যৱহাৰ কৰে। ১৯৯৫ চনত খাগৰিজান উন্নয়ন খণ্ডত কৰা এটি অধ্যয়ন মতে অঞ্চলটোৰ ৮৮.৫% পৰিয়ালে গড় হিচাবত মাহে ২৫০ কিলোগ্ৰাম পৰিমাণৰ খৰি ব্যৱহাৰ কৰে। এনে ব্যৱহাৰ কাৰ্য্যই গ্ৰাম্য অঞ্চল সমূহতো গছ-গছনিৰ পৰিমান দ্ৰুত হাৰত হ্ৰাস কৰিছে (ভট্টাচাৰ্য্য ১৯৯৫)। এই কাৰ্য্য সমূহৰ লগে লগে বিপন্ন হৈছে এক বৃহৎ সংখ্যক বন্য প্ৰাণী।

বন্যপ্ৰাণীৰ দিশৰ পৰা নগাঁও জিলাৰ ব্ৰহ্মপুত্ৰৰ দাতি কাষৰীয়া অঞ্চলৰ জলশয় সমূহক কেন্দ্ৰ কৰি থকা ঘাঁহনি সমূহে গঁড়, বনৰীয়া ম'হ আদিৰ বাবে এক আদৰ্শ অৱস্থাৰ সৃষ্টি কৰিছিল। অঞ্চলটোত হাতীআৰু বিভিন্ন প্ৰজাতিৰ বান্দৰ দেখা যায়। ডবকা, শালনাৰ পাহাৰ অঞ্চল সমূহত বিলুপ্ত প্ৰায় লাজুকী বান্দৰ দেখা যায়। শেহতীয়াকৈ বনাঞ্চলৰ পৰিমাণ কমি যোৱাত এই বন্য প্ৰাণী সমূহৰ জীৱন বিপন্ন হৈছে। উদাহৰণ স্বৰূপে, কলিয়াবৰ অঞ্চলত বৃদ্ধি পোৱা হাতীৰ উপদ্ৰপ। হাতীৰ বিচৰণ ভূমিৰ পৰিমাণ হ্ৰাস পোৱাৰ ফলতেই এনে ঘটনা ঘটিছে।

জলজ চৰাইৰ ক্ষেত্ৰত নগাঁৱৰ বিস্তৃত আৰ্দ্ৰভূমি সমূহে এক আদৰ্শ অৱস্থাৰ সৃষ্টি

কৰিছে। ইয়াত বিভিন্ন প্ৰজাতিৰ হাঁহ দেখা যায়। ইয়াৰ উপৰিও নগাঁৱৰ প্লাৱনভূমিৰ সামগ্ৰিক পৰিবেশে বৰটোকোলা জাতীয় চৰাইৰ এক আদৰ্শ বিচৰণ ভূমিৰ সৃষ্টি কৰিছে। বৰ্তমান সমগ্ৰ বিশ্বত ১৯ টা বৰটোকোলা জাতীয় চৰাই আছে। তাৰে ৯ টা প্ৰজাতি ভাৰতবৰ্ষত, ৯ টা ৰ ৮ টা প্ৰজাতি অসমত পোৱা যায়। আবাস ভূমিৰ সংকোচন আৰু নীড় উপনিবেশ ধ্বংসে হোৱাৰ ফলত ইয়াৰ সংখ্যা হ্ৰাস পাব ধৰিছে। বৰ্তমান অসমৰ ভিতৰত ইয়াৰ পৰিমাণ নগাঁৱত উল্লেখযোগ্য। কিন্তু ক্ৰমাগত ভাবে ইয়াৰ বিচৰণ ভূমি সমূহৰ পৰিবেশ বিঘ্নিত হোৱাত ইয়াৰ সংখ্যা হ্ৰাস পাব ধৰিছে।

নগাঁও জিলাৰ ভূমিৰ ব্যৱহাৰৰ তথ্য

(মাটিকালি '০০০ হেক্টৰত আৰু শতকৰা হিচাবত)

ব্যৱ হাৰ শিতান	১৯৮০-৮১	১৯৯০-৯১
অৰণ্যভূমি	১২১ (১০.৭%)	১০০ (৮.৯%)
অকৃষিকাৰ্য্যত ব্যৱহৃত মাটি	৪৬ (৪.১%)	৫০ (৪.৫%)
মুঠ শস্য ভূমি	৪২০ (৩৭.২%)	৪২৩ (৩৭.৫%)
চন পৰা মাটি	৭ (০.৬%)	৫ (০.৪%)
বৰ্ত্তমানৰ চন পৰা মাটি	৫ (০.৪%)	৩ (০.৩%)
বছৰত এবাৰ খেতি কৰা প্ৰকৃত মাটি	৩৪০ (৩০.২%)	৩২১ (২৮.৫%)

লাওখোৱা অভয়াৰণ্য ঃ

অসমৰ প্ৰখ্যাত এশিঙীয়া গড়ৰ সংৰক্ষনৰ লক্ষ্যৰে নগাঁও জিলাৰ ৭০ কিলোমিটাৰ আঞ্চলৰ এটি অৰণ্য অঞ্চল ১৯৭৯ চনত অভয়া অৰণ্যলৈ উন্নিত কৰা হয়। সেই সময়ত ইয়াত সৰ্বমুঠ ১০৮ টা গড় আছিল। কিন্তু ১৯৮৩ চনৰ কাল ছোৱাত ৪৭ টা গড়ৰ মৃত্যু হয়, যাৰ মাত্ৰ ৪ টাৰহে প্ৰাকৃতিক কাৰণত মৃত্যু হৈছিল। বাকী ৪৩ টাৰ চোৰাং চিকাৰীৰ হাতত মৃত্যু হয়। যাৰ বাবেই পৰিবৰ্তিত পৰিস্থিতিত ইয়াৰ বহু সংখ্যক নিকটবৰ্তী বুঢ়া চাপৰি, ওৰাং ইত্যাদি অঞ্চললৈ প্ৰব্ৰজন কৰে। ১৯৯২ চনত বনবিভাগৰ এটি পৰ্য্যবেক্ষন মতে অভয়াৰণ্য খনত ১১টা ঢেকীয়াপতীয়া বাঘ, ২২ টা হাতী, ৭৫ টা বনৰীয়া ম'হ, ১১ টা গাহৰি, প্ৰায় ২০০ টা হৰিণা আৰু এক বৃজন সংখ্যক বান্দৰ আছে। অৰণ্যৰ পাহাৰীয়া অঞ্চলটোত ক্ৰমাগত ভাবে বৃদ্ধি পোৱা জনসংখ্যাই এই অভয়াৰণ্যখনৰ ওপৰত ব্যাপক হাৰত চাপ প্ৰয়োগ কৰিছে। অঞ্চলটোৰ প্ৰতিটো পৰিয়ালত গড় হিচাবত ৪টাকৈ গৰু আছে প্ৰতিটো পৰিয়ালে মাহে গড় হিচাবত ২২৪ কেজি পৰিমাণৰ খৰি ব্যৱহাৰ কৰে। এই গৃহপালিত জীৱজন্তুৰ বিচৰণ ভূমিৰূপে ব্যৱহাৰৰ জড়িয়তে আৰু খৰি সংগ্ৰহৰ কাৰণে জনসাধাৰণে ব্যাপক হাৰত অভয়াৰণ্যখনৰ ওপৰত চাপ প্ৰয়োগ কৰিছে। ইয়াৰ সুৰক্ষাৰ বাবে দাতিকাষৰীয়া গাঁও সমূহৰ সৰ্বাঙ্গীন উন্নয়নেই একমাত্ৰ পথ। অন্যথাই ই এনে কাৰ্য্যৰ ক্ষিপ্ৰতাহে বৃদ্ধি কৰিব।

(তথ্যৰ উৎস ঃ Field study Report of TDC III yr. student's on "Lowkhowa wild life sanctuay" Deptt. Geography Nowgong Girl's college 1996-97.)

চহৰীকৰণৰ সমস্যা ঃ-

ক্ৰমবৰ্দ্ধিত জনসংখ্যা, অকৃষিজাত কাম-কাজ বৃদ্ধিৰ লগে লগে জিলা খনত চহৰীকৰণৰ প্ৰক্ৰিয়া সমূহো বৃদ্ধি পাইছে। ১৯৯১ চনৰ লোকপিয়লৰ তথ্যৰ মতে জিলা খনত চহৰ অঞ্চলত বাস কৰা সৰ্বমুঠ লোকৰ সংখ্যা ২০৫,৫৯৪ জন। জিলাখনৰ চহৰ কেইখন হ'ল, নগাঁও, ঢিং, ৰহা, হোজাই, লংকা আৰু লামডিং । এই চহৰ অঞ্চল সমূহত ক্ৰমবৰ্দ্ধিত জনসংখ্যাই মূলতঃ অঞ্চল বিশেষত জনস্বাস্থ্যজনিত সমস্যাৰ সৃষ্টি কৰিছে।

নগাঁৱৰ চহৰৰ জনসংখ্যাৰ বিশ্লেষণ কৰিলে দেখা যায় যে, ইয়াত জনবসতিৰ ঘনত্ব আটাইতকৈ বেছি। ১৮৯৪ চনত পৌৰসভা গঠনৰ কালত ইয়াৰ জনসংখ্যা আছিল

নগাঁও জিলাৰ পৌৰ অঞ্চল সমূহৰ জনসংখ্যা (১৯৯১ লোকপিয়ল অনুসৰি)		
পৌৰ অঞ্চলৰ নাম	মুঠ ঘৰৰ সংখ্যা	মুঠ সংখ্যা
নগাঁও	১০,২৬৮	৯৩,৩২৪
ঢিং	১,৪৭৭	৪,৩৭৯
ৰহা	৬৬২	৩,৭৭৯
হোজাই	৫,২৪৮	৩১,৯২৬
লংকা	২,৮৬৫	১৬,২৫৫
লামডিং	৮,৮২১	৪৬,১২৯

(উৎস ঃ Census Report 1991)

নগাঁও চহৰৰ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ		
বছৰ	জনসংখ্যা	বৃদ্ধিৰ হাৰ
১৮৭২	৩২৪১	
১৮৮১	৪২৪৮	৩১.০০
১৮৯১	৪৮১৫	১৩.৩৫
১৯০১	৪৪৩০	৮.০০
১৯১১	৫৪৩৩	২২ ৬৪
১৯২১	৬৮৮৫	২৬.৭৩
১৯৩১	১০৪১৩	৫১.২৪
১৯৪১	১২৯৭২	২৪.৫৮
১৯৫১	২৮২৫৬	১১৭.৮২
১৯৬১	৩৮৬০০	৩৬.৬১
১৯৭১	৫৬৫৩৭	৪৬.৪৭
১৯৮১	৭৯১৫১	৪০.০০
১৯৯১	৯৩৩৫০	১৭.৯২
১৯৯৬	১০৮২৮৬ *	

উৎস ঃ Census Report 1901 and 1991

★ নগৰ আৰু গাঁও পৰিকল্পনা বিভাগৰ পৰা সংগ্ৰহিত।

৪,৪৩০ জন। ১৯৮৮ চনত এই জনসংখ্যা ৫৬,৫৩৭ জন আৰু ১৯৯১ চনত এই সংখ্যা ৯৩,৩২৪ লৈ বৃদ্ধি পাইছিল। ১৯৮৮ চনত নগাঁও চহৰৰ জনসংখ্যাৰ ঘনত্ব আছিল প্ৰতি

নগাঁও পৌৰসভা অঞ্চলত জনসংখ্যাৰ বিতৰণ
(১৯৯১ লোকপিয়ল অনুসৰি)

ৱাৰ্ড নং	ঘৰৰ সংখ্যা	মুঠ জনসংখ্যা
১	৪৯১	৩০৯৩
২	৩০৭	২১২৩
৩	৯৫৮	৫১৯৬
৪	৫১১	২৫৮৭
৫	৪৪২	২৬১০
৬	৬৬৭	৩৩৬৭
৭	১০৬৭	৫৩৭৮
৮	৫৬৩	২৬৭৮
৯	৫৪২	৩০৩৪
১০	৫৬৩	৩০৫৭
১১	৩৩১	১৭১২
১২	৮০১	৮৮৯৯
১৩	৮০২	৪৫৫৯
১৪	২৮২	১৫০৯
১৫	৫৪২	৩২২২
১৬	৪১৯	২৮৫৩
১৭	৭৪১	৪০৩৪
১৮	৩০৫	১৭৪৩
১৯	১১৫৩	৬৮৫০
২০	৩৮২	১৯৮৫
২১	১৭৭৯	৯৮৯৬
২২	২৪৫	১৪৩০
২৩	৫৯৫	৩২১৫
২৪	৭৯৪	৪২২০
২৫	৮৫২	৫১০৫
২৬	৪১৪	২৪৩১

(উৎস : Urban Census Data, 1991, Part- I)

বৰ্গ কিলোমিটাৰত ৯,০৮৯ জন, এই সংখ্যা ১৯৯১ চনত ১৫,০০৪ জনলৈ আৰু ১৯৯৬ চনত ১৭,৪০৯ জনলৈ বৃদ্ধি পায়। নগাঁও বৰ্ত্তমান অসমৰ আটাইটকৈ ঘন জনবসতি পূৰ্ণ চহৰ। ভৌগলিক অঞ্চলৰ বিপৰীতে হোৱা জনসংখ্যাৰ বৃদ্ধিয়ে অঞ্চলটোত বৰ্জিত পানী আদি নিষ্কাষণৰ, বিশুদ্ধ খোৱা পানী যোগান, তথা যান জটৰ দৰে সমস্যাৰ সৃষ্টি কৰিছে। লগে লগে চহৰখনে পৰিষ্কাৰ পৰিচ্ছন্নতাৰ দিশৰ পৰা এক প্ৰত্যাহ্বানৰ সম্মুখীন হৈছে, যাৰ লগত জড়িত হৈ আছে চহৰখনত বৃদ্ধি পোৱা স্বাস্থ্যজনিত সমস্যা সমূহৰ।

এই সকলোবোৰ সমস্যাৰ লগত প্ৰত্যক্ষ ভাবে অপৰিকল্পিত বিকাশৰ প্ৰক্ৰিয়াসমূহ জড়িত হৈ আছে। সেয়ে স্বাধীনতাৰ স্বৰ্ণ জয়ন্তীৰ পূৰ্ণহোৱাৰ এই সময়ত জিলাখনৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে এক পৰিবেশ নিৰ্ভৰ পৰিকল্পনাৰ প্ৰয়োজন হৈছে। যাৰ আবিহনে এনে সমস্যা সমূহ ক্ৰমে বৃদ্ধি পাব। ❑

প্ৰসঙ্গ পুথিঃ-

১. "Check list of Birds of Assam" - Anwaruddin Choudhary, Sofia Press Publication Pvt. Ltd., Guwahati, 1990.

২. "Check list of Mammals of Assam" - Anwaruddin Choudhary, Gibon Books, ASTE Council, Guwahati, 1997.

৩. "Flood Hazard Zonation of Nagaon (Undivided District), Assam" M. Kar and D.C. Goswami, in "Remote sensing in Geography", Edited by - S.M. Rashid, Manak Publication Pvt. Ltd., Delhi-92, 1993.

৪. Journal of North Eastern Council, Vol.-3, No-4, 1993.

৫. "A study of Drainage and serwerage of Nagaon Town : A Perspective on Engineering Geography" M. Kar, in "Indian Cartographer", Vol. 16, December 1996.

৬. "Man and Environment in North-East India" - Ed. Dilip K. Medi, etal, Omsons publication, N. Delhi 27 (1993)

৭. "Dist. Gazetteer of India, Assam, Nowgong Dist." Govt. of Assam - D. P. Barooah, 1978

৮. "Geo Environmental study of wet lands (Beels) in the Nagaon and Morigaon District of Assam Using Satellite

Data" - P. Sharma and D. C. Goswami, in proceedings of National symposium on Remote sensing Application for Resource Management with Special Emphasis on North-East India, ASTE Council, Guwahati, 1993.

৯. "Geo-Hydrological map of Assam", ARSAC, 1990.

১০. "Flood controls measures in Assam : Impacts on Beel Fisheries" in COMPENDIUM, workshop on Development of beel fisery in Assam. - P.C. Duri and B. Lanen, 1987.

১১. Environmental Dirorden in Jagiroad and Its impact on Inhabitant" J.K.Sarma and B.Patowari, IIEE, N.Delhi, Project Report, 1990-91.

১২. " সম্পদ আৰু পৰিবেশৰ বাবে আৰ্দ্ৰভূমিৰ সংৰক্ষণ" - জয়ন্ত কুমাৰ শৰ্ম্মা, ৫ জুন, দৈনিক অসম, ১৯৯৩

১৩. "Integrated Rural Energy Planning in Khagarijan Development Block of Nagaon Distrist - A Social Impact Analysis" , Gita Rani Bhattacharya, Omeo Kumar Das Institute of Social Change and Development, Guwahati, 1995.

১৪. W.W.F. India Quarterly - April-June, 1995 - New Delhi.

নগাঁৱৰ দুখন ছবি

‘অল ইজ অ’ভাৰ’

মহিম বৰা

মোৰ এটা নতুন ধৰণৰ অসুখ হৈছিল, হিকটি। হিকটিও যে এটা বেমাৰ আগতে জনা নাছিলো। মই তেতিয়া আমোলাপট্টিৰ শ্ৰীযুত ভূমিদেৱ গোস্বামীৰ ভেৰোণীয়া ঘৰত। ডাঙৰ ঘৰ, কম্পাউণ্ড ডাঙৰ, বিয়া কৰোৱা চাৰিবছৰ আৰু ল’ৰা দুটাৰ বয়স তিনি আৰু ডেৰবছৰ হৈছিল। শ্ৰীমতীয়ে প্ৰাইভেটকৈ বি.এ. পৰীক্ষা দিবৰ কাৰণে চেষ্টা কৰিছে। মোৰ লগত থাকে ভাগিনী দুজনী আৰু খুলশালী এজনী। তিনিও হাইস্কুলৰ ওপৰ শ্ৰেণীত। এটা বিহাৰী ল’ৰা, ৰান্ধনি-বাঢ়নি সকলো কৰে। মোৰ ভাইটোও মোৰ লগতে থাকি নগাঁও কলেজত বি.এছ্.ছি ফাইনেল ইয়াৰত পঢ়ে। মুঠতে ডাঙৰ পৰিয়াল। স্বৰ্গীয়া উষা বৰঠাকুৰে কেইবাবাৰো বতৰা পঠাই শ্ৰীমতী দীপ্তিক স্কুলত শিক্ষয়িত্ৰী কৰি দিলে - কাৰণ শিক্ষয়িত্ৰীৰ অভাৱ - ছোৱালী শিক্ষয়িত্ৰী বিয়া হ’লেই আঁতৰ হোৱাত শিক্ষাদানত ক্ষতি হয়।

ডাক্তৰ কেইবাজনেও চিকিৎসা কৰি মোৰ জ্বৰ ভাল কৰিলে যদিও হিকটি বন্ধ কৰিব নোৱাৰিলে। চুবুৰীৰ সকলো মানুহেই প্ৰায় সকলো সময়মতে খা-খবৰ কৰি থাকিল - অকল শ্ৰদ্ধেয় স্বৰ্গীয় ক্ষীৰোদ বৰুৱা দাদাই পদূলিৰ পৰাই মিক্সাৰ ঋলাই যাৱতীয় দিহা পৰামৰ্শ, ডাক্তৰ ঔষধ আদিৰ ব্যৱস্থা কৰে।

আমি কেইজনমান অধ্যাপকে (নগাঁও কলেজৰ) নিজে পতা ৰাতিৰ কলেজ এডিপিত অংশকালীন অধ্যাপনা কৰিছিলো। প্ৰায় এমাহ শয্যাগত হোৱাৰ পিছত ঘৰতে ইফাল-সিফাল কৰিব পৰা অৱস্থা হৈছিল। চীনৰ আক্ৰমণ আৰম্ভ হৈছিল। নেহৰু তেতিয়া ভাৰতৰ বাহিৰত।

প্ৰায় শয্যাগত অৱস্থাত থকা লোকৰ ভয় বেছি - যদি তেওঁ স্বাভাৱিকতে ভয়াতুৰ হয় তেনেহ’লে কথাই নাই। অধ্যাপক শ্ৰীযুত ললিত শইকীয়া, শ্ৰদ্ধেয় স্বৰ্গীয় অধ্যাপক জগত শৰ্মা সদায়েই, আৰু অধ্যাপক হবিবুৰ ৰহমান, অধ্যাপক স্বৰ্গীয় প্ৰাক্তন ছাত্ৰ অমূল্য নাথ প্ৰায়ে দিনটোৰ কোনোবা সময়ত আহি মোৰ অৱস্থাৰ বুজ লয়।

চীনৰ আক্ৰমণ আৰম্ভ হৈছিল আৰু নেহৰুৱে আক্ৰমণকাৰীক খেদাই পঠাবলৈ আদেশ দিয়া বুলি ৰাইজক কৈছিল।

সেই সময়তে তেতিয়াৰ ডি.চি. মহোদয়ে স্কুল-কলেজত দুই এখন সভা কৰি ছাত্ৰ-ছাত্ৰীক দেশৰ আহ্বানৰ কাৰণে সাজু হ’বলৈ বঙলা-অসমীয়া খিচিৰি ভাষাত উপদেশ দিছিল। বিদেশী আক্ৰমণ- বৰ্ডাৰৰ সংঘৰ্ষ বুলিয়ে লঘু কৰি দিয়াৰ মানসিকতা ওপৰ মহলাৰ পৰা তলৰ মহলালৈ সকলোৰে। মই যেন সকলোকে বুজাই দিম। কিন্তু তেতিয়াৰ কমবয়সীয়া কলেজ শিক্ষক এজনৰ কথা শুনিবলৈ চৰকাৰ, এম.এল.এ., নেতা কোনো সাজু নহয়। মই তেতিয়াই বৰ্তমান স্বৰ্গীয় শ্ৰদ্ধেয় কামাখ্যা কমল পণ্ডিত ছাৰক (অঙ্ক বিভাগৰ মুৰব্বী অধ্যাপক) কমনৰুমত ক’লো,

"আপোনালোকৰ চিনিয়ৰ অধ্যাপক, অধ্যক্ষ ছাৰ, সকলোৱে ডি.চি.ৰ ওচৰলৈ গৈ দুৱাষাৰমান কওকচোন অসমক দাৰ্জিলিঙেদি সোমাই আহি ভাৰতৰ পৰা বিচিন্ন কৰি দিব যিকোনো মুহূৰ্ত্তত। আমেৰিকা, ইংলেণ্ড কোনেও সহায় নকৰিব, কাৰণ আমি গোষ্ঠীনিৰপেক্ষ। ৰাছিয়াই সহায় নকৰে কাৰণ চীনৰ বন্ধু, কম্যুনিষ্ট।

"আমাৰ কথানো শুনিব কিয় ? আমি শিক্ষক, সেয়া ৰাজনীতি" - পণ্ডিত ছাৰৰ উত্তৰ।

"কিন্তু আমাৰ ছাত্ৰ-ছাত্ৰীক কিছু প্ৰশিক্ষণ দিয়ক, বোমা পৰিলে কেনেকুৱা সহায় কৰিব লাগে?"

"সেয়াও প্ৰসাশনীয় কাম, আমি ক'লে ওলোটাই আমাকহে আমাৰ কৰ্তব্য-শিক্ষাদানত মন দিবলৈ ক'ব।"

"কিন্তু আলুখেতিৰ বতৰ এতিয়া- খেতিয়কক আলুৰ সঁচ বিলাই আলু খেতি কৰিবলৈ কওক চৰকাৰে। স্কুল-কলেজৰ কম্পাউণ্ডত আলু খেতি কৰক। চীনে আমাক বিচ্ছিন্ন কৰিলে তাকে খায়ো এমাহ মানুহ জীয়াই থাকিব।"

পণ্ডিত ছাৰে এইবাৰ হাঁহিলে। ক'লে, " বৰা সঁচাকৈয়ে কবি। দীঘল কল্পনা। ক'ৰ টোৱাঙত যুদ্ধ লাগিছে, ইয়াত আলু খেতি।"

হতাশ হৈ পৰিলোঁ। ইয়াৰ কিছুদিনৰ পিছতে প্ৰথমে জ্বৰ, পিছত হিকটি ৰোগ। যি কি নহওক কোনোৱা এজনে উপদেশ দিয়ামতে বৰ্তমান স্বৰ্গীয় শ্ৰদ্ধেয় হলধৰ ভূঞা ছাৰৰ পৰা ম'ৰা পাখি আনি চকৰটো জুইত পুৰি নিমখেৰে খোৱাৰ ব্যৱস্থা কৰিলোঁ। লগতে কবিৰাজী ধৰণৰ বড়িও খাবলৈ দিছিল। আচৰিত কথা, হিকটি ভাল হৈ গ'ল। কিন্তু বৰ দুৰ্বল, গতিকে বৰকৈ চলা-ফিৰা কৰিব নোৱাৰোঁ। বন্ধু সকলৰ পৰা সকলো খা-খবৰ লওঁ। বাতৰি কাগজ, ৰেডিঅ'ত বাতৰি পাওঁ। আমেৰিকা আৰু ইংলণ্ডে সহায় আগবঢ়াইছে- ভাৰতে গ্ৰহণ কৰা নাই। নেহৰুৰ মতে ইয়াৰদ্বাৰা বিশ্বযুদ্ধ হোৱাৰ ভয়।

আমি তিনিজনে দেশৰ পৰৰাষ্ট্ৰ নীতিৰ ঘোৰ সমালোচনা কৰিলো। ৰাছিয়া নাহে। গতিকে ইঙ্গ-মাৰ্কিণৰ সহায় আমি ল'ব লাগে। আমাৰ মাউণ্টেইন ডিভিজন নথকাৰ দৰেই। চানৰ অটোমেটিক ৰাইফল, আধুনিক অস্ত্ৰ-শস্ত্ৰ, সুপ্ৰশিক্ষিত পাৰ্বত্য বাহিনী, শইকীয়া আৰু শৰ্মাৰ মত। (পিছত অৱশ্যে অস্ত্ৰ-শস্ত্ৰ বাকীকৈ কিনিলে, অটোমেটিক ৰাইফল, গান, চফিষ্টিকেটেড অস্ত্ৰও আমেৰিকাৰ পৰা আহিল।)

কিন্তু চীনৰ ৰণকৌশলে ভাৰতীয় সৈন্যক হতভম্ব কৰি দিলে। গোৰ্খা ফ'ৰ (৪) চেদেলি-ভেদেলি হৈ গ'ল। নাই জোতা-মোজা, গৰমকাপোৰ, নাই তেতিয়াও নতুন ধৰণৰ অস্ত্ৰ-শস্ত্ৰ। টোৱাঙৰ পতন।

আমাৰ সৈন্য হাবিয়ে বননিয়ে মৰিল বা অৰ্ধমৃত হৈ পৰি ৰ'ল। সেইদিনা ৰাতি ৭ বজাৰ দিল্লীৰ বাতৰিত নেহৰুৱে সমবেদনা জনালে, "My heart goes to the people of Assam."

তাৰমানে ? তাৰমানে কোনে ক'ব ? কাক সুধিম ? ঘৰত বাতৰিটোৰ কথা কাকো (পৰিবাৰক, ভাইটোক) নজনালো।

ভাইটোক (নলীন) ওচৰৰে আন এজন ছাত্ৰ ৰামকুমাৰ ভট্টাচাৰ্য্য সহ নগাঁৱৰ দোকানবিলাকলৈ এমাহ মানৰ আগতে নিমখ আৰু অন্যান্য খাদ্য দ্ৰব্যৰ দাম যাতে নবঢ়ায় দোকানীক বুজাই দিবলৈ পঠিয়াইছিলো। কৰ্তব্য মোৰ নাছিল যদিও কেইবাজনো ফাইনেল বছৰৰ ছাত্ৰ লগ হোৱাত নগৰৰ দোকানীয়ে ভয় খাই বা দেশপ্ৰেমত বস্তুৰ দাম সুস্থিৰে ৰাখিছিল। যি নহওক মোৰ এমাহ দাড়ি, চুলি কটা নাই, ভালদৰে গা-পাও ধোৱা নাই, গোটা আহাৰ ভালদৰে খাব নোৱাৰা অৱস্থা, তেনেদৰেই ব্ৰহ্মমুহূৰ্ত্তত উঠি গাত এড়িয়াচাদৰখন মেৰিয়াই (বৰ্তমান স্বৰ্গীয়) অধ্যাপক বন্ধু প্ৰফুল্ল শৰ্মা কটকীৰ ঘৰলৈ লৰ দিলো। কটকীক এবাৰ মাতোতেই সাৰ পালে। লৰ মাৰি বাহিৰলৈ ওলাই আহিল। ক'লো, "ওলাওক।" তেওঁ পেন্ট আৰু চোলা পিন্ধি দুই মিনিটৰ ভিতৰতে ওলাই আহিল। তেতিয়াও ভালকৈ পোহৰ হোৱা নাই। কোনো মানুহেই সাৰ পোৱা নাই। আমি খৰ-খোজেৰে অধ্যাপক ললিত শইকীয়াৰ ঘৰলৈ আগবাঢ়িলোঁ। কটকী বিনাবাক্যব্যয়ে মোৰ লগত অহা কাৰণে যোৰ সাহ বাঢ়িল। অৰ্থাৎ পৰিস্থিতি মই ভবাৰ দৰেই গুৰুতৰ। যোৱাৰ বাটত গণতন্ত্ৰ প্ৰেছৰ মালিক স্বৰ্গীয় শ্ৰদ্ধেয় পূৰ্ণচন্দ্ৰ শৰ্মাদেৱক পৰ্টিক'ত বহি কিবা লিখি থকা দেখি দুয়ো সোমাই গ'লোঁ। তেখেতে ফুলস্কেপ কাগজত লিখিছে (গণতন্ত্ৰ কাকতৰ সম্পাদকীয়), আমাৰ বৰ্তমান কৰ্তব্য। কিন্তু প্ৰত্যেকবাৰতে চকুৰপানীয়ে আখৰবিলাক বিয়পাই পেলাইছে। ওচৰতে মাটিত এখন ফুলস্কেপ কাগজ ফাটি ছিটি পৰি আছে। অৰ্থাৎ হেড লাইনটোৱে তেখেতে লিখিব পৰা নাই। মোৰ অন্তৰৰ সাহ দুগুণে বাঢ়িল। ইমান সময়ৰ থোকা থুকি মাত সবল হৈ পৰিল। অৰ্থাৎ আমাৰ দুজনক কোনেও বলিয়া বুলি নাভাবে। পৰিস্থিতি সঁচাকৈয়ে অতি গুৰুতৰ। মই ধমকনিৰ সুৰত ক'লো, "ছাৰ আপোনালোকে ফাওফুও কৰি সৰু-সুৰা কথাত চকু দি আমাক শেষ কৰিলে। এতিয়া মোক তিনিটা বুলেট দিয়ক। মোৰ ঘৰত থকা তিনিজনী গাভৰু ছোৱালীক মই প্ৰথমে হত্যা কৰি লওঁ।" এইবাৰ তেখেতে হুকহুকাই কান্দি উঠিল। "এৰা মহিম,আমাৰেই ভুল, আমাৰ বহুত ভুল।" মই দুগুণে ধমকি দিলো- "এতিয়া আমি কি কৰিব লাগে কওক।" নিৰ্বাক হৈ থকা কটকীয়ে মোক হাতত ধৰি বাহিৰলৈ টানি লৈ আহিল। আমি শইকীয়াৰ ঘৰ পালো। শইকীয়াও দুই মিনিটতে পেন্ট-চোলা পিন্ধি ওলাই আহিল। শৰ্মাৰ ঘৰ পালোঁ। তেতিয়া ভালকৈ পোহৰ হৈছে। শৰ্মাই ৰাতি পিন্ধা ধুতিখনৰ ওপৰতে খদ্দৰৰ পাঞ্জাবীটো পিন্ধি ওলাই আহিল। কাৰো মুখত কথা নাই। ঠিক কৰিলো আমি শ্ৰদ্ধেয় লক্ষীপ্ৰসাদ গোস্বামীৰ (ফৌজদাৰীপট্টিৰ) ওচৰলৈ যাওঁ। তিনিও কুকুৰ লৰেৰে আগবাঢ়িলোঁ। দুজন শুই উঠা মানুহে কৌতুহলেৰে আমাক চাবলৈ ধৰিলে। বাকীসকলে শুয়ে আছে। গোস্বামীদেৱে প্ৰাত:কৃত্য সমাপন কৰি দাড়ি খুৰাই উঠোতেই আমি মাত দিলো। মোকে নাম কাটি মাতে কাৰণে আমাক বহিবলৈ দি মোক সুধিলে, "কিহে মহিম দেখোন,- ৰাতিপুৱাই যৰতীয়া মানুহটোৰ দৰে আহিছা।" মই অবাক হৈ ক'লো, "দাদা, কালি ৰেডিঅ' শুনা নাই ?" শৰ্মাই পাচকালৰ পৰা মোৰ এড়িচাদৰ টানি ফুচফুচাই ক'লে," ৰ'লক। তেখেত এতিয়া ছাই, জুই হৈ

থকা নাই।" দাদাই শুনা নাছিল। মোৰ প্ৰশ্নৰ উত্তৰত ক'লে, "এৰাহে, ময়ো তাকে ভাবি আছো।" মই ক'লো, "ডি.চি.ৰ ওচৰলৈ যাঁও। আপুনি নগ'লে ডি.চি.য়ে আমাক সোমাবলৈ নিদিব।" তেখেত্তো কম সময়ৰ ভিতৰতে সাজ-পাৰ কৰি আমাৰ লগত ওলাই আহিল। খৰখোজেৰে ডি.চি.ৰ বঙলা পালোগৈ। দুফালে দুশাৰী অস্ত্ৰ পুলিচে আলিৰ পৰা ঘৰৰ সন্মুখলৈ পহৰা দি আছে। তেতিয়ামানে ৯ বাজিছিল। ডি.চি.য়ে ৰাজহুৱা কোঠাটোত আমাক বহুৱাই ক'লে, "অল ইজ অভাৰ।" শৰ্মা, কটকী, শইকীয়া, মই চাৰিও জাঁপ মাৰি উঠিলোঁ। কিন্তু গোস্বামী দাদা গম্ভীৰ। মই জধলা হৈ থকাৰ কাৰণে শেহৰ চকী এখনত বহি আছিলো। তাৰ পাছত মই জাঁপ মাৰি আগলৈ গৈ সুধিলোঁ, "Where is resistenc?" চি.চি.য়ে মোৰ মুখলৈ পোনপটীয়াকৈ চাই ক'লে, "What do you mean by 'all is over'?" শইকীয়াই সুধিলে, "No second line of defence?" ডি.চি.য়ে দোহাৰিলে,"All is over." মই সুধিলো, "আমাৰ কৰ্তব্য কি ? What is your order to us" ডি.চি.য়ে সুৰটো উচ্চ কৰি ক'লে," Who is there to order you?" তেনেকুৱাতে তেজপুৰৰ ডি.চি.ৰ ফোন আহিল। ডি.চি.য়ে ফোনত কথা পাতি ফোনটো থৈ আমাৰ ফালে চাই ক'লে, "আপোনালোকে পাৰে যদি ষ্টেট হোমটো চাফা কৰাওক, স্কুল-কলেজ সকলোতে কেম্পৰ ব্যৱস্থা কৰক। অৰুণাচল আৰু তেজপুৰৰ বহুত ভগনীয়া আহিব লাগিছে নাও আৰু ফেৰীত।" শইকীয়াই ক'লে, "ৰাজআলিৰ দুয়োকাষে ফুটপাথ সাজিবলৈ ডাঙৰ ডাঙৰ আৰু দ নলা খান্দি থৈছে। সেইবিলাক পোতাই দিবলৈ অৰ্ডাৰ দিয়ক।" কিন্তু গোস্বামী দাদাই ক'লে বোলে প্ৰতিবন্ধক থকাহে উচিত। আমি চাৰিওজন (গোস্বামী দাদাৰ বাদে) ৰাইফল লৈ এটেনচনত থকা দুশাৰী পুলিচৰ মাজেদি লৰিবলৈ ধৰিলো। পুলিচ বিলাকে 'আৰে, আৰে' শব্দ কৰি ডি.চি.ৰ বাসভৱনলৈ চাবলৈ ধৰিলে। আমাৰ সৌভাগ্য সেই সময়তেই গোস্বামী দাদা ডি.চি. সহ ওলাই আহি বাৰান্দাৰ ৰেলিঙত ধৰি থিয় হৈছে (নহ'লে হয়তো আমাক গুলীয়াই দিব পাৰিহেতেঁন)। গোটেই বাটচোৱা আমি ইজনে‌তকৈ সিজন আগহৈ দৌৰি কলেজ সোমালোহি আৰু তেনে অৱস্থাত দেখি ল'ৰা-ছোৱালীবিলাকে আমাক চাৰিওফালৰ পৰা বেঢ়ি ধৰিলেহি আৰু ছোৱালীবিলাকে চিঞঁৰি চিঞঁৰি কান্দিবলৈ ধৰিলে। কটকী, শৰ্মা আৰু শইকীয়াই ধমকনিৰ সুৰত ক'লে, "অল ইজ অভাৰ। ব'লা বৰদলৈ হলত মিটিং হ'ব।" কটকীয়ে আদেশৰ সুৰত ধমক দিলে "কোনেও নাকান্দিবা। স্বাধীন দেশক ৰক্ষা কৰাতো আমাৰ কৰ্তব্য।" অধ্যক্ষ শৰ্মাছাৰ তেতিয়াও কলেজলৈ অহা নাছিল। মই সভাৰ অনুমতি লৈ আহোঁ বুলি তেখেতৰ বাসভৱনলৈ লৰ দিলো। কাৰণ মই মুখেৰে একো কথাই উচ্চাৰণ কৰিব পৰা নাই। তেতিয়া তেখেতৰ বাসভৱনটো সাধাৰণ এটা জুপুৰীৰ দৰে বাইদেউক দুৱাৰ মুখতে পাই সুধিলো, "ছাৰ ক'ত ?" "গা ধোৱা ঘৰত। কিয় ?" মই উত্তৰ নিদি গাধোৱা ঘৰৰ দুৱাৰখনত গোৰ মাৰি দিওতেই মেল খাই গ'ল। ছাৰে প্লাষ্টিকৰ বাথটাব এটাৰ ভিতৰত বহি গা ধুই আছিল। মই ভগা ভগা মাতেৰে চিঞৰিলো "অল ইজ অভাৰ, আমাক মিটিং কৰিবলৈ অনুমতি দিয়ক।" "যোৱা যি কৰিব লাগে কৰা, মোৰ অনুমতি আছে।" ইতিমধ্যে মিটিঙ আৰম্ভ হৈছিল। বাহিৰত এটাও ল'ৰা-ছোৱালী

নাই। মই ছাত্ৰী কমনৰুমৰ পিছফালে কুঁজা হৈ চিগাৰেট জ্বলাই নিঃশব্দে কান্দিবলৈ ধৰিলোঁ। কটকী আৰু শইকীয়াই উচ্চ কণ্ঠেৰে বক্তৃতা দি নিৰ্দ্দেশ দিছে বৰদলৈ হলত। মই মুখ মেলিলেই বা কিবা কথা কলেই স-শব্দে কান্দোন ওলাব। গতিকে দুই তিনিটা চিগাৰেট পেলাই নতুন নতুনকৈ জ্বলাবলৈ ধৰিলো আৰু চকুৰ পানীয়ে মুখৰ দাড়ি-চুলিৰ উপৰিও এড়িচাদৰখনৰো বহুখিনি তিয়াই পেলালে। অলপ পিছতে ছোৱালীজাক চিঞৰি চিঞৰি কান্দি নিজৰ ঘৰলৈ লৰ মাৰিবলৈ ধৰিলে আৰু মই ফৰ্থ ইয়েৰৰ ল'ৰাজাকক লৈ ষ্টেট হোমলৈ লৰ ধৰিলোঁ। তেওঁলোকক আগবাঢ়িবলৈ দি মই দোকানত সোমাই ল'ৰা দুটাৰ কাৰণে গুড়ি গাখীৰ আদি বস্তু, ডাঙৰ কপাহৰ নুৰা এটা, ডেটল, আয়'ডিন আৰু দুই কিলো নিমখ আদি লৈ ঘৰ পাই দেখিলো গোটেই পাৰাটোৱেই নিঃশ্চিন্ত হৈ আছে। মই পৰিবাৰক ল'ৰা-ছোৱালী, বস্তুবিলাক যোগাৰ কৰি টোপোলা কৰিবলৈ ক'লো আৰু কামকৰা ল'ৰাটোক দৰমহা আৰু অহা যোৱাৰ খৰছ দি বিহাৰলৈ যাবলৈ ক'লো। কাৰণ এই দেশ চীনে ল'ব। সি কঠোৰভাৱে ক'লে কেতিয়াও নাযায় আমাৰ লগতে থাকিব। শ্ৰীমতী আৰু ছোৱালীকেইজনীয়ে মাত্ৰ কান্দিবলৈ ধৰিলে। তেওঁক সোনকালে স্কুললৈ যাবলৈ নিৰ্দেশ দি মই ষ্টেট হোমলৈ গ'লোগৈ। তাত কাৰো দা নাছিল। তিৰোতা কেইগৰাকীমানে মৈদা কেইখনমানকে উলিয়াই দিলে। ল'ৰাহঁতে তাৰেই হাবি জঙ্গল যি পাৰে কাটিলে আৰু তিৰোতা মানুহবিলাকে কান্দিবলৈ আৰম্ভ কৰিলে। মই ঘৰলৈ আহি বহুদিনৰ মুৰত দাড়ি খুৰালো, গা ধুলো, জপৰা চুলিখিনি তেল দি কিছু সৈমান কৰালোঁ আৰু প্ৰথমবাৰ ভোক গুচাই ভাত খাই কলেজ পালোগৈ। তাত কেম্পৰ সকলো ব্যৱস্থা হৈছে। অধ্যাপক তাৰিণী শৰ্মাই (অসমীয়া বিভাগ, বৰ্তমান অৱসৰপ্ৰাপ্ত) আৰু পুৰ্নেশ্বৰ বৰদলৈ (বাণিজ্য বিভাগ) আৰু কেইবাজনো অধ্যাপকে যাৱতীয় ব্যৱস্থা হাতত লৈছে। মুকলিতে ডাঙৰ ডাঙৰ চৌকা খন্দা হৈছে ৰন্ধা-বঢ়াৰ বাবে। চৰকাৰী ভাৱেও চাউল-পাত, নিমখ আহিছে। মই আবেলি তিনিমান বজাত স্বৰ্গীয় শৰ্মা আৰু শ্ৰীযুত শইকীয়াক লৈ এডিপি কলেজৰ অধ্যক্ষ স্বৰ্গীয় সুখদেৱ গোস্বামীৰ ঘৰ পালোগৈ। তেখেতে ইতিমধ্যে জুবিলী পথাৰত বোমা আক্ৰমণ সম্পৰ্কীয় কেইবাটাও ডেমনষ্ট্ৰেচন দিছিল। বিলাতত দ্বিতীয় মহাযুদ্ধৰ সময়ৰ অভিজ্ঞতা তেখেতৰ আছে। মই সুধিলোঁ, "আমাৰ প্ৰফেচাৰসকলৰ অৱস্থা কি হ'ব? আমি ক'লৈ যাম?" তেখেতে ক'লে, " মোৰ গাঁৱৰ সত্ৰত সকলো ব্যৱস্থা কৰিছোঁ। অধ্যাপকসকলৰ পৰিয়াল তাত থাকিব। ধান চাউল আছেই, মই নিমখ কেইবা বস্তাও যোগাৰ কৰি থৈছোঁ।" তাৰ পাছত হঠাতে কণ্ঠস্বৰ উচ্চ কৰি ক'লে, "বৰা, মোৰ যিটো ৰাইফল আছে ষাঠিগছ আঁতৰত মই চীনৰ টেঙ্ক ৰাখি দিম।" শৰ্মাই মোক পিছফালৰ পৰা চোলাত ধৰি টানি ফুচফুচাই ক'লে, "ব'লক - নহ'ব।" শইকীয়াই মুখতে ভোৰভোৰালে, মই যথেষ্ট গম্ভীৰ হৈয়ে সুধিলোঁ, "মলটভ ককটেইলৰ ব্যৱস্থা কৰিব নোৱাৰিনেকি?" মই কিতাপত পঢ়িবলৈ পাইছিলোঁ আৰু ফৰাচী বিপ্লৱী সকলে পেৰিছত তেনেকৈয়ে ৰেজিষ্টেন্স দিছিল জাৰ্মানীৰ বিৰুদ্ধে (দ্বিতীয় মহাসমৰত)। তেখেতে উলাহেৰে কৈ উঠিল, "বৰা, মোক এটা বটলত এবটল পেট্ৰোল দিয়ক, তিনিডাল খৰিকা দিয়ক আৰু এটা জুইশলা দিয়ক।" মই ক'লো,"প্ৰয়োগ কৌশলতো শিকাব লাগিব।" তেখেতে

ক'লে, "তেনেহ'লে সহজ। একোটা ককটেইলে এখন টেঙ্ক জ্বলাই দিব।" শইকীয়া আৰু শৰ্মা ইতিমধ্যে থিয় হৈছিলেই। তিনিও উভতি আহিলোঁ। এইবাৰ মোৰ চকুত পানী নাই। বাকী দুজনৰতো আগতেও নাছিল, কিন্তু তিনিওজনে কান্দিছিলোঁ।

এসপ্তাহ মানৰ পিছত "চিজ ফায়াৰ" ঘোষণা কৰাত নগাঁও পুলিচ ৰিজাৰ্ভৰ পৰা ৰিক্সা এখনত উঠি ঘোষণা কৰা হ'ল এনেদৰে, "ৰাইজ সকল, আৰু ভয় নাই, দুই পক্ষই সন্ধিপত্ৰত চহী কৰিছে। তেজপুৰৰ পৰা অহা মানুহবিলাকক উলটি যাবলৈ ইয়াৰ দ্বাৰা জনোৱা হ'ল। চিন্তাৰ কোনো কাৰণ নাই, ইয়াত কোনো নামিব নালাগে............।

দুখনমান বাছৰ পৰা পৰিয়ালবোৰক ননমোৱাকৈ আকৌ শিলঘাট পোৱালৈগে। শিলঘাটত আকৌ পুলিচে সিপাৰ হোৱাত বাধা দিলে, কাৰণ হুকুম নাই। বাছ ৰখাবলৈ নিদি নগাঁৱলৈ ঘূৰাই পঠালে। আগৰ দুৰাতি সেই মানুহবোৰ শিলঘাটৰ বালিতে কটাব লগা হৈছিল।

ইয়াৰ পাছৰখিনি বুৰঞ্জী। ▢

শ্ৰুতলেখন - অশ্ৰুমণি বৰা

কাল সাগৰৰ ঢৌ

প্ৰদীপ শইকীয়া

অবিভক্ত নগাঁও জিলাৰ উত্তৰে বৰলুইতৰ সীমা। বৰ্তমানে য'ত বৰদোৱা থান তাৰ পৰা বাৰ তেৰ কিলোমিটাৰ উত্তৰলৈ গৈ বৰ লুইতৰ পাৰত থিয় দিলে সিপাৰে শোণিতপুৰ জিলা চকুত পৰিব। চকুত পৰিব শ্যামল শিঙৰী পাহাৰ। আগৰ পৰা শুনিলেকে শিঙৰী পাহাৰটো লুইতৰ এই পাৰৰ পৰা চালে সাষ্টাঙ্গ প্ৰণাম কৰি থকা প্ৰকাণ্ড হাতী এটাৰ নিচিনা দেখি। শুড়দাল আগলৈ মেলি মাটিত বহিত্ পৰি থকা বিয়াগোম সেই হাতীটোৰ নিচিনা দেখা পাহাৰৰ পৃষ্ঠদেশৰ কোনোবা এঠাইত আছে ইতিহাস প্ৰসিদ্ধ গোপেশ্বৰ বা গুপ্তেশ্বৰ শিৱৰ দেৱালয়। দৈনিক পূজা হয় ভগবান শিৱৰ। শিৱ তাত গুপ্ত হৈ আছে। লুকাই থাকে মন্দিৰৰ ভিতৰৰ এটা অতল কুণ্ডত। সেই কুণ্ডৰ পানী সদায় চপচপীয়া হৈ পূৰ্ণ হৈ থাকে। পূজাৰ নৈবেদ্য সমৰ্পিত হয় সেই কুণ্ডৰ জালত। সেই কুণ্ডৰ লগত কাষেদি বৈ যোৱা মহাবাহু লৌহিত্যৰ তলে তলে সংযোগ আছে বোলে। প্ৰতিদিনে কুণ্ডৰ পবিত্ৰ জলধাৰা নিৰ্জৰ স্ৰোতধাৰাৰ লগত ধাৰণ কৰি ব্ৰহ্মপুত্ৰ শিৱৰ আশীষধন্য হয়। পূৰ্বতে মন্দিৰ শিলেৰে নিৰ্মাণ কৰিছিল বোলে স্বয়ং বিশ্বকৰ্মাই। কিন্তু বৰ্তমানৰ মন্দিৰ আহোম স্বৰ্গদেৱে নিৰ্মাণ কৰা। থিয় পাহাৰৰ দাঁতিত। লুইতৰ নিচেই সমীপত ওখ ওখ শালবনৰ ছায়াঘন পৰিবেশত। আহল-বহল মন্দিৰ প্ৰাঙ্গনৰ কোনে কোনে জমা হৈ আছে পুৰণা কালৰ বিবিধ বিশ্বাস আৰু কাহিনীৰ কোমল মধুৰ শেলুৱৈ। সকলো যাত্ৰীয়ে মন দি শুনে। বিশ্বাস কৰাৰ প্ৰবৃত্তি জাগে অতি যুক্তিবাদী মনতো। চুই চায় বৰবোৰ-শিৱসিংহ ৰজাৰ দিনৰ এইখন ঢাক। স্বৰ্গদেউ প্ৰমত্ত সিংহৰ দিনৰ এইখন দুৱাৰ। এইৰে ৰৰকাঁহ আৰু এইটো ডবা-আপোনা আপুনি বাজে পূজাৰ সময় হ'লে, বুঢ়া পুৰোহিত আহোতে পলম কৰিলে। অতীতৰ কোনো এজন বুঢ়া পুৰোহিত বোলে নিজেই সিদ্ধপুৰুষ আছিল। ডবা-কাঁহ নিজে নিজে বাজি উঠিলেও নিঃশঙ্ক চিত্তে কয়হে, 'ৰবি, ৰবি, গৈছোঁ। আজি অকনমান দেৰী হ'ল আৰু !'

মন্দিৰৰ চোতালত প্ৰকাণ্ড ধুনিঘৰ। তাত দিনে ৰাতিয়ে ডাঙৰ ডাঙৰ ধুনি জ্বলিয়েই থাকে। সমগ্ৰ ভাৰতৰ পৰা পদব্ৰজে অহা লেখি অন্ত কৰিব নোৱাৰা সাধু-সন্ন্যাসী মন্দিৰ দৰ্শনৰ বাবে আহি দিন কটায়হি সেই ধুনি ঘৰতে। পূজাৰ সময়ত ভক্তসকলৰ সমাগম হয়। শাস্ত্ৰকথা হয়, কথকতা হয়, তৰ্কবাদ হয়, প্ৰসাদ বিতৰণ হয়। উত্তৰ পাৰৰ পৰা বাটেৰে, ৰাইজেৰে, দক্ষিণ পাৰৰ পৰা নাৱেৰে দৈনিক অনেক যাত্ৰী যায় শিঙৰীৰ দেৱালয়লৈ। সকলোৱে দিয়ে, ভোগ চৰায়। বহুতে ৰাত্ৰি যাপন কৰে। সন্ধিয়া পূজা-আৰতি চাবলগীয়া শিৱৰাত্ৰিৰ

সময়তভো ডাঙৰ মেলা বহে। উছৱৰ ধল উঠে। দুখত যায় গোপেশ্বৰ বাবাৰ ওচৰলৈ, সুখত যায়, কত কামনা মনত লৈ যায়, খুজিবলৈ যায়, বিপদত পৰিলে ৰক্ষা কৰিবৰ কাৰণে প্ৰাৰ্থনা কৰিবলৈ যায়, সাষ্টাঙ্গে সেৱা কৰি আশ্বস্ত মনেৰে ঘৰলৈ ওভটে। আশুতোষ অলপতে সন্তুষ্ট হয়। পাপী-তাপী পুণ্যৱান সকলোকে করুণা কৰে। নিৰাশ নকৰে। কথিত আছে আমাৰ নিজৰ গুৰু শঙ্কৰকো এই গোপেশ্বৰ বাবাৰ থানতে মানস কৰিয়ে লাভ কৰিছিল তেৰাৰ মহাগুনৱন্ত পিতৃ কুসুম্বৰ শিৰোমনি ভূঞাই।

এই বৰ লুইতেই আছিল ডেকাগিৰি শঙ্কৰৰ শিশুলীলাৰ পুণ্যক্ষেত্ৰ। এই বৰ লুইততে সাঁতুৰিছিল নাদুৰিছিল। ডুব মাৰিছিল জলচৰ হৈ শিহু আনি সকলোকে দেখুৱাই পুনৰ এৰি দিছিল। যৌৱনত ভাদমাহৰ উদ্দাম লুইতৰ মত্তহস্তীৰ দৰে উত্তাল তৰঙ্গ ভেদ কৰি সাতুৰি ইপাৰ সিপাৰ হৈছিল। চৰিত পুথিত উল্লেখ আছে ডেকাগিৰি আৰু ৰাম ৰাম গুৰু দুয়ো সাতুৰি পাৰ হৈ সিপাৰ পালেগৈ শিঙৰী পাহাৰৰ পাদদেশ। ৰাম ৰাম গুৰুৰ কিন্তু ভাগৰ লাগিল। ঘূৰি আহিব নোৱাৰিলে। অমিতবিক্ৰম ডেকাগিৰি আহোঁতে অকলে সাতুৰি আহিল। কোনে পাৰে ?- পাৰে অকল শঙ্কৰে ! ত্ৰিভুৱনবন্দন, দৈৱকীনন্দন যো হৰি মাৰল কংস তাকেৰি অংশ কাৰণে পাৰে। নৰ মনিচৰ কামেই নহয় সেয়া।

কিন্তু প্ৰশ্ন জাগে এতিয়া য'ত বটদ্ৰৱা বা বৰদোৱা তাৰ পৰাতো কমেও বাৰ কিলোমিটাৰ হ'ব ব্ৰহ্মপুত্ৰলৈ। বৰ্তমানৰ অকোৱা পকোৱা চৰকাৰী বাটেদি নগৈ পথৰুৱা বাটেৰে পোনাই গ'লেও সাত-আঠ কিলোমিটাৰৰ কম নহ'ব। বৰদোৱাৰ পৰা ব্ৰহ্মপুত্ৰলৈ সিমানখিনি দূৰ অহা-যোৱা কৰি জলক্ৰীড়া কৰিবলৈ ডেকাগিৰি ঘনাই গৈছিল বুলি ধাৰণা নহয়। তদুপৰি 'বটদ্ৰৱা নামে ধাম শস্যে মৎস্যে অনুপাম, লৌহিত্যৰ আতি অনুকুল' পদফাকিৰ কথাও আমি পাহৰিলে নহব। গতিকে এটা বিষয়ত নিশ্চিত হ'ব পাৰি যে ব্ৰহ্মপুত্ৰ তেতিয়া বটদ্ৰৱাৰ সমীপেদি প্ৰবাহমান আছিল। বৰদোৱাৰ অলপ দূৰৰ পৰাই এতিয়াও কদমনি, ৰাসূতি, টপটপী, ধেপাগুৰি, খিং, ডুমডুমীয়া বালিসত্ৰ আদি ঠাইবোৰৰ মাটিৰ গাথনিলৈ লক্ষ্য কৰিলেও কথাটো প্ৰমাণিত হয়। বৰ্তমানৰ সেইবোৰ ঠাইৰ মাটি দুহাত তিনিহাত খান্দিলেই ফৌ ফৌৱা বালি ওলায়। বগা চাফা বৰলুইতৰ সকলোৱে চিনি পোৱা চিকুন দানাৰ চকচকীয়া বালি। বহু তললৈ খানিলেও সেই বালিয়েই । এইবোৰ ঠাইত যিমান দকৈয়ে নেখানক পুখুৰীত পানী নৰয়। খৰালি শুকাই তলি ওলায়গৈ। যিগৰ তলিৰৰ বিলখনৰ কুঁৰটোত বাৰ মাহে পানী থাকে। বহু কালৰ আগতে সেইপিনে বোলে লুইতৰ বানপানী হওঁতে কোবাল সোঁত বৈছিল। কিম্বদন্তী আছে যে সেই সোঁতত তেতিয়াৰ দিনৰ তলিৰৰ বুলি মানুহ এজনে মৰা গৰু এজনীৰ শটো পেলাই দিলে। তাইসাই দেৱতাৰ ক্ৰোধ হ'ল। চাওঁতে চাওঁতে সেই কোবাল সোঁতেৰে বাৰুনী পানী গৈ থকা সোৰটোত প্ৰকাণ্ড পকনীয়াৰ সৃষ্টি হৈ পানী ঘূৰিবলৈ ধৰিলে। সাতোটা হাতীয়ে মতাৰ দৰে কাঁউছ

কাঁউত্ শব্দ হ'ল। দুয়োপাৰে গড়া খহি বহল হ'ল। গোট ভলুকা বাঁহডাল থিয়ে থিয়ে ডুব যাব পৰাৰ জোখেৰে দ হ'ল। বাঢ়নী পানীয়ে যেৰাই ধৰিলে তলিবৰ বুঢ়াষ বাহনীয়ে কাঠনিয়ে ভৰা বাৰী ঘৰ। এটা সময়ত হোৰোস্ কৰে সকলো পানীত ডুব গৈ চকুৰে নেদেখা হ'ল। সেই ঘটনাৰ শ শ বছৰ পাচতো এতিয়াও দেছুৰালী মাছুৰৈয়ে তলিবৰ বিল ডাকত লৈ জাল মাৰোঁতে তলৰ বাঁহত জাল লাগি ধৰে। ডুব সাঁতোৰ দি গৈ জালোৱাই কৰতেৰে সেই বাঁহ কাটি দিলেহে জাল এৰুৱাব পাৰে। সেই বিল কাহানিও নুশুকায়। তাত দুটা মছন্দৰী আছিল বোলে। মতা মহৰ গলধনৰ সমান শকত গা, দহ হাত মান দীঘল। চকু দুটা টৰ্চ লাইট জ্বলাদি জ্বলি থাকে। সেই দুটা দেখি ভয় খাই নৰিয়া পৰা বহুত মানুহ আছে। পিচত তামোল-পান দি তলিবৰ বিলৰ জলসাই দেৱতাক মাত-বোল কৰিলেহে ভাল হয়।

এনেকুৱা অনেক কিম্বদন্তী আছে। চাপৰমুখ জংচনৰ পৰা নগাঁও নগৰৰ হয়বৰগাঁও ৰেল ষ্টেচন হৈ যি শাখা ৰেল পথ মৈৰাবাৰীলৈকে গৈছে, সেইটো হোৱাৰ পৰাহে উত্তৰ-পশ্চিম নগাঁও জিলাৰ সেইবোৰ ভিতৰুৱা ঠাইলৈ মানুহৰ আহ-যাহ হ'ল। গুৰুজনাৰ আবিৰ্ভাৱৰ পিচৰ পৰা যোৱা ৫৫০ বছৰে লুইতে বহু উত্তৰলৈ একেবাৰে শিঙৰী পাহাৰলৈকে সুঁতি সলাই বহুঠাই মুকলি কৰি দিলে দক্ষিণ পাৰৰ বাইজক।

গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা নে বৰ্তমান মৈৰাবাৰী ৰেল ষ্টেচনৰ পৰা আঢ়ৈ মাইল মান দূৰৰ পাটেকীবড়ী সেই কথা লৈ গুৰুতৰ মতভেদ আছে কোনো কোনো লোকৰ মাজত। পাটেকীবড়ী-আলিপুখুৰীৰ পৰা বৰদোৱালৈ এগছ আলিবাট আছিল আৰু দুয়ো ঠাইৰ মাজৰ দূৰত্ব ৬।৭ মাইলৰ বেছি নহ'ব। কোনো কোনো লোকৰ মতে সেই আলিপুখুৰী পাটেকীবড়ী নামে ঠাইতহে বোলে মহাপুৰুষ জন্ম গ্ৰহণ কৰিছিল। পিচত চাৰিও পিনে থকা কছাৰী মানুহৰ লগত খকাখুন্দা লাগি ভূঞাসকলে বোলে সেই ঠাই ত্যাগ কৰি বৰদোৱাতে নিগাজীকৈ বসবাস কৰিবলৈ লয়। লৰালৰিকৈ ঘৰ এৰিব লগা হোৱাত কিছুমান ঘৰুৱা বস্তু নিব নোৱাৰি ফুঁৰাত পেলাই থৈ গৈছিল। কছাৰী ভাষাত বড়ী মানে ওখ ঠাই। পাটেকীবড়ী কিয় বোলে তাৰো বিবিধ ব্যাখ্যা আছে। কিন্তু পোৰামটিৰ পাট বহুৱাই কেচা কুঁৰা পাটকুঁৰা কৰা হৈছিল কাৰণেই খুব সম্ভৱ পাটকুঁৰা থকা 'বড়ী' বা ওখ ঠাই বাবেই মানুহৰ মুখে মুখে পাটকুঁৰাবড়ী শব্দটো কালক্ৰমত পাটেকীবড়ী হ'বগৈ পাৰে। পাটকুঁৰা সেইখন বাৰীত বা 'বড়ীত' যে এক বা একাধিক আছিল সেই বিষয়ে তিল মাত্ৰও সন্দেহ নাই। কাৰণ এতিয়া য'ত পাটেকীবড়ীৰ থান আৰু নামঘৰ আছে তাৰ দৌল-মন্দিৰৰ পিচফালে মিঠা ঔটেঙা গছ জোপাৰ তলত ওচৰৰ মানুহে আগতে এই ঠাইতে বৰ দ কুঁৰা এটা আছিল বুলি দেখুৱাই দিছিল। এবাৰ যিং মহাবিদ্যালয়ৰ জাতীয় শিক্ষাৰ্থী বাহিনীৰ গোটৰ বাৰ্ষিক কৰ্মশিবিৰ সেই পাটেকীবড়ী থানৰ চাৰিওকালে চাপ খাৱে মাৰি চাক চিকুন কৰা কামৰ বাবে সেই ঠাইতে পতা হৈছিল। মানুহে দিয়া ঠাইতে পোতৰ কুট দলৈকে খান্দোতে খান্দোতে কিবা কিবি বস্তু

পোৱা গ'ল। সবহ ভাগেই পোৰা মাটিৰ। তাত পোৱা বস্তুৰ ভিতৰত বেছিকৈ পোৱা গৈছিল আজিকালি ইটাৰে গথা বা চিমেন্ট-শিলৰ ৰিং দিয়াৰ সলনি কুঁৱাৰ বেৰ বান্ধিবলৈ ব্যৱহাৰ কৰা পোৰা মাটিৰ পাটৰ দাঠ দাঠ টুকুৰা। সেই বে-চৰকাৰী খনন উদ্যোগ এই প্ৰবন্ধৰ লিখকে নিজেই কৰিছিল। চৰকাৰী খনন হ'লে চাগে আৰু কত কি ওলাব ! তাত খানোতে পোৱা বস্তুবোৰ মলা এটাত ভৰাই থিং কলেজৰ ভূগোল বিভাগৰ লেব'ৰেটৰীত থোৱা হৈছিল। এতিয়াও সেইখিনি তাতে থাকিব পায়।

এই পাটেকীবড়ীৰ নিচেই কাষতে কিছু পশ্চিমলৈ আলি পুখুৰী নামে ঠাই এখনলৈ স্থানীয় মানুহে আঙুলিয়াই দিয়ে। কেচা আলি এটাৰ দুয়ো কাষতে ঘন ঘনকৈ থকা চাৰি পাঁচটা মান পুখুৰী আছে। এসময়ত সেই কেইটা ডাঙৰ আকাৰৰে পুখুৰী আছিল যেন লাগে। কিন্তু বৰ্তমানে কেউফালৰ পকা মৰাপাট ধান খেতি কৰা খেতিয়ক ৰাইজৰ নাঙল আৰু মৈয়ে পুখুৰীৰ পাৰ ভাঙি সমান কৰাত, মৰাপাট গোৰাই বাস কৰাত পুখুৰীৰ চিন-মোকামহে আছেগৈ। সেই ঠাই খনকে আলি পুখুৰী বুলি কয়। এসময়ত সেই ঠায়েই বোলে ভূঞাসকলৰ বাসস্থান আছিল।

আলিপুখুৰীৰ পৰা পোনাই বৰদোৱালৈ এগছ আলি আছিল। কথা গুৰু চৰিতৰ মতে শঙ্কৰ গুৰুৰ উপৰি পুৰুষ চণ্ডীবৰ ভূঞাৰ কাম কাজত সন্তুষ্ট হৈ কামৰূপৰ ৰজাই উত্তৰ পাৰে লেঙামাগুৰিত মাটি-ভেটি দি থাপিছিল। পিচলৈ বাউসীয়া গন্ধৰ্বৰায় ৰজাৰ ৰাজ্যত ভোটৰ উপদ্ৰৱ বৃদ্ধি পালত আৰু ৰজাৰো কোপ-দৃষ্টি হ'লত চণ্ডীবৰ ভূঞায়ো গোত-গিয়াতি বাৰ ভূঞা সকলোকে একত্ৰ কৰি মেল পাতি উজাই আহিবলৈ থিৰাং কৰিলে। সেই মতে লুইতেদি উজাই আহি দক্ষিণ পাৰ হৈ কাজলীমুখেদি সোমাই ভলুকাগুৰিতে ৰ'লহি। তাতে ছমাহ থাকি পুনৰ উত্তৰ পাৰে কুঠাৰ ডুবি কটা শিমলাত থাকিলগৈ। তাতো ভোটৰ উপদ্ৰৱ । বাৰ বছৰ কাল তথাপি ভূঞাসকল তাতে থাকিল। চণ্ডীবৰ ভূঞা স্বৰ্গী হ'ল। পুত্ৰেক ৰাজধৰ শিৰোমনি ভূঁঞাৰ দিনত ভূঁঞাসকল পুনৰ লুইত পাৰ হৈ দক্ষিন পাৰত থিতাপি ল'লেহি। "চাৰি হদকৈ আলি বান্ধি, পুখুৰী খান্দি ৰহিল, আলিপুখুৰী গ্ৰাম বোলে।" - এই উক্তি কথা গুৰু চৰিতৰ। আলি পুখুৰীৰ পৰা অলপ দূৰতে টেমিহেৰা বুলি জান এটা আছে। এতিয়া মৈৰাবাৰীৰ পৰা ৰৰথল দলেগাঁৱলৈ যাওঁতে সেই জানৰ ওপৰত থকা কাঠৰ দলং পাৰ হ'ব লাগে। কথিত আছে যে জাকৈয়া হোৱালীহঁতে সেই জানত মাছ মাৰিবলৈ যাওঁতে মাছ মৰা চাবলৈ শঙ্কৰ গুৰুৰ পিতামহী খেৰসুঁতি আয়ো গৈছিল। তাতে আইৰ হাঁচটি মেলোতে চুনৰ টেমিটো জানৰ পানীত পৰি হেৰাল। সেইবাবেই টেমি হেৰোৱা বা টেমিহেৰা জান বোলে।

ইপিনে বৰদোৱাৰ কাষৰ টেম্বুৱানি জান বান্ধিকা শান্তিৰ হঁতুৱাই বৰ্জোৱাই শান্তিজান নাম দিয়া মহৎ কাৰ্য গুৰুজনাই সমাধা কৰিছিল বৰদোৱাত। ৰামচৰণ, দৈত্যাৰি ঠাকুৰ,

দ্বিজ ৰমানন্দ আদিৰ ৰচনা আৰু ধৰ্মপুৰাণতো উল্লেখ আছে ৰবদোৱাতহে গুৰুজনাৰ আৱিৰ্ভাৱৰ স্থান বুলি। আলিপুখুৰীৰ পৰা ৰবদোৱালৈ পোনাই থকা আলি গড়ৰ ভগ্নাৱশেষ এতিয়াও ঠায়ে ঠায়ে আছে। আলিপুখুৰী ভূঞাসকলৰ প্ৰথম বাসস্থান হ'ব পাৰে। কিন্তু সেই ঠাইতেহে গুৰুজনাৰ জন্ম হৈছিল ৰবদোৱাত নহয়, সেই সিদ্ধান্ত তৰ্কাতীত হ'বলৈ অধিক গৱেষণাৰ প্ৰয়োজন।

ভূঁঞাসকল আছিল প্ৰধানকৈ ভূমিপতি। জাতত কায়স্থ। আহোম ৰজাৰ কৰতলীয়া। তেনেকৈ উত্তৰ-পশ্চিম নগাঁও, কামৰূপ জিলাৰ বহু ঠাইতে অনেক সৰু সৰু কৰতলীয়া ৰাজ্য আছিল। খিওতো আছিল এখন। সেই সকলৰ বংশধৰ সকলে এতিয়াও ৰজা উপাধিয়েই লিখে। আমি গোভা, লুকি, ডিমৰুৱা, বাৰপুজীয়া, বেলতলা আদি তেনে সৰুসৰু ৰাজ্যৰ নাম বুৰঞ্জীত পাঁও। সকলোযে কছাৰী ৰাজ্য আছিল সেই কথাও নহয়। কিছুমান কোচ কৈদৰ ৰজাও আছিল। কিন্তু প্ৰধানকৈ বড়ো-কছাৰী আৰু তিৱা জনগোষ্ঠীৰ মানুহৰে বাসস্থান আছিল এই বিস্তীৰ্ণ অঞ্চল।

এই খিনিলৈকে গ'ল গুৰুজনাৰ দিনৰ কথা। তাৰ পিচতো শ শ বছৰ পাৰ হ'ল। মহাকালৰ বুকুৰেদি ব্ৰহ্মপুত্ৰ নদে বহুবাৰ সলালে গতিপথ। ৰবদোৱাৰ পৰা আলিপুখুৰীৰ পৰাও নদীৰ গৰালৈকে বিস্তীৰ্ণ ভূখণ্ড দান দিলে দক্ষিণ পাৰৰ ৰাইজক মহাবাহু ব্ৰহ্মপুত্ৰই। বাৰিষা লুইতৰ দোকুলঁটকা বানে ডুবাই পেলায় সেইবোৰ অঞ্চল। পাতে, ভাঙে, নতুনকৈ আকৌ পাতে। বছৰে বছৰে উৰ্বৰ পলসৰ চামনি পেলাই ৰাস কৰে। সেই পলসুৱা মাটি শস্য শ্যামলা হয়। তাত বন-বিৰিখ গজে। হাবিয়নি কাঠনিৰে গহীন হয়। দ পানী থোৱা ঠাইবোৰ বিল হয়, কুঁৰ হয়, জলাহ হয়। মৎস্য সম্পদেৰে ভৰি উঠে। লুইতৰ পাৰে পাৰে চকুৰে মনিব পৰালৈকে কহুঁৱানিত শুকুলা সুন্দৰ বতাহত হালি জালি নাচি থাকে। খাওবন, বাহিৰনৰ মাজে মাজে ঘূৰি ফুৰে জীৱ-জন্তু অনেক।

বনৰীয়া হাতী ওলায়, গঁড় ওলায়। ওলায় বাঘ, ভালুক, বনগাহৰি, জাকে জাকে শৰ, সুগৰি হৰিণ। ব্ৰহ্মপুত্ৰৰ চাপৰিত বগাই ফুৰে ৰৰ কাছ, দুৰাকাছ। বালিত কণী পাৰি পুতি থৈ যায় যাক কাছজনী বোলে দহহাত পানীৰ তলত গৈ দৰক্ লাগি পৰি থাকে। যাকৰ ইচ্ছা শক্তিৰে কাছৰ কণী ফুটি পোৱালী ওলায় বুলি মানুহে বিশ্বাস কৰে। শাস্ত্ৰতো তেনে কথা আছে বুলি কয়। কিন্তু মাছ মাৰিবলৈ গৈ মানুহে কাছজনীৰ ভৰিৰ খোজৰ ফুট্ টিনি কাছই কণী পৰা গাঁত বিচাৰি উলিয়ায়। খানি লৈ আহে। সুৰুযৰ তাপত কণী ফুটি পোৱালী ওলাবলৈ নেপায়। মাছৰতো কথাই নাই। যি কোনো অসমীয়া মাতৰ মাছৰ নামৰ পিচত 'মাৰি' বা 'কাটি' প্ৰত্যয় শব্দ এটা লগাই দিয়ক। উত্তৰ পশ্চিম নগাঁও জিলাৰ ঠাই এখনৰ নাম পাব। পুঠিমাৰি, গঁৰৈমাৰি, ৰোৱামাৰি, খলিহামাৰি, বেচামাৰি, বৌৱাৰি, চিতলমাৰি, কাৱৈমাৰি, কাছমাৰি, ভকুৱামাৰি, এলেংমাৰি, পাতমাৰি, শ'লমাৰি, শালকাটি, চেঙেলীমাৰি

আদি যিকোনো মানুহৰ নামেৰে একোখন ঠাইৰ নাম পাব। শস্যে মৎস্যে অনুপাম বুলি গুৰুজনাই লিখা কথাষাৰ তেওঁৰ প্ৰয়াণৰ পিছৰ বহু শ বছৰলৈকে সত্য হৈ থাকিল।

কছাৰীৰ লগত হোৱা কন্দল আৰু বজা ঘৰীয়া বোৰ এই দুয়োটা কাৰণত গুৰুজনাই বটদ্ৰৱা থাম এৰিলে ৬৭ বছৰ বয়সত। তেওঁৰ গৌৰৱময় জীৱনৰ পিছৰ পৰিক্ৰমা সকলোৰে জ্ঞাত। কিন্তু সেইয়ে এৰিলে বটদ্ৰৱা তাৰ পিছৰ পৰা দেৰশ বছৰ জুৰি পাহৰণিৰ গৰ্ভত পৰি থাকিল বৰদোৱা থান। পিচত আই কনকলতা আহি পুনৰ উদ্ধাৰ কৰিলে বটদ্ৰৱা। গুৰু শিলিখাৰ গুৰি অটাই পিটাই সকলোৱে চাব পৰা কৰিলে। আহোম স্বৰ্গদেউ কমলেশ্বৰ সিংহৰ দিনতে বহুতো কাম হ'ল। সেইয়ে কৈছিলে গুৰুজনাই - 'মোৰ নাতিতহে আশ' বুলি সেই নাতিৰ খেলৰ উদ্যোগতে পুণ্যধাম বটদ্ৰৱা পুনৰ জিলিকি উঠিল। হ্যবি ভাঙি পিতামহৰ আবিৰ্ভাৱ স্থলী পুণৰুদ্ধাৰ কৰিলে আই কনকলতাই।

কাল সাগৰৰ ঢউত বহুত পৰিবৰ্তন হ'ল দেশৰ অন্য ঠাইৰ লগতে উত্তৰ পশ্চিম নগাঁও অঞ্চলতো। অসমখন আহোমৰ শাসনত থকা কালতো চতুষ্পীঠ অসম ভূমিৰ বত্নপীঠৰ পশ্চিমাংশ অৰ্থাৎ নগাঁও জিলাৰ উত্তৰ পশ্চিমাংশ প্ৰধানকৈ কোচ-কছাৰী-তিৱালোকৰ হাততে থাকিল। কিন্তু গুৰুজনাই বটদ্ৰৱা এৰি প্ৰধানকৈ ৰাজনৈতিক কাৰণত বেহাৰলৈ গ'লগৈ যদিও অসমতে বিকিৰিত হ'বলৈ ধৰিলে। অসম বুৰঞ্জীৰ কোনো ঠাইতে মহেন্দ্ৰ কন্দলিৰ পঢ়াশালি বা টোলৰ দৰে আনুষ্ঠানিক বিদ্যালয় থকাৰ উল্লেখ পোৱা নেযায়। কোনো কোনো ব্ৰাহ্মণ পণ্ডিতে নিজৰ ঘৰতে ল'ৰা হঁতক পঢ়াশলীয়া শিক্ষা দান কৰিছিল যদিও সি সম্পূৰ্ণ ব্যক্তিগত উদ্যোগহে আছিল। বিদ্বান আৰু সম্ভ্ৰান্ত লোকৰ ঘৰত লিখা-পঢ়াৰ চৰা হৈছিল। জনসাধাৰণ বিদ্যা চৰ্চাৰ পৰা সম্পূৰ্ণ নিলগত আছিল। খেতি পথাৰ, বেহা-বেপাৰ, হাতৰ কাম, যুদ্ধবিদ্যা-শিক্ষা, কমাৰ, কুমাৰ, বাঢ়ৈ, সূতাৰ, তৰোৱাল চলোৱা, হিঁলৈ নিমাৰ্ণ কৰা, হিঁলৈদাৰী হোৱা, নাও সজা, নাও চলোৱা, চাং কং ফুকনৰ তলে দৌল-দেৱালয় নিৰ্মাণ কৰা এইবোৰত জনসাধাৰণে পাৰ্গতালি লাভ কৰিছিল। কিন্তু শিক্ষাৰ বিষয়ত ওপৰত উল্লেখ কৰা ধৰণৰ ব্যক্তিগত উদ্যোগেই আছিল জাতিটোৰ এক মাত্ৰ ভাৰসা। অসমৰ ৰজাঘৰে চৰকাৰী ভাৱে কোনো দিনে কোনো ধৰণৰ বিদ্যালয় স্থাপন কৰি জন সাধাৰণৰ মাজত শিক্ষাৰ বিস্তাৰ কৰা বিষয়ত উৎসাহ দেখুৱাৰ কোনো উদাহৰণ পোৱা নেযায়। দেশৰ জন সাধাৰণক এইদৰে শিক্ষাৰ পৰা বঞ্চিত কৰাৰ অনিবাৰ্য পৰিণতি হিচাপে ইমান বলবন্ত জাতি এটায়ো অকল নেতৃত্ব আৰু দূৰদৰ্শিতাৰ অভাৱত পৰাধীনতাৰ গ্লানি সজ কৰিব লগা হ'ল ১৯৪৭ চনৰ আগলৈকে প্ৰায় দেৰশ বছৰ জুৰি। যি সময়ত ইংলেণ্ডৰ ৰজাই কিছু কলেজ, কুইন কলেজ পাতিছিল, অক্সফোৰ্ড, কেম্ব্ৰিজৰ দৰে বিশ্ববিদ্যালয় আৰু অসংখ্য কলেজ আৰু স্কুল গঢ়ি তুলিছিল, সেই সময়ত অসমৰ ৰজাই পাঠশালা স্কুল এখন ক'ৰবাত পাতিছিল বুলিও উল্লেখ পোৱা নেযায়। নিবন্ধকৰতা,

শিক্ষাহীনতাৰ মহাপংকত ডুব গৈ আছিল জাতিটো। যাতায়াতৰ ব্যৱস্থা আছিল আদিম যুগৰ। ডাক চলাচলৰ ব্যৱস্থা নাছিলেই। জলপথে নাৱেঁৰে আৰু থলপথে খোজ কাঢ়ি বা দোলাৰে, ঘোঁৰাৰে অহা যোৱাৰ বাহিৰে অন্য ব্যৱস্থা নাছিল। বাৰ্তা সংযোগ ব্যৱস্থা ইমান দুখলগা আছিল যে গড়গাঁৱত এজন স্বৰ্গদেউ স্বৰ্গগামী হৈ তেওঁৰ পুত্ৰ বা ভাতৃ ৰাজপাটত বহাৰ দুবছৰৰ মূৰতহে দূৰৰ ঠাইৰ কথাটো বাদেই দিচাংমুখৰ ঘাটেৰে পাৰ হ'লে দেৰকুৰি মাইল দূৰৰ লক্ষীমপুৰৰ প্ৰজাই গম পাইছিল। এনে এটা কথা ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ কোনো এখন গ্ৰন্থত উল্লেখ আছে। আহোম ৰাজত্বৰ শেষ আৰু ৰজনীকান্ত বৰদলৈৰ সেই অমৰ উপন্যাসৰাজিৰ ৰচনা কালৰ মাজত বহুত বেছি বছৰৰ ব্যৱধান নাছিল। মাত্ৰ এক পুৰুষৰ ব্যৱধান। গতিকে ৰজনীকান্ত বৰদলৈৰ উপন্যাস সমূহত পোৱা কিছুমান সংবাদৰ ঐতিহাসিক মূল্য থাকিবই। জাতিটোক অকল সৈন্যবাহিনীত পৰিণত কৰি সদায় জীয়াই ৰাখিব নোৱাৰি। জাতিৰ বুদ্ধিমত্তাৰ পূৰ্ণ বিকাশ হ'বলৈ শিক্ষাৰ জৰিয়তে সুবিধা কৰি দিলেহে জাতীয় চৰিত্ৰ গঢ়ি উঠে। দুৰ্ভাগ্যবশতঃ জ্ঞান-বিজ্ঞানৰ প্ৰচীন গৌৰৱৰ দেশ হোৱা সত্বেও অসম তথা ভাৰতৰ কোনো ৰাজ্যৰ মধ্যযুগীয় শাসন কৰ্তা বিলাকে এই সহজ সত্য উপলব্ধি কৰিব নোৱাৰিলে। আমাৰ জাতিগত অশিক্ষাজনিত দুৰ্বলতাৰ পৰা আমি আজিও হাত সাৰিব পৰা নাই।

যেই কি নহওক, গুৰুজনাৰ প্ৰচাৰিত নাম ধৰ্মৰ বাহক হিচাপে সকলো ঠাইতে সত্ৰসমূহ স্থাপিত হ'ল। সেই বিলাকৰো ঠাল-ঠেঙুলী বাঢ়ি চুকে কোণে সকলো ঠাইতে সত্ৰ অনুষ্ঠান বৰ্দ্ধিত সংখ্যাত প্ৰতিষ্ঠিত হ'ল। যদিও ধৰ্ম প্ৰচাৰেই সেই সত্ৰ সমূহৰ মূল উদ্দেশ্য ধৰ্মীয় হ'লেও কিছু কিছু বিদ্যা শিক্ষাৰ কেন্দ্ৰ হিচাপে জনসাধাৰণৰ মাজত সেইবিলাকৰ কিছু কিছু প্ৰভাৱ নপৰাকৈ নেথাকিল। পূৰণা ভড়োপাসক খেল বিলাকো লাহে লাহে সন্তীয়া ধৰ্ম চিন্তাৰ প্ৰতি আকৃষ্ট হ'ল। উদ্ধাৰ পৰাচিত হৈ মহাপুৰুষীয়া সত্ৰত শৰণ লৈ শৰণীয়া হ'ল। মহাভাৰত, ৰামায়ণ, পুৰাণ ভাগৱতৰ আধ্যাত্মিক চিন্তা আৰু মহাপুৰুষীয়া মতে নাম-কীৰ্ত্তনৰ দোলেৰে বান্ধ খোৱা এখন বলিষ্ঠ অসমীয়া সমাজৰ সৃষ্টি হ'ল।

কিন্তু মানুহৰ সমাজৰ সকলো অনুষ্ঠান আৰু চিন্তাত সময়ৰ মামৰে ধৰেই। গুৰুজনাই কাৰ্বি - গাৰো-যৱন সকলোৰে পৰাই ভকত তুলিছিল। গাৰোৰ গোবিন্দ যৱনৰ চান্দসাইৰ আৰু অন্যান্য কুলৰ ভকতৰ মাজত কিবা বিচ্ছিন্নতাসূচক ৰেখা এদাল টানিছিল বুলি ক'তো উল্লেখো নাই, বিশ্বাসো নহয়। এই মহান উদাৰতা সময়ৰ লগে লগে সঙ্কীৰ্ণ হৈ আহিবলৈ ধৰিলে। গতিকে কোঁচৰ মাজত সৰুকোঁচ, বৰকোঁচ, সৰুকলিতা, বৰকলিতা, শৰণীয়া কোচ আদি বিভিন্ন জাত-উপজাতৰ সৃষ্টি হ'ল। দুজনা গুৰুয়ে ছকুৰি ভকতৰ মাজত গধুৰ-পাতল বিচাৰি উলিয়াবলৈ সক্ষম হোৱা নাছিল। কৈছিল, যেয়ে একেলগে বহি নাম গায় সকলো সমান ভকত। কোনো তল কোনো ওপৰ নহয়; কোনো গধুৰ, কোনো পাতল

নহয়। কিন্তু পিচৰ সত্ৰীয়া প্ৰকৰণত অসমীয়া সমাজৰ ভকতসকলৰ মাজতো জাতিভেদ খাল খাম কৰি লোৱা দেখা গ'ল।

এপিনে নিৰক্ষৰতা আনহাতে এনে অনুদাৰ ধৰ্মনীতিৰ ফলত কাষতে থাকিও নিলগ হৈ থাকিল কোচ-কচাৰী-কেওঁট-কলিতা-বামুন-গোঁসাইৰ অসমীয়া সমাজখন। একেলগে খাব নোৱাৰে, সমানে সমানে কোনো কাম কৰিব নোৱাৰে, বিয়া-বাৰুৰতো প্ৰশ্নই নাই। গতিকে সকলো জাতি-উপজাতিৰ গুণাৱলী যোগ হৈ যৌগিক পদাৰ্থ হোৱাৰ সলনি অসমীয়া সমাজখন সাধাৰণ মিশ্ৰণ হৈয়ে থাকিব লগা হ'ল। একেলগে থাকে কিন্তু সকলো নিজৰ নিজা গুণ বিশিষ্ট। যি কোনো উপলক্ষতে বেলেগে আনি থিয় কৰাব পাৰি। গতিকে শঙ্কৰ গুৰুৰে নিজৰ মহান আদৰ্শেৰে গঢ়িব খোজা জাতি গঠনৰ প্ৰক্ৰিয়াত বাধা পৰিল। গুৰুজনাই দেখুৱা আৰ্হিমতে মহাপুৰুষীয়া ধৰ্মত শৰণ লোৱা মানুহৰ ভকত বৈষ্ণৱ বুলিয়েই একমাত্ৰ পৰিচয় অন্য জাত-পাতৰ উল্লেখ কৰাৰ প্ৰয়োজন নাই বুলি মত সাব্যস্ত হোৱা হ'লে অসমীয়া জাতি আজি পৃথক পৃথক জাতি-গোষ্ঠীভূক্ত হৈ থাকিব নেলাগিলহেতেন।

কাল সাগৰৰ ঢৌত আৰু বহুত পৰিবৰ্তন আহিল উত্তৰ পশ্চিম নগাঁৱলৈ। অবিভক্ত নগাঁও জিলাৰ এই অঞ্চল পৰ্বত ভৈয়ামৰ বাৰে-কুৰি জাতি-গোষ্ঠীৰ নিত্য মিলন ক্ষেত্ৰ হৈ থাকিল। বিনিময় প্ৰথা মতে বেহা বেপাৰ চলাৰ চিনমোকাম আজিও মৰিগাঁৱৰ ওচৰত বছৰি হোৱা জোনবিল মেলাত দেখিবলৈ পোৱা হয়। গাৱেঁ গাৱেঁ নামঘৰত হৰি নামৰ প্ৰাচীন পৰম্পৰা মানি চলা ভাওনা-সবাহ, জনগোষ্ঠী সমূহৰ ৰীতি-নীতি পৰম্পৰা মনে উছৱ-আনন্দ, কৃষি কৰমৰ সহজ সৰল জীৱন যাত্ৰা, বছৰি হোৱা বানপানী, জাৰ-জহ মাৰি-মৰকৰ লগত হোৱা অন্তহীন জীৱন সংগ্ৰাম মানুহৰ জীৱনৰ এই গতানুগতিকতাৰ মাজত বুৰঞ্জীত পঞ্জীয়ন নোহোৱাকৈয়ে থাকি গ'ল সৰু বৰ কিমান ঘটনা। অসম দখল কৰিবলৈ মোগলেৰে ৰণ হ'লে নিয়ম অনুযায়ী এই অঞ্চলৰ ৰজা পোৱালিহঁতে মানুহ-দুনুহ ৰচদ-পাতি বনুৱাৰে সহায় কৰে ৰজাক। হাৰে, জিকে। কিন্তু লুইতপৰীয়া, কলং-কপিলী-কিলিঙপৰীয়া দেহেৰে বলৱন্ত মনেৰে শক্তিমন্ত এই পাহুৱাল জনজাতীয় মূলৰ মানুহ খিনিক কোনেও লৰাব নোৱাৰে।

তাৰ পিচত মোৱামৰীয়া বিদ্ৰোহ হ'ল। সেই দীৰ্ঘদিনীয়া ৰাষ্ট্ৰ বিপ্লৱত অসম ভূমি থৰক লাগিল। সেই সময়তো এই পশ্চিম নগাঁৱত তাৰ প্ৰভাৱ নাম নিমিত্ত ভাৱেহে পৰিল। মায়ঙৰ বেজালি, জৰা-ফুকা, জালসাই-থলসাই দেৱতাৰ পূজা, বুঢ়া-বুঢ়ীৰ থলত পূজা অৰ্চনা কৰা, আৰু বজনজনা হোৱালৈ নাম-কীৰ্তন কৰাৰ মাজতে সীমাবদ্ধ থাকিল মানুহৰ জীৱন। সেই সময়তে থিং নামে এজাতি কোচ কৈৱৰ্ত মানুহৰ কথা শুনা যায়। এই থিং কৈৱৰ্ত মানুহবোৰৰ নিৰ্দিষ্ট আবাসস্থান নাছিল। বাস কৰিছিল লুইতৰ উত্তৰ পাৰে আৰু দক্ষিণ পাৰে চৰ আৰু চাপৰিত। পানীয়ে ভাঙিলে পাৰলৈ উঠে। খৰালি বাটে পোৱালি

মেলিলে পুনৰ আন ঠাইলৈ যায়। সেইবাবে এওঁলোকে বোলে ঘ
ঢেঁকীয়েই নেপাতিছিল উৰালত ধান বানিছিল। পিচলৈ ব্ৰহ্মপুত্ৰৰ এ
বহিল। মহাপুৰুষীয়া ধৰ্ম ল'লে। থিং, নিজ থিং, মেলেকা থিং আদি
এতিয়াও সেই জাতিৰ লোকৰ কথা সোঁৱৰাই দিয়ে। আমি ভাবিছিলো এই থিং ফৈদৰ নামেৰেই বৰ্তমান থিং টাউনৰ নাম হৈছে। বটদ্ৰবা আৰু ব্ৰহ্মপুত্ৰৰ মাজৰ ঠাই বা-সুঁতি (এৰা সুঁতি) আৰু বৰ্তমানৰ লেতেৰী শাখা নদীৰ মাজত ঠাইত। কিন্তু অসমৰ স্বনাম ধন্য বুৰঞ্জীবিদ স্বৰ্গীয় বেণুধৰ শৰ্মা এবাৰ থিঙলৈ এই লেখকৰ ঘৰলৈ যাওঁতে তেখেতে স্পষ্টকৈ কোৱা আজিও মনত আছে-কছাৰী ভাষাত থিম্ বুলি এটা শব্দ আছে। তাৰ মানে দেওথান। সেই শব্দৰ পৰাহে থিং শব্দৰ উৎপত্তি হৈছে বোলে। ই কোনো জাতিবাচক শব্দ নহয়।

মোৱামৰীয়া বিদ্ৰোহৰ ফলত ৰজাঘৰীয়া শক্তিত যি আউল লাগিল, তাৰ পৰাই আৰম্ভ হ'ল অসম বুৰঞ্জীৰ সন্ধিক্ষণ। ৰজাঘৰীয়া শক্তি পৰিল। কিন্তু সেই ৰাষ্ট্ৰবিপ্লৱৰ চৰিত্ৰ বিপ্লৱাত্মক নাছিল, আছিল বিদ্ৰোহাত্মক। গতিকে প্ৰগতি হৈ প্ৰজাঘৰীয়া শক্তি সুংসহত ৰূপে প্ৰতিষ্ঠিত হোৱাৰ পৰিৱৰ্তে আউল লাগিল। নিশকটীয়া ৰজাৰ দুৰ্বলতাৰ সুযোগ লৈ ডা-ডাঙৰীয়াবোৰ স্বেচ্ছাচাৰী হৈ উঠিল। এই কন্দলৰত ডাঙৰীয়া শ্ৰেণীৰ খামখেয়ালিৰ ফলতে আহিল মানৰ দিন।

জুই জ্বলিল শদিয়াৰ পৰা ধুবুৰীলৈকে। পূৰ্ণানন্দ বুঢ়াগোহাইৰ মৃত্যুৰ পিচতে অসমত দেখা দিলে নেতৃত্বৰ সংকট। ৰাজকুলত তেনে যোগ্য লোক নাছিল দেশৰ শক্তি সংহত কৰি মানক ভেটিব। মন্ত্ৰী বুলিবলৈ কোনো নাছিল। যাতায়তৰ অব্যৱস্থা, সংবাদ সৰবৰাহৰ অনিশ্চয়তাৰ মাজত উজনি জ্বলোঁতে গমেই নেপালে নামনিৰ মানুহে। মানে উজনি মাৰি আহি নামনি অসম পাওঁতে বৰপেটাৰ মানুহে হয়তো নিশ্চিন্তে নামসেৱা কৰিয়েই আছিল। দাতিয়লীয়া ৰজা, ডা-ডাঙৰীয়া সকলে নিজৰ নিজৰ এলেকাত সুখৰ ৰ'দ পুৱায়ে আছিল। জ্বলা জুইৰ দৰে মানৰ অত্যাচাৰ লুইতেদি বৰ আনিয়েদি পাৰ হৈ যাওঁতে তাৰ আগ বাতৰি দিছিল পলৰীয়া ভগনীয়া মানুহে। অসমীয়া মানুহে মাৰ বান্ধিবলৈ সময়েই নেপালে। দিহাদিহি পলাল। মান ভগনৰ দিন তাকে বোলে।

উজনি অসমৰ পৰা তেতিয়া ভাগি অহা বহুতো মানুহ এতিয়া নগাঁৱৰ সৰ্বত্ৰ সিচৰিত হৈ আছে। সম্ভ্ৰান্ত মানুহ, ডা-ডাঙৰীয়া খেলৰ মানুহ, কাড়ী-পাইকান মানুহ - সকলো ধৰণৰ মানুহেই গড়গাঁও এৰি নগাঁও পাইছিলহি। থিঙৰ ওচৰৰ এখন গাঁৱত নাওঁ এখনত লুইতেদি ভাগি আহি চুটিয়া মানুহ আহি উঠিছিল কেইজনমান। সেই কেইজনৰ পৰা এতিয়া এখন ডকন গাওঁ হ'ল। তেনেকৈ আৰু অনেক। পিচত বৃটিছ ৰাজ হ'লত নিজৰ সম্ভ্ৰান্ত বংশীয় পৰিচয় দিয়াত ইংৰাজ চৰকাৰে তেনেদৰে ভাগি অহা ডাঙৰীয়া শ্ৰেণীৰ লোক কিছুমানক মৌজা, আমোলা-বিষয়াৰ পদবী আদি দি কামত লগালে। মানৰ দিনত

কোনো কোনো ঠাইত নগাঁও জিলাত অত্যাচাৰ হৈছিল। কিন্তু এই ঠাইৰ আদিম বাসিন্দা কচাৰী, কোচ, তিৱা সম্প্ৰদায়ৰ লোকৰ অঞ্চলত মানে বিশেষ সুবিধা কৰিব পৰা নাছিল। তাৰ সলনি ঠায়ে ঠায়ে মানকটা, মানখেদা, মানভেটা আদিৰহে উল্লেখ আছে। দুটা মান আহি বোলে একেবাৰে বৰদোৱাৰ কীৰ্তন ঘৰৰ ভিতৰ সোমাইছিলহি। সেই দুটাও বোধহয় জাকৰ পৰা বাট হেৰুৱা মানসেনা আছিল। দুইটা বিপাণ্ডত পৰি কীৰ্তন ঘৰত সোমাই খোপনি লৈছিল। প্ৰবাদ মতে সৰু নেওগ নামে খামিডাঠ অসমীয়া ৰণুৱা এজনে দুয়োটাকে ৰণ কৰি হুতাহুতি যুদ্ধত কাটে।

সুজলা সুফলা অসম দেশ বৰ সাৰুৱা। বৰ সাৰুৱা কাৰণেই হয়তো এই দেশৰ শইচৰ খেতিতো ধানে বনে সমানে উঠে। ঘনে ঘনে নিৰাব লগা হয়। মানুহৰ ক্ষেত্ৰতো সিমান। মানৰ দিনত মান সেনাৰ দৰে ক'লা লুঙি ক'লা কাপোৰ পিন্ধি ইংকিৰী -বিংকিৰী ভাৰা মাতি দোভাষীয়া কাম কৰা দেশদ্ৰোহী এজাকে, মানৰ লগ লৈ লগাই দেখুৱাই দি ৰাইজক গেলাতে টেঙা দিছিল। তেনেকুৱা কতৌ বৰা বুলিবৰ এটাক মান গ'লত ৰাইজে ধৰি জীয়াই জীয়াই এবুকুলৈকে খিঁয়ে খিঁয়ে পুতিছিল। বহু দিনলৈকে ডেডাউৰিয়াই থাকি সি মৰিল। তাৰ নামেৰে কতৌহোলা এতিয়াও খিণ্ডত আছে।

তাৰ পিচতে আহিল বৃটিছৰ যুগ। ইংৰাজে মানৰ দিনৰ পিচত দিলে শান্তি, সুৰক্ষা, খৃষ্টান ধৰ্ম, ইংৰাজী শিক্ষা, স্কুল, ক'ৰ্ট-কেচাৰী, মৌজাদাৰ, কাননগু, মণ্ডল, পুলিচ, চিপাহী, টেকেলা, হাকিম, আমোলা, নগৰ আৰু লগতে কানি ৰৰবিহ। পুৰণা ডা-ডাঙৰীয়া শ্ৰেণীক জোকাই নলৈ ক'ৰবাত নহয় ক'ৰবাত নতুন আমোলাৰ বিষয় একোটা দি গুজি ল'লে। ইণ্ডিয়ান পেনাল ক'দ বা ভাৰতীয় দণ্ডবিধি আইনৰ আওতালে সৰু বৰ এটাইকে টানি আনি লাহে লাহে পুৰণি ডাঙৰীয়া শ্ৰেণীৰ পাখি কাটিৰলৈ ধৰিলে অলপ অলপকৈ।

পৃথিৱীৰ সৰ্বদেশত সৰ্বকালত ৰজা ঘৰ আৰু ধৰ্মগুৰুৰ ঘৰ একেলগে থাকে। একেলগে বাট বোলে। ইংৰাজ অহাৰ পিচতো সেয়ে হ'ল। চিৰকাল নিজৰ দেশৰ ৰজাৰ পৃষ্ঠপোষকতাত দিন কটোৱা ধৰ্মীয় অনুষ্ঠান সমূহ ক্ষমতাসীন ইংৰাজৰ অনুগত হৈ পৰিল। সেই সুযোগত লাহে লাহে বিয়পিবলৈ ধৰিলে খৃষ্টান ধৰ্মই। কিন্তু অসমৰ অন্যান্য ঠাইত পাহাৰে ভৈয়ামে খৃষ্ট ধৰ্মই যেনেদৰে শিপালে উত্তৰ পশ্চিম নগাঁৱত তেনেদৰে নোৱাৰিলে। চাৰিশ বছৰে গুৰু শিলিখা মহীৰুহ বৃক্ষত পৰিণত হৈ চাৰিওপিনে শাখা-প্ৰশাখা বিস্তাৰ কৰি ছায়া-প্ৰচ্ছায়া প্ৰদান কৰিছিল আৰু ৰাজ্য খনৰ কোনো খবৰ নৰখা স্বভাৱ-স্বাধীন এই জনজাতি-মূলৰ মানুহবোৰক বাহিৰৰ চিক মিকনিয়ে কাশ্চিতহে নিজৰ ঐতিহ্য-পৰম্পৰাৰ মাজৰ পৰা বাহিৰলৈ টানিব পাৰে। কানি ৰৰবিহে কিন্তু শিপালে ভালকৈয়ে। বেয়া অভ্যাস মানুহৰ সহজেই হয়।

কেইটামান দশক শান্তিৰে পাৰ হ'ল বুলি ধৰিব পাৰি। উন্নতি নহ'ল হ'ল শান্তি।

প্ৰকৃতি য'ত অতি উদাৰ, অকৃপন তাৰ মানুহবোৰ হয় অতি অলস। প্ৰাচুৰ্যই অহিফেনৰ দৰে ক্ৰিয়া কৰে মানুহৰ মগজুত। উচ্চাকাংখ্যা নোহোৱা হয়। বহিঃবিশ্বৰ কোনো হাত বাউল চকুৰে নমনে। সময়ৰ আহ্বান কানেৰে নুশুনে। ই এক তন্দ্ৰালস অৱস্থা একোটা জাতিৰ। গোহালিত গৰু, পুখুৰীত মাছ, বাৰীত তামোল পান, পথাৰত ঠেক ভৰা ধানৰ দিন সেইবোৰ। এটা বানপানীয়ে এবছৰৰ খেতি উটাই নিলেও ভৰালৰ গুটি ধানেৰে দুবছৰ চলি যায়। এবছৰ যদি খেতি পৰে পিচৰ বছৰ পথাৰ নদন বদন কৰি উবুৰিয়াই দিয়ে বাবা ব্ৰহ্মপুত্ৰই, আই কপিলীয়ে। অভাৱ নোহোৱা সংসাৰ, খাদ্য-দ্ৰব্য উভৈনদী, হাবিয়নি বননিত খড়িৰ অন্ত নাই, মাছ-কাছৰ অন্ত নাই, চৰাই-পহুৰ অন্ত নাই। চিকাৰৰ অন্ত নাই। বাঘভেটা দি বীৰৰসাত্মক খেলাৰ অন্ত নাই। ভাওনা ৰৰসবাহৰ অন্ত নাই। মহাৰাণীৰ আমোলত বৃটিছ সাম্ৰাজ্যত সৰ্বময় মঙ্গল অল্ ইজ্ ৱেল্ উইথ দা ৱৰ্ল্ড! গতিকে উত্তৰ পশ্চিমে নগাঁৱৰ বাইজৰ সেই সোনালী দিনবোৰত মাজে মাজে আউল লগায় হাইজা, গ্ৰহণী আদি মহামাৰীয়ে। প্ৰজা নাশ হয়। গাঁও উজাৰ হয়। ডাক্তৰ-দৰৱ বৰকৈ নেপায় যদিও প্ৰকৃতিৰ নিয়মতে বিসূচিকা ৰাক্ষসী সংযত হয়। সকলো অদৃষ্টৰ লিখন আছিল বুলি ৰাইজে পাহৰি পেলায়। পুণৰ চলি থাকে ধে-মা-তেতালা তালত জীৱন।

সেই সময়ত এটাইতকৈ সহজে পোৱা গৈছিল মাটি। চৰকাৰী মাটি ভি-জি-আৰ, পি-জি-আৰ, খাচ চৰকাৰী মাটি মাইলৰ পিচত মাইল জুৰি পৰি থাকে। যাৰ যিমান ইচ্ছা দখল কৰিলেই হ'ল। নতুনকৈ হোৱা মাটিৰ জৰিপ মতে দাগ নং হ'ল, পটা নং হ'ল, চিটাবহী হ'ল। লাট মণ্ডল কাননগু নামে নতুন এক মহা শক্তিশালী বিষয়াৰ এটি শ্ৰেণী অসমীয়াৰ প্ৰজাই দেখিলে। এই সকল হ'ল ভূমি বিষয়ক সকলো দায়িত্ব বহন কৰা বিষয়া। শুনা যায় যে কোনো লোকৰ ওপৰত কোনোবা লোকৰ আখেজ থাকিলে তেতিয়াৰ দিনত মণ্ডলৰ কাষ চাপে যাতে কোনো ঠাইৰ চৰকাৰী মাটি কুৰি বিঘা শত্ৰুজনৰ নামত লিখাই দিয়ে। উদ্দেশ্য যাৰ নামত লিখা হ'ব সি ক'বই নোৱাৰিব অথচ সেই মাটিৰ নামত খাজনা দিয়াৰ জাননী যাব। নিদিলে ঘৰ ক্ৰোকী হ'ব। সম্পত্তি নীলামত যাব। জ্বালা-যন্ত্ৰনাৰ শেষ নাই। কাৰণ তেতিয়াৰ দিনত বয়-বস্তু উভৈনদী হৈ থাকিলেও নগদ ধনৰ বৰ নাটনি। বস্তু বেটিবলৈ ঠাই নাই। মেটমৰা ভড়াল থকা গৃহস্থীয়েও কেইটকামান খাজনা দিব নোৱাৰি হাবাথুৰি খায়। গতিকে মাটি ইস্তফা দিবলৈ বিচাৰি ফুৰে মানুহে। তাৰ বাবে মণ্ডল বাবুৰ কাষ চাপে। বয়-বস্তু ভেটি, বাছবো বাছ এড়ীয়া কাপোৰ, চেলেং ছকঠীয়াৰ উপৰিও আমৰলীয়া হাঁহ এজোৰা, গাখীৰৰ কলহ এটা - সকলো দিব অকল অমুক ঠাইৰ কুৰি বিঘাৰ মাটিৰ মালিকানাৰ মহাভাৰৰ পৰা ৰেহাই দিব লাগে। নহ'লে কোনে খাজনা ভৰি মৰিব আৰু খেতিনো ইমানবোৰ কৰিব লাগে কেলেই। কৰিলেই যেনিবা। বেচিব কাক ? পৃথিৱীৰ ভিতৰত মাটি ইস্তফা দিবলৈ ইমান বিয়াকুল হৈ পৰা জাতি বোধহয় আমাৰ অসমীয়াই

আছিল। ইপিনে অশিক্ষাৰ সাগৰত ডুব গৈ থকা জাতিটোৰ মাজত অন্ধবিশ্বাসে দকৈ শিপাইছিল। তন্ত্র-মন্ত্র ভূত প্রেতৰ ওপৰত থকা বিশ্বাসৰ কথাতো বাদেই কাৰবাৰ ঘৰত এখন পূৰণি বাপতি সাহোন সাঁচিপতীয়া পুথি থাকিলে, সেইখন পঢ়ি বা জনা মানুহৰ হুঁতুৱাই শুনাৰ দৰকাৰ বোধ কৰা নাছিল। মাত্র নির্দিষ্ট দিনা সেইখন নমাই থাপনাত ৰাখি শৰাই দি পূজা কৰাৰ দায়িত্বহে বাঢ়িছিল। কোনোৰা মণ্ডলতীয়ে যদি কড়ি মাৰি কয় যে সেই পুথিখন কালিকা লগা। ঠিকমতে ৰাখিব পৰা নাই গৃহস্থই। ৰাতি কাঠৰ বাকচটোৰ ভিতৰতে কটকটায় থাকে। তাৰ বাবেই ঘৰখনৰ অপায় অমঙ্গল গুচা নাই তেতিয়া সন্ত্রস্ত গিৰিহঁতে গায়নে-বায়নে মূৰৰ ওপৰত পুথিখন তুলি দি ব্রহ্মপুত্রত উটাই থৈ আহেগৈ। কত মহামূল্যবান পুৰণা পুথি সেইদৰে পানীৰ সোঁতত উটি গ'ল তাৰ সীমা সংখ্যা নাই। তাৰে ছিগা-ভগা সাচিপতীয়া পুথি দুখন এখন এতিয়াও উদ্ধাৰ হৈ মুছলমান খেতিয়কৰ ঘৰত সংৰক্ষিত হোৱা খবৰ মাজে মাজে পোৱা যায়। মাটি ইস্তফা দিয়া আৰু পুথি উটাই দিয়া জাতি হিচাপে আমাৰ মানুহৰ কৃতিত্ব আছে।

প্ৰথম মহাযুদ্ধৰ পিচৰ পৰাই পূর্ববঙ্গৰ মৈমনসিং ৰংপুৰ জলপাইগুৰি আদি জিলাৰ পৰা অসংখ্য পমুৱা মুছলমান খেতিয়ক আহি অসম ভৰি পৰিল। নগাঁও জিলাৰ প্রায় সর্বত্র বিশেষকৈ উত্তৰ পশ্চিম নগাঁও অঞ্চলত পমুৱা মুছলমানৰ আমদানি কৰিছিল প্রণালীবদ্ধ ভাৱে চাৰ মহম্মদ ছাদুল্লাৰ দিনৰ মুচলিম লীগ চৰকাৰৰ দিনত। ভাৰতত অধিক শস্য উৎপাদন কৰক বা গ্রো ম'ৰ ফুড্ অভিযান সফল কৰিবৰ বাবে মুল্যতঃ এই দুঃস্থ মুছলমান কৃষক শ্রেণী মানুহক আদি অসমৰ আবাদী মাটিত নিগাজীকৈ পট্টন দিয়া হৈছিল বুলি কোৱা হৈছিল যদিও সেই কাটৰ অন্তৰালত ৰাজনৈতিক অনুপ্ৰেৰণাযে আছিল তাত কোনো সন্দেহ নাই। আমি এই নিবন্ধত ৰাজনৈতিক কার্য-কলাপৰ কথা আলোচনা কৰাতকৈ নতুনকৈ অহা এই মানুহ শ্রেণীৰ লগত হোৱা সামাজিক বিশ্লেষণৰ ওপৰতহে গুৰুত্ব দিম।

তাৰ আগতে এটা কথাত নিশ্চিত হৈ ল'ব লাগিব যে অসমত বসবাস কৰা লগতে উত্তৰ পশ্চিম তথা সমগ্র নগাঁও জিলাতে স্থায়ীভাৱে বসবাস কৰিবলৈ লোৱা এই নবাগত মুছলমান কৃষক ৰাইজ এক সুনিশ্চিত বাস্তৱ। এই সকল লোক আজি যোৱা ৮০/৯০ বছৰ অসমত বসবাস কৰাৰ পিচত বিদেশী বহিৰাগত বুলি গণ্য স্বাভাবিকতো হ'ব নোৱাৰে। নতুনকৈ অহা বাংলাদেশী বা নেপালৰ পৰা অন্য কোনো দেশৰ পৰা অহা লোক বিদেশী গণ্য হ'ব পাৰে কিন্তু এই স্থায়ী মুছলমান বাসিন্দাসকল বিদেশী বা অবৈধ অনুপ্রবেশকাৰী বুলি ভাবিলে অন্যায় হ'ব। ৰাজনৈতিক ভাৱে এইসকলে দেশত মুছলমানৰ সংখ্যা বঢ়ালেও, ধর্মনিৰপেক্ষ দেশ ভাৰতবর্ষৰ এওঁলোকো নাগৰিকহে পৰিলেহি ।

এই মৈমনসিঙৰ পৰা অহা মুছলমান খেতিয়কসকল প্ৰথমতে আহিছিল সাধাৰণ দিন হাজিৰা কৰা কৃষি বনুৱা হৈ। চৰকাৰী পতিত মাটি বিলাকত ঘৰ দুৱাৰ সাজি বসবাস

কৰিছিল। অসমীয়া খেতিয়কৰ ঘৰত কাম কাজ কৰি দি পাইটো পইচাটো উলিয়াইছিল। এই মানুহবোৰ অত্যন্ত পৰিশ্ৰমী আৰু নিপুন খেতিয়ক। সম্ভাতে এনে খেতিয়ক পাই অসমীয়া খেতিয়কে নোপোৱাই পোৱাদি পাইছিল। নিজৰ সা-সম্পত্তি নোহোৱা লোকৰ দেশৰ পৰা অহা এই মানুহবোৰে কোনো সা-সুবিধা বিচৰা নাছিল। দ-বাম সকলো ঠাইতে ঘৰ দুৱাৰ থুপ পাতি সাজি গাঁও পাতি লৈ থাকিবলৈ লৈছিল। পুৰণা খিলঞ্জীয়া অসমীয়া মানুহৰ অপৰ্যাপ্ত মাটি-সম্পত্তি ঘৰ-দুৱাৰ আছিল। তদুপৰি কাহানিও জমিদাৰৰ গচক্ নোখোৱা অসমীয়া খেতিয়ক চিৰকাল নিজেই নিজৰ মালিক। বাৰী-দুখুনিৰো চাৰিওফালে খাল খনা ঢাপ মৰা বাৰী এটুকুৰা থাকে। গতিকে অসমীয়া মানুহৰ পুৰনা কালৰে পৰা একান্ত ব্যক্তিকেন্দ্ৰিক মনোভাৱ মজ্জাগত । তেনেকুৱা অসমীয়া গৃহকৰ্তা এজনক সবল ভাবেই যেতিয়া বাহিৰৰ পৰা অহা লোকে মহাজন বুলি সম্বোধন কৰি সাহায্য বিচাৰে তেতিয়া অৱশ্যেই মনত অহঙ্কাৰৰ সুৰ-সুৰনি উঠিবই। এনেয়েও মানুহ একান্ত অতিথি বৎসল। গতিকে অতি কম দিনৰ ভিতৰতে সমগ্ৰ উত্তৰ-পশ্চিম নগাঁও জিলাত এই পমুৱা মুছলমান বিস্তাৰ ঘটিল। শাৰীৰিক পৰিশ্ৰম কৰিবলৈ এনেয়েও টান পোৱা অসমীয়া খেতিয়কৰ বাবে যেনিবা গাখীৰতে ম'হৰ খুটি হ'ল। মৈমনসিঙীয়া লোকৰ মাজত দিন হাজিৰা কৰা কামলা নামে এশ্ৰেণী কৃষি বনুবা লোক আছে। এই কমলাহঁতৰ হতুৱাই খেতিত কাম কৰাব, নিজে গোৰোৱা লেটাই চুৰিয়া কামিজ পিন্ধি চাফা চিকুন হৈ থাকিব। এনেকুৱা মনোবৃত্তি এটাই পুৰণি অসমীয়া চাম মানুহৰ মাজত গা কৰি উঠিল। পঢ়া-শুনাৰ বিষয়ত অসমীয়া থলুৱা লোকখিনি এনেয়েও মৈমনসিঙৰ পৰা ন-কৈ অহা মানুহতকৈ অলপ আগবঢ়া। গতিকে চাকৰি বাকৰি যি দুটা এটা ওলায় সেইখিনি অসমীয়াতেই হস্তগত কৰে। চাওঁতে চাওঁতে অসমীয়া থলুৱা লোক সকলৰ পঞ্চাশ শতাংশই তথাকথিত বাবু আৰু মহাজন শ্ৰেণীলৈ উঠিল। হাতৰ কাম সম্পূৰ্ণ বাদ দিলে। পৰিশ্ৰম কৰিবলৈ এৰিলে। মাছ মাৰিবলৈ নোযোৱা হ'ল। খৰি লুৰিব নলগা হ'ল। শাক-পাচলিও বজাৰৰ পৰা কিনি খোৱা হ'ল। গৰু-ম'হ নোপোহা হ'ল। ঘৰৰ চোতালতে ৰিংটো মাৰিলেই মুছলমান খেতিয়কে যোগাৰ দিয়াহি হ'ল যেতিয়া সেইবোৰ কাম কোনে কৰে।

অসমীয়া মানুহৰ আৰু এটা বিষয়ত চমকপ্ৰদ প্ৰতিভা আছে। সেইটো হ'ল মাটি বেচা। পৈতৃক সম্পত্তি লাভ কৰা মাটি কেইডৰাৰ একো টুকুৰা যি কোনো কাৰণতে বেচে। ল'ৰালৈ ছোৱালী আনিবলৈ বেচে, ছোৱালী উলিয়াই দিবলৈ বেচে। গাৱৰ থকা ঘৰটো পকীকৈ সাজি উলিয়াবলৈ বেচে। নগৰত মাটি একঠা কিনিবলৈ বেচে। সেই মাটি টুকুৰাত ঘৰ এটি সাজিবলৈ বেচে। ল'ৰাক ডাক্তৰী, ইঞ্জিনিয়াৰিং, এম.এ., বি.এ. পঢ়ুৱাবলৈ বেচে। আজি কালি ল'ৰা বা ছোৱালীলৈ চাকৰি কিনিবলৈ বেচে। এইদৰে বেচোঁতে বেচোঁতে অসমীয়া পুৰণি খেতিয়ক শ্ৰেণীৰ গৃহস্থীৰ হাতত থকা মাটিৰ পৰিমাণ এতিয়া বিপদজনক ভাৱে কমি গৈছে। আগৰ মাটিয়ে ভেটিয়ে খেতিয়ে-পথাৰে, গৰুৱে-মহে খপখপীয়া

গহীন অসমীয়া গাৱলীয়া মানুহ বহু দূৰে দূৰেহে একোজন পায়। খিঙৰে চৌপাশৰ গাঁও সমূহত পিৰালি চুকলৈকে মাটি লোকক বেচা মানুহৰ সংখ্যা কম নহ'ব। সেই বিলাক অদূৰদৰ্শী মানুহৰ এতিয়া নাজল নাথল অৱস্থা। অলস মানুহৰ ক'তো কল্যাণ নাই।

সহজ সৰল স্বভাৱৰ বাবেই হওক বা কাম কৰিব নোখোজা অলস স্বভাৱৰ বাবেই হওক থলুৱা অসমীয়া মানুহবোৰ, তেওঁলোক লাগিলে বৰ্ণহিন্দুৱেই হওক বা জনজাতিৰেই হওক, এতিয়া আৰ্থিকভাৱে পশ্চাদপসাৰ কৰিবলৈ বাধ্য হৈছে। উত্তৰ পশ্চিম নগাঁও জিলাত কিমান মুছলমান গাওঁ আছে সেই সকলো বোৰেই কোনোবা নহয় কোনোবা সময়ত ভকন অসমীয়া গাওঁ আছিল।

এই কথাত খেদ কৰিবলগা একো নাই। এইটো যোগ্যতাৰ প্ৰশ্নহে। কোনেও কাকো খেদি দিয়া নাই। নিজেই যি আতৰি দিয়ে তাৰ বাবে খেদ কৰা বৃথা। যোগ্য ভোগ্যা বসুন্ধৰা। প্ৰকৃতিৰ ৰাজ্যত কোনো খালি ঠাই থাকিব নোৱাৰে। অসমৰ সীমাৰ সিপাৰৰপৰা নিজৰ পিতৃভূমি এৰি জীৱিকাৰ তাড়নাত অহা পুনৰ স্থাপিত হ'বৰ বাবে উদ্বিগ্ন এই মুছলমান লোসকলৰ গাত কোনো দোষাৰোপ কৰিবলৈ যোৱাটোও অন্যায়।

কিন্তু এটা কথা অতি সুনিৰ্দিষ্ট ভাৱে এই নতুনকৈ অহা মুছলমান কৃষক শ্ৰেণীটোৱে সাব্যস্ত কৰি জনাই দিছে। সেইটো হ'ল এই যে তেওঁলোক সাধাৰণ কৃষক। নিজৰ দেশত অনাটন, জমিদাৰৰ শোষণ আৰু আৰ্থিক নিস্পেষণত জুৰুলা হৈ অসমলৈ আহিছে সংস্থাপনৰ বাবে। ইয়াত ভাষালৈ, সংস্কৃতিলৈ থলুৱা অধিবাসীৰ লগত সংঘৰ্ষৰ সৃষ্টি কৰিবলৈ বা নিজৰ বিষয়ে কোনো ধৰণৰ উন্নাসিক মনোবৃত্তি লৈ থাকি থলুৱা লোকৰ লগত অমিল হৈ থাকিবলৈ অহা নাই। তেওঁলোকে আজি অতকালে অসমত বসবাস কৰিছে কাৰণে অসমকে মাতৃভূমি বুলি গ্ৰহণ কৰিছে। নিজকে অসমীয়া বুলি পৰিচয় দিছে। একেবাৰে নতুন চামে ন-অসমীয়া বুলিলেও বেয়া পায়-কিহৰ ন-অসমীয়া ? আমি আপোনালোকতকৈ কোনো গুণে কম অসমীয়া ? গতিকে বুলিলে অসমীয়াই বুলিব।" স্বাধীনতাৰ পিচৰ এই পঞ্চাশ বছৰত অনেক ৰাষ্ট্ৰবিপ্লৱ গ'ল, ৰাজনৈতিক বিভ্ৰাত গ'ল, বহিঃ ৰাজ্যৰ আৰু বহিঃ ৰাষ্ট্ৰৰ অনেক কূটনীতিৰ পৰ্যায় পাৰ হ'ল কিন্তু কোনেও এই মুছলমান খেতিয়কসকলক তেওঁলোক যে অসমৰ অসমীয়া বোলা সিদ্ধান্তৰ পৰা লৰচৰ কৰিব পৰা নাই। এইটো অৱশ্যে ইচলাম ধৰ্মৰে বিশিষ্ট প্ৰতিভা। ইচলাম ধৰ্মৰ লোক যি দেশলৈকে যায় সেই দেশৰে বাসিন্দা হয়। নিজৰ দেশৰ এটুকুৰা টোপোলাত বান্ধি নুফুৰে। একমাত্ৰ ধৰ্মবিশ্বাসত কোনো আপোচ নকৰে। তাৰ বাহিৰে ৰীতি-নীতি ভাষা-সংস্কৃতি আচাৰ-ব্যৱহাৰ সকলোতে নিজৰ নতুন দেশৰ লোকৰ লগত চিনিব নোৱাৰাকৈ মিলি যায়। দৰাচলতে ইচলাম ধৰ্মৰ এই মহৎ গুণৰ বাবেই মাত্ৰ দেৰহাজাৰ বছৰত ইচলাম ধৰ্মই সমগ্ৰ পৃথিৱীত এনেদৰে বিয়পি পৰিব পাৰিছে।

যিয়েই নহওক নতুনকৈ অহা এই ওচৰ চুবুৰীয়াৰ পৰা অসমীয়া কৃষক সমাজৰ

উত্তৰ-পশ্চিম নগাঁৱত এটা মহৎ শিক্ষা লাভ হ'ল সেইটো হৈছে উন্নত কৃষি পদ্ধতি। বছৰৰ বাৰটা মাহত অকল ধান মাহ আলু খেতিয়েই নহয় আৰু বহুত খেতি কৰিব পাৰি সেই কথাও এই মুছলমান খেতিয়কৰ পৰাই শিকিছে থলুৱা মানুহেও। নিজৰ ঘৰত ব্যৱহাৰৰ বাবে একোদৰা মৰাপাটৰ খেতি কৰাৰ বাহিৰে মৰাপাটযে বেপাৰৰসামগ্ৰী হ'ব পাৰে সেই ধাৰণাও নাছিল থলুৱা ৰাইজৰ। কিন্তু মৰাপাট যে ধনাগমনৰ এক উৎকৃষ্ট পথ সেইটো যুক্তি উঠাৰ পাচত অসমীয়া মানুহেও উত্তৰ পশ্চিম নগাঁৱৰ বালিঅঁহীয়া পলসুৱা মাটিত মৰাপাটৰ খেতিত মন দিছে আৰু লাভবান হৈছে। সেইদৰে খেৰবাঁহৰ ঘৰ সজাৰ প্ৰণালী, মাছ ধৰাৰ নিয়ম, কাম কৰাৰ নানা কৌশল, খেতিৰ বনৰ নিয়ম আদি সকলো কামতে থলুৱা আৰু নবাগত মুছলমান কৃষকশ্ৰেণীৰ মাজত বিনিময় হৈছে। মুছলমান গাঁওবোৰত স্বভাৱগত ভাৱেই এতিয়া অসমীয়া ধৰণে খোৱা পিন্ধণ বিহু পতা, অসমীয়া ধৰণ কৰণ চলিবলৈ আৰম্ভ কৰিছে। তেওঁলোকে নিজে উদ্যোগ কৰি অসমীয়া মাধ্যমৰ স্কুল পাতে। অসমীয়া শিকে কয়। তেওঁলোকৰ মাজৰ পৰাই কৃতী লেখক, পণ্ডিত গৱেষক অধ্যাপক কবি, নাট্যকাৰ, গল্পকাৰ, ঔপন্যাসিক ওলাইছে। চিন্তাৰে চৰ্চাৰে আগুৱাই নিছে অসমীয়া ভাষা-সংস্কৃতিক। এই এটা বিষয়ত তেওঁলোকৰ আন্তৰিকতাৰ বিষয়ে সন্দেহৰ লেখমাত্ৰও নাই। কাৰণ তেওঁলোকে অসমীয়া কয় নিজৰ অন্তৰৰ আকৰ্ষণত কাৰো ভয়ত বা কাকো তোষামোদ কৰিবলৈ নহয়। মৈৰাবাৰীৰ সাহিত্যালোচনামূলক সভা এখনত কেবাটিও মুছলমান ছাত্ৰ-ছাত্ৰীয়ে পাটেকীবড়ী থানৰ বিষয়লৈ গৌৰৱ কৰি লিখা কবিতা আমি শুনিছো। যোৱা আশীৰ প্ৰথম দশকত অসম আন্দোলনৰ সময়ত ভুল বুজাবুজি হৈ অনেক অমিল অসূয়া সংঘৰ্ষৰ সৃষ্টি হৈছিল। ঠায়ে ঠায়ে সাম্প্ৰদায়িক ৰূপে পৰিগ্ৰহ কৰিছিল সেইবোৰ সংঘৰ্ষই। কিন্তু এবাৰলৈও আমি অসমীয়া নহয় বুলি উচ্চাৰণ কৰা নাছিল কোনেও। কাৰণ সেই সিদ্ধান্ত তৰ্কাতীত।

কাল সাগৰত ঢউ খেলি আগুৱাই গৈ আছে উত্তৰ-পশ্চিম নগাঁৱৰ বহুৰঙী সমাজখনো। হিন্দু আছে, মুছলমান আছে, জৈন আছে, শিখ আছে, খৃষ্টানো আছে, আকৌ অসমীয়া আছে, বঙালী আছে, বিহাৰী আছে, হিন্দুস্থানী দেছুৱালী মানুহ আছে, তিৱা, বড়ো, কাৰ্বি সকলো জনজাতিৰ লোক আছে, এই সকলোৰে বেলেগ বেলেগ ৰীতি-নীতি আছে, বিশ্বাস আছে, সংস্কৃতিক মূল্যে অনেকৰ বেলেগ বেলেগ। কিন্তু ইমানবোৰ বিভিন্নতাৰ মাজতো সকলো থাকিব লগা হৈছে একে অৰ্থনৈতিক গাঁথনিৰ তলত, একে ধৰণৰ আইন আৰু শাসন ব্যৱস্থাৰ বশৱৰ্ত্তী হৈ, ফুৰিব লাগে একেবোৰ আলি বাটৰে বোকা-পানী গচকি, একে ৰ'দত পুৰি একেজাক বৰষুণতে তিতি বুৰি। আমাৰ ল'ৰা ছোৱালীহঁতে একে স্কুললৈকে যায়, একেবোৰ কলেজতে পঢ়ে। এই স্কুল কলেজবোৰ চৰকাৰে কাহানিও নেপাতে, এই খেতিয়ক মানুহবোৰেই গাথিৰ ধন ভাঙি পাতে। সেই স্কুলবোৰত একে শিক্ষকেই অসমীয়া ভাষাতে সকলোকে শিকায়। বস্তুৰ দাম হ'লে সকলোৰে

কষ্ট পায়। চাকৰি নেপায় নিবনুৱা হৈ বহি থকা শিক্ষিত ল'ৰা-ছোৱালীৰ কোনো জাতিভেদ ধৰ্মভেদ নাই। বঞ্চিতৰ লাঞ্ছিতৰ কোনো শ্ৰেণী ভেদ নাই। বৰ্তমান যুগৰ কঠিন আসুৰিক প্ৰতিযোগিতাৰ মাজত বিতত হৈছে সকলোৱেই সমানে। খাবলৈ ভালদৰে নোপোৱা সকলৰ একমাত্ৰ পৰিচয় দুখ যন্ত্ৰনা। অন্য পৰিচয় নাই। কৰি খোৱা মানুহৰ পৰিচয় কপালৰ ঘাম।

ৰাজনৈতিক স্বাৰ্থত প্ৰৰোচনাৰে কোনো কোনো সময়ত একাংশ লোক বিপথে কিছুদিনৰ বাবে পৰিচালিত হ'লেও উত্তৰ-পশ্চিম নগাঁৱৰ এই নৱগঠিত বহুৰঙী সমাজখনত সংকীৰ্ণ স্বাৰ্থৰ কোনো সংঘাত নাই। সকলোৱে উন্নতি বিচাৰে। নিজৰ, সমাজৰ, অসম দেশৰ। ❑

পৰিশিষ্ট

নিবেদন

স্বৰাজোত্তৰ নগাঁও ঃ নিবন্ধমালা

স্বাধীনতাৰ সোণালী জয়ন্তী উৎসৱ দেশজুৰি যোৱা এবছৰে বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হৈছে। ৰাষ্ট্ৰজোৰা এই কাৰ্যসূচী সমগ্ৰ দেশৰ সকলো শ্ৰেণীৰ লোকৰে যাতে এক সামূহিক উৎসৱলৈ ৰূপান্তৰিত হ'ব পাৰে তাৰ বাবে বিভিন্ন সময়ত সমাজৰ সকলো স্তৰৰ লোককে এই কাৰ্যসূচীত সংলগ্ন কৰাৰ প্ৰচেষ্টা অব্যাহত আছে। মুক্তি যুঁজাৰু সকলৰ পৰা আৰম্ভ কৰি সাহিত্য সংস্কৃতি প্ৰেমী, ক্ৰীড়ামোদী, সংগীত প্ৰেমী আদি সকলো লৈকে এই বৰ্ষ জোৰা উদযাপন পৰিব্যাপ্ত হৈছে।

প্ৰাৰম্ভিক প্ৰস্তুতি পৰ্যায়ৰ জিলা ভিত্তিক সাধাৰণ সভাত স্বৰ্ণজয়ন্তী উদযাপনৰ আন আন কাৰ্যসূচীৰ লগতে স্মৃতিগ্ৰন্থ প্ৰকাশৰ কথা অতি গুৰুত্ব সহকাৰে আলোচিত হৈছিল; আৰু বছৰটোত দুখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ প্ৰস্তাৱ সমস্বৰে সকলোৱে গ্ৰহণ কৰিছে। আলোচনী আকাৰত প্ৰাক্ স্বাধীনতা কালৰ নগাঁৱৰ বিভিন্ন দিশ সামৰি প্ৰথমখন স্মৃতিগ্ৰন্থ "সোণালী স্মৰণ" এই বছৰৰ গনতন্ত্ৰ দিবসত প্ৰকাশ পাইছে।

স্বৰাজোত্তৰ কালৰ প্ৰায় সকলোবোৰ দিশ সামৰি গ্ৰন্থ আকাৰে এই দ্বিতীয়খন গ্ৰন্থ "স্বৰাজোত্তৰ নগাঁও ঃ নিবন্ধমালা"। মূলতঃ নগাঁও জিলাৰ স্বৰাজোত্তৰ বিকাশ, সমস্যা, সম্ভাৱনা আদিৰ এক তথ্য সম্বলিত গ্ৰন্থৰ পৰিকল্পনাৰ এই প্ৰকাশন আছিল যদিও ইয়াৰ প্ৰকৃত মূল্যায়ন কেৱল পাঠক- সমালোচকৰ হাতত। এই গ্ৰন্থৰ যিকোনো সফলতাৰ বাবে ঘাইকৈ ধন্যবাদাৰ্হ লেখক সকলৰ আগ্ৰহ আৰু পৰিশ্ৰম; ভুল-ভ্ৰান্তিৰ বাবে দায় সম্পাদনা সমিতিৰ।

তথাপি আমাৰ সবিনয় নিবেদন নগাঁও তথা অসমৰ সুধী সমাজে গ্ৰন্থখনি আদৰেৰে গ্ৰহণ কৰে যেন।

সশ্ৰদ্ধ কৃতজ্ঞতা

অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত প্ৰফুল্ল কুমাৰ মহন্তই এই প্ৰকাশনৰ বাবে আন্তৰিক সহযোগিতা আগবঢ়াইছে। নগাঁৱৰ অনেক শুভ কাম আৰু সাহিত্য-

সামাজিক-সাংস্কৃতিক গুৰুত্ব পূৰ্ণ পৰিকল্পনা আৰু আঁচনিত শ্ৰীযুত মহন্তৰ প্ৰত্যক্ষ আৰু পৰোক্ষ সহযোগিতাৰে সকলো সময়তে সহায় কৰি আহিছে।

নগতে সহযোগিতাৰ সহাঁৰি আন্তৰিক ভাৱে আগবঢ়াইছে খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী শ্ৰীযুত দিগেন চন্দ্ৰ বৰা আৰু উদ্যোগ মন্ত্ৰী শ্ৰীযুত গুণীন হাজৰিকাদেৱে। সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

“স্বৰাজোত্তৰ নগাঁও ঃ নিবন্ধমালা” ৰ লেখক সকল যাৰ পৰিশ্ৰম আৰু কৃতিয়েই এই প্ৰকাশনৰ মূল সম্পদ, সেই সকলোলৈকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শ্ৰীযুত চৈয়দাইন আব্বাচি, আই.এ.এচ, উপায়ুক্ত আৰু নগাঁও জিলাৰ প্ৰশাসনৰ সক্ৰীয় সহযোগিতাৰ বাবে ধন্যবাদ জনালোঁ।

স্বাধীনতাৰ স্বৰ্ণজয়ন্তী বৰ্ষ উদযাপন সমিতিৰ সমূহ সদস্য, প্ৰথিতযশা চিত্ৰশিল্পী শ্ৰীযুত প্ৰনব বৰুৱা, শ্ৰীযুত দীপক শৰ্মা, দিহপুৰ, শ্ৰীযুত জীৱন নৰহ, শ্ৰীযুত মুকুল প্ৰসাদ বৰঠাকুৰ, শ্ৰীযুত অচিন্ত্য কুমাৰ বৰুৱা, কম্পিউটেক ডি.টি.পি. চেন্টাৰৰ সৰ্বশ্ৰী মৃনাল বৰা, কল্যাণ বৰা, ৰবিন বৰা, সত্যব্ৰত কাকতি, শ্ৰীযুত ৰবেন্দ্ৰ মোহন চক্ৰৱৰ্তী আৰু অভিৰুচি প্ৰকাশন, গুৱাহাটী, সকলোলৈকে আন্তৰিক ধন্যবাদ জনালোঁ।

এই গ্ৰন্থ-আঁচনিৰ প্ৰথমৰে পৰাই দিহা পৰামৰ্শৰে সহযোগিতা আগবঢ়োৱা অধ্যাপক শ্ৰীযুত প্ৰভাত বৰাদেৱলৈ আন্তৰিক কৃতজ্ঞতা আৰু শলাগ আগবঢ়ালোঁ।

সম্পাদনা সমিতি

প্ৰতিবেদন

স্বাধীনতাৰ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন নগাঁও জিলা সমিতি

১৫ আগষ্ট ১৯৪৭ ৰ পৰা ১৫ আগষ্ট ১৯৯৮। এক সুদীৰ্ঘ পৰিক্ৰমা।

ভাৰতীয় মহাজাতিৰ স্বাধীনতা প্ৰাপ্তিৰ গৌৰবোজ্জ্বল ইতিহাসক স্মৰণ কৰাৰ বাবে আৰু আজিৰ প্ৰজন্মক সেই সংগ্ৰামৰ সতে পৰিচয় কৰি দিয়াৰ বাবে স্বাধীনতাৰ সোণালী জয়ন্তী বৰ্ষটোত নগাঁও জিলাতো বহুখিনি কাম হাতত লোৱা হৈছিল। দেশৰ স্বাধীনতা সংগ্ৰামৰ বীৰ-বীৰাঙ্গনা সকলক স্মৰণ কৰাৰ বাবেও লগতে সশ্ৰদ্ধ প্ৰয়াস কৰা হয় এই বৰ্ষটোত।

চৰকাৰী নিৰ্দেশনাৰ ভিত্তিত এখনি প্ৰতিনিধিত্বমূলক সভা নগাঁৱত আহ্বান কৰি আৰু সেই সভাতে ব্যাপক ভিত্তিত "স্বাধীনতাৰ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন নগাঁও জিলা সমিতি" খন গঠিত হয়।

সমিতিয়ে জয়ন্তী বৰ্ষত ৰূপায়ন কৰা বিভিন্ন কাম-কাজৰ এটি বিৱৰণ দাঙি ধৰা হ'ল :

৯ আগষ্ট'৯৭ ৰ ক্ৰান্তি দিবস, ২ অক্টোবৰৰ গান্ধীজীৰ জন্ম দিৱস, ১৪ নবেম্বৰৰ শিশু দিৱস, স্বাধীনতা দিৱস, গণৰাজ্য দিৱস সমূহ বিশেষ কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ উপৰিও বিশ্ব পৰিবেশ দিৱস, গ্ৰাহক সুৰক্ষা দিৱস, কৌমি একতা সপ্তাহ, সদ্‌ভাৱনা দিৱস আদিও সোণালী জয়ন্তী বৰ্ষৰ সতে ৰজিতা খুৱাই পালন কৰা হয়।

গাঁওবাসীৰ সুবিধাৰ বাবে বছৰটোৰ মাটি ম্যাদীকৰণৰ এক বিশেষ অভিযান চলোৱাৰ উপৰিও দুকুৰিৰো অধিক ৰাজহ আদালত আৰু লোক আদালত জিলাৰ বিভিন্ন ভিতৰুৱা অঞ্চলত অনুষ্ঠিত কৰা হয়।

জিলাৰ ১৮ টা উন্নয়ন খণ্ডৰ প্ৰতিটোতে একোখনকৈ পিছপৰা গাঁও নিৰ্বাচন কৰি জিলা গ্ৰামোন্নয়ন অভিকৰণ আৰু অন্যান্য বিভিন্ন চৰকাৰী উন্নয়নী বিভাগৰ হতুৱাই গাঁও সমূহৰ আৰ্থসামাজিক উন্নয়নৰ বাবে এক সমন্বিত প্ৰচেষ্টা চলোৱা হয়। আদৰ্শ গাঁও আঁচনিৰ বাবে নিৰ্বাচন কৰা এই গাঁও সমূহ হ'ল : দেওবালী জাকৰুৱা, পাথালী হীৰাগাঁও, কাছমাৰি বামুণগাঁও, লালুংগাঁও, উখাপুৰ, মাহগুৰি, পোটনি সোণাৰীগাঁও, নিবুকালী মহমৰীয়া, বৰবালি টুপ, টুবুকি জাৰণি, নভূঙা, উদালী, পুৰণা কাকী, লালুংগাঁও, মদাৰতলী, কৃষ্ণনগাঁও, আমগুৰি, কাৰ্বিগাঁও, মিছামুখ পাৰ।

ইয়াৰে নিবুকালী আৰু ভোমোৰাগুৰি লালুংগাঁও - এই দুখন গাঁৱক আদৰ্শ গাঁওৰূপে ইতিমধ্যে ঘোষণা কৰা হৈছে আৰু বাকী গাঁও কিছুমানৰো কাম-কাজ ইতিমধ্যে শেষ হোৱাৰ

পথত।

নিৰক্ষৰতা দূৰীকৰণৰ বাবে জিলা সাক্ষৰতা সমিতিৰ যোগেদিও কিছু কাৰ্যসূচী বছৰটোত ৰূপায়ন কৰা হয়। স্বাস্থ্য বিভাগেও অনুষ্ঠিত কৰে বিভিন্ন কাৰ্যসূচী।

ছাত্ৰ-ছাত্ৰী আৰু শিশুৰ মনক স্বাধীনতা সংগ্ৰামৰ প্ৰতি সচেতন কৰাৰ বাবে বছৰটোত বিভিন্ন দিবসৰ লগত ৰজিতা খুৱাই স্বাধীনতা সংগ্ৰাম বিষয়বস্তুৰ চিত্ৰাঙ্কন, কুইজ, বক্তৃতা আৰু ৰচনা প্ৰতিযোগিতা আদিৰ আয়োজন কৰা হয়। এনে এটা সাংস্কৃতিক প্ৰতিযোগিতাৰ পৰা শ্ৰেষ্ঠ নিৰ্বাচিত নগাঁৱৰ কিশোৰ শিল্পী শ্ৰীঝুলনকৃষ্ণ মহন্তই পিছলৈ ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় শিশু সমাৰোহত যোগদান কৰি ৰাষ্ট্ৰীয় ভিত্তিত তবলাবাদনত শ্ৰেষ্ঠতাৰ বঁটা পাবলৈও সক্ষম হয়। মঞ্চস্থ কৰোৱা হয় -'পিয়লী ফুকন' পূৰ্ণাঙ্গ নাট। অনুষ্ঠিত হয় কবি সন্মিলন। তদুপৰি উত্তৰ স্বাধীনতা কালৰ নগাঁও আৰু প্ৰাক্ স্বাধীনতা কালৰ নগাঁও এই দুই বিষয় বস্তুৰে বছৰটোত প্ৰকাশিত হয় দুখন বৃহৎ আকাৰৰ স্মৃতি গ্ৰন্থ। শাস্ত্ৰীয় সংগীত আৰু মূকাভিনয়ৰ দুটা আটকধুনীয়া সাংস্কৃতিক কাৰ্যসূচীও বছৰটোত অনুষ্ঠিত কৰোৱা হয়।

খেলাধূলাৰ দিশত জিলা উদ্যাপন সমিতিৰ সহযোগত স্বৰ্ণজয়ন্তী বৰ্ষ উপলক্ষে নগাঁৱত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হয় আন্ত:ক্লাব নৈশ ক্ৰিকেট প্ৰতিযোগিতা আৰু আন্ত:ক্লাব বাস্কেটবল প্ৰতিযোগিতা। বিভিন্ন দিবসৰ সতে ৰজিতা খুৱাই অনুষ্ঠিত কৰা হয় সমূহীয়া দৌৰ, স্বাধীনতা দৌৰ আদি ব্যাপক অংশগ্ৰহণমূলক ক্ৰীড়া কাৰ্যসূচী।

মুক্তিযুঁজাৰু সকলৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰা হয় সম্বৰ্দ্ধনা জ্ঞাপন, ছহিদ স্তম্ভ নিৰ্মাণ আদিৰ যোগেদি। ২ অক্টোবৰ'৯৭ তাৰিখে নগাঁৱত কেন্দ্ৰীয়ভাবে জিলাখনৰ জীৱিত মুক্তিযুঁজাৰু সকলক মানপত্ৰসহ আন্তৰিক সম্বৰ্দ্ধনা জ্ঞাপন কৰাৰ লগতে জোঙাল বলহু গড়ত '৪২ ৰ ছহিদৰ স্মৃতিত ছহিদ স্তম্ভ নিৰ্মাণ কৰি উলিওৱা হয়। তদুপৰি নগাঁও চহৰৰ ঐতিহাসিক ছহিদ ভৱনটিৰ সংস্কাৰ সাধন কৰাৰ লগতে ভৱনৰ চৌহদত '৪২ ৰ ছহিদৰ স্মৃতিস্তম্ভ নিৰ্মাণৰ বাবেও প্ৰস্তুতি চলোৱা হয় বছৰটোতে।

তদুপৰি বিভিন্ন চৰকাৰী বিভাগে নিজৰ নিজৰ আঁচনি অনুসৰি বছৰটোত কামত আগবাঢ়ে।

স্বৰ্ণজয়ন্তী বৰ্ষ উদ্যাপনৰ ক্ষেত্ৰত নগাঁৱৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু নাগৰিক সকলৰ বিশেষকৈ জিলা মুক্তিযুঁজাৰু সন্থা, জিলা ক্ৰীড়া সন্থা আদিৰ সহযোগিতা আছিল স্বত:স্ফূৰ্ত আৰু প্ৰেৰণাদায়ক।

কনক কছাৰী
অতিৰিক্ত উপায়ুক্ত তথা
সম্পাদক
স্বাধীনতাৰ স্বৰ্ণজয়ন্তী বৰ্ষ
উদযাপন সমিতি, নগাঁও।

চৈয়দাইন আব্বাচী
উপায়ুক্ত তথা
সভাপতি
স্বাধীনতাৰ স্বৰ্ণজয়ন্তী বৰ্ষ
উদযাপন সমিতি, নগাঁও।

স্বৰাজোত্তৰ কালৰ নগাঁও জিলাৰ উপায়ুক্ত সকল

১।	আৰ. আৰ. খাউণ্ড, এ. চি. এছ.	১৫।৮।৪৭
২।	এ. এম. ডাম, এ. চি.এছ.	১৭।৯।৪৮
৩।	এ. এন. কিডৱাই, আই.চি. এছ.	১৪।৫।৪৯
৪।	এম. এন. গোস্বামী, আই. এ. এছ.	৭।১২।৫০
৫।	এন. এন. চক্ৰৱৰ্তী, এ. চি. এছ.	২৪।৪।৫১
৬।	ই. এইচ. পাকিনটীন, আই. এ. এছ.	২৩।৩।৫২
৭।	এচ. এম. ৰহমান, , এ. চি. এছ.	৯।৬।৫৫
৮।	এইচ. এন. ৰবা, এ. চি. এছ.	১০।৫।৫৭
৯।	এচ. এম. এল. ভাটনগৰ,আই.এ. এছ.	২০।৩।৫৮
১০।	এম. আহমেদ, আই.এ এছ.	২১।৪।৫৯
১১।	জে. আহমেদ, আই.এ. এছ.	২৮।১০।৫৯
১২।	ৰমেশ চন্দ্ৰ, আই.এ. এছ.	১৮।৮।৬০
১৩।	এচ. জে. দাস, আই.এ. এছ.	২২।৯।৬১
১৪।	আৰ. এচ. পৰমশিৱন,আই.এ. এছ.	২৪।১১।৬২
১৫।	চি. আৰ. কৃষ্ণমূৰ্ত্তী,আই.এ. এছ.	২৮।৪।৬৩
১৬।	আৰ. ডি. লিংডৌ,আই.এ. এছ.	২।৫।৬৫
১৭।	ই. এচ. পাৰ্থসাৰথি,আই.এ. এছ.	১৯।১০।৬৭
১৮।	চি. ডি. ত্ৰিপাঠি,আই.এ. এছ.	৯।৬।৬৯
১৯।	এচ. গোস্বামী,আই.এ. এছ.	২।২।৭২
২০।	এন.এন. মুখাৰ্জী,আই.এ. এছ.	২।১।৭৪
২১।	ডি.কে. গংগোপাধ্যায়,আই.এ. এছ.	১৬।১১।৭৪
২২।	আৰ. দত্ত,আই.এ. এছ.	২।৮।৭৬
২৩।	এন.কে. চৌধুৰী,আই.এ. এছ.	৭।৯।৭৮

২৪।	জে. এন. গোঁহাঞা,আই.এ. এছ.	১১।৪।৭৯
২৫।	এচ. কবিলন,আই.এ. এছ.	১২।১।৮১
২৬।	এচ. কে. তিৱাবী,আই.এ. এছ.	১৯।১১।৮২
২৭।	এচ. চেটাৰ্জী,আই.এ. এছ.	১৬।৩।৮৩
২৮।	টি. বাবু বাজীৱ,আই.এ. এছ.	৩।৯।৮৩
২৯।	জে. খোচলা,আই.এ. এছ.	২৬।৮।৮৫
৩০।	ইউ. এন. ভূঞা,আই.এ. এছ.	১৪।১।৮৬
৩১।	এচ. চি. দাস,আই.এ. এছ.	১৬।১।৮৯
৩২।	পি. এল. ভূঞা,আই.এ. এছ.	২৮।৮।৮৯
৩৩।	জে. এন. শৰ্মা,আই.এ. এছ.	১২।১১।৯০
৩৪।	ড০ বি. কে. গোঁহাই,আই.এ. এছ.	২০।৯।৯১
৩৫।	জে. পি. শইকীয়া,আই.এ. এছ.	১১।৬।৯২
৩৬।	পি. বসুমতাৰী,আই.এ. এছ.	২।৫।৯৪
৩৭।	এম. আৰ. দাস,আই.এ. এছ.	১৬।১২।৯৪
৩৮।	এচ. আব্বাচী,আই.এ. এছ.	১৭।৬।৯৬

□□□